আধুনিক অসমীয়া প্ৰেমৰ গল্প

সম্পাদনা :

ড° পৰাগ কুমাৰ ভট্টাচাৰ্য
বিজু হাজৰিকা

আৰ্য্য প্ৰকাশ
নলবাৰী [অসম]

ADHUNIK ASOMIA PREMOR GALPA A Collection of short Stories by different writers, Edited by D. Parag Kr. Bhattacharya & Riju Hajarika and Published by Arya prakash : Nalbari.
Rs. 45·00

প্ৰকাশক :
মোহন চন্দ্ৰ পাটগিৰী
আৰ্য প্ৰকাশ।

বেটুপাতৰ শিল্পী :
হৰকুমাৰ ডেকা

দাম :
৪৫·০০ টকা

ছপা :
আৰ্য্য প্ৰেছ,
নলবাৰী।

নিবেদন—

ব্যক্তিৰ মাজত সকলো মহৎ গুণৰ বিকাশ ঘটাই ব্যক্তি সত্তাক বিশ্বৰ সতে একাত্ম কৰি তুলিব পৰা শকতিৰ অধিকাৰী বুলিলে প্ৰেমক কোৱা হয় মহত্তম অনুভূতি বুলি। প্ৰেমৰ মহৎ গুণৰাশিৰ বিষয়ে লেখ দিবলৈ গৈ প্ৰখ্যাত চিন্তাবিদ এমাৰচনে কৈছিল যে প্ৰেম হল এনে এক শক্তি যিয়ে দেহ আৰু মনত বৈপ্লবিক পৰিবৰ্ত্তন সাধন কৰে, সাহিত্য তথা সামাজিক জীৱনৰ সতে ব্যক্তিক অন্বিত কৰে, হৃদয়ত সহানুভূতি জাগ্ৰত কৰে, কল্পনাৰ দুৱাৰ মুকলি কৰি দিয়ে, ব্যাক্তিৰ চৰিত্ৰত সন্নিবেশ কৰে বীৰত্ব, মহত্ব আৰু পবিত্ৰ গুণৰাশিৰ, বৈৱাহিক সম্পৰ্কৰ সূচনা কৰে আৰু মানৱ সমাজক স্থায়িত্ব দিয়ে।

প্ৰেমৰ লগত কাম চেতনাৰ সম্পৰ্ক আছে। কাম চেতনাক বহুতে প্ৰেমৰ সংকুচিত অৰ্থ বুলি কব খোজে যদিও কাম চেতনাই উদাত্ত ৰূপেৰে প্ৰকাশিত হয় ধৰ্ম কলা তথা সুকুমাৰ অনুভূতি ৰূপে। প্ৰেম এনে এক সু-মহান শক্তি যে ইয়াৰ লগত দৈহিকতা যুক্ত হলেও ই ঐশ্বৰিক বা দৈবিক গুণ বিবৰ্জিত নহয়। Barbara Cart Landৰ মতে আকৌ প্ৰেমৰ লগত দৈহিক সম্পৰ্কযুক্ত হলেহে মানুহে প্ৰকৃত দেৱী শক্তিৰ সন্ধান পায় আৰু ইয়াৰ অবিয়তে তেওঁ সকলো সহন কৰিব পৰা অজেয় শক্তি লাভ কৰে

'when man and woman find sex & love together, it is the highest they can reach towards the divine. It is unity for which since the beginning of time, mankind has gladly suffered martyrdom, exile, social obstruction torture and death (Many facet of love P. 214)

মোক্ষৰ চিন্তাৰে উন্মুখ ভাৰতীয় দৰ্শনতো প্ৰেমক কামৰ পৰা বিচ্যুত কৰি পোৱা হোৱা নাই। ভাৰতীয় চিন্তাত ইয়াক আদিশক্তি ৰূপে বৰ্ণনা কৰি ইয়াৰ মাজতে জীৱনৰ পৰিপূৰ্ণ আনন্দৰ সন্ধান কৰা হৈছে। নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ প্ৰেমক উত্তৰণ ঘটোৱা হৈছে বিশ্ব প্ৰেমলৈ। এই বিশ্বপ্ৰেম আৰু আত্মপ্ৰেম পৰস্পৰ সম্বন্ধযুক্ত।

Erich Fromm এ এই অনুভূতিৰ বিষয়ে লিখিছে—

If I truely love one person and love all persons. I love the world I love life. If I can say to some body else I love you I must be able to say 'I love you everybody. I love through you the world I love you in you also myself'.

একে একে সত্যকেই বহু যুগ আগতে ভাৰতীয় ঋষি যাজ্ঞবল্ক্যই কৈছে মৈত্ৰিয়ীৰ আগত— ন বা অৰে—ভূতানাং কামায় ভূতানি প্ৰিয়ানি ভবন্ত্যাম নস্তু কামায় ভূতানি প্ৰিয়ানি ভবন্তি। ন বা অৰে— সৰ্বস্যা কামায় সৰ্বং প্ৰিয়ং ভবত্যাত্মনস্তু কামায় সৰ্বং প্ৰিয়ং ভবতি। (জীৱবিলাকৰ প্ৰীতিৰ কাৰণেই জীৱবোৰ প্ৰিয় নহয়। আত্মপ্ৰীতিৰ কাৰণেই জীৱবোৰ প্ৰিয় হয়। সকলো বস্তুৰ প্ৰতি প্ৰীতিৰ কাৰণে সকলো বস্তু প্ৰিয় নহয়, আত্ম প্ৰীতিৰ কাৰণেই সকলো বস্তু প্ৰিয় হয়।)

প্ৰেমৰ এনেবোৰ তাত্ত্বিক আনুভৌতিক দিশৰ লগতে আছে বাস্তৱ তথা আৰ্থসামাজিক দিশ। সমসাময়িক জীৱনধাৰাত এই প্ৰেম চেতনা বাস্তৱবোধৰ দ্বাৰা কেনেদৰে সংশ্লিষ্ট বিশেষকৈ অৰ্থনৈতিক সমস্যাই এই চিৰন্তন অনুভূতিক কেনেকৈ ন ৰূপেৰে গঢ় দিছে তাৰ সম্যক পৰিচয় সাম্প্ৰতিক সাহিত্যত প্ৰতিফলিত হৈছে। জীৱন ধাৰণাৰ সমস্যা বাচি থকাৰ সমস্যাই প্ৰেমক কেনেকৈ অৰ্থনৈতিক সম্পৰ্কলৈ ৰূপান্তৰিত কৰিছে এই চিত্ৰও গল্প, সাহিত্যৰ বিষয় বস্তু হৈছে।

প্ৰেমৰ এই বৰ্ণাঢ্য ৰূপৰ সমাবেশ পুষ্ট কেইটামান গল্প অসমীয়া সাহিত্যৰ আৱাহন যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান যুগৰ গল্প সাহিত্যৰ মাজৰ পৰা বুটলি অনা হৈছে আৰু তাৰেই সজোৱা হৈছে আধুনিক অসমীয়া প্ৰেমৰ গল্প। আৱাহন যুগৰে পৰা ইয়াৰ আৰম্ভণি কৰা হৈছে। এই কাৰণেই যে এই যুগৰ পৰাই অসমীয়া গল্প সাহিত্যত ৰোমাণ্টিক প্ৰেমৰ বাধাহীন উদ্যম, কল্পনাৰ আতিশৰ্য্য আৰু আদৰ্শবাদিতাৰ মাজলৈ এক বাস্তৱবোধৰ সম্প্ৰসাৰণ ঘটিছে। এই সময়ত ফ্ৰয়েদীয় চিন্তাৰ আলোকে অসমৰ বৌদ্ধিক জগত উদ্ভাসিত কৰিবলৈ লৈছে। অৱশ্যে তাৰ পুঙ্খানুপুঙ্খ বিশ্লেষণাত্মক গল্প এই যুগত চকুত লগা ধৰণে ৰচিত হোৱা নাছিল যদিও অৱচেতন মনস্তত্বৰ সুন্দৰ বিশ্লেষণ দাঙি ধৰি এই যুগৰ লক্ষ্মীধৰ শৰ্মাই অসমান্য প্ৰতি-

ভাব পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হয়। এই যুগৰে লিখক ত্ৰৈলোক্য নাথ গোস্বামীয়ে প্ৰেমানুভূতিকো অৰ্থনৈতিক সংকটৰ সন্মুখত স্পষ্ট কৰি তুলি, অবৈধ প্ৰেমৰ সতে সমাজ জীৱনৰ লগত সংঘাট স্পষ্ট কৰি তুলি বাস্তৱবোধৰ উজ্জ্বল উদাহৰণ দাঙি ধৰিছে।

যুদ্ধোত্তৰ যুগৰ গল্পসমূহত ৰোমাণ্টিক কল্পনা অৱসাদ গ্ৰস্থ হৈ পৰাৰ লগে লগে যৌন চেতনাৰ ৰহস্যময় লীলা উদ্ভাষিত হব ধৰিলে। বিকৃত লালসা, পাপাচাৰৰ অন্তৰালৰ যৌন মানসিকতাক বিশ্লেষণ কৰাত ফ্ৰয়েড হেৱল এলিচ আদি যেনেকৈ আদৰ্শ হৈ পৰিল আৰু সামাজিক দিশৰ বিশ্লেষণত মাৰ্ক্সীয় তত্বসমূহ প্ৰতিফলিত হব ধৰিলে। এই দুই প্ৰভাৱত এই সময়চোৱাৰ গল্পবোৰ অধিক বাস্তৱধৰ্মী হবলৈ ধৰিলে। বৈজ্ঞানিক বিশ্লেষণৰ জৰিয়তেও প্ৰেমানুভূতিক বিশ্লেষণ কৰাৰ প্ৰয়াস পৰিলক্ষিত হ'ল সৌৰভ কুমাৰ চলিহাৰ গল্পসমূহত। তেনেকৈ অৰ্থনৈতিক হেচাৰ সন্মুখত প্ৰেমৰ গভীৰতাৰ স্বৰূপ ওলাই পৰিল একেবাৰে সাম্প্ৰতিক লিখক প্ৰণবজ্যোতি ডেকা, অৰুণ গোস্বামী অপূৰ্ব শৰ্মা, হৰেন্দ্ৰ কুমাৰ ভূঞা, দেবব্ৰত দাস আদিৰ হাতত। তথাপিও সময়ে সময়ে ক্ষত-বিক্ষত জীৱনৰ পৰা নিস্কৃতি বিচাৰি ৰোমাণ্টিক আবেশৰ মাজত নিজকে বিলাই দিব খোজাৰ প্ৰৱণতাও এই যুগৰ দুই এজন গল্প লিখকৰ মাজত প্ৰকাশ পালে।

অসমীয়া প্ৰেমৰ গল্পৰ এই প্ৰত্যেকটো ৰূপকেই ইয়াত দাঙি ধৰিব পৰা হৈছে বুলি আমি দাবী কৰিব নোৱাৰো। তথাপি প্ৰেমৰ বিভিন্ন অভিব্যক্তৰ গল্প ইয়াত সন্নিবিষ্ট কৰাৰ চেষ্টা কৰা হৈছে। এই সংকলনৰ বাবে আমি আগতিয়াকৈ প্ৰেমৰ গল্পৰ ফৰমাইচ দি লিখক সকলক দি গল্প লিখোৱা নাই কাৰণ আগতিয়াকৈ কোনো এটা বিষয়ৰ ওপৰত ফৰমাইচ দি লিখোৱা সাহিত্যৰ উৎকৃষ্টতা সম্পৰ্কে আমাৰ সন্দেহ আছে। সেয়ে এই নীতিৰ পৰিবৰ্ত্তে আমি লিখক সকলৰ অজ্ঞাতে গল্পবোৰ নিৰ্বাচন কৰি পাছত তেওঁলোকক জনাইছো। লিখকসকলে আমাৰ মতৰ সৈতে একমত হৈ গল্পটো প্ৰকাশৰ অনুমতি দিছে। ইয়াৰ বাবে প্ৰথমতে বিচাৰি অনা কেইটাটাও গল্প প্ৰকাশ কৰিব পৰা নাই

আমাৰ সংকলনটোৰ আদৰ্শৰ সতে সেইবোৰ নিমিলা বাবে এই চেগতে সেই লিখকসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। তেখেত সকলৰ গল্পবোৰ প্ৰকাশ কৰিব নোৱাৰা বাবে লগতে এই সংকলনটোৰ সৌন্দৰ্য্য বৰ্দ্ধনত যিসকল গল্পকাৰে অৰিহণা যোগালে তেখেতসকললৈ আমাৰ কৃতজ্ঞতা নিবেদন কৰিলো।

এনে এটা বৃহৎ সংকলন সুন্দৰকৈ প্ৰকাশ কৰি আৰ্য্য প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীযুত মোহন চন্দ্ৰ পাটগিৰী আমাৰ ধন্যবাদৰ পাত্ৰ হৈছে। তেখেতৰ এই সাহিত্য নিষ্ঠা অক্ষুন্ন থকাৰ কামনা কৰিলো। সংকলনটো প্ৰকাশৰ বিভিন্ন দিশত তেওঁৰ ভাতৃ শ্ৰীবিপিন চন্দ্ৰ পাটগিৰীয়ে দেখুৱা তৎপৰতাৰ বাবেও আমি তেওঁক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

প্ৰখ্যাত সাহিত্য সমালোচক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক পণ্ডিত ড° সত্যেন্দ্ৰ নাথ শৰ্ম্মাদেৱে এই গ্ৰন্থখনৰ বিষয়ে একাষাৰ লিখি দি আমাৰ প্ৰয়াস ফলৱতী হোৱাত বিশেষ সহায় আগবঢ়ালে। ব্যস্ততাৰ মাজতো তেখেতে আমাৰ অনুৰোধ ৰক্ষা কৰাত আমি কৃতাৰ্থ মানিছো। আশাকৰো অসমীয়া গল্পৰ ধাৰাৰ বিষয়ে অবগত হোৱাত গুৰুদেৱ ড° শৰ্ম্মাদেৱৰ এই সাৰগৰ্ভ আলোচনাই পাঠকসকলক সহায় কৰিব।

• বেটুপাতৰ শিল্পী হৰকুমাৰ ডেকা আৰু আৰ্য্য প্ৰেছৰ সমূহ কৰ্মীবৃন্দলৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিলো। সদৌ শেষত সহৃদয় পাঠকসকলৰ সুস্থ সমালোচনা আশা কৰিলো। ইয়াৰ ভুল-ত্ৰুটিবোৰ আঙুলিয়াই দিলে পৰৱৰ্ত্তী সংকলনত সেইবোৰ আঁতৰ কৰি ইয়াক সুন্দৰ কৰাৰ আশা ৰাখিলো।

ইতি—

শ্ৰীপৰাগ কুমাৰ ভট্টাচাৰ্য
শ্ৰীবিজু হাজৰিকা

গুৱাহাটী
২। ১০। ৮৯ ইং

সূচীপত্ৰ ঃ

ড° সত্যেন্দ্ৰ নাথ শৰ্মা
একামাৰ ঃ
ত্ৰৈলোক্য নাথ গোস্বামী
সাদৰী ঃ ১
যোগেশ দাস
আবিষ্কাৰ ঃ ১৩
প্ৰফুল্ল দত্ত গোস্বামী
খেৰায় ঃ ২৬
ৰোহিনী কুমাৰ কাকতি
ভাগৰি পৰিল ঃ ৩২
কুমাৰ কিশোৰ
আমি জীয়াই থাকো ঃ ৪৩
নিৰ্ম্মল প্ৰভা বৰদলৈ
ৰেণ্টলেগু ঃ ৫৭
অনিমা দত্ত
উত্তৰণ ঃ ৬৬
সতীশ ভট্টাচাৰ্য
মেৰী পিটাৰ আৰু সেই বুঢ়ীজনী ঃ ৭৭
শীলভদ্ৰ
ছায়া সঙ্গিনী ঃ ১০১
অতুলানন্দ গোস্বামী
বুৰঞ্জী দাহ ঃ ১১৭
মামনি ৰয়ছম গোস্বামী
সংস্কাৰ ঃ ১২৮
দুৰ্গেশ্বৰ শৰ্মা
আকৌ তেওঁ ঃ ১৫৩
হেমন্ত কুমাৰ শৰ্মা
প্ৰেমৰ শিখা ঃ ১৬৪
কামাখ্যা সভাপণ্ডিত
মোৰ জীৱনত মলয়া ঃ ১৭৪
ঈশ্বৰ মহন্ত
সোণালী সূতাৰে গঁথা ঃ ১৮৯

বিজু হাজৰিকা
প্ৰেমৰ নাম প্ৰত্যয় : ১৯৯
নগেন শইকীয়া
অপাৰ্থিব, পাৰ্থিব : ২০৮
গোবিন্দ প্ৰসাদ শৰ্মা
অবগুৰৰ প্ৰেম : ২১৭
মহেন্দ্ৰ বৰঠাকুৰ
আন্ধাৰৰ পোহৰ : ২৩১
হৰেকৃষ্ণ ডেকা
অন্তঃ সলিলা : ২৪০
ফুলেন বৰ্মণ
ভবিষ্যতৰ সন্ধানত এজন বেকাৰ যুবক ২৫৭
নীলিমা শৰ্মা
নিৰবধি : ২৭০
নন্দিনী শৰ্মা
বিবাহ দৰ্পণ : ২৭৯
অৰুণ গোস্বামী
আলোক চিত্ৰ : ২৯২
কুমুদ গোস্বামী
টেম্পল অব দ্য লৰ্ড : ৩১০
পৰাগ কুমাৰ ভট্টাচাৰ্য
অজ্ঞাতবাস : ৩১৯

সাদৰী

ত্ৰৈলোক্য নাথ গোস্বামী

লিখকৰ চমু পৰিচয়

[জন্ম ১৯০৬ চন। পিতৃ যামিনীকান্ত গোস্বামী আৰু মাতৃ পদ্মাপ্ৰিয়া গোস্বামী। পঢ়াশুনাৰ পৰা মেধাৱী ছাত্ৰ শ্ৰীগোস্বামীয়ে ১৯২৬ চনত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে নলবাৰী গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা। ১৯২৮ চনত আই এ পাছ কৰে। ১৯৩০ত দৰ্শনত সন্মান সহ বি, এ পাছ কৰে আৰু ১৯৩২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম, এ পাছ কৰে। গুৱাহাটীৰ আৰ্ল ল কলেজৰ পৰা বি, এল ডিগ্ৰী লাভ কৰে।

শ্ৰীগোস্বামীয়ে কলিকতাৰ অক্সফোৰ্ড ইউনিভাৰচিটি প্ৰেছত কিছুদিন কাম কৰাৰ পাছত শিক্ষকতাৰ কাম আৰম্ভ কৰে। ২৩ বছৰ ধৰি নলবাৰী কলেজৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈ থকাৰ পাছত তেওঁ অৱসৰ গ্ৰহণ কৰে। কৃতি শিক্ষক শ্ৰীগোস্বামী এজন কৃতি খেলুৱৈ আৰু সঙ্গীত অনুৰাগীও আছিল। কিন্তু গোস্বামীৰ সাহিত্যৰ দিশত যি অতুলনীয় অৱদান আগবঢ়ালে তাৰ বাবেহে তেওঁ বিশেষ স্মৰণীয়। গল্পকাৰ হিচাপে তেওঁ সাহিত্যিক জীৱন আৰম্ভ কৰে। অকণি, মৰীচিকা, শিল্পীৰ জন্ম, জীৱনৰ জীয়া জুই তেওঁৰ উৎকৃষ্ট গল্প সমূহৰ সংকলন। সাহিত্য সমালোচক হিচাপে গোস্বামীৰ কৃতিত্ব তেওঁৰ সাহিত্য আলোচনা, আধুনিক গল্প সাহিত্য, সাহিত্য কলা আৰু তাৰ বিচাৰ প্ৰবন্ধ চয়ন আদি গ্ৰন্থৰ যোগেদি তেওঁ প্ৰকাশ পাইছে। আধুনিক গল্প সাহিত্য গ্ৰন্থখনৰ বাবে তেওঁ সাহিত্য একাডেমীৰ পুৰস্কাৰ লাভ কৰে। তেওঁৰ আন এখন গ্ৰন্থ নৱন ভৰ'ৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰে। শ্ৰীগোস্বামীয়ে অসম সাহিত্য সভাৰ ছুবাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল।

গল্পকাৰ হিচাপে শ্ৰীগোস্বামীৰ বৈশিষ্ট্য হ'ল তেওঁৰ সমাজ সচেতনতা। সমাজৰ পতিতা আৰু অৱহেলিতা আৰু বিধবা নাৰীৰ প্ৰতি তেওঁৰ এক গভীৰ সহানুভূতি প্ৰকাশ পোৱাৰ লগতে প্ৰকাশি উঠিছে নিঃস্ব জনৰ প্ৰতি তেওঁৰ গভীৰ সহানুভূতি। সময়ে সময়ে বিদ্ৰোহৰ উত্তাপ প্ৰকাশ পাইছে সমাজৰ অসাম্য অবিচাৰ দেখি। তেওঁৰ প্ৰেমৰ গল্পত চিৰন্তন আবেদন অতি স্পষ্ট আৰু ইয়াৰ মাজতো বাস্তৱবাদ প্ৰকাশ পোৱাটো বিশেষ মন কৰিবলগীয়া কথা]

অযত্ন পালিতা বালিকা সাদৰী। তাইৰ কোৱে নাই, অকলশৰীয়া। সৰু চহৰখনৰ এচুকত তাইৰ পজা ঘৰটো। ঘৰটোৰ পাছফালে কেইজোপামান কলগছ আৰু আগফালে এজুপি শেৱালি ফুল। শেৱালি ফুলজুপি তাইৰ বৰ আদৰৰ। বাগেক চুকাবৰ দুবছৰ হ'ল কিন্তু সাদৰীয়ে এই ফুলজোপাৰ তলাৰফ লৈ যোৱাকৈ থকা নাই। সাদৰীৰ মনত পৰে অহকালি

বাপেকে এই ফুলজোপাৰ তলতে বহি জুৰ লৈছিল। কাঠৰ কাম কৰি আমনি লাগিলে ইয়াৰ তলতেই বহি তেওঁ মনৰ অৱসাদ আঁতৰাইছিল। এই ফুলজোপাই সাদৰীৰ মনত বাপেকৰ স্মৃতি উজ্বলাই ৰাখিছে। তাই ফুলজোপাৰ তলখন সাৰিপুচি পৰিষ্কাৰকৈ ৰাখে আৰু নিতৌ একসহ পানী আনি ফুলজোপাৰ চৰণ ধুৱায়।

চাৰি পাঁচ বছৰৰ আগতে সাদৰীৰ বাপেক এই সৰু চহৰখনিলৈ আহিছিল ভৱিষ্যত সংস্থানৰ আশাত। বাপেক জীয়াই থকা দিন কেইটাত সিহঁতৰ একৰকম ভালেই চলিছিল। বুঢ়া হলেও বাপেকে সৰু-সুৰা কাঠৰ কাম কৰি যি অলপ উপাৰ্জ্জন কৰিছিল তাৰেই দুজন মানুহৰ খোৱা লোৱা আৰু কাপোৰ কানিৰ খৰচ জুৰিছিল। কিন্তু বাপেক ঢুকোৱাৰ পিছৰে পৰা সাদৰী অকুলশৰীয়া হোৱাৰ উপৰিও নিজৰ খোৱা বোৱাৰ বাবে শ্ৰম কৰিবলৈ বাধ্য হৈছিল। তাই কাপোৰ বয় আৰু বোৱা কাপোৰ বজাৰলৈ লৈ গৈ বিক্ৰী কৰি যি পায় তাৰে তাই কষ্টেৰে চলে। বাপেক জীয়াই থাকোঁতে তাই অলপমান লেখা পঢ়া শিকিছিল। এতিয়া অনভ্যাসত তাকো তাই পাহৰি যোৱাৰ উপক্ৰম হৈছে। তথাপি কেতিয়াবা তাই এসাজুৰে ক'লা পৰি যোৱা—ৰামায়ণখন উলিয়াই মাজে সময়ে ঘেহাই ঘেহাই দুটা এটা অধ্যায় পঢ়ে। দুখে সুখে দিনৰ দিনটো একৰকম যায়। কিন্তু নিশা অহাৰ লগে লগেই নিতৌ নতুন আতঙ্কই তাইৰ মন আগুৰি ধৰেহি। তথাপি তাইৰ সাহ আছে, ধৈৰ্য্য আছে। চকচকীয়াকৈ ধাৰ দি থোৱা এখন দা তাইৰ মূৰ শিতানতে থৈ দিয়ে আৰু আগন্তুক কিবা বিপদৰ সূচনা অনুমান কৰিব পাৰিলেই দা খন হাতত লৈ তাই বিচনাত উঠি বহে। এইদৰে তাইৰ জীৱন যৌৱন সময়ৰ লগে লগে আগবাঢ়ি গৈ থাকে।

সুখ দুখৰ কথা কৈ মন পাতলাবলৈ তাইৰ আপোনজন কোৱে নাই। কেইজনমান ডেকা অৱশ্যে তাইৰ ওচৰলৈ গৈ তাইৰ লগত মাজে সময়ে কথা পাতে। প্ৰথমতে তেওঁলোক তাইৰ ওচৰলৈ কাপোৰৰ দামদৰ কৰি কিনিবলৈ গৈছিল। এই সূত্ৰই ডেকা কেইজনৰ লগত তাইৰ চিনাকি। চেহেৰাপাতি সাজপাৰৰ ফালৰ পৰা ডেকাকেইজন ভাল মানুহৰে ল'ৰা যেন লাগে। সেইবাবে সাদৰীয়ে তেওঁলোকক বহিবলৈ দিয়ে আৰু তামোল পানো যাচে। ডেকাকেইজনৰ ভাল লাগে তাইৰ সৰল ব্যৱহাৰ আৰু তাইৰ দীঘল চুলিটাৰীৰ কেঁকোৰা কেঁকুৰি ভাঁজবোৰ।

লাহে লাহে ডেকাকেইজনে তাইৰ ঘৰলৈ একেলগে অহা বন্ধ কৰিলে। এতিয়া এজন এজনকৈহে তাইৰ ঘৰলৈ এওঁলোক আহে। এদিন আবেলি এজন ডেকা তাইৰ ঘৰত উপস্থিত হ'লহি। সাদৰীয়ে আগৰদৰে তেওঁক বহিবলৈ দিলে। নানান আগওৰি নোহোৱা কথা কৈ তেওঁ সাদৰীক আনন্দ দিবলৈ চেষ্টা কৰিলে। কিছুসময় অতিবাহিত হোৱাৰ পিছত ডেকা উঠিল আৰু একো নোকোৱাকৈয়ে সাদৰীৰ হাতত এটা সৰু কাগজেৰে বন্ধা টোপোলা গুজি দিলে। টোপোলাটো হাত পাতি লোৱাৰ ইচ্ছা তাইৰ নাছিল কিন্তু ডেকা অসন্তুষ্ট হ'ব বুলি ভয় কৰি হাত পাতি ল'লে। অকল-শৰীয়া জীৱন যাপন কৰি তাই বুজিছে যে পৰাপক্ষত তাই কাৰো মনত দুখ দিয়া উচিত নহয়। ডেকা আঁতৰি যোৱাৰ পিছত তাই টোপোলাটো খুলি চাই দেখিবলৈ পালে এটা ৰঙীন ব্লাউজ। ব্লাউজটো লিৰিকি ধিদাৰি তাই চালে। তাইৰ লোভ লাগিল। এনে ধুনীয়া কাপোৰ তাই কোনোদিন গাত দি পোৱা নাই। কিন্তু পিছমুহূৰ্ত্তে তাইৰ মনৰ গতি সলনি হ'ল। তাই অনুভৱ কৰিলে যে এনে বহু-মূলীয়া পোছাকৰ তাইৰ আৱশ্যক নাই। এটা আবেগৰ বশৱৰ্ত্তী হৈ তাই ব্লাউজটোত জুই লগাই দিলে। তাইৰ মনত পৰিল কমললৈ আৰু মনত পৰিল তাইৰ দাৰিদ্ৰপীড়িত জীৱনলৈ। তাই কান্দি পেলালে।

পিছদিনাখন উপস্থিত হ'ল আন এজন ডেকা। তেওঁ আনিছে চাবোন, তেল প্ৰভৃতি কেইটামান প্ৰসাধন সামগ্ৰী। প্ৰসাধনৰ অভাৱত তাইৰ দেহৰ সৌন্দৰ্য্য ভালকৈ ফুটি উঠা নাই। সেইবাবে ডেকাই করুণা পৰবশ হৈ আনিছে কেইটামান বস্তু যিবোৰৰ নাম আৰু ব্যৱহাৰ সাদৰীয়ে নাজানে।

সাদৰীয়ে এইবোৰ ভাল নেপালে। তথাপি ডেকাক টান কথা কোৱাৰ সাহস তাইৰ নহ'ল। কিন্তু তাইৰ মনত খং উঠিল। আদৰ অভ্যৰ্থনা নোপোৱাকৈ ডেকা উঠি গ'লত সাদৰীয়ে বস্তুখিনি খুলি নোচোৱাকৈয়ে ঘৰৰ পাছফালৰ খালটোত পেলাই দিলে। আজি তাইৰ চকুপানী ওলোৱা নাই, একপ্ৰকাৰ তৃপ্তিত আত্ম বিশ্বাসে তাইৰ মনতো সবল কৰি তুলিলে।

দুখ আৰু দুশ্চিন্তাৰ মাজেদি সাদৰীৰ দিনবোৰ বাগৰি গ'ল। দিনে দিনে নতুন নতুন আশঙ্কাই তাইক আতঙ্কিত কৰি তোলে। নিশা অহাৰ লগে লগে তাইৰ মনত দুশ্চিতা বাঢ়ে। তাই ভাবে মানুহৰ মাজত তাই থকা নাই কিন্তু আছে দৈত্য দানৱ আৰু ভূত প্ৰেতৰ মাজত। ঘৰৰ ওচৰত থকা কলগছজুপিত দৈত্যৰ আকৃতি ধাৰণ কৰে নিউ নিউকৈ চিঞৰি উঠা ফেচাঁটোৱে যেন কিবা গুৰুতৰ বিপদৰ আগবতৰা দিয়ে। তাইৰ একমাত্ৰ সম্বল সেই চকচকীয়া দাখন। দাখন হাতেৰে খামুচি ধৰি তাই বিচনাত উঠি বহে কিন্তু অলপ পিছতে বুজি পায় কোনোবা মাতালে দূৰত বেসুৰা গান গাইছে। কেতিয়াবা কেতিয়াবা তাইৰ ইচ্ছা হয় এই বিভীষিকাৰ মাজৰ পৰা তাই দৌৰি পলাব কিন্তু তাই যাব কলৈ? তাইৰ যে আপোন কোৱে নাই। সকলো পৰ, অচিনাকি অবিশ্বাসী। কিছুসময় স্থিৰ হৈ বিচনাতে বহি থাকে। নিজৰ অসহায় অৱস্থাৰ কথা ভাবি তাই নীৰৱে অকলে চকুপানী টোকে।

এনেকৈয়ে তাইৰ দিন যায়। মানুহ দুনুহ তাইৰ ঘৰলৈ আহে, তথাপি তাই অকলশৰীয়া। কাকো একো নোকোৱাকৈয়ো তাইৰ ঘৰলৈ বস্তু বাহানি আহে, তথাপি তাই দুখীয়া, খাবলৈ

নোপোৱা। তাইৰ অন্তৰৰ শূন্যতা আৰু তাইৰ মনৰ মাজত আশা নিৰাশাৰ তুমুল যুদ্ধ-বাগৰ। তাইৰ মনত জাগি উঠে নানান অলীক কল্পনা। খন্তেকতে অন্তৰত পুহি থোৱা তাইৰ আদৰ্শটো সন্দেহ আৰু অবিশ্বাসৰ চাকনিয়ে ঢাকি ধৰে কিন্তু ধুমুহাৰ আগে আগে উৰি যোৱা মেঘৰ দৰে এই সন্দেহ আৰু অবিশ্বাস পিছ মুহূৰ্ত্ততে আঁতৰি যায়। দুনাই তাইৰ ফৰকাল হৈ উঠে, দুৰাশা ডাকিনী পলাই ফাট মাৰে আৰু তাইৰ মনত নুমাই যাব খোজা আশা বন্তি পুনৰাই উজ্জ্বল হৈ তাইৰ মনত সাহস যোগায়।

নানান চিন্তাৰে মন ভাৰাক্ৰান্ত হৈ থকা অৱস্থাতে কেতিয়াবা কেতিয়াবা তাইৰ পৰিচিত ডেকা আহি উপস্থিত হয়হি। ডেকাৰ হয়তো মনত আশা আছিল যে তেওঁ সাদৰীৰ সাদৰ সম্ভাষণ পাব আৰু মুখৰ হাঁহিটি দেখিব। কিন্তু সিদিনা তাইৰ শুকান ওঁঠ বিৰিঙি মুখৰ হাঁহিটি ফুটি নোলায়। সেই বাবে তাই 'গা অসুখ', 'মূৰ কামুৰিছে' ইত্যাদি নানান ওজৰ দেখুৱাই পৰিচিত ডেকাৰ পৰা পাৰিলে তাই আঁতৰত থাকিব বিচাৰে।

সাদৰী অকলশৰীয়া হোৱাৰ কাৰণে নিজৰ উপাৰ্জ্জনৰ কথাত তাই ভাবিব লগাত পৰে। তাই তাঁত বয় আৰু যিখিনি কাপোৰ বই উলিয়াব পাৰে তাকে হাতত লৈ তাই ইঘৰে সিঘৰে ফুৰি বেচি-বলৈ যত্ন কৰে। তাইৰ প্ৰতি গ্ৰাহকৰ দয়া ওপজে। সৰহ ভাগেই আগ্ৰহেৰে তাইৰ কাপোৰ কিনে।

সিদিনা জেঠ মহীয়া ৰ'দ। কেইখনমান কাপোৰ লৈ তাই ওলাইছে বঙলা ঘৰলৈ বুলি। ভৰ ৰ'দতো তাই ঘৰৰ পৰা ওলাইছে। তাইৰ মনত আশা কিজানি দুপইচা পায়েই। ভয় ভয়কৈ তাই বঙলাৰ মুখ পালেগৈ। এজন ভদ্ৰলোকে মূৰ তুলি তাইৰ পিনে চাই তাইক ভিতৰলৈ মাতিলে। তাই কাপোৰৰ টোপোলাটো খুলি এখন এখনকৈ গামোছা, মেখেলা, বিহা প্ৰভৃতি কাপোৰবোৰ দেখুৱালে। ভদ্ৰ-লোকৰ পছন্দ হ'ল এখন ফুলাম গামোছা। গামোছাখনৰ দাম পাঁচঅনা। ভদ্ৰলোকজনে তাইক এটকা ৰূপ দি দিলে আৰু কলে তাই যেন তেওঁৰ

খবৰ কৰি মাজে সময়ে কাপোৰ দি যায়। সাদৰীয়ে কৃতজ্ঞ চকুৰে তেওঁৰ পিনে ঘূৰি চাই লাহে লাহে বঙলাৰ চৌহদৰ বাহিৰ হৈ আহিল। গোটেই বাটে ভাবি আহিল এই অচিনাকি ভদ্ৰলোকজনৰ কথা। মনেৰে তাই তেওঁৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলে।

দুখৰ মাজতো সাদৰীৰ কেইটামান দিন ভালেই গ'ল। এই কেইদিন তাই অভাৱৰ তাড়ণা অনুভৱ কৰা নাই কাৰণ এই কেইদিন বিক্ৰী ভাল হৈছে। নিজে বোৱা কাপোৰৰ উপৰিও তাই আনৰ পৰা কাপোৰ কিনি আনি অলপ চৰা দামত বেছিব পাৰিছে।

বঙলাৰে অহা ভদ্ৰলোকজন চৰকাৰী কামত মাজে সময়ে চইবলৈ আহে। সাদৰীৰ নিৰাশ্ৰয় অৱস্থাৰ কথা ভাবি তেওঁ তাইক পাৰিলে অলপ সহায় কৰিব বিচাৰে। মাজে সময়ে তেওঁ সাদৰীক সহায়ো কৰিছে। সৰলা সাদৰীয়ে কোনো দিনেই এই অচিনাকি ভদ্ৰলোকজনক সন্দেহৰ চকুৰে চোৱাৰ সুবিধা পোৱা নাই। কিন্তু এদিন এটা ঘটনাৰ পৰা সাদৰীয়ে এই দানশীল ভদ্ৰলোকজনৰ ওচৰ নচপা হল। এদিনাখন কাপোৰৰ টোপোলা লৈ তাই বিনা দ্বিধায় ভদ্ৰলোকজন থকা কমলৈ সোমাই গৈ তেওঁৰ ওচৰত থিয় দিলে। ভদ্ৰলোকজনৰ নিৰ্দ্দেশ অনুসৰি তাই কাপোৰৰ টোপোলা খুলি এখন এখনকৈ তেওঁক দেখুৱাব ধৰিলে। ভদ্ৰলোকজনে গামোছা এখন লৈ ৰূপ এটকা হাতত ল'লত সাদৰীয়ে টকাটো লবলৈ হাত মেলি গ'ল। হঠাত তাইৰ আঙুলিত এটা মৃদু হেঁচা পৰিল। উচপ্ খাই উঠি দুখোজ পিছুৱাই থিয় দিলে। টকাটো তাইৰ হাতৰ পৰা সুলকি পকী ভেটিত পৰিল। অলপ সময় সাদৰীয়ে টকাটো বুটলি লবলৈ সাহ কৰা নাই আৰু ভদ্ৰলোকজনো যেন কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিছে। পিছত সাদৰীয়ে টকাটো বুটলি লৈ দুৱাৰেদি বাহিৰলৈ ওলাই অহাৰ উপক্ৰম কৰোঁতেই ভদ্ৰলোকজনে মাত লগালে 'সাদৰী'?

কোনো উত্তৰ নিদি সাদৰী ঘৰমুৱা হ'ল। কৃতজ্ঞতাৰ পাত্ৰ পৰম কাৰুণিক সেই ভদ্ৰলোকজনৰ অস্বাভাৱিক ব্যৱহাৰে তাইক চঞ্চলিত কৰি তুলিছে। তাই ভুল কৰা নাইতো?

সিদিনা তাইৰ মন ভাৰাক্ৰান্ত। নানান দুশ্চিন্তাই সিদিনা তাইক আগুৰি ধৰিছেহি। তাইৰ জীৱন সচাঁকৈয়ে এনেকৈ দুখ যাতনাৰ মাজেদি অতিবাহিত হব নেকি? যাৰ স্মৃতিক্ষেৰাকে সম্বল কৰি লৈ তাই দীঘল দীঘল দিন ৰাতিবোৰ কটাব ধৰিছে সেইজন জানো ভালে কুশলে আছে? তেওঁ জানো এতিয়াও তাইৰ কথা ভাবে?

নানান চিন্তাৰে সাদৰীৰ মন ভাৰাক্ৰান্ত হৈ পৰিছে। তেতিয়া সন্ধিয়া সময়। তাই শেৱালি ফুলজোপাৰ তললৈ গুলাই আহিল। অলপ আঁতৰত তাই দেখা পালে এজন মানুহ। মানুহজনৰ গাত মলিয়ন কাপোৰ। সি ক্ষীণ আৰু দুৰ্বল। তাইৰ মনত ভয় লাগিল। তথাপি তাই চিঞৰি সুধিলে 'কোন'?

'মই'—

সাদৰীয়ে মাতটো ধৰিব পৰা নাই। সেইবাবে তাই দুনাই প্ৰশ্ন কৰিলে। তেতিয়া উত্তৰ শুনা গ'ল 'মই ৰতন'।
'ৰতন'! একেজাপেই সাদৰী ঘৰৰ ভিতৰ সোমালগৈ। মানুহজন আগুৱাই আহিল আৰু সুধিলে 'সাদৰী তই ভয় কৰিছ'?

'ভয় নকৰিম। ৰতনক মই ভয় নকৰি কাক ভয় কৰিম? তই জানো মোৰ সৰ্ব্বনাশ কৰা নাই'? সাদৰীয়ে—অতীত সুঁৱৰি উচুপিবলৈ ধৰিলে।

'শুন সাদৰি, মই তোৰ অন্যায় কৰিবলৈ অহা নাই- আহিছো সহায় কৰিবলৈ। তই আগৰ কথা পাহৰি যা। চকু মেলি চা। দেখিবি আগৰ ৰতন মৰিছে। এতিয়া তোৰ আগত থিয় দিছেহি ৰতনৰ কঙ্কাল'।

তেতিয়াও সাদৰীয়ে উচুপি আছিল। মনত সাহস গোটাই তাই চকু মেলি চাই আগত দেখিবলৈ পালে সেই হৃষ্টপুষ্ট, উদ্ধত ৰতনৰ ঠাইত এটা অস্থি চৰ্ম্মসাৰ, দুৰ্ব্বল আদহীয়া মানুহ। তাই ৰতনৰ পিনে চায়েই থাকিল। কিন্তু বুজিব নোৱাৰিলে ৰতনৰ এনে অস্বাভাৱিক পৰিবৰ্ত্তনৰ কাৰণ কি।

ৰতন দুখোজমান আগবাঢ়ি আহি ঘৰৰ ভিতৰ সোমাল, 'ভয় নকৰিবি সাদৰী। আগৰ ৰতন নাই, মৰি গৈছে। মই আৰু বেচি দিনলৈ জীয়াই নাথাকো। সেয়েহে মনত ভাব হ'ল পাৰিলে তোৰ অকণমান উপকাৰ কৰি যাওঁ। এদিন তই মৰীচিকা লোভ দেখুৱাই মোক বলিয়া কৰিছিলি। ময়ো প্ৰতিশোধ লৈছিলো। তহঁতক দূৰ ঠাইলৈ খেদি পঠিয়াইছিলোঁ। তহঁতৰ ওপৰত প্ৰতিশোধ লৈছিলোঁ। কিন্তু এতিয়া সেইবোৰ পাহৰি যা আৰু ক তই সচাঁকৈয়ে এতিয়াও কমলক ভাল পাৱ নেকি?'

ৰতনৰ কথাৰ উত্তৰ দিবলৈ সাদৰীৰ সাহ নহ'ল। উদ্ধত, ক্ৰূৰ আৰু উন্মত্ত ৰতনৰ পৰিবৰ্ত্তে আজি তাই চকুৰ আগত দেখিবলৈ পাইছে এটা নিস্তেজ, দুৰ্ব্বল আৰু শান্ত মানুহ। তথাপি তাই কবলৈ সাহ নকৰিলে তাই এতিয়াও কমলক ভাল পায় আৰু ভক্তি কৰে বুলি। তাই ভয় কৰিলে যে তাইৰ মুখেদি তেনে কথা ওলালে ৰতনে কমলক লুকাই চুৰকৈ হত্যা কৰিব। সি জানোঁ এবাৰ কমলক ছুৰীৰে আঘাত কৰা নাছিল।

সাদৰীয়ে কথা নোকোৱা দেখি ৰতন অসন্তুষ্ট হ'ল আৰু তাইৰ ওচৰলৈ আহি সি লাহে লাহে কলে, 'শুন সাদৰি, গোড়ামি মই ঘৃণা কৰোঁ। তই মোৰ প্ৰকৃতি জান। মই দুৰ্বল আৰু নিস্তেজ হলেও মই ৰতন। মোৰ অন্তৰত পশু বৃত্তি জাগি উঠিব লাগিলে মোৰ এই শক্তিহীন হাতদুখনে এতিয়াও বহুত অপকৰ্ম্ম কৰিব পাৰে'।

ৰতনৰ চকুদুটা জিলিকি উঠিছে। তাই ভয়তে কঁপিবলৈ ধৰিলে। তথাপি নামাতিলে বিপদ হ'ব পাৰে বুলি আশঙ্কা কৰি। তাই কাকুতি কৰি কলে—ৰতন, মই তোৰ ভৰিত ধৰিছোঁ তই মোৰ ওচৰৰ পৰা যা মোৰ বৰ ভয় লাগে'।

ৰতনৰ উগ্ৰ আৰু কোঁচখোৱা মুখৰ ওপৰেদি এটা বিদ্ৰূপৰ হাঁহি বাগৰি গ'ল। অনুনয়ৰ সুৰত সি কলে—'সাদৰী, বিশ্বাস কৰ। মই মৰিম। ৰক্তপিত্ত বেমাৰ দুৰাৰোগ্য। মই মৰিম জীৱনত বহুতো কুকৰ্ম্ম কৰিলো। এতিয়া তাত মাদকতা নাই।

পাপ-বাসনা মোৰ অন্তৰৰ পৰা আঁতৰি গৈছে। মোৰ চক্ৰান্ততে তোৰ কমলৰ লগত বিয়া নহ'ল। তাৰোপৰি পিতৃ ভিঠা এৰি তহঁত আঁতৰি আহিবলৈ বাধ্য হলি। পিতাৰ জীয়াই থকা হলে নতজানু হৈ মই তেওঁৰ ওচৰত ক্ষমা ভিক্ষা খুজিলোহেঁতেন। কিন্তু তেওঁ এই সংসাৰত নাই। সেইবাবে তোৰ ওচৰ চাপিছোঁ।

ৰতনৰ কথাবোৰ শুনি সাদৰীৰ মনৰ ভয় আৰু সঙ্কোচ লাহে লাহে আঁতৰি যাবলৈ ধৰিলে। তাই ৰতনক সান্ত্বনা দিয়াৰ আশাৰে কৈ উঠিল 'ৰতন, মই নিজেই হতভাগিনী। ভাই মৰিল, পিতা ধুকাল, কমল ক'ৰবালৈ গুচি গ'ল। এইবোৰ ঘটনাৰ বাবে কাক দুষিম? মোৰ নিজৰেই কপাল বেয়া'।
সাদৰীয়ে চকুপানী টুকিব ধৰিলে।

ৰতনে আগবাঢ়ি আহি তাইৰ চকুপানী মচি দিলে। সাদৰীয়ে বাধা দিয়া নাই, চিঞৰি আঁতৰ হোৱা নাই। ই যেন বিশ্বাসৰ আত্মসমৰ্পণ। যিজনী সাদৰীৰ কেশাগ্ৰ স্পৰ্শ কৰিবলৈ ৰতন বলিয়া হৈ ফুৰিছিল, সেই সাদৰীৰ আজি সি চকুপানী মচি দিছে, অথচ সাদৰীয়ে বাধা দিয়া নাই, আপত্তি তোলা নাই আৰু দৌৰি তাৰ ওচৰৰ পৰা আঁতৰি যোৱা নাই।. আজি বেদনাৰ মাজেদি সাদৰীৰ লগত তাৰ নতুন চিনাকি।

ৰতনৰ মনত আনন্দ লাগিল। সি কিবা কবলৈ ইচ্ছা কৰিছিল কিন্তু হঠাতে বৰকৈ কাঁহ উঠাত সি মুখত সোপা দি বাহিৰলৈ ওলাই আহিল। অলপ পিছত ঘৰৰ ভিতৰ সোমাই সি মাত লগালে 'শুন সাদৰী, কমল এই চহৰতে আছে'।

সাদৰীয়ে ঘপৰাই কৈ উঠিল, 'মিছা কথা'। ৰতনে ধীৰ স্থিৰভাৱে উত্তৰ দিলে 'মিছা নহয় সাদৰী, সচাঁ, মই তোৰ আগত থিয় হৈ কথা কোৱাটো যেনে সচাঁ, কমল এই চহৰত থকাটোও তেনে সচাঁ। ক, কমলক মই তোৰ ওচৰলৈ লৈ আহিম নেকি'?

অভিমানৰ সুৰত সাদৰীয়ে উত্তৰ দিলে, 'নালাগে তই আনিব। যদি কমল ইয়াত আছে, ইচ্ছা কৰিলে তেওঁ নিজেই আহিব পাৰিব'।

ৰতনে তলমূৰ কৰি ভাবিলে। সি বুজি পালে যে সাদৰীয়ে কমলক এতিয়াও ভাল পায়। সি নজনাকৈয়ে তাৰ অন্তৰৰ পৰা এটা দীঘল হুমুনিয়াহ ওলাই পৰিল। সাদৰীয়ে ৰতনৰ পিনে মূৰ তুলি চাই দেখিলে যে ৰতনৰ মুখখন কলা পৰি গৈছে। অলপ আগবাঢ়ি তাই সুধিলে—'ৰতন, তই দুখ কৰিছ কিয়' ?

ৰতনে তাৰ অন্তৰৰ গুপুত বেদনা লুকাবলৈ যত্ন কৰিলে কিন্তু নোৱাৰিলে। সি লাহে লাহে ঘৰৰ পৰা ওলাই যোৱাৰ উপক্ৰম কৰিলে। সাদৰীৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সি মন নকৰিলে। কাৰণ সি ভাবিলে যে উত্তৰ দিলেও তাই বুজি নাপাব। ৰতন ঘৰৰ পৰা ওলাল। সাদৰীয়ে তাক বাধা দিবলৈ সাহ নকৰিলে। অলপ পিছতে নৈশ নিস্তব্ধতাই যেন তাইৰ ঘৰটো গিলি পেলালে। গছৰ পাত এটাও বতাহত লৰা নাই। নিস্তব্ধতা ভেদ কৰি চৰাইৰ মাত এটিও কাণত পৰা নাই। চাৰিওপিনে নিতাল, নিমাত। সাদৰীৰ মনত ভয় লাগিল। তাই দুৱাৰখন জপাই দিলে।

দুটা দিন পাৰ হৈ গ'ল। এই দুটা দিনত তাই বাহিৰলৈ ওলোৱা নাছিল। তাই মনতে আশা পুহিছিল যে কমল তাইৰ ওচৰলৈ আহিব। কিন্তু এই দুদিন তাইৰ মনৰ আশা মনতে মৰহি গৈছিল। তাই ভাবিছিল ৰতন মিছলীয়া। সি তাইক ছলাবলৈ আহিছিল।

তৃতীয় দিনা বাতিপুৱা সাদৰীয়ে হাত মুখ ধুই ঘৰৰ ওচৰত বহি গুন গুনকৈ এটা গীত গাই আছে। এনেকৈয়ে তাই দুখ বেজাৰ পাহৰিবলৈ যত্ন কৰে। হঠাৎ তাইৰ গাৰ ওপৰত এটা ছাঁ পৰিল। মূৰ ভাঙি তাই দেখিবলৈ পালে কমল আহি দুৱাৰ মুখত থিয় দিছে। কমলৰ চেহেৰা বেচি উজ্জ্বল। তাৰ গাৰ পোছাক পৰিচ্ছদো আগতকৈ পৰিষ্কাৰ পৰিচ্ছন্ন। কমলক দেখা পাই সাদৰীৰ মনৰ মাজত নানান ভাবৰ তোলপাৰ লাগিল। তাইৰ মুখেৰে কথা নোলাল। ই যেন আনন্দৰ পূৰ্ণভাৰ নীৰৱতা।

কমল আগবাঢ়ি আহি সাদৰীৰ কপালত হাত বুলাই দি সুধিলে 'ভালে আছ' ? সাদৰীৰ মুখেদি মাত নোলাল কিন্তু দুচকুৰেদি তপত চকুলো বাগৰি পৰি বুজাই দিলে তাইৰ ভগা হিয়াৰ অব্যক্ত বেদনা।

কমলে সাদৰীক আশ্বাস দিলে আৰু সুধিলে কেনেকৈ তাই সেই ঠাইলৈ আহিল, তাইৰ বাপেক ক'ত, তাই কেনেকৈ চলিছে ইত্যাতি নানান প্ৰশ্ন। নিজকে সংযত কৰি সাদৰীয়ে লাহে লাহে সকলো কথা কলে—কেনেকৈ তাই এই ঠাইলৈ আহিল, বাপেকৰ কেনেকৈ মৃত্যু হ'ল, তাই কেনেকৈ নিৰাশ্ৰয়া হৈ পৰিল ইত্যাদি নানান দুখৰ খবৰ। আজিৰ দৰেই কোনো দিনেই তাই মন খুলি কথা ক'ব পৰা নাই। আজি হিয়া উবুৰীয়াই দিয়াৰ পিছত তাইৰ গাটো যেন পাতল পাতল লাগিছে। তাইৰ মনটো অপুনা আপুনিয়ে আনন্দত নাচি উঠিব খুজিছে। তাই বুজি পাইছে কমলে তাইক পাহৰি যোৱা নাই। তাই যেনেকৈ কমলকে ধ্যান কৰি আছে কমলেও তেনেকৈ তাইকেই ভাবি আছে। আজি দীঘল চাৰি বছৰ কাল অতীত হৈ গৈছে। ভাবিলে ভয় লাগে কিহৰ আশাত সিহঁতে জীৱন ধাৰণ কৰি আছিল।

সাদৰীৰ মনত আনন্দ লাগিছে। কমলে এতিয়াও তাইক ভাল পায়—তাইৰ দুখত এতিয়াও তেওঁ দুখী। তাই নিজকে পাহৰি পেলালে—হিয়াৰ শূন্য আসনত জীৱন্ত প্ৰতীমা স্থাপনৰ আশাত কমলৰ মুখত চুমা যাঁচিবলৈ তাই আগবাঢ়ি গ'ল কিন্তু তেনে সময়তে তাই শুনিবলৈ পালে কমল বিবাহিত আৰু পত্নী মৃত্যু শয্যাত। তাই যতে আছিল ততে থিয় দি থাকিল। লৰিব চৰিবৰ শক্তি তাইৰ নহল। হতভাগিনী তাই। মিছাকৈয়ে তাই ইমান দিন কাঠৰ পুতলা পূজা কৰিছিল।

কমলে সাদৰীক বুজালে আৰু কলে যে এবছৰ আগেয়ে তাইৰে সম্পৰ্কীয় বাইদেউ সাবিত্ৰীক তেওঁ বিয়া কৰাইছিল। এমাহ আগতে এটা ল'ৰা সন্তানৰো জন্ম হৈছিল কিন্তু সন্তান জন্মৰ পিছৰে

পৰা নানান অচিন বেমাৰে তাইক আগুৰি ধৰিছে। তাই এতিয়া শয্যাশায়ী।

মনযোগেৰে সাদৰীয়ে কথাবোৰ শুনিলে। অবোধ শিশুটোৰ প্ৰতি যেন তাইৰ মৰম উপজিল। তাই তল মূৰ কৰি আপোন চিন্তাত নিমগ্ন হ'ল।

'শুন সাদৰী, মই তোক লৈ যাবলৈ আহিছো। তোৰ দুখৰ কথা শুনি মৃত্যু শয্যাত পৰি থকা তোৰ বাইদেউৱে তোক লগতে লৈ যাবলৈ কৈছে। সাবিত্ৰীৰ লৰাটো চাবলৈ তই নিশ্চয় মোৰ লগতে যাবি' ?

সাদৰী নিৰুত্তৰ। তাই ভাবিছে কমলক তাই গ্ৰহণ কৰিব নে প্ৰত্যাখ্যান কৰিব। তাই ভাল দিনৰ মুখ দেখিছিল; কিন্তু ভবিষ্যত সুৰুযৰ পোহৰৰ লগে লগে যে নতুন সমস্যা উজলি উঠিব এই কথা কল্পনাও কৰিব পৰা নাছিল।

'সাদৰী তই ওলা। তোৰ কাপোৰ কানি বাকচত ভৰাই ল। মই এখন ঘোৰাগাড়ী লৈ আহো'।

সাদৰীয়ে তেতিয়াও মুখেৰে নামাতিলে। কিন্তু কমল আঁতৰি যোৱাৰ লগে লগে তাইৰ কাপোৰ কানিখিনি সামৰি সুতৰি ললে। অলপ পিছত কমলে ঘোৰাগাড়ী লৈ আহিল। কমলে টোপোলাটো গাড়ীৰ ওপৰত তুলি দিলে। সাদৰীয়ে কমলৰ পিছে পিছে আহি গাড়ীত উঠিল।

—+—

আবিষ্কাৰ

যোগেশ দাস

লিখকৰ চমু পৰিচয়

[ইং ১৯২৭ চনত হাহ চৰা বাগিচাত জন্ম। পিতৃ সূৰ্য্য কান্ত দাস আৰু মাতৃ চিন্তামণি দাস। কটন কলেজৰ পৰা বি-এ পাছ কৰি ১৯৫৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত এম-এ পাছ কৰে।

স্কুল শিক্ষকতা, সাংবাদিকতা আদি বিভিন্ন চাকৰি কৰাৰ পাছত বি বৰুৱা মহাবিদ্যালয়ত সম্প্ৰতি অধ্যাপনা কৰে।

তেওঁৰ প্ৰকাশিত গল্পসমূহ পপীয়া তৰা, আন্ধাৰৰ আঁৰে আঁৰে, ত্ৰিবেণী, মদাৰৰ বেদনা, হাজাৰ লোকৰ ভিৰ, পৃথিৱীৰ অসুখ আদি গল্প পুথি। সহাৰি পাই, ডাৱৰ আৰু নাই, জোনাকীৰ জুই, নিৰুপায়, এমুঠি ধূলি, উৎকণ্ঠ উপকণ্ঠ, ছাঁ জুই খেদি, অবৈধ, নৰেশ মালতী আৰু ......, ৰজনী বিদূৰ আদি উপন্যাস।

যোগেস দাস সাহিত্য একাডেমী পুৰস্কাৰ বিজেতা এক কৃতি ৰখা সাহিত্যিক। সমসাময়িক জীৱনৰ পটভূমিত তেওঁ গল্প উপন্যাস ৰচনা কৰিছে যদিও তাৰ মাজত মানুহৰ চিৰন্তন আবেদন সুন্দৰ ভাৱে প্ৰকাশি উঠিছে। তেওঁৰ প্ৰেমৰ গল্পসমূহত অৰ্থনৈতিক সংকট তথা যান্ত্ৰিক সভ্যতাৰ পৰা খহনীয়াই মানৱীয় প্ৰমূল্যসমূহক কেনেকৈ উটাই নিছে তাকে দেখুৱাব খুজিছে]

ঘটনাটো আকস্মিক যোগাযোগ (ক'ইন্সিডেন্স) নে ঈশ্বৰে কৰোঁ বুলিয়েই কৰোৱা, নাইবা আমাৰ চৌপাশৰ সামাজিক ঘটনা প্ৰবাহৰ এটা অৱশ্যম্ভাৱী পৰিণাম মই কব নোৱাৰোঁ।

পাটগাভৰু ছোৱালীজনীয়ে বাৰে বাৰে যে মোৰ চকুলৈ চাইছিল তাত সন্দেহ নাই। প্ৰত্যেক বাৰেই তেওঁৰ চকুমুখ হাঁহিৰ আভাসেৰে উদ্ভাসি উঠিব খোজে। ময়ো প্ৰথম দেখাৰে পৰা ছোৱালী জনীক চাবলৈ কেবাবাৰো আনৰ অলক্ষিতে চেষ্টা কৰিছিলোঁ। কাৰণ ছোৱালী-জনী বেছ মৰমলগা, খুনীয়া—তেজাল বগা গাৰ বৰণ, নাকমুখ সুগঢ়িত, পিন্ধনত শুধ-বগা কপাহী মেখেলা চাদৰ, কঁকালত উঙালি বজাৰ নিচিনাকৈ লোৱা ৰঙা-সেউজৰ জমকা-ফুলীয়া এখন গামোছা।

পোছাকটো অৱশ্যে তাত কাম কৰি ফুৰা কুৰিজনীমান স্বেচ্ছাসেৱিকাৰ সমবেশ-হোৱাহে, 'ইউনিফৰ্ম', নিয়মীয়া পোছাক নহয়।

মোৰ ফালে ছোৱালীজনীয়ে তেনেকৈ ঘনাই চোৱাটো বৰ আচৰিত হবলগীয়া কথা নহয়। কাৰণ সেই সময়ত ময়েই এক প্ৰকাৰ মিটিংখনৰ কেন্দ্ৰ হৈ উঠিছিলোঁ। ছোৱালীজনীৰ দৰে অন্যান্য সকলোৱেই মোৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ কৰিছিল। সেইটো আছিল গ্ৰাম্য মহিলাসকলৰ এটা তিনি-দিনীয়া শিবিৰ। পাটাছাৰকুছিৰ পৰা পাঁচ মাইলমান আঁতৰত হাইস্কুল এখনত আয়োজিত হৈছিল। গাৱঁৰ মহিলাসকলৰ নানান সামাজিক সমস্যা লৈ স্থানীয় ৰাইজ আৰু নলবাৰীৰ পৰা বৰপেটালৈকে দূৰ-দূৰণিৰ সমাজকৰ্মী মহিলা-প্ৰতিনিধিৰ উপস্থিতিত বিভিন্ন বক্তাই আলোচনা কৰিছিল। শেষৰ দিনা আগবেলা মোক মাতি নিয়া হৈছিল গ্ৰাম্যাঞ্চলৰ শিক্ষা-সমস্যা, বিশেষকৈ অনাখৰী-স্বল্পশিক্ষিত নাৰীসকলৰ শিক্ষা সম্বন্ধে বক্তৃতা দিবলৈ। মই (অমৰেন্দ্ৰ শইকীয়া) 'এডুকেচনৰ লেকচাৰাৰ—চৰকাৰী আৰু স্ব-সংগৃহীত প্ৰচুৰ তথ্য পাতি সহকাৰে ভাৰত তথা অসমৰ শিক্ষা ব্যৱস্থা সম্বন্ধে ভালেখিনি প্ৰবন্ধ ইতিমধ্যে প্ৰকাশ কৰিছোঁ—শিবিৰৰ এগৰাকী বিশিষ্টা উদ্যোক্তা, মোৰ কলেজীয়া কালৰ বান্ধবী শ্ৰীমতী মনোৰমা দেৱীয়ে (বোধহয় আন কাকো ধৰি আনিব নোৱাৰিয়েই) মোক একপ্ৰকাৰ জোৰ কৰি মাতি আনিছিল। শেষৰ দিনা ময়েই একমাত্ৰ বক্তা। পাচবেলালৈ সামৰণি সভা।

মোৰ ভাষণ বাৰ বজাৰ আগে আগে শেষ হ'ল। একপ্ৰকাৰ অনুপ্ৰাণিত হৈয়েই বক্তৃতাটো দি বৰ ভাল লাগিল। নলীনাদৰ পোদ্দোৱা পানী এগিলাচ খাই দি লৰালৰিকৈ তামোল এখন মুখত ভৰাই ইফালে-সিফালে চালোঁ—সেই নৰমলগা ছোৱালীজনীক আকৌ এবাৰ দেখোঁনেকি বুলি। ক'তো নেদেখিলোঁ। সভানেত্ৰীৰ আসনৰ পৰা মনোৰমা দেৱীয়ে ভেতিয়া সমস্থুৰা পুৰুষ-মহিলা সকলোকে আহ্বান কৰিছে 'অধ্যাপক শইকীয়াৰ চিত্তাপধুৰ আলোচনা' সম্বন্ধে মতামত প্ৰকাশ কৰিবলৈ।

শুনেতে হঠাৎ পাচফালৰ পৰা আহি মোৰ একাষতে থিয় হৈ সেই ছোৱালীজনীয়ে সামান্য অনুচ্চ স্বৰত মোক কলেহি, 'ককাইদেউ, আয়ে আপোনাক এবাৰ আমাৰ ঘৰলৈ গৈ আহিবলৈ কৈছে'।

মইতো অবাক, কিন্তু তেওঁ তেনেকৈ কৈছে তত্ ধৰিব নোৱাৰি অলপ চকিখনতে নৰচৰ কৰি লৰ লগাই হ'ল। 'ককাইদেউ' সম্বোধন, যিটো সচৰাচৰ নামনি অসমত নচলে (মই উজনিৰ), মাকক 'আই' বুলি কৈছে, যিটো সদৌ অসমতে কেৱল গীত-মাততহে বৈ ছেগে। কিয় মাতিছে ? এওঁলোক কোন ? এই দুৰ্বলি-বটীয়া গাৱঁতো মোক চিনি পোৱা কোনোবা ওলালনেকি ? কিন্তু 'আয়ে' কিয় ?

একো বুজিব নোৱাৰি ছোৱালীজনীক সুধিলোঁ, 'তোমাৰ নাম কি ভণ্টী' ?

'জয়া চৌধুৰী'।

নামটোৰ পৰা একো বুজিব পৰা নগ'ল। মহা মস্কিল। আকৌ এটা চেষ্টা কৰি চালোঁ, 'আয়েৰাই কেলেইবা মাতিছে ? তেখেত ইয়াতে আছেনেকি' ?

'আহিল, আপোনাৰ বক্তৃতা শেষ হোৱাৰ লগে লগে ঘৰলৈ গ'ল। আমাৰ ঘৰ বেছি দূৰত নহয়। ....আপোনাৰ বক্তৃতা বৰ ভাল হৈছিল'।

জয়ালৈ এবাৰ পূৰ্ণ দৃষ্টিৰে চালোঁ। সেই হাঁহো হাঁহো কৰা সুগঠিত তেজাল বগা মুখমণ্ডল। দেখিলেই যি কোনো লোকৰ মৰম উপজিব। মোৰ বক্তৃতা ভাল হোৱা অভিমতটো জয়াৰ মাকৰ নহয়তো ? ভাবি-চিন্তি সমিধান দিলোঁ, 'চাওঁ বাৰু। এতিয়াতো মিটিং চলিয়ে আছে। কাৰোবাৰ কিবা প্ৰশ্নৰ উত্তৰ দিব লগা হবও পাৰে। তাৰ পিছত খোৱা-বোৱা। তাৰ পিছত সাময়িক সভা। ইয়াৰ মাজতে কি কৰিব পাৰো চাওঁ নহয় জানো' ?

জয়াই কলে, 'সামৰণি সভাৰ শেষৰ পিনে গলে নহব জানো ? মই বাৰু পিছত আকৌ খবৰ কৰি যামহি'।

ছোৱালীজনী আঁতৰি গ'ল। মই চিন্তা কৰি চাবলৈ ধৰিলোঁ জয়াৰ মাক কোন হব পাৰে, কিয়নো বা মোক ঘৰলৈ মাতিব পাৰে। কি মুৰ্খামি—জয়াক দেউতাকৰ কথা নুসুধিলোঁ কিয়? কিজানি মানুহজনক চিনি পাওঁৱেই? মনোৰমাক দুই-এটা প্ৰশ্ন কৰি জানিব পাৰিলোঁ যে জয়াৰ দেউতাক নাই, বহুত দিন আগতে ঢুকাইছে। 'দাদাক' এজন আছে, যোগীঘোপাৰ পেপাৰ মিলত কিবা চাকৰি কৰে—ইয়াত নাথাকে। মাকজনীয়ে কষ্ট কৰি ঘৰ চলায়। মানুহজনী উজনিৰ ফালৰ।

অ' সেই কথা! ময়ো উজনিৰ কাৰণে জয়াৰ মাকে মোক ঘৰলৈ মাতিছে? নহলে নেমাতিলেহেঁতেন। মোৰ উৎসাহ কিছু কমি গ'ল। অসংখ্য উজনীয়া মানুহ আছে, কিন্তু অকল উজনীয়া বুলিয়ে যে প্ৰত্যেককে মাত লগাই ফুৰিব লাগিব তাৰ কি মানে আছে? ভদ্ৰমহিলা নামনিলৈ পৰিল পৰিল আৰু, কি উজনিৰ মানুহৰ কাৰণে হাঁমৰাও কাঢ়ি থাকিব লাগে?

তথাপি গলোঁ। আবেলিৰ সভাৰ মাজতে যেতিয়া জয়াই আকৌ খবৰ লবলৈ আহিল তেতিয়া নেযাওঁ বুলি কব নোৱাৰিলোঁ। ছোৱালীজনীলৈ কিবা এটা মোহ উপজি গৈছিল। তাইক অস্বীকাৰ কৰিবৰ মন নগ'ল। হওক, এজনী উজনীয়া তিৰোতা মানুহে লগ পাব খুজিছে, গৈ একাপ চাহ খাই উজনীয়াৰ কৰ্ত্তব্যকে কৰি আহোঁ।

বাটত জয়াৰ লগত তেওঁলোকৰ ঘৰৰ নাম বিষয়েই নানান কথা সুধি গলোঁ। দেউতাক আছিল নন্দলাল দেৱ চৌধুৰী। তেখেতে তেনেকৈ চাকৰি-বাকৰি একো কৰা নাছিল। ঘৰৰ এক মাত্ৰ সন্তান বাপে সা-সম্পত্তি খিনি পাইছিল। মাটি-বাৰী যথেষ্টই আছিল, তদুপৰি দেউতাকৰ (জয়াৰ আতাক) দিনৰ ভাওৰ ধান আৰু মৰা পাটৰ কাৰবাৰটো আছিল। নন্দলাল চৌধুৰীৰ বিয়াৰ পিছতে বুঢ়া চৌধুৰী তীৰ্থ কৰিবলৈ ওলাই গৈছিল, আৰু উভতি নাহিল, বাহিৰতে তেখেতৰ মৃত্যু হ'ল।

নন্দলাল তেনে সংসাৰ বিষয়ত সাৱধান নাছিল। সমাজৰ

নানান কাম-কাজতে তেওঁ বেছি সময় কটাইছিল। নিকাচিৰ পিনে গৈ এটা সমাজসেৱাৰ প্ৰতিষ্ঠান কৰাতে বেছি মনোনিবেশ কৰিছিল। মাটি-বাৰী চলোৱা আৰু কাৰবাৰৰ কাম জয়াৰ আতাকৰ দিনৰ মানুহেই কোনোমতে চলাই আছিল। শেষত নন্দলাল চৌধুৰী টান অসুখত পৰি কম বয়সতে চুকাই থাকিল। জয়াৰ দাদাক জয়ন্ত আৰু দুবছৰীয়া জয়াক একপ্ৰকাৰ মাকে অকলেই ডাঙৰ-দীঘল কৰিছে। কাৰবাৰটো বন্ধ হৈ গ'ল। ধাৰবোৰ মাৰিবৰ কাৰণে মাটিও ভালেখিনি বেচিব লগা হ'ল। তথাপি যি অৱশিষ্ট থাকিলগৈ তাৰ বলতে আয়েকে আজিলৈকে ঘৰখন ধৰি ৰাখিছে। জয়ন্তই বজালী কলেজত পঢ়ি থকাৰে পৰা যোগাযোগাত কাম লৈ গুচি গ'ল —বিয়াও কৰাইছে, কম বয়সতে।

এতিয়া ঘৰখনত মাক-জীয়েক অকলেই থাকে।

মজলীয়া, তিনি কোঠালীয়া এল-পেটাৰ্ণৰ এটা পকী ঘৰ। উৰলী যোৱা নাই যদিও বৰ পুৰণা হৈছে—বহুত মেৰামতি হৈছে, তথাপি সযত্নে ৰখাৰ চিন আছে। ভিতৰফালে এটা খেৰী পাকঘৰ পাচফালে থকা বস্তিটো বেছি দীঘলীয়া। তাৰে একাষৰে অলপ ভিতৰলৈ এটা ভঁৰালঘৰ আৰু গোহালি এতিয়াও আছে। আগফালে চৌহদৰ দাঁতিত শাৰী শাৰী বগালী এৰা গছ আৰু মাজে মাজে বাঁহৰ জেওৰা-কাঠি। চকুত পৰিলেই কব পাৰি যে তামোল-নাৰিকল আদি গছ-গছনি আৰু বতৰৰ শাক-পাচলিৰ খেতিৰ বেছ যত্ন লোৱা হয়। এইবিলাক আজি কালি জয়াৰ মাকে অকলেই কৰেনে?

মোক বাহিৰৰ কোঠাটোত বহুৱাই থৈ জয়া ভিতৰলৈ সোমাই গ'ল। বেছি আচবাব একো নাই। হাতোৱা থকা চকি কেইখন পুৰণি কলীয়া। এচুকে এটা কাঠৰ আলমাৰি, তাত কি আছে বুজা নেযায়। এখন সাধাৰণ কেলেণ্ডাৰৰ বাহিৰে বেৰবোৰত একো ছবি নাই।

জয়াৰ মাক অলপ পিছতে ওলাই আহিল। মই খন্দজনকে

উঠি এটা নমস্কাৰ জনালোঁ আৰু তেতিয়াই চকিতে এবাৰ মানুহ গৰাকীক চাই ললোঁ। কেতিয়াবা পৰিচয় ঘটাৰ কোনো চিন চকুত বা মনত নপৰিল। ক্ষীণকৈ মহিলা গৰাকী, নিয়মীয়া ওখ। বৰণত বগা বুলিব নোৱাৰি। বয়স কিমান হৈছে ধৰা টান—বুঢ়ী হোৱা নাই নিশ্চয়, কিন্তু চকু-মুখত দৈহিক কষ্টৰ অথবা মানসিক যন্ত্ৰণাৰ বহুত ধুমুহা পাৰ হৈ যোৱাৰ চিন বিদ্যমান। উকা বগা মেখেলা-চাদৰ পিন্ধি আছে।

'বহা'।

স্বৰটোৱে যেন মোৰ হৃদয়ৰ কোনোবা এডাল তন্ত্ৰীত সামান্য আঘাত কৰিলে। কিন্তু সেই মুহূৰ্তত তালৈ তিমান মনোযোগ নিদি তলমূৰকৈ বহি থাকি কলো, 'আপোনাৰ জীয়ৰী জয়াই কলে মোক হেনো আপুনি মাতিছে। ঠিক কি কাৰণে মাতিছে মই ধৰিব পৰা নাই। কিন্তু জয়াক দেখিয়েই বৰ মৰম লাগিছিল। তেওঁ আপোনাৰ কথা কোৱাত নহাকৈ থাকিব নোৱাৰিলোঁ।'

তেওঁ কিছু সময় একো নেমাতিলে। দুৱাৰদলিৰ ওচৰতে নীৰৱে থিয় হৈ থাকিল। মোৰ অস্বস্তি লাগিবলৈ ধৰিলে। নীৰৱ হৈ থকাটো আৰু সম্ভৱ নোহোৱাত চকু তুলি তেওঁৰ ফালে চালোঁ। জয়াৰ মাকে একেথৰে মোলৈকে চাই আছে। দুইটা চকু পানীৰে ভৰি পৰিছে।

মোৰ অস্বস্তি কমক চাৰি বাঢ়িহে গ'ল। মই আকৌ থিয় হলোঁ। মনটোৱে ভীষণ উচপিচাবলৈ ধৰিলে।

'মোক তই এতিয়াও চিনি পোৱা নাই পোনা?'

সেই স্বৰটো—যিটো স্বৰ মই প্ৰথম বাৰ আওকাণ কৰিলোঁ—এতিয়া তাৰ মাজত মই মোৰ মাৰ মাতটো যেন ৰিণি ৰিণি শুনিবলৈ পালোঁ। পলকতে বহুত কথা খেলিমেলিকৈ মনৰ মাজত খেলাই গ'ল—কি অদ্ভুত কথা, কি আচৰিত যোগাযোগ—

'মাহী—আপুনি আমাৰ বাসন্তী মাহী—আপুনি'—মোৰ আৰু কোনো কথা নোলাল, কাৰণ মোৰ স্মৃতি উলটি অহা দেখি

সকাহ পাই বাসন্তী মাহীয়ে অসম পিছুৱাই গৈ দুৱাৰৰ চৌকাঠত মূৰটো গুজি সশব্দে কান্দিবলৈ ধৰিলে।

বহুত দিনৰ আগৰ কথা— মই তেতিয়া নিচেই সৰু— এজনী ছোৱালীয়ে ঘৰ-বংশৰ হাকবচন নুশুনি তেওঁৰ প্ৰেমিকৰ লগত বিয়া হৈ গুচি গৈছিল—এই কথা আমাৰ পৰিয়ালত মাজে মাজে বহুত দিনলৈ ওলাই আছিল—সেই ছোৱালীজনী আছিল মোৰ মাহীদেউ বাসন্তী—একেলগে কলেজত পঢ়া এক ব্ৰাহ্মণ যুৱকক ভাল পাই তেওঁ পৰিয়াল পৰিত্যাগ কৰিছিল—ঘৰখনে বৰ আঘাত পাইছিল —মা আৰু দেউতাই সকলো ধৰণে চেষ্টা কৰি চাইছিল সেই বিয়া ভাঙি দিবলৈ, কিন্তু নোৱাৰিলে, আৰু নোৱাৰি বাসন্তী মাহীৰ লগত সকলোৱে সকলো সংশ্ৰৱ ত্যাগ কৰিলে। এয়েই মোৰ বাসন্তী মাহী জয়াৰ আয়েক— যি মাহীয়ে হেনো জন্মৰে পৰা মোক কোলাত লৈ ডাঙৰ কৰিছিল। কি আচৰিত সংযোগ।

'মাহী'—মোৰো মাতটো খোকাখুকি হৈ গ'ল। 'আপোনাৰ দুখটো মই বুজিব পাৰিছোঁ। কিন্তু আপুনি মোক ভুল নুবুজিব। মই কথাবোৰ ভালকৈ নেজানোৱেই। আজিযে এনেকৈ আপোনাক লগ পাই যাম মই কল্পনাই কৰা নাছিলোঁ। এক হিচাপে মই ভাগ্যবান যে আপোনাক এনেকৈয়ে লগ পালোঁ। যদি বিশ্বাস কৰে কওঁ যে মই আপোনাক মনে মনে বিচাৰিয়ে ফুৰিছিলোঁ—মায়েও মাজে মাজে কয়, ক'ৰবাত লগ পালে লৈ আহিবি।'

বাসন্তী মাহী অলপ সংযত হ'ল। চকু দুটা মোহাৰি লৈ কলে, 'তই বহ সোনা। জয়াই কি কৰিছে চাওঁগৈ। তোৰ যদি একো কাম নাই আজি ৰাতিটো ইয়াতে থাকি যা। মই তোৰ কথা কোৱাত জয়াই বৰ ভাল পাইছে।'

তেওঁ ভিতৰ সোমাই গ'ল।

জয়াই চাহ-জলপান আনিলে। তাই এতিয়া ফ্ৰক এটা পিন্ধি আছে। তাই জলপানৰ কাঁহীখন থওঁতে যুনীয়াকৈ হাঁহিলে যদিও মন কৰিলোঁ তাইৰ চকু দুটা চুলচুলীয়া। নিশ্চয় ভিতৰত তায়ো কান্দিছিল।

এটা বানবাটিত দৈ-চিৰা-গুৰ, কাঁহীখনত দুখন তিলপিঠা, দুটা দুটা নাৰিকল আৰু তিলৰ লাড়ু। অগাপিচাকৈ মাহীয়ে এঘটি পানী আৰু জয়াই আন এটা বানবাটিত চাহ আনিলে। মই কলোঁ, 'ইমানবিলাক বস্তু কেনেকৈ খাম মাহী? জয়া?'

জয়াই কলে, 'শিবিৰত দিবৰ কাৰণেই আমি ঘৰে ঘৰে এইবোৰ কৰিছোঁ। আপোনাক এতিয়া নতুনকৈ একো কৰি দিয়া নাই।'

মাহীয়ে কলে, 'খা, তই সৰুতে তিলৰ লাড়ু ভাল পাইছিলি— আমাৰ ভাগ্যে, দুটা তোক আজি দিব পাৰিছোঁ।'

আমালৈ মাহীৰ মনত পৰি থাকে? আকৌ কন্দা-কটা কৰে বুলি একো উচ্চ-বাচ্য নকৰি খাবলৈ লাগি গলোঁ। মই বুজিলোঁ যে আজি মাহীহঁতৰ ঘৰত নেথাকি মোৰ উপায় নাই। মনোৰমা দেৱীক খবৰটো দিবলৈ জয়াক দৌৰাই পঠালোঁ। তেওঁ জয়াৰ লগতে আহি ওলাল। আহিয়েই উশাহ নসলোৱাকৈ কলে, 'শইকীয়া, আপুনি ৰাতি থাকিলে মই বন্দোবস্ত কৰি থৈছোঁ নহয়— আপুনিহে উলটি যাব খুজিছিল? —ইয়াত থাকিব লাগিছে কিয়? বলক, সামৰণি সভা প্ৰায় হৈ গৈছে। মিটিং শেষ হলে চৌধুৰীণী বাইদেউৰ গাড়ীতে যাবগৈ পাৰিব। থাকিলেও আমাৰ ঘৰ ঠিক কৰা আছে।'

ওচৰতে বৈ থকা বাসন্তী মাহীয়ে লাহেকৈ প্ৰশ্ন কৰিলে, 'মনোৰমা, পোণা—মানে অমৰ—মোৰ ভাগিন ল'ৰা। সি আজি ৰাতিটো মোৰ ঘৰত থাকিলে কি জগৰ লাগে?'

লাহেকৈ কলেও কথা কেইটাত এনে এটা কঠোৰতা প্ৰকাশ পালে যে মনোৰমাই কোনো উত্তৰকে দিব নোৱাৰিলে। 'নহয়— মানে—এখেতৰ কাৰণে জাগা ঠিক কৰি থোৱাই আছিলতো, সেই কাৰণে ...., এনেকৈ কিবাকিবি দুআষাৰমান কথা কৈ তেওঁ মুখত তামোল এখন ভৰাই লৰালৰিকৈ ওলাই গ'ল। যাওঁতে মোক আকৌ এবাৰ সভালৈ যাবলৈ কৈ গ'ল। তেওঁ যোৱাত মই মাহীৰ মুখলৈ চালোঁ।

মাহীয়ে ক'লে, 'আমাৰ লগত ইয়াৰ মানুহে বৰকৈ হাত-বাত নকৰে। দেউতাক বৰ একাচেকা মানুহ আছিল। বহুত কন্দল লগাই থৈ গৈছে। সেই কাৰণেই বাইজক অসন্তুষ্ট কৰি তোক ইয়াত থাকিবলৈ দিব খোজা নাই।'

মনোৰমাৰ মনোভাৱত বিৰক্ত হলোঁ। যিয়েই কি নহওক, বাসন্তী মাহী মোৰ মাৰ নিজৰ ভনীয়েক। ইমান বছৰৰ মূৰত তেওঁক এইদৰে হঠাৎ লগ পাইছোঁ। মোক ইমান আদৰ-সাদৰ কৰিছে। আমাৰ কথা তেওঁ পাহৰি যোৱা নাই—মই যে সৰুতে তিলৰ লাড়ু ভাল পাইছিলোঁ তাকো মনত ৰাখিছে—মই এৰাতি থাকি যাব নোৱাৰিম কিয়? জয়াক কলোঁ, 'তুমি যোৱা, মনোৰমাই মোৰ বেগটো ক'ৰবাত থৈছে, লৈ আহাগৈ। ক'বা, মোৰ ভাগৰ লাগিছে, আজি আৰু গিটিওলৈ নেযাওঁ।'

গতিকে মই ৰাতিটো তাতে থাকিলোঁ। মাহীয়ে খোৱাৰ যোগাৰ কৰিলে। জয়া আকৌ শিবিৰৰ কামলৈ গ'ল-মাত্ৰ মই বহি জিৰাই থাকিব পৰাকৈ ভিতৰফালৰ বাৰাণ্ডাতে পুৰণি-কলিয়া কাপোৰ লগোৱা আৰামী চকী এখন পাৰি দিলে। কান্দুৰা নামে বুঢ়া এটা মাহীহঁতৰ ঘৰতে থাকে—মহাৰ দেউতাকৰ দিনৰে পুৰণা মানুহ—নিজৰ বুলিবলৈ কোনো নাই কাৰণে নমৰে মানে এই ঘৰতে থাকিবলৈ সংকল্প কৰিছে। সিয়েই মাটি-বাৰীৰ তদাৰক কৰে। মাহীয়ে কান্দুৰাক দৌৰাই ক'ৰবাৰ পৰা অলপ সৰু মাছ আৰু এযোৰ পাৰ অনালে। মই কাপোৰ-কানি সলাই লৈ আৰামী চকী-খনতে বহি ভাত ৰন্ধাত ব্যস্ত মাহীৰ লগত কথা পাতিবলৈ ধৰিলোঁ। মাহীৰ পৰাই তেওঁলোকৰ সকলো কথা জানিব পাৰিলোঁ।

নন্দলাল চৌধুৰী সচাঁই একাচেকা মানুহ আছিল। অসবৰ্ণ বিবাহ কৰাই—তাকো ক'ৰ্টৰ সহায় লৈহে—তেওঁ আপোনজনৰ পৰাতো সহানুভূতি হেৰুৱাইছিলেই; তদুপৰি আন বহুতো অসামাজিক কামত লিপ্ত হৈ একপ্ৰকাৰে সমাজখনকে উলাই কৰিবলৈ ধৰিলে। দেউতাক নোহোৱাত একমাত্ৰ ল'ৰা হিচাপে সম্পত্তিটো

পাইছিল, তাৰ অৱলম্বনতে মানুহজনে নানান সামাজিক কামত নিজকে বিলাই দিছিল। মাটি বাৰীৰ ভাৰ বাসন্তী আৰু কান্দুৰাৰ ওপৰতে এৰি দি তেওঁ নিকাচিৰ পিনে ভিতৰুৱা ঠাইত গৈ এখন স্কুল আৰম্ভ কৰিছিল। নন্দলালৰ উদ্দেশ্য আছিল মিচকলক অনুন্নত সম্প্ৰদায় বোলে তেওঁলোকৰ লগত মিলি গৈ আমাৰ সমাজৰ পুৰণি-কলীয়া ধাৰণা সলনি কৰি পেলাব লাগে। ইয়াৰ কাৰণে বোলে তেওঁ থকা-মেলা খোৱা-বোৱা সকলোতে সকলো ব্যৱধান পৰিহাৰ কৰিছিল। ঘৰতে সকলোৰে দেখাকৈ কুকুৰা মাৰি ৰান্ধি খাইছিল। এইবিলাকক গাৱঁৰ মানুহে ভাল চকুৰে চোৱা নাছিল। কিন্তু তেওঁ কাকো ভয় নকৰিছিল। কাৰো ওচৰত হাত পাতিব লগা হোৱা নাছিল কাৰণে আৰু গাৱঁতো প্ৰায়েই নেথাকিছিল কাৰণে কাৰো লগত তেনেকৈ অৱশ্যে সংঘৰ্ষ লগা নাছিল। কিন্তু সমাজৰ মানুহে ঘৰখনক এৰাই ফুৰিবলৈ ধৰা হ'ল, প্ৰশ্ৰয় নিদিয়া হ'ল—মনোৰমা দেবীৰ আচৰণত সেইটোৱেই ভলাই পৰিছিল।

আজি নন্দলাল চৌধুৰী জীয়াই থকা হলে কি কৰিলেহেঁতেন কোৱা টান। হয়তো পৰিবৰ্তিত পৰিবেশত মানুহে তেওঁক ক্ষমাৰ চকুৰে চাব পাৰিলেহেঁতেন। কিন্তু যি ঠাইত তেওঁ কাম কৰিছিল তাত এসময়ত মেলেৰিয়াৰ বৰ প্ৰাদুৰ্ভাৱ আছিল। মানুহজনে স্বাস্থ্যৰ যত্ন নলৈছিল। স্কুলখনৰ পৰাতো দা-দৰমহা একো নেপাইছিলেই, বৰং মাজে মাজে ঘৰৰ পৰাহে চাউল-পাত লৈ গৈছিল। মেলেৰিয়াত ভুগি ভুগিয়েই শেষত তেওঁ এদিন শেষ নিশ্বাস পেলালে। তেতিয়া জয়া আৰু তাইৰ ককায়েক জয়ন্ত অলপ ডাঙৰ—স্কুলৰ চৈনত পঢ়ি আছিল।

'ল'ৰাটো পঢ়াত বেয়া নাছিল' —মাহীয়ে কলে, 'কিন্তু সিও মনে মনে এটা কাম কৰি পেলালে—বিয়াখন ক'ৰবাত পাতিলে। ছোৱালীজনীৰ জাত-কুল আমাৰ লগত নিমিলে—কিন্তু সেইটো ডাঙৰ কথা নহয়, বৰঞ্চ দেউতাকৰ আদৰ্শকে আগত ৰাখি কামটো কৰা বুলি মই গৌৰৱ কৰো। হলেও এতিয়াই সি বিয়া পাতিব নেলাগিছিল। তথাপি মই নিজে গৈ সিহঁত দুটাক ঘৰলৈ লৈ আহিছিলো। ছোৱালী

জনী বেয়া নহয়। কিন্তু সময়: ধনক মই অলপ জর... কৰি চলোঁ। দেউতাকৰ দৰে সাহস মোৰ নাই। তেখেত নথকা অৱস্থাত মই অকলে মানুহৰ লগত যুঁজিব নোৱাৰো, সেই বাবে যোগাযোগাত সি চাকৰিটো পোৱাত মই সিহঁতক ভালকৈ আঁতৰাই পঠালোঁ। কান্দুবাই গৈ মাজে মাজে ঘৰৰ বস্তু কিবাকিবি দি আহেগৈ। বৰ দৰকাৰ নহলে সিহঁতক ইয়ালৈ আহিব নেলাগে বুলি কৈছোঁ। জয়াৰ ভৱিষ্যৎটোও ভাবিব লাগিব।'

জয়াকে মোকে মাহীয়ে একেলগে খাবলৈ দিলে। জয়া আহি পাওঁতে ভালেখিনি ৰাতি হৈছিল। সেই কাৰণে মাহীয়ে বহুত কিবাকিবি ৰান্ধিব পাৰিলে। মোক আগতে খাবলৈ কৈছিল, কিন্তু মই জয়ালৈ ৰৈ খুঁজিলো। আমাৰ পাতত বস্তু দি থাকি মাহীয়ে কলে, 'খা' তোক এসাজ খুৱাবলৈ পাই বৰ ভাল লাগিছে— মানে মোৰ নিজৰ ঘৰত। মই এইবোৰ একো নেখাওঁ—কিন্তু খোওঁ আৰু—কি কৰিবি ইহঁত দুটাক নহলে মাছ-মাংস কোনে খুৱাব?'

জয়াই কেইবাৰো মাকক কলে, 'আই, ককাইদেউক মাংস দেচোন—তোৰ মাছখন আজি সিমান ভাল হোৱা নাই—মাংসকে দে আৰু অলপ।' মাহীয়ে হাঁহি কলে, 'দিওঁ দিওঁ।' বুঢ়ী হৈ আহিছো নহয়, হাত ভালে নেথাকে—তেওঁ যে তোৰ মাছৰ জুতিটো মনত আছে এয়ে বহুত।

মই কিন্তু মাহীৰ ৰন্ধাৰ বহুত প্ৰশংসা কৰিলোঁ—তাকো মিছাই নহয়। বাৰেপতি মাহীয়ে মোৰ বাধা ক আওকাণ কৰি ভাত-আঞ্জা দি গ'ল আৰু ময়ো মোৰ স্বাভাৱিক দুৰ্বলতাক এবাৰ নোৱাৰি সকলো খাই গলোঁ।

মোক বাহিৰৰ কোঠাটোতে শুবলৈ দিলে। কান্দুবাই ক'ৰবাৰ পৰা খাট এখন আনি তাতে পাৰি দিলে। জয়াই কণ্টকো কষ্ট নুবুজি ক'ৰ ক'ৰ পৰা কৰ নোৱাৰোঁ কাপোৰ-কানি গোটাই আনি কোমল বিছনা এখন কৰি দিলে।

কিন্তু তথাপি মোৰ ভাল টোপনি নহ'ল। আচহুৱা ঠাইত

গোৰ টোপনি এনেয়েও ভাল নহয়। কিন্তু আজি নানান চিন্তাইহে মোৰ টোপনি হৰি নিলে। স্বৰ্গীয় মহা নন্দলাল চৌধুৰী এক আদৰ্শ পুৰুষ আছিল বুলি অনুভৱ হ'ল। তেওঁৰ যি কামক মানুহে অসামাজিক বুলি ভাবিছিল সেই কামকে মোৰ আজিৰ পৰিপ্ৰেক্ষিতত আটাইতকৈ বেছি সামাজিক যেন লাগিল। মাহীয়ে আজি অকলে যুদ্ধ কৰিব লগা হৈছে। অকলশৰীয়া এজনী তিৰোতা মানুহে ভয় খোৱাই স্বাভাৱিক।

আৰু আমি, মানে আমাৰ ঘৰখনে, মাহঁতৰ ঘৰখনে এই গৰাকী মাহীক অস্বীকাৰ কৰি আছে। এইটো কিমান অন্যায় ভাবিবলৈকে মোৰ ভয় লাগিল। নহয়, মাহীকে জয়াকে এবাৰ যেনে তেনে আমাৰ ঘৰলৈ নিবই লাগিব। ইয়াৰ কাৰণে যদি মোক কোনোবাই বেয়াও পায় পাব। নন্দলাল চৌধুৰীৰ আদৰ্শৰ প্ৰতি অন্ততঃ অলপমান সন্মান মই জনাব পাৰিম। এইবিলাক কথা ভাবিয়েই ভালকৈ টোপনি নাহিল।

ৰাতিপুৱাও সোনকালে সাৰ পালোঁ। মুখ ধুই দুৱাৰমুখতে আৰামী চকীখন পাৰি উদাসভাৱে বাহিৰলৈ চাই থাকিলোঁ। মাহীহঁতক এদিন আমাৰ ঘৰলৈ নৈ যোৱাৰ কথাই ভাবি থাকিলোঁ। জয়া আহি কেতিয়া চকিখনত হাত থৈ পাচফালে ৰৈ আছিল কবই পৰা নাছিলোঁ। এবাৰ হঠাতে মন কৰিলোঁ। তাই মৰম লগাকৈ হাঁহিলে।

'আহ। মোৰ ওচৰতে অলপ বহছি।' মই তাইক নিঃসঙ্কোচে তই বুলি মাতিলোঁ। তাই মূঢ়া এটা আনি মোৰ নিচেই ওচৰতে বহিল। তাইৰ মূৰটো মোৰ কোলালৈ লাহেকৈ টানি আনি চুলিকোছাৰ ওপৰত হাত ফুৰাই মাতিলোঁ—জয়া!'

তাই মূৰটো জোকাৰিলে।

'মই তহঁতৰ ককায়েৰ জান?'

অলপ সময় নিমাতে থাকি তাই কলে, 'মই আপোনাক ককাইদেউ বুলি মাতিছো নহয়।'

'মই মন কৰিছো। তোক মই লৈ যাম। যাবি মোৰ লগত ?'

'যাম।' এই বুলি কৈয়েই তাই মুখ তুলি মোৰ ফালে চাই কলে, 'নাই নাযাওঁ। আই আছে নহয়।'

এনেতে বাসন্তী মাহীয়ে মোলৈ চাহজলপান আনিলে। চাহ খাই খাই মাহীক কলো যে তেওঁলোক দুয়ো সাজু হৈ থাকিব। মই সোনকালেই আহি দুয়োকে কিছুদিনৰ কাৰণে আমাৰ ঘৰলৈ লৈ যাম। অন্ততঃ তেওঁলোকো মই এবাৰ সুবিধা বুলি মাত লগাই আহিম্‌গৈ।

মাহীয়ে কলে, 'বাৰু হব। তই আহিবি।'

মই বিদায় লৈ ওলাই আহিলো। জয়াও মোৰ লগতে ওলাই আহিল। এক কাৰ্য্যংমান দূৰত মোক বাহুত তুলি দি আহিব। শিবিৰত তাইৰ কামো আছে। মোৰ কিন্তু মনোৰমাহঁতৰ শিবিৰটো অৰ্থহীন যেন লাগিল। যি মানুহে মাহী আৰু জয়াক অন্তৰেৰে গ্ৰহণ কৰিব পৰা নাই তেওঁলোকে কি তাওৰ কাম কৰিব ? কিন্তু জয়াক এই কথা নকলো।

+ + +

খেৰায়

ড° প্ৰফুল্ল দত্ত গোস্বামী

লিখকৰ চমু পৰিচয়—

[জন্ম ১৯১৯ চন। পিতৃ সিংহদত্ত দেব অধিকাৰী। মাতৃ সুভদ্ৰা দেৱী।

কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত এম.এ পাছ কৰি ক্ৰমে জগন্নাথ বৰুৱা আৰু কটন মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগত অধ্যাপনা কৰে। আমেৰিকাৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়তো তেওঁ ভিজিটিং প্ৰফেচাৰ হিচাপে কাম কৰে।

শ্ৰীগোস্বামীয়ে সৃষ্টিশীল ৰচনা, লোকসংস্কৃতি সম্পৰ্কীয় গৱেষণা, অধ্যয়ন, জীৱনী সাহিত্য আদি বিভিন্ন দিশত তেওঁৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। তেওঁৰ উল্লেখযোগ্য ৰচনা সমূহ হ'ল—কেঁচা পাতৰ কঁপনি, শেষ ক'ত আদি উপন্যাস, বিলাতী হোজা, অসম দেশৰ সাধু আদি সাধু কথাৰ পুথি, মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ, এটা জীয়া কাহিনী, বীৰ এজন পৰিল আদি আধুনিক দৃষ্টিৰে লিখা জীৱনী গ্ৰন্থ, বিলাতত সাত মাহ ভ্ৰমণ বৃত্তান্তৰ কিতাপ, অসমীয়া জন সাহিত্য, বুৰঞ্জী আৰু সংস্কৃতি, Folk Literature of Assam, Ballads and Tales of Assam, The Spring Time Bihu of Assam, আদি লোক সংস্কৃতি সম্পৰ্কীয় মূল্যবান গৱেষণামূলক প্ৰবন্ধ।

গল্পকাৰ হিচাপে গোস্বামী কেবাটাও ভাল গল্পৰ স্ৰষ্টা। বিদেশী গল্পৰ সোৱাদো তেওঁ অসমীয়া পাঠকক দিছে 'গল্পঃ দেশী বিদেশী' শীৰ্ষক গল্প সংকলনত। অসমীয়া জন জীৱনৰ লগত শ্ৰীগোস্বামীৰ সম্পৰ্ক অতিশয় নিবিড় আৰু এই জন জীৱনৰ হাব ভাব উৎসৱ-পাৰ্বন আদিৰ ভেটিত তেওঁ সহজ সৰল গল্পসমূহ ৰচনা কৰিছে]

কাতিমাহ, অমাৱস্যা ওচৰ চাপিছে। ওচৰাওচৰিকৈ থকা গাওঁকেইখনৰ হেংগ্ৰা ছিখলাৰ গাত উলহমালহ, আঁউসীৰ দিনা খেৰায় উৎসৱ। এইয়া শালি খেৰায়; বাইজ, শালিধান আৰু খৰালিৰ শস্যৰ মঙ্গলৰ অৰ্থে পতা পূজা আৰু উৎসৱ। ওৰে নিশা নাচ চলিব, বাথৌব্ৰাইৰ পূজা চলিব, কামাখ্যা দেৱীৰ পূজা, আন দেৱ

দেৱীৰ পূজা, আৰু ৰাতি পুৰাবৰ সময়ত লক্ষ্মীদেৱী মায়নাওৰ পূজা হব। দৌদিনীয়ে নাচিব, ঘৰ শৰীৰ জোকাৰি জোকাৰি, বলিৰ তেজ পিব আৰু ক'ব বছৰটোৰ কাৰণে ভাল বেয়া—মাৰিমৰক হবনে নহয়, কিমান মাছ পৰিব, কেইটা গৰু মৰিব। আহিবলৈ ধৰা খেৰায়ৰ কথা মনত পৰিলেই দাউহাৰ মনত উলাহ জাগে।

দাউহাই তিনিবছৰ খাটিলে তাৰ ভাবী শহুৰেকৰ ঘৰত। প্ৰথম বছৰ এনেয়ে, পিছৰ দুবছৰ দৰমহা আৰু ধানৰ হিচাপত। মোমায়েক পাতিবাৰে কেও কিছু নোহোৱা ভাগিনীয়েকৰ ঘৰ সংসাৰৰ কথা চিন্তা কৰি তাক লগাই দিছিল গাওঁবুঢ়াৰ ঘৰত। গাওঁবুঢ়াৰ ছোৱালী মিলা উঠি অহা গাভৰু, তজবজীয়া, চকুত লগা, তাৰ লগত দেখাই শুনাই মিলিব। মোমায়েকৰ চেষ্টাত গাওঁবুঢ়া ৰাজী হৈছিল আৰু তাক জীয়েকৰ কাৰণে মনোনীত কৰি থৌজা কৰি ৰাখিছিল। বন্দবস্ত এইয়ে যে সি প্ৰথম বছৰ বাৰী-ঘৰ আৰু পথাৰত কাম কৰি দিব, এনেয়ে; তাক যদি কামিলা আৰু ভাল স্বভাৱ চৰিত্ৰৰ দেখে, উপযুক্ত দেখে, তেন্তেহলে আৰু দুবছৰ থাকিব দৰমহাৰ হিচাপত। পিছত, সময় উকলি যোৱাৰ পিছত, তাৰ প্ৰাপ্য ধন আৰু ধান পুৰাকৈ দি, লগতে মাটিও পোন্ধৰ বিঘা দি মিলাক তাৰ লগত বিয়া দিব। এইয়া বৰো সমাজত চলা দস্তুৰ। দাউহায়ো মিলাৰ চকুলৈ চাই প্ৰথমে এবছৰ আৰু পিছত দুবছৰ পাৰ কৰিলে। দুয়োৰে বিয়া হ'ল আৰু সিয়ো নতুন সংসাৰ এখনৰ পাতনি মেলিলে।

নতুন ঘৰ, নতুন বস্তী পাতোঁতে সিহঁতৰ প্ৰথম বছৰ কষ্টত গ'ল। তথাপি সংসাৰ এখন আৰম্ভ হ'ল—গৰু এহাল, গাহৰি দুজনী, কুকুৰা চাৰিজনীমান আৰু সিহঁত দুয়ো। সি পথাৰত কাম কৰে, তাই ঘৰখন চায়। পুৰাৰ পৰা গধূলিলৈ দুয়োৰে আহৰি নাই। তথাপি বছৰৰ মূৰত কাতিমাহ আহিল, আঁউসীৰ দিনা হ'ব খাজি খেৰায়। বছৰেকীয়া উৎসৱ, বাইজ গোট খাব, অধলা হৈ গলে নহ'ব, তাৰ কাৰণে লাগিব ভাল কাপোৰকানি, দুই এপদ গহনা।

সিহঁতে সংসাৰ আৰম্ভ কৰিছেহে মাথোন, ধন গোটাই সেইবিলাক যোগাৰ কৰিবৰ সুযোগ নাইবা সময় ওলোৱা নাই এতিয়াও। তথাপি বহুবেকীয়া খেবায়, নেওচা টান।

আঁউসী আছি পালে। বাটেদি মতা-মাইকী মানুহৰ ধাৰ ব'লে। সকলোৰে উদ্দেশ্য বটগছৰ তলৰ খেবায় খোলা। আবেলি পাৰ হ'ল, সন্ধিয়াই ভুমুকি মাৰিলে। দিনতে ধুই থোৱা ধুতি চোলা পিন্ধি লৈ মুৰত ফালি মেৰিয়াই সংসাৰৰ গৰাকী দাউহাই গৃহীনীকৈ কলে, 'ঐ মিলা, তই ৰ ঘৰখন চাবি, মই ওলালোঁ।' তাই কি ক'ব, মনৰ উচপিচনি মনতে লুকুৱাই একো নমতাকৈ থাকিল। সি ওলাই গ'ল আৰু বাটতে পোৱা বন্ধু মানুহ এঘৰত সোমাই গিৰিটেৰি ওভাৰকোট এটা ধাৰ কৰি পিন্ধি ললে। মুৰত তাৰ ৰঙীণ ফালি। দাউহাৰ দাম আছে, কিয়নো সি ভাল খাম বজায়, খাম বজোৱা সুযোগ সিও এৰিব নোৱাৰে।

মিলাই আমনজিমনকৈ দুৱাৰখন জপাই জুহালৰ ওৰিত বহিল। তাইবো জানো যাবৰ মন নাযায়? তাইৰ চকুত দুটো-পাক লো বিৰিঙিল। এনেতে কোনোবাই মাহিৰৰ পৰা দুৱাৰখনত খটখটালে। তাই মাত শুনিলে, 'ঐ মিলা, যাবিনে নাযাব?' ওচৰৰে গাভৰু পতিমাৰ মাত। তাইৰ লগত আৰু কোনোবা আছিছে, মিলাই গম পায়। 'ঐ মিলা .... '

তাই দুৱাৰখন লাহেকৈ মেলি দিলে। ভিতৰত জুহালৰ পৰা অহা অলপ পোহৰ, বাহিৰত আন্ধাৰ। 'কি কৰিছ ঐ অকলে অকলে? ওলা খেবায়লৈ যাওঁ', কোনোবা এজনীয়ে তাগিদ দিলে।

'মোক গৰু গাহৰি বন্ধি থাকিব দিছে আৰো, গলে থং কৰিব', মিলাই আমন জিমনকৈ উত্তৰ দিলে।

'ওলা ওলা, আজিৰ দিনত .... ' পতিমাই কলে।

'মোৰ পিন্ধিবৰ ভাল কাপোৰো নাই, খাৰুও নাই, সিবেলি গৰু কিনোতে বেচিলোঁ। কি পিন্ধি যাওঁ?'

'হয়নে? বহ আমি যোগাৰ কৰি দিওঁ তেও তই ওলা।'

এইবুলি গাভৰু কেইজনীয়ে কাপোৰ-কানি যোগাৰ কৰিবলৈ ওলাই গ'ল। মিলাই পানীৰে মুখখন ধুই মুখ মচিবলৈ ধৰিলে। অলপ সময়ৰ পিছত তাইৰ বান্ধৱীকেইজনীয়ে ক'লাপটী থকা কমলা বঙৰ দখনা এখন, ফুলাম ফালি আৰু খাৰু এজোৰ লৈ আহি তাইক কলে, 'ওলা ওলা! আমি খাবৰ কাৰণে জলপান-পানো লৈ আহিছো।

খন্তেক পিছতে আটাই কেইজনীয়ে পাৰ্বৰ লুগুলুটীয়া বাটেদি খেৰায়ৰ খোলালৈ খোজ পোনালে। তাইহঁতৰ মুখত কথা আৰু হাঁহি। অন্তৰত কঁপনি, কাক বা দেখিবলৈ পায়, কোনে বা আকৰ্ষণ কৰে। খেৰায়ৰ খোলাৰ চৌপাশে বাহৰ চুঙাত কেৰাচিন ভৰাই মুৰত শলিতা দি আৰিয়া পুতি দিয়া হৈছে, চুঙাবোৰৰ পৰা অগ্নিৰ পোহৰ ওলাইছে, অলপ দেখা পায় অলপ নাপায়। একালে চলিছে পূজাৰ কাম। পূজাৰীয়ে আবাহন মন্ত্ৰ আওৰাইছে। বেদীৰ ওপৰত শিজু আৰু তুলসীৰ ডাল পুতি পানী ছটিয়াইছে। বলিৰ বস্তুও যোগাৰ হৈছে। দৌদিনীয়ে মূৰ জোকাৰিবলৈ আৰম্ভ কৰিছে। খেৰায়ত দৌদিনীৰ দায়িত্ব বহুত। নাচ চলিয়ে থাকিব, পূজাৰ বিভিন্ন স্তৰত বিভিন্ন ধৰণৰ অৰ্থপূৰ্ণ নৃত্য। আনফালে কোনোবাই বজাইছে খাম, কোনোবাই চিফুং, কোনোবাই জোথা। আটাইৰে মনত ভক্তি ভয়, অন্তৰত এক আনন্দৰ উত্তেজনা।

খেৰায় খোলাৰ আৰিয়াৰ আধা পোহৰ আধা ছাঁত ডেকা-সকলে খাম বজাইছে, গাভৰুবিলাকে বজাইছে জোথা। সকলোৰে শৰীৰত বাজনাৰ তালে তালে নৃত্যৰ ভংগিমা যেন ক'ৰ নোহোৱাকৈয়ে ওলাই আহিছে। জুমাই দি লৈ কেতবিলাকৰ শৰীৰ থৰক বৰক। ডেকাই চাইছে গাভৰুলৈ আৰু কোনোবা বাগহীৰ চকু আকৰ্ষণ কৰিবলৈ গাই দুগুণ জোৰত খামত কোব দিছে। বাগহীৰো মন শৰীৰ আন্দোলিত হৈছে। মাজে মাজে গাভৰুৱে ফালিৰ চোপোলাৰ পৰা তামোল উলিয়াই খাইছে, কোনো ওচৰ চপা ডেকাকো যাচিছে। কিবা এটা চেজু লৈ ইটিয়ে সিটিৰ কাষ পাইছেহি। মিজাৰ চকু পৰিছে সেই বিজিটেবি দীঘল কোট পিন্ধা খাম বজোৱা ডেকাটিলৈ,

ডেকাৰো চকু পৰিছে ভৰা মুখৰ ডাঙৰ খোপাৰে ওখ ছোৱালী...ীত। কোন এইজনী সাজিকাছি আহিছে? সি খামৰ ছেৰে ছেৰে ৰাহি ছেগ চাই তামোল এখন খাই গৈছে।

দৌদিনীৰ মাচ খৰ হৈছে। বণচণ্ডীৰ পূজা চলি...। দৌদিনীয়ে কুকুৰাৰ তেজ পি লৈছে আৰু হাতত চাল তৰোৱাল লৈ দুগুণ শক্তিৰে নাচি উত্তেজনা প্ৰকাশ কৰিছে। ৰাইজৰ মন...া উত্তেজনা। মিলিটেৰি কোট পিন্ধা ডেকাই ছেগ চাই তাৰ ...। খোৱা ছোৱালীজনীক সুধিলে, 'ঐ তোৰ বিয়া হৈছেনে নাই?'

তাই তলমুৰকৈ উত্তৰ দিলে, 'হৈছে, এবছৰমান হৈছে আৰো।' তায়ো সুধিছে 'তোৰ বিয়া হৈছে নে নাই?' সিও কৈছে, 'হৈছে, এবছৰমান হ'ল আৰো।'

দুয়োৰে চকুৱে কথা কৈছে, তেতিয়া সিহঁতৰ নিজৰ ঘৰুৱা দায়িত্বৰ কথা মনত নাই। আকৌ এবেলি আহি সি কলে, 'যাবি মোৰ লগত?'

তাই নামাতে, মাথোন তলমুৰ কৰি নাচোনৰ ভঙ্গীত আঁতৰি যায়। সি তাইলৈ চায়, তায়ো মিচিকিয়া হাঁহিৰে তালৈ চায়।

মাজনিশা পাৰ হ'ল। গোটেইখনত জনতাৰ পয়োভৰ, কোনে কাক মাতিছে, কোনে কাক চাইছে তাৰ খবৰ নাই। সি ছেগ চাই আহি ক'লে, 'বল, আমি পলাই যাওঁ।'

তাই ইফালে সিফালে চাই সকৈকে ক'লে, 'বল'। তাই ভাবিছিল পতিমাক দেখা পালে কিবা এযাৰ কৈ গ'লহেঁতেন। পিছে তাইৰো দেখাদেখি নাই।

ৰাতি পুৱাবলৈ সৰহ পৰ নৌ থাকোঁতেই সিহঁত দুয়ো পলাল। হাতত ধৰাধৰি কৰি বাঁহৰ তলেদি, আঁহত গছৰ তলেদি, পাৰৰ লুংলুঙীয়া বাটেদি, মুখত মাত নোহোৱাকৈ, বেগাবেগিকৈ, আন্ধাৰৰ মাজেদি সিহঁত পলাল। ডেকাজনো ভুৱা নাই তাৰ ঘৰত থৈ অহা ঘৈণীয়েকৰ কথা, গাভৰুৰ মনলৈও অহা নাই তাইৰ বাপেকৰ ঘৰত তিনি বছৰ গা খাটি দি তাইক লাভ কৰা গিৰিয়েকৰ কথা।

দুয়ে দুয়োকে পাইছে, ক'ৰবালৈ যাব, নতুনকৈ সংসাৰ পাতিব, এ' .য় মনৰ ভাব। পুৰে ধন ফাট দিলে, ক্ৰমে পোহৰ হ'ল। অ স্মাৎ শাহুৰেকে ঘূৰি চালে ডেকালৈ—কোন এইয়া? দাউহা ে.খান! সিও লক্ষ্য কৰিলে—কোন এইজনী? মিলা দেখোন। ' ইক দেখোন মই ঘৰত ৰখীয়া কৰি থৈ আহিছিলো, কেনেকৈ তাই ৰায় পালেহি?

দুয়ো দুয়োৰে মুখলৈ চাই হাঁহিবলৈ ধৰিলে। অলপ সময়ৰ পিছত মিলাই ক'লে, 'ব'ল, ঘৰত এসোপা বন আছে, এনেকৈ বহি থাকিলে হব নেকি?'

---

* শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰী আৰু তবেন নাৰ্জীৰ মুখত শুনিবলৈ পোৱা প্ৰবাদ এটিৰ আধাৰত ৰচনা কৰা।

লিখক—

কাগৰি পৰিল

ৰোহিনী কুমাৰ কাকতি

[যুদ্ধোত্তৰ যুগৰ অসমীয়া কথা-সাহিত্যিক শ্ৰীৰোহিনী কুমাৰ কাকতিয়ে গল্প আৰু উপন্যাসেৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰি তোলে।

যাঠিৰ দশকত তেওঁ গতানুগতিকতা ভংগ কৰি উপন্যাস ৰচনাত হাত দিয়ে। এক নক্ষত্ৰৰ নিশাৰে, সূৰ্য্য ৰেখা, ৰ'দ আৰু কুঁৱলী, ভগ্নাংশ, ভগ্নদূত তেওঁৰ উল্লেখযোগ্য উপন্যাস।

ৰামধেনুৰ পাতত গল্প লিখি জনপ্ৰিয় হোৱা ৰোহিনী কুমাৰ কাকতিয়ে তেওঁৰ গল্পত জীৱন আৰু ব্যক্তিৰ বিচিত্ৰ ৰূপ ফুটাই তুলিছে]

আধিক বকৰাই আজি গোটেই দিনটোৱেই ঘৰৰ ওপৰত নিজৰ আধিপত্য ক্ৰমাৎ কমি অহাৰ কথা ভাবি ভাবি প্ৰায় হতাশ আৰু অৱশ হৈ পৰাৰ দৰে হৈ পৰিছে। ঘৰৰ ওপৰত আধিপত্য কমি আহিছে, নিশ্চয় নিজে ক্ৰমান্বয়ে দুৰ্ব্বল হৈ অহাই আৰু ল'ৰা-ছোৱালীবোৰে নিজে নিজে কৰি যাব পৰা হোৱাই। তাতে তেওঁ আজি প্ৰায় চাৰি বছৰে শয্যাশায়ী।

তেওঁ শুই শুই ভাবিলে—এই ল'ৰা-ছোৱালী বোৰৰ অলপ হাঁহি-ধেমালিৰে কোৱা কথা তেওঁ সহ্য কৰিব নোৱাৰা হৈ পৰিল কিয়? এই বয়সতে সিহঁতে অলপ হাঁহি-ধেমালি নকৰিলে আৰু কেতিয়াকৈ কৰিব। এই ল'ৰা-ছোৱালীবোৰৰ মুখত হাঁহি ফুটাবলৈয়েই কিমান কষ্ট কৰিলে জীৱনটোত। অথচ যেতিয়া সিহঁতে হাঁহিবলৈ ধৰিলে সেই হাঁহি বকৰাৰ অসহ্য হ'ল। বকৰাইও জানে ল'ৰা-ছোৱালীয়ে বা নিজৰ পত্নীয়ে আজি-কালি তেওঁৰ সতে বৰ কম কথা কয়। তেওঁ একাষৰীয়া পলে ল'ৰা-ছোৱালী কেইটা গম্ভীৰ হৈ পৰে। তেওঁ থকা ঘৰটোত কোনোৱে ডাঙৰকৈ কথা নকয়। তাৰোপৰি তেওঁৰ উপদেশ সকলোৱেই বৰ কমেই লয়। অৰ্থাৎ প্ৰকাৰান্তৰে তেওঁক ঘৰৰ 'মুৰব্বীয়ানা' ৰ পৰা আঁতৰাবলৈ আৰম্ভ কৰিছে। আঁতৰোৱা মানে নিজৰ প্ৰাধান্য কমোৱা আৰু এদিন ল'গে লগে নাইকিয়া হৈ যোৱা।

খিৰিকীৰে কোঠালীটোলৈ জোনাক সোমাইছে। ক'ত মিঠা জোনাক। তেওঁৰ নমনা কথা আৰু প্ৰাধান্য ক্ৰমাৎ কমি অহাৰ কথা ভালকৈ প্ৰকাশ হ'ল আজি কেইদিনমান আগতে ঘটা ঘটনা এটাত।

আবেলি সময়ত বৰুৱা বাহিৰত বহি আছিল। আবেলি পৰত বাহিৰত অকণমান বতাহ লয়। সন্ধিয়া হৈ আহিছিল এনেতে দেখিলে এজনী ছোৱালী লগত লৈ নিজৰ ডাঙৰ ল'ৰা নৰেণ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। বৰুৱাৰ নাকত এটা তীব্ৰ চেণ্টৰ গোন্ধ লাগিল।

এদিন পত্নীয়ে নৰেণৰ কথা তেওঁৰ আগত উলিয়াইছিল। কোন এজনী ছোৱালীক নৰেণে বিয়া কৰাবলৈ ইচ্ছা কৰে। দুয়োৰে মনে মনে মিলি গৈছে। হয়তো সেই ছোৱালীজনীয়েই এইজনী। কিন্তু নৰেণৰ ইমান সাহস বাৰু কেনেকৈ হ'ল? আৰু ছোৱালী-জনীয়ে বিনা সঙ্কোচে তেওঁৰ কাষেৰেই বা গ'ল কেনেকৈ?

অথচ এই নৰেণে তেওঁৰ আগত মুৰ তুলি কথা কোৱা বুলি বৰুৱাৰ মনত নপৰে। অৱশ্যে সি তেওঁ ভাল হৈ থকা কালত। অহকালে পহকালে বৰুৱাৰ কাণত পৰিছিল যে ব্যাঘ্ৰৰূপী বৰুৱাই ল'ৰা-ছোৱালী কেইটাক শাসনত বান্ধি মানুহ কৰিছে—ডাঙৰ গছৰ দৰে কৈ ঘৰৰ প্ৰতিজন মানুহক ছাঁ দি ৰাখিছে।
অথচ এই ঘৰৰে ল'ৰা নৰেণে ক'ৰ এজনী নাম গোত্ৰহীন ছোৱালী লৈ বিনা সংকোচে তেওঁৰ আগেদি ঘৰলৈ সোমাই গ'ল। ঘৈণীয়েকে কৈছে বৰুৱাক ছোৱালীজনী বোলে বৰ ভাল। কিন্তু অসৱৰ্ণ নীহ-কুলীয়া। তাৰ বাহিৰে মানুহঘৰ ভাল। নৰেণৰ অতি ইচ্ছাৰ কাৰণে মাকে নৰেণক বাধা দিবলৈ পৰা নাই। মানুহ যেতিয়া ভাল, তেতিয়া জাত লৈ বিচাৰ কৰিলে কি হব। আজি কালি ভাল ল'ৰা-ছোৱালী পাবলৈয়ে টান হ'ল। বৰুৱাই কোনো উত্তৰ দিয়া নাছিল। কিন্তু ধিক্কাৰ লাগিছিল এটা কথাত। নিজৰ অগোচৰে বা অমতে ঘৰখন ইমানদূৰ কেনেকৈ আগবাঢ়ি গ'ল। এইজনী

ছোৱালী বোলে ভাল ছোৱালী, ভাল মানুহৰ ছোৱালী। চাদ সদাগৰে চলন ফুৰনতেই বেউলাক চিনি পাইছিল। অথচ এইজনী গলো গ'ল একেবাৰে নাকৰ ওচৰত গোন্ধ ছুতিয়াই গ'ল। এইজনী ভাল ছোৱালী—ভাল মানুহৰ ছোৱালী কেনেকৈ হব পাৰে, বৰুৱাৰ মূৰ গৰম হৈ গ'ল ভাবি ভাবি। এনেয়ে টোপনি নহা অসুখ। অলপ ভিতৰলৈ মন দি ওলাই শুনিলে, কেইজন মানে যেন হাঁহিব লাগিছে। উমি উমি জ্বলি থকা খং বৰুৱাৰ ভমক কৈ জ্বলি উঠিল। বহাৰ পৰা ঠিয় হ'ল আৰু বাহিৰলৈ ওলাই গ'ল। কিন্তু যেতিয়া আহি তেওঁ ঘৰ সোমাল তেতিয়া ঘৰটো সম্পূৰ্ণ নিস্তব্ধ যেন লাগিল। নৰেণহঁত বোধহয় কেতিয়াবাই গ'ল।

নিজৰ ঘৈণীয়েকক মাত্র কলে, নৰেণ আহিলে মোৰ তালৈ পঠিয়াই দিবা। তাৰ পাচত গৈ নিজৰ বিচনাখনত বহি পৰি নিজৰ খং মাৰ নিয়াবলৈ গীতাৰ শ্লোক আওঁৰাবলৈ ধৰিলে। সেই আওঁৰোৱাৰ শব্দ ওচৰত কোনোবা সৰু ল'ৰাই নেওতা আওঁৰোৱাৰ শব্দৰ সতে মিলি গ'ল।

কিছু সময়ৰ পাছত তেওঁৰ কোঠালীটোত কাৰোবাৰ ভৰিৰ শব্দ শুনি মূৰ ঘূৰাই চালে, নৰেণ কোঠালীটোলৈ সোমাই তেওঁৰ বিচনাৰ কাষলৈ আহি ৰৈ গ'ল।

সুধিলে নৰেণে, 'মোক মাতিছিল বোলে!'

কোনো ভূমিকা নোহোৱাকৈ কলে বৰুৱাই, তই তেতিয়া কোন ছোৱালীক লগত লৈ ঘৰ সোমাইছিলি?

নৰেণ পোনতে নিৰুত্তৰে ৰ'ল। পোনপটীয়া ভাৱে প্রশ্নৰ উত্তৰ বিচাৰি নাপালে। বৰুৱাই ভাবি ললে নৰেণে ভয়তে কোনো উত্তৰ দিব পৰা নাই।

সেইয়েই তেওঁ আৰু জোৰেৰে সুধিলে, 'মোৰ কথা শুনা নাইনেকি? সেইজনী কোন আৰু তোৰ সতে কলৈ আহিছিল?'

এনেদৰে দেউতাকৰ মুখামুখাকৈ পৰিব বুলি নৰেণে ভবা নাছিল। কিন্তু ঘৰ সোমাই যেতিয়া বাৰাণ্ডাত উঠিল, তেতিয়া

তাৰ উভতি যাবৰ সময় নাছিল। সেই সময়ত দেউতাক বাহিৰত বহি থকাৰ কথা নহয়। লাজে লাজে নৰেণে উত্তৰ দিলে, 'মাহঁতে চিনি পায় আৰু জানেও।' 'মাৰহঁতে জানিলেই মযো জনা হ'ল নেকি? মযেো জানিব খোজোঁ।'

গুজৰি উঠিল বৰুৱা।

নৰেণে কিন্তু এইবাৰ নির্ভীক ভাবে উত্তৰ দিলে, 'মই গোইজনী ছোৱালীক বিয়া কৰাম।'

'কি !!'

বৰুৱা আচৰিত হৈ গ'ল। কেনেকৈ বাৰু ইমান ভাওঁৰ কথাষাৰ নৰেণে তেওঁৰ আগত কবলৈ সাহস কৰিলে ? নৰেণে বৰুৱাৰ পৰিচয় একেবাৰে পাহৰি গ'ল নেকি। বিয়াৰ কথাঠিক কৰিব অভিভাৱকে। ল'ৰা-ছোৱালীয়ে অভিভাৱক থকা স্বত্বেও যদি নিজৰ বিয়া নিজে ঠিক কৰে, তেনেহলে সেইবোৰ কেলেঙ্কাৰী কথা। সেই কেলেঙ্কাৰীৰ কথাই নৰেণে তেওঁৰ আগত মুখ তুলি সমুখা সমুখিকৈ কৈ পেলালে।

ভাবি ভাবি বৰুৱাই নৰেণলৈ স্থিৰ হৈ চাই ৰ'ল। দুৱাৰৰ বাহিৰৰ বাৰাণ্ডাত দেখিলে কাৰোবাৰ ছাঁ। কোনোবা ফুচ-ফুচাই যেন কিবা কৈছেও।

উত্তৰ শুনি প্ৰথমে বিবুদ্ধিত পৰিলেও লাহে-লাহে সেইভাৱ আঁতৰি গ'ল বৰুৱাৰ।

গুৰু-গম্ভীৰ স্বৰেৰে সুধিলে, 'কিবা কবি নেকি ?'

নিৰুত্তৰে ৰ'ল নৰেণ।

তাৰ পাচত বৰুৱাই কলে, তোৰ বিয়া তোৰ ইচ্ছামতে হব নে মোৰ ইচ্ছামতে হব ? তই বৰ্তমানে মোৰ বিষয়ে কি ধাৰণা লৈছ ? মই ক্ৰমান্বয়ে দুৰ্ব্বল হলো বুলিয়েই তই সকলোতে প্ৰভুত্ব খটুৱাবলৈ বিচাৰিছ নেকি ? মই ঘৰত এতিয়াও আছোঁ। মই ঘৰৰ ভাল বেয়া কথা, তহঁতৰ কথা এতিয়াও ভাবিব পাৰো। মোৰ ইচ্ছা অনুসৰি যদি তহঁতে চলিবলৈ টান পাৱ, তেন্তে তহঁত ইয়াৰ

পৰা যাব পাৰ। মই তহঁতক শিক্ষা দিছো, লালন-পালন কৰিছো। মোৰ ইচ্ছা মমেই তহঁতক সম্পূৰ্ণৰূপে সংসাৰী কৰি তোলো। তোৰ ঘৰৰ প্ৰতি ভাগেমান কৰ্ত্তব্য আছে। তই এতিয়াই সংসাৰ পাতিব লাগিলে ভনীয়েৰা দুজনীৰ উপযুক্ত ব্যৱস্থা কৰা নহব। সিহঁতৰ বিয়া আগতে নহলে বয়স হোৱা বুলি পিছত আপত্তি উঠিব। তাৰোপৰি বিয়াৰ ক্ষেত্ৰত চোৱা মেলা কৰিম প্ৰথমতে আমি; তাৰ পাচতহে তোৰ মতামত লম।'

ইমানবোৰ কথা কৈ বৰুৱা যেন ভাগৰি পৰিল। বিচনাতে পিচুৱাই গৈ বেৰখনত হেলান দি বহিল। বৰুৱা আচৰিত হৰলৈ আৰু বাকী আছিল। নৰেণে দাম্ভিকতাৰে কৈ উঠিল, 'কিন্তু কথাতো মাহঁতে আগতে জানে।'

'জানিব পাৰে। কিন্তু সেই ছোৱালী মোৰ অপচন্দ। যাৰ ঘৰৰ ছোৱালীয়ে বিয়াৰ আগতে এনেদৰে অবাধে মিলা-মিছা কৰিব পাৰে, সেই ঘৰৰ ছোৱালীক মই বোৱাৰী হিচাবে লবলৈ অসন্মত।

'কিন্তু ইতিমধ্যে আমাৰ কথা দিয়া-দি হৈছে।'

'এই বিয়া হব নোৱাৰে।'

'এতিয়া আৰু সম্ভৱ নহয়।'

'মানে!'

'তুমি যদি তোমাৰ ঘৰত থাকিব দিবলৈ সন্মত নোহোৱা মই আন ঠাইলৈ যাবলৈ সন্মত আছো।'

বৰুৱাই স্পষ্ট আৰু নিৰ্ভীক ভাবে কৈ উঠিল, বেচ তাকেই কৰ আৰু মযো তই ঘৰ এৰি যোৱাৰ দিনাৰে পৰা ভাবি লম মোৰ ডাঙৰ উপাৰ্জ্জনক্ষম ল'ৰাজনে আত্মহত্যা কৰিছে। নৰেণ আৰু তাত নাথাকিল—বেগাই ওলাই আহিল। বৰুৱাই বেৰৰ পৰা চিঠি তুলি আনি নৰেণ যোৱালৈ একমনে চাই থাকিল। তেওঁ আগলৈ হাঁহি আওৰাই আহি চাবলৈ বিচাৰিলে—নৰেণ ওলাই গৈ কোনখিনি পালেগৈ। এই নিৰ্ভীকতা আৰু স্পষ্টবাদিতা কেনেকৈ ক'ৰ পৰা পালে নৰেণে! নে বয়সৰ লগে লগে কৰ্মক্ষেত্ৰত পৰিলে এনেয়ে হৈ যায়।

দুৱাৰমুখত যি মানুহৰ ছাঁ আছিল সেই ছাঁ এতিয়া আৰু নাই। হয়তো অভিনয় শেষ হোৱাত দৰ্শকবৃন্দ আঁতৰি গৈছে। নিশা কোনোমতে টোপনি নাহিল বকুবাৰ। কাষৰ খিৰিকীখন খোলাই আছিল। বন্ধ কৰিবলৈ আহিছিল ঘৈণীয়েক, নিদিলে বকুৱাই। মূৰ পিটিকি দি টোপনি ধৰাবলৈ যত্ন কৰিছিল ঘৈণীয়েকে। নিদিলে বকুৱাই।

ঘৰখনৰ প্ৰতিজন মানুহৰ ওপৰত ঘৃণা উপজিছিল বকুৱাৰ। বকুৱাৰ মনে ধৰিলে যেন প্ৰত্যেকটোৱেই ষড়যন্ত্ৰত লিপ্ত আছে, প্ৰত্যেকেই বকুৱাৰ প্ৰতিপত্তি ঘৰখনৰ পৰা নোহোৱা কৰাত নৱেণক সহায় কৰিছে। নহলে নৱেণ যে ইমান নিৰ্ভীক আৰু দাম্ভিক হৈ পৰিছে তাৰ কথা কোনোৱে ইমানদিনে নোকোৱাকৈ আছিল কিয়?

ঘৈণীয়েকক তেওঁ সুধিবলৈ বিচাৰিছিল, তুমি মোৰ অৰ্দ্ধাঙ্গিনী নহয়নে? তেনেহলে মই অসমৰ্থ হৈ পৰাত তুমি সংসাৰখন চলাব পৰা নাই কেলৈ? নৱেণৰ কথাবোৰ তুমি ইমান দিনে খুলি কোৱা নাছিলা :কলৈ? তোমাৰ মানত পতি-প্ৰেমতকৈ পুত্ৰ স্নেহ বেছি হ'ল। নে মই আৰু বেছি দিন নাথাকিম—বাকী দিনবোৰ তুমি নৱেণহঁতৰ সৈতে কটাব লাগিব বুলি তুমি নৱেণৰ পক্ষ লৈছা। মইতো মোৰ দিনত তোমাৰ পৰা কোনো কথাই লুকোৱা নাছিলো।

কিন্তু সেইবোৰ একোকে নকৈ বকুৱাই পত্নীক মাত্ৰ যাবলৈ দিলে। সেই মেলা খিৰিকীৰে চাই চাই ভাবিলে—এই পূৰণা— আকাশখনেদি নতুন নতুন মেঘবোৰ নতুন ভাবেৰে আৰু কিমান অহা-যোৱা কৰিব, জোনৰ মুখখন চাকি জোনাকক আৰু কিমান মিছাতে বাধা দিব। চৰাই চিৰিকতিৰ মাতবোৰ নিস্তব্ধতাৰ মাজত বৰ স্পষ্ট হৈ উঠিল।

বিচনাত শুই শুই বকুৱাই ভালেমান কথা ভাবি প'ল— ভাবি প'ল কি আশাৰে বকুৱাই নৱেণহঁতক কোনো কষ্ট পাব নিদিয়াকৈ মানুহ কৰিছিল। নিজৰ সুখ-শান্তিৰ কিমান বিসৰ্জ্জন

দি নৰেণহঁতৰ মুখত হাঁহি ফুটাবলৈ যত্ন কৰিছিল। সেইবোৰ সকলো যেন আজি ধূলিস্যাৎ হৈ গ'ল—। সন্তানৰ লালন পালন কৰাৰ প্ৰতিদান হয়তো কোনো মাক-দেউতাকে পাবলৈ নিবিচাৰে। তথাপি সন্তানৰ ওপৰত ৰখা আশা যদি চূৰমাৰ হৈ যায় তেনেহলে কোন মাক দেউতাকৰ মন ভাঙি নাযাব? কিমান আশা আছিল বৰুৱাৰ। নিজে চাই চিতি বোৱাৰী চপাই আনিব—নিজে বোৱাৰীয়েকৰ হাতত সংসাৰৰ ভাৰ গটাই দিব। জানে বৰুৱাই, নৰেণহঁতৰ দৰে বয়সত সকলো গাভৰু ছোৱালীকেই সিহঁতৰ ভাল লাগে। সেই বয়সত ল'ৰা ছোৱালীবোৰ মোহান্ধ হয়। কিন্তু বুঢ়া সকলৰ চকুত ল'ৰা ছোৱালীৰ বাহিৰ ভিতৰ সকলো ধৰা পৰে।

তেনেদৰেই এদিন বৰুৱাই আনি ঘৰ সুমুৱাইছিল ঘৈণীয়েকক। বিয়াৰ আগতে নৰেণৰ মাকক দেখা বুলি বৰুৱাৰ মনত নপৰে। চোৱাটোও অপৰাধ। কিন্তু মাক দেউতাকে বাচিদিয়া ছোৱালীজনীৰ সৈতেতো সুখেৰেই ঘৰ সংসাৰ কৰিলে—সংসাৰ বহলকৈ তুলিলে। নোচোৱাকৈ ল'ৰা ছোৱালীৰ বিয়া হলে অসুখী হোৱাৰ বহু আশা আছে বুলি বৰ্তমানে যিটো কথা চলিছে তাক মানিবলৈ বৰুৱাৰ মন নগ'ল, অসুখী হব লাগিলে চাই কৰালেও হব, নাচায় কৰালেও হব। কাৰণ নিজৰ স্বভাৱৰ ওপৰতে সকলো নিৰ্ভৰ কৰে। বিবাহৰ গোপনতা, বিয়াৰ পাচত ৰহস্যৰ কথা যিমানে মুক্ত হৈ পৰিছে, সিমানে ল'ৰা ছোৱালীৰ মিলা-মিছা বেছি হৈ পৰিছে, আৰু সমাজখনো কলুষিত হৈ পৰিছে। অৱশ্যে বৰুৱাই স্বীকাৰ নকৰি নোৱাৰিলে যে আগেয়েও সমাজত কলুষতা আছিল। আছিল কিন্তু গোপনে; আৰু সি প্ৰকাশ হলে পাপ বুলি বিবেচিত হৈছিল। কিন্তু আজিকালি হয় দেখদেখিকৈ। পাপ এটা মুকলি বস্তু হৈ পৰিছে। কলুষতা বেয়া। কিন্তু গোপনে হোৱাতকৈ দেখদেখকৈ হোৱা আৰু বেয়া।

দক্ষিণৰ খিৰিকীয়েদি জোনৰ ৰেখা হালি পৰিল। খিৰিকীৰ ৰডৰ ছাঁবোৰ আঠুৱাৰ মাজৰ পৰা আঁতৰি মুৰ শিতানলৈ

বাগৰি গ'ল। তাৰ পাছত তন্দ্ৰাত বৰুৱাৰ চকু জাপ খাই আহিল। মেলিয়া সাৰ পালে, দেখিলে কোঠালীৰ খিৰিকীবোৰ কোনোবাই খুলি দি গৈছে। বতাহত আঠুৱাখন কঁপিব লাগিছে।

যোৱা নিশাৰ দুঃচিন্তা পাতলিল যেন লাগিল বৰুৱাৰ। কিন্তু বিচনাৰ পৰা নামি আহোঁতে হঠাতে ঘৈণীয়েকে কলে, 'নৰেণ যাবলৈ ওলাইছে।'

টোপনিৰ লাগি শেষ হৈ নোযোৱা চকু হালিৰে অস্পষ্টভাৱে দেখা পত্নীৰ মুখখনলৈ অলপ সময় কিবা ভাবি চাই লৈ কলে বৰুৱাই, 'যাওঁক। যাওঁক বুলি কৈ বেছি সময় ৰব নালাগিল।' নৰেণ সোমাই আহি কলে, 'মই যাবলৈ ওলালো।' বৰুৱাই দৃঢ় কণ্ঠেৰে কলে, 'বৰ ভাল কথা—যা গৈ।' তাৰ পাচত নৰেণ দুপ্ দুপাই ওলাই গ'ল।

ওলাই যোৱালৈ পত্নী আৰু বৰুৱাই দুয়োজনে চাই ৰ'ল। পূবৰ খিৰিকীৰে দেখিলে—এখন ৰিক্সা দুৱাৰ মুখত ঠিয় হৈ আছে। তাৰ পাচত দেখিলে—তাত গৈ নৰেণ উঠাত ৰিক্সাই গতি ললে। ঘৈণীয়েক আগুৱাই গৈ খিৰিকীৰ ৰডত ধৰি ৰিক্সাখন যোৱালৈ চাই থাকিল। বৰুৱাই ঘৈণীয়েকৰ গাত ধৰি এবাৰ কব বুলি ভাবিছিল—'এই মোহবোৰ বৰ ভুল মনোৰমা।'

কিন্তু নকৈ তেওঁ বাহিৰলৈ ওলাই গ'ল। ভাৱ হ'ল দিনটো যেন আজি বেয়াকৈ যাব। তাৰোপৰি বৰুৱাৰ অন্তৰে কলে, অন্তৰত এটুকুৰা ঠাই শূন্য হৈ গ'ল। এই ঘৰৰ মালিক, এই ঘৰৰ হৰ্তা-কৰ্তা নিৰুপায় হৈ পৰিছে।

হয়তো আৰু দুৰ্দশা বাকী আছিল। সময়ত দৃঢ় মনৰ মানুহো দোধোৰ-মোধোৰ অৱস্থাত আহি পৰে, চৌপাশৰ প্ৰতিকূল পৰিবেশৰ মাজত নিজৰ মনোবল এপদ এপদকৈ হেৰাই যাবলৈ ধৰে।

* * * * * * * *

নৰেণৰ বিয়াৰ কাৰণে মাতিবলৈ আহিছিল। তাৰো আগতে ছোৱালীৰ দেউতাকে বৰুৱাক সন্মত হবলৈ ধৰি ধৰি কেবাদিনো বিফল মনোৰথ হৈ উভতি গৈছে। নিজৰ ঘৈণীয়েক পৰ্য্যন্ত হাৰি

গৈছে। আজিও শেষ বাবলৈ ছোৱালীৰ দেউতাকে শ্ৰাদ্ধ কৰিবলৈ নৰেণৰ সতে ধৰিবলৈ আহি উভতি গ'ল। তাৰ পাচত আহি ন-পত্নী, জীয়েক, পুতেকহঁত। সকলোকে একে কথাই কৈ দিলে। কোনোবা যদি বিয়ালৈ যায় যাব পাৰে। কিন্তু আহি দেখিব লাগিব এই ঘৰৰ দুৱাৰ সিহঁতৰ কাৰণে বন্ধ হৈ গৈছে আৰু মই ভাবিম যে মই কিছুমান মানুহৰূপী পশুক জন্ম দিছিলো আৰু সেইবোৰৰ মাতৃ মোৰ পত্নী স্বয়ং।

তাৰ পাচত শেষ বাৰলৈ আজি নিজৰ পত্নী এই সন্ধিয়া বেলাতো যেতিয়া আহি এবাৰ যাব্‌ গৈ আহিবলৈ অনুমতি বিচাৰিছিল তেতিয়াও বৰুৱাই সেই একে কথা কলে। কিন্তু কলে যদিও বৰুৱাৰ মনত সেই আগৰ দৃঢ় ব'ল নাথাকিল। তাৰ পাচত নিঃশব্দে কান্দি উঠা তেওঁৰ বাধ্য পত্নী লৈ মন মাৰি একেৰাহে চাই থাকিল কিছু সময়।

বৰুৱাৰ ভাব হ'ল—নিজৰ মতৰ মানুহ ঘৰখনৰ পৰা ক্ৰমাৎ যেন নোহোৱা হৈ যাবলৈ লাগিছে—এই সন্তানবোৰে, নিজৰ পত্নীয়ে তেওঁৰ কথা বাধ্যত পৰিহে শুনিছে। নিজৰ ল'ৰাৰ বিয়া মাকৰ চাবলৈ ইচ্ছা নাযায় যাব কাৰ। নিজৰ ককায়েকৰ বিয়াত ভায়েক-ভনীয়েকহঁতৰ ধেমালি কৰিবলৈ ইচ্ছা নাযায় যাব কাৰ।

এই যে সোণোক-চোলোক হৈ গ'ল ঘৰখনৰ বান্ধোন, এই যে এজন এজনকৈ নিজৰ সন্তানবোৰে নিজৰ মতামত তেওঁৰ আগত ব্যক্ত কৰিব পাৰিছে, সিহঁতেও যদি বিদ্ৰোহ কৰি তেওঁৰ অমতে যায়গৈ, তেতিয়া হলে বৰুৱা অকলে জানো থাকিব পাৰিব। সন্তান সকলেও নিজৰ ভাল বেয়া ভাবিব পৰা হ'ল। ইহঁতেও এটা এটাকৈ অভিজ্ঞতা সঞ্চয় কৰি তেওঁৰ দৰেকৈ ভাবিব পৰা হব এদিন।

ভাবি ভাবি বৰুৱাই দুৰ্ব্বল শৰীৰটো বহৰাৰ বাহিৰ ভিতৰ কৰিলে। অনতিদূৰৈত মাইকত বজা চানাইৰ সুৰ কোনোৱে দেখা-নোপোৱা ঠাইত বৈ বৰুৱাই কেইবাবাৰো কাণ পাতি শুনিলে।

এই মাইক ক'ত বাজিছে বকুৰাই জানে। কিন্তু বাজিছে তাকো জানে আৰু ইয়াকো তেওঁ ভালদৰে উপলব্ধি কৰিলে—নিজৰ আশা আৰু একো বাকী নথকাকৈ চুৰমাৰ হৈ গ'ল, তেনেই বুঢ়া মনত কি যেন এটা শূন্য শূন্য হৈ গ'ল। সংসাৰ যেন তেওঁ কৰাই নাছিল—তেওঁ তেনেই অকলশৰীয়া। বকুৰা লাহে লাহে নিজৰ পত্নীৰ কোঠালীটোলৈ সোমাই আহিল। পত্নী বিচনাত বহি আছিল। বেছি সময় নৰৈ বকুৰাই কলে, 'তোমালোক নৰেণৰ তাৰপৰা এবাৰ আহাগৈ।'

পত্নীয়ে যেন আচৰিত হৈ চালে তেওঁলৈ। বকুৰাই আকৌ কলে, 'পলম হলে দৰা হয়তো ওলাই যাবগৈ।'

আকৌ অলপ সময় ৰৈ কলে লাহে লাহে 'মোৰ বৰ পেৰাত থোৱা বৰ কাপোৰখনো লৈ যাবা, তাক কইনাৰ ঘৰলৈ ওলাই যাওঁতে দিবা।'

তাৰ পাচত বকুৰা ওলাই আহিল।

ক্ষন্তেক পাচতে ঘৰখনত খদম-খদম লাগি যোৱা গম পালে বকুৰাই। কলৰ পাৰত পানী তোলাৰ শব্দ হ'ল, বাল্টি টনাটনিৰ শব্দ হ'ল, বাকচ খোলা জপোৱাৰ শব্দ হ'ল। কিছু পৰৰ পৰত নতুন কাপোৰ পিন্ধি খৰমৰ শব্দ তোলাৰ শব্দ হ'ল, চেণ্টৰ গোন্ধেৰে ঘৰটো আমোল-মোলাই গ'ল।

তাৰ পাচত ঘৰটো এসময়ত নিজান হৈ পৰিল।

সেই নৰেণক ওলাই যোৱা দেখা পূবৰ খিৰিকীখনেৰেই দেখিলে বকুৰাই, কেইটামান মানুহ ওলাই গৈছে।

ঘৰটো যেন বৰ নিজান হৈ পৰিল।

বন্ধ কোঠালীটোত সোমাই থাকিবৰ ইচ্ছা নগ'ল বকুৰাৰ। বাহিৰলৈ ওলাই আহি দেখিলে—জোনাকবোৰ আগৰদৰেই বিয়লি আছে। মাইকৰ শব্দ আগৰ দৰেই ভাঁহি আহিছে।

বাহিৰৰ মুক্ত আকাশৰ তলত থিয় দি কেউফালে চাই বকুৰাই ভাবিলে—ক'ত যেন তেওঁৰ বিৰাট পৰাজয় ঘটিল, ক'ত

যেন তেওঁৰ কর্তৃত্ব ঘৰখনৰ পৰা হঠাতে হেৰাই গ'ল।

তথাপি যেন মনটো বেয়া নালাগিল।

হাতৰ লাঠি ডালেৰে বননিত কোবাই কোবাই অলপ ইফালে সিফালে ঘূৰি বাৰাণ্ডালৈ আহি বহি মাইকত বজা চানাইৰ সুৰ একমনে শুনি শুনি ভাবিলে—কপালত থকা হলে আজি এই সুৰ এই ঘৰৰ পৰাই আনপিনে ভাঁহি গ'লহেঁতেন।

+++

"আমি জীয়াই থাকো"

কুমাৰ কিশোৰ—

লিখকৰ চমু পৰিচয়—

[কুমাৰ কিশোৰৰ প্ৰকৃত নাম কিশোৰী মোহন শৰ্মা। জন্ম ১৯২৯ চনত নলবাৰীৰ ওচৰৰ ক্ষুদ্ৰ শংকৰা গাওঁ। পিতৃ দেৱদত্ত শৰ্মা আৰু মাতৃ ত্ৰিপুৰা সুন্দৰী দেৱী।

নলবাৰী গৰ্ডন স্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰি কটন কলেজৰ পৰা বি, কম পাছ কৰে আৰু চৰকাৰী চাকৰিত সোমায়। অসম চৰকাৰৰ পঞ্চায়ত বিভাগত তেওঁ অধীক্ষক ৰূপে কাম কৰিছিল আৰু কাম কৰি থকা সময়তে ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

কুমাৰ কিশোৰ মুখ্যত উপন্যাসিক। কবৰ আৰু কংকাল, এমুঠি তৰাৰ জিলিমিলি, হিমানী হিল্লোল, শতাব্দীৰ স্বপ্ন, কপিলী নীৰৱে কান্দে, ৰং আৰু ৰেখা, এৰা সৃতিৰ স্মৃতি, ৰঙা সেন্দুৰ ৰগা ফোঁট, শিলজুৰিৰ সাকোঁ, কিঙ্কিনীৰ কলঙ্ক, ইভ আৰু ইজিপাছ, জুই ধোৱা চাই, শিখাৰ কঁপনি, সোণজুলিৰ হাঁহি, ছায়াপথ, মৌন ক্ৰন্দন আদি বিশেষ উল্লেখযোগ্য উপন্যাস। তেওঁৰ জনপ্ৰিয়তা এই গ্ৰন্থবোৰেই কঢ়িয়াই আনিছিল। সোণজুলিৰ হাঁহি আৰু শিলজুৰিৰ সাকোঁৰ বাবে তেওঁ ভাৰত চৰকাৰৰ পুৰস্কাৰ পায়। মঞ্চকলা তেওঁৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ।

উপন্যাসিক হিচাপে প্ৰতিভা প্ৰদৰ্শন কৰা আৰু অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰা কুমাৰ কিশোৰে জয়ন্তীৰ পাতত চুটি গল্পও লিখিছিল। গল্পবোৰ তেওঁৰ উপন্যাসৰ দৰে কলাত্মক সৌন্দৰ্য্যৰ সমাবেশেৰে উজ্জ্বল হৈ পৰা নাই যদিও তাৰ মাজত তেওঁৰ সংস্কাৰৰ চেতনা সুন্দৰ ভাৱে ফুটি ওলাইছে। প্ৰেমৰ গল্পসমূহতো এনে ভাৱেই ভুমুকি মাৰিছে। গল্প-সাহিত্যত লাগি থকা হলে তেওঁ নিঃসন্দেহে এজন শ্ৰেষ্ঠ গল্পকাৰ ৰূপে প্ৰতিষ্ঠিত হ'লহেঁতেন। 'আমি জীয়াই থাকো' শীৰ্ষক গল্পটোত গল্পকাৰৰ প্ৰতিভাৰ উমান পোৱা যায়—কাহিনী বিন্যাস চৰিত্ৰ নিৰ্মাণ আৰু বাস্তৱ বোধৰ প্ৰকাশত]

বাহিৰত তেতিয়া ভালকৈয়ে এন্ধাৰ হৈছে। জিপজিপিয়া বৰষুণ আৰু সেমেকা বতাহজাক ঠেলি ৰেল ইঞ্জিনটো হঠাতে যেন ভাগৰি পৰে। ইঞ্জিনটোৱে জিৰণি বিচাৰে। গাড়ীখন ৰৈ

যায়। বাহিৰৰ এটা বিশৃঙ্খল কোলাহলত তাৰ তন্দ্ৰা ভাঙি যায়। সি মূৰটো দাঙি খিৰিকিয়েদি চাই পঠিয়ায়। প্লেটফৰ্মৰ ইটাৰ বেৰত লিখি থোৱা ডাঙৰ ডাঙৰ আখৰ কেইটাই মৰিয়নীৰ নামটো তাক সোঁৱৰাই দিয়ে। গাৰ ৰাগখন সি ভালদৰে মেৰাই লৈ খিৰিকীখনৰ সন্মুখত উঠি বহে।

অনুগ্ৰহ কৰি মোৰ বাকচটো আৰু বিচনাখন অলপ চাব দেই—কম বয়সীয়া গাভৰুজনীয়ে মাল কঢ়িওৱা মানুহজনৰ মূৰৰ পৰা বিচনাখনৰ সৈতে বাকচটো নমাই লৈ তাক অনুৰোধ কৰে।

বুইছো, অলপ চাব দেই, বুলি গাভৰুজনীয়ে তাৰ উত্তৰলৈ অপেক্ষা নকৰি বৰ ব্যস্তভাৱে নামি গ'ল।

সি যেন অলপ অস্বস্তিবোধ কৰিলে। অকলশৰীয়া। কোঠা-টোৰ শান্তি ভংগৰ আশঙ্কাত তাৰ মনটো সেঁতা পৰি যায়। আজিকালি ৰেলত অকলশৰীয়াকৈ এটা কোঠা পোৱাটো যেন ভাগ্যৰহে কথা। সি ভাবে ছোৱালীজনীৰ লগতে বা আকৌ কিমানজাক সোমায়হি, সি ইচ্ছা কৰিয়ে যাত্ৰীৰ ভিৰ সাৰিবলৈ দুৱাৰখন বন্ধ কৰি দিয়ে।

তাৰ পিছতো সময়বোৰ বাগৰি গ'ল—এমিনিট দুমিনিটকৈ কেবা মিনিটো। গতিৰ নীলা চাকিটো কঁপি উঠাৰ লগে লগে আঁতৰাই গ'ল। কিন্তু ছোৱালীজনী। কিবা এটা কৌতুহলত সি এনেয়ে বাহিৰলৈ চাই পঠিয়ায়।

দৌৰি দৌৰি যতিয়া ছোৱালীজনী কোঠাটোৰ লোডালত ধৰেহি ইঞ্জিনটো তেতিয়া প্লেটফৰ্মখন প্ৰায় এৰাই আহিছে। সি দুৱাৰখন খুলি দিয়ে। ইমান পলম কৰিলে আপুনি? কওঁ নকওঁকৈ ভাবি থাকোঁতেই তাৰ অজ্ঞাতসাৰে কথাষাৰ ওলাই যায়।

'নকব আৰু, বুকিং অফিচত যিটোহে ভীৰ'। ফোপাই ফোপাই কোনোমতে উত্তৰ দিয়ে তাই। তাৰ পাছত সিহঁতৰ কাৰো মুখত মাত নাই। তাই মাথোন বিচনাখন খুলি তাৰ সন্মুখৰ বিচনাখনতে বহি ললে।

অসাম মেইল তেতিয়া ক্ষিপ্ৰগতিত আগবাঢ়িছে। বাহিৰৰ

কুঁৱলী ভৰা পুহমাহৰ চেঁচা বতাহজাক আহি সিহঁতৰ হাড় পৰ্য্যন্ত কঁপাই দি যায়। সি খিৰিকীৰ দুৱাৰবোৰ তুলি দি আকৌ বহি পৰে। মৌন গাভৰুজনীৰ চকুত তেতিয়া এক উদাস দৃষ্টি।

হঠাতে কিবা এটা মনত পৰি সি সচেতন হৈ উঠে। ছোৱালীজনীলৈ এনেয়ে চাই পঠিয়ায়। ধুনীয়া মৰম লগা স্বাস্থ্যৰ গাভৰু এজনী। চকুত এটা ক্লান্ত অথচ গভীৰ দৃষ্টি।

কিন্তু এই ছোৱালীজনীৰ লগত জানো আৰু কোনো নাই? নিজৰ মনতে প্ৰশ্ন উঠে তাৰ। ইমানটো কোঠাত সি আৰু এজনী অচিনাকি গাভৰু অকলে কিবা এটা অহৈতুকী দুৰ্ব্বলতাত সি নিঃসহায় হৈ পৰে।

"আপুনি মোক অকলে দেখি নিশ্চয় আচৰিত হৈছে নহয়নে? ছোৱালীজনীয়ে তাৰ মনৰ ভাবটো বুজিয়ে যেন নিস্তব্ধতা ভাঙি প্ৰথমে আৰম্ভ কৰে।

'মই ম-ই-ই। অ' আপোনাৰ লগত জানো আৰু কোনো নাই'? অপ্ৰস্তুত ভাবে সি সোধে। আৰু কোনো নাই। ভাগ্য ভাল যে আপোনাক লগ পাইছো। অৱশ্যে অকলে অহা মোৰ অভ্যাস আছে। কলেজত থাকোঁতে মই অকলে কেবাবাৰো অহা যোৱা কৰিছো। তথাপি আজি আপোনাক পাই ভাল লাগিছে। ছোৱালীজনীয়ে এজন চিনাকি মানুহক সহযাত্ৰী হিচাপে পোৱাৰ দৰে কৈ যায়।

'আপুনি মোক চিনি পায়? কিন্তু মইতো আপোনাক চিনি …'?

হয়, চিনি নোপোৱাটোৱে বেছি সম্ভৱ। অৱশ্যে ময়ো আপোনাক তেনেভাৱে চিনি নেপাওঁ। তথাপি আপুনি অসমীয়া মানুহ। মোৰ অসমীয়া মানুহবোৰলৈ ভয় নেলাগে। অসমীয়া মানুহবোৰ বৰ মৰমীয়াল। তাই কয়।

আপুনি কলৈ যাব?

মই?

হয়।

মই সম্প্ৰতি গুৱাহাটীলৈ যাম। অ' আপুনি জানো গুৱাহাটীলৈ নৈযাব? কিবা এটা হেকবাব ভয়ত তাই সেমেকা মাতেৰে সোধে।

হয়, মই সদ্যহতে গুৱাহাটীতে নামিম।

গুৱাহাটীত হবলা আপোনাৰ কোনোবা আছে?

আপোন বুলিবলৈ কোনো নায়েই ধৰক। এজনী দূৰ সম্পৰ্কীয় বাইদেউ আছে। গাৰ কাপোৰ ভালদৰে টানি লৈ তাই কয়। তাৰ পাছত আকৌ নিস্তব্ধ। তাৰ কিন্তু বহুত কথাই তাইক সুধিবৰ মন গৈছিল। কিন্তু ক্ষন্তেকৰ পৰিচিত বুলিয়ে সি মনে মনে থাকিল।

* * * * *

সিদিনা বৃহস্পতিবাৰ। আবেলি তেতিয়া আঢ়ৈটা। বিবেক বৰুৱাই নকৈ সজা ছোৱালী বয়ন শিল্প প্ৰতিষ্ঠানৰ কাৰ্য্যালয়তে বহি কিবা এখন টাইপ কৰি আছিল। নিজম কোঠাটোত সি আৰু টাইপৰ খট্‌খট্‌ শব্দটোৰ বাহিৰে আৰু কোনো নাছিল।

'ককাইদেউ!'

সি মুৰ দাঙি নোচোৱাকৈয়ে বুজি পায় তাৰ ভায়েকৰ মাত।

কি হ'ল বেদ? লিখন যন্ত্ৰটোৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিয়ে সি সোধে।

আপুনিয়ে বিবেক বৰুৱা নেকি? সি কেতিয়াবা ক'ৰবাত শুনা অথচ চিনাকি পাহৰি যোৱা মাত এটাত উচপ্‌ খাই উঠে। সি মুৰ দাঙি চায়।

অ' তু,··· আপুনি? হঠাতে মুৰ দাঙি আগন্তুক এজনী গাভৰু দেখি সি আচৰিত হৈ যায়।

'আপুনিয়ে বিবেক বৰুৱা? নমস্কাৰ।' মিহি হাত দুখনেৰে তাই তাক নমস্কাৰ জনায়। তাৰ পাছত সিহঁতৰ মাজত কিছু সময়ৰ মৌনতা। কিবা ক'ব খুজিও সি ক'ব নোৱাৰিলে।

'বহক' ওচৰত চকী এখন দেখুৱাই সি কয়—মোৰ নামেই গীতা দেৱী।

গীতা দেৱী আপুনি ? প্ৰশ্নটোত তাৰ বিস্ময়ৰ সুৰ ফুটি ওলায়।

'হয়,ময়ে গীতা দেৱী। আপোনাৰ বয়ন বিদ্যালয়ৰ পৰা নিয়োগ পত্ৰ পোৱা ময়ে গীতা।'

'তেন্তে জানো সিদিনা ৰেলত আপোনাক ···· ।'

অৰ্থপূৰ্ণ দৃষ্টিটোৰে চাই চাই সি আধা কোৱাকৈয়ে ৰৈ যায়। মোৰো ঠিক তেনে অনুমানেই হৈছে। মই আপোনাক ক'ৰবাত দেখিছো। ডঃ সিদিনা আপোনাক চিনি পোৱাহেঁতেন মোৰ ইমান কষ্টই নহয়। তাইৰ এটা দীঘল নিশ্বাস বৈ আহে।

ইতিমধ্যে বেদ আঁতৰি গৈছে।

বৰ কষ্ট হ'ল নহয়নে ? সহানুভূতিৰ সুৰত প্ৰশ্ন কৰে সি। কোনোদিনে অহা নাই নহয় ? বহুতো সুধি পকিহে আহিব লগা হ'ল। এই ল'ৰাজনক বাটতে নোপোৱাহেঁতেন। পিছৰ কথাখিনি তাই নিজক কোৱাৰ দৰেই কৈ যায়। আপুনি তেন্তে সিদিনা গুৱাহাটীত ৰ'ল কিয় ?

অচিন বাট পথ। তাতে ছোৱালী মানুহৰ কথা। অচিন ঠাইলৈ যাবলৈ হলে আমাৰ কিমান চিন্তা। কিন্তু সিদিনা আপোনাক চিনি পোৱা হলে মোৰ কোনো অসুবিধাই নহয়। গুৱাহাটীতো ৰবলগীয়া নহয়।

'বাক্, কথা বতৰা পিছতো হব পাৰিব। আগেয়ে আপোনাৰ বিশ্ৰামৰ ব্যৱস্থা।'

নাই নাই। আপুনি ইমান ব্যস্ত হব নেলাগে। কষ্ট কৰা মোৰ অভ্যাস আছে। আপোনাৰ কি টাইপ কৰিব লগীয়া আছিল কৰি লওক।

বিশেষ আৱশ্যকীয় কাম নহয়। আজি নহলেও হব। তাৰ পাছত কোঠাটো বন্ধ কৰি সিহঁত ওলাই যায়।

• • • • •

সিদিনাৰে সন্ধিয়া। প্ৰতিষ্ঠানৰ ঘৰ, শাল আৰু আন আন

লাগতিয়াল বয়ন সঁজুলিবোৰ চাই চিতি আছি সিহঁত বাহিৰৰ কোঠাটোতে বহি পৰে।

বুইছে গীতা দেৱী—আপোনাক দেখি অনুমান হৈছে আপুনি নগৰত থকা ভাল সম্ভ্রান্ত বংশৰ ছোৱালী। বয়সো আপোনাৰ তেনেই কম। ইয়াত গাওঁৰ বোকা পানীৰ মাজত আপোনাৰ স্বাস্থ্য জানো .... ।

তাৰ কাৰণে আপুনি নিচিন্ত থাকক বৰুৱা। অৱশ্যে আপোনাৰ অনুমানটো মিছা নহলেও কষ্ট কৰা মোৰ অভ্যাস আছে। নগৰত থাকি ডাঙৰ হলেও গাওঁতেই মোৰ জন্ম। গাওঁ মই বৰ ভাল পাওঁ। গাওঁৰ মানুহবোৰ জানো আমাৰ ভাই-ভনী নহয়?

'উক্তি বহুতেই দিব পাৰে গীতা দেৱী। কিন্তু বাস্তৱতাৰ নির্মম আঘাতত আমি পিছলৈ উভতি চাবলৈ টান পাওঁ। আদর্শবাদৰ কল্পনা আমাৰ হেৰাই যায়। টকা আৰু নগৰৰ কৃত্রিম সভ্যতাই আমাক .... ।'

আপুনি মোক লাজ দিব বিচাৰিছে কিয় মিঃ বৰুৱা? ধূলিৰ ধৰাত স্বর্গ ৰচাৰ সপোনে আমাক হয়তো নিঃশেষ কৰি পেলাব পাৰে কিন্তু এনে মানুহো আমাৰ মাজত আছে যিয়ে নেকি সেই সপোন বাস্তৱত ৰূপ দিবৰ কাৰণে নিজে মৰিও আনৰ কাৰণে বাট ৰচনা কৰি যায়। আমি হয়তো সফল নহব পাৰো কিন্তু প্রলোভনৰ মাজত নিজকে বুৰাই নিদিবলৈ যত্ন কৰাটো জানো আমাৰ দোষ?'

'আপুনি মোক মুগ্ধ কৰিলে গীতাদেৱী। ময়ো ঠিক ইয়াকেই বিচাৰিছিলো। কলেজত থকাৰ পৰাই মোৰ ইচ্ছা আছিল—এজন খেতিয়ক হৈ দেশৰ মাটিত মুকুতা সিঁচাৰ। ইচ্ছা আছিল বৈজ্ঞানিক প্রণালীৰে পথাৰৰ মাটিত সোণৰ গছ গজাম। সীৱলুৰ সিৰে সিৰে গজাই তুলিম সোণৰ থোক। কিন্তু গাওঁত আহি দেখিলো তাতকৈয়ো বেছি কাম আমাৰ কাৰণে বৈ আছে। অথচ আমি

সেইবোৰ আওঁহেলা কৰি দুভৰিৰে দূৰলৈ ঠেলি দিছো। এই যে গাওঁৰ গৰীব বিধবাবোৰ—উস! বেচেৰীহঁতৰ পানীত হাঁহ নচৰা যি অৱস্থা, দেখিলে আপোনাৰো বেয়া লাগিব। অথচ সিহঁতৰ শৰীৰত শক্তি আছে কাম কৰিবৰ কাৰণে, কামতো যথেষ্ট আগ্ৰহ আছে। কিন্তু নাই কেৱল তাক প্ৰয়োগ কৰাৰ বাট। অভাৱ মাত্ৰ বাট দেখুওতাৰ। যাৰ কাৰণে আজি সিহঁতে আশা কামনাৰ তপত অনুভূতিৰ জীয়া মানুহ হৈয়ো অভাৱ অনাটনৰ মাজত অনুভূতিহীন মৰা মানুহৰ দৰে গেলি পচি নিঃশেষ হব ধৰিছে। সেই কাৰণে প্ৰথমে মই এই কামটোকেই হাতত লৈছো।'

আপোনাৰ উদ্দেশ্য মহৎ নহলেও প্ৰশংসনীয়। মঞো আজি ভাগ্যবান যে আপোনাৰ নিচিনা কৰ্ত্তব্য বুজি পোৱা মানুহ এজন মই লগ পাইছো।

প্ৰশংসাৰ লোভত এই কাম হাতত লোৱা মোৰ উদ্দেশ্য নহয়। গৰীব বিধবাবোৰে যাতে এমুঠি ভাত আৰু এখন কাপোৰ লব পাৰে তাৰে উদ্দেশ্যতে মই এই কাম হাতত লৈছো। বৰ্ত্তমানে যিবোৰ ছাত্ৰী বা তিৰোতাই ইয়াত তাঁত ববহি আমি তেওঁলোকৰ দৰমহা দিয়াৰ ব্যৱস্থা কৰিম আৰু উৎপাদনৰ কাপোৰবোৰ আমাৰ প্ৰতিষ্ঠানৰ নামত থাকিব। তাৰপৰা যি লাভ লোকচান হয় সি আমাৰ নিজা। অৱশ্যে প্ৰথম বছৰত আমাৰ যথেষ্ট লাভ নহলেও পিছলৈ আমাৰ হাতত লাভৰ পধুৰ অংক এটা জমা হোৱাৰ আশা আছে। লাভাংশটোও খৰচ কৰা হব প্ৰতিষ্ঠানৰ পৰিসৰ বৃদ্ধি কৰা আৰু ছাত্ৰীবোৰক বনাচ দিয়া কামত। এটা উশাস টানি সি ৰৈ যায়। এতিয়া ছাত্ৰী আৰু কেইজনীমান হব। এতিয়ালৈ আমি ছাত্ৰী একইশজনী পাইছো। আৰম্ভ কৰি ললে লাহে লাহে হৰপৈ। বৰ্ত্তমানে আমাৰ শাঁলো আছে মাত্ৰ যোলাখন। বুইছে, আপুনি এই প্ৰতিষ্ঠান নিজৰ দৰেই চলাব লাগিব। কাৰণ মোৰ আহৰি প্ৰায় নাই বুলিলেই হয়। মই কিবা কোম্পানী এটাৰ কামত বৰ বেয়াকৈয়ে ব্যস্ত আছো। তদুপৰি পলট্ৰিফাৰ্ম এখনো খোলাৰ

ব্যৱস্থা হাতত লৈছো।

ব্যগ্র কিন্তু ইমানবোৰ টকা!

টকাৰ কাৰণেই কাম পাৰি নেথাকে গীতা দেৱী, মানুহক লাগে বিশ্বাস আৰু কাম কৰাৰ একাগ্ৰতা। আমাৰ মাজত এনে বহুত মানুহ আছে যিয়ে আপোনাক এনেবোৰ কামত মুক্তহস্তে সহায় কৰিবলৈ আগবাঢ়ি আহিব। অসমীয়া জাতি এলেহুৱা আৰু অবিশ্বাসী বুলি মানুহৰ যি ধাৰণা সি সঁচা নহয়। আপোনাৰ অভাৱ তেনেই কম। আমাৰ জীৱন ধাৰণাৰ উপায়ো সহজ হৈ পৰাত মানুহে আমাক এলেহুৱা বুলি ভাবে। কিন্তু আচলতে আমি এলেহুৱা নহয়। আমি কিন্তু নিজকে বিশ্বাস কৰিব নোৱাৰো। আৰু তাকে কৰিব পাৰিলেই আমাৰ উন্নতি অনিবাৰ্য্য। তেন্তে এই প্ৰতিষ্ঠানখনত জানো কাৰোবাৰ অংশ আছে নেকি?

অংশ হিচাপে তেনেকৈ কাৰো নাই। প্ৰতিষ্ঠান হাউলীটোৰ মাটিখিনি মাথোন মৌজাদাৰৰ। তাকো কিনি লোৱাৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে মাটিৰ দাম তেখেতক পিছে পৰে দিলেও হব।

এনেতে বেদ আহি ভিতৰত চাহ দিয়াৰ বাতৰি দি য়ায়।

'গীতা!' অবিশ্বাস আৰু বিস্ময়সনা সুৰত সি মাতে।

সঁচা কথাই দেউ, মই অকলশৰীয়া। আইজনী আছে ইমানেই। জীৱনৰ আৰম্ভণিৰ পৰা সমাজৰ অৱহেলিত জীৱন এটা সাৰটি লৈ অপমান অপযশকে গৌৰব বুলি ভাবি আহিছো। বুইছে, মোৰ দেউতাই সৱৰ্ণ বিবাহ কৰা নাছিল। আই দেউতাৰ দৰে তথাকথিত উচ্চ হিন্দু নাছিল। দোষ মোৰ এইখিনিতেই। মোৰ জন্মটোৱে যেন মোৰ দোষ। আমাৰ সমাজে আমাক সাৱটি নললে। দেউতা নগৰলৈ গুচি আহিল। ময়ো আইৰ মৰমী কোলাত মুখ লুকুৱাই নগৰতে ডাঙৰ হলো। কিন্তু দুখ আমাক তাতো নুগুচিল। হঠাৎ এদিন দেউতা গুচি গ'ল—আমি আকৌ অনাথ হৈ পৰিলো। সৰগৰ বুকুৰ পৰা দেউতাই হয়তো আমাৰ দুৰৱস্থা দেখিলে আমি কান্দিলো। বিহাৰ আগচোৱে তাই চকুদুটা মোহাৰি আকৌ কৈ গ'ল—মই তেতিয়া

দ্বিতীয় বাৰ্ষিকত পঢ়ো। সংসাৰৰ গধুৰ বোজাটোৱে আইৰ স্বাস্থ্য ভাঙি পেলালে। আইলৈ মোৰ বেয়া লাগিল। কলেজ এৰি পেলালো। ইতিমধ্যে মোৰ বিয়াৰ কাৰণে আয়ে যথেষ্ট যত্ন কৰিছিল। বিয়াৰো বন্দোবস্ত হৈছিল। কিন্তু বিয়া মোৰ নহ'ল। তাই প্ৰায় কন্দাৰ দৰে কৈ যায়।

'বিয়া কিয় নহ'ল গীতা ?' কৌতুহলী হৈ সি প্ৰশ্ন কৰে।

'দেউতাৰ মৃত্যুৰ পাছত খৰচৰ নাটনিৰ কাৰণেই আমি নগৰ এৰি গাওঁৰ ঘৰলৈ উভতি আহিলো। ভাঙি চিঙি উৰলি যোৱা ঘৰ। তাতেই সমাজৰ পৰা এঘৰীয়া হৈ অসহায়া মানুহৰ দৰে মুখ গুজি দিন কটাবলৈ ধৰিলো। সমাজে তাকো ভাল নেপালে। মোৰ জীৱনটোৰ ওপৰতে সমাজৰ বিদ্বেষ। মই জীয়াই থকা যেন সিহঁতে বাঞ্ছা নকৰে। মানুহ হিচাপে মই মানুহৰ দাবী হেৰুৱাই জীয়াই থকাটো সিহঁতে নিবিচাৰিলে। মোৰ কাৰণে অহা বহুতবোৰ দৰা-ঘৰীয়া মানুহক সেই কাৰণে মোৰ জন্ম আৰু আই দেউতাৰ নানা কথা জনাই দিলে। সিহঁতৰ মনত আই দেউতাৰ বিয়াখন যেন এটা কলংক। তাৰ পিছত সেইবোৰ কথা জানিও যিবোৰে মোক আপোন কৰি লবৰ বাবে আগবাঢ়ি আহিল তেওঁলোকৰ আগত মোৰ দেউতাৰ নানা প্ৰকাৰৰ কুৎসিৎ বেমাৰ থকা বুলি মিছাকৈয়ে প্ৰচাৰ কৰিলে। বিয়া মোৰ ভাঙি গ'ল। আয়ে কান্দিলে। প্ৰচাৰকসকলে বিশেষকৈ মোৰ খুড়াদেউহঁতে আনন্দ পালে।' .... অলপ সময় ৰৈ সেপ ঢুকি তাই আকৌ কৈ যায়—

'বিয়া হোৱাৰ আশা মই এৰি দিছো। তাৰ বাবে মোৰ দুখ নাই। কিন্তু দুখ লাগে দেউতাৰ কাৰণে। মোৰ কাৰণেই তেখেতে মিছা কুৎসিৎ ৰোগৰ অপবাদ এটা মৃত্যুৰ পাছতো পাব-লগীয়া হ'ল। সেই কাৰণেই সমাজক মোৰ বৰ ভয় লাগে ককাইদেউ!' তাই দীঘল হুমুনিয়াহ এটা কাঢ়ি ৰৈ যায়। বিবেকে একো মাতিব নোৱাৰে। বেজাৰ আৰু ঘৃণাত তাৰ মুখখন শেঁতা পৰি যায়। গীতাৰ প্ৰতি মৰমটো যেন তাৰ প্ৰবল হৈ উঠে। কি ভাবিছে ককাইদেউ ? মৌনতা ভাঙি গীতাই প্ৰশ্ন কৰে।

'মই যদি তোমাক গ্ৰহণ কৰো গীতা।' একো নভবাকৈয়ে হঠাৎ তাৰ মুখৰ পৰা ওলাই পৰে। গীতাই একো মাত্তিব নোৱাৰে। তেতিয়া বাহিৰত এন্ধাৰ নামি আহিছে।

* * * * * *

দিনবোৰ আৰু বাগৰে। দিনৰ পাছত দিন, মাহৰ পাছত মাহ বাগৰি বয়ন শিল্প প্ৰতিষ্ঠানৰ তিনিটা বছৰ পাৰ হৈ যায়। বয়ন প্ৰতিষ্ঠানে এই কম সময়ৰ ভিতৰতে চালুকীয়া অৱস্থাৰ পৰা কৈশোৰত ভৰি দিছে। লাভো হৈছে যথেষ্ট। আৰু ছাত্ৰীৰ সংখ্যাও আগতকৈ বাঢ়িছে বহুত। বিবেক বৰুৱা আৰু গীতা দেৱীৰ প্ৰশংসা সকলোৰে মুখে মুখে। গৰীব বিধবাবোৰে সিহঁতক পূজা কৰিলে দেৱতাৰ দৰে। কিন্তু মৌজাদাৰ। মৌজাদাৰৰ সহ্য নহ'ল। বিবেক আৰু গীতাৰ প্ৰশংসাই ক্ষমতা লোভী মৌজাদাৰক কাঁইটে বিন্ধাৰ দৰে বিন্ধিলে। সিহঁতে মিছা অপবাদ এটাৰ সৃষ্টি কৰি মৌজাদাৰে সিহঁতৰ প্ৰশংসাৰ ওপৰত প্ৰলেপ দিবলৈ বিচাৰিলে। মৌজাদাৰৰ সহায় হ'ল গাওঁবুঢ়া।

দিনবোৰ কালৈকো বৈ নাথাকে। সিহঁতৰো প্ৰশংসামুখৰ দিনবোৰে ৰাপ সলালে। সকলোৰে মুখত সিহঁতৰ বিৰুদ্ধে বু-বু বা-বা। বিবেক তালৈ ভ্ৰূক্ষেপ নকৰিলে।

এদিন গাওঁৰ নাম ঘৰত সমাজ বহিল। সিহঁতে বিবেকৰ অপৰাধ বিচাৰ কৰিব। শিল্প প্ৰতিষ্ঠানৰ বিধবা ছাত্ৰী প্ৰতিমাৰ সি মন চুৰ কৰিছে। তাই অন্তঃসত্বা। বিবেক আচৰিত হ'ল। বিচাৰত সি দোষী সাব্যস্ত হ'ল। মৌজাদাৰে ৰায় দিলে সি দুশ টকা দণ্ড দি ইচ্ছা কৰিলে সমাজত থাকিব পাৰে। কিন্তু প্ৰতিমা হলে এঘৰীয়া হব লাগিব। সমাজৰ ৰায় শুনি তাৰ মনটোৱে বিদ্ৰোহ কৰি উঠিল। সি প্ৰতিবাদ কৰিলে। সমাজক উদ্দেশ্য কৰি সি কৈ গ'ল—সঁচাকৈয়ে যদি মই দোষী হওঁ তেন্তে মই দণ্ড দিবলৈ ৰাজি আছো। আৱশ্যক হলে প্ৰতিমাকো গ্ৰহণ কৰাত মোৰ আপত্তি নাই। কিন্তু প্ৰতিমাই নিজে আহি সমাজত স্বীকাৰ কৰিব লাগিব। কোনে তাইৰ এই সৰ্বনাশ কৰিছে? কিন্তু সমাজে

বিবেকৰ অনুৰোধ, বিবেকৰ কথা অবিশ্বাস কৰি উৰাই দিলে। সমাজৰ কৰ্ণধাৰ পুৰোহিত মৌজাদাৰে বজ্ৰ-গম্ভীৰ মাতেৰে কেৱল উত্তৰ দিলে—সি হব নোৱাৰে। সমাজত বিধবা বিবাহ শাস্ত্ৰ বিৰুদ্ধৰ। আনে যিয়ে নকৰিলেও আমি আমাৰ সমাজত তেনে ব্যাভিচাৰ শিপাবলৈ দিব নোৱাৰো। আৰু প্ৰতিমাক সমাজত থিয় কৰাই দোষীৰ নাম স্বীকাৰ কৰাই তাইৰ নাৰী মৰ্য্যাদা ক্ষুন্ন হবলৈ দিব নোৱাৰো। মৌজাদাৰে বক্তব্য শেষ কৰি ৰাইজৰ সমৰ্থন বিচাৰিলে। সকলোৱে মৌজাদাৰক সমৰ্থন কৰিলে। বিবেক তেতিয়া বিবেক হৈ থকা নাই। সন্মুখৰ পৃথিবীখনে তাৰ লাজ অপমানত কঁপি উঠা যেন লাগিল। সমাজৰ ৰায় সি মানি নললে। সি আঁতৰি আহিল।

পঞ্চায়তৰ শেষত গীতাইয়ো শুনিলে বিবেক দোষী। সি প্ৰতিমাৰ সৰ্বনাশ কৰিছে। কথাষাৰ শুনিয়েই তাইৰ মুখটো আচন্দ্ৰাই কৰি গ'ল। বিবেকৰ প্ৰতি এটা নাৰকীয় ঘৃণাত তাইৰ সৰ্বাঙ্গ জিকাৰ খাই উঠিল। তাই নিজকে বুজাব খুজিও বুজাব নোৱাৰিলে। বিশ্বাস কৰিব নোৱাৰা কলংক এটাৰ কাৰণে যেন তাই আজি বিবেকক বুজি পাইয়ো বুজিব নোৱাৰিলে। লাজ অপমান আৰু কিবা এটা পাই হেৰুৱাৰ আশংকাত তাই চিঞৰি উঠিল—বিবেক! তুমিতো ভাল পোৱা, স্নেহ কৰা, তোমাৰ মৰমৰ মাজত মোক বুৰাই ৰাখিছা। তথাপি তুমিতো কেতিয়াও মোৰ প্ৰতি কোনো দিনে বেয়া ব্যৱহাৰ কৰা নাই।

সিদিনাৰে ৰাতি। তেতিয়া নিশা প্ৰায় দুপৰ। সি প্ৰথম দিনাৰ কাৰণে প্ৰতিমাহঁতৰ ঘৰত উপস্থিত হ'ল।

আপুনি কিয় ভুল কৰিলে? মোক কিয় গ্ৰহণ কৰিম বুলি স্বীকাৰ কৰিলে? আপুনি নিৰ্দ্দোষ নিষ্কলংকিত হৈয়ো মোৰ কলংকৰ বোজাটো কিয় মূৰ পাতি ললে? প্ৰতিমাই বিবেকক দেখিয়েই বলিয়াৰ দৰে চিঞৰি উঠি হুক-হুকাই কান্দি পেলালে। নিমাত বিবেক প্ৰস্তৰ যুগৰ শিলামূৰ্ত্তিৰ দৰে নিস্পলক দৃষ্টিৰে মাথোন চাই ৰ'ল।

মোৰ আজি লাজ নাই, ভয় নাই। মোৰ কাৰণে এজন দেৱতাৰ গাত বোকাৰ চিটিকণি পেলাব নোৱাৰো। আপুনি সমাজ মাতক ককাদেউ। মই স্বীকাৰ কৰিম। প্ৰলোভন মোক নেলাগে মৌজাদাৰৰ ভয় মোৰ নাই। মই সমাজত স্বীকাৰ কৰিম। যিজনে মোৰ সৰ্ব্বনাশ কৰিলে সেই জীৱন দত্তৰ শাস্তি মই বিচাৰো। আই ফেঁকুৰি উঠে।

"জীৱন দত্ত' দোষীৰ নামটো সি পুনৰাবৃত্তি কৰি চিঞৰি উঠে।

কি কলা প্ৰতিমা? জীৱন। মৌজাদাৰৰ পুতেক জীৱন দত্তই তোমাৰ সৰ্ব্বনাশ? বিস্ময়ৰ আতিশয্যাত তাৰ মাতটো বেচিকৈ কঁপে। জীৱন দত্ত .. .... জীৱন দত্তই মোৰ সৰ্ব্বনাশ কৰিছে। ককাইদেউ মোৰ সকলো লুটি নিছে। সি আৰু বৈ থাকিব নোৱাৰিলে। ধুমুহাৰ বেগেৰে সি তাইৰ কাষৰ পৰা ওলাই গ'ল।

পিছদিনা পুৱা সি বিচনাৰ পৰা উঠিয়ে শুনিলে প্ৰতিমাই হেনো আত্মহত্যা কৰিছে। তাৰ কিন্তু বিশ্বাস নহ'ল। সি যেন ভুল শুনিছে। কিন্তু তাৰ সেই অবিশ্বাসৰ দোমোজাত আৰু সৰহ সময় বৈ থাকিবৰ আৱশ্যক নহ'ল। পুলিচ ইন্সপেক্টৰ আৰু কনিষ্টেবল দুজনৰ আদৰাণিয়ে তাৰ সন্দেহৰ ছাঁটো আঁতৰাই দিলে। সি বন্দী হ'ল।

* * * * *

অ' তুমি গীতা? তাৰ খবৰ লবলৈ অহা গীতাক দেখি বন্দী বিবেক আচৰিত হৈ যায়। হয় ককাইদেউ, ময়ে আপোনাৰ গীতা। আপোনাৰ চিঠিখন পাইছিলো। আৰু সেই কাৰণেই আজি মই যাবলৈ আহিছো। সেমেকা মাতৰ কথাষাৰৰ পাছত তাই তলমূৰকৈ ৰয়। ঘৰলৈ আজিয়ে যাবা গীতা?

নহলে আৰু উপায় কি?

এৰা! তুমি যোৱাই ভাল। ইয়াততো থাকি তোমাৰ একো লাভ নাই। যোৱা—

* * * * *

মোৰ কাৰণে দুখ নকৰিবা। এনেকুৱা বহুত ঘটনাই আমাৰ

সমাজত ঘটি থাকে। ই একো নতুন নহয়। প্ৰতিমাৰ দৰে বহুতো নিৰ্দোষীয়ে প্ৰাণ দি দৰিদ্ৰতাৰ প্ৰায়শ্চিত্ত কৰে। কিন্তু সমাজে তাৰ বিচাৰ নকৰে। বৰ আশা কৰিছিলো প্ৰতিষ্ঠানৰ জৰিয়তে দহৰ সেৱা কৰিম। কিন্তু আৰু নহ'ল। অ' গীতা, প্ৰতিষ্ঠানখনৰ ঘৰ-বোৰ হবলা মৌজাদাৰে ভাঙি দিলে নহয়নে? এতিয়াও দিয়া নাই। কিন্তু নটিছ দিছে।

তেনেহলে তুমি এই কেইদিন মই অহাৰ পিছতো স্কুল কৰিয়ে আছিলা নহয়নে?

হয়, কিন্তু ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে কমি আহি শেষলৈ এজনীও নাইকিয়া হ'ল। বৰ দুখৰ সুৰত তাই কয়।

নোহোৱাটোৱে স্বাভাৱিক। তাৰ কাৰণে মৌজাদাৰে যথেষ্ট অপপ্ৰচাৰ কৰিছে মই জানো। কিন্তু তুমি সিহঁতৰ এই কেইদিনে দৰ্মহা আৰু পাবলগীয়া বনাচবোৰ দি আহিছানে?

হয়, আনকি দৰ্মহা লবলৈয়ো কোনো অহা নাছিল। বহুতৰ ঘৰে ঘৰে গৈহে দিবলগা হ'ল।

এৰা! কি কৰিবা। এয়াই আমাৰ সমাজ। এয়ে আমি মানুহ। এনেকুৱেই ক'ত উদ্যম, ক'ত উৎসাহ আমাৰ মৰহি যায়। সমাজে বুজিও নুবুজে, শুনিও নুশুনে। অৱশ্যে সিহঁতৰ দোষ নহয়। সিহঁত দুৰ্বল আৰু সিহঁত দুৰ্বল হোৱাই স্বাভাৱিক। আমি শিক্ষিত হৈ সভ্যতাৰ মুখা পিন্ধি সভ্যতাৰ আঁৰে আঁৰে আমি কৰো অন্যায়। আমি বিচাৰো ক্ষমতা আৰু ক্ষমতাৰ প্ৰতিলোভত ন্যায় অন্যায়ৰ বিচাৰ আমি হেৰুৱাই পেলাওঁ। মৌজাদাৰতো অশিক্ষিত নাছিল, কিন্তু কি কৰিবা। আমাৰ সমাজত হেজাৰ হেজাৰ মৌজাদাৰ আৰু জীৱন দত্ত লুকাই আছে। ধনৰ ওজনেৰে আমি কৰো ক্ষমতাৰ বিচাৰ। সিয়েই হয় সমাজৰ পুৰোহিত। আৰু সেই পুৰোহিতৰ ন্যায় অন্যায়ৰ প্ৰতিবাদ কৰাৰ সাহস সিহঁতৰ নেথাকে। অথচ আমিও সেই সমাজতে থাকো। ঘুণে ধৰা সমাজ ব্যৱস্থা পৰিৱৰ্তন কৰাৰ সাহস আমাৰ নাই। সি আৰু কৈ

গ'লহেঁতেন। কিন্তু চি, আই, ডি, জনে সময় হৈ যোৱা বুলি কোৱাত বৈ যায়।

তেন্তে যাবা গীতা। যদি কেতিয়াবা মুক্তি পাওঁ ....
নহয় নহয় গীতা, তুমি মোক অপেক্ষা ....। সি আৰু কব নোৱাৰিলে। চকুলোৰে তিতি যোৱা গীতাৰ ম্লান মুখৰ শেঁতা চকুৰ চাৱনিটোত সি থমকি ৰয়।

তাৰ পাছত লোৰ দুৱাৰখনে সিহঁতৰ মাজত অনাগত ভবিষ্যতৰ বিশাল ব্যৱধান এটা তৰি দি শব্দ কৰি জাপ খায় যায়।

দিনৰ তেতিয়া দহ বাজি কেবা মিনিটো বাগৰি গৈছে। হঠাতে তাক জেল চুপাৰিণ্টেণ্ডেণ্ট আকৌ মাতি পঠায়।

বুজিছে বৰুৱা, আপুনি নিৰ্দ্দোষ বুলি আমালৈ চাৰ্জশ্বিট আহিছে।

কি কলে—মই নিৰ্দ্দোষ? আপোনাৰ ভুল হোৱা নাইতো? জেল চুপাৰিণ্টেণ্ডেণ্টৰ কথাষাৰ সি বিশ্বাস কৰিব নোৱাৰিয়ে আচৰিত হৈ প্ৰশ্ন কৰে। ভুল মোৰ হোৱা নাই বৰুৱা। এই মাত্ৰ কাগজ আহিছে। আপুনি নিৰ্দ্দোষ। প্ৰতিমাই জীৱনলৈ মৃত্যুৰ কেইঘণ্টামান আগতে লিখা চিঠিখনেই আপোনাক নিৰ্দ্দোষ বুলি প্ৰমাণ কৰিছে।

প্ৰতিমাৰ চিঠি পুলিছে পালে ক'ত—কেতিয়া সিমানতো আমি আৰু নেজানো। চাৰ্জ-শ্বিটত যি লিখিছে তাকেহে জানিম।

তাৰ পাছত লোৰ দুৱাৰখন মেল খোৱাৰ লগে লগেই সি ষ্টেচনলৈ পোনাই খোজ লয়। কিন্তু তাৰ আগতে তাৰ গীতাক লৈ আসাম মেইল গুৱাহাটী এৰি গৈছে। গুদা প্লেটফৰ্মখনত থিয় হৈ সি দূৰলৈ চাই পঠিয়ায়। তাৰ চকুত পৰে সমান্তৰাল হৈ পৰি থকা ৰেল দুদাল যেন কোনোবা এটা দূৰণিৰ মনিব পৰা বিন্দুত মিলি গৈছে।

+++

ৰেইনলেণ্ড

ড° নিৰ্ম্মলপ্ৰভা বৰদলৈ

লিখিকাৰ চমু পৰিচয়—

জন্ম:—১৯৩৩। পিতৃ—ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ। মাতৃ—মুক্তাবালা দেৱী।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে এম, এ পাছ কৰি The Treatment of Nature in Assamese Poetry বিষয়ত ডক্টৰেট উপাধি লাভ কৰে।

সাংবাদিকতাৰে কৰ্ম জীৱন আৰম্ভ কৰি ড° বৰদলৈয়ে আকাশ বাণীৰ অনুষ্ঠান পৰিচালিকা, ৰামধেনু, আৰু নতুন অসমীয়াৰ সহযোগী সম্পাদিকাৰ দায়িত্ব পালন কৰিছিল। ইয়াৰ পাছত তেওঁ শিক্ষকতাৰ জীৱন গ্ৰহণ কৰে। বি, বৰুৱা মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালৰ অধ্যাপিকা হিচাপে নিযুক্তি পায়। সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা।

ড° বৰদলৈ মুখ্যত কবি হিচাপেহে খ্যাতিৰ শীৰ্ষত উপনীত হৈছে। তেওঁৰ কাব্য গ্ৰন্থ 'সুদীৰ্ঘ দিন আৰু ঋতুৰ' বাবে সাহিত্য একাডেমী বঁটা লাভ কৰে। ভাৰতৰ বিভিন্ন প্ৰান্তত কবি সন্মিলনত সভানেত্ৰীত্ব কৰাৰ উপৰিও অসম সাহিত্য সভাৰ কবি সন্মিলনৰ তেওঁ দুবাৰ সভানেত্ৰীৰ পদ অলংকৃত কৰিছিল।

সম্প্ৰতি তত্বমূলক গ্ৰন্থৰেও ড° বৰদলৈয়ে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। বিশেষকৈ ভাৰতীয় সাহিত্য আৰু সংস্কৃতি সম্পৰ্কীয় বিভিন্ন বক্তিতা মালাৰে বিশ্বৰ বিভিন্ন ঠাইত তেওঁৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। কেম্ব্ৰিজ বিশ্ববিদ্যালয়, জাৰ্মানীৰ চাৰু ক্ৰুকেন বিশ্ব-বিদ্যালয়ত ভাৰতীয় সাহিত্য সংস্কৃতি সম্পৰ্কীয় ভাষণ দান কৰাৰ উপৰিও অষ্ট্ৰেলিয়া, কালিফৰ্ণিয়া, আৰ্মষ্টাৰদামত বহা সাহিত্যৰ বিশ্ব সন্মিলনত তেওঁৰ গবেষণা পত্ৰই সন্মানিত স্থান পাইছে।

ড° বৰদলৈৰ কবিত্ব প্ৰতিভাৰ কাষে কাষে বিৰাজ কৰিছে কথা সাহিত্যিকৰ প্ৰতিভা। তেওঁৰ গল্প সমূহ কথা সাহিত্যৰ উৎকৃষ্ট উদাহৰণ স্বৰূপ। তেওঁ কেবাটাও ভাল গল্প লিখাৰ উপৰিও Anthology of Assamese short story শীৰ্ষক উৎকৃষ্ট গল্প সংকলন এখনৰ সম্পাদনা কৰিছে আৰু এই বিষয়ত গবেষকক মাৰ্গ প্ৰদৰ্শনো কৰিছে।

The dead tree gives no shelter. The dead tree gives no shelter. অনবৰত এই কথাখিনিয়েই হাজাৰবাৰ তাইৰ অন্তৰত গুমৰি গুমৰি উচুপি উঠিল। ধাৰাসাৰ চকুলো তাইৰ

চকুৰেদি বাগৰি থাকিল। হাহাঁকাৰ আৰু শূন্যতাৰ অটল গভীৰতাত ক্রমান্বয়ে তাই যেন ঘূৰি ঘূৰি ডুবি যাবলৈ ধৰিলে।

সন্ধিয়াৰ গাঢ় অন্ধকাৰে ৰুমটো একো নেদেখা কৰি পেলালে। বিচনাত ইমান ঘণ্টা জুৰি পৰি থকা তাইৰ নিথৰ চেতনা কাষৰ ঘৰৰ সান্ধ্য আৰতিৰ শঙ্খ আৰু উৰুলীৰ ধ্বনিয়ে যেন অকণ অকণকৈ ঘূৰাই আনিলে। সন্ধ্যা হ'ল। তুলসীগুড়িত চাকি দি গোসাঁই ঘৰত বন্তি জ্বলাই, ধূপ-ধূনা দি কল্যাণ কামনা কৰাৰ প্ৰহৰ এইটো। কল্যাণ কামনা? কাৰ? কাৰেইবা পদ-প্ৰান্তত প্ৰাৰ্থনা কৰিব? সেই নিৰুদ্বেগ, মানুহৰ বুকুৰ ৰক্তেৰে ফাঁকু খেলা ভগবান নামৰ বিশ্বাসটোৰ কাষত? হোঃ! বুকু ছিৰাছিৰ কৰি উঠি অহা আশ্চৰ্য্য এক হাঁহিৰ ৰেখাই তাইৰ মুখখন বিকৃত কৰি পেলালে।

এইবাৰ তাই থিয় হ'ল। যন্ত্ৰৰ দৰে গৈ বিৰাট ড্ৰেছিং আয়নাখনৰ কাষত বৈ চুইচটো তাই অন কৰি দিলে। বিবৰ্ণ, যন্ত্ৰণাকাতৰ এখন মুখ আয়নাত প্ৰতিবিম্বিত হ'ল। চকুৰ দুয়োকাষ কুঞ্চিত, ক্লান্ত হৈ পৰিছে; প্ৰখৰ ৰ'দত দগ্ধ হোৱা ঘাঁহৰ দৰে গাৰ মসৃনতা, কমনীয়তা যেন লুপ্ত হৈ গৈছে; ধুমুহা বিধ্বস্ত এটা অসহায় পখীৰ দৰে কান্ধৰ কমনীয় ৰেখা যেন ভগা দেউকাৰ দৰে ওলমি পৰিছে। দেহৰ স্বাভাৱিক লয়লাসে স্থিৰ, স্থবিৰ হৈ এক মৃত নদীৰ যেন ৰূপ লৈছে। ঠিকেই। এটা নহয়, দুটা নহয়, চাৰিটা যৌৱনপ্ৰাপ্ত সন্তানৰ তাই মাতৃ। মাতৃ! মাতৃ? মাতৃ মানে কি নিজস্ব সত্বাৰ সম্পূৰ্ণ অবলুপ্তি?

'তুমি মাতৃ। তোমাৰ সন্তানৰ মুখলৈ চায়ে তুমি সকলো সহি যাব পাৰিবা।'

থৰথৰকৈ তাই ক্ৰুদ্ধা বাঘিনীৰ দৰে খঙত, অপমানত, লাজত, দুখত কঁপি উঠিল। সকলো সহিব লাগিব? সকলো? সিহঁতৰ মুখলৈ চাই? সিহঁতৰ মুখত কি আছে? অসহায়তা? কিয়— বহুতৰ মাকতো সন্তান জন্ম দিওঁতেই মৰি যায়। দায়িত্ব? কিয় অকলে সেই দায়িত্ব মোৱেইনে? আদৰ্শ? হোঃ, আদৰ্শ নামৰ

এটা ট্ৰেজিডিচনৰ ওচৰত বিৰাট আত্ম প্ৰৱঞ্চনা !! সন্তানৰ মুখ ? সন্তানৰ চকু ? —নহয় নহয়, সেই একেখন মুখেই চাবিখন মুখ হৈ, এযোৰ চকুৰেই চাৰিযোৰ চকু হৈ মোক বেৰি ধৰিছে, হত্যা কৰিবলৈ আহিছে। মোক মুক্তি লাগে, মোক মুক্তি লাগে। বেৰত তাই মূৰ খুন্দিয়াবলৈ ধৰিলে। এই প্ৰতাৰণা, এই লাঞ্ছনাৰ জীৱন শেষ হৈ যাওঁক।

* * * * *

'মই তোমাৰ মুক্তি ৰঞ্জনা! মই তোমাৰ মুক্তি।

হাজার বছর ধরে আমি পথ হাটিতেছি পৃথিবীর পথে

সিংহল সমুদ্র থেকে নিশীথের অন্ধকারে মালয় সাগরে

আমি ক্লান্ত প্রাণ এক, চারিদিকে জীবনের সমুদ্রসফেন'

আমারে দুদণ্ড শান্তি দিয়েছিলো না টোরের বনলতা সেন।

সেই বনলতা সেন তুমিয়েই ৰঞ্জনা। ইমান দিন তুমি ক'ত যে লুকাই আছিলা।

'তুমি মোক কিয় বলিয়া কৰিছা পলাশ? বয়সত তুমি মোতকৈ কিমান সৰু! চাৰিটা সন্তানৰ মাতৃ মই। তোমাৰ স্বপ্নৰ মানুহজনীতো মই নহয়! তুমি আঁতৰি যোৱা পলাশ। মোক আদৰ্শচ্যুত নকৰিবা।'

'আঁতৰি যাম? পলাশ আঁতৰি যাব? সেয়া অসম্ভৱ ৰঞ্জনা। পলাশে জীৱনত পৰাজয় নাজানে। নিঃস্ব হৈ উলটি যাম বুলিতো মই তোমাৰ ওচৰলৈ অহা নাই। আৰু কি কৈছিলা? আদৰ্শ? গুলী মাৰা তোমাৰ কোটিকলীয়া আদৰ্শ। ক'তা! তোমাকতো চাৰিটা সন্তানৰ জননী যেন মোৰ নেলাগে। কিমান দিন, কিমান বাৰ তোমাক একেটা কথাকে বুজাম! আজি এবছৰে তুমি বুজি উঠিব পৰা নাইনে তোমাক মই কেনেকৈ বিচাৰো?'

'মোৰ মাজত কি আছে পলাশ? লহিওৱা বেলিয়েনো উত্তাপ দিব পাৰেনে?'

'তোমাৰ মাজত কি দেখিছো সেয়া মোৰ কথা। তুমি

লা জবাব। তোমাৰ জবাব নাই। তুমি টলমল এক ভৰপূৰ নদী ৰঞ্জনা। মই আঠুকাঢ়ি সেই নদীত মোৰ প্ৰতিবিম্ব চাইছো। প্ৰেমৰ এই অপূৰ্ব্ব উপলব্ধি তুমিয়েই মোৰ জীৱনলৈ আনি দিলা। সেয়া প্ৰেমৰ কথা কলেই সদায় তোমাৰ চকুত চকুলো বিৰিঙি উঠে কিয়? তুমি মোক বিশ্বাস নকৰা?'

'তোমাক মই কেনেকৈ বুজাম পলাশ। 'প্ৰেম' শব্দটোৱে কি আচৰ্য্যভাবে মোক শিহঁৰিত কৰি তোলে, কিয় মই কান্দো, অথচ, অথচ .... ।'

'আঃ! মধুৰ দৰ্শনেৰে জীৱনটো মধুৰ কৰি নুতুলিবাচোন। আহা, আনন্দ কৰা। এক অপূৰ্ব্ব অভিজ্ঞতাত তন্ময় হোৱা। 'Come my dear and fill the cup and in the fire of spring.'

ঘিমানবাৰ তাই এনেদৰে মানসিক সংঘাটত জৰ্জৰিত হৈছে সিমানবাৰ পলাশৰ অপূৰ্ব্ব কথাবোৰে তাইক আলফুলে স্পৰ্শেৰে যেন উৎসাহিত কৰিছে, যুগ বিয়পা ক্লান্তি যেন নিমিষতে মচি দিছেহি। আচৰ্য্য এক নিচাত মাতাল হৈ তাই যেন স্বপ্নৰ পাপৰিৰে ৰচা এক মায়াজৰীৰ মাজেদি খোজ দি গৈছে। ইমানদিনে তাই চিনি নোপোৱা এক অভূতপূৰ্ব্ব অনুভৱত তাই যেন সম্পূৰ্ণ অভিভূত হৈ পৰিছে। এক অপৰূপ মায়াৰে ভৰা নীলিম আকাশে যেন তাইৰ বন্দী আত্মাক মুক্তিৰ স্বপ্নত তন্ময় কৰি ৰাখিছে।

'পলাশ! মোৰ জীৱনলৈ বহুত পলমকৈ অহা ফাগুনৰ ৰং আৰু স্বাদ! কোৱাচোন, আমাৰ এই গতিৰ শেষ ক'ত?'

'তোমাৰ দেহ গঙ্গাত মোৰ প্ৰেম চিৰদিন কাগজৰ নাও হৈ উটি-ভাঁহি ৰব। তোমাৰ ভয় কি?'

'মোৰ আশ্ৰয়! তুমি হেৰাই নোযোৱাটো? মোক প্ৰতিশ্ৰুতি দিয়াচোন।'

'প্ৰতিশ্ৰুতি? হহৱালা। তুমি বৰ আউটদেটেড্ ৰঞ্জনা। ইমান ভয়াতুৰা তুমি! মোৰ দৰে লাইফ-ফৰ্চ তোমাৰ নাই কিয়?

তোমাৰ dead tree য়ে তোমাক নিৰাশ্ৰয় কৰিলে বুলি তোমাৰ পলাশকো তুমি একে dead tree বুলি অৱমাননা কৰিব খোজা কিয় ? নাই, কোনো কথা আৰু নকৰা এয়া মাথো পোৱা আৰু দিয়াৰ সময় ।'

তাই উটি যায় । উটি যায় এক নাম নজনা অপৰূপ নদীৰ সোঁতে সোঁতে । দুটা বছৰৰ প্ৰতিটো মুহূৰ্ত তাইৰ পৰিপূৰ্ণ হয় মিঠা মউৰে । ৰৌদ্ৰ দগ্ধ ভগা দেউকাই যেন পৰম আশ্ৰয় পায় এক মহীৰুহৰ নিশ্চিন্ত নিৰ্ভৰশীল মনোৰম ছায়াত ।

Dead tree ! সঁচাকৈয়ে dead tree নহলে কিয় তাই এই পলাশ নামৰ অন্য বৃক্ষৰ ছাঁ বিচাৰিব লগা হ'ল ? কিয় তাই আজি এই চৰম সিদ্ধান্ত লব লগা হৈছিল ? বিয়াৰ কুৰিটা বছৰে তাই দান কৰা সৰ্ব্বস্বতাৰ বিনিময়ত তাই মাথোন পাই আহিছে এক বৰ্ণনা কৰিব নোৱাৰা নিৰ্য্যাতন । যদি তুমি মোৰ প্ৰতি ইমানেই উদাসীন আছিলা তেনেহলে মোক তোমাৰ ঘৰলৈ বৰণ কৰি আনিছিলা কিয় ? মইতো নিজে অহা নাছিলো । গৃহলক্ষীৰ মৰ্য্যাদা দি যদি বৰণ কৰি আনিলাই, তোমাৰ সন্তানৰ জননী যদি মোকেই কৰিলা, তেনেহলে তোমাৰ স্ত্ৰীৰ প্ৰতি তোমাৰ অকণো দায়িত্ববোধ জানো নাই ? তোমাৰ এধানমান মনোযোগ বিচৰাটো মোৰ অনুচিতনে ? তুমি হেনো ক'ৰবাত আগেয়ে মন দিয়া নিয়া কৰিছিলা, দুৰ্ভাগ্যবশতঃ তোমাৰ মনে বিচৰা সেই প্ৰণয়ীৰ লগত বিয়া নহ'ল । কিন্তু তাৰ বাবে মই মোৰ জীৱনেৰে দাম ভৰিব লাগে কিয় ? তুমিতো বিৰাট পণ্ডিত । তোমাৰ যশস্যাতো হৈ হৈ যোৱা । হাজাৰ জনৰ দেহৰ ব্যাধি তুমি নিৰাময় কৰিব জানা, বিদেশৰ সৰ্ব্বোচ্চ ডিগ্ৰীৰে তুমি সুশোভিত । মোৰ এই অকণমান মনৰ আচোঁৰটো ক্ৰমান্বয়ে কেনেকৈ বহলি, বিয়লি দুৰাৰোগ্য ব্যাধিত পৰিণত হৈছেগৈ তুমি এইখিনিত দেখা পোৱা নাইনে ? দিন নাই, ৰাতি নাই, তুমি চেম্বাৰ, হাস্পিটেল আৰু প্ৰকাণ্ড প্ৰকাণ্ড গ্ৰন্থ লৈ ব্যস্ত থাকা । কোনোবা ৰোগীৰ অকমান

অস্বস্তি শুনিলেও তুমি বিব্রত হৈ নিৰাময়ৰ চিন্তাত অস্থিৰ হোৱা কিন্তু তোমাৰ ঘৰতে এটা নিৰপৰাধী আত্মাই যেনেকৈ তোমাৰ এপলক মিঠা চাৱনিৰ আশাত, এধান মান নিবিড় মমতাৰ মিছা অপেক্ষাত বৈ বৈ ৰাতি দিন নভঙা শিলৰ বেৰত মূৰ খুন্দিয়াই ক্ষয় হৈ গৈছে সেয়া বুজিবলৈ তোমাৰ কোনো ভ্ৰূক্ষেপ নাই। আজি কুৰি বছৰে তোমাৰ সতে সহবাস কৰিছো। কিন্তু এদিনলৈকো ক'ৰবালৈ একেলগে যোৱাৰ কথা আমি কব নোৱাৰো। প্ৰায় প্ৰতি মাহতেই তুমি বিভিন্ন কনফাৰেন্সলৈ যোৱা। কিন্তু কিবা এটা উপহাৰ যি কোনো ঠাইৰ পৰা তুমি মোলৈ আনিছা বুলি মই কব নোৱাৰো। অথচ ক'ত উপহাৰ তুমি তোমাৰ সহকৰ্মী, বান্ধৱী, বন্ধু পত্নী বা বন্ধু কন্যালৈ আনা। কি লজ্জা, আজিলৈকে তুমি কিমান টকা উপাৰ্জন কৰা, কিমান ৰাহি কৰিছা সেই কথাও মই নেজানো। কাৰণ আয়ৰণ চেষ্ণৰ চাবি, সামান্য ঘৰ খৰচৰ টকাও সদায় তুমি নিজৰ লগত ৰাখা। ছিঃ ছিঃ! এজনী সামান্য বান্দীৰ পৰ্য্যায়ত তুমি মোক ৰখা নাইনে? নিজে মই আগবাঢ়ি গলেও সম্পূৰ্ণ নিৰাসক্ত হৈ তুমি মোক সদায় এৰাই যোৱা। মোৰ চকুত পানী দেখিলে খঙত তুমি আশোভনীয় কথাৰে গালি পাৰা— 'তোমাৰ চকুপানী চাবলৈ মোৰ আহৰি নাই। চকুপানী মচি দিব পৰা কোনোবা আছে যদি তাৰ ওচৰলৈ যাব পাৰা। মোৰ কোনো আপত্তি নাই। তোমাৰ নীচতা, নৃশংসতা দেখি যন্ত্ৰণাত মই থকা সৰকা হওঁ। কোনোবাই শুনে বুলি ভয়ত, লাজত মই সঙ্কুচিত হৈ পৰো। তুমিয়েই, তুমিয়েই মোৰ উৰাদিহ হেৰুওৱা অশান্ত মনত এনেকৈ পৰ পুৰুষৰ আশ্ৰয়ৰ কথা অজানিতে অঙ্কুৰিত কৰা নাইনে? ক'তা! মোৰ দেহততো একো খুঁত নাই, মনততো একো পাপ নাছিল। তেনেহলে মোলৈ তোমাৰ ইমান অৱহেলা কিয়? যন্ত্ৰৰ দৰে তোমাৰ এটাৰ পাচত এটা সন্তানৰ মাতৃ হৈছো। অসীম ধৈৰ্য্যেৰে অপেক্ষা কৰিছো, সময়ত তুমি সলনি হবা— তোমাৰ সন্তানৰ মাতৃ বুলি হলেও মোক অকণ উত্তাপ দিবা—

ওহো সময়ে তোমাক সানি নকৰিলে। মোক অত্যাচাৰ কৰি তুমি যেন এক অদ্ভুত আনন্দ পোৱা। মোৰ চকুলো মুকুতা হৈ তোমাৰ জয়ৰ সুউচ্চ মুকুট যেন ৰচনা কৰি আনিলে। মোৰ মাত শুনিলেই তোমাৰ খং উঠে। বেচিভাগ সময় তুমি বাহিৰতে কটোৱা। অসুখ হৈ মই পৰি থাকিলেও তুমি এবাৰলৈ ঘূৰি নোচোৱা। অথচ সেই তুমিয়েই ৰাতি দুপৰত আহি তোমাৰ সম্ভোগৰ বাবে তোমাৰ বিছনালৈ যাবলৈ মোক নিৰ্দ্দেশ দিয়া। বেদনাত ৰুদ্ধ কণ্ঠেৰে নিশ্চল হৈ মই পৰি থকা দেখিলে তুমি টান মাৰি হাতত ধৰি টানি তুলি গতিয়াই দিবলৈও কুণ্ঠাবোধ নকৰা। নীৰৱে জীয়াতু ভুগি, প্ৰাণ টাকি মই মোৰ আদৰ্শৰ কাষত থিয় দি আছিলো। কিন্তু জুই যেন এই ৰ'দৰ তাপত দেই পুৰি আৰু কিমানদিন আৰু কিমানদিন মই যুঁজিম। আন আন দম্পতীবোৰে বাটত যোৰ পাতি ফুৰা দেখিলে, স্ত্ৰীৰ প্ৰতি স্বামীৰ একান্ত আনুগত্য, অনুৰাগ দেখিলে মোৰ বুকু চপৰিয়াই কান্দিবৰ মন যায়—কিহৰ দোষত মোৰ জীৱনৰ এই অপচয় হ'ল, কিহৰ দোষত পাতি লোৱা সংসাৰ জঞ্জাল ৰাতিৰ বিভীষিকা হ'ল? তুমি মৃত নেকি? তোমাৰ মৃত্যু হ'লনেকি সেই পূৰ্ব প্ৰণয়ীৰ লগত বিচ্ছেদৰ মুহূৰ্ত্তে? তেনেহলে তোমাৰ বেদীত মোৰ জীৱনৰ শিখা জ্বলাই থোৱাৰ একো মানে নহয়। পলাশে তেনেহলে ঠিকেই কয়—তুমি dead tree. The dead tree gives no shelter. ছিঃ ছি! মৃত সত্ত্বা এটাই জীৱন্ত সত্ত্বা এটাক এনেকৈ অপমান কৰা কথা অসহ্য! অসহ্য! পলাশে কোৱাৰ দৰে মোৰ জীৱনবো মূল্য আছে। তুমি তাক হত্যা কৰিব নোৱাৰা, নোৱাৰা।

দুটা বছৰৰ প্ৰতি মুহূৰ্ত্তে তাই হাজাৰ হাজাৰ বাৰ এই একে কথাখিনি চিন্তা কৰিছিল, সংঘাতত অশান্ত অস্থিৰ হৈ উঠিছিল আৰু মন্ত্ৰমুগ্ধৰ দৰে কব নোৱাৰাকৈয়ে গৈ গৈ সিদ্ধান্তৰ এক বিশেষ বিন্দুত থিত লৈছিল। স্থিৰভাবে তাইৰ অনুভৱ হৈছিল—'সমাজ সংসার মিছে সব, মিছে এ জীৱনের কলরব, শুধু দুজনে মুখোমুখী, গভীর দুখে দুখী,

জগতে কেহ যেন নাহি আর।' পলাশ নামৰ ফাগুনে ফাগুনৰ সকলো আশীৰ্ব্বাদ তাইৰ জীৱনলৈ নমাই আনিব। তাই যাব, তাই যাব ......।

* * * * *

'পলাশ, মোৰ মুক্তি!

চৰম সিদ্ধান্তলৈ আহিলো। তুমি সদায় কোৱা নহয়, মই সিদ্ধান্ত লব পৰা মানুহেই নহয় বুলি। আজি তোমাৰ সেই ভুল ভাগি যাব বাবে মোৰ যে কি অপূৰ্ব আনন্দ লাগিছে। তুমি কোৱা মৰা গছৰ ছায়াত আৰু মুখ গুজি নাথাকো। ৰঙীন পাপৰিৰে ভৰা এক সুবিশাল গছৰ নিবিড় ছায়াত মূৰ থৈ ৰাতিৰ পাচত ৰাতি উন্মুখ হৈ মই মাথোন উন্মুক্ত জোনাকৰ আস্বাদ লম। তোমাৰ ভাষাতে আমাৰ ডেউকাই সমাজ, সংসাৰ, পৰ্ব্বত পাহাৰ চেৰাই অনন্ত আকাশত অনন্ত কাললৈ উৰিবৰ বাবে মোৰ এই সজাৰ দুৱাৰ এয়া মই আজি খুলি দিলো—

আবেলি তিনি বজাৰ লগে লগেই মই তোমাৰ তালৈ যাম। চাৰিবজা মানত টেক্সি লৈ আজিয়েই গুৱাহাটীলৈ গৈ, কাইলৈ পুৱাৰ ফ্লাইটতে আমি কলিকতালৈ যোৱাৰ বন্দবস্ত কৰিব নোৱাৰিমনে? তোমাৰ লগৰ কোনোবা ইঞ্জিনিয়াৰক ট্ৰাংকল কৰি কৈ দিয়া—এয়াৰ টিকেট দুটা বুক কৰিবলৈ।

কি এক আশ্চৰ্য্য আবেশত মই উথলি উঠিছো। প্ৰেমক মৰ্য্যদা মই দিব জানো পলাশ। সাজু হবলৈ সদায় তুমি মোক কোৱা। আজি মই তোমাক প্ৰথম বাৰৰ কাৰণে কৈছোঁ—সাজু হৈ থাকিবা। তিনি বজাৰ লগে লগে মই গৈছো—

তোমাৰেই—

ৰঞ্জনা—

চিঠিখন পুৱাতেই পঠাই দি ঠিক তিনি বজাতেই তাই গৈছিল। পলাশৰ অকলশৰীয়া ভাড়াঘৰটোলৈ মাত্ৰ এক ফাৰ্লং বাট। কিন্তু পলাশৰ দুৱাৰখন তলা মৰা কিয়? টেক্সিৰ কাৰণে পলাশেনো বাৰু নিজে যাব লাগেনে? পলাশৰ উদগ্ৰীৱতা, আনুগত্য অনুভৱ

কৰি ৰঞ্জনাৰ মুখ লাজত ৰক্তিম হৈ উঠিল। 'তোমাৰ ইমান দিনৰ গুঞ্জন সাৰ্থক হ'ল পলাশ। এয়া মই একেবাৰে আহিছোঁ— তোমাৰ ছাঁয়ালৈকে।'

'মাইজী আপ্ আয়া? চাব্ বহুত জৰুৰী কামমে বাহাৰ চলা গিয়া। এক চিঠি ৰাখকে গিয়া আপকো লিয়ে।'

'চিঠি?' এক মুহূৰ্ত বিমূঢ় যেন লগাৰ পাছত ৰঞ্জনাই ক্ষীপ্ৰহাতেৰে চিঠিখন খুলি পঢ়ি গ'ল—

ৰঞ্জনা,

হঠাতে আৰজেণ্ট ৰায়াৰ পাই মই যাব লগা হ'ল। তোমাক এসপ্তাহে লগ কৰিব পৰাই নাই কৰলৈ। তোমাৰ মোৰ মাজৰ বন্ধুত্বখিনিৰ কথা কোনোবাই অতিৰঞ্জিত কৰি আমাৰ গাঁৱৰ ঘৰত লগালেগৈ কিজানি। মা সম্পূৰ্ণ শয্যাগত আৰু দেউতা অগ্নিশৰ্মা। ফলত হঠাৎ মোৰ বিয়া পাতি পেলাইছে। Try to take everything in a sportsman spirit.

তুমিতো মাতৃ। তোমাৰ সন্তানৰ মুখলৈ চাইয়ে সকলো সহি যাব পাৰিবা। তাৰোপৰি তোমাৰ যি life force দেখিলো, মোৰ অনুপস্থিতিয়ে তোমালৈ একো শূন্যতা নানে। জিৰণি বিচৰা যিকোনো পখীকে তুমি আশ্ৰয় দিব পাৰিবা। Please don't mind. Good bye.

—পলাশ

ইমান ভণ্ড তুমি। ইমান অমানুহ তুমি। ইমান প্ৰতাৰণাও তুমি কৰিব পাৰা। ইমান জঘণ্য ধাৰণাৰে পাচফালৰ পৰা এনেকৈ নীচতাৰ চুৰী বহুৱাব পাৰা। ভেঁইৰ ভৰিৰ তলৰ পৃথিৱীখন যেন হেৰাই গ'ল। তাইৰ চকুৰ আগত যেন এখন বিশাল সাগৰ শুকাই মুহূৰ্ততে উত্তপ্ত মৰুভূমি হৈ গ'ল—য'ত কেনিও এজোপা গছ নাই, মাথোন আছে জ্বলন্ত দগ্ধ আকাশ।

++

উত্তৰণ

—ড° অনিমা দত্ত

লিখকৰ চমু পৰিচয়—

[জন্ম ১৯৩৮ চন। পিতৃ সহজানন্দ ভৰালী আৰু মাতৃ জিউতৰা ভৰালী। ১৯৫৫ চনত প্ৰৱেশিকা পাছ কৰি সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত পঢ়িবলৈ লয়। ইয়াৰ পৰা অসমীয়া অনাৰ্চত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৬১ চনত অসমীয়া বিভাগত এম-এ পাছ কৰে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি। ১৯৮৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে।

তেওঁ ক্ৰমে শিৱসাগৰ মহাবিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ পাছত ১৯৬৬ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগত অধ্যাপনা কৰিবলৈ লয়।

'ৰামধেনু', 'মণিদীপ' আদি আলোচনীৰ পাতত তেওঁ বহুতো জনপ্ৰিয় গল্প লিখে। তেওঁৰ একমাত্ৰ প্ৰকাশিত গল্প সংকলন 'বেলি ফুলৰ সপোন'।

শ্ৰীদত্তই তেওঁৰ গল্পত নাৰী মনৰ বিচিত্ৰ অনুভূতি, দ্বন্দ্ব আদি অতি বাস্তৱ ৰূপত দাঙি ধৰিছে।]

মোৰ নাম লোপামুদ্ৰা। এইটো নামনো মোক মা-দেউতাই কিয় দিবলৈ পালে? পুৰণি কালত লোপামুদ্ৰা নামৰ এক কন্যা আছিল, যাৰ ৰূপে নাৰীৰ ৰূপ অভিমান লোপ কৰিছিল আৰু স্ৰষ্টাৰ সৃষ্টিক মুদ্ৰিত অৰ্থাৎ চিহ্নিত কৰিছিল। সেই কথা মই কিতাপত পঢ়িছো। তেনেকুৱা ৰূপতো মোৰ নাই। তেন্তে কিয় এই নাম? মাক-দেউতাকবোৰে একো নভবাকৈয়ে জধেমধে নামবোৰ দি দিয়ে চাগে। নহলে মাজুবাইদেউৰ নাম গাৰ্গী হ'ল কিয়? বাইদেৱে দেখোন মেট্ৰিকটোকে পাছ কৰিব নোৱাৰিলে। আগতেও হেনো স্কুলত দুবাৰ নে তিনিবাৰ ফেল কৰিছিল। মানুহে কেতিয়াবা মাক সোধে— 'ছোৱালীজনী ইমান সকতে বিয়া দি দিলা কিয়?' মায়ে

আচল কথা নকয় । ভাল ল'বা পালে বাবেহে বিয়া দি দিলে বুলি কয় । পঢ়া-শুনাত বেয়া আছিল কাৰণেহে আচলতে বিয়া দিলে । মই নজনা নহয় । মই পিছে পঢ়া-শুনাত বেয়া নহওঁ । অৱশ্যে অনীতাহঁতৰ দৰে ক্লাছত সদায়ে প্ৰথম হৈ নাথাকো । এতিয়াও সময় আছে । এইবাৰ নবম মানলৈ উঠিছোহে । ফাইনেলত ভাল ৰিজাল্ট কৰিবলৈ এতিয়াৰ পৰাই যত্ন কৰিব লাগিব । পিছে মোৰ দেখোন পঢ়াত মনেই নবহে । কবিতা লেখিহে ভাল লাগে । মই বাৰু ডাঙৰ হলে নামজ্বলা মহিলা কবি হমগৈ নেকি ? আৰু এটা কথাইও যে মোক পাগল কৰিলে । কি কম বাৰু ? কিন্তু মই যে তেনেই সৰু ছোৱালী । মা-দেউতাই জানিলে খাব ।

লোপামুদ্ৰাই আচ্চীত নিজৰ মুখখন চালে । নিজকে তাইৰ ভাল লাগিল । দেখিবলৈ তাই নিশ্চয় অতিপাত ধুনীয়া নহয় । কিন্তু সকলোৱে তাইক মৰম লগা বুলিয়েই কয় । ক্লাছত লতিকা, অজন্তা-হঁতে কয়—তাইৰ চকু দুটা হেনো বৰ করুণ । নিজৰ চকু দুটাৰ ওপৰেদি লোপাই আলফুলকৈ হাতখন বুলাই দিলে । তাৰ পিছত তাই আকৌ একেথৰে আচ্চীৰ ছোৱালীজনীলৈ চাই ৰ'ল আৰু মনৰ ভিতৰত আওৰালে,— মোৰ নাম লোপামুদ্ৰা ফুকন । নবম মানত পঢ়ো । সকলোৱে মোক সৰু ছোৱালী বুলি কয় । মই পিছে জানো, মই ডাঙৰ হৈছো । মই মনে মনে, লাহে লাহে ডাঙৰ হৈ আহিছো । মোৰ মাজত এজনী শিল্পী লুকাই আছে । তাই নাচিব নাজানে, গান গাব নাজানে কিন্তু কবিতা ৰচিব জানে । তাই সুন্দৰকৈ ইংৰাজী কবিতা অসমীয়ালৈ অনুবাদ কৰি ৰহীত লেখি থব জানে । আৰু সেই সৰু সৰু কবিতাবোৰে তাইৰ মন মতলীয়া কৰি ৰাখে । যেনেকৈ মৰিম মই, মোৰ বাবে তুমি, নাগাবা শোকৰ গীতি প্ৰাণবন্ধু মোৰ ; নুৰুবা গোলাপ লতা মুৰ-শিতানত, নতুবা বকুলবৃক্ষ দিবলৈ ছাঁৰ । ইংৰাজীত থকা 'চেদি চাইপ্ৰেছ ট্ৰি'ৰ ঠাইত তাই 'বকুল বৃক্ষ' শব্দটো ভৰাই দিয়ে । 'হোৱেন আই এম ডেড মাই ডিয়েৰেষ্ট, চিং ন' চেদ চং ফৰ মি ; প্লেণ্ট দাও ন' ৰ'জেছ এট মাই হেড, নৰ চেদি চাইপ্ৰেছ ট্ৰি ।'

ইংৰাজীত বোধকৰো তেনেধৰণে আছিল। কাৰ কবিতা তাই নাজানে। মাথো ভাল লাগে। বুজাব নোৱাৰাকৈ ভাল লাগে। তাই আৰু লেখে— মোৰ গাৰ ওপৰত সেউজীয়া ঘাঁহবোৰ নিয়ৰে ধুৱাই থোৱা গজিবলৈ দিবা ; যদি তুমি ইচ্ছা কৰা সুঁৱৰিবা মোক, যদি ইচ্ছা নাই তেন্তে পাহৰি পেলাবা। ইংৰাজীত আছিল, 'বি দা গ্ৰীন গ্ৰাছ এবাভ মি, উইথ শ্বাৱাৰছ এণ্ড ডিউ ড্ৰপছ ৱে'ট ; এণ্ড ইফ দাও উইল্ট ৰিমেমবাৰ এণ্ড ইফ দাও উইল্ট ফৰগেট।'— মোক কোনে মনত ৰাখিব বাৰু ? লোপা আচ্ছীখনৰ কাষৰ পৰা আঁতৰি আহিল। এতিয়া আবেলি। লতিকাই তাইক সিহঁতৰ ঘৰত বেডমিণ্টন খেলিবলৈ মাতিছিল। তাই নাযায়। তাইৰ মনলৈ এতিয়া আৰু কিছুমান সৰু সৰু কবিতাৰ ঢৌ আহিছে। সেইবোৰ তাই লেখি পেলাবই লাগিব। নহলে পিছত ঢৌ মাৰ গ'লে মনৰ পাৰত শুকান বালি সোপাহে পৰি থাকিব।

বাহিৰত কোনোবাই তাইৰ কথা পতা শুনি লোপাই কাণ থিয় কৰিলে। হয় তাইৰে কথা। মাকে দেউতাকক কৈছে, 'জানো তাই কোঠাত সোমাই কি কৰি আছে। আবেলি পৰত অলপ ওলাই মেলি যাব লাগে।' দেউতাকে উত্তৰত একো নক'লে। পিন্ধি থকা বগা কপাহী ফ্ৰকটোৰ ওপৰত নীলা চুৰেটাৰটো পিন্ধি লোপা সন্তৰ্পনে ওলাই আহিল। মাকৰ কোলাত লোপাৰ এবছৰীয়া ভতিজাক ৰাজু। নবৌয়েক ৰজনাই বাৰাণ্ডাৰ মূঢ়া এটাতে বহি উল গুঠি আছিল। দেউতাকে ফুলৰ টাবত পানী দিবলৈ লগোৱা বনকৰা ল'ৰাটোৰ কাম তদাৰক কৰি আছিল। মাকে লোপাৰ ভৰিৰ পৰা মূৰলৈকে চালে। 'গধূলি পৰত কিনো কৰি আছ ভিতৰত ? লতিকাহঁতৰ লগত ফুৰিবলৈকে যাব পাৰিলিহেঁতেন।' যাবতো পাৰিলেইহেঁতেন। কিন্তু লতিকাহঁতৰ ঘৰলৈ পাৰিলে নোযোৱাকৈ থাকিবলৈহে তাই ঠিক কৰিছে। তাইৰ মনত এতিয়া কিহৰ ৰাগী, মাকে কি বুজিব, নবৌয়েকহঁতেই বুজি নাপায়। সকলোৰে মাথো একে কথা, 'লোপা তেনেই সৰু ছোৱালী।'

'মোৰ আজি বহুত পঢ়িবলৈ আছে। ফুৰিবলৈ গ'লে মনটো 'ডাইভাৰটেদ' হৈ যায় বাবে নগ'লো।' তাইৰ মুখত 'ডাইভাৰটেদ' শব্দটো শুনি ৰঞ্জনাই মিচিকিকৈ হাঁহিলে।

'ৰাজুক মোক দিয়া মা। মই তাক লৈ অলপ পদুলিমুখলৈ যাওঁ।' মাকে ৰাজুক কোলাৰ পৰা নমাই দিলে। তাৰ হাতত ধৰি এখোজ দুখোজকৈ লোপা বাহিৰলৈ ওলাই গ'ল। গধূলিৰ চেঁচা বতাহজাকে লোপাৰ চুলিবোৰ চুই গ'ল। পদুলিমুখৰ আমলখিজোপাৰ তলতে থিয় হৈ তাই দূৰলৈ চাই পঠিয়ালে। আলিবাটেদি ব্যস্ততাৰে অহা যোৱা কৰা মানুহবোৰলৈ চাই চাই লোপা এনেয়ে ৰৈ থাকিল। তাৰ পিছত এটা মুহূৰ্তত আলিবাটেদি পাৰ হৈ যোৱা অনেক মানুহৰ মুখৰ মাজত এখন মুখ দেখি লোপাৰ গাত বিদ্যুতৰ শিহঁৰণ লাগিল। লোপাৰ অনুভৱ হ'ল সেই মুহূৰ্তত যেন পৃথিৱীত তাইৰ কোনো অস্তিত্বই নাই। তাই হেৰাই গৈছে। তাই শেষ হৈ গৈছে। আজিৰ পৰা এসপ্তাহৰ আগতে স্থানীয় কলেজখনৰ আলোচনা চক্ৰ এটাত সাহিত্যৰ আলোচনা শুনিবলৈ লতিকাৰ পেহীয়েকৰ জীয়েক মীৰা-বাইদেউৰ লগত যোৱা দিনৰে পৰা মনৰ মাজত কাৰোবাৰ ছবি আঁকি লৈ লোপামুদ্ৰা নামৰ ছোৱালীজনী বিয়াকুল হৈ মৰি গৈছে। লোপা থুপি আছিল। কোনেও তাইক মাতিবলৈ নৌ পাওঁতেই লোপা পদুলি মুখৰ পৰা ঘৰলৈ উভতি আহিল। সন্ধিয়াৰ পাতল আন্ধাৰ নামিল। বাৰীৰ চাপৰ চজিনাজোপাৰ পৰা সৰু সৰু এজোপাহ ফুল বতাহত সৰি তলৰ বননিত পৰিল। জীবনানন্দৰ কবিতাত থকা 'নীলাভ আকাশজোৰা চজিনাফুলৰ শুকুলা ছবিখন লোপাৰ মনলৈ উৰি আহিল। সৰুৰে পৰা চিনাকি চজিনাজোপা সেইবাবেই আজি কালি তাইৰ ভাল লাগে। কালি তাই স্কুলৰ লাইব্ৰেৰীৰ পৰা জীবনানন্দৰ কবিতাৰ কিতাপখন আনিছে। দেউতাকে তাইৰ পঢ়ামেজৰ ওপৰত কিতাপখন দেখি কলে—'তই জীবানানন্দৰ কবিতাও পঢ়িব পৰা হ'লি নেকি লোপা?' তাই দেউতাকলৈ চাই হাঁহিলে। দেউতাৰো যে কথা। তাই দেখোন দুবছৰমান আগৰে পৰাই 'পথেৰ পাচালী',

'ত্রিযামা' আদি কিতাপ পঢ়ি আছে। আনকি 'গীতাঞ্জলি'ও।

'মই কবিতা লিখিবলৈ চেষ্টা কৰি আছো দেউতা। পাৰিমনে কিজানি।'

'কোনবোৰ কবিতা? সেই ছন্দ ফন্দ নোহোৱাবোৰ নেকিঅ'? নালাগে নালাগে আই। সেইসোপা লেখি ফালিব নালাগে। লেখ যদি আমাৰ আগৰ ছন্দ মিলোৱাবোৰকে লেখিবি।'

লোপা নিৰুৎসাহ হ'ল। অকণমান পৰ মনে মনে থাকি তাই আকৌ কলে—'সেইবোৰতো মই বহুত লেখিছো দেউতা। এতিয়া এই নতুন ধৰণবোৰ পাৰি নেকি চাম।'

'বহুত লেখিছ?' দেউতাক আচৰিত হ'ল।

'ও দেউতা। মই ইংৰাজী কবিতা এটাও লেখিছো জানা। নাম দিছো 'দি লাভ্লি মনচুন,'— মনচুন ইজ এ লাভ্লি চিজন্, হুইছ ব্ৰিংছ ডভাইন মাৰ্থ; উইথ ক্লাৱাৰছ এণ্ড বাৰ্ডছ, টু দি বিউটিফুল আৰ্থ। —কবিতাতো আমাৰ স্কুলৰ বছৰেকীয়া সাহিত্য প্ৰতিযোগিতাত দিছো।'

'অ' মাই লিট্ল সৰোজিনী নাইডু।' দেউতাকে উল্লাসেৰে চিঞৰ মাৰি দিলে। মাক কাষৰ কোঠাটোৰ পৰা লৰি আহিল।

'কি হ'ল, চিঞৰিছে কেলেই?'

'তোমাৰ জীয়েৰ কবি হ'ল। সেইবাবে অভিনন্দন জনাইছো।' দেউতাকৰ ধেমেলিয়া কথা শুনি মাকে হাঁহিলে।

'ভাওৰ ল'ৰা-ছোৱালী পাঁচোটা হ'ল শুকান। এই দেখোন কাব্য ৰসেৰে জীপ্জীপিয়া।' দেউতাকে আকৌ কলে। লোপাৰ ক'বৰ মন গৈছিল—এয়া কি, মই ইংৰাজী কবিতা অসমীয়ালৈ অনুবাদো কৰিছো। ধুনীয়া ভাষাৰে। এবাৰ যদি গাই দিওঁ—যেতিয়া মৰিম মই, মোৰ বাবে তুমি—। নাই নাই, এইবোৰ মৰাজীয়াৰ কথা দেউতাই ভাল নাপাব। মাৰতো খঙেই উঠিব। থাকক বহীৰ পাততে। মোৰ সেইবেৰ সপোন! মোৰ সোণালী সপোন। লোপা নিমাত হৈ ৰ'ল।

চক্তিনাগহৰ ফুলবোৰৰ বগা বং লাহে লাহে আন্ধাৰে সাম্বি ললে। বাজুৰ হাতত ধৰি লোপা আহিল। নবৌয়েকৰ হাতত তাক গটাই দি তাই হাত-ভৰি ধুলে। গোঁসাইঘৰত চাকি লগালে। ঘৰৰ লাইটবোৰ জ্বলাই দি ধুনা দিলে। তাৰ পিছত বান্ধনীঘৰলৈ গৈ গাখীৰ তপতাই একাপ গাখীৰ দেউতাকক দিলে আৰু একাপ নিজে খালে। গধূলি এই কামখিনি কৰা আৰু গাখীৰ একাপ খোৱাটো তাইৰ ধৰাবন্ধা নিয়ম। ইয়াৰ পিছত তাইক বান্ধনীঘৰলৈ আহিব নালাগে। একেবাৰে ভাত খাবৰ পৰলৈকে তাই মুকলি। বন্ধ ঘৰৰ ভিতৰত থাকিলেও তাইৰ অন্তৰাত্মা মুকলি। এইখিনি সময় তাইৰ অতি আপোন। স্কুলৰ পঢ়াখিনি পঢ়ি লৈ তাই নিজৰ কোঠাত বাকীখিনি সময় কেনেকৈ কটায়, তাকে চাবলৈ কোনো নাহে। নবৌয়েকতো এতিয়া অতিপাত ব্যস্ত। দাদা আহিব। তেওঁক চাহ-জলপান দিয়া, বাজুৰ বাতিৰ খোৱা ঠিক কৰা, শাহুৰেকক পাচলি কাটি-কুটি দিয়া এইবোৰ কামৰ পৰা তেওঁৰ আহৰি নাই। দেউতাক এতিয়া লতিকাৰ দেউতাকৰ লগত নৈৰ পাৰৰ ফালে নাইবা নামঘৰৰ ফালে ওলাই যাব। মাক বন্ধা-বঢ়াত ব্যস্ত। মাজেজিতে ওলাই যোৱা মাজু দাদা আৰু সৰু দাদাতো ন বজাৰ আগতে কোনো দিনে ঘৰলৈ নাহেই। লোপাই কিবা এটা সুৰ গুণগুণাই নিজৰ কোঠালৈ গ'ল। সৰস্বতীৰ ছবিখনৰ আগত এডাল ধূপ জ্বলাই দিলে। আৰু প্ৰতিদিনৰ দৰে আজিও মুখৰ ভিতৰতে ভোৰভোৰাই কলে— 'লোকে বোলে সৰস্বতী আমি বোলো আই, যিখিনি পাহৰো দিবা সোঁৱৰাই।' সৰস্বতী আয়ে অনিতা আৰু অজন্তাকহে ভাল পায় নেকি! সিহঁত দুজনীহে সদায় পৰীক্ষাত প্ৰথম, দ্বিতীয় হৈ থাকে। সইতো কোনো-বাৰেই নহলো। নহলো, কোনো কথা নাই। কবিতা লেখিব পাৰিছোতো। চোকা ছোৱালীতো বহুতেই থাকে। কবিতা লেখিব কেইজনীয়ে পাৰে। চোকা ছোৱালীকো মানুহে চিনি নাপাব পাৰে। ভাল কবিতা লেখাজনক কিন্তু সকলোৱে পায়। ভাল কবিতা লেখি আলোচনা চক্ৰত পঢ়া বিজাকক? সকলোৱেই চিনি পায়। সকলো

মুগ্ধ হয়। মই ? মই কিমান মুগ্ধ ? লোপাৰ দুচকু তিৰবিৰাই উঠিল। পঢ়া মেজৰ খাপটো খুলি লোপাই এখন বহী উলিয়াই আনিলে। 'কবিতাৰ বহী' বুলি ওপৰত ফুল কাটি লেখি থোৱা বহীখন তাই লুটিয়ালে এনেয়ে। আৰু এখিলা পাত উলিয়াই বহুতপৰ থৰ হৈ শূন্য পাতখনলৈ চাই ৰ'ল। তাৰ পিছত লেখিলে—

আমাৰ পৃথিবী, সি এখন কামনাৰ সৰগ, নাই তাত বাস্তৱৰ কঠোৰ পৰশ। এলবাৰ্জ পাহাৰত আমাৰ সপোন নাচে, ডালহ্ৰদৰ বুকুত আমাৰ কল্পনাই হাঁহে, সিহঁত আমাৰ আপোন। আমি ভাল পাওঁ সৰসীৰ নীলা ঢৌ, এপাহ বনৰীয়া ডেফ'দিল আৰু হাচ্‌নাহানাৰ এটি মৃদু সুবাস, য'ত আমি প্ৰাণ বিচাৰি পাওঁ। এলবাৰ্জ পাহাৰ বা ক'ত ?* নামটো হঠাতে মনলৈ আহিল লেখি পেলালো। চুইজাৰ-লেণ্ডত নেকি ? দেউতাৰ আলমাৰীত থকা ভূচিত্ৰাৱলীখন চাব লাগিব। ডেফ'দিলবোৰতো বিলাতৰ ফুল, হাচ্‌নাহানাৰ লগত মিলটো ভাল নহ'ল নেকি ? হাচ্‌নাহানা নামটো ৰাখিবই লাগিব। লতিকা-হঁতৰ পদুলিমুৰতে আছে সেই সুন্দৰ গোন্ধটো মই বৰ ভাল পাওঁ। আৰু কোনোবায়ো ভাল পায় নিশ্চয়। বৰ সুন্দৰ হাচ্‌নাহানাৰ গোন্ধ। লোপাই কলমটো বন্ধ কৰি থলে। লেখিবলৈ আজি মুঠেই মন যোৱা নাই। বাৰে বাৰে তাইৰ কেৱল গাবলৈ মন গৈছে,— যদি তুমি ইচ্ছা কৰা সুঁৱৰিবা মোক, যদি ইচ্ছা নাই তেন্তে পাহৰি পেলাবা। কোনে তাইক সুঁৱৰিব ? অভিমান কৰি কাক তাই কব— পাহৰি পেলাবলৈ। কোনেওতো তাইক নুবুজিলে। তায়ে বা আগবাঢ়ি বুজায় কেনেকৈ ? তাই যে তেনেই সৰু ছোৱালী। মাত্ৰ নৱমমানত পঢ়ে। তেনেই সৰু। লোপাৰ চকুত পানীৰ বিন্দু এটা জলমলাই উঠিল। ভাগৰুৱাৰ দৰে কিতাপতে মূৰটো থৈ তাই শুই থাকিল।

পিছদিনা স্কুলত লতিকাই তাইক সিহঁতৰ ঘৰলৈ মাতিলে। লতিকাৰ জন্মদিন। গোটেইকেইজনী বান্ধৱী চাহ একাপ খাবলৈ যাব। লোপাই হাঁহি সন্মতি দিলে। আজি তাইৰ মনটো বৰ ভাল

লাগি আছে। প্ৰথম কাৰণ হ'ল আজি পুৱা সিহঁতৰ ঘৰলৈ ডিগবৈৰ পৰা ৰঞ্জনাৰ ককায়েক আহিছে। তেওঁৰ হাতত ৰঞ্জনাৰ মাকে লোপালৈ বুলি এযোৰ ফুলাম মুগাৰ মেখেলা-চাদৰ পঠাই দিছে আৰু ডিগবৈতে থকা ভাওৰ বায়েকে তাইলৈ প্ৰথম ধুনীয়া 'ডায়েৰী' পঠাই দিছে। জীৱনৰ মনোৰম দিনবোৰৰ কথা বাছি বাছি তাই তাত লেখি থ'ব, পিছত ভাওৰ হলে পঢ়ি চাবলৈ খড়িয়া হব। ভাওৰ হলে? তাই তেনে এতিয়াও সকলোৰে হৈ আছে? মনলৈ আজি কালি তেনেহলে অবুজ ভাৱ একোটাহঁত আহিবলৈ লৈছে কিয়? মনটো আজি কালি ফাগুনৰ ৰতৰৰ দৰে উকণ্ডা লাগে কিয়? লতিকা, অনিতাহঁতৰ মনত তেনে ভাৱৰ দোলনি লাগে জানো? সুধিবতো নোৱাৰি।

আবেলি লোপাই খুব ফুৰ্ত্তিয়াই আছিল। তাইৰ কোঠাৰ দুৱাৰমুখতে বহি মাকে কিবা এখন পুৰণি কিতাপ পঢ়ি আছিল। ঢকোৱা চুলিৰ মুঠাটোত অলপ দূৰে দূৰে গোলকৈ কটা মিহি ৰবৰ একোপাল ভৰাই গাঁঠি গাঁঠি লোপাই চুলিখিনি সজাই ললে। মুখত অকণমান পাওদাৰ সানি মাকৰ ওচৰত খিন্ন হ'লহি।

'লতিকাহঁতৰ তালৈ যাবি নহয়? যা, ওলাই লগে নবৌয়েৰে নতুনকৈ চিলোৱা কাৰ্টটোকে পিন্ধ।' মাকে কলে।
'মাহীদেউৰে পঠোৱা মেখেলা-চাদৰ যোৰকে পিন্ধোনে মা?'
'পিন্ধিবৰ মন গৈছে যদি পিন্ধ।' তাৰ পিছত তেওঁ নিজকে ঢকোৱাৰ দৰে কলে—'মেখেলা-চাদৰেৰে তোক বৰ এজনী দেখিব। বয়স চাই খিমানহে বাঢ়িছ।' মাকে পঢ়ি থকা কিতাপখনৰ পাত মুচিয়ালে।

'তুমি কি পঢ়িছা মা?'

'উপনিষদৰ গল্প।'

'এটা কোৱানা।' লোপাৰ মাকৰ কাষতে আঁঠু কাঢ়ি বহি প'লে।

'মই মৈত্ৰেয়ীৰ কাহিনীটো পঢ়িছিলো।'

'মৈত্ৰেয়ী কোন মা ?'

'এগৰাকী জ্ঞানৱতী আৰ্য্য নাৰী।'

'মোক তেওঁৰ কথা কোৱা মা।' লোপাই হেপাহেৰে কলে।

'মৈত্ৰেয়ী যাজ্ঞবল্ক্য ঋষিৰ পত্নী আছিল। ঋষিয়ে বানপ্ৰস্থৰ সময়ত সকলো সা-সম্পত্তি তেওঁৰ পত্নী মৈত্ৰেয়ী আৰু কাত্যায়নীক দি যাব খোজাত কাত্যায়নীয়ে ৰং পালে। মৈত্ৰেয়ী কিন্তু সুখী নহ'ল। তেওঁ বাৰে বাৰে ঋষিক সুধিলে, যিবোৰ বস্তুৰ পৰা তেওঁৰ অমৃত লাভ নহয়, সেইবোৰেৰে তেওঁ কি কৰিব ? তেওঁক অমৃতহে লাগে। অমৃত অৰ্থৰে তেওঁ জীৱনৰ পৰম তত্ত্বক বুজাইছিল। অৱশেষত তেওঁৰ কাতৰ অনুৰোধ এৰাব নোৱাৰি ঋষিয়ে তেওঁক আধ্যাত্মিক পৰম তত্ত্বৰ জ্ঞান দিলে। তেতিয়াহে মৈত্ৰেয়ী সুখী হ'ল। এই বিদুষী, ব্ৰহ্মবাদিনী নাৰীয়ে উপনিষদ, পুৰাণৰ পাত নিজৰ নামেৰে উজলাই থৈছে।' মাকৰ কথাবোৰ লোপাই স্তব্ধ হৈ শুনিলে আৰু তাৰ পিছত কলে—'জগতৰ বস্তুবিলাকে মানুহক আচল সুখ দিব নোৱাৰে নেকি মা ?'

'নোৱাৰে আই, সেইবিলাক সদায় নাথাকে।'

লোপাৰ মুখত যেন কোনোবাই এখন গাম্ভীৰ্য্যৰ ক'লা আৱৰণ টানি দিলে। লোপা অন্যমনস্কা হ'ল।

'ঠিকেই। সেইবিলাক সদায় নাথাকে।' লোপাই সৰু মাতেৰে কৈ উঠি গুছি গ'ল। সোনকালে কাপোৰ পিন্ধি ওলাবলৈ মাকে তাইক চিঞৰি সকিয়াই দিলে আৰু সোনকালে লতিকাহঁতৰ ঘৰৰ পৰা উভতি আহিবলৈ কলে।

ফুলাম মেখেলা-চাদৰেৰে ৰূপহীজনী হৈ লোপা লতিকাহঁতৰ ঘৰ পালেগৈ। অনিতা, অজন্তা আটাইবোৰ তাতে আছে। নীৰা বাইদেউও। নীৰা বাইদেউ যে কি ধুনীয়া, যেন এটা তৰাহে! নীলা শাৰীখনেৰে সৈতে জিলিকি থকা নীৰাক দেখি লোপাৰ মনলৈ তৰাৰ উপমাটোহে আহিল। গোটেইবোৰে লগলাগি চাহ-জলপান খালে, কথা পাতিলে। লোপাৰ ধুনীয়া সাজটোলৈ আটায়ে আলোচনা

স্বৰিলে। নীৰাই ধেমালিৰ সুৰত কলে— 'অকণমানি ছোৱালীজনীয়ে আজিচোন জীয়ৰী সাজি আহিছা।' কথাষাৰ লোপাৰ মুঠেই ভাল নালাগিল। তাই যেন সদায় সৰুৱেই। ডাঙৰৰ লেখত কোনোদিন নপৰিবই। কলেজ পাবলৈ দুবছৰহে বাকী তেওঁ। তথাপিও কিবা এটা অজান আশাত, অজান পুলকত লোপাৰ মনটো বৈ বৈ কঁপি উঠিল। তাইৰ এই পুলকিত মনটোৰ খবৰ মনে খিচৰা-জনে আজি লবনে? অকণমান সঁহাৰি দিবনে? তাই যে আজি বৰ আশা কৰি আহিছে। ইয়াৰ পিছত তাই লতিকাহঁতৰ ঘৰলৈ আৰু নাহিবও পাৰে।

গধূলিৰ বিষন্ন ছাঁয়া লাহে লাহে নামিল। লোপাৰ মনৰ আকাশো সেই ছাঁয়াই আবৰি ধৰিলহি। লতিকাৰ মোমায়েকৰ পুতেক ককায়েক মানস কৃষ্ণই অৰ্থাৎ কলেজৰ মেধাবী ছাত্ৰ আৰু উদীয়মান কবি মানস কৃষ্ণ বৰুৱাই পিছফালৰ বাৰাণ্ডাত লতিকাৰ মাকৰ লগত কথা পাতি থকাৰে পৰা মিচিকিয়াই হাঁহি নীৰাক চিঞৰি কলে— 'এই! কুমলীয়া ছোৱালীজাকৰ লগত তোমাৰ কিহৰ ইমান মেলহে? যোৱা যদি ব'লা, থৈ আহোগৈ। নহলে থাকা। মই যাওঁ।' নীৰা বহাঁৰ পৰা উঠিল।

'ৰবা, এৰি থৈ নাযাবা। মোৰ খং তোলাই এই ধুনীয়া গধূলিটোৰ আনন্দখিনি মাটি নকৰিবা।' তাৰ পিছত ছোৱালীকেইজনীলৈ চাই কলে 'তোমালোকে গল্প কৰা দেই। মই থকা বাবে চাগে ক'ত ধৰণৰ গল্প পাতিব পৰা নাই।'

'আমাৰ তেনে গল্প নায়েই। সেইবোৰ তোমালোকৰহে।' লতিকাই হাঁহি মুখ ভেঙুচাই নীৰাক কলে।

'নহয় মানসদাদা? আৰু কম নেকি?'

'মাৰ খাবি দেই লতিকা।' মানস আৰু লতিকাই ইতিমধ্যে হাঁহি হাঁহি চোতালৰ বননিত ভৰি দিছিলগৈ।

লতিকাহঁতৰ পদুলিৰ হাচ্‌নাহানাৰ চিনাকি সুবাস বতাহত উৰি আহিল। লোপাৰ কণ্ঠ কদ্ধ হ'ল। খোলা খিৰিকীয়ে আকাশৰ

শুন্যালৈ চাই চাই ক'লে। আৰু তাৰ পিছত সৰু মাতেৰে লতিকাক কলে— 'মই যাওঁ বুজিছ। মায়ে সোনকালে যাবলৈ কৈছে। গধূলি গোঁসাইঘৰত মইহে চাকি দিওঁ।'

লোপা ঘৰলৈ গুছি আহিল। মেখেলা-চাদৰযোৰ খুলি বিছনাত দলি মাৰি থৈ দিলে। বগা কপাহী ফ্ৰকটো পিন্ধি চুলিখিনি আজুৰি খুলি লোপা তাইৰ পঢ়া মেজৰ কাষৰ আৰ্চীখনৰ কাষত থিয় হ'লহি আৰু নিথৰ হৈ আৰ্চীৰ ছোৱালীজনীলৈ চাই ক'লে। — মোৰ নাম লোপামুদ্ৰা ফুকন। মই সৰু ছোৱালী। লাহে লাহে ডাঙৰ হম। কেৱল বয়সেৰেই নহয়, জ্ঞানেৰেও। মই আজিৰ পৰা সুস্থ হম। কবিতা লেখিম। কিন্তু কবিতাৰ ঢৌত উটি ভাঁহি নাযাওঁ। মই জীৱনৰ উচ্চতম জ্ঞান আহৰণ কৰিম। মই মৈত্ৰেয়ী হম। সকলো সৰু বস্তুৱে, সৰু সৰু অভিলাষে যি অমৃত নিদিয়ে, সেই অমৃত মই জ্ঞানেৰে বিচাৰি আনিম। মই আনিমেই। —দুচকু পানীৰে উপচি পৰাৰ কাৰণে আৰ্চীৰ ছোৱালীজনী লোপাৰ দৃষ্টিপথৰ পৰা অস্পষ্ট হৈ লাহে লাহে আঁতৰি গ'ল।

+ + +

মেৰী, পিটাৰ আৰু সেই বুঢ়ীজনী

—সতীশ ভট্টাচাৰ্য।

লিখকৰ চমু পৰিচয়—

জন্ম— ১৯৩৮। পিতৃ হৰেশ্বৰ ভট্টাচাৰ্য আৰু মাতৃ—শ্ৰীসত্যৱতী দেৱী। যোৰহাট মিছন হাইস্কুল, সৰ্বেশ্বৰী হাইস্কুল আদিত স্কুলীয়া শিক্ষা লাভ কৰাৰ পাছত ১৯৫৯ চনত বি বৰুৱা মহাবিদ্যালয়ৰ পৰা বি-এ আৰু ১৯৬৫ চনত এম এ পাছ কৰে। সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত সুদীৰ্ঘ কাল শিক্ষকতা কৰাৰ পাছত সম্প্ৰতি অসম প্ৰকাশন পৰিষদৰ সচিব পদত অধিষ্ঠিত।

গল্পকাৰ হিচাপে সাহিত্যিক জীৱন আৰম্ভ কৰা শ্ৰীভট্টাচাৰ্যৰ প্ৰকাশিত গল্প সংকলনসমূহ হ'ল 'পখিলা পাখিৰ ৰং'। গল্পৰ উপৰিও তেওঁ কেবাখনো সফল নাট ৰচনা কৰে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল 'মানুহে মানুহৰ বাবে', 'মহাৰাজা' আদি। 'প্ৰেয়সী', 'চৰকাৰী ইন্সপেক্টৰ', 'ডাক্তৰৰ দোমোজা' আদি তেওঁৰ অনূদিত নাট্যমালা।

সফল গল্পকাৰ ভট্টাচাৰ্যই খুব কম গল্প লিখি নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। এই গল্পটোতো প্ৰেমৰ বিৰল আবেদন মূৰ্ত হৈছে।

এদিন ৰাতি বৰষুণ দিছিল। বৰষুণ বহুদিন দিছে, এদিনৰ কথা।

মহাব্যস্ত মহানগৰীখন তেতিয়া ৰাতি দহবজাৰ পিছত শুই পৰিছিল। দুই কাষৰ সুপ্ত ঘৰবোৰৰ মাজৰ ৰাস্তাটোৰেদি মই আগবাঢ়িছিলো। সঙ্গী আছিল বৰষুণজাক।

মই অকলশৰে আগবাঢ়িছিলো একাৰ বাটটোৰেদি। ৰাস্তাৰ লাইটবোৰ তেতিয়া নুমাই গৈছে। হিলদোল কঁপা বতাহজাকে দুয়ো-কাষৰ গছবোৰ ৰাককৈ জোকাবিবলৈ আৰম্ভ কৰিছে। বৰষুণজাক একা-বেঁকাকৈ পৰিছে। একাৰ বাটটোৰেদি মই আগবাঢ়িছো অকলশৰে।

ভালদৰে একো মনিব নোৱাৰি। একাৰৰ মাজতে অন্তাজ হৈ বুজি পাইছো— দুয়োকাষৰ দৰ্জাবোৰ বন্ধ। নহলে ক'ৰবাত কাৰোবাৰ ঘৰত সোমাই নিজক বতাহ-বৰষুণৰ পৰা ৰক্ষা কৰিব

পাৰিলোহেঁতেন। কিন্তু ইচ্ছা কৰিয়েই হওঁক বা পাহৰিয়েই হওঁক সেইক্ষেৰা সুখ ভগৱানে মোৰ কপালত লিখা নাই। কি কুক্ষণতেই যে আজি এই বৰুৱাটোক লগ ধৰিবলৈ আহিছিলো, লগ যে নাপালোৱেই, তাৰ ওপৰতো আকৌ এইখন লটি ঘটি। যিজন মানুহক বিচাৰি বিশেষ কিবা কাৰণত তেওঁৰ ঘৰলৈ যাবা, তেওঁ যাব সেই সময়ত পাতলভাবে নৈৰ পাৰেদি পাক এটা মাৰি আহিবলৈ আৰু যিজনক লগ পালে বিপদৰ সীমা নাই, উপস্থিতি যাৰ পুৰা মাত্ৰাই অবাঞ্ছনীয় তেওঁ আহিব তোমাক বিচাৰি ৰাতিৰ আলহী হবলৈ। বিৰম্বনা!

বিপদ অকলে নাহে। বৰষুণজাক জোৰেৰে নামিছে! মাজে মাজে চকু চাট্ মৰা বিজুলীৰ বাহিৰে এইখন পৃথিবীত আৰু পোহৰ নাই। বিজুলীৰ পোহৰতে সমুখৰ বাটটো কিছুদূৰ চাই লওঁ, আৰু সাৱধানে খোজ দিওঁ। সেই পোহৰতে দেখিছো মনিব পৰালৈকে ৰাস্তাটোত কোনো নাই। আকাশত বিজুলী, চেৰেকণি, মূৰৰ ওপৰত এইজাক ধাৰাসাৰ বৰষুণ, কেউঁকাষে এইজাক নৃত্যৰত উন্মাদ বতাহ আৰু সমুখত মোৰ দীঘল যাত্ৰাপথ। হঠাতে মোৰ অনুভৱ হ'ল মই যেন এখন বিৰাট অৰণ্যৰ মাজেৰে গৈ আছো অকলশৰে, মাজনিশা। মোৰ সমুখত কেৱল ভূত প্ৰেতৰ বীভৎস নৃত্য চলিছে। কেউফালে কেৱল হাবি আৰু বৰষুণ আৰু এন্ধাৰ। এন্ধাৰ আৰু হাবি আৰু বৰষুণ।

মোৰ ভয় লাগি নগ'ল। তিনি আলিটোৰেদি বাওঁফালে ঘূৰি তেৰ ফাৰ্লংমান গৈয়েই ৰেল লাইনটো। ৰেল লাইনটো পাৰ হৈ আৰু এটা তিনিআলিৰ চ'ক। তাৰ পৰাও আৰু এমাইলমান গলেহে ঘৰ পাম। অৰ্থাৎ বহুত দূৰ।

বৰষুণজাক লাহে লাহে শান্ত হৈ আহিছে। ৰাস্তাৰ লাইটবোৰ তেতিয়া জ্বলি উঠা নাই। আকাশত বিজুলী মাৰিলে পৃথিবীৰ বিজুলী প্ৰবাহ বন্ধ কৰি দিয়া হয়। কাৰণ দুয়োটাৰে সংযোগ ভয়াবহ।

ভয়াবহ।

আৰু এই ৰাতিৰ অন্ধকাৰৰ লগত ধুমুহাৰ অকাল সংযোগ, সিও ভয়াবহ।

হঠাতে সমুখত কিবা এটা পাই যেন থমকি ৰলোঁ। মোৰ পৰা মাত্ৰ কেইগজমান আঁতৰত মোৰ আগে আগে গৈ থকা এইজন মানুহেই হব কিজানি। কিন্তু এই বৰষুণনত! ইমান ৰাতি! হয়তো মোৰ দৰেই বিপদগ্ৰস্ত কোনোবা।

বৰষুণত তিতা মানুহজনৰ বগা কামিজটোৰ বাহিৰে একো ধৰিব নোৱাৰিলোঁ। কেৱল বগা কামিজ আৰু একো দেখা নাযায়। মই পিচে পিচে গৈ থাকিলোঁ।

মোৰ আগে আগে গৈ থাকিল এটা বগা কামিজ আৰু মানুহজনৰ তিতাকাপোৰৰ চট্ চট্ শব্দ।

মোৰ কৌতুহল উপজিল এই বগা কামিজৰ— গৰাকী কোনোবা পুৰুষ নে কোনো তিৰোতা!

মই ওচৰ চাপি গলোঁ।

জপ্ জপ্ এজাক বৰষুণ। মোৰ মূৰৰ ওপৰৰ ছাতিটোত পৰা বৰষুণৰ গধুৰ টোপালবোৰ আৰু আগে আগে গৈ থকা অচিনাকি-জনৰ তিতা কাপোৰৰ শব্দ। অচিনাকিয়ে মই ওচৰ চপা গম পোৱা নাই।

বৰষুণৰ প্ৰতি অকণো ভ্ৰূক্ষেপ নকৰাকৈ নিসংকোচ পদ-ক্ষেপেৰে ধীৰে ধীৰে খোজ পেলাই গৈ থাকিল সেই মূৰ্তিটো। পিচে পিচে মই।

খুব লাহে লাহে আৰু সম্ভাব্য সকলো সাৱধানতাৰে অচি-নাকিৰ মূৰৰ ওপৰলৈ মই ছাতিটো আগবঢ়াই দিলোঁ।

মানুহজনে গম পালে তেওঁৰ মূৰৰ ওপৰত বৰষুণ পৰা নাই। মূৰি চাই নিচেই কাষতে মোক দেখি উচপ খাই নুঠিল, মুখেৰেও একো নেমাতিলে, নিতান্ত নিৰ্ব্বিকাৰ ভাৱে এক্ষাৰতে এবাৰ চাই ললে মাথোন।

তাৰ পিচত আকৌ দুয়ো একেলগে গৈ থাকিলো ।

বৰষুণজাক বেছি জোৰেৰে পৰিবলৈ আৰম্ভ কৰিলে । একমাত্র আশ্রয় ছাটিটোৰ নাললালত দুয়ো দুখন হাতেৰে ধৰি আমি গৈ থাকিলোঁ ।

চিনি পোৱাৰ প্রশ্নটো এতিয়া সিমান জৰুৰীও নহয় ; আমি দুয়ো যে একেলগে গৈ আছো সেইটোহে দৰকাৰী কথা । জীৱনৰ যাত্রাপথত কিমান মানুহকেই লগ পোৱা যায় লগ হৈ গৈ থকাটোৱেই আচল কথা, লগৰীয়াৰ চিনাকি গৌণ । মই এনেয়ে ভাবিলো ।

আমি ৰেল লাইনটো পাৰ হৈ গলো । বৰষুণজাক শান্ত হৈছিল । তিনি আলিটোৰ মূৰ পাওঁতেই হঠাতে ৰাস্তাৰ লাইটবোৰ জ্বলি উঠিল ।

আমাৰ মূৰৰ ওপৰত পুলিচ পইণ্টৰ তিনিটা উজ্বল বাল্ব ।

দুয়ো দুয়োৰে মুখলৈ চাই ৰৈ গলো । একেলগে আহি থকা দুজন সম্পূর্ণ অচিনাকি মানুহ । কোনেও কাকো চিনি নেপাওঁ । অথচ ইমানদূৰ একেলগে অহাৰ পিচত এতিয়া নতুনকৈ চিনাকি হ'বলৈকো যেন কিবা কিবা লাগে । কথাটো কিজানি দুয়ো অনুভৱ কৰিছিলোঁ ।

গতানুগতিক পৰিচয়ৰ ভদ্রতা নকৰাকৈ মই সুধিলোঁ—আপুনি কেনি যাব ?

মানুহজনে আচৰিত হৈ মোৰ আপদ মস্তক নিৰীক্ষণ কৰি কলে—বেয়া নেপাব । মই কোনোবা মদাহী বুলিহে ভাবিছিলো ; এই ডোখৰত ৰাতি কেতিয়াবা মদাহীয়ে বৰ দিগদাৰী কৰে ।

মানুহজন যিটো বাটেৰে যাব, সেই বাট মোৰ ঘৰলৈ যোৱা বাটৰ বিপৰীত ফালে । মই কলো—মোৰ ঘৰ এইফালেহে—কিন্তু— মানুহজনে মোৰ মুখলৈ চাই মই কি ক'ম বুজিবলৈ চেষ্টা কৰিলে । মই কলো— ব'লক, আপোনাক থৈ আহোঁগৈ ।

অল্প পৰ মোৰ মুখলৈ চাই ৰ'ল মানুহজন । বিশ্বাসত নাইবা সন্দেহত ।

তাৰ পিচত কলে,—মোৰ ঘৰ ইয়াৰ পৰা বহুত দূৰ। আপুনি ঘৰলৈ যাবলগীয়া মানুহ। মোৰ লগত কিয় এই ৰাতিখন ইমান কষ্ট কৰিব লাগিছে? মইতো তিতিছোঁৱেই।

অৰ্থাৎ এবাৰ বৰষুণত তিতি অহা মানুহজনক ছাটিটোৰে থবলৈ যোৱাৰ কোনো অৰ্থ নাই, নাইবা মোৰ কষ্টৰ বিনিময়ত তেওঁ সহায় নিবিচাৰে। মই কলো— আপুনি এবাৰ বৰষুণত তিতিছে বুলিয়েই যে এতিয়াও আকৌ বৰষুণত তিতি ফুৰিব লাগিব তাৰ কি মানে আছে? তাৰোপৰি মোৰ একো কষ্ট নহয়। বলক।

আমি আকৌ খোজ ল'লো।

এইবাৰ পোহৰত মানুহজনক চাইলোৱাৰ সুবিধা পালোঁ। কলা কৰ্ডৰ পেণ্ট আৰু বগা কামিজ পিন্ধা আউল-বাউল চুলিৰে এজন কোমল বয়সীয়া ল'ৰা। চকু দুটা সোমাই যোৱা। চুলি আৰু মুখৰ বৰষুণৰ টোপালবোৰে ল'ৰাজনক ভাগৰুৱা ভাগৰুৱা যেন দেখুৱাইছে। কিজানি তেওঁ বহুতদূৰ খোজ কাঢ়ি আহিছে।

কথা আৰম্ভ কৰিবলৈ মই কলো— আপুনি বৰকৈয়ে তিতিলে। ডেকাজনে হাতেৰে তেওঁৰ কপাল আৰু চুলি মচি লৈ কলে— তিতিলো অৱশ্যে। বৰষুণবোৰ বৰ অবিশ্বাসী বুজিছে।

অন্ততঃ ছাটি নোলোৱাকৈ ওলাই অহাৰ দিনা গধূলি বৰষুণ এজাক আহিবই। মই কলোঁ।

ডেকাই হাঁহিছিল। হয়তো বুজি পাইছিল যে বাৰিষাৰ বৰষুণক গালি পাৰি লাভ নাই। বৰষুণ দিবলৈকে বাৰিষা হয়।

আমি আকৌ আহি এন্ধাৰ ৰাস্তা পালোহি। বজাৰৰ পিচ ফালেদি ট্ৰাঙ্কৰোডলৈ গৈছে এই সৰু ৰাস্তাটো। মানুহৰ সমাগম বৰকৈ নহয়। এতিয়া ৰাতি সম্পূৰ্ণ জনশূন্য।

জনপ্ৰাণীহীন এন্ধাৰ সৰু বাটটোৰেদি বৰ্ষাৰ এজাক অবিৰাম বৰষুণ মূৰত লৈ গৈ থাকোঁতে মোৰ অনুভৱ হ'ল: যেন এই নিৰ্জনতাৰো এটা অজান আকৰ্ষণ আছে। এই সূচীভেদ্য অন্ধকাৰ,

নির্জন পথ ; আৰু এই বৃষ্টিমুখৰ ৰাতি খোজ কাঢ়ি বেছ আমোদ লাগে। গোটেই ৰাস্তাটো যেন কেৱল আমাৰ কাৰণে পৰি আছে। আমাৰ সোঁহাতে এয়া বজাৰৰ নির্জন ঘৰবোৰ আৰু বাওহাতে এখন পিতনি। বৰষুণৰ পিচত মাটিৰ পৰা এটা গোন্ধ ওলাইছে। মাটিৰ এই গোন্ধটো মোৰ বৰ ভাল লাগে। মাটিবোৰ আপোন আপোন যেন লাগে। পৃথিবীখন নিজৰ নিজৰ যেন অনুভৱ হয়।

দিনৰ ব্যস্ততাত ক্লান্ত হৈ বজাৰখন নিঃপালি দিলে, মই ক'লো— ৰাতি নিশ্চয় বহুতো হ'ল।

ৰাতিৰ চহৰখন আপুনি কেতিয়াবা দেখিছেনে? ডেকাই সুধিলে।

মই সদায় ৰাতিয়েই ঘৰলৈ আহোঁ।

কেনে লাগে আপোনাৰ?

বেয়া লাগিবৰতো কোনো কাৰণ নাই। সদায়ে যেতিয়া অহা যোৱা কৰিয়েই থাকো। লাইটো জ্বলি থাকে।
ৰাস্তাত গাড়ী-মটৰ কম হয়, মানুহৰ হৈ চৈ নাইকিয়া হয়, বতাহজাক শীতল হয়, এই সময়ত ঘৰলৈ আহি মোৰ খুব ভাল লাগে। এটা আপোন মধুৰ মিঠা আমেজ।

নহয়, মই কৈছো দিনতকৈ ৰাতিৰ চহৰখন বহুত বেলেগ ধৰণে বেলেগ। মানুহৰ কল্পনাই প্ৰাণ পায় ৰাতিৰ নিৰিবিলি পোহৰত।

দিনতকৈ ৰাতি বেলেগ হোৱা স্বাভাৱিক। ৰাতিবোৰনো কেনেকৈ দিন হ'ব? মনতে ভাবিলো। ক'লো— হোৱাতো স্বাভাৱিক।

যেনে?

সৌ বজাৰখন এতিয়া নিঃপালি দিছে। অলপ আগলৈকে তাত মানুহৰ ভীৰ আছিল।

কেৱল সেয়েইনে? ডেকাই সুধিলে।

আৰু কি?

এই মানুহঘৰ নতুনকৈ ইয়ালৈ আহিছে। ডেকাজনে ওচৰৰ ঘৰ এটালৈ আঙুলিয়াই দেখুৱালে।

ঠাইডোখৰ আপোনাৰ চিনাকি ?

সদায় অহা যোৱা কৰোঁ। কিছু চিনি পাওঁ সেইবাবে।

ডেকাই আকৌ কলে— আচলতে সকলো বস্তুৰে দুটা ৰূপ আছে। এই ঘৰটো বাহিৰৰ পৰা আপুনি যিমান ধুনীয়া দেখিছে ভিতৰখন হয়তো সিমান কদৰ্য্য।

নতুন ঘৰটোৰ বিষয়ে দেখিছো আপুনি বহুত কথা জানে।

নহয়, মই মাথোন এটা সাধাৰণ সত্যৰ কথা কৈছোঁ। মানুহজন আবকাৰী বিভাগৰ ডাঙৰ কৰ্মচাৰী। বহু চোৰাং কাৰবাৰ ধৰা পেলাইছে।

চাকৰিত নাম আছে। কিন্তু নিজৰ ঘৰৰ ভিতৰতে চলা চোৰাং কাৰবাৰৰ গমকেই নাপায়।

এজন ব্যক্তিক তেনেকৈ সমালোচনা কৰা কথাটো মই মুঠেই ভাল নাপালোঁ। মোৰ আগত তেনেকৈ চৰ্চ্চা কৰাটো ডেকাজনৰ মুঠেই উচিত হোৱা নাই। ডেকাজনে আকৌ সুধিলে—আপুনি কেতিয়াবা আবেলি এইফালে আহিছেনে ? সৌ খিড়িকীখনৰ মুখত সদায় এজনী ছোৱালী থিয় হৈ থাকে।

এইবাৰ মোৰ খং উঠি গ'ল। মানুহজনে মদ খাই আহিছে নেকি। কিন্তু এই খং অবশ্যে প্ৰকাশ্যে দেখুওৱাৰ কোনো উপায় নাই। এই অন্ধকাৰ ৰাতি, এইডোখৰ আওহতীয়া ঠাইত মদাহী-এজনক জোকাই লোৱা মানে নিজৰ বিপদ চপাই লোৱাৰ বাহিৰে আন একো হব নোৱাৰে।

মই মাঃথান মনে মনে থাকিলোঁ।

ডেকাজনে কৈ গ'ল—সেইজনী আছিল বায়েক। এতিয়া খিড়িকীৰ মুখত বায়েক নাথাকে। সেই ঠাই ভনীয়েকে লৈছে। আপুনি ভাবিছে, বায়েকজনীৰ নিশ্চয় বিয়া হৈ গ'ল। নহয়। ধৰবতেই ল'ৰা এটা পালো। চাওঁকচোন ভদ্ৰ ঘৰৰ ছোৱালীৰ ভদ্ৰ আচৰণ।

মই ছোৱালীজনীৰ কথা ভাবিব নোৱাৰিলো, ডেকাজনৰ কথাহে ভাবিলোঁ। আৰু তেওঁৰ মুখ বন্ধ হওঁক বুলি নিজেই মনে মনে থাকিলোঁ।

ডেকাই কিন্তু কৈয়েই গ'ল—সমাজখনৰ বৰ অধঃপতন হৈছে, বুইছে। সেইবাবেই আপোনাক সুধিছিলোঁ—ৰাতিৰ চহৰখন আপুনি চিনি পায় নে নেপায়? চহৰ জীয়াই থাকে গলিত। আৰু গলিৰ জীৱনৰ পৰিচয় পোৱা যায় ৰাতি।

মই এইবাৰো একো নকলোঁ। মাথো মনতে ভাবিলোঁ সেই পৰিচয় নেপালেও মোৰ চলিব। মই ৰাজআলিৰ মানুহ, গলিৰ জীৱনৰ পৰিচয় মোৰ কামত নাহে। ৰাতিৰ জীৱনৰ চিনাকি মোক নালাগে। মোক ৰাতিটোৰ প্ৰয়োজন জিৰণিৰ বাবে। চহৰৰ আলিয়ে গলিয়ে ফুৰি, তুমি যদি কিবা নতুন জীৱনৰ সোৱাদ পাইছা সি তোমাৰ নিতান্ত নিজৰ বস্তু হৈয়েই থাকক। ফুটাই কলোঁ—ৰাতিৰ পৰিচয়েই এখন চহৰৰ শেষ পৰিচয় নহয়। তাৰোপৰি সামাজিক অধঃপতনৰ যি উদাহৰণ আপুনি দিছে, সেই এটি কথাই গোটেই সমাজখনৰ প্ৰতিনিধিত্ব নকৰে। এজনী ছোৱালীৰ অধঃপতনে গোটেই সমাজখন অধঃপতিত হোৱা নুবুজায়।

ডেকাজনে মনোযোগেৰে কথাখিনি শুনি গৈছিল। বৰঘুণজাক পৰিয়েই আছিল। ছাতিটোৰ তলত আমি দুয়ো ওচৰা ওচৰিকৈ খোজ পেলাই গৈ আছিলো। মোৰ কথাৰ উত্তৰত ডেকাই কৈছিল—আজি মই এজন মানুহৰ ওচৰলৈ গৈছিলোঁ—ডাঙৰ মানুহ। মানুহজনে মোক কি চৰ্ত দিলে জানে? প্ৰথম মাহৰ দৰমহা তেওঁক দিব লাগে। কাৰণ তেওঁ মোক চাকৰি দিব। এই কথাটোকে আপুনি নিতান্ত ব্যক্তিগত মনোবৃত্তি বুলি কব পাৰে—কিন্তু মই কম, ই এটা সামাজিক কেৰোণ। ক্ষমতাই মানুহক পাপী কৰে, হয়তো সঁচা কথা। কিন্তু পাপ নকৰাকৈও ক্ষমতাৰ ব্যৱহাৰ কৰিব পাৰি। আজিৰ যুগত কেইজনে সেইটো কৰে? কওঁক?

মই কি কিম! আমাৰ দেশত এইবোৰ সঁচা কথা। কিন্তু চাকৰি বিচাৰি ফুৰা নিবনুৱাজনক সমালোচনাত সদায় পঞ্চমুখ। অন্ততঃ মোৰ দহবছৰৰ ব্যৱসায়ী অভিজ্ঞতাৰে মই সেইকথা জানো। এইবাৰ কলোঁ—সমাজখনৰ প্ৰতি আপোনাৰ দৃষ্টিভংগী আক্ৰোশমূলক।

আপুনি কিজানি ভুল বুজিছে, ডেকাই কলে, কিন্তু এই কথা ঠিক যে মানুহৰ সমান আন একোৱে মানুহক উৎপীড়ন নকৰে। মোৰ কবলগীয়া একো নাছিল। কেৱল সুধিলো—আপোনাৰ ঘৰলৈ আৰু কিমান দূৰ বাকী?

ট্রাঙ্কৰোডটো পাৰ হৈ আৰু দুই ফাৰ্লংমান যাব লাগিব। আগতে আমি বজাৰখন এৰি থৈ আহিলোৱেই। ট্রাঙ্কৰোডলৈ আৰু অলপ বাকী।

তাৰ পিছত কিছুদূৰ আমি মনে মনে গৈ আছিলোঁ। বৰষুণজাক তেতিয়াও পৰিয়েই আছিল। পকা ৰাস্তাৰ ওপৰতো মাজে মাজে পানীৰ ডোঙা বান্ধিছিল। ভৰিৰ চেণ্ডেলে চট্ চট্ শব্দ কৰিছিল। ৰাস্তাৰ পৰা কিছু আঁতৰৰ দুই এটি পঁজাৰ টিমিক-টামাক চাকিৰ পোহৰ আমাৰ চকুত পৰিছিল।

এই যে ঘৰবোৰ; ডেকাজনে আকৌ আৰম্ভ কৰিলে—এইবোৰ মানুহ এতিয়াও সাৰে আছে। সেয়াও এখন বজাৰ। দিনৰ বজাৰৰ পিছকালে এখন ৰাতিৰ বজাৰ আছে। ধনীৰ ভেম, বৰ মানুহৰ আভিজাত্য, সমাজে সন্মান কৰাজনৰ নৈতিকতা, সকলোৰে ভণ্ডামিৰ মুখা সেই বজাৰত খহি পৰে।

ডেকাজনৰ এই লাগবান্ধ নোহোৱা কথাবোৰৰ উত্তৰ যে মোৰ নাছিলেই, শুনিবলৈকো যেন মই প্ৰস্তুত নাছিলোঁ। মই মাথোন কিমান সোনকালে পাবো ডেকাজনৰ লগ এৰাৰ কথা ভাবিলোঁ। এই গোটেই বাটটো কেৱল ডেকাজনেই কথা কৈ আহিছে। মই কেৱল শুনি আহিছোঁ। মোৰ কোনো উত্তৰ নোপোৱা স্বত্ত্বেও ডেকাজন নিৰুৎসাহ হোৱা নাই। এইবাৰ মই প্ৰকাশ্যে বাধা দিয়াৰ উদ্দেশ্যেৰে ক'লো—আপুনি কেৱল পৃথিৱীৰ এন্ধাৰ কালটোহে চিনি পাইছে।

হয়তো সেইবাবেই মই অনুভব কৰিব পাৰিছোঁ যে পৃথিৱীৰ পোহৰকাল এটাও আছে, ডেকাজনে টপ্‌কৰে উত্তৰ দিলে। ডেকাজনে আৰু বহুত কিবাকিবি কৈ গ'ল। মই শুনি শুনি নুশুনাকৈ থাকিবলৈ চেষ্টা কৰিলোঁ।

এইবাৰ আমি ডাঙৰ আলিটো পালোহি। ৰাস্তাত মানুহ নাই। মানুহৰ ঘৰ, দোকান সকলোবোৰ বন্ধ। কাষৰ ডাঙৰ হোটেলটোৰ ওপৰ মহলাত মাথো দুই এটা লাইট জ্বলি আছে। আৰু নিশাৰ প্ৰহৰী হৈ থিয় হৈ আছে ৰাস্তাৰ লেম্প পোষ্টবোৰ।

পাতল বৰষুণজাক মূৰত লৈ আমি দীঘল দীঘল খোজ দিবলৈ ধৰিলো। লাইটৰ পোহৰত আমাৰ ছাঁবোৰ এবাৰ চুটি, এবাৰ দীঘল হৈ আমাৰ লগে লগে গৈ থাকিল।

কিছুদুৰ যোৱাৰ পিছত ডেকাজনে ক'লে—এইয়া আমি পালোহিয়েই।

মই যেন এতিয়াহে উশাহ ললোঁ।

আমি য'ত ৰ'লগে তাৰ সোঁহাতে এখন অত্যন্ত নিম্নখাপৰ চাহ দোকান আৰু বাওঁহাতে এটা ধানৰ মিল। মিলটো তেতিয়াও ঘট্ ঘট্ কৈ চলি আছিল আৰু চাহ দোকানখনত হুলস্থুল কৰি কিছুমান মানুহে চাহ খাইছিল, কিছুমানে আড্ডা দিছিল। ডেকাজনে কলে— আহক।

কলৈ আহক বুলি কৈছে বুজিব নোৱাৰি মই ৰৈ গলো। এয়াই মোৰ ঘৰ বুলি দোকানখনৰ ফালে এখোজ আগবাঢ়ি ডেকাই ক'লে— আহক, চাহ একাপ খাই যাব। বৰষুণত তিতি দুয়ো বেছ জুৰুলা হলো।

চাহ একাপ খোৱাৰ প্ৰয়োজন হয়তো মই অনুভৱ কৰিছিলোঁ, কিন্তু এই দোকানখনেই যদি ডেকাজনৰ ঘৰ তেন্তে সেই ইচ্ছা মোৰ দমি গৈছে. মই আপত্তি কৰিলোঁ, ডেকাই জোৰ কৰিলে, অন্ততঃ তেওঁৰ ঘৰত চাহ একাপ খাই যোৱাত মোৰ লোকচান একো নহয়।

দুয়ো সোমাই গলো, দোকানখনলৈ। আগে আগে দোকান-খনত সোমায়েই মই কোনখিনিত বহিব পাৰি চিন্তা কৰিছিলো, কাৰণ তাত বহি থকাসকলৰ মুখৰ উৎকট গোন্ধ ইতিমধ্যে মোৰ নাকত সোমাইছিল। কিন্তু তাৰ আগেয়ে ডেকাজনে আকৌ কলে— আহক।

দোকানখনৰ পিছফালৰ দুৱাৰেদি আমি পাৰ হৈ গলো।

নিজস্ব এন্ধাৰ। সম্ভৱতঃ দিনৰ ভাগতো সূৰ্য্যৰ প্ৰবেশ নঘটে ইয়াত। ৰাতিৰ সকলো অন্ধাকাৰ যেন ইয়াত আহি থুপ খাইছেহি। অত্যন্ত ঠেক এটা বাট। দুফালে দুশাৰী সৰু সৰু জুপৰী ঘৰ। তাৰে দুই এটিৰ ভিতৰত ক্ষীণ পোহৰ। এনেবোৰ ঠাইতো যে মানুহ থাকিব পাৰে, ভাবি আচৰিত হৈ গ'লো। হয়তো ডেকাজনে' বাটত কৈ অহা ৰাতিৰ চহৰখন ইয়াত জীয়াই আছে।

হঠাৎ মই অনুভৱ কৰিলো যে ডেকাজনলৈ ভিতৰি ভিতৰি মোৰ এটি অচিন সন্দেহ উপজিছে।

তেওঁ মোক এটা জুপুৰীৰ ভিতৰলৈ লৈ গ'ল।

দুখন পৰি-পাটি বিচনা, কেইখনমান প্ৰাকৃতিক দৃশ্য থকা কেলেণ্ডাৰ আৰু এজোৰ টেবুল চেয়াৰেৰে সজ্জিত সেই উবলা জুপুৰীটোত সোমোৱাৰ লগে লগে চকীখনলৈ আঙুলিয়াই ডেকাই কলে—বহক। মই আচৰিত হৈ লক্ষ্য কৰিলো যে এফালে বেৰত আঁৰি থোৱা এচটা তক্তাক টেবুল হিচাবে ব্যৱহাৰ কৰি লেমটোৰ ক্ষীণ পোহৰত এজনী গাভৰুৱে থিয় দি কিতাপ পঢ়ি আছে। আমি সোমাই যোৱাৰ লগে লগে গাভৰুৱে মুৰ ডাঙি আমাৰ ফালে চালে আৰু বিচনাৰ এমূৰে শুই থকা বুঢ়ীজনী কোঠাটোৰ সিখন দুৱাৰেদি ভিতৰলৈ সোমাই গ'ল। মই অসহায়ভাৱে এবাৰ ৰাতিৰ চিনাকি বন্ধুলৈ আৰু এবাৰ গাভৰুজনীলৈ চাই চকীখনত বহি পৰিলো। গাভৰুৱে লেমটো আনি টেবুলত থলেহি আৰু ডেকাজনলৈ চাই কলে—বহুত ৰাতি কৰিলা।

বন্ধুৱে বাটৰ বৰষুণজাকৰ কথা কলে। মোক লগ পোৱাৰ কথা কলে আৰু সোনকালে একাপ চাহৰ যোগাৰ কৰিবলৈ কৈ ঘৰটোৰ পৰা ওলাই গ'ল।

মাজনিশা এজনী গাভৰু ছোৱালীৰ সন্মুখত অপ্ৰস্তুত হৈ মই বেৰৰ কেলেণ্ডাৰখনলৈ চাই ৰ'লো। গাভৰুৱে ইতিমধ্যে ষ্টোভটো জ্বলাবলৈ কাৰবাৰ কৰিছিল। গাভৰুলৈ চাই চাই মোৰ ডেকাজনলৈ খং উঠি গৈছিল। কোঠাটোৰ বতাহখিনিয়ে মোৰ বুকু কঁপাইছিল। গাভৰুৱে ষ্টোভটো জ্বলাই জ্বলাই মোক সুধিছিল—আপুনি পিটাৰৰ বন্ধু?

মই— অ' বুলি চমকি কৈ গৈছিলো।

তাৰপিছত নীৰৱতা।

গাভৰুৱে দ্বিতীয় প্ৰশ্ন সোধা নাছিল।

কোঠাটোৰ নীৰৱতাখিনি মোৰ অসহ্য হৈ আহিছিল। এই নীৰৱতা দূৰ কৰিবলৈ ছোৱালীজনীৰ লগত কথা পাতিব পাৰি। কিন্তু ৰাতি লগ পোৱা এজনী অচিনাকি গাভৰুৰ লগত কি কথা পাতিব লাগে, মই ভাবি পোৱা নাছিলো। এনেয়ে নামটো সুধিলো। ছোৱালীজনীয়ে উত্তৰ দিলে— মেৰী। দ্বিতীয় প্ৰশ্নটোৰ কথা ভাবি মই চাহ কৰি থকা ছোৱালীজনীলৈ চাই থাকিলো। ছোৱালীজনীয়ে মোৰ ফালে নোচোৱাকৈয়ে কাপ-প্লেটবোৰ যতনাই কৈ গ'ল—আপুনি পিটাৰৰ বন্ধু। তাক অলপ উৎসাহ দিব, বুইছে।

মই একো বুজা নাছিলো, কেৱল পিটাৰৰ অনুপস্থিতিটো উপলব্ধি কৰি বাৰে বাৰে দুৱাৰমুখলৈ চাই থাকিলো।

গাভৰুজনীয়ে সম্ভৱ ভাবিছিল যে মই পিটাৰৰ বন্ধু হিচাবে পিটাৰক ভালদৰে বুজি পাইছিলো। আচলতে মই একো বুজি পোৱা নাছিলো।

পিটাৰ ক্ষীণ, ছোৱালীজনী বেছ আটিল। ৰুক্ষ চুলি, কোটৰগত চকু, অপৰিপাটি কাপোৰকানি আৰু লাগ-বান্ধ নোহোৱা কথা-বতৰাৰে এজন নিতান্ত বজৰুৱা ল'ৰা পিটাৰ। আনহাতে সুন্দৰ দেহাবয়ব, ধুনীয়া চেহেৰা আৰু ধীৰ স্থিৰ কথা-বতৰাৰে ছোৱালীজনীৰ ব্যৱহাৰ ইমানেই সুন্দৰ যে কোমল বয়সীয়া, অসাধাৰণ ভাৱে ধুনীয়া ছোৱালী-জনীলৈ চাই চাই পিটাৰ আৰু এই ধুনীয়া ছোৱালীজনীৰ মাজৰ সম্বন্ধটোৰ কথা ভাবি বাৰে বাৰে মই বিমোৰত পৰিছিলো।

চাহ বাকি বাকি অতি আপোনজনক কোৱাৰ দৰে সহৃদয়তাৰে ছোৱালীজনীয়ে কৈ গৈছিল— পিটাৰ হতাশ হৈছে সঁচা, কিন্তু এটা কথাৰ বাবে তাক মই খুব ধন্যবাদ দিওঁ। সি কেতিয়াও মদ নাখায়। আচলতে সি নিজৰ বাবে ইমান হতাশ হোৱা নাই। তাৰ চিন্তা মোৰ কাৰণেহে। মই তাক কিমান বুজাওঁ। মোৰ কাৰণে ভাবিবলগীয়া তাৰ কিটো আছে। এইদৰেইটো আমি চলি আছো। এই সহজ কথাটোকে সি বুজিব নোখোজে।

বাটত লগ পোৱা পিটাৰৰ সাধাৰণ পৰিচয়ৰ অভিজ্ঞতাৰে গাভৰুৰ কথাবোৰ বুজি উত্তৰ দিয়াৰ উপায় মোৰ নাছিল। মই কেৱল অ' অ' বুলি শলাগি গৈছিলো।

পিটাৰ সোমাই আহিছিল।

ছোৱালীজনীয়ে দুকাপ চাহ আনি টেবুলত থৈছিল। সৰু বিস্কুটৰ পেকেটটো খুলি পিটাৰে ছোৱালীজনীক কৈছিল—ক'তা, চাহ দেখোন দুকাপহে বাকিলা, তোমাৰ?

মই নেখাওঁ, গাভৰুৱে হাঁহি কলে, তোমাকো ইমান নুখুৱালো-হেঁতন, পিচে এখেতে অকলে বেয়া পাব বুলিহে—কিন্তু তুমি নাখালেওতো এখেতে বেয়া পাব পাৰে। পিটাৰে কলে। সুৰুঙা পাই যোগ দিলোঁ—নিশ্চয়। এজনক এৰি খাবলৈ যদি মই বেয়া পাওঁ, তেন্তে আনজনক এৰি খাবলৈও ভাল নাপাব পাৰো।

আপুনিও দেখিছোঁ পিটাৰৰ দৰেই উৎপতীয়া, বুলি মোলৈ চাই খিল খিলকৈ হাঁহি ছোৱালীজনী আকৌ ভেটাভটোৰ ওচৰ চাপিল।

পিটাৰে ক'লে— কাপ এটা আনা। ইয়াৰে হ'ব। পিটাৰ আৰু মই আমাৰ কাপৰ আধা আধা চাহ বাকি তৃতীয় কাপটো ভৰাই দিলোঁ আৰু মাজতে থোৱা প্লেটখনৰ পৰা বিস্কুট লৈ তিনিও চাহ খাবলৈ আৰম্ভ কৰিলোঁ। পিটাৰ ঠিক মোৰ সমুখৰ বিচনাখনতে বহিছিল আৰু মোৰ পৰা অলপ আঁতৰত থিয় দি মেৰীয়ে লাহে লাহে চাহৰ কাপ মুখলৈ নিছিল।

পিটাৰ আৰু মেৰীক মই এবাৰ চাই লৈছিলো, দুয়োটা ইংৰাজী নাম। নাম দুটাৰ বাহিৰে আন একোতে মিল নাই ইহঁতহালৰ।

এটা কি দুটা ঢোকতে চাহখিনি পি লৈ পিটাৰে কৈছিল—মেৰীয়ে তাক মৰম কৰে, কিন্তু নুবুজে। জীৱনত সি বহু দুখ পাইছে, বহু বেদনা সহ্য কৰি আহিছে কেৱল মেৰীৰ বাবে। এই ঘৰটোলৈ অহা তিনিমাহেই হ'ল, সি এক পইচাও উপাৰ্জন কৰিব পৰা নাই। মেৰীয়েই তাক সকলো দি আছে, কিন্তু সি জানে মেৰীক কষ্ট দিয়াতকৈ ডাঙৰ দুখ তাৰ জীৱনত একো হ'ব নোৱাৰে।

মেৰীয়ে ছোৱালীসুলভ অভিমানেৰে তাৰ কথাৰ প্ৰতিবাদ কৰি গ'ল। মই শুনি গলো আৰু মনে মনে ভাবিলোঁ যে মেৰীৰ দৰে ধুনীয়া ছোৱালীজনীক দুখ দিবলৈ পিটাৰ কিয়, সকলোৱেই দুখ পাব। মুখত দুখৰ ছাঁ দেখিলে দুখ লাগি যোৱাকৈ ধুনীয়া ছোৱালী মেৰী—

পিটাৰে আকৌ কলে— মেৰীৰ মুখলৈ চাবলৈ আজিকালি তাৰ ভয় লাগে, ইমানদিনে কাম এটাকে যোগাৰ কৰি লবলৈ নোৱাৰিলে যেতিয়া—

মেৰীয়ে তৎক্ষণাৎ কৈ উঠিল, তুমি— এইবোৰ কি কৈছা পিটাৰ, কাম নাপালা নাই, সেইবুলি মূৰে কপালে হাত দি বহি থাকিবলৈ কিটো আছে ? মইতো আছোঁ।

মই ভাবিলোঁ, এৰা ! ঠিকেই, মেৰীতো আছে। মেৰীৰ নিচিনা ছোৱালী এজনী লগত থাকিলে কাম নোপোৱাৰ দুখ কিয়, জীৱনৰ সকলো বেদনাকেই হাঁহি হাঁহি গ্ৰহণ কৰিব পাৰি। চাহ খাই মই বিদায় ললোঁ। গলিটোৰ মাজেদি দোকানখন পাৰ হৈ মোৰ লগে লগে পিটাৰ আহিল ৰাস্তালৈ, মেৰীও।

মই আকৌ এবাৰ মনতে দুয়োৰে নাম দুটা আওৰাইছিলোঁ। পিটাৰ আৰু মেৰী, নাম দুটাৰ বাহিৰে আন একোতে মিল নাই ইহঁত হালৰ। দুয়ো যেন সম্পূৰ্ণ বেলেগ। মোৰ খুব কৌতুহল উপজিল দুয়োৰে বিষয় জানিবলৈ।

কিন্তু সিহঁত থকা চহৰৰ এমূৰৰ এই আওহতীয়া ঠাইডোখৰ, এন্ধাৰ গলিৰ উৰলি যোৱা ঘৰ আৰু চাৰিওকাষৰ পৰিবেশ, সন্মুখৰ সেই দোকানখন, ৰাতি দুপৰলৈকে মদ খাই তাত বহি থকা সেই মানুহ-বোৰ, ওৰে বাটে শুনি অহা পিটাৰৰ কথাবোৰ এই সকলোবোৰলৈ চাই কোনো ৰকমেই সিহঁতৰ মাজত এটি সহজ সম্বন্ধৰ কথা ভাবিব নোৱাৰিলোঁ। হয়তো এই ছোৱালীজনী, মেৰী নামৰ এই ছোৱালী-জনী পিটাৰৰ একো নহয়। পিটাৰো একো নহয় তাইৰ।

কিন্তু কোনো কাৰো একো নোহোৱাকৈও দুজন মানুহ একেলগে থাকিব পাৰে। এজনী ধুনীয়া প্ৰাপ্তবয়স্ক ছোৱালীৰ লগত এজন নিবনুৱা ডেকা

সহাদয়ভাৱে এটা ঘৰত 'বাস কৰিব পাৰে। হয়তো এই গলিত একোজনী মেৰীৰ লগত একোজন পিতাৰ থাকে।

ৰাতি আলহী আহিলে পিটাৰে বিস্কুট কিনিবলৈ যায়, মেৰীয়ে চাহ কৰে। দুজনে সিজনৰ কথা কয়। অচিনাকি আলহীয়ে চিনাকিৰ ভাও জুৰি শুনি যায়। খুব সহজ কথা। খুব সাধাৰণ কথা।

কিন্তু সেই বুঢ়ীজনী? আমি যোৱাৰ লগে লগেই যি, ভিতৰ সোমাল আৰু ওলাই নাহিল। সেইজনী কোন?

আকৌ বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে। মই ছাতিটো মেলি ললোঁ।

বিদায় জনাই পিটাৰে কলে—আপোনাক নিশ্চয় আকৌ লগ পাম।

মই কলো— নিশ্চয়, নিশ্চয়, আকৌ যিদিনা বৰষুণ দিব।

বৰষুণ তাৰ পিছত বহুদিন দিলে আৰু কামৰ ব্যস্ততাত সেই নিশাৰ বন্ধু পিটাৰক পাহৰি গলোঁ।

ৰিম্ জিম্ বৰ্ষাৰ বৃষ্টিৰ সুৰ যেন অৱশেষত ভাগৰি পৰিল। গ্ৰীষ্মৰ প্ৰখৰ ৰ'দে পৃথিৱীত জুই জ্বলালে। ৰাতিপুৱাৰ ৰ'দৰ খাওঁ খাওঁ মূৰ্ত্তি দেখি দিনটোলৈ চাবলৈ ভয় লগা হ'ল।

তথাপিও কামৰ ব্যস্ততা,. যাবই লাগিব, জীয়াই থাকিবলৈ সংগ্ৰাম কৰিবই লাগিব। সংগ্ৰামে জীৱনৰ প্ৰতিশ্ৰুতি।

কাৰখানাৰ দুজনো মেকানিক কাম এৰি গুছি গ'ল। মোৰ চিন্তা হৈছিল, কামৰহে যিমান ভীৰ, দুজনকৈ গুছি গলে সময়মতে কামবোৰ দিয়া বৰ টান হ'ব। সময়ৰ কাম সময়ত কৰি দিব নোৱাৰিলে ব্যৱসায়ৰ দুৰ্নাম। মোৰ ব্যৱসায়ত মই দুৰ্নাম আশা নকৰো। দুজন মেকানিক যিকোনো প্ৰকাৰে লবই লাগিব।

কেতিয়াবা মানুহ আহে কাম বিচাৰি, তেনিয়া দিব পৰা একো কাম নেথাকে; আৰু যেতিয়া কাম এনেয়ে পৰি থাকে, তেতিয়া মানুহ বিচাৰি পোৱা নাযায়।

অকলশৰে অফিচটোত বহি তাকেই ভাবিছিলোঁ, কি কৰা যায়। কালি হঠাতে কেবাখনো বেয়া গাড়ী আহি গেৰেজত জমা হৈছেহি। কাম বাঢ়ি গৈছে। ইফালে মানুহ নাই।

ফাইলটো খুলি লৈ চাইছিলো, পুৰণি দৰখাস্ত আছে নেকি। কাৰখানাৰ কামৰ খুট্ খুট্ শব্দ মোৰ কাণত পৰিছিল। খিড়িকীৰ কাষৰ গছজোপাৰ পাতবোৰত বতাহ লাগি সোঁ সোঁ কৈ শব্দ হৈছিল বাহিৰৰ ৰ'দজাক ভয়লগাকৈ চোকা হৈ আহিছিল। শাওনৰ নিৰ্মেঘ আকাশ ভৰা সেই ৰ'দৰ প্ৰখৰতাত গছ-জোপাৰ পাতবোৰ যেন লেৰেলি পৰিছিল। পৃথিৱীৰ সকলো ৰস নিঃশেষ কৰিব পৰা এই ৰদজাক।

নেপালী চকিদাৰটোৱে আহি খবৰ দিলে, কোনোবা এজন মানুহ আহিছে, মোক লগ পাব খোজে।

মই তাক লৈ আহিবলৈ কলো! খুব লাহে লাহে এজন মানুহ সোমাই আহিল। মই মূৰ দাঙি চালো, সেই ৰাতিৰ বন্ধু পিটাৰ।

* মই বহিবলৈ কলো। পিটাৰে থিয় দি থাকিয়েই কলে--আপোনাক পাম বুলি ভবাই নাছিলো চাৰ। আপুনিয়েই—

পিটাৰ যেন অপ্ৰস্তুত হৈছিল। মই কলোঁ—হয়, মোৰেই এই ওৱৰ্কশ্বপ্‌টো। কিন্তু আপুনি বহক।

অগত্যা পিটাৰ বহিল। মন্ত্ৰীক দেখা কৰিবলৈ অহা চাকৰি প্ৰাৰ্থীৰ সঙ্কোচ আৰু সাৱধানতাৰে। তাৰ পাচত কলে যে কিবা সুবিধা হলে মোৰ ইয়াতে কাম কৰিব খোজে। মটৰৰ কাম ভাল জানে। মই পিটাৰক ক'ত মটৰৰ কাম শিকিছিল সুধিলোঁ। পিটাৰে ক'লে— কোনো ইন্‌ষ্টিটিউটত পঢ়ি অহা মটৰ মেকানিক্‌চৰ চাৰ্টিফিকেট তাৰ নাই। কিন্তু মটৰৰ সকলো কাম জানে।

চাৰ্টিফিকেট মই বিচৰাও নাছিলো। চাৰ্টিফিকেটে কাম নকৰে, কাম কৰে মানুহেহে। পুৰণি লৰী এখন পৰি আছিল, আজি কেবাদিনেও মেকানিক লাগি ভাল কৰিব পৰা নাই। পিটাৰক কলো সেইখনৰে ইঞ্জিনটো খুলি মেলি চাওঁক।

খুব আচৰিত কথা; পিটাৰে গধূলি ইঞ্জিনটো ষ্টাৰ্ট দিলে। পিটাৰৰ কাৰ্য্যদক্ষতাত বাকী মেকানিকবোৰে লাজ পালে। মই আচৰিত হৈ ভিতৰি ভিতৰি পিটাৰক প্ৰশংসা কৰিলোঁ আৰু সেইদিনাৰ পৰা নিয়মিতভাবে কামলৈ আহিবলৈ কলো।

পিটাৰ নিয়মিতভাৱে আহিল আৰু মোৰ কাৰখানাও নিয়মিত-ভাবে চলি থাকিল।

মোৰ ভাব হ'ল যে সেইদিনা ৰাতি লগ পোৱা পিটাৰ আৰু এইজন পিটাৰ বেলেগ পিটাৰ। সেই ৰাতিৰ পিটাৰ আছিল নিষ্কৰ্মা, অসংযত, কিজানি প্ৰথম চিনাকিৰ চকুত অভদ্ৰও। আজিৰ পিটাৰ ধীৰ, স্থিৰ, ভদ্ৰ আৰু সময়ৰ মোল বুজা এজন নিষ্ঠাবান কৰ্মপটু যুবক। সময়মতে আহে, সময়মতে যায়, মনোযোগেৰে কাম কৰে।

পিটাৰৰ কাম মোৰ চকুত পৰে, পিটাৰলৈ শ্ৰদ্ধা ওপজে।

কেইদিনমানৰ পিছত মই অফিচতে আছিলোঁ। এটা অদ্ভুত অনুৰোধ লৈ পিটাৰ মোৰ ওচৰলৈ আহিল। তাক কেইটামান টকা লাগে, বৰ বিপদ হৈছে। কাম কৰা এসপ্তাহেই হোৱা নাই; দৰমহা লাগেই।

পিটাৰৰ মুখলৈ চালো। আতুৰৰ বেদনাৰে মলিন সেই মুখ। পিটাৰৰ নিশ্চয় সঁচাকৈয়ে কিবা ডাঙৰ বিপদ। পিটাৰ মোৰ কৰ্মচাৰী। সহায় কৰাটো মোৰ কৰ্ত্তব্য। তাৰোপৰি কিয় জানো এইকেইদিনৰ ভিতৰতে পিটাৰৰ প্ৰতি মোৰ এটি অচিন মৰম উপজিছিল। হয়তো তাৰ কামৰ বাবে, তাৰ ব্যৱহাৰৰ বাবে; তাৰ বেদনাতুৰ মুখমণ্ডলৰ আকৰ্ষণৰ বাবে।

টকা কুৰিটা উলিয়াই দিলোঁ।

পিটাৰে এবাৰ মোৰফালে চালে, কৃতজ্ঞতা ভৰা চাৱনি। মোৰ মনটো ভাল লাগিছিল উদাৰতাৰে মহীয়ান হৈছো বুলি নহয়, পিটাৰৰ চকুৰে মুখে বিৰিঙি উঠা আনন্দৰ হাঁহিটো দেখি। পিটাৰৰ দৰে নিষ্ঠাবান কৰ্মী এজনক আনন্দত ৰাখিব পৰাটো মোৰ নিজৰ গৌৰব।

টকা লৈ পিটাৰ গ'লগৈ। কিন্তু সি যি গ'ল পিছদিনা আৰু উভতি নাহিল। দ্বিতীয় দিনাও আহিব আহিব বুলি বাট চালো, পিটাৰ নাহিল। তাৰ পিছদিনাও। তাৰ পিছদিনাও।

পিটাৰৰ প্ৰতি মোৰ সকলো ধাৰণাই যেন সলনি হৈ গ'ল। ক'ৰবাৰ নিবনুৱা এটা উতনুৱা ভেকাই মোক অজলা পাতি থৈ টকা লৈ

গুছি গ'ল। মই হাঁহি হাঁহি নিজে থগ খালোঁ। নিজৰ ওপৰতে মোৰ খং উঠি গ'ল। নিজৰ মূৰ্খামিৰ বাবে, সৎ বিশ্বাসৰ কাৰণে অসতৰ হাতত প্ৰবঞ্চিত হোৱা বাবে।

চিনাত মোৰ ভুল হৈছিল, পিটাৰ ৰাতিৰ পৃথিবীৰ মানুহ। দিনৰ পোহৰত সি বেছি দিন থাকিব নোৱাৰাটোৱেই স্বাভাৱিক। ৰাতিৰ পৃথিবীখন যিয়ে এবাৰ আপোন কৰি লৈছে, দিন তাৰ বাবে চিৰদিনেই অসহনীয়। পিটাৰ সেইদলৰ এজন, যিদলে দিনৰ দিনটো টোপনিয়াই ৰাতিৰ মদৰ আড্ডাত বহাৰ কথা ভাবে। কাম ইহঁতে নাজানে; সেইকথা নহয়। ইহঁতে সকলো কামেই জানে কিন্তু কোনো কামতেই একানপতীয়াকৈ লাগি থাকিব নোৱাৰে। দুই এদিন অ'ত ত'ত কাম কৰি ইহঁতে অলপ পইচা আৰ্জে আৰু ৰাতিৰ বজাৰত সেইখিনি নিঃশেষ নহয়মানে আৰু কামৰ কথা নাভাবে। টকা শেষ হলে পেটৰ ভোকে হয়তো পিটাৰক আকৌ ওভোতাই আনিব।

পিটাৰ কিন্তু নাহিল। অৱশ্যে অহাৰ কথা ভাবিও মোৰ লাভ নাই। কাৰণ পিটাৰ যদি আহেও কেতিয়াবা যি আকৌ যাবলৈকে আহিব।

কিন্তু হঠাতে এদিন পিটাৰক লগ পাই গলো। মই কিবা কামত সেইফালে গৈছিলো। আবেলি। ঠাইডোখৰ দেখিয়েই মোৰ মনত পৰিছিল ঘট্ ঘট্‌কৈ চলি থকা মিলটো, ৰাতিৰ সেই চাহদোকান খন, সেই অন্ধকাৰ গলিপথ, পিটাৰ, মেৰী আৰু সেই বুঢ়ীজনী। আৰু ৰাতিৰ বৰষুণজাক। মই এনেয়ে এবাৰ ওপৰলৈ চালোঁ। নাই। আজি আৰু বৰষুণ নাহে। ফৰকাল আকাশ।

পিছফালৰ পৰা কোনোবাই মতা শুনিলোঁ। 'চাৰ'। ঘূৰি চাই দেখো পিটাৰ। সেই একেই কড'ৰ ক'লা পেণ্ট, সেই একেটা লেতেৰা বগা চাৰ্ট। পিটাৰে দুখ কৰি ক'লে যে সি কামলৈ যাব পৰা নাই। আনকি খবৰো এটা পঠাব পৰা নাই। মই নিশ্চয় খুব খং কৰিছোঁ। তাক যেন মই কামৰ পৰা খেদাই নিদিওঁ, যিমান সোনকালে পাৰি সি আকৌ কামলৈ যাব। খং মোৰ

উঠিছিল সঁচাই। পিটাৰক কি ক'ম ভাবিলোঁ। এনেতে দোকানৰ পিছফালৰ পৰা উধাতু খাই লৰি আহিল মেৰী। 'আহাচোন, পিটাৰ আহা, মাৰ অসুখ আকৌ বেছি হৈছে।'

হঠাতে পৰিস্থিতিটো অন্য ধৰণৰ হৈ পৰিল। পিটাৰক ক'ম বুলি ভবা কথাষাৰ পাহৰি গলো। ছোৱালীজনীৰ পিছে পিছে মাথো আমি মানে পিটাৰ আৰু মই সোমাই গলো সেই ৰাতিৰ জুপুৰীটোলৈ।

দুয়োকো যেন আজি নতুনকৈ চিনিব নোৱাৰা হৈ গলোঁ। মোৰ মাথো মনত পৰিল এটা বৰষুণৰ ৰাতি, যি ৰাতি এজন অচিনাকি মানুহে মোক এটি অচিনাকি জুপুৰীলৈ মাতি লৈ গৈছিল, য'ত বাস কৰে মানুহ আছিলেই উঠি ভিতৰ সোমোৱা এজনী কেতোৰ ক'লী বুঢ়ী, হয়তো ক'ৰবাৰ কুজি তিৰোতা আৰু য'ত বাস কৰে এজনী বগা ধুনীয়া, তক্তা এখনত লেম্ লৈ মাজনিশালৈকে কিতাপ পঢ়া গাভৰু আৰু এজৰ ল'ৰা—পিটাৰ। তাৰ বাহিৰে মই আৰু একো ভাবিব নোৱাৰিলোঁ।

মেৰীয়ে এবাল্টি পানী আনিলে। বুঢ়ীৰ মুৰটো গাৰুৰ সৈতে বিচনাৰ একাষলৈ আনি পিটাৰক 'উদ্দেশ্য কৰি কলে— তুমি ঔষধটো লৈ আহাঁগৈ। মই ইয়াত যি কৰিব লাগে কৰিম।

পিটাৰ বেগা-বেগীকৈ ওলাই গ'ল। মেৰীয়ে বুঢ়ীৰ মুৰত পানী ঢালিবলৈ ধৰিলে। মাজে মাজে কপালত হাত বুলাই মাতে—'মা'

বুঢ়ীয়ে চকুমেলি মুৰ দুপিয়াই। গাতলৈ'সোমাই যোৱা দুটা চকু। সিদিনা ৰাতি দেখাতকৈ বহু খিণাই যোৱা যেন লাগিল আজি শুকান গালমুখ আৰু ওখ হনুদুটাৰে বুঢ়ীৰ এণ্ডাৰ কলা মুখখনলৈ চাবলৈ ভয় লাগে। আসন্ন মৃত্যুৰ প্ৰতিচ্ছবি যেন সেই মুখত বিৰাজমান।

কিন্তু এই বুঢ়ীজনী মেৰীৰ মাক হ'ল কেনেকৈ? দুয়োৰো চেহেৰা, গাৰ বৰণ আৰু মুখমণ্ডললৈ চাই বুঢ়ীক মেৰীৰ মাক বুলি ভাবিবৰ অকণো থল নাই। যিমানেই মই বুঢ়ী আৰু মেৰীলৈ চালোঁ, সিমানেই এই ধাৰণা স্পষ্টতৰ হৈ আহিবলৈ ধৰিলে। এক ৰহস্যঘন পৰিস্থিতিৰ মাজত মোৰ চিন্তাই যেন বাট হেৰুৱালে। মেৰী, পিটাৰ

আৰু এই বুঢ়ীজনীৰ মাজৰ সম্বন্ধটোই সিহঁতৰ বিষয়ে মোৰ কৌতুহল তীব্রতৰ কৰি তুলিলে। অথচ মেৰীয়ে 'মা' বুলি মতা বুঢ়ীজনী মেৰীৰ মাক হয়নে নহয় সেইকথা মেৰীক সোধা নেযায়।

বুঢ়ী লাহে লাহে শান্ত হৈছিল। চকুদুটা মুদখাই আছিছিল। হয়তো টোপনি যাব, বিশেষ টান অসুখ নহয়, মই ভাবিলো।

আজিও কথা আৰম্ভ কৰিলে মেৰীয়েই। পিটাৰে এইকেইদিন আপোনালৈ বৰ ভয় কৰি আছে। তাক আপুনি চাকৰিৰ পৰা খেদাই নিদিব। চাকৰি গলে সি বলীয়া হৈ যাব।

মই সুধিলো— অসুখ কেতিয়াৰ পৰা?

কেবাদিনো হ'ল। মাৰ এইটো পুৰণি অসুখ। বাগিচাত থকাৰে পৰা।

আপোনালোক আগেয়ে বাগিচাত আছিল?

আপুনি নেজানে?

অহো।

অ' মই ভাবিছিলো পিটাৰে আপোনক সকলো কৈছে। আগেয়ে বাগিছাতেই আমাৰ ঘৰ আছিল। ছোৱালীজনীয়ে বাগিছা এখনৰ নাম কলে। বাগিছাতেই আমাৰ জন্ম, তাতেই ডাঙৰ দীঘল হৈছো। সৰুৰে পৰা টাউন চহৰ বৰকৈ দেখা নাই। ইয়ালৈ আহি সেইবাবেই প্ৰথমে বৰ অসুবিধাত পৰিছিলো, তিনিও। বিশেষ চিনি জানি নাপাও, জনাশুনা মানুহো নাই কোনো। হঠাতে এঠাইৰ পৰা আহি নতুন ঠাইত থাকিবলৈ হলে এনে বিপদ হয়েই। বুইছে।

হঠাতেনো আপোনালোক গুচি আহিল কিয়?

হঠাতেই আহিলো অবশ্যে। কিন্তু আমি ঠিক অহা নাই। আমাক খেদিহে দিছে।

খেদি দিছে!

হয় মা, পিটাৰ আৰু মোক। সেই বাগিছাৰে মেনেজাৰে অৰ্থাৎ মোৰ দেউতাই।

মই আচৰিত হৈ এবাৰ মেৰীৰ মুখলৈ আৰু এবাৰ বুঢ়ীজনীৰ

মুখলৈ চালো। বাগিছাৰ মেনেজাৰৰ ছোৱালী এইজনী মেৰী আৰু মেৰীৰ মাক এই বিছনাত পৰি থকা বেমাৰী বুঢ়ীজনী।

মা আৰু পিটাৰক খুব মৰম কৰিছিল দেউতাই। ভাইটিৰ জন্মৰ পিছৰ পৰাই পিটাৰৰ প্ৰতি দেউতাৰ মৰম কমি আহিবলৈ ধৰিলে। অকল কমাই নহয়, প্ৰথমতে ডাবি ধমকি আৰু তাৰ পিছত মাৰ-পিট আৰম্ভ হ'ল। অলপ কথাতে দেউতাৰ খং উঠে আৰু খং উঠে সদায় পিটাৰৰ ওপৰত। তেতিয়াও দেউতাই মাক খুব মৰম কৰিছিল। কিন্তু এদিন কিবা কাৰণত খং উঠি দেউতাই মাকো খুব মাৰিলে। ইমান দিন পিটাৰ মনে মনে আছিল। সকলো মাৰ-পিট পিঠি পাতি সহ্য কৰিছিল। সেইদিনা পিটাৰৰো খং উঠিল। সি দেউতাকৰ লগত তৰ্ক কৰিলে। দেউতাই তাক ঘৰৰ পৰা ওলাই আহিবলৈ কলে, মাকো। আমি গুছি আহিলো।

কেৱল খং কৰি গুছি আহিবলৈ কোৱা বাবেই আপোনালোক নিজৰ ঘৰ এৰি গুছি আহিলনে?

যি খং কেতিয়াও মাৰ নেযায় তাক কেৱল খং বুলিয়েই উলাই কৰিব নোৱাৰি। দেউতাই হয়তো আগৰে পৰাই বিচাৰিছিল আমি গুছি অহাটো। সিদিনাৰ ঘটনা সেই কথা শুনাই দিয়াৰ এটা সুযোগ মাত্ৰ।

মই একো নকলোঁ।

দেউতাই খেদি দিলে কি হ'ল, আমিতো জীয়াই আছোঁ তথাপিও। এখন ঘৰৰ অভাৱত বা অকণ আশ্ৰয়ৰ অভাৱত মানুহ নমৰে কাৰণে সকলো আশ্ৰয়ৰ ওপৰত অন্য এজনৰ আশ্ৰয় আছে।

ছোৱালীজনীয়ে যীশুৰ নাম ললে।

ইমানপৰে বুঢ়ীয়ে চকু মুদি টোপনি গৈছিল। চকু মেলি এইবাৰ সেহাই সেহাই আৰম্ভ কৰিলে— বুজিছা বোপা, মানুহৰ সমান আন একোৱে মানুহক উৎপীড়ন নকৰে। তুমি পিটাৰৰ বন্ধু, তাৰ আশ্ৰয়ো। গতিকে আমাৰো আশ্ৰয়। তোমাক সকলো কব পাৰি।

মেৰীয়ে বুঢ়ীৰ মুখৰ কাপোৰখন তিয়াই দি কলে— তুমি বেছিকৈ কথা নকবা মা। অসুখ বেছি হব।

মই কবই লাগিব মেৰী, চিৰদিনৰ বাবে মুখ বন্ধ হৈ যোৱাৰ আগতে সকলো কৈ নগলে মই মৰিম কেনেকৈ ?

বুঢ়ীয়ে বাগৰ সলাই কলে— মেৰীয়ে তোমাক কবলৈ লাজ কৰিছে। কিন্তু লাজ যাৰ হেৰাল, সি আৰু লাজ কৰি কি হ'ব ? মোৰ লাজ নাই, মোৰ সঙ্কোচ নাই। মেৰী মোৰ ছোৱালী নহয়, পিটাৰহে মোৰ ল'ৰা। মেৰী চাহাবৰ দ্বিতীয় পক্ষৰ ছোৱালী। মই জানিছিলো চাহাবে এদিন সেইটো কৰিব। চাহাবক মই আগতেই মানা কৰিছিলো। চাহাব মানুহ তেওঁ, মই সৰু মানুহৰ ছোৱালী, কুলীৰ ছোৱালী। মোক লোভ কৰি তেওঁৰ কি হব ? কিন্তু চাহাবে নুশুনিলে। মোক নি ঘৰ সুমুৱালে।

ৰাজহুৱাভাৱে আমাৰ বিয়া হোৱা নাছিল যদিও সকলোৱে জানিছিল যে আমাৰ মাজৰ সম্বন্ধ স্বামী-স্ত্ৰীৰ সম্বন্ধৰ বাহিৰে আন একো নাছিল। বুঢ়ীৰ ভাগৰ লাগিছিল। অলপ ৰৈ আকৌ আৰম্ভ কৰিলে—পিটাৰৰ জন্ম হ'ল। সকলোৱে ভাবিলে যে আমাৰ সংসাৰ স্থায়ী হ'ল। অন্ততঃ চাহাবৰ আচৰণত সেই কথাই ফুটি উঠিল। কিন্তু দিন সলনি হ'ল। মানুহৰ দিন তেনেকৈ সলনি হয়েই। সেই বাগিছালৈ এটি ইংৰাজ পৰিয়াল আহিল। মাক, দেউতাক আৰু গাভৰু জীয়েক। তেওঁলোক বাগিছাত বহুদিন থাকিল আৰু যোৱাৰ আগে আগে এদিন চাহাবে গাভৰুক আনি ঘৰ সুমুৱালেহি। লগে লগে মই গৃহকৰ্ত্ৰীৰ সন্মানৰ পৰা বঞ্চিত হলো। যিখন ঘৰৰ এদিন মই গৃহিণী হৈ চলাইছিলো, সেই ঘৰত মোৰ স্থান হৈ পৰিল সামান্যা চাকৰণীতকৈও নিম্নতৰ। যিটো ঘৰৰ মাজ মজিয়াত বহি মই নিজকে গৌৰবান্বিত বুলি অনুভৱ কৰিছিলো, সেই ঘৰৰ বাৰাণ্ডাতো মোৰ স্থান নোহোৱা হৈ পৰিল। চাহাবক মই বেয়া নাপালো, কাৰণ মই জানিছিলো, তেওঁৰ পক্ষে এই আচৰণ খুব স্বাভাৱিক। তথাপিও মই সেই ঘৰ এৰা নাছিলো। পিটাৰক চাহাবে মৰম কৰিছিল। সেই মৰম দেখি মোৰ প্ৰতি চাহাবৰ অৱহেলা মই পাহৰি গৈছিলো।

বুঢ়ীয়ে দীঘল দীঘলকৈ কেইবাৰমান উশাহ ললে। কম্বলখন ভালকৈ টানি লৈ আকৌ আৰম্ভ কৰিলে—মেৰীৰ জন্ম হ'ল। পিটাৰ আৰু মেৰী হালেই বৰ লগ। কেতিয়াও এৰাএৰি নহয়। মেৰী মাকতকৈ মোৰ ওচৰলৈকে আহে বেছি। মাকেও বেয়া নাপায়। চাহাবৰ লগত লাগি থাকোঁতে তেওঁৰ ছোৱালীলৈ চোৱা সময় ক্ৰমেই হয়। সেয়ে মেৰীজনী ডাঙৰ হ'ল মোৰ কোলাত, মোৰ নিজৰ ছোৱালীৰ দৰে। আজিও তাই মোৰ লগ এৰা নাই।

বুঢ়ীৰ খুব ভাগৰ লাগিছিল। কপালত বিন্দু বিন্দু ঘাম বিৰিঙিছিল। মেৰীয়ে বিচি দিছিল। বুঢ়ীৰ মাত লাহে লাহে সৰু হৈ আহিছিল।

চৈধ্য বছৰ পিছত চাহাবৰ দ্বিতীয় পুত্ৰৰ জন্ম হ'ল। সি হ'ল সাইলাখ পিটাৰৰ দৰে।

পৰিবৰ্তন হ'ল চাহাবৰ। সেই পৰিবৰ্তন প্ৰকাশ পালে খং আৰু অসন্তুষ্টিত। আমি প্ৰথমতে একো ভবা নাছিলো, ক্ৰমাৎ পিটাৰ আৰু মোৰ ওপৰত চাহাবৰ খং বেছি হবলৈ ধৰিলে। আমি অতীষ্ঠ হৈ পৰিলো আৰু সেয়ে এদিন গুছি আহিলো। চাহাবে কাক বেয়া পাইছিল কব নোৱাৰো, দ্বিতীয় পত্নীৰ প্ৰতিও তেওঁৰ মৰম যেন কমি গৈছিল। যিয়েই নহওঁক, আমি গুছি আহিছিলো। তাৰ বাবে কোনো দুখ নাই। হৈ যোৱা কথাবোৰৰ বাবে দুখ কৰি একো লাভ নাই। কিন্তু দুখ মোৰ ইহঁত দুটাৰ কাৰণে। মেৰীয়ে পঢ়িবলৈ শিকিছিল। অথচ এতিয়াও পঢ়া শেষ হোৱা নাই। পিটাৰবতো উপাৰ্জ্জন নায়েই। তাক আপুনি চাকৰিৰ পৰা খেদাই নিদিব বুজিছে। মোৰ অসুখৰ কাৰণেই সি যাব পৰা নাই। চাকৰিৰ পৰা খেদাই দিলে সি বলীয়া হব, মেৰীৰো পঢ়া নষ্ট হব। মোৰ মৃত্যু হওঁক, মোৰ মৃত্যু হওঁক। ইহঁতৰ কষ্ট হোৱাতকৈ মোৰ মৃত্যু হোৱা ভাল।

বুঢ়ী অস্থিৰ হৈছিল। মেৰীয়ে মূৰটোত ধৰি বিচি দিছিল। মই পিটাৰৰ মাক। মই তাক জানো। আন সকলোতকৈ বেছিকৈ

জানো। মই জানো তাৰ দোষ একো নাই। সি অত্যন্ত সহজ, অত্যন্ত সৰল ল'ৰা। আপুনি জানে, সৰল হোৱাটোৱেই যে আটাইতকৈ বিপদৰ কথা। গোনপটীয়া স্বভাৱটোৰ কাৰণেই বিপদৰ সীমা নাই। তাৰ সঁচা কথা কলে আপোনাক কোনে বিশ্বাস কৰিব? আপুনি যদি আনক নঠগে আইনেই আপোনাক ঠগিব। পিটাৰৰো সেয়ে হৈছে। অকপটভাবে সি সঁচা কথা কয়; গতিকে তাক কোনেও বিশ্বাস নকৰে। আপুনি মোক বিশ্বাস কৰক, পিটাৰৰ সৰলতাক বিশ্বাস কৰক। তাক আপুনি ৰাখক।

বুঢ়ীৰ চকুৰ কোণত দুটোপাল পানী জমা হৈছিল। মেৰীয়ে আঁচলেৰে বুঢ়ীৰ চকু আৰু কপাল মচি দিছিল। ঔষধ লৈ পিটাৰ সোমাই আহিছিল। মই বহি আছিলো। বেৰৰ কেলেণ্ডাৰখনত চিকাৰীৰ ভয়ত সংকুচিত হৈ মঙহাল হৰিণটোৱে জাপ মাৰি উঠিছিল।

×—×

ছায়াসঙ্গিনী

—শীলভদ্র

লিখকৰ চমু পৰিচয়---

[জন্ম ১৯২৪। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম বিভাগত এম-এ্ চি পাচ কৰি অধ্যাপনাৰে কৰ্ম জীৱনৰ পাতনি মেলে।

শীলভদ্ৰ একেধাৰে গল্পকাৰ আৰু ঔপন্যাসিক। তেওঁৰ প্ৰকাশিত উপন্যাসবোৰ হ'ল—মধুপুৰ, আগমনিৰ ঘাট, আহত গুৰি, প্ৰাচীৰ, গধূলি, অবিচ্ছিন্ন, অনুসন্ধান। গল্প সংকলন—তৰুণী কদম, উত্তৰণ, ধান্তব, শীলভদ্ৰৰ কুৰিটা গল্প, মেজাজ, বটুবাবুৰ গেৰেজ, প্ৰতীক্ষা।

শীলভদ্ৰৰ গল্পৰ এক বিশেষ ভংগী আছে যিটোৱে তেওঁক অসমীয়া গল্পকাৰ সকলৰ ভিতৰত এক স্বকীয়া স্থান দিছে। কাহিনীৰ উপস্থাপনত অভিনৱত্ব,বাকভঙ্গীৰ অনুপম বৈশিষ্ট্য আৰু কালচেতনাই তেওঁক সাম্প্ৰতিক কালৰ সৰ্বাধিক জনপ্ৰিয় গল্পকাৰ ৰূপে প্ৰতিষ্ঠা দিছে। বঙালী সাহিত্য পত্ৰিকা 'দেশ' আৰু হিন্দী সাময়িক পত্ৰিকাত শীলভদ্ৰৰ গল্পই বিশেষ সমাদৰ পাইছে।

ৰাতিপুৱা ইটো-সিটো কৰাৰ পাচত সাত বজাত মন্দিৰাই ৰমেশক মাতিলে—'উঠা উঠা। আঠ বাজিল্ কিমান শোৱা'?

লেপৰ তলৰ পৰাই ৰমেশে মাত দিলে—'এই উঠোঁ'।

পানী উতলি আছে। ষ্টোভ জ্বলি জ্বলি কেৰাচিন পুৰি শেষ হ'ল।

এই উঠিছোঁ। ৰাকাহোন তুমি চাহ, গৈছোঁ মই।

আঠ বজাত মন্দিৰাই ৰমেশৰ গাৰ পৰা লেপখন টান মাৰি লৈ কলে—নাই আৰু নহব। উঠা ইবাৰ দহ বাজিল্।

ৰমেশে চকু পিৰিক-পাৰাক কৰি বিচনাত লেপেটো কাঢ়ি বহি লেপখন গাত মেৰাই ললে।

মন্দিৰাই কলে—বাপৰে আৰু বৰ মোৰাৰি। মই চাহ থাকিলোঁ। মুখখন ধুই আহা সোনকালে।

আৰু এটা পাক মাৰি আহি মন্দিৰাই দেখিলে ৰমেশে বিচনাতে বহি আৰাম কৰি চিগাৰেট হুপি আছে। থাপ মাৰি চিগাৰেটটো ৰমেশৰ মুখৰ পৰা কাঢ়ি লৈ খিৰিকীৰে দলিয়াই ভোৰভোৰাবলৈ আৰম্ভ কৰিলে, শুদা পেটতে কিয় এইসোপা গিলিব লাগিছে ? উঠা, উঠা, দুপৰীয়ালৈ চাহৰ পানী গৰম কৰি বহি থাকিলে মোৰ নহব। কৈলাশে বজাৰৰ পৰা মাংস লৈ আহিলেই।

এইবেলি অকল মুখৰ কথাৰে নহব বুলি মন্দিৰাই হঠাতে লেপখনৰ এটা মূৰত ধৰি টান মাৰি দিলে।

ৰমেশ ভৰালীৰ প্ৰতিষ্ঠিত খেলৰ সামগ্ৰী, ৰেডিও, গ্ৰামোফোন, এইবোৰৰ ডাঙৰ দোকান আছে। সাধাৰণতে তেওঁ সোনকালেই টোপনিৰ পৰা উঠে। দোকান বন্ধ থাকিলেহে এনেকুৱা জুলুমখন আৰম্ভ কৰি দিয়ে।

ৰমেশে চাহ পানী খাই উঠি ডাঢ়ি খুৰোৱাত লাগিল। খুব মনোযোগ দি বহুত সময় ধৰি ক্ষৌৰ কাৰ্য্যত ৰত হ'ল। কাপোৰ কানি পিন্ধিবলৈ লওতে মন্দিৰাই আগচি ধৰিলে।

'কেনি যোৱা' ?

এই অলপ ফুৰি আহো।

ভাল কথা। চাবা কিন্তু, ক'ৰবাত ডাবাৰ আড্ডাত বহি দুই বজাত ঘৰ পালেহি কথা ভাল নহব।

নহয়, নহয়, মই যাম আৰু আহিম। বৰ বেছি আধাঘণ্টা।

ডেৰমান বজাত ৰমেশ চুচুক চামাকৈ ঘৰ পালেহি। কেৰাহিকৈ মন্দিৰাৰ ফালে চাই তেওঁৰ মেজাজৰ অৱস্থাটো অনুমান কৰাৰ চেষ্টা কৰিলে। মন্দিৰাৰ কিন্তু সিফালে লক্ষ্য নাই। বেলেগ বেলেগ কথাত তেওঁৰ ফাই উঠি আছে। দেখিছা ? চিত্ৰা ছোৱালী কলেজৰ প্ৰফেছাৰ হৈ ইয়ালৈ আহিব। হোষ্টেলৰ কোঠা এটা লৈ হেনো থাকিব। কিয় লাগিছে ? কোৱাচোন তুমিয়েই কোৱা। আমি থাকোতে হোষ্টেলত কিয় থাকিব লাগিছে ? আহকচোন তাই, দিম নহয় মজা।

চিত্ৰা মন্দিৰাৰ মাহীয়েকৰ ছোৱালী। ৰমেশৰ বিয়াৰ প্ৰায় এবছৰ হয়হি। কিন্তু চিত্ৰাৰ লগত এতিয়ালৈ চকুৰ দেখা দেখি হোৱা নাই। মন্দিৰাৰ বিয়াৰ আগতে দেউতাকে চিত্ৰাক কলে — তোৰ ক্লাচ ক্ষতি কৰি আগতে যাব নালাগে। বিয়াৰ আগদিনা গলেই হব। জেদতে বিয়ালৈ নগ'লই। নাযাও মই আত্মহীয় নিচিনাকৈ। অৱশ্যে মন্দিৰাৰ মুখত চিত্ৰাৰ অশেষ গুণাৱলীৰ কথা শুনি শুনি ৰমেশৰ মুখস্থ হৈ গৈছে। যোৱা বেলি এম. এ. পৰীক্ষাত ৰাজনীতি বিজ্ঞানত চিত্ৰাই প্ৰথম শ্ৰেণী পাইছে।

ৰমেশে সুধিলে — ক'ত খবৰ পালা ?

দুপৰীয়াৰ ডাকত তাইৰ চিঠি আহিছে। পৰহি আহিব।

কোন তাৰিখে লিখিছে চিঠি ?

মন্দিৰাই চিঠিখন খুলি চালে। তেওঁৰ ভুক কোঁচ খাই গ'ল।

ডিচেম্বৰৰ ত্ৰিশ তাৰিখে লিখিছে। আজি কিমান তাৰিখ ? জানুৱাৰীৰ দুই ? তাৰ মানে যোৱা কালিয়েই আহি পাইছে তাই। এতিয়ালৈ আমাৰ ইফালে এবাৰ আহিবৰ নহ'ল। ৰবা ভাল মজা দিম তাইক। যোৱা, সোনকাল কৰা। ভাত পানী খাই উঠি এতিয়াই গৈ তাইক চুলিত ধৰি টানি আনোগৈ।

ৰমেশে নিৰ্লিপ্তভাৱে কলে, ৰবা ইমান ব্যস্ত হৈছা কিয় ? আহিব। প্ৰফেছাৰ মানুহ শকত আৱত। গহীন গম্ভীৰ। খোজ কাটল তেওঁৰ অলপ লেহেম হবই।

কিহৰ শকত-আৱত ? গহীন গম্ভীৰনে হাতী ? এক নম্বৰ চঞ্চল। জপিয়াই ফুৰে কাৰণে এতিয়াও কিমান গালি খায় মাহী-দেউৰ।

আগতেও মন্দিৰাই যেতিয়া চিত্ৰাৰ ৰূপ গুণৰ প্ৰশংসা কৰিছিল, ৰমেশে তেওঁক জোকাইছিল — গুণৰ কথা কোৱা, কাণ পাতি শুনিবলৈ বাধ্য। পিছে ৰূপৰ কথাটো বিনা প্ৰতিবাদে শুনি যোৱাটো উচিত হব জানো ? ৰূপ থাকিলে কোনোবা ছোৱালী এম. এ. পঢ়িবলৈ যায় ? সুযোগেই নাপাব দেখোন। আগতে বিয়া হৈ যাব।

মন্দিৰাই জকি উঠে—হয়তো কোনে দিছে তোমাক এই বুদ্ধি ? চাবাচোন চিত্ৰাক। দেখিবা কি ধুনীয়া ছোৱালী তাই।

সঁচাই ধুনীয়া ছোৱালী। ৰমেশেতো হাঁহিয়েই অস্থিৰ। এই অকণমানি ছোৱালীজনী হেনো প্ৰফেছৰ। অহাবছৰ মেট্ৰিক পৰীক্ষা দিব বুলি কলেও আপত্তি কৰিবৰ একো নাই।

চিত্ৰা হোষ্টেলত থাকিল। থাকিলে কি হব ? ৰমেশে যেতিয়াই দেখে তেতিয়াই মন্দিৰাৰ লগতে। ক্লাচ স্টাচ লয়নে নাই ভগৱানেহে জানে। কি কথা ইমান দুয়োজনীৰ। শেষেই নহয়। কত পায় ইমান কথা। মন্দিৰাই ৰাজনীতিৰ কথা পাতেনে চিত্ৰাই ঘৰ-সংসাৰৰ কথা পাতে ? ৰমেশক হলে কথাৰ ভাগ নিদিয়ে। হুলস্থুল লগাই দিয়ে মন্দিৰাই।

তুমি যোৱাচোন, ইয়াৰ পৰা যোৱা। মাইকী মানুহৰ কথাত তোমাৰ কিয় সোমাব লাগিছে ? তোমালোকে বন্ধু বান্ধৱে কথা পাতি থাকিলে মই হেঁচা মাৰি কথা শুনিবলৈ যাওঁ নেকি ? যাওঁ ?

মন্দিৰা চিত্ৰাক লৈ মত্ত হৈ উঠিল। নতুন জগত এখন সৃষ্টি কৰি তাতেই মাজেতে সোমাই থাকিল। সেইখন জগতত ৰমেশৰ স্থান নাই। তেওঁ নিজকে নিৰাশ্ৰয় বোধ কৰিলে। মন্দিৰাই ইমানদিনে তেওঁক লৈয়েই মত্ত হৈ আছিল। চিন্তা, ভাৱনা, কাম-কাজ সকলোৱে ৰমেশক কেন্দ্ৰ কৰি। এতিয়া কেৱল চিত্ৰা। চিত্ৰাই ইটো কৰিছে, চিত্ৰাই সিটো কৈছে। কেৱল চিত্ৰা আৰু চিত্ৰা। চিত্ৰা নাথাকিলেও মন্দিৰাৰ মাজেদি তেওঁৰ উপস্থিতি অহৰ্নিশ স্পষ্টকৈ ব্যক্ত। নিৰন্তৰ তৃতীয় পক্ষৰ উপস্থিতিৰ ফলত ৰমেশ আড়ষ্ট হৈ পৰিল।

ৰমেশৰ মনটো কিবা উকঙা-উকঙা লগা হ'ল। মন্দিৰাক টানি অনাৰ চেষ্টা কৰি লাভ নাই। লগতে চিত্ৰাকো লৈ আনিব, চিত্ৰাকহে আঁতৰাই দিব লাগিব।

ৰমেশ চিত্ৰা সম্বন্ধে উৎসাহী হৈ উঠিল। চিত্ৰা ব'লা তোমাক থৈ আহো। চিত্ৰা, চাৰ্ত্ৰৰ নতুন কিতাপখন পঢ়িছা ? বাৰু মই আনি দিম।

সমাজনীতি, অৰ্থনীতি পৃথিবীৰ গোটেইখিনি সমস্যাই যেন ৰমেশক অস্থিৰ কৰি তুলিছে। মীমাংসাৰ কাৰণে ৰমেশে চিত্ৰাৰ দুৱাৰ মুখত থিয় দিছে। চিত্ৰাও উৎসাহী হৈ উঠে।

চিত্ৰা শুনা, চিত্ৰা যোৱা।

ৰমেশৰ হঠাতে চিত্ৰাৰ বাহিৰে আৰু অইন কথা নাই। দুয়োজনৰে কথা বতৰা মন্দিৰাই চুকি নেপায়। তেওঁৰ মসৃন কপালখন বৈ বৈ কোঁচ খাই উঠে। নিজকে বৰ দুৰ্বল আৰু সৰু যেন বোধ হয়। হঠাতে আক্ৰোশত তেওঁৰ চকুদুটা ধক্‌কৈ জ্বলি উঠে।

মানুহৰ অলপ কাণ্ডজ্ঞান থাকিব লাগে। চিত্ৰাক দেখিলে এনেকৈনো আত্মহাৰা হব লাগেনে? মোৰ দেখিতো লাজেই লাগে। চিত্ৰাইও বা কি ভাবে। ছিঃ! ৰমেশ উচপ্‌ খাই উঠিল।

কি কৈছা এইবোৰ?

যি দেখিছো তাকেহে কৈছো। আমি লিখা পঢ়া নজনা হোৱালী। মাছ ভাতৰ বাহিৰে কি কথা পাতিব পাৰো? পিছে এইবোৰ কথা বিয়াৰ আগতেই ভাবি চিন্তি চাব লাগিছিল। এতিয়া আক্ষেপ কৰি কি লাভ?

এইবোৰ কি যা-তা কথা কৈছা? মিছা কথালৈ কি অশান্তিৰ সৃষ্টি কৰানো? মিছাতে নিজৰো অশান্তি লোকৰো অশান্তি।

এতিয়া মইতো তোমাৰ অশান্তিৰ কাৰণ হলোঁৱেই। কি কৰিলে শান্তি পাবা নোকোৱা কিয়? কি কৰিম মই? মৰিলেহে হব।

'ধেৎতেৰি'। ৰমেশে মন্দিৰাৰ চকুপানীখিনি নেদেখিবৰ বাবে মুখ ঘূৰাই ললে।

সমস্ত খেলি মেলি হৈ গ'ল। ৰমেশ, মন্দিৰা, চিত্ৰা। মন্দিৰা চিত্ৰাৰ কাষৰ পৰা ছিটিকি আহিল। কিন্তু ছিটিকি গৈ ৰমেশৰ বিপৰীত ফালেহে পৰিল। অনিচ্ছাকৃতভাৱে কাৰোবাৰ হাত লাগি ক'ৰবাত বিহৰ পাত্ৰ এটা ভাগি বিহখিনি দিনবোৰৰ মাজত বাগৰি পৰিল। দিনবোৰ তিক্ত আৰু বিষাদ হৈ উঠিল। ক'ত হেৰাই গ'ল লঘুপক্ষ হাস্যোচ্ছল দিনবোৰ? ঘৰৰ গোমোঠা বাতাবৰণত ৰমেশ আৰু মন্দিৰা দুয়োজনেই চটফটাবলৈ ললে। এইটো ৰমেশৰ নোপোৱাৰ

বেদনা। ছিচাপৰ ভুল কৰাৰ কাৰণে পাচত আক্ষেপ আৰু ক্ষোভ। চিত্ৰায়ো নিজৰ পৰাই কিবা এটা বুজি ললে। তেৱোঁ লাহে লাহে অহা যোৱা কমাই দিলে।

এই সময়তে মন্দিৰাৰ মাক আৰু দেউতাক ছিলঙৰ পৰা আহিল। মাকে কথাৰ মূৰতে কলে— ব'ল মন্দা লগতে ব'ল। কেইদিনমান ছিলঙত থাকি আহিবি। যাবি ?

মন্দিৰাই কলে—মই কি জানো ? জোৱাঁয়েৰাক কোৱা।

ৰমেশে কলে—মই কি কম, মন্দিৰাক সুধি চাওঁক। কথাৰ গতি দেখি শাহুৱেক উদ্বিগ্ন হৈ উঠিল।

ৰমেশে মন্দিৰাক সুধিলে—কি কৰিবা, যাবা নেকি ?

মই গলে যদি শান্তি পোৱা যায়গৈ।

এইবোৰ কি কথা ? শান্তি অশান্তিৰ কি কথা ? সঁচাই যোৱাগৈ; কেইদিনমান থাকি আহা। তোমাৰো শান্তি, মোৰো শান্তি।

মন্দিৰাই হঠাতে কান্দি মুখখন ঘূৰাই ললে। ৰমেশেও মন্দিৰাৰ কান্দোন নেদেখিবৰ কাৰণে মুখ ঘূৰাই থাকিলে। যোৱাৰ আগতে ৰমেশে গম্ভীৰভাৱে সুধিলে, কেতিয়া আহিবা ?

মই কি কম ? এইটো তোমাৰ কথা।

আন্দাজ এটা দিয়াচোন। কেতিয়ামানে আহিবৰ ইচ্ছা।

মোৰ ইচ্ছালৈ কি আছে ? তোমাৰ ইচ্ছা হলেহে।

হয় নেকি ?

নহয় কি ?

বাৰু ঠিক আছে।

ৰমেশৰ মন্দিৰাক লৈ অনা নহ'ল। ভাল গাড়ী, নতুন গাড়ী। সিদিনা ছিলং ৰাস্তাৰে কিমান গাড়ী গৈছিল। টায়াৰটো খুলি এইখন গাড়ীহে তললৈ বাগৰি পৰিব লাগনে ? শহুৰেক আছিল, শাহুৱেক আছিল, সৰু খুলশালীজনীও আছিল। পুৰণি ড্ৰাইভাৰে গাড়ী চলাই আছিল। কাৰো বিশেষ একো নহ'ল। কিন্তু দুৰ্ঘটনাত মন্দিৰাৰহে মৃত্যু হব লাগেনে ? মন্দিৰাৰ প্ৰাণটোহে ইমান ঠুনুকানে ?

শোকৰ লগে লগে বিৰাট এটা সমস্যাই ৰমেশ ভৰালীক অভিভূত কৰি ৰাখিলে। মন্দিৰাই খোৱাৰ সময়ত কিয় ধৰি ললে যে ৰমেশে কেতিয়াও তেওঁক আনিবলৈ ইচ্ছা নকৰে? প্ৰমাণ পত্ৰ, ছিচাপ নিকাচ এইবোৰ খুচুৰি চোৱাৰ লজ্জাই কি তেওঁক আগুৰি ধৰিছিল? দুৰ্ঘটনাৰ ছল পাই সেই তালতে মৰি থাকিল। বাট এটা মুকলি পাই সাউৎ কৰে সৰকি গ'ল। 'মিছা কথা—মিছা কথা'।

কোনে শুনিব ৰমেশৰ কথা? মন্দিৰাটো ধৰা পোৱাৰ বাহিৰত। অন্যায় অন্যায়, ঘোৰ অন্যায়। ৰমেশক নিজৰ কথাষাৰ বুজাই দিবৰ সুযোগ এটাতো দিব লাগিছিল। মন্দিৰাৰ এইটো কি অন্যায় কৌশল? কি ধৰণৰ চালাকি?

মেজত মন্দিৰাৰ এখন ফটো আছে। হাঁহিলে তেওঁৰ সোঁফালৰ গালত এটা টোল পৰে। ৰমেশে ফটোখনৰ ফালে চাই হুমুনিয়াহ এটা কাঢ়িলে। নহয়—। হাঁহিলে সোঁফালৰ গালত টোল এটা পৰিছিল। পৰে নহয় পৰিছিলহে। মন্দিৰাৰ সম্বন্ধে চিন্তাবোৰক নতুনকৈ সজাই লব লাগিব। মন্দিৰা নাই। নাই? অসম্ভৱ। ৰমেশৰ সমস্ত সত্ত্বাৰ লগত মন্দিৰা সানমিহলি হৈ আছে। প্ৰতি কোঁহে কোঁহে তেওঁৰ প্ৰতি ৰক্ত বিন্দুত, প্ৰতিটো অণু-পৰামাণুৰ লগত মন্দিৰাৰো এটা অংশ মিশ্ৰিত হৈ আছে। মন্দিৰা আছে; ৰমেশৰ প্ৰত্যেকটো ভঙ্গীৰ লগতে আছে। তেওঁৰ বেদনা, তেওঁৰ হাঁহি, তেওঁৰ অভ্যাস, তেওঁৰ সমস্যা সকলোখিনিৰ মাজতে অজ্ঞাতে লুকাই আছে। মন্দিৰাক মনৰ পৰা আঁতৰাই দিব খুজিলে ৰমেশৰো এটা অংশ লগে লগে হেৰাই যাব। ৰমেশ নিজেও অসম্পূৰ্ণ হৈ পৰিব।

ফটোখনৰ ফালে চাই ৰমেশে কলে—মন্দিৰা শুনা। এটা মিছা অভিমানক প্ৰশ্ৰয় দি তুমি আঁতৰি গ'লা। শুনা মন্দিৰা, শুনা। মোৰ হৃদয়ত তোমাৰ বাহিৰে কাৰো স্থান নাছিল, কাৰো স্থান নহবও। কি কৰিলে তুমি বিশ্বাস কৰিবা? কোৱা। কি কৰিলে মোৰ কথাষাৰত পতিয়ন যাবা? মই প্ৰতিজ্ঞা কৰিছো — 'ভিনদেউ' —

থত মত খাই ৰমেশে ঘূৰি চালে। চিন্তা আহি দুৱাৰমুখত

থিয় দিছে। চিত্ৰাইও ৰমেশক মন্দিৰাৰ ফটোখনৰ সন্মুখত তেনেকৈ থিয় দি থকাত অলপ অপ্ৰস্তুত হৈ পৰিল। তেওঁ যেন একো দেখা নাই। সহজ হবৰ চেষ্টা কৰিলে।

ভিনদেউ।

অ' চিত্ৰা, আহা।

ধোঁৱাৰ নিচিনা, মেঘৰ নিচিনা মন্দিৰাৰ স্মৃতিয়ে মানুহজনক আচ্ছন্ন কৰি ৰাখিছে। ৰমেশক মুক্তি দিয়াৰ দায়িত্ব চিত্ৰাৰো, কাৰণ ৰমেশক মুক্তি দিলেহে পৰোক্ষভাৱে মন্দিৰাকো মুক্তি দিয়া হব।

কিনো কৰিছে? অলপ ফুৰি আহিব নেকি?

কলৈ যাবা?

নাই এনেয়ে ৰাস্তাত।

নাই নাযাওঁ।

বলক। ওলাওকচোন অলপ ফুৰি আহো।

চিত্ৰাই ৰমেশক নৈৰাশ্যৰ মাজৰ পৰা টানি বাহিৰ কৰি আনিব খুজিছে। তেওঁ মন্দিৰাক সঁচাকৈয়ে ভাল পাইছিল। মন্দিৰাৰ স্বামী ৰমেশৰ প্ৰতিও তেওঁৰ মনত স্বাভাৱিকতে সহানুভূতি আৰু সমবেদনাৰ ভাৱ আছে।

জানে 'লাষ্ট ইন দি লাইট' চিনেমাখন আহিছে। খুব নাম কৰা চিনেমা।

চালা নেকি?

নাই চোৱা। অকলে অকলে চিনেমা চাবলৈ কিবা ভাল নেলাগে।

ৰমেশে একো নামাতি মনে মনে থাকিল।

বলক আপুনি চায় যদি ময়ো চাওঁ। বৰ চাবৰ মন আছিল কিন্তু।

নাই, মোৰ চিনেমা চাবৰ মন নাই।

বলক বলক, একো নহয় চাই আহোঁগৈ।

ৰমেশ আৰু চিত্ৰা। অনন্ত স্মৃতিৰ তৰঙ্গৰ মাজতে সামান্য এডোখৰ ঠাইৰ ভঙ্গুৰ এটা আবৰণ আচুতীয়াকৈ লবৰ চেষ্টা কৰিছে।

চিত্ৰাই মাজে মাজে মন্দিৰাৰ স্মৃতিৰ প্ৰবাহক ভেটা দি ধৰে। সেই স্বেগতে ৰাজমিস্ত্ৰীয়ে কাম কৰাৰ দৰে ৰমেশে লাহে লাহে এটা আৱৰণ গাথি তুলিবলৈ লয়। স্মৃতিৰ প্ৰবাহ ফালৰি ফাটি ঠাইডোখৰ এৰাই যায়।

চিত্ৰাৰ মনতো এটা নতুন ধৰণৰ অনুভূতিৰ সঞ্চাৰ হয়। কিহৰ উত্তাপতনো নাৰীৰ কাঠিন্য হেৰাই যায়? গেলি গলি তৰল হৈ পৰে, তাৰ পাছত বাষ্পত পৰিণত হয়? তেনেকুৱা অৱস্থাত অইন এজনৰ হৃদয় কোঁহে কোঁহে সোমাই সকলোবোৰ ফাক ফুক ভৰাই পেলাব পৰাৰ অনুভূতিনো কি?

চিত্ৰা আৰু ৰমেশ। ৰমেশ পুৰুষ যদিও, বৰ দুৰ্বল। একেথৰে থিয় হৈ থকাৰ শক্তি নাই। অলপ বহিবৰ কাৰণে এখন আসন বিচাৰে। সকলো ধৰণৰ সমস্যা একৰাই স্থিৰে মূৰ গুজিবৰ কাৰণে এটা নিৰাপদ আশ্ৰয় বিচাৰে। মানসিক আৰাম আৰু নিৰাপত্তাৰ কাৰণে মনটো উন্মুখ হৈ উঠে। নিজৰ চাৰিওকাষ নতুনকৈ উত্তাপ আৰু শান্তিৰে ভৰাই তুলিব খোজে। সহজাত সুখ অন্বেষণৰ প্ৰবৃত্তি মনত গোট বান্ধি উঠে।

চিত্ৰা আৰু মন্দিৰা। মন্দিৰাই যেন চিত্ৰাৰ মাজেৰে নতুনকৈ ৰমেশৰ আগত আবিৰ্ভূত হৈছে। চিত্ৰাই যেন এটা এটাকৈ নিজৰ সমস্ত আভৰণ সলাই মন্দিৰাৰ সকলো আভৰণ লৈ মন্দিৰাৰ ৰূপতেই ৰূপায়িত হৈ উঠিবলৈ লৈছে।

ৰমেশৰ কিবা খেলি মেলি লাগি যায়। চিত্ৰাৰ ভঙ্গী, কথা বতৰা, তেওঁক আৱৰি ৰখা নিৰলস মঙ্গল কামনা দেখি চিত্ৰাৰ মুখখন মাজে মাজে মন্দিৰাৰ মুখৰ লগত একাকাৰ হৈ যায়।

সৰু সুৰা সহানুভূতি, সৰু সুৰা প্ৰশ্ৰয়, অলপ প্ৰীতি, অকণমান চেনেহ, কিছু উদ্বেগ কিছু বা ভৰ্ৎসনা, বেলেগে বেলেগে ধৰিলে অতি সমান্য অতি তুচ্ছ। কিন্তু সকলোখিনি তিলতিলকৈ জমা হৈ যোগফল যে অনন্ত অসীম হৈ উঠিবলৈ ধৰিছে।

কৈলাসে কলে— যোৱাৰাতি আপুনি ভাত-পানী নোখোৱাকৈ

শুই থাকিলে। এইবোৰ কি কথা ?

অইন এদিন চিত্ৰাই সুধিলে— কি হৈছে ? মাতটো এনেকুৱা হৈছে কিয় ?

ৰমেশে কলে— নাই একো নহয়। অলপ পানী লাগিছে।

একো নহয় মানে ? এই ঠাণ্ডাত এনেকৈ বহি আছে কিয় ? চুৱেটাৰ কোট একো পিন্ধা নাই কিয় ? দৰব কিবা খালে নে নাই ? ৰব, কৈলাশক ভিক্স এটা আনিবলৈ দিওঁ। ৰাতি ভাত খাব নালাগে। পৰঠা আৰু মাংস খাব। ভালেই হৈছে। কৈলাশক কওঁ সোনকালে মাংসখিনি লৈ আহক। ময়েই ৰান্ধি থৈ যাব পাৰিম। সি যিখনহে ৰান্ধিব।

আকৌ হয়তো এদিন চিত্ৰাই ক'ব বাৰু ইমান চিগাৰেট খায় কিয় ? খোৱা ভাল জানো ? কাগজে পত্ৰে লিখিয়েই আছে দেখোন। বেছিকৈ চিগাৰেট খোৱাটো হেনো ভাল নহয়।

ৰমেশ চঞ্চল হৈ উঠে। এইবোৰ কাৰ কথা ? চিত্ৰাই কি মন্দিৰাৰ ভাওখিনি মুখস্থ কৰি নিখুঁতভাৱে তাকেই মাতি গৈছে।

মফস্বল চহৰত দু-একাষাৰ কথা ওলাবই। চিত্ৰা কিন্তু আত্ম সমাহিত অৱস্থাত আছে। কাৰো কথাত কাণ দিয়াৰ, কাৰো দৃষ্টিৰ অৰ্থৰ বিশ্লেষণ কৰাৰ মনোযোগ নাই।

ভিনদেউ।

চিত্ৰা।

কালিলৈ মই ঘৰলৈ যাম। ৰমেশ চক্ খাই উঠিল। কিয় ? ঘৰলৈ যাবা কিয় ? উদ্বেগত ৰমেশ অস্থিৰ হৈ উঠিল।

বাঃ ! গৰমৰ বন্ধ হ'ল। ঘৰৰ পৰা পাক এটা মাৰি আহিব নেলাগে ?

ওঁ।

আপুনি খোৱা-বোৱা এইবোৰত অনিয়ম নকৰিব দেই। মই কৈলাশক কৈছো সি ঠিকমতে সকলোখিনি যোগাব।

ৰমেশৰ বুকুখন খালী খালী লাগিল। ইমানদিনে চিত্ৰাৰ ওপৰত বহুতোখিনি নিৰ্ভৰ কৰা তেওঁৰ অভ্যাসত পৰিণত হৈছে।

চিত্ৰাক কেন্দ্ৰ কৰি লাহে লাহে যিখন আবেষ্টনী গঢ়ি তুলিছে সেইখন নাথাকিলে তেওঁ জীয়াই থাকিব কেনেকৈ ? এবিধ এবিধকৈ সা-সঁজুলিও বহুতো গোটাই লৈছে। কিন্তু গোটেইখিনি লগ কৰিলে কি ৰূপ লয় ইমানদিনে সেইটো ভাবি চাবৰ প্ৰয়োজনবোধ কৰা নাই।

শঙ্কিত আৰু কাতৰ দৃষ্টিৰে তেওঁ চিত্ৰাৰ ফালে চালে। চচ্মাজোৰ খুলি মচি ললে। চিগাৰেট এটা জ্বলাই দুইটান মাৰি আঙুলিৰে জুইকুৰা পিটিকি এচট্ৰেত নেপেলাই কোঠালীৰ চুকত দলি মাৰি দিলে।

ৰুমালেৰে মুখখন মোহাৰি তেওঁ চিত্ৰাক কলে— শুনা চিত্ৰা, আমাৰ যথেষ্ট বয়স হৈছে, নহয় জানো ? কাব্য কৰাৰ কিম্বা ভাবাবেগক প্ৰশ্ৰয় দিয়াৰ প্ৰশ্ন নাই। চোজা-চুজি কথা, চোজা-চুজি উত্তৰ। এটা কথা কওঁ। বেয়া পোৱাৰ বা খং কৰাৰ একো অৰ্থ নাই। জোৰ বা দাবীৰো কথা নাই। তোমাৰ আপত্তি থাকিলে চোজা-চুজি কৈ দিবা। বচ কথা সেইখিনিতেই শেষ।

ৰমেশৰ ভনিতা শুনি চিত্ৰাৰ বুকুখন চিপিং চিপিং কৰিবলৈ ধৰিলে। গভীৰ উত্তেজনাত হাত ভৰিবোৰ অদম্যভাৱে কঁপি উঠিব খুজিলে। উত্তেজনা লুকাবৰ বাবে কঠিন সুৰতেই কলে— 'আচল কথা কি কব খুজিছে কওঁকচোন। ইমান অকাই পকাই কি কব বিচাৰিছে ?'

খং কৰাৰ একো নাই। তুমি বুজি পাইছা নে নাই, ক'ব নোৱাৰো। তোমাক এৰি থকাতো মোৰ পক্ষে বৰ কষ্টকৰ হৈ পৰিছে। তোমাৰ যদি আপত্তি নাই আমাৰ দুয়োটা জীৱন একে সূত্ৰতে বান্ধি পেলোৱাৰ অনুমতি দিয়া।

চিত্ৰাৰ মনটো উথল মাথল লাগি পৰিছে। মিশ্ৰ অনুভূতিয়ে তেওঁক আচ্ছন্ন কৰি পেলাইছে।

ৰমেশে আকৌ কলে—মনে মনে থাকিলা কিয় ? কিবা এটা উত্তৰ দিয়া। তোমাৰ যদি আপত্তি আছে কৈ দিয়া। আমি দুয়োটাই কথাষাৰ পাহৰি যাম।

চিত্ৰাৰ মুখৰ কাঠিন্যৰ ভাব থাকিয়েই গ'ল। তেওঁৰ ভাব হ'ল ৰমেশে তেওঁক বিদ্রূপ কৰিছে। অতি নিষ্ঠুৰভাবে বিদ্রূপ কৰিছে। নিজৰ প্রতি অনুকম্পাত গোটেই মনটো ভৰি পৰিল।

অতি নিস্তেজ কণ্ঠেৰে তেওঁ কলে—কিয় মোক আপুনি এনেকৈ ঠাট্টা কৰিছে? আপুনি মোক বিয়া কৰাব এই মতলব লৈ মই আপোনাৰ ইয়ালৈ আহি থকা নাই। বিশ্বাস কৰক।

আপ্রাণ চেষ্টা কৰিও ৰখাব নোৱাৰিলে—চিত্ৰাৰ দুয়োটা চকুই অশ্রুপূর্ণ হৈ উঠিল। বাধ্য হৈ ওঠ কামুৰি তেওঁ মুখখন ঘূৰাই ললে। আপোন পাহৰা হৈ মধুৰ সপোনৰ ৰাজ্যত বিচৰণ কৰি থাকোতে হঠাতে যেন সাৰ পাই নিজৰ পাৰিপাৰ্শ্বিকতা সম্পর্কে সচেতন হৈ উঠিল। ৰমেশৰ এইটো সাময়িক দুর্বলতা নে প্রেম? নে ইমান দিনে বিয়া বাৰু হোৱা নাই কাৰণে তাইৰ প্রতি একধৰণৰ পৰোক্ষ অনুকম্পা? এইবোৰ বিশ্লেষণ কৰাৰ সমস্যা ইমানদিনে অহা নাছিল। কিন্তু আজি এই সমস্যা এৰুৱাবৰ উপায় নাই। পিছে চকুপানী টোকাৰ কি আছে? উত্তেজিত হৈ উঠাৰে বা যুক্তি ক'ত? ৰমেশেতো আগতেই কৈছে আপত্তি থাকিলে কৈ দিবা, বচ কথা, সেইখিনিতেই শেষ। কিন্তু কৈ দিয়া কি ইমান সহজ?

ক্লান্তভাবে চিত্ৰাই কলে, বাৰু যাওঁ! কমালবোৰ মাজৰ ড্ৰয়াৰত আছে। লাগিলে বাহিৰ কৰি লব। ৰমেশে সুধিলে—মোৰ কথাৰ উত্তৰ দেখোন একো নিদিলা?

কি উত্তৰ দিম? আপুনিয়েই কওঁক। লাখ লাখ টকাৰ সম্পত্তি আপোনাৰ। দয়া কৰিব খুজিলে দয়াৰ পাত্রীৰ অভাব নহব।

মোক দয়া কৰিব নালাগে।

নহয় চিত্ৰা, তুমি ভুল বুজিছা। সঁচায়, মই তোমাক ভাল পাওঁ।

মন্দিৰাৰ ফটোখন এতিয়াও মেজৰ ওপৰতে আছে। চকুত উচ্ছাসিত হাঁহি, কিন্তু লগতে ভ্রূকুটি কৰি অলপ খং দেখুৱাবৰ চেষ্টাও যেন আছে। চিত্ৰাৰ দৃষ্টি ফটোখনৰ ফালে ঘূৰি গ'ল। ৰমেশে মন্দিৰাক উদ্দেশ্য কৰি কোৱা কথাষাৰ কি তির্য্যকভাবে চিত্ৰাৰ ফালে ছিটিকি আহিছে?

যদি নহয় । চিত্ৰা আতঙ্কিত হৈ উঠিল । যদি ৰমেশে গোপনপটীয়াভাৱে তেওঁকেই কৈছে । তেনেহলে ? প্ৰেমৰ প্ৰতিদান পোৱা যে ইমান বিড়ম্বনা কোনে জানিছিল ? ৰমেশে চিত্ৰাক 'ভাল পাওঁ' এইবুলি কোৱাৰ লগে লগে চিত্ৰা ভিখাৰীত পৰিণত হৈ গ'ল । গোটেই ঘটনাটো যেন অতি সস্তীয়া ধেমেলিয়া নাটকৰ মেৰুদণ্ডহীন নায়কে কোৱা প্ৰাণহীন শব্দ । কি লজ্জা ! কি লজ্জা !

ফটোত মন্দিৰাৰ দুয়ো চকুত কৌতুক বৰ বেছি ৰকমে উচ্ছসিত হৈ উঠিছে নেকি ? প্ৰেমে হেনো নাৰীক দিয়ে সম্ৰাজ্ঞীৰ মহিমা । কিন্তু ৰমেশৰ কথা শুনি চিত্ৰাই লাজতে মুখ দাঙিব নোৱাৰা হ'ল । মন্দিৰাৰ ফটোৰ সন্মুখত থোৱা ফুলদানীৰ ফুলকেইথোপা এতিয়াও মৰহি যোৱা নাই । মেজত ধূপৰ ছাই এতিয়াও অলপ পৰিয়েই আছে । মন্দিৰা বয়সত অলপ ডাঙৰ হলেও চিত্ৰাই তেওঁক কেতিয়াও বাইদেউ বুলি মতা নাছিল । দুইজনী ভিন্ন স্বভাৱৰ নাৰীৰ মাজত অচ্ছেদ্য বন্ধন এটা আছিল । আছিলনে এতিয়াও আছে ? মন্দিৰাৰ স্মৃতি ইমান ফটফটীয়া হৈ উঠিল যে চিত্ৰাই মন্দিৰাৰ চুলিখিনিৰ সুগন্ধখিনিও স্পষ্টভাৱে পাই থকা পালে । চিত্ৰা চক্ খাই উঠিল । ৰমেশৰ প্ৰেম তেনেহলে কি এটা নৈৰ্ব্যক্তিক ভাবাবেগ, এটা উত্তাপশূন্য হিমশীতল অনুভূতি ? মন্দিৰাৰ ফটোখনৰ ফালে চাই চিত্ৰাৰ গোটেই সত্ত্বা কোঁচ খাই গ'ল ।

চিত্ৰা আৰু মন্দিৰা । দুইজনীয়ে লুকাভাকু খেলিছে । চিত্ৰা আহিলে মন্দিৰা আঁতৰি যায় । আকৌ হঠাতে কোনোবা ফাঁকেদি আহি চিত্ৰাক আঁতৰাই দিয়ে । 'চিত্ৰা মই তোমাক ভাল পাওঁ' । ৰমেশে গোপনে ফুচফুচাই কয় । লগে লগে মন্দিৰাৰ ছবি চকুৰ আগত জিলিকি উঠে । চকুত হৃত সৰ্ব্বস্ব মানুহৰ বিহ্বল কাতৰ দৃষ্টি । ৰমেশে থতমত খাই তলমুৰ কৰে । নাই নাই, মিছাই কৈছে । মন্দিৰাক জোকাবৰ কাৰণেহে কৈছে । এইটো ৰমেশৰ দুষ্টালি । খুব স্পষ্টভাৱে কথাষাৰৰ পুনৰাবৃত্তি কৰে । মন্দিৰা তোমাক মই ভাল পাওঁ ।

চিত্ৰা তোমাক মই ভাল পাওঁ ।

নহয় ।

মন্দিৰা তোমাক মই ভাল পাওঁ ।

নহয়, নহয় ।

চিত্ৰা তোমাক মই ···· ···· ।

ৰমেশে মূৰটো জোকাৰি সন্মুখৰফালে চায় । এইটো বাক্য কি এটা তামাচা ?

···· ···· ···· তোমাক মই ভাল পাওঁ ।

বাক্যটোৰ আগৰখিনি শূন্য ৰখা হৈছে । শূন স্থান পূৰণ কৰা ।। কি লিখিবা চিত্ৰা নে মন্দিৰা ? পূৰণ কৰা পূৰণ কৰা । ক লিখিবা কি লিখিবা ??

মন্দিৰা ?

নহয় নহয় ।

চিত্ৰা ?

নহয় নহয় । কাটি দিছো । এয়া নতুনকৈ লিখিছো ।

মন্দিৰা ···· ···· ।

নহয় নহয়

সিদ্ধান্ত লব লাগিব । এই ক্ষেত্ৰত কোনো কমিটি নাই । কমিচন নাই, চালিচ নাই । নিজেই সিদ্ধান্ত লব লাগিব । নিজৰ মনটোক খুচৰি চোৱা । ৰমেশে স্থিৰ কৰিলে এই লৈ একোৱেই নাভাবিব । সিদ্ধান্ত লোৱা প্ৰয়োজন কি ? গোটেই সমস্যাটো মনৰ অটল গহ্বৰত ঠেলি দিয়া । গধূৰ শিলৰ দৰে পানীৰ তলত সোমাই পেলাই দিয়া । তাতেই পৰি থাকক । কিন্তু সমস্যাটো ঠেলি পেলাবৰ উপায় ক'ত ? ৰমেশক নিজৰেই যে ইয়াৰ সমিধান লাগে ।

মন্দিৰাৰ কণ্ঠস্বৰ । সোঁগালত পৰা টোল, চকুৰ দৃষ্টি, গ্ৰীবাভঙ্গী, সকলোখিনি উপাদানেই ৰমেশৰ মনৰ ভিতৰত জমা হৈ আছে । সময়ত লাহে লাহে কৰ্পূৰৰ দৰে উৰি যোৱা নাই । বাৰে বাৰে এইবোৰকে আশ্ৰয় কৰি মন্দিৰাই ৰমেশৰ আগত মূৰ্ত্ত হৈ উঠে ।

মইতো আগতেই জানিছিলো।

তুমি তেনেকৈ কবাই মন্দিৰা।

ৰমেশে চিন্তাবোৰক গোটাই লবৰ চেষ্টা কৰিলে। এজনীক ভাল পালে পাচত আন এজনীক ভাল পোৱা সম্ভৱ নহয় নেকি? হয়তো সম্ভৱ। হয়তো কিয়? নিশ্চয় সম্ভৱ। অসংখ্য উদাহৰণ আছে। কিন্তু কথা ইমান সহজ নহয়। কথা হৈছে মন্দিৰা জীয়াই থাকোতে, মন্দিৰাক ভাল পাওঁ বুলি ভাবি থাকোতেই চিন্নাক মই ভাল পাবলৈ আৰম্ভ কৰিছিলো নেকি? এইটোৱেই হ'ল ৰমেশৰ প্ৰশ্ন। গানৰ তাল কি আগতেই কাটি গৈছিল? মন্দিৰাৰ মনৰ সূক্ষ্ম যন্ত্ৰত মোৰ মনৰ দিক পৰিবৰ্ত্তনৰ খবৰ কি আগতেই ধৰা পৰি গৈছিল! মই নিজেই জনাৰ আগতেই?

মন্দিৰা থাকোতেই কি ৰমেশৰ মনত চিন্নাৰ প্ৰতি ভালপোৱাৰ গুটি এটা অলক্ষ্যে অংকুৰিত হৈ উঠিছিল? মন্দিৰাৰ উপস্থিতিত সেইটোৱে পল্লৱিত হব নোৱাৰাৰ কাৰণে কি অজ্ঞাতে ৰমেশ অধৈৰ্য্য হৈ পৰিছিল? মন্দিৰাই মিছাকৈ সন্দেহ কৰিছিল নে স্বচ্ছভাৱে নিজৰ নিস্ব ৰূপ দেখি হাঁহাকাৰ কৰি উঠিছিল? সঙ্গোপনে লুকাই ৰখা সত্যএটাৰ আবৰণ গুচাই দিব খুজিছিল কাৰণে তেওঁ কি মন্দিৰাৰ প্ৰতি ক্ৰুদ্ধ হৈ উঠিছিল? তেনেহলে সেইটোকেই পৰোক্ষভাৱে মন্দিৰাক জনাই দিয়া নহল নেকি?

মন্দিৰা, তুমি এতিয়া মোৰ হৃদয়ৰ পৰা ওলাই যোৱা; তোমাৰ আৰু ইয়াত স্থান নাই।

ৰমেশ অস্থিৰ হৈ পৰিল।

মন্দিৰা তুমি কি বিত্ত ক্লিষ্ট হৈ উচুপি উচুপি কান্দি মোৰ জীৱনৰ পৰা ওলাই যাবৰ কাৰণে সক্ৰিয়ভাৱে সাজু হবলৈ আৰম্ভ কৰিছিলা? মিছা কথা, মিছা কথা। মন্দিৰা, মই তোমাক ভাল পাওঁ।

ৰমেশে চিঞৰি উঠিল। মই তোমাক ভাল পাওঁ। কি নিষ্ঠুৰ প্ৰতাৰণা, কি মিথ্যা স্তোক। কি কঠিন উদাসীন্য অইন এজনীক বুকুত সাৱতি লৈ আবেশকুণ্ডলীৰ মাজৰ পৰা হঠাতে সাৰ

পাই ব্যস্তভাৱে কৈ দিয়া মন্দিৰা তোমাক মই ভাল পাওঁ। সাধাৰণ সতৰ্কতাৰো কি অৱকাশ বা প্ৰয়োজন নাই?

ৰমেশে বাৰে বাৰে মন্দিৰাক টানি টানি আনিছে।

শুনা মন্দিৰা, শুনা। তুমি বৰ ভুল কৰিছিলা। চিত্ৰাক মই আগতে ভালপোৱা নাছিলো, এতিয়াহে .... । ৰ'বা, ৰ'বা, নাযাবা। অলপ শুনাচোন। কথাষাৰ বিশ্বাস কৰা।

ৰমেশৰ মাতত কিন্তু প্ৰত্যয় নাই। তুমি বৰ একে ধৰণৰ ধাৰণা লৈ আছা আজলী কৰ'বাৰ। ধৰা, চিত্ৰাক ভাল পাওঁ; সেই বুলি তোমাক ভাল নাপাওঁ বুলি কিয় ধৰি লৈছা? মুখখন ঘূৰোৱাচোন, চোৱাচোন ইফালে। সদায় একেধৰণে জেদী আৰু অভিমানী হৈয়েই থাকিলা।

ৰমেশৰ বুকুখন অসহ্যধৰণে টনটনাই উঠিল। স্ফুৰিত অধৰ, অশ্ৰুভাৰাক্ৰান্ত নয়ন, অভিমানেৰে আহৰণ কৰা কাঠিন্যৰ আবৰণ লৈ তুমি মোৰ আগত যেতিয়া থিয় দিছিলা, তেতিয়া মই কি তোমাক জোনবাই আনি দিম বুলি মিছাই ভুৱা দিছিলো। তোমাৰ জীৱন পাত্ৰৰ ৰস কি মোৰ চিত্ৰাক নোপোৱাৰ অজ্ঞাত হুমুনিয়াহৰ পৰশত শুকাই যাবলৈ ধৰিছিল? তোমাক যেতিয়া ভালপাওঁ বুলি বুকুৰ মাজত টানি লৈছিলো তেতিয়া কি তুমি উন্মোচিত হৃদয়ত চিত্ৰাৰ কিলাকুটিৰ আঘাত পাই অজ্ঞাত বেদনাত নিৰৱে কেঁকাই উঠিছিলা?

মন্দিৰাৰ মৃত্যুত ৰমেশ শোকত অভিভূত হৈ পৰিছিল; কিন্তু কন্দা নাছিল। শোকৰ লগত অলপ অভিমানো আছিল, অলপ খঙো আছিল। এক তৰফা ৰায় দি মন্দিৰাই তেওঁৰ প্ৰতি এটা অবিচাৰ কৰি গৈছে। এনে এটা ভাবো মনত লুকাই আছিল। বিনাদোষে হঠাতে চক্‌খাই থত্‌-মত লগা অৱস্থা। শোকখিনি অভিমানৰ লগত মিলি শিলৰ দৰে টান হৈ তেওঁৰ বুকুখনক হেঁচামাৰি ধৰি আছিল। আজিহে ৰমেশ ভৱালীৰ চকুৰে চকুপানী ওলাবলৈ ধৰিলে। ইমানদিনৰ পাচত যেন শিলটো গলি গলি তেওঁৰ চকুৰে ওলাই পৰিছে। মন্দিৰাৰ মৃত্যুৰ পাচত এই প্ৰথম ৰমেশে সঁচাকৈ অলপ শান্তি পালে। ৰমেশৰ অনুমান হ'ল মন্দিৰায়ো যেন অলপ শান্তি পাইছে। বিনাদ্বিধাই তেওঁ কলে—মন্দিৰা, তোমাক মই ভাল পাওঁ।

—+—

বুৰঞ্জী দাহ

—অতুলানন্দ গোস্বামী

লিখকৰ চমু পৰিচয়—

[জন্ম ১৯৩৫। পিতা নৰেন্দ্ৰ নাথ দেৱ গোস্বামী। মাতা শ্ৰীমতী কামদা দেৱী। কলা আৰু বিজ্ঞান দুয়োটা বিষয়তে স্নাতক। শ্ৰীগোস্বামী অসম চৰকাৰৰ কৰ বিভাগৰ বিষয়া। ইংৰাজী, হিন্দী, বঙালী আৰু উৰিয়া ভাষাৰ ওপৰত দখল থকা লিখকে অসমীয়া গল্প সাহিত্যালৈ মৌলিক গল্পৰ উপৰিও উক্ত ভাষাসমূহৰ বিভিন্ন গল্পৰ অনুদিত ৰূপৰ অৱদান আগবঢ়াইছে। হামদৈ পুলৰ জোন, পদ্ম, ৰাজপাত, পলাতক আদি উৎকৃষ্ট গল্প সমূহৰ সংকলন।

শ্ৰীগোস্বামীৰ গল্পত মানৱীয় আবেদনসমূহ অতি সংবেদনশীল ৰূপত প্ৰকাশ পাইছে। গল্পসমূহৰ এই গুণৰ কাৰণেই অসমৰ বাহিৰৰ বিভিন্ন বঙালী, তেলেগু আৰু ইংৰাজী আলোচনীত অনুদিত হৈ প্ৰকাশিত হৈছে।

প্ৰিয়ব্ৰত অবাক হৈছিল প্ৰথমতে। তেওঁক দায়িত্বটো কিয় দিব লগা হৈছিল? সমাজ সেৱাৰ অঙ্গ বুলি ধৰিছে নেকি মানুহে এই কামটোও! হবও পাৰে।

সবিতা বাইদেউৰ অসুখ নহল যেনিবা কিবা এটা সাংঘাতিক অঘটনহে ঘটিল। গোটেই কলেজৰ ল'ৰা-ছোৱালীবোৰ পাগল। ষ্টাফৰ মানুহবোৰো কিবা। প্ৰিন্সিপালে নিজে আগবাঢ়ি আহি কৈছিলহি— 'ডেকা ল'ৰা, পাবা। অলপ চোৱা-চিতা কৰিবা।'

প্ৰিন্সিপাল এই বছৰেই যাব কলেজৰ পৰা। এবছৰ বেছি হলেই গভৰ্ণিং বডিয়ে প্ৰস্তাব লৈ ম্যাদ বঢ়াই দিছে। আৰু দিয়াৰ কথা আছিল, চৰকাৰী নীতিয়ে নিদিয়ে। তেনে এজন মানুহে দায়িত্বটো দিয়া বাবেই ডেকা অধ্যাপক প্ৰিয়ব্ৰত গৈছিল সবিতা বাইদেউৰ ঘৰলৈ।

বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা, সবিতা বাইদেউ। কিবা অসুখ হৈছে। বহুতে কেন্সাৰ বুলি ভাবিছে। স্পষ্টকৈ কোৱা নাই

প্ৰতিয়াও। চোৰা-চিতা কৰা মানুহ বোলে নায়েই। বনকৰা মানুহ এজনী আছে। ঘৰখন চায়। বজাৰ সমাৰো কৰে। পিছে এনে সংকট চম্ভালিব নোৱাৰে।

প্ৰিয়ব্ৰত আচৰিত হয়। কোনো নাইনে বাইদেউৰ! ককাই ভাই, ভাগিন, ভতিজা? কোনেও কব নোৱাৰে। ষ্টাফৰ কেবাজনকো সুধিছিল। কোনেও ভালকৈ কব নোৱাৰে।

আচলতে নতুনকৈ কলেজত সোমায়ে ভাল লাগিছিল মানুহ-গৰাকীক। সকলোৰে প্ৰায় একে মন্তব্য সেই বিষয়ত। হাঁহি এটাৰে জনোৱা সম্ভাষণটোৰে সকলোকে আকৰ্ষণ কৰিছিল। বাইদেউৰ সেই হাঁহিটো ছাত্ৰ শিক্ষক সকলোৰে মনত গভীৰ চাপ হৈ ৰৈ যায়। সেয়েহে গোটেই কলেজখন উৎকণ্ঠিত হৈ পৰিছে। হলেও একেবাৰে নতুন অধ্যাপক প্ৰিয়ব্ৰতক বৰ্ত্তমান ভূমিকা দিয়াত কাৰ কি স্বাৰ্থ থাকিব পাৰে? সবিতা বাইদেউৰ এদিনৰ ব্যৱহাৰটোৱেই যদি এই ভূমিকাৰ কাৰণ হয়, প্ৰিয়ব্ৰতৰ মাতিবলৈ একো নাথাকে।

কামত সোমাইছেহে। নিজৰ বিভাগৰ অধ্যাপক অধ্যাপিকা সকলোৰে লগত চিনাকি হ'ল। লাহে লাহে বাকীবোৰৰ লগতো। সবিতা বাইদেউৰ কাষ চাপি চিনাকি হ'বলৈ যাওতে, প্ৰিয়ব্ৰতৰ আজি মনত পৰিছে, তেওঁৰ হাঁহিটোহে যেন মানুহগৰাকীৰ মুখ এৰি আগ বাঢ়ি আহিছিল। প্ৰিয়ব্ৰত মোহিত হৈছিল মানুহগৰাকীৰ ব্যক্তিত্বত। ওচৰতে বহুৱাই লৈ চিনাকি লৈছিল। মাজতে এবাৰ যেন চক্ খাই নিস্প্ৰভ হৈ পৰিছিল বাইদেউ। পিছমুহূৰ্ততে আকৌ সপ্ৰতিভ হৈ প্ৰিয়ব্ৰতৰ গালেমুখে হাত বুলাই অকণমান লৰা এটাক মৰম কৰাৰ দৰে কৰিছিল। কথাটো দুই একৰ চকুত পৰিছিল।

'তোমাক বৰ মৰম কৰেহে বাইদেৱে।' প্ৰিন্সিপেলে কৈছিল। আচৰিত, প্ৰিন্সিপেলেও বাইদেউ বুলি মাতে। বয়স নিশ্চয় কম হ'ব বাইদেউৰ। তথাপি সকলোৰে লগত এক হৈ প্ৰিন্সিপেলেও তেওঁখতক বাইদেউ বুলিয়ে মাতে। 'তুমি পাৰিবা। কামো নাই লাগে তোমাৰে সেইদৰে।'

'হব চাৰ।' প্ৰিয়ব্ৰতে শলাগি থৈছিল। ডেকা ল'ৰা। অকলে থাকে। বিয়াবাৰুও কৰোৱা নাই। কিয় নোৱাৰিব!

প্ৰায় ঠেকত পৰিয়ে প্ৰিয়ব্ৰতে ভাৰটো লৈছিল। ভাৰ মানে বাইদেউৰ ঘৰলৈ পুৱা গধূলি একোবাৰকৈ যোৱা, ডাক্তৰ, দৰৱ, পথ্য এইবোৰ বিষয়ত খবৰ ৰখা আৰু বাইদেৱে কিবা কলে বা বিচাৰিলে তাকে কৰা বা বিচাৰি দিয়া। মঠতে বাইদেউৰ হৈ দায়িত্ব লৈ দিব লাগে।

সেইটোৱেই প্ৰশ্ন আছিল। প্ৰিন্সিপেলক সোধোতে, হাঁহি মাৰি কৈছিল—'ক'ৰ পৰা হ'ব। বাইদেউৰ বিয়াই হোৱা নাছিল। প্ৰিয়ব্ৰতে সুধিছিল বাইদেউৰ নিজৰ স্বামী বা ল'ৰা-ছোৱালীৰ ঠিকনা কিবা জানেনে নেজানে চাৰে। বাইদেউৰ বিয়া নোহোৱা কথাটো চাৰে ভালকৈ জানে। আৰু কথা সুধিবলৈ ভাল নালাগিল প্ৰিয়ব্ৰতৰ।

প্ৰিয়ব্ৰতৰ গ্ৰুপ কেপ্তেইন হৈ পৰিল। কলেজৰ ল'ৰা-ছোৱালী এটা নহয় এটা থাকেই। কাম এটা পাচিলে একেলগে কেবাটাও ওলায়। সবিতা বাইদেৱে ভাল পাইছিল। প্ৰিয়ব্ৰতৰো ভাল লাগিছিল। বাইদেৱে প্ৰথমতে সেই একেদৰে হাঁহিটো মাৰি কৈছিল— 'একো হোৱা নাইহে মোৰ। পাৰিম। এই আছেই নহয়।'

পিছে নহয়। এদিন সেই বন কৰা মানুহজনীয়েই কলেজত প্ৰিন্সিপেলক লগ ধৰি কৈ আহিলগৈ, বাইদেউৰ বোলে বৰ অসুখ। সেইটোৱে আছিল সূচনা।

গধূলি হলে ল'ৰা-ছোৱালীবোৰ যায়গৈ। কলেজৰ আন আন অধ্যাপক অধ্যাপিকা আছে। খবৰ কৰে। দিহা দিয়ে। দি প্ৰিয়ব্ৰতক কৈ যায়, 'তুমি আছাই নহয়; আমি আছোঁৱেই। আহি থাকিম।'

এনেকৈহে কয় যেন প্ৰিয়ব্ৰত এইখন ঘৰৰে ল'ৰা।

ঘৰখন সৰু। বাইদেৱে হাউছিঙৰ ধাৰ লৈ সজোৱা। ধাৰ মৰিল কেতিয়াবাই। পিছত বহুত সুবিধা কৰি লোৱা হৈছে। বন কৰা মানুহজনী যোৱাবাৰ তেৰ বছৰমানৰ পৰা আছে বাইদেউৰ লগত।

সেইবোৰ কথা কৈছিল বাইদেউৱে নিজে। একোদিনা গাটো ভাল লাগিলে পিছফালে গাৰু কেইটা ওখকৈ লৈ, তাতে আঁউজি বহে বাইদেউ। কাগজ পঢ়ে। কিতাপো পঢ়ে। প্ৰিয়ব্ৰত থাকিলে বিছনাৰ কাষলৈ চকী এখন আনি লৈ বহে। বাইদেউৰে মন গলে মুৰত হাতখন থ'ব পৰা দূৰত্বত।

বহুত কথা ক'ব খোজে। প্ৰিয়ব্ৰতে বাধা দিয়ে। কিন্তু বাধা নিদিয়াকৈ কেতিয়াবা বাইদেউ নিজেই ৰৈ যায়। বিশেষকৈ যেতিয়াই প্ৰিয়ব্ৰতৰ মুখত বাইদেউৰ নিজৰ ঘৰ, পৰিয়াল আদিৰ কথা ওলায়।

বুৰঞ্জী বোলে ৰজা মহাৰজাৰ হ'লেহে শুনি ভাল লাগে। কথা ঘূৰাই বাইদেউৱে ফৰাচী বিপ্লৱৰ কথা উলিয়াই। আজৰি পালেই কিবা কিতাপ এখন নে দুখনৰ নাম কৈ, পঢ়িবলৈ কয়।

অকল সেয়াই নহয়। প্ৰিয়ব্ৰতক ছেগ পালেই বিশ্বদ্যালয়লৈ গৈ গৱেষণাৰ কথাটো স্থিৰ কৰি থৈ আহিবলৈ কুটুৰি থাকে বাইদেউৱে।

তেনেকুৱা কথাৰ মাজতে কোনোবা এদিন তই 'বুলি' পেলালে বাইদেউৱে প্ৰিয়ব্ৰতক। কেতিয়া, কেনেকৈ, কোনেও গমেই নাপালে। প্ৰিয়ব্ৰতৰ বৰ ভাল লাগিছিল। মানুহগৰাকীক বৰ আপোন যেন লাগি গৈছিল। অকলশৰীয়াকৈ থকা কথা। ঘৰৰ পৰা যোগা-যোগটো হৈ থাকে যদিও, দূৰত। ইয়াত, কামৰ ঠাইত এইজনী মানুহ যে এনেকৈ ইমান আপোন হৈ পৰিব প্ৰিয়ব্ৰতৰ ধাৰণাৰ অতীত আছিল। কিন্তু এই সান্নিধ্য আনি দিলে অসুখে, সেইকথাৰ মাজে মাজে মনলৈ নহা নহয়।

মাকলৈ চিঠি লিখি ইটো সিটো কথা জনাই আছিল প্ৰিয়ই। কলেজৰ এগৰাকী অকলশৰীয়া অধ্যাপিকাক সহায় কৰিবলৈ লৈ যোৱা আনন্দৰ কথাও লিখিছিল।

এই আনন্দ প্ৰকাশ পাইছিল বাইদেউৰ আল-পৈছান ধৰাত। বাইদেউৰ বাবে অকণমান সুখ, অকণমান আৰাম, অকণমান উপসম পাব পৰা কি উপায় হ'ব পাৰে ভাবি নিজেই বাচি কেইটামান কাম কৰি

দিছিল। বাইদেউৰ তুলিখন সলাই দিছিল, কোঠাটোৰ বস্-বস্তুবোৰ ইফাল সিফাল কৰি, আন এটা কোঠালৈ নি, বিছনাখনক কেউফালে মুকলি কৰি দিছিল। গধূলি ধূপ কেইডালমান জ্বলাই দিবলৈ মানুহ-জনীক বিশেষভাবে নিৰ্দ্দেশ দিছিল। কেৰাহী এখনত কাঠ-কয়লাৰ জুই একুৰা সন্ধ্যা হলেই জ্বলাই বিছনাৰ কাষতে থোওৱাৰ ব্যৱস্থা কৰিছিল। আন কি, এদিন বাইদেৱে একো খাবৰ মন যোৱা নাই বোলোতে প্ৰিয়ব্ৰতে নিজে চামুচেৰে বাইদেউক গাখীৰেৰে মণ্ড কৰি দিয়া ভাত এমুঠি খুৱাই দিছিল।

বাইদেউৰ চকুৰপৰা ওলোৱা পানী দুধাৰ বৈয়ে থাকিল, কোনেও মচাৰ কথা নাভাবিলে।

বাইদেউ দিনে দিনে অৱশ হৈ আহিল। ডাক্তৰ, দৰৱ, এক্স-ৰে এইবোৰে একো কাম নিদিয়া যেন লাগিল। কলেজৰ কমনৰূমত এদিন প্ৰিন্সিপেলৰ উপস্থিতিতে আলোচনা হৈছিল বাইদেউক বাহিৰলৈ ক'ৰবালৈ লৈ যোৱা উচিত হ'ব নে নহয় বা তেনে কৰা সম্ভৱ হ'বনে? প্ৰিয়ব্ৰতৰ সন্মতি লোৱা হৈছিল, সম্ভৱ হ'লে লগত যাবলৈ।

বাইদেউ সন্মত নহ'ল।

সেইবাবেই পৰিচৰ্য্যাৰ দৈনন্দিন কাৰ্য্য-সূচী একেদৰেই চলি থাকিল। ৰাতি বেছি হবলৈ নিদিয়াকৈ বাইদেউক পথ্য দিয়াৰ দিহা কৰি আৰু ৰাতি দিব লগা দৰৱ থাকিলে বিমলাক দেখুৱাই থৈ প্ৰিয়ব্ৰত ঘৰলৈ যায়গৈ। প্ৰিন্সিপেলে কোৱাৰ দৰে বাইদেৱেও কৈছিল প্ৰিয়ব্ৰতক তাতে থাকিবলৈ। আহিম বুলিও কৈছিল প্ৰিয়ব্ৰতে। অহা হোৱা নাছিল।

এদিন প্ৰিয়ব্ৰতৰ ঘৰৰ ওচৰতে কিবা অনুষ্ঠান এটাত লাগি থাকিব লগা হোৱা বাবে গধূলি নাহিব বুলি কৈ গৈছিল। কিন্তু অনুষ্ঠান ভাগিলত প্ৰিয়ব্ৰতৰ এবাৰ বাইদেউক চাই যাবৰ মন গ'ল। ৰাতি বেছি হোৱা নাছিল। বিমলা শোৱাই নাই। বাইদেউকহে কেতিয়াবাই শুৱাই দিয়াৰ কথা।

প্ৰিয়ব্ৰতক দেখি বিমলা আচৰিত হোৱা যেন লাগিল।

সেই সময়ত প্ৰিয়ব্ৰতৰ আগমন যেন বাঞ্চনীয় নাছিল। এখন্তেকলৈ প্ৰিয়ব্ৰতৰ তেনে যেনেই লাগিল। পিছে গুণ্য নকৰি বাইদেউৰ কোঠালৈ সোমাই গ'ল। সন্তৰ্পণে, কোনো শব্দ নকৰাকৈ। বিমলা পিছে পিছে আহিল।

প্ৰিয়ব্ৰত অবাক হ'ল। কেৰাহীৰ আঙঠাকেইটা ৰঙা হৈ জ্বলি আছে। সেইবোৰ নুমোৱাৰ কথা এই সময়ত। বাইদেউ টোপনিত নে অৱশ হৈ অচেতন। কিন্তু আচৰিত। প্ৰিয়ব্ৰতে আনি দিয়া মূৰ শিতানৰ লাইটটো জ্বলি আছে। ওচৰ চাপি গৈ দেখে বাইদেউৰ বুকুখনৰ ওপৰতে এজাপ চিঠি। পুৰণি। অকণমান সময় চায়েই প্ৰিয়ব্ৰতে ধৰিব পাৰিলে বাইদেৱে পুৰণি চিঠিবোৰ উলিয়াই এখন এখনকৈ পঢ়িছিল। তাকে কৰি ভাগৰ লাগি চেতনাকে হেৰুৱালে, নহলে গভীৰভাৱে টোপনি গ'ল।

আৰু অলপ আগবাঢ়ি প্ৰিয়ব্ৰতে বাইদেউৰ গাৰ পৰা চিঠিৰ জাপটো লাহেকৈ আঁতৰাই আনিবলৈ গৈহে গোন্ধটো পালে। বিমলা দূৰতে থিয় হৈ থাকিল। কি কৰিব নকৰিব ঠিক কৰিব নোৱাৰি মানুহজনী অলৰ হৈ গ'ল।

গোন্ধটো কাগজ পোৰা। ঘপকৈ ধৰিব পাৰিলে প্ৰিয়ব্ৰতে। বাইদেৱে চিঠিবোৰ পঢ়ি এখন এখনকৈ পুৰি গৈছিল। কিমান পুৰিলে ক'ব নোৱাৰি। অবাক হৈ বিমলালৈ চালে প্ৰিয়ব্ৰতে। কোঠাৰ মূল লাইটটো জ্বলোৱা নাছিল। বাইদেউৰ মূৰ শিতানৰ লাইটে বিমলাৰ মুখে স'তে দেখাকৈ পোহৰ পেলোৱা নাছিল বাবে একো ধৰিব নোৱাৰিলে।

ইঙ্গিতেৰে জুইকুৰা অকণমান আঁতৰাই থবলৈ কৈ, বাইদেউৰ বুকুৰ ওপৰত থকা চিঠিকেইখন লাহেকৈ দাঙি আনি কাষৰ মেজখনত থৈ দিলে। মূৰ শিতানৰ লাইটটো নুমাই দিলে। তাকে কৰিবলৈ হাত মেলোতেই চকুত পৰিল মাটিত এখন চিঠিৰ টুকুৰা এটা আধাপোৰা হৈ পৰি আছে। অনুচিত কৌতুহল বুলি জানিও টুকুৰাটো হাতলৈ তুলি ললে প্ৰিয়ব্ৰতে। নিচেই অকণমান টুকুৰাটো। কেইটামান

মাত্র আখৰ থাকি গ'ল। সেইকেইটাকে পঢ়িয়ে প্ৰিয়ব্ৰত ঠক্‌ঠককৈ কঁপিবলৈ ধৰিলে। বুকুখন কিবা এটা অজান শঙ্কাত হেন্দুলি উঠিল। সঁচানে!

টুকুৰাটোত তিনিশাৰি কথা বাচি গ'ল। প্ৰথম শাৰি আছিল— 'আকুল হৈ বাট চাই থাকিম। ইতি'— নিশ্চয় উত্তৰৰ বাবে। দ্বিতীয় শাৰীত আছিল— 'তোমাৰ মৰমৰ।' আৰু শেষৰ শাৰিত আছিল— বোমাটো 'সত্যব্ৰত।'

প্ৰিয়ব্ৰতৰ বুকুখনত তোলপাৰ লাগি গ'ল। পোন হৈ থিয় হ'ব নোৱাৰা যেন লাগিল। কঁপা হাতেৰে খপ্‌জপ্‌কৈ মেজখনৰ পৰা একেলগে কেইখনমান চিঠি তুলি ললে। আনৌ হাতত সাৰে ভৰিত সাৰে কোঠাৰ পৰা ওলাই গ'ল। বিমলাই অকঁৰাৰ দৰে চায়ে থাকিল।

আনটো কোঠাতে মানুহবোৰ বহেহি। এচুকত এখন হেলনীয়া চকীৰে এটা লেম্পহোল্ড আছে। কাষতে এখন সৰু মেজ। বাইদেৱে পঢ়া মেজ। তাতে বহি ললে প্ৰিয়ব্ৰতে।

কোনো সন্দেহ নাথাকিল। ৩০/৩২ বছৰ আগৰ চিঠি। বিলাতৰ পৰা অহাও আছিল দুখন নে তিনিখন।

এখন বিৰাট পট ভাহি উঠিল প্ৰিয়ব্ৰতৰ চকুৰ আগত। এখন ৰঙীন ছবি। এফালৰ পৰা লিখা হলেও, তাতে সুন্দৰকৈ ফুটি উঠিছে দুটি প্ৰাণৰ ব্যাকুল বিচ্ছেদ। সাগৰ-পৰ্বত নদীৰ ব্যৱধানে আঁতৰোৱা নহয়, এটা অবিশ্বাস্য সংঘটনে ঘটোৱা বিচ্ছেদ।

দুয়োপক্ষই নিশ্চয় অনিবাৰ্য বুলি মানি লৈছিল, কিন্তু এডাল ছিঙিব নোৱাৰা, চকুৰে মণিব নোৱাৰা জৰীৰ বাবে যেন ইজন সিজনৰ পৰা আঁতৰি যাব পৰা নাছিল। কোনোবা এখনত কালিদাসৰ উদ্ধৃতি দেখি প্ৰিয়ব্ৰত আচৰিত হ'ল।

'চক্ৰবাকী দৰে হই বিয়োগিনী
মই প্ৰাণ সখা দূৰত দেখি
নিমাত ভাবেৰে থকা তেৱেঁ মোৰ
জানিবা দ্বিতীয় জীৱটি সখি।'

এই উদ্ধৃতিৰ পিছত লিখা আছিল, 'কালিদাসৰ যক্ষই মেঘক কাকুতি কৰিছিল। মই এই চিঠিখনকে সোনকালে উত্তৰ এটা পঠিয়াই দিবলৈ খাটিছোঁ।'

কালিদাসৰ সেৱা অনুপ্ৰবেশ, এনে ধাৰণা হ'ল প্ৰিয়ব্ৰতৰ। গোটেই কেইখন চিঠি পঢ়িব নোৱাৰিলে। প্ৰায় দুঘণ্টামানৰ মূৰত আকৌ একে সতৰ্কতাৰে বাইদেউৰ বিছনাৰ কাষলৈ গ'ল প্ৰিয়ব্ৰত। বাইদেউৰ গভীৰ টোপনি। চিঠি কেইখন, লগতে মেজৰ ওপৰত এৰি থৈ যোৱা আন কেইখনো, একেলগে প্ৰথমতে আহি দেখা দৰে বাইদেউৰ বুকুৰ ওপৰত থৈ দিলে। ইতিমধ্যে নুমাই ছাই হোৱা জুইৰ কেৰাহীখন আগৰ ঠাইলৈ আনি থৈ দিলেহি। থৈ লাহে লাহে ওলাই গ'ল কোঠাৰ পৰা।

ৰাতি নিজম হ'ল। ঘৰলৈ যাবগৈ জানো প্ৰিয়ব্ৰত এনে সময়ত? বিমলাৰ সাৰ-সুৰ নাই। নিশ্চয় টোপনি গ'ল। আগতে বহা চকীখনলৈ ঘূৰি গ'ল প্ৰিয়ব্ৰত। দুৰ্বল, অৱশভাৱে নিজকে এৰি দিলে চকীখনত। চকু দুটা মুদি ভাবিবলৈ চেষ্টা কৰিলে দুঘণ্টাৰ অতীতত লাভ কৰা অভিজ্ঞতাৰ কথা। কি হ'ল এয়া? কি কৰিব পাৰে প্ৰিয়ব্ৰতে এই বিষয়ত? মনৰ এই সময়ৰ ধুমুহাজাক কেনেকৈ শাঁত পেলাব? বিবুধি হৈ সৰু মেজখনতে দুইহাতৰ মাজত মূৰটো থৈ থৰ হৈ বহি থাকিল। সেইদৰেই, কেতিয়া ক'ব নোৱাৰে, প্ৰিয়ব্ৰতৰ নিজৰো টোপনি ধৰিলে।

দুই কি তিনি বাজি গ'ল হ'বলা। বাইদেৱে সাৰ পালে। পায়েই হাতৰ তলত থকা কাগজৰ খচখচনি এটাৰ উমান পাওঁতেই মনত পৰিল শুবলৈ গৈয়ে আৰম্ভ কৰা কামটো। ৰাতি যে ইমান হ'ল ধৰিব নোৱাৰিলে। ভাবিলে তেওঁ চিঠি পঢ়িয়ে আছে আৰু বিমলালৈ একোবাৰ চাই, সেইখন মাটিত থকা জুইৰ কেৰাহীখনলৈ পেলাই আছে। ভালকৈ চকু মেলি গম পালে বিমলা নাই কোঠাত। জুই-কুৰাও নুমাল। শুলেগৈ চাগে মানুহজনী। তেতিয়াই মন কৰিলে বাহিৰৰ কোঠাৰ লাইটটো জ্বলি আছে। লাহেকৈ মাত লগালে—'বিমলা ....।'

বিমলা শহাকনীয়া। সাউতকৈ উঠি আহিল। 'বহা কোঠাৰ লাইটটো নুনুমালি দেখোন ?'

'প্ৰিয় বোপা আছে।'
'ৰাতি কিমান হ'ল ?'
'পুৱাবৰে হ'ল নেকি !'

'কি ?' বুলি বাইদেৱে প্ৰায় চিঞৰি দিলে। 'কেলেই, প্ৰিয় নাহে বুলি কৈছিল নহয় ! এইবোৰ মোহোৰ। জাপি আকৌ আগৰ ঠাইত ... ।' বাইদেউৰ কথা শেষ হোৱাৰ আগতে কোঠাৰ লাইটটো জ্বলি উঠিল। দুইচবড'ৰ কাষত থিয় হৈ প্ৰিয়ব্ৰত।

কিবা এটা আতংকতহে যেন বাইদেৱে চিঠিবোৰ খামুচি ধৰি মুঠিতে লুকাবলৈ যত্ন কৰিলে। প্ৰিয় আগবাঢ়ি গ'ল। চকুদুটা ৰঙা। গালত শুকান চকুপানীৰ দাগ স্পষ্টকৈ দেখা গৈছে। বিছনাৰ কাষ পাই বাইদেউৰ অসুখত মোলান পৰা মুখলৈ চাই থাকিল বহুত পৰ। বাইদেৱে গাত বল পোৱাহেঁতেন জাঁপ মাৰি উঠিলেহেঁতেন। শক্তি নাই। টোপনিয়ে ঘূৰাই দিয়া বলখিনি আকৌ যেন শেষ হৈ গ'ল। প্ৰিয়ব্ৰতৰ মুখলৈ চাই থাকি, আধফুটা মাতেৰে এবাৰ কলে—'ইমান ৰাতিখন .... ?'

মাটিতে আঠু পেলাই বহি ললে প্ৰিয়ব্ৰতে। দুইখন হাতেৰে বাইদেউৰ অৱশ হাতদুটা চাকি ধৰিলে। চকু দুটা আকৌ চলচলীয়া হৈ গ'ল। থোকাথুকি মাতেৰে কলে—'মই কব নোৱাৰাকৈয়ে চিঠিবোৰ পঢ়ি পেলালো।'

বাইদেউ স্তম্ভীত হৈ গ'ল। আকৌ যেন চেতনা হেৰাব এই মুহূৰ্তত। দুৰ্বল দেহাটো জোকাৰ খাই কঁপি উঠিল। কপালত সেই জাৰতো পোহৰ পৰি জিলিকিব পৰা ঘামৰ কণিকা দেখা গ'ল। মুখত মাথো এষাৰ কথাহে ওলাল—'নহয় নহয় .... ।'

বিছনাতে মুখখন গুজি দিলে প্ৰিয়ব্ৰতে।

দুয়ো সাৰে থাকিল। দুয়োৰে তেজৰ গতি তীব্ৰ হ'ল। দুয়োৰে বুকুত তোলপাৰ লাগিল। কিন্তু বাহিৰত কাৰো কোনো অনুভূতিয়েই প্ৰকাশ নহ'ল। সেই অৱস্থাতে ৰাতি পুৱাল।

কুছিফুলৰ শোতাৰে শব্দ নকৰাকৈ বিমলাই সেইটো কোঠাও সাৰি থৈ গ'ল। দুয়ো গম পাইছিল, কাৰো চকু মেলি সজাগ হবৰ ইচ্ছা নহ'ল। চকু মুদিয়ে বাইদেৱে শান্তভাৱে প্ৰথম মাতষাৰ দিলে। 'সজ্ঞানে থাকোঁতেই মই — — ।'

বাইদেৱে সজ্ঞান অৱস্থাতে চিঠিৰ টোপোলটো পুৰি পেলোৱাৰ কথা ভাবিছিল। প্ৰিয়ব্ৰত নথকা ছেগ এটালৈ বাট চাই থাকি আগ ৰাতি কামটো কৰিবলৈ ঠিক কৰিছিল। পলকতে সেই কাম হৈ গ'লহেঁতেন। নহ'ল। দুখনমান পুৰণি চিঠি পঢ়ি চাবৰ বৰ মন গ'ল বাইদেউৰ। পঢ়ি এখন এখনকৈ পুৰি গৈছিল। ভমকৈ জুই উঠিলে বিমলাই পানী এছাটি মাৰি নুমাই দিছিল।

চিঠি একোখন পঢ়িলেই উত্তেজনাত বাইদেউৰ উশাহ ছুটি হয়। তলৰ ওঠটো কমুৰি ধৰে। হাতেৰে চিঠিখন মোহাৰি লাড়ু এটা কৰি জুইলৈ পেলাই দিয়ে। তাকে কৰোতে যেন গাৰ সংগ্ৰহ একণহে আজোৰ মাৰি ছিডি জুইত দিছিল বাইদেৱে।

উত্তেজনাত অৱশ হৈ এসময়ত হাতখন দাঙিব নোৱাৰা হ'ল। চেতনাই হেৰাল নে টোপনিয়েই হেঁচা মাৰি ধৰিলে; বাইদেউ বুৰঞ্জীদাহ প্ৰচেষ্টাৰ পৰা বিৰত হ'ল।

'তই কিন্তু ভুল নুবুজিবি।' বাইদেৱে এসময়ত প্ৰিয়ব্ৰতক কৈছিল। 'সত্যৰ কোনো হাত নাছিল পৰিস্থিতিৰ আকস্মিক পৰিবৰ্তনত। মই মনে প্ৰাণে সেই কথা বিশ্বাস কৰোঁ। এতিয়াও। সেইবাবেই নিজে আঁতৰি আহিলোঁ। সদায় আকুলভাৱে ঈশ্বৰক খাটোঁ সত্যব্ৰতৰ যেন মঙ্গল হয়। তেওঁ যেন সুখী হয়। হৈছে নে নাই চাবলৈ কাহানিও আগবাঢ়ি যাব খোজা নাছিলোঁ। খবৰ কৰা নাছিলো। খবৰবোৰ আপোনা আপুনিআহি আছিল। সত্যব্ৰত বিলাতৰ পৰা ঘূৰি আহি ডিগবৈত কামত সোমোৱালৈকে জানিছিলোঁ ……।

প্ৰিয়ব্ৰতে বাইদেউৰ হাতদুখন জোৰেৰে খামুচি ধৰিলে।

সেইদিনাই প্ৰিয়ব্ৰত বাইদেউৰ ঘৰলৈ উঠি আহিল।

তাৰ পিছৰটো সোমবাৰে হ'বলা। ঘৰৰ পৰা চিঠি পালে

এখন প্ৰিয়ব্ৰতে। অবাক হৈ দেখিলে মাকৰ খনৰ লগতে আৰু এখন চিঠি। দেউতাকে লিখিছে। দেউতাকে প্ৰিয়ব্ৰতলৈ চিঠি নিলিখেই। কলেজত বিজ্ঞান নলৈ কলা বিভাগত নাম লগাওঁতেই দেউতাকে প্ৰিয়ব্ৰতক অকৰ্মন্য বুলি ধৰি লৈছিল। প্ৰশাসনৰ চাকৰি বিচাৰি প্ৰতিযোগিতা নকৰি শিক্ষকতা কৰিবলৈ লোৱা দেখি সেই বিশ্বাস আৰু দৃঢ় হৈছিল দেউতাকৰ। সফল, কৰ্মক্ষম দেউতাকে শিক্ষক হবলৈ লোৱা পুতেকৰ উন্নতিৰ আশা নেদেখি দুখতে চিঠি-পত্ৰ দিয়াৰ পৰা বিৰত আছিল। জনাব লগা সকলো কথা প্ৰিয়ব্ৰতৰ মাকৰ চিঠিতে জনোৱা হৈছিল।

সেই দেউতাকেই চিঠি দিছে—

'মাৰলৈ লিখা চিঠিত তোৰ চিনিয়ৰ কলীগৰ কথা জানি বেয়া লাগিল। মানুহগৰাকী বৰ অকলশৰীয়া। তই তেখেতৰ সহায় হোৱা বুলি জানি ভাল পাইছোঁ ....।'

পিছৰখিনি নপঢ়াকৈয়ে চিঠিখন বাইদেউক পঢ়িবলৈ দিলেগৈ প্ৰিয়ব্ৰতে। বাইদেউৱে চিঠিখন পঢ়িলে। পঢ়ি, প্ৰিয়ব্ৰতক নিদি তাৰে নিজৰ মুখখনকে ঢাকি ধৰিলে।

কিবা এটা সংকোচ লাগিল, প্ৰিয়ব্ৰত ওলাই আহি বাৰাণ্ডাত বহি আছিল। কোনোবা এসময়ত বিমলা আহি দেউতাকৰ চিঠিখন দি থৈ গ'লহি।

সেই দুষাৰ কথা পঢ়ি প্ৰিয়ব্ৰতে মনত পেলালে তেওঁৰ নিজৰ ল'ৰাকালৰ কথাবোৰ। দেউতাক-মাকৰ সম্পৰ্কৰ কথাটোৱে বৰকৈ বিন্ধিছে এই মুহূৰ্তত। দুয়োৰে মাজত সদ্ভাৱ, সৌহাৰ্দ্য অটুত আছিল যদিও, আজি উপলব্ধি হৈছে প্ৰিয়ব্ৰতৰ, কিবা এটাৰ যেন অভাৱ আছিল। অভাৱ আছিল সান্নিধ্যৰ নিবিড়তাৰ।

'তোক চাবলৈ মাৰক লৈ যোৱাৰ কথা ভাবিছিলোঁ।' চিঠিৰ বাকী ছোৱা পঢ়ি গ'ল প্ৰিয়ব্ৰতে। 'অহা একৈছ তাৰিখে আবেলি পাবগৈ পাৰো। আশাকৰোঁ তই কুশলে আছ। তোৰ বাইদেউ-গৰাকীক ভালকৈ চাবি। ইতি—

তোৰ—

'সত্যব্ৰত'

সংস্কাৰ

ড° মামণি ৰয়ছম গোস্বামী।

লিখকৰ চমু পৰিচয় —

মামণি ৰয়ছম গোস্বামী নামেৰে জনাজাত ইন্দিৰা গোস্বামী শিক্ষাবিদ উমাকান্ত গোস্বামীৰ কন্যা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম-এ পাছ কৰি অসম চৰকাৰৰ বৃত্তি পাই বৃন্দাবনৰ Institute of Oriental Phelosophyত অসমীয়া ৰামায়ণ সম্পৰ্কে গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে। সম্প্ৰতি তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ Modern Indian Language বিভাগৰ ৰীডাৰ।

• ড° গোস্বামী এক প্ৰতিভাশালী কথাশিল্পী। তেওঁৰ গল্প আৰু উপন্যাসসমূহত তেওঁৰ এই প্ৰতিভা পৰিস্ফুট হৈ উঠিছে। তেওঁৰ প্ৰকাশিত গল্পপুথি হ'ল চিনাকী মৰম, কইনা। ইয়াৰ উপৰি তেওঁৰ প্ৰেমচন্দৰ গল্প, 'জাতক কথা' অনূদিত গল্পৰ সংকলন। উপন্যাসিকা হিচাপে তেওঁ বিশেষ কৃতিত্ব দেখুৱাইছে নীলকণ্ঠ ব্ৰজ, মামৰে ধৰা তৰোৱাল, অহিৰণ, দঁতাল হাতীৰ উঁইয়ে খোৱা হাওদা' আদি উপন্যাস ৰচনাত, অসমীয়া সাহিত্য সম্পৰ্কে বিবিধ গৱেষণামূলক প্ৰবন্ধই তেওঁৰ অধ্যয়নশীল মনৰ স্বাক্ষৰ বহন কৰিছে। তেওঁৰ বহুতো গল্প আৰু উপন্যাসে ভাৰতৰ বিভিন্ন ভাষালৈ অনূদিত হৈ তেওঁক এক সৰ্বভাৰতীয় লিখিকাৰ মৰ্য্যদা দিছে। বলিষ্ঠ ৰচনভঙ্গী, মানৱীয় আবেদন অনুভূতিৰ উজ্বল প্ৰকাশ তথা পীড়িতজনৰ প্ৰতি প্ৰকাশ পোৱা সহানুভূতিয়ে তেওঁৰ গল্পসমূহক অসমীয়া সাহিত্যত এক স্বকীয়া স্থান দিছে।

ঘৰৰ সন্মুখত পীতাম্বৰ মহাজন বহি আছিল। বোকাৰে লেটি-পেটি হোৱা জোতাযোৰ সি তেতিয়াও খুলি থোৱা নাছিল। এই চামৰাৰ জোতাযোৰৰ প্ৰতি তাৰ এক ধৰণৰ দুৰ্বলতা আছিল। পীতাম্বৰৰ বয়স যাঠিৰ ওচৰ চাপিছিল। এসময়ত সি হৃষ্ট-পুষ্ট পাহৱান পুৰুষ আছিল। এতিয়া চিন্তা-ভাৱনা আৰু এক ধৰণৰ অসন্তুষ্টিৰ কবলত পৰি মানুহটোৰ স্বাস্থ্য পৰি আহিছিল। খুতুৰিৰ তলৰ মাংসপেসী তললৈ ওলমি পৰিছিল। মানুহৰ লগত মুৰ তুলি কথা

পাতিৰ নোৱাৰিছিল। দৃষ্টি অহৰহ মাটিত নিবিষ্ট আছিল। যেন মাটিৰ তলত কুৰুকি কুৰুকি এই দৃষ্টিয়ে কিবা বুটলিবৰ চেষ্টা কৰিছিল।

ঘৰৰ সন্মুখত কিছুদিন আগেয়ে কটা চেগুন গছ এজোপাৰ গুৰিটোত বহি পীতাম্বৰে আলিৰ দুয়ো দাঁতিৰ খালত বৰশী বাই থকা ল'ৰা-ছোৱালীবোৰৰ ৰেহ-ৰূপ চাই আছিল। এইকেইদিন একে লেথাৰিয়ে বৰষুণ হোৱা বাবে গোটেই গাওঁখনেই বোকাময় হৈ পৰিছিল। কেঁচা আলিটোৰ দুয়োকাষে জাৰ্মান বন, কচু, ভতৰা পানেৰীলতা, কলমৌ, হেলেচি, নলকচু ইত্যাদি গছ ভৰি পৰিছিল। পাতবেংবোৰে আলিৰ এটা খালৰ পৰা আনটো খাললৈ জঁপিয়াই ফুৰিছিল।

নলকচু এজোপাৰ লগত জোট-পোট লগা বৰশী এডাল টানি থকা ল'ৰা এটালৈ আজি বৰ কৌতুহলেৰে পীতাম্বৰে চাই আছিল। হঠাৎ এটা গলগলীয়া কণ্ঠত পীতাম্বৰৰ ধ্যান ভঙ্গ হ'ল। মুখ তুলি চাই সি দেখিলে কৃষ্ণকান্ত পুৰোহিত আহি তাৰ ওচৰত উপস্থিত হৈছে। কৃষ্ণকান্তই ক'লে—

—কাৰ ঘৰৰ কাৰ মাণিক,
কোনে খেদাই পানীক।
হাতবাউ দি মাতি আন
চুমা খাওঁ খানিক।

'পীতাম্বৰ তোমাৰ নিজৰ ল'ৰা-ছোৱালীতো নায়েই। পৰৰ ল'ৰা-ছোৱালীতেই দেখোন মচগুল হৈ আছা? মই এইফালে যাওঁতেও তোমাক এনেদৰে বহি থকা দেখিছিলো—এতিয়া আহোঁতেও একেদৰে বহি থকা দেখিছো। পিছে তোমাৰ মানুহজনীয়ে উঠা-বহা কৰি ফুৰিব পাৰিছেনে?'

'নাই, ক'ত উঠি ফুৰিব পাৰিব। ভৰি-হাত ফুলি তোপ্দা-কাৰ হৈ আছে।

'এইবাৰৰ সৈতে ফুৰিবাৰ ওৰাহাটীলৈ অহা-যোৱা কৰা হ'ল।'

'ল'ৰা-ছোৱালীও আৰু হোৱাৰ আশা নাই—নহয়নে? তোমাৰ বংশ নবল। বৰ দুখৰ কথা।'

পীতাম্বৰে হুমুনিয়াহ এটা ক্লাড়িলে। কৃষ্ণকান্তই কিছুসময় তাৰ ওচৰত থিয় হৈ থাকিল। পুৰোহিতে আঁঠুৰ ওপৰত ধুতি এখন পিন্ধিছিল। এবাৰ একেবাৰেই পুৰণি পাঞ্জাবী এটাও পিন্ধিছিল। পাঞ্জাবীটো ইমান পুৰণি আছিল যে তাৰ ৰং শুকানলৈ দিয়া কোমোৰা গুটিৰ দৰে হৈ পৰিছিল। কান্ধত চাদৰো আছিল। কৃষ্ণকান্তৰ সন্মুখৰ দুটা দাঁতহে বাকী আছিল। ফলত গাল দুখন একেবাৰে আল হৈ গৈছিল। কথা কওঁতে মুখখনে এটা বিচিত্ৰ ভঙ্গী ধাৰণ কৰিছিল। চকু দুটাত অহৰহ এটা ধূৰ্ত চাৱনিয়ে তিৰ-বিৰাই আছিল। মূৰৰ চুলি পাতল হৈ গৈ মূৰৰ তালু স্পষ্ট কৰি পেলাইছিল। সোঁমাজতে সেওঁতা ফলা বাবে তেওঁৰ ধূৰ্ত চকুযোৰ যেন আৰু স্পষ্ট হৈ উঠিছিল। এইবাৰ তেওঁ পীতাম্বৰৰ কাণৰ ওচৰলৈ হাউলি আহি ফুচফুচাই কোৱাৰ দৰে ক'লে, 'পিছে পৰিবাৰৰ কিবা এটা হ'লে বিয়া-বাৰুৰ চিন্তা কৰিছা নেকি?'

পীতাম্বৰে কান্ধত লৈ থকা চাদৰেৰে মুখখন মচি কিবা এটা উত্তৰ দিব খুজিছিল। এনেতে হঠাৎ তাৰ চকু দময়ন্তীৰ ওপৰত পৰিল। অলপতে বিধবা হোৱা দময়ন্তী শম্ভু পুৰোহিতৰ সহধৰ্মিণী আছিল। তাইৰ স্বভাব-চৰিত্ৰ ভাল নাছিল। বিধবা হোৱাৰ পাছত তাই গাঁৱৰ ডেকাবোৰৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছিল। তাইক দেখি কৃষ্ণকান্তই ক'লে, 'ক'ৰ পৰা আহিলি, দময়ন্তী?'

'ক'ৰ পৰা আহিম আৰু? দেখা নাই হাতত এইবোৰ এৰীৰ পলু?'

'ভেতিয়াহ'লে সেই মাৰোৱাৰী সদাগৰইতৰ ঘৰত সনা-পিঠা হৈ পৰিছ নহয়নে? সেয়ে কৰ্ম-কাৰ্য্যৰ বুজিয়া তাও, হাগৰো পথালে পাব।'

দময়ন্তীয়ে কোনো উত্তৰ নিদিলে, কিন্তু মেখেলাৰ তলৰ পাৰিটোৰ ভিতি যোৱা অংশটো এইখিনিতে তাই হাতেৰে চেপি ধ'লে। কঁকালৰ পৰা বুকুলৈ তাইৰ ব্লাউজটো কোঁচ খাই উঠি থ'ল। কটা জাৰি কোমোৰাৰ বুকুৰ দৰে বৰণৰ, হাতৰ মুঠিত লুকাব খোজা দময়ন্তীৰ ক'কালখন পীতাম্বৰ আৰু কৃষ্ণকান্তৰ চকুত পৰিল।

পীতাম্বৰে চায়ে থাকিল, কৃষ্ণকান্তই অৱশ্যে তকু আতিব্যাং আনিলে। তাৰ পাছত তাই মেখেলাৰে চপ্‌চপ্‌ শব্দ কৰি দুয়োখন চকুৰ আগৰ পৰা আঁতৰ হৈ এককপ্ৰকাৰ কোবাকুৰিকৈয়ে গৈ তিনিআলিত উঠিল।

'শুনিছো মাছ মাংস চৰ খায়।'

পীতাম্বৰৰ কথাত হয়ভৰ দি কৃষ্ণকান্তই ক'লে, 'এই সদিয়া নগৰৰ বামুণমখাৰ তাই নাক-কাণ কাটিছে। একো নেমানে। আগে হোৱাৰী দুজনীক মূৰ বান্ধি দি নাদৰ পাৰত গৈ গা-ধুইছিল। আজি-কালি একেলগে বহি খায়।' পীতাম্বৰে ক'লে, 'হয়, হয়, মই তাইক ৰংমলা পোহাৰীক একড়ুকুৰা খান দি দুটা খৰিয়াৰ চানা খোৱা দেখিছো।

হায়! হায়!! বাৰী বিধৱাই একড়ুকুৰা খানত দুটা খৰিয়াৰ চানা খায়!!'

'চুপ থাকা, চুপ থাকা পুৰোহিত! বিধৱা বামুণীয়ে মাছ খোৱা কথা সদৰি কৰিব নেলাগে। আজিকালি অনেক ঠাইত হৈছে এনে কথা। দক্ষিণ পাৰ, উত্তৰপাৰৰ অনেক ঠাইত হৈছে এনে কথা। একো বেয়া হোৱা নাই। সেইবোৰ নিয়ম উঠি যাব লাগে।'

পীতাম্বৰে তেওঁৰ ভৰি আঁঠুত আহি আসনি কৰি থকা মাখিবোৰ কান্ধৰ চাদৰখনেৰে জোঁকাৰি জোঁকাৰি কিছু সময় দময়ন্তী যোৱাৰৈ চাই থাকিল। তাৰ পাছত ক'লে, 'বাপু, আজিকালি তোমাৰ যজমানসকলৰ ধ্যান-ধাৰণা কেনেকুৱা?'

'পীতাম্বৰ মহাজন, তুমি দেখোন চব জানিও আজি নতুনকৈ সোধাৰ দৰে কৰিছা। আমাৰ দুই ভাইৰ কপালৰ কৰ্মফলত আজি মোৰ এই জাত-যোৱা অৱস্থা।'

'বাপু, তুমি সংস্কৃত পঢ়িব নোৱাৰা বুলি তোমাৰ দাদিয়েৰাই চোক লিপি কুবিছিল মহয়! সেইবাবে তোমাৰ আজি এই অৱস্থা?'

কৃষ্ণকান্তই জাতুৰ খাই উঠিল।

'আহ, কেইটা বামুণে মৰহদি ভগৱতীৰ দৰে কতকৈ যত্ন ৰাতিব পাৰেহে, পীতাম্বৰ মহাজন? চৌজত আমি একেবাৰেই

পৰিছিলো। সি কুকুৰেহে বেতৰ :কোব খাইছিল। মই খোৱা নাছিলো। আজিকালি আমাৰ লাওগোৱাৰ মূলতে হৈছে আমাৰ যজমানসকল। দশ-কৰ্ম জনা বামুণৰ আজি শুকাই মৰিবলগীয়া অৱস্থা হ'ব নেলাগিছিল। মাহেকৰ মূৰত লগুণ এডাল, এযোৰ ধুতি, আৰু ৰূপ পাঁচটকা এটা যজমানৰ ঘৰতে পোৱা গৈছিল। কিন্তু এতিয়া সেই একেই কথা হৈছে—লগুণো ৰাখিব খোজে, বিধি-বিধানো মানিব নোখোজে। সৌ-সিদিনাৰ আমাৰ পুৰণা যজমান মহীকান্ত শৰ্মাৰ ল'ৰা দুটাই কামাখ্যাত গৈ লগুণ লৈ আহিল। মাইচানপুৰৰ যজমান্ন সূৰ্য্য শৰ্মাই পিতাক-মাকৰ দুখন শ্ৰাদ্ধ এখন কৰিয়েই পাতি থলে। বিয়া-বাৰুত ন-পুৰুষৰ শ্ৰাদ্ধখনতো অনেকেই লাহে লাহে পতিত কৰাৰ আৰম্ভ কৰিছে। ভাতচুৰনি, কৰ্ণবেধন, পুহনবিয়া, নামাকৰণ, গৃহপ্ৰবেশ, বাসন্তী পূজা, ঘৰত শগুণ পৰাৰ হোম ইত্যাদি ইত্যাদি এই খণ্ডৰ পৰা উঠিয়েই যাব ধৰিছে। লগুণ খুলিলেই আগে পৰাচিত হব লাগিছিল। আজিকেইটা বামুণৰ ল'ৰাই গায়ত্ৰী জপে ?'

পীতাম্বৰে মুখেৰে হা-না একো নকৰাকৈ কৃষ্ণকান্তৰ কথ শুনি আছিল যদিও বাৰে বাৰে তাৰ দময়ন্তীৰ কঁকালখনৰ কথা মনত পৰিব ধৰিলে। মেখেলাখন আঁটোতে তাই পিন্ধি থকা পাতল ব্লাউজটো বহুখিনি ওপৰলৈ উঠি গৈছিল। তাইৰ পিঠিখন পাত মাহৰ দৰে কোমল। আজি যেন জীৱনত প্ৰথমবাৰৰ বাবে সি তেনে এখন পিঠি দেখা পাইছে। এনে নহয় যে পীতাম্বৰে মাইকী মানুহৰ পিঠি চুই পোৱা নাছিল। প্ৰথম পত্নীৰ মৃত্যুৰ পাছত সি দ্বিতীয় বিবাহো কৰিছিল। সন্তানৰ আশাত সি প্ৰথম পত্নীৰ মৃত্যুৰ দুমাহ নৌহওঁতেই দ্বিতীয় বিবাহ কৰাইছিল। কিন্তু তায়ো আছিল চিৰৰুগীয়া। ৰাত-পিত্তৰ কবলত পৰি পীতাম্বৰ মহাজনৰ দ্বিতীয়া স্ত্ৰীয়ে একেবাৰে বিছনা সাৱটি লৈছিল। গুৱাহাটীৰ হস্পিতালৈ অহা-যোৱা কৰোতে কৰোতে পীতাম্বৰ মহাজনৰ ভৰিৰ জোতাৰ তল ক্ষয় গৈছিল। শেষলৈ মানুহগৰাকীৰ অস্থি-চৰ্মহে বাকী আছিল। বিছনাত শুই শুই মহাজনৰ মেহ-ৰূপ চাই চাই তাই দিন কটাইছিল। সন্তান আশা কৰি কৰি

আৰু বংশ ছেদ হোৱাৰ ভয়ত মানুহটো মানসিক বিকাৰগ্ৰস্ত ৰোগীৰ দৰে হৈ পৰিছিল। মানুহে কন্ধ বিছনাত পৰি থকা ঘৈণীয়েক মৰাৰ পিছত সি বৰ অধৈৰ্য্য হৈ বাট চাইছিল। পিছলৈ সি গুৱাহাটীৰ হস্পিতালতো অহা-যোৱা কৰিবলৈ এৰি দিছিল। বয়স যিমানেই বাঢ়ি আহিছিল সিমানেই সি বংশ-কুটুম্বৰ সৈতে পকৰাই পোৱা মানুহৰ দৰে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। এতিয়াও সৌৱা তাৰ সন্মুখত বহি কৃষ্ণকান্তই নিজৰ অৱস্থাৰ কথা কৈ আছে। পীতাম্বৰে আধা শুনিছে, আধা শুনা নাই। বিছনাত পৰি থকা মানুহজনীয়ে চকুৰ ইঙ্গিতেৰে 'বান্ধা' এটাক মূঢ়া এটা দি আহিবলৈ কৈছিল। বান্ধাটোৱে কেতিয়ানো কৃষ্ণকান্তক মূঢ়াটো দি থৈ গ'ল এই কথাও পীতাম্বৰে গম নেপালে।

এইবাৰ কৃষ্ণকান্ত বহাৰ পৰা উঠিল। ক'লে, 'সকলো মানুহে কোৱা-মেলা কৰিছেই, তোমাৰ হেনো কিবা মূৰৰ গণ্ডগোল হৈছে। ল'ৰা-ছোৱালী নোহোৱাকৈ কিবা এই পৃথিবীখনত মানুহ থকা নাইনে? আৰু দলৈকে ভাবাচোন পীতাম্বৰ। আমাৰ গুৰুসকলেই কৈ যোৱা নাইনে—পুত্ৰ-পৰিবাৰ সকলো অসাৰ। মায়া প্ৰপঞ্চ!!'

পীতাম্বৰে তললৈ মূৰ কৰিলে। কৃষ্ণকান্তই লক্ষ্য কৰিলে তাৰ মূৰৰ চুলিবোৰ অকালতেই পকি গৈছে। চকুৰ তলত মকৰা-জালৰ দৰে ৰেখা কিছুমান প্ৰকট হৈ পৰিছে। সাজ-পোছাকবো কোনো লাগ-বান্ধ নাই। পিন্ধি থকা জোতাযোৰতো বোকাই লিলিপ খাই ধৰিছে।

মানুহটোৰ প্ৰতি কৃষ্ণকান্তৰ পুতৌ হ'ল। এবা, আগেয়ে এই মজবুত স্বাস্থ্যৰ মানুহটোক বুঢ়া-মেথাই 'গোৰা পল্টন, গোৰা পল্টন' বুলিহে মাতিছিল। টকা-পইচা থাকিও তাৰ সুখ নহ'ল। মেটমৰা ভৰালৰ ধান খাওঁতা নোহোৱা হ'ল। হঠাৎ কৃষ্ণকান্তই এটা অভাবনীয় কথা পীতাম্বৰক ক'লে। কথাটো কোৱাৰ সময়ত সি অৱশ্যে চাৰিওফালে চালে। পীতাম্বৰৰ শোৱনি-কোঠাৰ দুৱাৰখন কালি দুৱৰী হৈ থকা নাছিল। সেইখন একেবাৰে মেলখাই আছিল। সি মানুহজনীৰ বিছনাৰ ওপৰত মিহি থকা কঙ্কাল সদৃশ দেহটো

দেখা পাইছিল। চকুদুটাও দেখা পাইছিল। তাইৰ চকুদুটা ট ট কৈ জ্বলি আছিল। কৃষ্ণকান্তই পীতাম্বৰক কি ক'ব বিচাৰিছে এই কথা জানিবলৈ তাই যেন উদ্গ্ৰাৱল হৈ আছে, দূৰৈৰ পৰা অহা দৃষ্টিও যে এনে ধৰণে তীক্ষ্ণ, হৃদয়স্পৰ্শী হ'ব পাৰে এই কথা কৃষ্ণকান্তই আগে-পিছে গম পোৱা নাছিল। তথাপি সি ক'লে—ফুচফুচাই কোৱাৰ দৰেই ক'লে, 'মোক যদি অৰ্থ–কড়ি দি অলপ সহায় কৰিব পাৰা মই তোমাৰ আৰু এটা ব্যৱস্থা কৰিব পাৰো।'

'আৰু ব্যৱস্থা?'

'এইবাৰ ব্যৱস্থা একেবাৰে পাক্‌কা।'

'মানে?'

'এইবাৰ গৰ্ভৱতী নোহোৱাৰ কোনো কাৰণ নাই। বাৰীৰ বাঁহৰ তলত তাই 'নষ্ট বস্তু' চাৰিবাৰ পুতি থৈ আহিছে।'

পীতাম্বৰ মহাজনে আৰ্তনাদ কৰি উঠিল, 'বাপু, তুমি দময়ন্তীৰ কথা কৈছা!'

হয়। হয়। মই দময়ন্তীৰ কথা কৈছো। আজিকালি আমাৰ মানুহৰ ছোৱালীয়ে একেবাৰে ধনেশ্বৰী নদী পাৰ হৈ মমঃস্ৰ্‌পৰ সৈতে বিয়াত বহিছে গৈ। মুক্তেশ্বৰ সত্ৰগোসাঁইৰ ল'ৰাই মুছলমানৰ ছোৱালী অনা নাইনে? গান্ধী মহাৰাজে ছেনো এই পথ দেখুৱাই গৈছে। সেয়ে মই এটা কথা ভাবিছো।

পীতাম্বৰ মহাজন উদ্গ্ৰাৱল হৈ উঠিল।

'কি কথা?'

'তুমি ইচ্ছা কৰিলে দময়ন্তীক নিজৰ কৰি লব পাৰা!'

কথাখিনি কৈ উঠি কৃষ্ণকান্তই আকৌ দুৱাৰৰ পিনে চালে। মানুহজনীৰ চকু মেল খাই আছিল। চকুত যেন দুকুৰা জুইহে জ্বলি আছিল। তাই কৃষ্ণকান্তলৈ চাই আছিল।

পীতাম্বৰে খটিৰ মূৰটোৰ পৰা উঠি কণ্ঠস্বৰক থিৰ হ'ল। এনে কৃষ্ণকান্তই যেন তাৰ হৃদয়ৰ কথাকেই কাঢ়ি আনিছে কৰিছে।

পীতাম্বৰে একেবাৰে হাঁকোৱা বাদি লৈ কৃষ্ণকান্তৰ হাত এখন

খামুচি ধৰিব খুজিছিল। কৃষ্ণকান্ত কিন্তু পিছুৱাই গ'ল। তেওঁ গা-পা ধুই আহিছে। অধিকাৰৰ ... মুৰুলীধৰক তেওঁ খুৱাই যাব লাগিব। কাৰণ গোসাঁই ধুওৱা পূজাৰীয়ে মাটিৰ, কেইত পৰি গুৱাহাটীলৈ অহা-যোৱা কৰি থাকিবলগীয়া হৈছে। আনহাতে পানীত উটি যাব খোজা পীতাম্বৰে সন্মুখত যেন এখন বিচিত্ৰ পালতৰা নাওহে দেখা পালে। সি কৃষ্ণকান্তৰ হাততেই ধৰিব নে ভৰিতে ধৰিব একো ঠিক কৰিব নোৱাৰিলে।

'মহাজন। তেতিয়াহ'লে তুমি এই কথা আগৰে পৰা চিন্তা কৰি আছিলা?'

হৃদয়ৰ খোলা হাঁহি এটা পীতাম্বৰক ওঁঠেৰে বাগৰি গ'ল। কৃষ্ণকান্তই আকৌ এবাৰ ভিতি মেলি পাচীত পৰি থকা মানুহ জনীলৈ চালে। এইবাৰ কৃষ্ণকান্তই তাইৰ চকুদুটা মুদখাই থকা দেখিলে। কিবা যন্ত্ৰণা পাইছে চাগে। পলবত্ৰ হৈ পীতাম্বৰে ক'লে, বাপু তুমি এইখিনি উপকাৰ কৰি দিয়া! মই তোমাক বধ দিছো। তাইহে বাতি চাকি লৈ নষ্ট কৰা বস্তু পুতিব যায় এই কথা সংসাৰ সকলোৱে জানে। ময়ো জানো কিন্তু তাই বামুণৰ তিৰী। মই তাইক ঘৰত লৈ থাকিম।'

কৃষ্ণকান্তৰ সোলা মুখত এটা ধূৰ্ত হাঁহি বিয়পি পৰিল। মই অহা-যোৱা কৰিব লাগিব। তাইৰ আণী দুটাক মনাব লাগিব। তোলাৰ দোকানৰ গজা কিনি দিব লাগিব।'

পীতাম্বৰ মহাজনে খপজপকৈ উঠি ভিতৰলৈ গ'ল। এইবাৰ বিছনাত পৰি থকা মানুহজনীৰ মুদ খোৱা চকু দুটা মেলা খালে। তাই যেন আগেয়ে চকু দুটা এনেয়ে মুদি আছিল এনে ধাৰণা হ'ল। তাইৰ চকুত পৰিল মহাজনে মুঢ়া এটাৰ ওপৰত ভুজি খোৱা হাতনি পেৰাটো খুজিছে। কিছু সময়ৰ পাছত তাই দেখিলে মহাজন আকৌ কৃষ্ণকান্ত পুৰোহিতৰ ওচৰত উপস্থিত হৈছে।

'তুমি তেতিয়াহলে সোনকালে ঔষধ আনি দিবা।'

কৃষ্ণকান্তই হাত পাতি টকা কুৰিটা ললে। যাবৰ সময়ত

তেওঁ এটা ফকৰা গাই গ'ল—

আহো বগলী আহো চাই।
ক'ৰ পানী ক'ত যায়।

ইতিমধ্যে এটা সপ্তাহ পাৰ হৈ গ'ল। বৰ আগ্ৰহেৰে পীতাম্বৰ মহাজনে কৃষ্ণকান্ত পুৰোহিতৰ বাবে অপেক্ষা কৰি থাকিল। এই কেইদিনত সি যে দময়ন্তীক ঘৰৰ আগেৰে পাৰ হৈ যোৱা নেদেখিলে এনে নহয়। চিমুটি কপাহৰ লগুণ কৰি দিবলৈ কেইবাবাৰো তাই অধিকাৰ গোসাঁইৰ ঘৰলৈ অহা-যোৱা কৰিলে। পীতাম্বৰ মহাজনে এতিয়াহে তাইলৈ ভালদৰে লক্ষ্য কৰি আবিষ্কাৰ কৰিলে যে তাইৰ দৰে সুন্দৰী নাৰী আগে-পিছে সি দেখা নাই। শুনা যায় তাইৰ মাক ধনশ্ৰী নদীৰ পাৰৰ বৌতাৰ মানুহ। ধনশ্ৰী নদীৰ পাৰৰ বামুণৰ ছোৱালীমখাৰ দৰে শুৱনি তিৰোতা যেন এই ভাবস্তুতে নাই, এনে ভাব হ'ল পীতাম্বৰ মহাজনৰ। এবা তাইৰ বাপেক পূৰ্ণানন্দ পুৰোহিতে এবাৰ এহাল হালোৱা গৰু হেৰুৱাইছিল। সেই সময়ত তেওঁৰ নিজাকৈ হাল এখনো আছিল। মাইচানপুৰ, গৰগৰা ইত্যাদিৰ পিনে তেওঁৰ যজমান আছিল অসংখ্য। গৰুহাল বিচাৰি বিচাৰি তেওঁ ধনশ্ৰী নদীৰ পাৰৰ একেবাৰে বৌতাত উপস্থিত হৈছিল। গৰুহাল বিচাৰি ইমান দূৰ তেওঁ কিয় যাব লগা হৈছিল সেইকথা আজিলৈকে কোনেও নেজানে। বৌতাৰ ভাগৱতীৰ ছোৱালীৰ লগত তেওঁৰ তেতিয়াই বিয়া ঠিক হৈছিল। আগে-পিছে এই খণ্ডৰ যজমানী বামুণ কেইঘৰে ইমান দূৰৈত গৈ বিয়া কৰোৱা নাছিল।

জেঠৰ মাহ আছিল। নৈ-বিল পানীৰে উপচি পৰিছিল। আলিৰ দুয়োপিনৰ মাদুৰি, জাৰ্মান বন, ভতৰাৰ গছত আমৈলতা, পানেৰীলতা ইত্যাদিৰে এনে ধৰণে ছাটি ধৰিছিল যে এই কেঁচা আলি-টোৰে অহা-যোৱা কৰোতে মানুহৰ নাকে-মুখে এই বনৰীয়া জতা-বোৰে স্পৰ্শ কৰাৰ উপক্ৰম হৈছিল। মহাজনৰ ঘৰৰ সন্মুখৰ বণ্ডা আলিটো বোকাৰে পোত গৈছিল। কিন্তু এনে অৱস্থাতো পীতাম্বৰ মহাজনে এবাৰো আজি দময়ন্তীক দেখা পালে। তাই আঁঠুলৈকে মেখেলা

কোচাই আলিৰ কাষৰ কলমৌ শাক বুটলি আছে। তাইৰ ছয় বছৰীয়া ছোৱালীজনীয়ে একেবাৰে নাঙঠ হৈ মাকৰ গাত লাগি ফুৰিছে।

নতুনকৈ গজা আমৰ পুলিৰ দৰে সজীৱ হাত-ভৰি। পিঠিত খহি পৰা চুলিবোৰৰ বৰণ কিছু ৰঙচুৱা; মামৰে ধৰা লোহাৰ কামানৰ বৰণ লোৱা তাইৰ চুলি।

মামৰে ধৰা কামান?

হয়। হয়। এবাৰ নাদ খান্দোতে তেনে ধৰণৰ এটা লোহাৰ কামান আবিষ্কাৰ হোৱাৰ কথা পীতাম্বৰ মহাজনৰ মনত আছিল। সেইটো মান-সেনাহঁতে পেলায় থৈ যোৱা কামান বুলি সকলোৱে কোৱা-মেলা কৰিছিল। এসময়ত চহৰৰ পৰা অহা ছাত্ৰ কিছুমানে সেইটো উঠাই লৈ গৈছিল।

ঘঁহি-মচি খণ্ডতে ৰ'দত জিলিকা লোহাৰ কামানটোৱে যেনে বৰণ লৈছিল আজি এই মুহূৰ্ত্তত পীতাম্বৰ মহাজনৰ দময়ন্তীৰ পিঠিত পৰি থকা চুলিখিনিয়েও একে বৰণ লোৱা যেন ভাব হ'ল .... এবা সেই ৰঙা আৰু ক'লাৰ চিকমিকনি? লোহা আৰু মামৰৰ চিকমিকনি।

তেওঁ সাহ কৰি দময়ন্তীৰ ওচৰলৈ গৈ ক'লে, 'এনেকৈ বোকা-পানী লেটি থাকিলে অসুখ হয়।'

দময়ন্তীয়ে উভতি চালে। বিস্ময়ৰ ৰেখা কিছুমান বিয়পি পৰিল তাইৰ চকুৰে-মুখে।

আন দিনাৰ দৰে আজিও তাই কোনো উত্তৰ নিদিলে।

আকৌ ক'লে মহাজনে, 'মই মোৰ বাদ্ধাটোৰ হতুৱাই কলমৌ কিয়? ঢেঁকীয়া, খুতুৰা .... '

বাক্যটো মহাজনে শেষ কৰিব নোৱাৰিলে। তাই আকৌ উভতি চালে। মহাজনে যেন দুকুৰা জুইৰ লগতহে মুখামুখি হ'ল। তেওঁ সেইখিনিত আৰু বৈ নাথাকিল। কো-কোৱাই আহি চেঙন গছৰ ভৰিটোত বহিল। সৌৱা বিচনাৰ পৰাই বৈণীয়েকে চাই আছে। যেন খোবোঙত সোমাই থকা পাখি ভঙা কেঁচাই বাহিৰত উৰি ফুৰা চৰাই কিছুমানহে চাই আছে। ৰাতিপুৱা তাই উঠিছিল।

এতিয়া কিন্তু আকৌ তাই বিছনা লৈছে। মুৰটো আচন্দ্ৰাই কৰিছে হেনো। বহুদিনৰ মূৰত তাই উঠিব খুজিছিল। তাইৰ শুকাই কৰ্কশ হৈ যোৱা আঁঠু আৰু হাতৰ গ্ৰন্থিবোৰৰ পৰা কটকট কটকট শব্দ এটা বাহিৰ হৈ আহিছিল। তাৰ পাচতেই মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। আকৌ তাই বিছনাত পৰি বাহিৰলৈ চাবলৈ ধৰিলে। পীতাম্বৰ মহাজনে এটা বৰ কৰ্কশ আৰু অস্বস্তিৰ দৃষ্টিৰে ঘৈণীয়েকলৈ চালে। মুখেৰে সি কোনো কথা উচ্চাৰণ নকৰিলে। এইখিনি সময়ত তাই এবিধ পনীয়া দৰৱ খোৱাৰ সময় হৈছে। মহাজনৰ দৰৱৰ কথা মনত পৰিল। সি কিন্তু উঠি নগ'ল। কিছু সময় মহাজনে তলমূৰ কৰি নিজৰ জোতাযোৰকে চাই ৰ'ল। এই সত্ৰৰ ভিতৰত মাত্ৰ চাৰিটা মানুহেহে জোতা পিন্ধি ফুৰে। সত্ৰৰ অধিকাৰৰ ল'ৰা দুটা, সত্ৰৰ মহৰী বাবু, আৰু সি পীতাম্বৰ মহাজন। পাঞ্জাবীৰ পকেটৰ পৰা ৰুমাল উলিয়াই মহাজনে জোতাযোৰৰ পৰা বোকাবোৰ গুচাবলৈ চেষ্টা কৰি আকৌ আলিলৈ চালে। নাই। কৃষ্ণকান্ত পুৰোহিত অহা নাই। হঠাৎ কেৰ কেৰ, ঘেৰ ঘেৰ শব্দ কৰি গাড়ী এখন পদূলিৰে সোমাই আহিল। বণ্ডাৰ আধিয়াৰহঁতে বোকাধান দিব আহিছে। আনদিনা হোৱা হলে পীতাম্বৰে উৎসাহেৰে উঠি গৈ ধানৰ টোমবোৰ হিচাপ কৰি চালেহেঁতেন। আজি তেওঁক নিষ্ক্ৰিয় যেন দেখি বান্ধাহঁতেই আগবাঢ়ি গৈ ধৰা-মেলা কৰি ধানৰ টোমবোৰ নমাই ভঁৰালত থলে। এটা সময়ত আধিয়াৰহঁতে চাহ-তামোল খাই ভৰি-হাত ধুই তেওঁৰ পৰা বিদায়ো ল'লে। বিদায় লোৱাৰ সময়ত আধিয়াৰহঁতে আন দিনাৰ দৰে আজিও আক্ষেপ কৰি গ'ল :

'সতি-সন্ততি নাই। এই তিনি-চাৰিটা ভঁৰালৰ ধান কোনে খাব মহাজন? দান-দক্ষিণা কৰা। বুঢ়া হৈ আহিলা—কথাতে কয়

আঁহ লুকাবা বাঁহ লুকাবা—
পাল সোপোবা ক'ত লুকাবা?'

পীতাম্বৰ মহাজনে কোনো উত্তৰ নিদি বহি থাকিল ।

বিছনাত শুই থকা মানুহজনীৰ চকু আকৌ মেল খাইছিল । কিছু আগেয়ে তাই হয়তো পানী খাবলৈ বিচাৰিছিল । পিতলৰ গিলাচ এটাত এগিলাচ পানী তাইৰ বিছনাৰ ওচৰত কোনোবাই থৈ গৈছে । তাইৰ দৰৱ খোৱাৰ সময়ো পাৰ হৈ গৈছিল ।

পীতাম্বৰ মহাজনে এইবাৰ তাইৰ দৰৱখিনি দি অহাৰ কথাকে ভাবিলে । সি উঠিল । জোতাযোৰ খুলি কাঁথিৰ এচুকত থলে । তাৰ পাছত ঘৈণীয়েকৰ চালপীৰাৰ পিনে যাব খোজোঁতেই পদূলিৰ মুখত কৃষ্ণকান্ত পুৰোহিতৰ মাত শুনা পালে । খুলি থোৱা জোতাযোৰ আকৌ ততাতৈয়াকৈ পিন্ধি সি পদূলিৰ মুখলৈ কোবাকুবিকৈ আগবাঢ়ি গ'ল ।

মহাজনৰ ঘৈণীয়েকৰ আপ গৈ থকা চকু দুটা মেল খালে । একেবাৰেই দুৰ্বল দৃষ্টি । এই দৃষ্টিত আগেয়ে থকা জুইকুৰা নুমাই ছাই হৈ গৈছে ।

'মহাজন !'

'কোৱা বাপু, কোৱা ।'

'পূৰ্ণিমাৰ দিনা ৰাতি তাইৰ চেঁখালত তুমি উপস্থিত হবা । কিন্তু শুনা মহাজন,' কৃষ্ণকান্তই চাৰিওফালে চালে । তাৰ পাছত মহাজনৰ কাণৰ ওচৰলৈ আহি ফুচফুচাই ক'লে । 'মই খবৰ লৈ আহিছো । তাইৰ পেট খালি আছে । আপীটোৱে ভোলাৰ দোকানৰ গজা খাই ক'লে, এইবাৰ চাকি লৈ হেনো ভলুকা বাঁহৰ তলত বেয়া বস্তু পুতি থৈ অহা এমাহো হোৱা নাই । ছয় বছৰীয়া আপী এক্তো বুজি নেপায় । তাই গোন্ধ তেলৰ চাকি লৈ মাকক পহৰা দি আছিল । এইবাৰ মাকে হেনো চতৰাগুৰিৰ বামুণৰ ল'ৰাটোৱে দিয়া চিপৰাঙেৰে মাটি খান্দিছিল । এই চতৰাগুৰিৰ বামুণৰ ল'ৰাই চাইকেল মাৰি চাৰিআলিৰ কলেজলৈ পঢ়িব আহিছিল । অৱস্থাপন্ন ঘৰৰ ল'ৰা আছিল । চৰিত্ৰহীন । কলেজলৈ আহো বুলি কিতাপ-পত্ৰ দময়ন্তীৰ ঘৰৰ চাউলৰ ভুৰিত লুকুৱাই থয় । কলেজৰ মাচুলৰ টকা দময়ন্তীৰ

চুচি-মালতীত খৰচ কৰে। এইবাৰ পুতি থৈ অহা সন্তানটো সেই ছাত্ৰটোৰেই হেনো!' পীতাম্বৰ মহাজনে মুখেৰে ইস্, আস্ শব্দ কৰিবলৈ ধৰিলে।

কৃষ্ণকান্তই আকৌ ক'লে, 'শুনা মহাজন, মই তোমাৰ কথা তাইক ক'লো। তাই জাঙুৰ খাই উঠিল। ক'লে, 'বেটা শূদুৰীয়া মহাজনৰ ইমান সাহ। সি বেটাই নেজানেনে মই যজমানী বামুণৰ আপী বুলি।' মই ক'লো, যজমানী বামুণৰ আপী বুলি সকলোৱে জানে। কিন্তু পাপ-পথত নমা হৈছে যেতিয়া বামুন-শূদিৰ কিহৰ? বাকী বামুণৰ আপা হতেতো তোক বিয়া কৰাব আগবাঢ়ি অহা নাই। কুঁহিয়াৰৰ সিঁতাৰ দৰে সিবোৰে চোবাই চোবাই এৰি থৈ যাব। মহাজনে একেবাৰে পঞ্চায়তৰ আশীৰ্বাদ লৈ হোম পুৰি বিয়া কৰাব। ঘৈণীয়েক আজি যাওঁ, কালি যাওঁ অৱস্থাৰ দৰে হৈ আছে। সুখত ৰাখিব। একেবাৰে মূৰৰ ওপৰত তুলি ৰাখিব। শুনা, পীতাম্বৰ মহাজন, তাই ভিতৰলৈ গৈ ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিলে। কিন্তু তাই তেনেকৈ কান্দিলে মই একো বুজি নেপালো।

'তাৰ পাছত চাদৰেৰে চকু মচি তাই ক'লে, 'আজিকালি গাটোও ভাল লাগি নাথাকে। কাৰোবাৰ গাত ভেজা দি থাকিব পাৰিলে ভালেই হ'ব।'

'মই কলো, গা কেনেকৈ ভালে থাকিব। শুনিছো চাৰি-পাঁচ বাৰ 'বেয়া বস্তু' বাৰীৰ পাছত পোতা হৈ গৈছে। পঞ্চায়তে মেল বহুৱাব লাগিলে হাহাকাৰ লাগি যাব, বেমাৰত মুখত পানী দিব অহা মানুহেও কুৰি টকা দণ্ড ভৰিব লাগিব।'

'তাইৰ চকুৰ পানী মাটিত পৰিল। ক'লে, 'একো উপায় নাছিল। পেটৰ ভোকত ছাটি-ফুটি কৰি মৰিছিলো। আগে অধিকাৰিণী গোঁসানীয়ে চিৰা ভাজিব মাতিছিল। আজিকালি মই চিৰা ভাজিলে হেনো চুৱা যায়। আগে লগুণ কাটিব দিছিল, আজিকালি এই খণ্ডৰ বামুণে লগুণ কাটিব নিদিয়া হৈছে। আধি খাই থকা মানুহমখাও অসুখৰ দৰে হৈছে। মোৰ মূৰৰ ওপৰত ছাল নোহোৱাৰ

কথা সিহঁতে জানে। বামুণৰ বিধৱা বুলিহে তাৰ দয়া-মমতা নাই। সাতপখলিৰ মানুহে, ধান দিব এৰিছেই। মই অসুৰহঁতৰ লগত ক'ত যুঁজো? সাতপখলিৰ দুই পুৰা মাটিৰ পাঁচ মোন ধান আজি পৰ্যন্ত কোনেও দিব আহা নাই। সেই মাটিৰ খাজনা আজি তিনি বছৰেও দিব পৰা নাই······· এই নীলাম হয় এই নীলাম হয়। এই অৱস্থাত মই আপী দুটা লৈ কৰো কি?'

পীতাম্বৰ মহাজন ইতিমধ্যে অধৈৰ্য হৈ উঠিছিল। তেওঁ আটাহ পাৰি উঠিল, 'পিছে মোৰ কথা।'

'এয়া তোমাৰ কথালৈ আহিছো শুনা। ক'লে, শূদিৰ মানুহ, অৰ্থাৎ এই চতুৰ্থ বৰ্ণৰ মানুহৰ লগত······· শুনা, তাই এই পূৰ্ণিমাৰ দিনা তোমাক চেঁখালতেই লগ ধৰিব কলে।'

পীতাম্বৰ মহাজন আনন্দত আত্মহাৰা হৈ উঠিল। এই সুযোগতে কৃষ্ণকান্ত পুৰোহিতে ক'লে, 'এইবাৰ পাঁচ কুৰিমান লাগিব। দময়ন্তীক বোলে মহে খায়। আঁঠুৱা লাগে। আৰু আপী দুটাক ভোলাৰ দোকানৰ গজা।'

খপ্‌জপ্‌কৈ ভিতৰলৈ উঠি গ'ল পীতাম্বৰ মহাজন। বিছনাত শুই থকা মানুহজনীয়ে চকু মেলি চালে। তাইৰ ঔষধ খোৱাৰ সময় পাৰ হৈ গৈছিল। গিৰীয়েকক হাতনি-পেৰাৰ ওচৰলৈ যোৱা দেখি তাই ভিতৰলৈ চালে। পীতাম্বৰ মহাজনে আটাহ পাৰি উঠিল, 'কি তেনেকৈ ট-টকৈ চাই থাক ঐ। কেতিয়াবা চকু দুটা ঘুক্‌টি উলিয়াই আনিম।'

কৃষ্ণকান্ত পুৰোহিতে চব কথা শুনিলে, চব কথা জানিলে। টকা পাঁচকুৰি লৈ উভতি আহোতে মহাজনৰ কাণৰ কাষলৈ গৈ সি ফুচফুচাই ক'লে, 'বেছি প্ৰয়োজন হ'লে এটা কাম কৰিবা·····ঘৈণীয়েৰক কানিৰ বড়ি এটা খুৱাই দিবা। বিছনাত শুই শুই তাই চব হিচাপ কৰি আছে কিজানি।' এইদৰে কৈ কৃষ্ণকান্তই চেকচেককৈ হাঁহিবলৈ ধৰিলে। বিছনাত শুই থকা মানুহজনীয়ে এইবাৰ চকু দুটা মুদি দিলে।

কৃষ্ণকান্তই এইবাৰ আকৌ আগুৱাই আহি ফুচফুচাই ক'লে, 'টকা-পইচাৰ প্ৰতি দময়ন্তীৰ বৰ হুতাহ। একেবাৰে বাঘিণীৰ দৰে।

শুনা মহাজন, চেঁখালতে তুমি জাইৰ হাতত ধৰিব পাৰিবা ।'

মহাজনে আকৌ খকমকৈ উভতি চালে । নাই নাই, বিছনাত পৰি থকা মানুজনীয় শুনা নাই ; তাই চকু মুদি পৰি আছে । তাইৰ সেই শুকান কপালখনত ঘামৰ কণিকা দুটামান দূৰৈৰ পৰাই চিক্‌মিকাই আছে ।

আহাৰ মাহৰ পূৰ্ণিমা । পীতাম্বৰ মহাজনে এযোৰ পাঞ্জাবী আৰু শান্তিপুৰী ধুতি পিন্ধিলে । আশী সূতাৰ চাদৰ এখন কান্ধত পেলাই ল'লে । বহুদিনৰ মূৰত সি কাঠৰ ফ্ৰেমৰ আইনাখন বাহিৰলৈ আনি নিজৰ মুখখন পৰীক্ষা কৰি চালে । ৰাতিপুৱাই সি দাড়ি খুৰাইছিল । এতিয়া বাহিৰৰ ৰ'দৰ পোহৰত সি তাৰ মুখত অজস্ৰ ৰেখা দেখা পালে । মুখৰ এইবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰেখা বাহিৰলৈ আইনাখন আনি এনেদৰে চোৱাৰ বাবেহে যেন দেখা পালে— এনে এটা ভাব হ'ল মহাজনৰ । তথাপি তেওঁ যেন নিজৰ মুখখন দেখি সন্তুষ্টই হ'ল । ৰেখাবোৰ যেন এখন জাল হ'ল । আৰু নিজৰ মুখখন সেই জালত এটা মাছ । জালত পৰি থকা মাছ ।

এটা সময়ত সি দময়ন্তীৰ ঘৰৰ পিনে আগবাঢ়িল । চেগুণৰ হাবি এখন পাৰ হৈ শিংৰা নদীৰ দলঙৰ ওচৰত তাইৰ ঘৰ । এইফালে সন্নৰ চাৰিঘৰমান মানুহহে আছে । এনেদৰে অকলশৰীয়া ঠাইত থকা বাবেহে যেন দময়ন্তীয়ে এনে ধৰণৰ এটা জীৱন-যাপন কৰিব পাৰিছে এনে ভাব হ'ল পীতাম্বৰ মহাজনৰ ।

আকাশত কাঠফুলাৰ বৰণ লোৱা কিছুমান ডাৱৰ বিচিত্ৰ ভঙ্গীৰে আকাশৰ পুব দিশত বিয়পি পৰিছিল । সেইবোৰক একোটা কামনাৰ দৰে দেখা গৈছিল । আৰু সেই চন্দ্ৰমাক ? কোনোবাই যেন ছাল বখলিয়াই থোৱা এজনী হৰিণা পহু । তাইৰ ফুটুকা-ফুটুকি ছালখন কামান কেইটাত যেন কোনোবাই মেকৰাই থৈছে । ছাল বখলিয়াই থোৱা হৰিণা পহু ? লপ্‌থপ্ লপ্‌থপ্ তাইৰ মাংস, চকচকীয়া । জলমলীয়া । আহ্ ! পীতাম্বৰ মহাজনৰ চকুত এই ছাল বখলিয়াই থোৱা হৰিণাজনী দময়ন্তীলৈ ৰূপান্তৰিত হ'ল । একেবাৰে নগ্ন হৈ

থকা দময়ন্তী। সৌৰা গাভিনী ছাগলীৰ পেটৰ দৰে তাইৰ স্তনদ্বয়। সুস্বাদু বিজুলী বাঁহৰ গাঁজৰ দৰে তাইৰ শৰীৰৰ ৰং আৰু তাইৰ ওঁঠ। কাটি থোৱা সফৰি-আমৰ দৰে দগমগীয়া তাইৰ ওঁঠ.... নাই নাই, বেছি সময় পীতাম্বৰ মহাজনে আকাশলৈ চাই থাকিব নোৱাৰিলে। আজি গোটেইখন নিমাও-মাও হৈ আছে। আজি সন্ত্রৰ বকুলৰ তলত বহুৱেৰকীয়া যাত্ৰাৰ দিন। তাই জানি-শুনিয়েই আজি তাক নিমন্ত্ৰণ কৰিছে।

এজাক শিয়ালে ওচৰৰ কাঁইটীয়া জোপোহা এটাৰ ওচৰত হোৱা দি উঠিল। ঘন ঘনকৈ খোজ পেলাই পীতম্বৰ মহাজন দময়ন্তীৰ চেঁখালৰ পিনে আগবাঢ়িল।

এটা সময়ত জোতা খুলি মহাজন কাথিত বহিল। ক'ৰবাত কঠালচম্পা ফুল ফুলিছিল। গোন্ধে গোটেইখন মলমলাই আছে। চাউলৰ ডুলি আৰু পকা কঁঠালৰ দ'মৰ মাজত থকা চালপীৰা এখনত দময়ন্তীৰ সৰু ছোৱালীজনী শুই আছিল। সাত-আঠ বছৰীয়া ডাঙৰ ছোৱালীজনীয়ে চিলঠ এখনত টোপনিয়াই টোপনিয়াই স্বৰবৰ্ণ-সমূহ লেখি আছিল। ফটা মলিয়ন চিমনিৰ লণ্ঠন এটা তাইৰ আগত জ্বলি আছিল। চেঁখালৰ বেৰাত আউজী দময়ন্তীয়ে পীতাম্বৰ মহাজনৰ বেহ-ৰূপ চাই আছিল। এইবাৰ হাতৰ ইঙ্গিতেৰে দময়ন্তীয়ে মহাজনক চেঁখালৰ ওচৰলৈ মাতিলে। তাত বহিবলৈ মূঢ়া পাৰি থোৱা আছিল। চকুৰ ইঙ্গিতেৰে তাই তাক মূঢ়াতে বহিব দিলে। তেল চিকচিকে ভৰা গছা এডালত এটা সৰু মিঠাতেলৰ চাকি জ্বলি আছিল। চাকিৰ শেঁতা পোহৰত তাইৰ দেহৰ পিনে মুৰ তুলি চাবলৈ পীতাম্বৰ মহাজনৰ ভয় লাগিল। ক'ৰবাত যেন কিবা শেষ হৈ যাব।

এইখন যেন এখন মায়াৰ ৰাজ্য।

তাৰ সন্মুখত থকা এই বামুণৰ বিধবাজনী যেন মানুহ নহয়— ঠিক এনে ভাৱ হ'ল মহাজনৰ।

'টকা-পইচা কিবা আনিছিলানে ?' মহাজনে চক্‌খাই উঠিল। প্ৰথম প্ৰশ্নটো ঠিক এই প্ৰশ্ন হব বুলি সি আশা কৰা নাছিল।

'মোৰ যি আছে সকলো তোমাৰ।' এই বুলি কৈ পীতাম্বৰ মহাজনে এটা শণসূতাৰ মোনা দময়ন্তীৰ পিনে আগবঢ়াই দিলে। তাই সক মোনাটো চেঁখালৰ খুটাত ওলোমাই থোৱা খালৈ এটাত ভৰাই থলে। তাৰ পাছত চাকিটো লৈ তাৰ আগেৰেই গৈ কাঁথিত উঠিল। লণ্ঠনৰ পোহৰত টোপনিয়াই টোপনিয়াই স্বৰবৰ্ণ লেখি থকা ছোৱালী-জনী ভনীয়েকৰ ওচৰলৈ গৈ টোপনি গ'ল। চাউলৰ ডুলি থোৱা কোঠা এটাত এখন তেনেই চাপৰ চালপীৰা পৰা আছিল। দময়ন্তীৰ স্বামীয়ে সেইখন অধিকাৰ গোঁসাইৰ মৃত ভায়েকৰ শ্ৰাদ্ধত লাভ কৰিছিল।

পীতাম্বৰ মহাজনে দময়ন্তীৰ পিছে পিছে গৈ সেই চালপীৰাত বহিল। এটা সময়ত তাই তেওঁৰ ওচৰলৈ আহিল।

দুই মাহ পাৰ হৈ গ'ল। এদিন মহাজন উঠি যোৱাৰ পাচত নদীৰ পাৰলৈ গৈ গা ধুই থকা অৱস্থাত কৃষ্ণকান্ত পুৰোহিতে দময়ন্তীক ঠাট্টা কৰি ক'লে, 'আগেয়েও দুধনৈ বঙৰাৰ বামুণৰ ল'ৰাবোৰে দেখোন অহা-যোৱা কৰিছিল। সিহঁত উঠি যোৱাৰ পাছত তইতো এনেদৰে আহি গা ধোৱা নাছিলি, দময়ন্তী?'

দময়ন্তীয়ে কোনো উত্তৰ নিদিলে।

'মহাজন চতুৰ্থ বৰ্ণৰ মানুহ দেখি তই ....।'

দময়ন্তীয়ে কোনো উত্তৰ নিদিলে। কিন্তু হঠাৎ তাই তিতা কাপোৰেৰে কো-কোৱাই গৈ চুবনীৰ ওচৰত হকহকাই বমি কৰিবলৈ ধৰিলে। কিং কৰ্তব্য বিমূঢ় হৈ কিছু সময় কৃষ্ণকান্ত পুৰোহিত একে ঠাইত থিয় হৈ থাকিল। তাৰ পাছত তেওঁ তাইৰ ওচৰলৈ এখোজ আগুৱাই গৈ ক'লে, 'এইটো তেতিয়াহ'লে পীতাম্বৰ মহাজনৰে সন্তান হ'ব?'

তাই কোনো উত্তৰ নিদিলে।

'বৰ ভাল হৈছে। বৰ ভাল হৈছে— বেচেৰা পীতাম্বৰ? পিতৃ হবলৈ কেনেকৈ সি হামৰাও কাঢ়ি মৰিছিল?'

এইবাৰো তাই কোনো উত্তৰ নিদিলে।

'মই 'তেতিয়াহ'লে পীতাম্বৰ মহাজনক খবৰ দিম। শুন, গান্ধী মহাৰাজাই কৈ গৈছিল এই জাত-পাতৰ বিচাৰমখাই আমাৰ মানুহমখাক 'উঠা বোকা ভকত' কৰি তুলিছে। মন্ত্ৰজাঁনে হোম পুৰি বিয়া কৰাব। ৰাইজৰ আশীৰ্বাদ লৈ বিয়া কৰাব। শুন দময়ন্তী, ৰাইজ অতীষ্ঠ হৈছিল। তোৰ কাণ্ড-কাৰখানা দেখি পঞ্চায়ত বহে এনে অৱস্থা হৈ আছিল। শুন, মই আজি খোলাখুলিকৈ কৈছো তোক!! তই বোধহয় নেজান, তই বিজুলীবাঁহৰ তলত পুতি থৈ অহা তিনিমহীয়া সন্তান এটাৰ মাংস-পিণ্ড এটা শিয়ালে টানি আনি গোঁসাই ধুওৰা পুৰোহিতৰ চোতালত পেলাইছিল। তই জাননে পুৰোহিতে কেইধেনু পৰাচিত হব লগা হৈছিল?

দময়ন্তীয়ে আকৌ এবাৰ খকখকাই বমি কৰিবলৈ ধৰিলে।

'এইবাৰ তই একো গণ্ডগোল নকৰিবি। সকলো জানিও পীতাম্বৰ মহাজনে তোক গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। এইবাৰ উদ্ধাৰ নহ'লে তই একেবাৰে নৰকত পতিত হবি ... মই মোৰ এই যজ্ঞসূত্ৰত স্পৰ্শ কৰি কৈছো, একেবাৰে পতিত হবি।'

কৃষ্ণকান্ত পুৰোহিতেই পীতাম্বৰ মহাজনক তাঁৰ জীৱনৰ আটাইতকৈ সুন্দৰ খবৰটো দি ক'লে, 'তাই যদি এই সন্তান নষ্ট নকৰে—জানিবা মহাজন তাই বিয়াত বহিব।'

আনদিনাৰ দৰে মহাজনে কাটি পেলোৱা গছজোপাৰ মুঢ়াৰ দৰে হৈ পৰা গুৰিটোত বহি আছিল। ভৰিত বোকাৰে লেটি-পেটি হৈ থকা জোতাযোৰ সি খুলি থোৱা নাছিল।

কৃষ্ণকান্ত পুৰোহিতৰ কথা শুনি সি উত্তেজিত হৈ থকথককৈ কঁপিবলৈ ধৰিলে। সি পিতৃ হ'ব? সি পিতৃ হ'ব? এই কথা সঁচা? এই কথা সঁচা? এই কথা পুৰোহিত বামুণে নিজে কৈছে!!

বহাৰ পৰা উঠিল সি। কিছুসময় চোতালখনত পায়চাৰি কৰিবলৈ ধৰিলে।

কৃষ্ণকান্তই ক'লে, 'একেবাৰে হোঃকোৱা বান্দৰৰ দৰে অহা-যোৱা কৰিছা দেখোন। মনৰ আনন্দই একেবাৰে হাঁকোলা মাৰি

ধৰিছে নহয়নে— আচৈকুৰি বছৰত পিতৃ হ'ব পৰা সৌভাগ্য বৰ সৌভাগ্য।'

হঠাৎ পীতাম্বৰ মহাজনে কৃষ্ণকান্তৰ ওচৰত আঁঠু কাঢ়ি বহিল। একেবাৰে বিনয় কৰাৰ দৰে গলবস্ত্ৰ হৈ সি ক'লে, বাপু মোৰ আশাত কুঠাৰাঘাত যেন নহয়। মোৰ পিতা-আতা কেনে সিংহ-পুৰুষ আছিল জানা নহয়। বংশৰ প্ৰদীপ নোহোৱা হতভগাৰ মনস্তাপ কেনে সি ভুক্তভোগীয়েহে জানে। অকল সেয়ে নহয়, তাই কুহকিনী বামুণৰ আপীয়ে মোৰ জীৱনটো হাতৰ মুঠিত লৈ আছে। ……… কি কৰো মই? কি কৰো মই?' হাত এখন ডাঙি কৃষ্ণকান্তই আশ্বাস দিয়াৰ দৰে ক'লে, 'মই ন্যৰাশ পহৰা দিয়া শগুণৰ দৰে পহৰা দি থাকিম। তুমি ভয় নকৰিবা।' ছিজনী বুঢ়ীয়ে গছৰ শিপা সোপাৰে সেইবোৰ অপকৰ্ম্ম কৰে তাইকো সাৱধান কৰি থম। কিন্তু তাৰ বাবেও টকা-সিকি প্ৰয়োজন হ'ব।'

আজি মহাজনৰ হাতনি-পেৰা খোলাৰ প্ৰয়োজন নহ'ল। বাৰীৰ সাতডাল কঁঠাল গছৰ কঁঠালমখা আজি সি একেলগে ওৰপুতৰ পিনৰ বেপাৰী এটাক বেছি দিছিল। পাঞ্জাবীৰ পকেটতে নোটৰ বাণ্ডিলটো ভৰাই থৈছিল। গোটেই বাণ্ডিলটোকে আনি মহাজনে কৃষ্ণকান্ত পুৰোহিতৰ হাতত তুলি দিলে। কৃষ্ণকান্তই গদ গদকৈ মহাজনক মূৰত ধৰি আশীৰ্বাদ দিলে।

এইবাৰ উভতি কোঠাত সোমাব খোজোঁতে পীতাম্বৰ মহাজন বিছনাত পৰি থকা ঘৈণীয়েকৰ চকুযুৰীৰ সৈতে মুখামুখি হ'ল। এটা মৰ্ম্মভেদী চাৱনিয়ে কিছু সময় তাক চক্ খুৱালে সঁচা কথা, কিন্তু পিছ মুহূৰ্ত্ততে সি বৰ্বৰ ৰূপ ধাৰণ কৰি আটাহ পাৰি উঠিল, 'ঐ হেৰেপা মুই, কাঠবাজী! কিয় চাই থাক তেনেকৈ?'

এইবুলি কৈ তেওঁ বান্ধাকেইটাক চিঞৰি চিঞৰি মাতিবলৈ ধৰিলে, 'ধৰ ধৰ, এইৰ বিছনাখন ধৰ। এইৰ বিছনাখন আমি চেঁখালৰ কামৰ কোঠাটোত পাৰি থওঁ। ধৰ। ধৰ॥'

যেনে কথা তেনে কাম। চাৰিটা বান্ধাৰ সৈতে পীতাম্বৰে

বিছনাখন মানুহজনীৰ সৈতে দাঙি চেখালৰ কাষৰ দুৱাৰ-খিৰিকি নোহোৱা অন্ধকাৰ খুপৰি এটাত থৈ আছিল। দময়ন্তীৰ সৈতে সম্বন্ধ হোৱাৰ পৰা মহাজনে ঘৈণীয়েকৰ চিকিৎসাৰ কথা পাহৰাৰ দৰে হৈছিল। মানুহজনীৰ দেহত অস্থি-চৰ্মহে বাকী আছিল। তাইৰ খোৱা-বোৱাখিনিও বান্ধাইঁতে ওচৰত আনি দিবলৈ গাফিলতি কৰিছিল। ভাতৰ লগত পানীৰ গিলাচ দিব পাহৰিছিল। পিয়াহত ডিঙি শুকাই কাঠ হৈ গৈছিল। নাই, মানুহজনীয়ে কিন্তু মুখেৰে কোনো কথা উচ্চাৰণ নকৰিছিল। ডিঙি শুকাই কাঠ হৈ গ'লেও নাইবা চুৰা বাছন চকুৰ আগত পৰি থাকিলেও তাই মনে মনে আছিল। তাই মানুহে কোৱাৰ দৰে জীয়া মৰাশ হৈ পৰিছিল। এতিয়া এই আন্ধাৰ খুপৰিটোত এনেদৰে পেলাই থৈ যোৱাৰ সময়তো তাই নিশ্চুপ হৈ থাকিল। কিন্তু আচৰিত কথা এয়ে যে এই অন্ধকাৰৰ মাজতো মানুহজনীৰ চকু দুটা জ্বলি থাকিল। মাটিৰ চাকিৰ শেঁতা পোহৰৰ দৰে তাইৰ এই দৃষ্টিৰ পোহৰত তাই যেন সকলো বস্তুৰে এই নাওঠ ৰূপ দেখা পালে।

সন্তান লাভৰ আনন্দত পীতাম্বৰ মহাজনে সুখ আৰু কল্পনা-ৰাজ্যত বিচৰণ কৰি ফুৰিব ধৰিছে। দময়ন্তীৰ গৰ্ভত স্থিতি লোৱা শিশুটিয়ে যেন জন্মলাভ নকৰোতেই শৈশৱৰ পৰা গৈ তৰুণ যুৱক হ'ল। ধনশ্ৰী নদীৰ পাৰে পাৰে সি পীতাম্বৰৰ হাতত ধৰি ঘূৰি ফুৰিবলৈ ধৰিলে, বংশ পৰম্পৰাৰ যুগ যুগান্তৰৰ এডাল সোণালী ৰচি সি টানি লৈ গ'ল কোনো এক সীমাহীন দিগন্তলৈ, য'ত স্বৰ্গ আৰু মৰ্ত এক হৈ আছে, য'ত সকলো ৰং এক হৈ পোহৰৰ পিনে ধাবিত হৈছে।

পীতাম্বৰে এইবাৰ পুৰণা পেৰা এটা বান্ধাবোৰৰ হতুৱাই আটালৰ পৰা পাৰি আনি কোনেও নেদেখাকৈ ভিতৰৰ মজিয়াত খুলিলে। গামোচা এখনেৰে পিতাক বলীৰাম মহাজনৰ কেইটুকুৰা-মান অস্থি তাত বন্ধা আছিল। আধাপোৰা এই হাড় কেইটুকুৰাৰ লগতে পিতাকে সদায় পিন্ধি থকা সোণৰ মাদলিৰ সৈতে সোৱালমণি এধাৰি লেটি-পেটি হৈ পৰি আছিল। মণিধাৰ মৃত্যুশয্যাত পৰি থকা

পিতাকৰ ডিঙিৰ পৰা খোলাৰ সময়ত পিতাকে তাক শেহাই শেহাই কৈছিল, 'এই মণি তোৰ পুত্ৰই পিন্ধিব। তাৰ পাছত তাৰ পুত্ৰই, তাৰ পাছত! সোণালী জখলাৰে সিহঁতে আমাৰ বংশৰ ধ্বজা .... !' আৰু কব পৰা নাছিল। হাইজ্ঞা হৈ ঢুকাইছিল পিতাক। মণিধাৰ উলিয়াই আনি পীতাম্বৰ মহাজনে আকৌ অস্থিবোৰ গামোচাত বান্ধিলে। বান্ধাবোৰে পুৰণা পেৰাটো আনি আকৌ আটালত তুলি থলে।

দিনৰ পাছত দিন বাগৰি যাব ধৰিলে। কিবা এটা খবৰ পাবলৈ পীতাম্বৰ মহাজন অধীৰ হৈ থাকিল। কোনোবাই কৈছিল, পাঁচ মাহ গৰ্ভত থকা সন্তান নষ্ট কৰা নাযায়। সি অধীৰ আগ্ৰহেৰে সময় বাগৰি যোৱাৰ কথা চিন্তা কৰিলে। প্ৰত্যেকটো দিনেই তাৰ সন্মুখত এখন পৰ্বতৰ দৰে আহি থিয় হ'ল। সি কুহকিনী দময়ন্তীৰ পদধ্বনি যেন অহৰহ শুনা পাবলৈ ধৰিলে। তাই যেন তাৰ কাণৰ ওচৰত আহি গুণগুণাব ধৰিলে:

'হোমৰ যোগাৰ কৰা।'

'মই এতিয়া আৰু বাহিৰ ওলাব নোৱাৰা হৈছো। হোম পুৰাৰ যোগাৰ কৰা।'

'উঃ সেইবোৰ শূদিৰ-বামুণ-গৰিয়া-মুছলমান চব খোলাকাটিৰ তাল। মানুহহে লাগে আমাক কাটিমে তেজ ওলোৱা মানুহ।'

'হোমৰ যোগাৰ কৰা মহাজন? দেখা নাই, মোৰ পেটটো কেনেকৈ বাঢ়ি আহিছে!'

........হয়, হয়, তাই যেন ভৰিত জুনুকাহে পিন্ধি থাকে! ৰুণ জুন, ৰুণ জুন,! হয় হয়; কল্পনাত দেখা তাইৰ বাঁহগাজ বৰণীয়া ভৰিখনত যেন তাই জুনুকাহে পিন্ধি থাকে .... তাই আহে। তাই মনলৈ সকলো সময়তে আহে। কয়, 'মহাজন তোমাৰ লগত শুই উঠাৰ পাছত মই আৰু নাদৰ পাৰলৈ গৈ গা নুধুওঁ। এইবোৰ হিন্দু-মুছলমান-বামুণ আদিৰ খোলাকাটিৰ তাল!!'

তিনিটা মাহ পাৰ হৈ গ'ল। এতিয়াও অহৰহ পীতাম্বৰ

মহাজনে ধনেশ্বৰী নদীৰ পাৰে পাৰে এটা তৰুণ যুৱকৰ কান্ধত হাত থৈ ঘূৰি ফুৰাৰ স্বপ্ন দেখে। দিনতো দেখে, ৰাতিও দেখে।

ভাদ মাহ। আবেলিৰ পৰাই ধুমুহা আৰম্ভ হৈছিল। ঘৈণীয়েকৰ কোঠাৰ দুৱাৰ মাৰিবলৈ গৈ সি দেখিলে আনদিনাৰ দৰে তাই একেদৰে চকু মেলি চাই আছে। আজি তাইৰ চাৱনি ৰাতি ভৰিৰ আগেৰে পাৰ হৈ যোৱা সাপ এডালৰ চিক্‌মিকনিৰ দৰে লাগিল। ধুমুহা বতাহত ঘৰৰ লেম-চাকিবোৰ নুমাই থাকিল। বান্ধাবোৰক চিঞৰি চিঞৰিও মহাজনে নোপোৱা হ'ল।

কাৰো মাত কোনেও নুশুনা হ'ল। হিৰ হিৰ, গিৰ গিৰ কৰি বাৰীৰ পাছৰ গছ কিছুমান বাগৰি পৰিল।

কি গছ পৰিল? হায় হায়, কি গছ পৰিল? আকৌ দূৰৈত ক'ৰবাত যেন বজ্ৰপাত পৰিল। এইবাৰো কিবা গছৰ ওপৰত পৰিল ছাগে। গছ ফালি ছিৰা-ছিৰ হোৱাৰ শব্দ শুনা গৈছে। মহাজনে খপ্‌জপ্‌কৈ বাহিৰলৈ ওলাই আহিল। কাঁথিৰ এচুকত সাতডাল নাৰিকল গছৰ নাৰিকল দমাই থোৱা আছিল। বান্ধাবোৰে বৰষুণত তিতি তিতি সেইবোৰ চেঁখালত থোৱাৰ আয়োজন কৰিছে। বতাহৰ কোবত কিছুমান নাৰিকল বাগৰি গৈ চোতালত চপচপকৈ পৰিব ধৰিলে। কাৰো মাত কোনেও নুশুনা হ'ল। লাহে লাহে বতাহ আৰু মেঘৰ গৰ্জন কমি আহিল। কিন্তু ধাৰাসাৰে বৰষুণ পৰিবলৈ ধৰিলে। এতিয়া কেবল এটাই শব্দ। বৰষুণৰ শব্দ। কোনোবাই মহাজনৰ শোৱা-কোঠাত লণ্ঠন এটা থৈ গ'ল। অপৰিস্কাৰ চিমনিৰ অহা শেঁতা পোহৰত সি বাহিৰৰ বৰষুণৰ তিৰবিৰণি দেখা পালে। তিতি যোৱা মজিয়াখনত কোনোবাই যেন কুমজেলেকুৱাৰ ছাল এখনহে পাৰি থৈছে এনে ভাব হ'ল তাৰ। কিন্তু এনে এটা অৱস্থাতে মহাজনে ভৰিৰ সেই কণজুন কণজুন জুনুকাৰ শব্দ শুনা পালে। এক তৰুণ যুৱকৰ লগত সি ধনেশ্বৰী নদীৰ পাৰে পাৰে ঘূৰি ফুৰাৰ ছবি দেখা পালে। সি সেই যুৱকক বুকুৰ ওচৰলৈ আনি মুখ গুজি চালে.... তাইৰ ভৰিৰ কণজুন কণজুন শব্দৰ লগত বাহিৰত মুষলধাৰে পৰা

বৰষুণৰ শব্দ যেন এক হৈ গ'ল। বৰপীৰা এখনত বহি মহাজনে বৰষুণৰ কথালৈ অপেক্ষা কৰিলে। আকৌ বাৰে বাৰে সেই ৰুণজুন, ৰুণজুন শব্দ তাৰ কাণৰ ওচৰলৈ আহিল।

হঠাৎ বাহিৰত কোনোবাই মহাজনক নাম ধৰি মতা শুনিলে। অহৰহ উৎকৰ্ণ হৈ থকা মহাজনে বৰষুণৰ মাজতো এই শব্দ শুনা পালে। লণ্ঠনটো লৈ সি খপজপকৈ বাহিৰলৈ ওলাই গ'ল। বৰষুণৰ মাজতে সি তিতি জুৰুলি-জুপুৰি হৈ অহা কৃষ্ণকান্ত পুৰোহিতক দেখা পালে। বুকু ধপধপাব ধৰিলে। কিয় আহিল পুৰোহিত? কিয় আহিল তেওঁ এই বৰষুণত তিতি-বুৰি? সোঁৰা, ফটা ছাতিটোৰে তেওঁক বৰষুণৰ পৰা উদ্ধাৰ কৰিব পৰা নাই। ধুতিখন তেওঁ আঁঠুৰ ওপৰলৈ কোঁচাই লৈছে। একেবাৰে উদং শৰীৰত চাদৰ এখন তিতি লপথপকৈ পৰি আছে। মানুহটো এটা নৰ-কঙ্কালৰ দৰে দেখা গৈছে। এই নৰ-কঙ্কাল তেওঁৰ ওচৰলৈ আগবাঢ়ি আহিছে। কি খবৰ আনিছে? উঃ! কি খবৰ আনিছে?

লণ্ঠনটো দাঙি ধৰি মহাজনে চিঞৰি উঠিল, 'বাপু; এই ৰাতি? এই বৰষুণত?'

কৃষ্ণকান্ত পুৰোহিতে কোনোপধ্যেই আহি কঁাথিত উঠিল। কঁপা কঁপা হাতেৰে থৰক বৰকৈ তেওঁ ছাতিটো জপাই খুটা এটাত আঁউজাই থলে। গাত লৈ থকা চাদৰখন চেপি তেওঁ মুখখন মচি ললে। তাৰ পাছত তেওঁ কুঁজা হৈ মহাজনৰ পিনে আঙুলি টোৱাই স্খলিত কণ্ঠেৰে ক'লে, 'পীতাম্বৰ, তোমাৰ প্ৰথমজনী তিৰোতা চুকাওঁতে পুহকৰ লাগিছিল নহয়নে? তিনিটা নে চাৰিটা পুহকৰ?'

'মনত নাই? কিন্তু কিয়?'

'তিনিটা পুহকৰ লাগিলে ঘৰৰ চোতালৰ দুবৰিবনো জ্বলি-পুৰি শেষ হৈ যায়। তোমাৰ তিনিটা পুহকৰ লাগিছিল। চব জ্বলি-পুৰি শেষ হৈ গৈছে।'

'কি হ'ল বাপু? কি হ'ল?'

'তাই মণ্ট কৰি পেলাইছে। শুদিখীয়াৰ বীজ তাই নকঢ়িয়ায়।

তাই শাণ্ডিল্য গোত্রীয় বামুণ। তাই নষ্ট কৰি পেলাইছে! তোমাৰ সন্তান তাই নষ্ট কৰি পেলাইছে, পীতাম্বৰ পীতাম্বৰ ……।'

[ধনেশ্বৰীৰ পাৰত ঘূৰি ফুৰা তৰুণ যুৱক পীতাম্বৰ মহাজনৰ হাতৰ পৰা এৰা খাই যেন নদীৰ গভীৰ পানীত বাগৰি পৰিল। কোন পৰিল? কোন পৰিল? পীতাম্বৰ নে তৰুণ যুৱক পৰিল? পীতাম্বৰ মহাজন পৰিল নে তৰুণ যুৱক পৰিল। উঃ! কোন পৰিল]

এদিন মাজৰাতি হঠাৎ দময়ন্তীয়ে শুনিলে কোনোবাই বিজুলী বাঁহৰ জোপোহাৰ তলত মাটি খান্দিছে। 'কোন? কোন?' বুলি তাই ডাঙৰ ছোৱালীজনীক জগাই দিলে। এই হুৱা বহুৱীয়া ছোৱালী-জনী আৰু মাকে কাণ পাতি শুনিলে। হয় হয়, কোনোবাই বিজুলী বাঁহৰ তলত মাটি খান্দিছে। সৌ সিদিনা মাক-জীয়েক দুয়ো যি ঠাইত মাটি খান্দিছিল ঠিক সেই ঠাইৰ পৰাই এই শব্দ আহিছে। মাক-জীয়েক দুয়ো অন্ধকাৰ ৰাতি সেইদিনা চাতামপুৰৰ বামুণৰ ল'ৰাই দিয়া চিপৰাংখনেৰে অনেক সময় ধৰি মাটি খান্দিছিল। জীয়েকে ওচৰতে শিয়ালৰ হোৱা শুনি বাৰে বাৰে কঁপি উঠিছিল। আজি সেই ঠাইতে শব্দ হব লাগিছে— হৰাৎ—হৰাৎ। হৰাৎ! হৰাৎ!! হুটুৰ! হুটুৰ! হুটুৰ!! …. দুয়ো মাক-জীয়েকে হাতত চাকি লৈ খুপি খুপি খিৰিকিৰ ওচৰতে উপস্থিত হ'ল।

হৰাৎ! হৰাৎ!! হুটুৰ! হুটুৰ! হুটুৰ!!!

মাক-জীয়েক দুয়ো এটা জ্বলি থকা লণ্ঠন দেখা পালে। লণ্ঠনৰ পোহৰত দুয়ো দেখিলে এটা হৃষ্ট-পুষ্ট মানুহে সেই একেটা গাঁতকে খান্দি আছে যিটো গাঁত মাত্র দুদিন আগেয়ে দময়ন্তীয়ে খান্দিছিল। হয় হয়, সেই একেটা গাঁতকে খান্দি আছে।

দময়ন্তীৰ অন্তৰাত্মা কঁপি উঠিল। সেইটো পীতাম্বৰ মহাজন। হয় হয়, সেইটো পীতাম্বৰ মহাজন। একান্তমনে মহাজনে গাঁতৰ মাটি আঁতৰাব লাগিছে। লণ্ঠনটো বিজুলী বাঁহৰ পুলি এটাৰ ওপৰত বান্ধি থৈ দিছে।

মহাজনে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। মানসিক ব্যাধিগ্ৰস্ত ৰোগীৰ দৰে তেওঁ মাটি গুচাব লাগিছে।

দময়ন্তীয়ে ভয়ত থক্ থক্কৈ কঁপিবলৈ ধৰিলে। কি কৰে মানুহটোৱে। আটাহ পাৰিব নেকি তাই বাৰু? তাইৰ ঘৰত এই কাণ্ড ঘটিছে, তাই আটাহ নাপাৰিবনে?

'মহাজন? মহাজন?'

'নাই, কোনো ভ্ৰূক্ষেপ নাই।

হুটুৰ! হুটুৰ! হুটুৰ!!

'মহাজন! মহাজন! কিয় খান্দিছা গাঁত!'

পীতাম্বৰ মহাজনে খিৰিকিৰ পিনে এবাৰ উভতি চালে। কিন্তু কোনো উত্তৰ নিদিলে।

আকৌ হুটুৰ! হুটুৰ!! হুটুৰ!!

হাহাকাৰ কৰি উঠিল দময়ন্তীয়ে।

'মই শুনি থৈছো সঁচা কথা! কিন্তু কি পাবি তাত— মাংসপিণ্ড এটাহে পৰি আছে!'

পীতাম্বৰ মহাজনে মূৰ তুলি চাই ক'লে, 'মোৰ সন্তান আছিল—মই মাংসপিণ্ড টুকুৰাকে চুই চাম। মই মোৰ এই দুখন হাতেৰে মোৰ বংশধৰক চুই চাম।'

+ + +

আকো তেওঁ

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

লিখকৰ চমু পৰিচয়—

জন্ম ১৯৩১ চন। পিতৃ চক্ৰেশ্বৰ শৰ্মা আৰু মাতৃ শ্ৰীসাবিত্ৰী দেৱী। উত্তৰ গুৱাহাটীৰ আউনিআটি কমলদেৱ হাইস্কুলৰ পৰা ১৯৫১ চনত প্ৰবেশিকা পাছ কৰি ১৯৫৫ চনত কটন মহাবিদ্যালয়ৰ পৰা বি-এ আৰু ১৯৫৮ চনত এম এ পাছ কৰে।

গড়গাওঁ মহাবিদ্যালয়, খিলং মহাবিদ্যালয়, গোৱালপাৰা মহা-বিদ্যালয়ত অসমীয়া বিভাগত অধ্যাপনা কৰাৰ পাছত সম্প্ৰতি গুৱাহাটী আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক।

সাহিত্যিক আৰু সংগঠক শ্ৰীশৰ্মা অসম সাহিত্য সভাৰ ১৯৮১ চনৰ অধিবেশনৰ সম্পাদক, কামৰূপ সাহিত্য পৰিষদৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু উক্ত পৰিষদৰ সভাপতি আছিল।

শ্ৰীশৰ্মাৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত কাব্য সংকলন—এদিন আছিল দিন, জনতাৰ কবিতা, গল্প সংকলন—চমীয়াই, বৰলতাৰ অশ্ৰু, উপন্যাস—আইকণ, নয়নতাৰা, প্ৰবন্ধ চয়ন—অসমীয়া সাহিত্যৰ সমীক্ষা, প্ৰবন্ধ বিতান, ভাষাবিদ বাণীকান্ত কাকতি আদি বিশেষভাৱে উল্লেখযোগ্য।

সকলো কথাই পাহৰি গৈছিলোঁ। স্মৃতিৰ শ্মশানত মাথোঁ উৰি আছিল ধোঁৱা আৰু ছাঁই। ধোঁৱাই আচ্ছন্ন কৰি ৰাখিছিল মোৰ সমগ্ৰ অস্তিত্ব আৰু আনন্দক। কিন্তু কুৰি বছৰৰ পিছত মধুমালতীৰ চিঠিয়ে মোৰ সমগ্ৰ অতীতক চকুৰ আগত আকৌ এবাৰ উজলাই তুলিলে। মই স্মৃতিৰ শ্মশানৰ কাষৰত থকা [illegible]লি জোপাত ফুল ফুলা দেখিবলৈ পালোঁ। আম গছৰ ডালত বহি আকৌ যেন কুলি চৰায়ে গান গাবলৈ ধৰিলে। কিন্তু কুলিয়ে মাতিলেও বসন্ত কাল আৰু নাছিল। শেৱালিৰ সৌৰভে মোক উন্মনা নকৰিলে। মই মাথোন নিৰ্বাক, নিস্পন্দভাৱে আবেগৰ মানধানীত [illegible] মধুমালতীৰ কথা ভাবিবলৈ ধৰিলোঁ। চিঠিখন খোল খাই পৰি ৰ'ল মোৰ কোলাত।

উজনিমুৰা ৰেলৰ পৰা নামি হাতত সৰু ব্ৰিফকেছটো লৈ নাজিৰা অভিমুখে যাবলৈ শিমলুগুৰি ষ্টেচনৰ প্লেটফৰ্মৰ পৰা ওলাই আহিলোঁ। বাহিৰত গভীৰ অন্ধকাৰ। তাতে আকৌ কিন্‌কিনিয়া বৰষুণ। কৃষ্ণপক্ষ নিশাৰ সেইজাক বৰষুণে নিশাৰ গভীৰতা আৰু ভয়লগা পৰিস্থিতি এটাৰ সৃষ্টি কৰিছিল। নিশা এই বাৰ বজাত কলেজৰ টকাৰে পূৰ্ণ এই ব্ৰিফকেছটো লৈ পদব্ৰজে নাজিৰালৈ যাম। বাটত যদি ডকাইত কিম্বা জেপ লুকুকাৰ হাতত পৰো মোৰ কি দশা হব? মোৰ দুৰ্দৈৱ। আপদীয়া ৰেলখনে পলম নকৰা হলে মই এই চিন্তাত পৰিবলগীয়া নহ'লহেঁতেন। কিন্তু টকাৰ এই টোপোলাটো লৈ ষ্টেচনত থকাটোও মোৰ কাৰণে নিৰাপদ নহয়। মই যাবই লাগিব। হাজাৰ বিপদ ভবিৰে গছকি মই যাবই লাগিব। যেতিয়া সকলো পথেই কণ্টকাকীৰ্ণ তেতিয়া কম বিপদৰ পথটোকে বাচি লোৱাৰ বাহিৰে মোৰ গত্যন্তৰ নাছিল। ছবিত দেখা ট্ৰেভেলাৰছ ছেক বুকুত সাবটি বহলকৈ চকু মেলি দিয়া মানুহজনৰ দৰে ময়ো ব্ৰিফকেছটো সাবটি অন্ধকাৰবোৰ দুফাল কৰি আগবাঢ়িবলৈ ধৰিলোঁ। নেদেখা ভয়ত মোৰ বুকুখন দুৰু দুৰুকৈ কঁপিবলৈ ধৰিলে। ধমনিৰ গতি বাঢ়িবলৈ ধৰিলে আৰু মই উপলব্ধি কৰিলো মোৰ ভৰি দুখন দাণ্ডিব নোৱাৰা শিলৰ দৰে গধুৰ হৈ পৰিছিল। কাঁইটীয়া পথেৰে খোজ কাঢ়ি, জুইৰ চক মূৰত লৈ তথাপি মই ওলালো। গৈ থকাৰ বাহিৰে মোৰ উপায় নাই। ৰৈ থাকিলে বিপদ। ভয়ানক বিপদ।

হঠাতে মোৰ পাছফালে এক নাৰী কণ্ঠৰ আকুল কণ্ঠস্বৰ শুনিবলৈ পালোঁ। বিপদ মোৰ সন্নিকট। মৃত্যু সুনিশ্চিত। অবাৰিত। মূৰটো আচম্বাই কৰি পেলালে। তথাপি পাছফালে ঘূৰি চালো। টৰ্চৰ পোহৰত দেখিলো, এজনী গাভৰু। ৰূপহী। এইমাত্ৰ ফুলি উঠা যেন এপাহি শেৱালি।

'ৰ'ব ৰ'ব, ময়ো যাম নাজিৰালৈ। মোকো লগত নিয়ক।' ছোৱালীজনীয়ে কলে। কিন্তু উত্তৰ দিবলৈ কোনো শব্দকে মই বিচাৰি নাপালো। মই যেন মূক-বধিৰ। ভৰি দুখন থৰ্‌থৰ্‌কৈ কঁপিবলৈ

ধৰিলে। শৰীৰৰ সমগ্ৰ শক্তি প্ৰয়োগ কৰিও মই বিন্দুমাত্ৰ আওৱাব নোৱাৰিলো। বজ্ৰাহত মানুহৰ দৰে নিশ্চল ভাবে একে ঠাইতে থিয় দি থাকিলো। মই যে ডকাইতৰ এজেণ্টৰ হাতত পৰিছো, বুজিবলৈ মোৰ বাকী নাথাকিল।

ছোৱালীজনী বতাহৰ দৰে উৰি আহি মোৰ সন্মুখত থিয় দিলেহি আৰু একে উশাহে কম্পিত কণ্ঠেৰে কবলৈ ধৰিলে— 'আপুনিয়ে নহয় সেই অমিতাভ শৰ্মা, আমাৰ কলেজৰ অধ্যাপক। কিন্তু মাত নিদিয়ে কিয়? ভয় কৰিছে নে গাভৰু ছোৱালীৰ লগত এই গভীৰ নিশা কথা হবলৈ লাজ কৰিছে? বলক মহো নাজিৰালৈ যাম। আপুনি হব মোৰ সাৰথি আৰু মই সাৰথি হম আপোনাৰ। ভয় কিহৰ?'

তথাপি মোৰ মুখৰ মাত নোলাল। মই সম্পূৰ্ণভাৱে কণ্ঠৰুদ্ধ হৈ পৰিলো। কেৱল মাত্ৰ ছোৱালীজনীৰ পিনে মুখ তুলি চালো। হৃদয়ৰ সকলো অনুভূতি একত্ৰিত কৰি শংকাৰ উৰ্দ্ধত পৰ্যবসিত হৈ উপলব্ধি কৰিলো বিপদৰ হাতত যদি কৰুণভাৱে এই গভীৰ নিশা মৃত্যু বৰণ কৰিবলগীয়া লেখা আছে, তেনেহলে এনে এজনী তন্বীৰ হাতত মৃত্যু মোৰ বাবে হব পৰম আনন্দ আৰু গৌৰবৰ। এই মৃত্যু নিশ্চিতভাৱে হব এটি কবিতা কিম্বা নিটোল ভাস্কৰ্য্য। মই মুখ তুলি ভয়ত আদ্ৰ চকু দুটি ঈষৎ মেলি দি সেই কৃশাঙ্গীলৈ চালো। মোৰ ধাৰণা হ'ল তেওঁ কেতিয়াও ডকাইতৰ এজেণ্ট হব নোৱাৰে। নিশ্চিতভাৱে তেওঁৰ লুণ্ঠনকাৰীৰ লগত সংযোগ নাই।

এনেতে তেওঁ কলে—'মোৰ নাম মধুমালতী। মহো নাজিৰাতে থাকো। অসম চাহ কোম্পানীত সৰু অথচ দুৰ্নীতিৰ অৱকাশ নথকা এটি চাকৰি কৰো। ভয় নকৰিব, মই কোনো ডকাইতৰ এজেণ্ট কিম্বা দালাল নহয়। আপোনাৰ আৰু মোৰ অনেক দিন ডাকঘৰত ভেটাভেটি হৈছিল। মাহৰ প্ৰথম সপ্তাহত আপুনি টকা প্ৰেৰণ কৰে গুৱাহাটীলৈ আৰু মই প্ৰেৰণ কৰো মোৰহাটত থকা মোৰ বৃদ্ধা আৰু নিঃসহায়া মাতৃলৈ। ভাই-ককাই দুজন। এজন প্ৰগতিবাদত দীক্ষিত। বিয়া-বাৰু কৰি বেলেগে থাকিবলৈ লৈছে। বৃদ্ধা মাতৃক সহায়

কৰাটো তেওঁৰ প্ৰগতিবাদ কিম্বা কৰ্ত্তব্যৰ ভিতৰত নকৰে। মাৰ্ক্স আৰু লেনিনে হেনো এই দায়িত্বৰ কথা কতো উল্লেখ কৰা নাই। আনজনৰ ভাং-মদ আৰু লম্পট বন্ধু মহলৰ সংগ নহলে নচলে। চাকৰি-বাকৰি একো নাই। কেবল শুই উঠাৰ পৰা শোৱালৈকে আড্ডাই তেওঁৰ ঘৰ। এনেদৰে এখন পুৰণি অভিজাত পৰিয়ালৰ অবক্ষয় আৰম্ভ হৈছে। উপায় নাপায় ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা মই ওলাই আহিছোঁ—জীৱন আৰু জীৱিকাৰ অনুসন্ধানত। মই আপোনাক জানো। কিন্তু ভেটাভেটি হলেও কৃত্ৰিম গাম্ভীৰ্য্য ৰক্ষা কৰি আপুনি মোৰফালে কোনো দিনে মুখ তুলি চোৱা নাই। মাত এষাৰ দিয়াতো দূৰৰে কথা! কিন্তু মই নিশ্চিতভাৱে জানো পিছফালৰ পৰা আপুনি মোক পৰম ঔৎসুক্য আৰু আগ্ৰহেৰে নিৰীক্ষণ কৰে। মোৰ ধাৰণা আপোনাৰ হৃদয়ৰ এলবামত মোৰ ছবি লুকাই ৰাখিছে। এই কথালৈ আপোনাৰ ছাত্ৰী মহলত নিতৌ নতুন নতুন গল্প-গুজব।'

প্ৰথম সাক্ষাততে ছোৱালীজনীৰ কথা শুনি মই তাজ্জুপ মানিলো। তেওঁৰ প্ৰতি ওপজা সহানুভূতিত মোৰ চকু আদ্ৰিত হৈ পৰিল। ব্যাধৰ ধনু-কাঁড় দেখি ভয় খোৱা এজনী হৰিণীৰ দৰে তেওঁ মোৰ চকুত চকু থলে। মই চিনিলো। ছোৱালীজনীক মই চিনিলো। মুখেৰে মাত এষাৰ কোনো দিনে নিদিলেও ছোৱালীজনীৰ ছবি মোৰ হৃদয়ৰ এলবামত জিলিকি আছিল—হাঁহি মুখ, দীৰ্ঘ কেশ, ক্ষীণ নিটোল দেহ, ৰূপহী। নিয়ৰত তিতি থকা উদিত সূৰ্য্যৰ সোণগুৰি পৰি থকা এপাহি শুভ্ৰ শেৱালি। হয়, নাম তাইৰ মধুমালতী। মোৰ সপোনৰ মধুমালতী। আনন্দৰ এটি বিদ্যুৎ স্পৰ্শত মোৰ মনৰ সকলো ভয় আৰু শংকা কেনি যে পলাই ফাটি মাৰিলে মই গমকে নাপালো। এতিয়া মই নিৰ্ভয়, নিৰাপদ। মোৰ সপোন মোৰ চকুৰ আগত বাস্তৱ ৰূপত। মোৰ হৃদয়ৰ গোপন ছবি মোৰ দৃষ্টি পথত সমুজ্জ্বল ৰূপত উদ্ভাসিত।

এবোবাৰ মই তেওঁৰ ফালে চাওঁ। তেওঁ মোৰ ফালে চায়।

হৃদয় চিত্তাৰে আলোড়িত হৈ পৰিল। কাৰো মুখত মাত এষাৰ নোলাল। মোৰ কাণ দুখন গৰম হৈ উঠা যেন অনুভৱ কৰিলোঁ। নাকৰ অগ্ৰভাগত ঘাম বিৰিঙি উঠিল। কমালেৰে ঘামবোৰ মচিলো। তেওঁ মোৰ পিনে চাই মিচিকিয়াই হাঁহিলে। সকলো দুৰ্বলতাৰ কুঁৰলি ভেদ কৰি এবাৰ মধুমালতীক কলো—

'মধুমালতী ?'

'কি।'

'তুমি কি ভালপোৱা ?'

'মই। মই যে নিজেই নাজানো। আপুনি ?'

'ফুল, তৰা, পখী আৰু এই পিন্ধৌ নৈখন। দিখৌ নৈ মই যে এৰিব নোৱাৰো।'

'এইবোৰক ভাল পালে কি লাভ ?'

'এইবোৰক ভাল পালে কি এটা অপূৰ্ব পুলক জাগে সেইকথা তোমাক মই কেনেকৈ কওঁ। তুমি জানো এইবোৰক ভাল পাবলৈ শিকা নাই ? এইবোৰে ভাল পাওঁতাজনক প্ৰৱঞ্চনা কৰিব নাজানে।'

'হয়নে ? কিন্তু মই ভাল পাওঁ এইবোৰক ভাল পাওঁতাজনকহে।' মধুমালতীৰ কথা শুনি মই নিৰুত্তৰ হৈ পৰিলোঁ। গাত গা লগাই খোজ কাঢ়ি কেতিয়া যে দুয়ো নাহিৰা পালোঁগে কবই নোৱাৰিলো। জীৱন পুলকিত কৰা দিনবোৰ এনেকৈয়ে পলকতে উৰা মাৰে। হৃদয় আলোড়িত কৰা দিনবোৰ ৰহস্যময়। সেই দিন নাতিদীৰ্ঘ, ক্ষন্তেকীয়া।

কিন্তু জানি শুনিও এনে এটি দিনলৈ মই অধীৰভাৱে অপেক্ষা কৰিছিলো। ইয়াৰ পিছতো মোৰ আৰু মধুমালতীৰ নাহিৰাৰ বাটে-পথে প্ৰায়ে দেখা-সাক্ষাৎ ঘটিছিল। মিচিকিয়া হাঁহি মাৰি চকুত চকু থৈ ভাবৰ আদান-প্ৰদান কৰাৰ বাহিৰে দীঘলীয়া কথা-বতৰা পতাৰ সুযোগ মইো লোৱা নাছিলো আৰু লোৱা নাছিল মধুমালতীয়েও।

এটা দীঘলীয়া সংপোনৰ সুতা বগাই মোৰ দিনবোৰ অতিবাহিত

হবলৈ ধৰিলে। বহুতো চৰাইয়ে একেলগে সেউজীয়া পাতৰ আঁৰত বহি গান গোৱা মই শুনিবলৈ পালো। যেনিয়ে চাওঁ তেনিয়ে মাথোন দেখিবলৈ পালো হাজাৰ ফুলৰ মৃদু মধুৰ হাঁহি আৰু মধুবলিয়া অনেক ভোমোৰাৰ আকুল গুঞ্জৰণ। অগ্নিকুলক সম্ভ্ৰান্ত কৰি এদিন মোৰ সহকৰ্মী অবিনাশ ফুকনে কলে— 'শুনক আপোনালোকৰ কথা আৰু গোপন হৈ থকা নাই। মানুহে আপোনালোকক কেন্দ্ৰ কৰি বৰ্ণাঢ্য গল্প-গুজবৰ সৃষ্টি কৰিছে। সোনকালে কিবা এটা কৰক। নহলে এই গুজবে আপোনাৰ ব্যক্তিত্বক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিব। এটা কথা আপুনি মন কৰিছেনে, মধুমালতীয়ে অকল আপোনাৰ প্ৰতিয়েই আকৰ্ষিত নহয়, তেওঁৰ আকৰ্ষণ আন এজনৰ প্ৰতিও আপোনাৰ প্ৰতি থকা আকৰ্ষণৰ সমান্তৰাল ভাৱে আছে।'

অবিনাশ ফুকনৰ কথাষাৰ শুনি মই দেখিলো মোৰ চকুৰ আগৰ পৃথিৱীখন যেন ভূমিকম্পত পাতাললৈ ক্ৰমাত সোমাই যাবলৈ ধৰিছে। এটা অবাৰিত ধুমুহাই ঘৰ-দুৱাৰ, গছ-গছনি ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰিছে। মই নিৰাশ্ৰয় হৈ পৰিলো। এতিয়া মই ক'ত আশ্ৰয় লওঁ?

ফুকনৰ কথাত অবিশ্বাস কৰিবলৈ মই টান পালো। কিন্তু বিশ্বাস কৰিলেও মই সমূলঞ্চে ডুবিলো। মই এতিয়া কি কৰো। এনেয়ে ব্ৰহ্মবধ তাতে আকৌ ঋষিৰো শাপ মই মূৰ পাতি গ্ৰহণ কৰিবলগীয়াত পৰিলো। মধুমালতীৰ চিন্তাৰ উপৰিও তেওঁৰ লগত হবলগীয়া সাম্ভাব্য বিচ্ছেদৰ ভাবনাই মোৰ অন্তৰ দহিবলৈ ধৰিলে। মধুমালতীক যদি এবাৰ লগ পাই প্ৰাণ খুলি কথা কোৱাৰ সুযোগ পালোহেঁতেন?

এদিন সেই সুযোগ আহিল। বাহিৰৰ পৰা আহি নাজিৰাত চাকৰি কৰা সকলোৰে মিলি নৱেন্দ্ৰ মাহৰ এদিন বাতিপুৱা আমি দিখৌ নৈৰ পাৰৰ বৰশিলাতে বনভোজ খাবলৈ গলো। সকলোৰে কাম ভগাই ললো। মোৰ ভাগত পৰিল পিয়াজ কটাৰ দায়িত্ব। কিন্তু এই দায়িত্ব পালন কৰাতকৈ মধুমালতীক লগ পোৱাৰ সুযোগ

বিচৰাতহে মই অধিক গুৰুত্ব দিলো। কিন্তু মৰতিয়ে মোৰ ওচৰকে চাপিব নোখোজে। বান্ধৱীসকলৰ লগত হাঁহি-খিকিন্দালি কৰি ঘূৰি ফুৰাতহে তেওঁ মত্ত।

উতনুৱা অবিনাশ ফুকনে লক্ষ্য কৰিলে পিয়াজৰ বাষ্প লাগি মোৰ চকুৰ পৰা সৰ্ সৰ্কৈ পানী নিগৰি পৰিছে। তেওঁ সকলোৰে শুনাকৈ চিঞৰি চিঞৰি কবলৈ ধৰিলে—'চকু পানী লগা পিয়াজ আজাত নিদিব। আমি নাখাওঁ।' অবিনাশৰ কথা শুনি মই বৰ লাজ পালোঁ। লাজ আৰু অপমানৰ লগতে নিজৰ অকৰ্মন্যতাৰ কথা ভাবি বৰ দুখ পালো। মোৰ এই দুৰৱস্থাৰ কথা উপলব্ধি কৰিব পাৰি মধুমালতী মোৰ ওচৰ চাপিল আৰু কলে—'কিয়ে আৰু। একোকে নাজানে এইজনে। পিয়াজৰ মূৰ এটা কাটি বুঢ়া আঙুলিৰ তলত ৰাখি পিয়াজ কাটকচোন। তেতিয়া চকুত নধৰিব আৰু চকুৰ পৰা পানীও নিগৰি নপৰিব।'

মধুমালতীৰ মাত শুনি মই হাততে সৰগ চুকি পোৱা যেন পালো। মই কটা পিয়াজ কোনেও নাখাওক তাত মোৰ আপত্তি কৰিব লগা নাই। পিয়াজে চকুত ধৰাত চকু অন্ধ হৈ যাওঁক তাতো মোৰ আপত্তি নাই। কেৱল মোৰ হৃদয়ে জানিব বিচাৰিছে মোৰ সমাজৰালতাৰে মধুমালতীক যিজনে ভাল পায় তেওঁৰ প্ৰকৃত পৰিচয়। মই লক্ষ্য কৰিলো মধুমালতীৰ বাংচালী বান্ধৱীহঁতে ইতিমধ্যে কেনিবা আঁতৰি পৰিছে। এয়ে মোৰ কাৰণে অন্তৰ খুলি কথা কোৱাৰ সুবৰ্ণ সুযোগ। সকলো দুৰ্ভাৱনা আৰু শংকাৰ উৰ্দ্ধলৈ গৈ মধুমালতীক সুধিলো:

'হয়নে মধুমালতী, তুমি হেনে?'

'কি, মই কি?'

'তুমি হেনো আন কাৰোবাক মোৰ সমান্তৰালভাৱে ভাল পাবলৈ লৈছা?'

'কোনে কলে, মিছা কথা, মিছা কথা।'

'অবিনাশ ফুকনে কলে।'

'অবিনাশ ফুকনে ? সেই বিশ্বাসঘাতক, যি মোৰ প্ৰেম নতজানু হৈ ভিক্ষা কৰে, সেই কাপুৰুষ অবিনাশ। তেওঁক মই চকুপাৰি দেখিব নোৱাৰো। আপোনাৰ জ্ঞাতাৰ্থে জনাব খোজো— কোনো ছোৱালীয়ে উদ্ধত, বিশৃঙ্খল আৰু কাপুৰুষক প্ৰেম নিবেদন কৰিব নিবিচাৰে। বৰং শালীনতাহীন যুৱকক গাভৰুৱে ঘৃণা আৰু পুতৌৰ চকুৰে চায়। আপুনি মোৰ অস্তিত্বক এনেদৰে অপমান কৰি কি আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছে— মই নাজানো।'

মোৰ কথা শুনি মধুমালতীৰ চকুৰ কোণকেইটা সেমেকি উঠিল। মধুমালতীৰ অন্তৰত আৰু বেছি আঘাত দিয়াটো মই উচিত বুলি বিবেচনা নকৰিলোঁ।

মধুমালতীয়ে চকুৰ কোণকেইটা চাদৰৰ আঁচলেৰে মচি মুৰ তুলি মোৰ ফালে চালে আৰু খুব সন্তৰ্পণে অথচ লাহে লাহে কবলৈ ধৰিলে :

'কিন্তু মই শুনিছো, আপুনি নাজিৰা এৰি খুব সোনকালে চিলঙলৈ যাব। তেতিয়া কি হব ?'

'এতিয়া যি তেতিয়াও সেয়াই অব্যাহত থাকিব।'

'সঁচা ?'

'সঁচা। এশবাৰ সঁচা। হাজাৰবাৰ সঁচা। সকলো প্ৰকাৰ ত্যাগৰ বিনিময়ত মই মোৰ কথা ৰক্ষা কৰিম। কিন্তু তুমি ? তোমাৰ দৃষ্টি এটা বিন্দুত থাকিবনে ?'

'নিশ্চয় থাকিব। নাৰীয়ে প্ৰবঞ্চনা কাক কয় নাজানে। প্ৰবঞ্চনা পুৰুষৰ একচেতীয়া সম্পত্তি। দুষ্মন্তই শকুন্তলাক প্ৰবঞ্চনা কৰিছিল আৰু লক্ষ্মণে প্ৰতাৰণা কৰিছিল ঊৰ্মিলাক। সীতাই ৰামচন্দ্ৰৰ কাৰণে সৰ্বপ্ৰকাৰ লাঞ্ছনা শিৰপাতি গ্ৰহণ কৰিছিল অথচ সেই ৰামচন্দ্ৰই লোকনিন্দাৰ ভয়ত সীতাক ত্যাগ কৰিছিল। এয়েতো পুৰুষৰ হৃদয় !'

এনেতে দুৱৰ পৰা কাঃবাবাৰ কণ্ঠস্বৰ ভাহি আহিল— 'মধুমালতী চাবি দেই। ভাল নহয় কিন্তু। পিছত পস্তাব লাগিব।'

ইমানদিনে ভালকৈয়ে বুজি পাইছে। নহলে সেইদিনা তেওঁ মোক নুসুধিলেহেঁতেন ঃ 'আপুনি যদি মদায়, এনেকৈয়ে মোৰ ওচৰত থাকিব নে ? নে মোৰ পৰা আৰু কিবা বিচাৰিব ?'

মই অকণো ইতস্ততঃ নকৰি কৈছিলো— 'নাই মলয়া, এই যে ...খাৰ গাত গা লগাই থিয় হৈ মই তোমাৰ ৰূপৰ সুধা পান কৰিছো ইয়াতকৈ বেলেগ সুখ মোক আৰু নালাগে। কিন্তু মই তোমাক এটা কথা সুধিব খোজো ঃ মই যেনিবা তোমাৰ মাজত কিবা এটা বিচাৰি পাই তোমাক সংগোপনে লগ পাবলৈ আকাঙ্ক্ষা কৰো, তুমি কিয় মোক বাধা দিয়া নাই ? এজনৰ বিবাহিতা স্ত্ৰী হিচাপে তোমাৰ জানো এইটো ভুল হোৱা নাই ?'

মোৰ সেই প্ৰশ্নৰ উত্তৰ দিবলৈ মলয়া সঁচাকৈয়ে অলপ বিবুদ্ধিত পৰিছিল। তথাপি মই আশা কৰা ধৰণেই তেওঁ উত্তৰটো দিলে— 'ভুল হলেও মই ইয়াক ভুল বুলি নেভাবো ; কাৰণ এজনৰ বিবাহিতা স্ত্ৰী হিচাপে মই মোৰ সংসাৰৰ সকলো দায়িত্ব নিষ্ঠাৰে পালন কৰি আহিছো। আপোনাৰ বন্ধু বকৰাকো মই একোতেই ফাঁকি দিয়া নাই, অসুখী কৰা নাই। এজনৰ অংকশায়িনী হলো বুলিয়েই যে মই আন এজনৰ নিষ্পাপ ভালপোৱাক ভৰিৰে পহকি পেলাম তাৰ কি মানে আছে ?'

মই সুধিলো— 'তেনে মোৰ প্ৰতিও তোমাৰ কোনোবাখিনিত ভাওৰ দুৰ্বলতা আছে ? কিন্তু কিহত ? মোৰ ব্যক্তিত্বত নে আন কিহবাত ?'

মলয়াই সেই হাঁহিটোকে মাৰিলে যিটো হাঁহিত নাৰী-হৃদয়ৰ এক অনুপম কমনীয়তা প্ৰতিভাত হৈ উঠে, যিটো হাঁহিৰ বাবে মলয়াক মোৰ গভীৰ আবেগত সাবটি ধৰিবৰ মন যায়। সেই হৃদয়-পৰশা হাঁহিটোকে গোটেই মুখমণ্ডলত বিয়পাই লৈ মলয়াই কলে— 'আপোৰ সৃষ্টিশীল মনটোও, আপোনাৰ প্ৰতিভাশালী সাহিত্যিক সত্বাটোত। তাৰ বাহিৰে মোৰ স্বামী আৰু আপোনাৰ মাজত পাৰ্থক্যই বা কি ?'

তেনেস্থলত মলয়াক মই অস্বীকাৰ কৰিম কেনেকৈ ?

ভুলটো অৱশ্যে ময়ে কৰিলো। কালি যদি মই অফিচৰ পৰা আহি বাহিৰে বাহিৰে মলয়াহঁতৰ ঘৰত নোসোমালোহেঁতেন তেনেহলে মলয়া আৰু মোৰ মাজৰ গোপন মধুৰ সম্পৰ্কটোৰ কথা কণিকাই গম নেপালেহেঁতেন। কণিকাই কালি আমাক যিটো পৰিবেশত দেখিলে তাত তেওঁ অপ্ৰস্তুত হবৰে কথা।

* * * * *

বৰ্ণাঢ্য সুখ-সম্ভোগ আৰু নিৰাপদ স্বচ্ছন্দতাৰ মাজেদি আমাৰ বৈবাহিক জীৱনৰ আঠোটা বছৰ তেতিয়া উকলি গৈছে। ভাৰাঘৰ এৰি ইতিমধ্যে আমি নিজৰ ঘৰত থাকিবলৈ লৈছো। আমাৰ প্ৰথম সন্তান ৰাজৰ্ষি অকলে স্কুললৈ অহা-যোৱা কৰিব পৰা হৈছে। দ্বিতীয় সন্তান দেবৰ্ষি দুবছৰীয়া। আগৰ নিয়মতকৈ মই অৱশ্যে কিছু পলমকৈ বিয়া কৰাইছিলো। কণিকা মোতকৈ আঠ বছৰে সৰু; অৰ্থাৎ মোৰ বয়স যেতিয়া ত্ৰিশ বছৰ কণিকা তেতিয়া বাইশ বছৰীয়া গাভৰু।

স্বামী হিচাপে মই কণিকাৰ ৰূপৰ বৰ্ণনা দিব নোৱাৰো। মুঠৰ ওপৰত মোৰ পচন্দ তথা নিৰ্বাচনত যে কোনো ত্ৰুটী-বিচ্যুতি নৈ যোৱা নাছিল সেইষাৰ কথা বিয়াৰ পিছত মোৰ পৰিয়াল আৰু বন্ধু-বান্ধৱ সকলোৱে একেমুখে স্বীকাৰ কৰিছিল। আধুনিক যুগটোত ক'তো ঠেকা খাব নলগাকৈ কণিকাৰ প্ৰয়োজনীয় শিক্ষা-দীক্ষাও আছে। ঘৰুৱা কাম-বনতো কণিকা বেছ পাকৈত।

আমাৰ চুবুৰীটোত আমাতকৈ আগতে আহি মাটি-বাৰী কিনি ঘৰ-দুৱাৰ সজোৱা কেবাঘৰো মানুহে দুই-চাৰিটা ঘৰ ভাৰাত দিছিল। স্কুল-কলেজ, বজাৰ-সমাৰ আৰু যাতায়াতৰ সকলো সা-সুবিধা থকা বাবেই আমাৰ অঞ্চলটোত ভাৰাঘৰৰ বিশেষ চাহিদা আছে। এদিন দেখিলো, প্ৰফেচ্ছাৰ হাজৰিকাৰ ঘৰলৈ এঘৰ নতুন মানুহ আহিছে। হাজৰিকাৰ ঘৰ আমাৰ ঘৰৰ নিচেই ওচৰতে।

এদিন মই অফিচৰ পৰা অহাৰ পিছত কণিকাই কলে—
'আজি আমাৰ ঘৰলৈ কোন আহিছিল বাৰু কোৱাচোন ?'

মই অকণমান চিন্তা কৰি উত্তৰ দিলো— 'মই কেনেকৈ কম ? হয়তো হাজৰিকাৰ ভাবাঘৰলৈ অহা মানুহ ঘৰবে কোনোবা !'

'তুমি ঠিকেই ধৰিছা !' কণিকাই উৎসাহেৰে কলে— 'পৰিয়ালটোৰ মানুহগৰাকী আহিছিল—আমাৰ লগত চিনাকি হবলৈ। মানুহগৰাকীক বৰ ভাল লাগিল জানা। মোৰ লগত আজি প্ৰথম চিনাকি, কিন্তু কথা পাতি এনেকুৱা লাগিল যেন তেওঁ মোৰ আজিৰ চিনাকি নহয়, বহুত দিনৰ। বিয়া হোৱা পাঁচ বছৰ হৈছে। তাতকৈ ডাঙৰ খবৰ কি জানা ? মানুহজনী তোমাৰ একান্ত ভক্ত। তোমাৰ লিখা হেনো বহুত পঢ়িছে।'

কণিকাই ডাঙৰ খবৰ বুলি কলেও মোৰ বাবে কিন্তু সেইটো বিশেষ একো ডাঙৰ খবৰ যেন নেলাগিল। কাৰণ মোৰ গল্প-উপন্যাস আৰু অন্যান্য ৰচনা পঢ়ি প্ৰশংসা কৰা, তোষামোদ কৰা, সমালোচনা কৰা মানুহৰ অভাৱ নাই। বহুতে মোৰ লিখা পঢ়ি মোৰ লৈতে পৰিচয় হবলৈ বা চিঠিৰে বন্ধুত্ব স্থাপন কৰিবলৈ প্ৰবল হাবিয়াস কৰে যদিও, মই সততে আত্মগোপন কৰি থাকিবলৈকে বিচাৰো।

এদিন অফিচৰ পৰা আহি চোতালৰ পৰাই দেখিলো— আমাৰ ড্ৰইংৰুমত এগৰাকী ভদ্ৰ মহিলা। লগত এজনী দুই-আঢ়ৈ বছৰীয়া ছোৱালী। কণিকা আলহীৰ লগত অন্তৰঙ্গভাৱে কথা পতাত ব্যস্ত। দুয়োৰো সন্মুখৰ টিপয়ত কাপ-প্লেট আৰু তামোলৰ বঁটা। বুজিবলৈ বাকী নেথাকিল যে ভদ্ৰ মহিলাৰ শুভাগমনৰ সময় নিশ্চয় কিছু হৈছে।

মই মুখ-হাত ধুই অহালৈ বাট নেচাই কণিকাই লৰালৰিকৈ মোক ড্ৰইংৰুমলৈ মাতি লৈ গ'ল।

'বহাচোন। মুখ-হাত পিছত ধুবা। তোমাৰ লগত চিনাকি হবলৈ মানুহজনী অথনিৰে পৰা বহি আছে। ভেৰ ঘণ্টামানেই হ'ল অহা।'

বিশেষ আপত্তি নকৰি ড্ৰইংৰূমত উপস্থিত হলোঁগৈ। মোক দেখাৰ লগে লগে ভদ্ৰ মহিলা উঠি থিয় হ'ল আৰু কণিকাই চা-চিনাকি কৰি দিয়াৰ আগতেই মোৰফালে বিশেষ এক ভঙ্গীৰে চাই নমস্কাৰ জনালে।

'তুমি বোধহয় এখেতক চিনি পোৱা নাই নহয় ?' কণিকাই গভীৰ উৎসাহেৰে মোলৈ চাই কলে—'এখেত মিছেছ বৰুৱা। মানে আমাৰ নীলকমল হাজৰিকাৰ নতুন ঘৰটোলৈ যে আহিছে নতুন মানুহঘৰ—এখেত সকলেই। এখেতৰ মিণ্টাৰৰ নাম দীপেন বৰুৱা। 'ডাইৰেক্টৰেট অব ইনফৰমেচন এণ্ড বিলেছনছ্' অফিচত কাম কৰে। আপোনাক বোলে চিনিয়েই পায়।'

কোনে চিনি পায় ? ভদ্ৰ মহিলাই নে তেওঁৰ মিণ্টাৰে ? মনতে প্ৰশ্নটো উদয় হৈছিল যদিও মুখেৰে একো নুসুধিলো। মুখ-হাত নোধোৱাকৈ নতুন আলহীৰ আগত (অৱশ্যে প্ৰথম দৃষ্টিতেই ভদ্ৰ মহিলাৰ মুখৰ কিবা এটা বস্তুৱে মোক বৰকৈ আকৰ্ষণ কৰিছিল) বহিবৰ ইচ্ছা নাছিল যদিও ভদ্ৰ মহিলাই মোক বাধ্য কৰালে।

'ক'তা, আপুনি দেখোন থিয় হৈয়ে থাকিল ? বহক আৰু'। মানে, আপোনাৰ লগত যে কেতিয়াবা এনেকৈ চিনাকি হবলৈ পাম মই ভাবিব পৰা নাছিলো। (ইমান কোমল, ইমান মিঠা, ইমান আঃবগসনা তেওঁৰ মাতটো।) আপোনাৰ গোটেইবোৰ নহলেও প্ৰায়বোৰ লিখাই মই পঢ়িছো। আপোনাৰ বোধহয় আঠাইকেইখন কিতাপেই আমাৰ ঘৰত আছে। কিয় কব নোৱাৰো, আপোনাৰ লিখাবোৰৰ মাজত মই এক সুকীয়া মাদকতা বিচাৰি পাওঁ। তেখে-তেও আপোনাৰ লেখাবোৰ ভাল পায়।'

ভদ্ৰ মহিলাই যে মোক তোষামোদ কৰা নাছিল, বৰং মোৰ লেখাবোৰৰ প্ৰতি তেওঁৰ বাস্তৱিকতে গভীৰ শ্ৰদ্ধা আৰু আকৰ্ষণ আছে সেইটো তেওঁৰ কথা কোৱাৰ ধৰণ-কৰণৰ পৰাই বুজি পাইছিলো। কিন্তু মোৰ অস্বস্তি লাগিছিল মাত্ৰ এটা কথাত : ইমানখিনি কথা তেওঁ প্ৰথম পৰিচয়তে কৈ দিলে কিয় ? তেওঁ জানো নেজানে, নিশ্চয়

পত্নীৰ সাক্ষাতত এজন পুৰুষক এগৰাকী আত্মীয়তা, সদ্য পৰিচিতা মহিলাই অন্তৰ উজাৰি ইমানখিনি কথা কোৱাৰ ফলস্বৰূপে আমাৰ সংসাৰখনত বহুত কিবাকিবি ঘটি যাব পাৰে ?

পিছে মোৰেই ভাগ্য বুলি কব লাগিব, কণিকা সেই শ্ৰেণীৰ পত্নী নহয়, যি অলপ কথাতে স্বামীক সন্দেহ কৰে, কোনোবা গুণ-মুগ্ধা ছোৱালী বা ভদ্ৰ মহিলাৰ লগত সামান্য আত্মীয়তা প্ৰকাশ কৰি কথা পাতিলেই মুখ ওন্দোলাই দোন যেন কৰে। আচল কথা, কণিকাই মোক খুব বিশ্বাস কৰে। আজি আঠ বছৰে মোৰ লগত সংসাৰ কৰি তেওঁ বুজিছে—মোৰ সাহিত্যানুৰাগী মনটোত নিসিদ্ধ কামনাৰ কোনো কালিমা নাই, দাগ নাই। সেই দিনাও মিঃছুছ বৰুৱাৰ কথাত তেওঁ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে।

লাহে লাহে দীপেন বৰুৱাহঁতৰ লগত আমাৰ সম্পৰ্ক ইমান ঘনিষ্ঠ হৈ আহিল যে তেওঁলোক আমাৰ একেটা পৰিয়ালৰ দৰে হৈ পৰিল। দীপেন বৰুৱা আৰু মোৰ মাজত বয়স, চাকৰি আৰু সামাজিক মৰ্যাদাৰ কিছু তাৰতম্য থাকিলেও বাকী সকলোতে যেন অদ্ভুত মিল। দীপেন বৰুৱাই নিলিখে, কিন্তু অধ্যয়ন কৰে প্ৰচুৰ। মই অৱশ্যে লিখা আৰু পঢ়া দুয়োটা সমানে চলাবলগীয়া হয়। একেদৰে মিছেছ বৰুৱা অৰ্থাৎ মলয়াৰ লগতো কণিকাৰ সম্বন্ধ ইমান মধুৰ হৈ আহিল যে এদিনলৈকো ইজনীয়ে সিজনীক নেদেখাকৈ, এষাৰ কথা নপতাকৈ থাকিব নোৱাৰা হ'ল। তেওঁলোকৰ ভিতৰৰ মিলা-প্ৰীতি দেখি, বন্ধুত্ব দেখি ওচৰ-চুবুৰীয়াই বিস্ময় মানিলে। দুই এগৰাকীৰ মনত ঈৰ্ষাও নজন্মাকৈ নেথাকিল।

এদিন মই গম পালো, মোৰ হৃদয়ৰ কোনোবা এডোখৰ ঠাই মলয়াই যেন অতি সংগোপনে অধিকাৰ কৰি লৈছে। মোৰ চেতনাৰ কোঁৱে কোঁৱে, হৃদয়ৰ বন্ধ্ৰে বন্ধ্ৰে যেন মলয়াৰ ৰূপৰ পৰিপূৰ্ণ ছবি এখন বাংময় হৈ উঠিল। মই বুজি নেপালো, মলয়াৰ প্ৰতি মোৰ এই দুৰ্লভ আকৰ্ষণৰ, অনুৰাগৰ মূল উৎস ক'ত ? জীৱনত বহুত নাৰীকেই লগ পাইছো, বহুভাৱে মিঠা মৰম, মিঠা সান্নিধ্যৰ সোৱাদ

নৈহেঁ। কিন্তু চব অন্তৰীয়া; কোনেও মোৰ হৃদয়ৰ নিভৃত কক্ষত প্ৰবেশ কৰিব পৰা নাছিল। হয়তো কণিকাইয়ো ইমানদিনে মোৰ হৃদয়ৰ সৰ্ব্বকালৰ অংশটোৰ প্ৰকৃত সন্তেদ পোৱা নাই। তেনেহলে মলয়াৰ বাবে কেনেকৈ সম্ভৱ হ'ল সেয়া ?

মোৰ চিন্তা জগতত. অনুভূতিৰ জগতত জোৱাৰ তুলিব পৰা এই গৰাকী নাৰীৰ ৰূপ-সৌন্দৰ্য্যৰ বৰ্ণনা দিবলৈ গৈ মই মোৰ অৰ্দ্ধাঙ্গিনীক হেয় প্ৰতিপন্ন কৰিব নোৱাৰো। কৰিবলৈ যোৱাটো কেৱল ভুলেই নহব, ব্যৱহাৰিক অৰ্থত বাতুলতাও হব। তেনেহলে কণিকা আৰু মলয়াৰ মাজত পাৰ্থক্য কি ?

নিজকে প্ৰত্যয় নিয়াবলৈ নিজৰ মনটোকে কৰা সেইটো প্ৰশ্নই মোক অতিশয় বিহ্বল কৰি তুলিছিল। অৱশেষত কিন্তু মই মোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি পালো। সম্পূৰ্ণ নিৰ্ভুল সিদ্ধান্ত এটাত উপনীত হব নোৱাৰিলেও মই বহু পৰিমাণে নিশ্চিত হব পাৰিলো যে মলয়াৰ মৰমলগা চকুযুৰিতেই মোক বন্দী কৰিব পৰাৰ সকলো যাদুকৰী শক্তি লুকাই আছে। সঁচাকৈয়ে মলয়াৰ সেইযুৰি চকু যেন চকু নহয়, আহাৰৰ আকাশত উৰি ফুৰা দুটুকুৰা ক'লা মেঘ, য'ত লুকাই আছে পাৰভঙা মৰমৰ দুকুল ঢকা বান।

কোনেও গম নোপোৱাকৈয়ে মলয়া আৰু মোৰ মাজত এটা অদৃশ্য সম্পৰ্ক স্থাপিত হ'ল। আমি দুয়ো আঁতৰে আঁতৰে থাকিও ইমান ওচৰ চাপি গলো যে এখন্তেকলৈয়ো ইটোৱে সিটোক পাহৰি থকা টান হৈ পৰিল। কিন্তু আমি এতিয়া পিতৃ-মাতৃৰ শাসনৰ অধীনত থকা দায়িত্বশীল ডেকা-গাভৰু নহয়; কলেজীয়া জীৱনৰ ৰোমাণ্টিকটাও আমাৰ মন বা দেহত এতিয়া নাই। আমাৰ প্ৰত্যেকৰে একোখন নিজা নিজা সংসাৰ আছে, দায়িত্ব আছে। সেয়ে আমি বহুতো বিষয়ত সতৰ্কতা অৱলম্বন কৰি চাবলগীয়া হ'ল।

তেনেকৈয়ে পাঁচোটা বছৰ পাৰ হৈ গ'ল। ইতিমধ্যে মলয়া-হঁতৰ সংসাৰখনলৈ দ্বিতীয় সন্তানটো আহিল। এইবাৰ ল'ৰা। বহু আকাঙ্খিত পুত্ৰ সন্তানটোৰ জন্মৰ পিছত বকৰাই তৃতীয় সন্তানটোৰ

জন্মৰ সম্ভাৱনা সম্পৰ্কে নিৰ্মূল কৰি পেলোৱাৰ কথাই ভাবিছিল যদিও, মলয়াই সেই ক্ষেত্ৰত প্ৰবল বাধা আৰোপ কৰিলে। কাৰণ মলয়াৰ মতে তিনিটা সন্তানৰ আগতে পৰিকল্পিত সংসাৰৰ কথা চিন্তা কৰাটো ভুল। গছৰ গুটি জানো সংকলোৰে থাকে ?

খুব সম্ভৱ সেই সিদ্ধান্তত উপনীত হোৱাৰ পূৰ্বে মলয়াই কণিকাৰ লগত সেই বিষয়ে বিতংভাবে আলোচনা কৰি লৈছিল। কাৰণ আমাৰ বেলিকাও কণিকাৰ অভিমত আছিল প্ৰায় তেনেকুৱাই : ৰাজৰ্ষি আৰু দেবৰ্ষিৰ জন্মৰ পিছত কণিকাই মোক সতৰ্ক কৰি দিছিল : 'এজনী ছোৱালী আমাক লাগিবই। তাৰ বাবে লাগিলে চতুৰ্থ সন্তানটো-লৈকে আমি বাট চাম।'

কব নোৱাৰো কণিকাৰ সেই উদগ্ৰ কামনা ভগৱানে পূৰণ কৰে নে নকৰে। সময় অৱশ্যে উকলি যোৱা নাই।

ন'ৰাটোৰ জন্মৰ পিছত কেবামাহলৈকে মলয়াক অন্তৰঙ্গভাবে লগ পোৱাৰ সুবিধা পোৱা নাছিলো। তাৰ পিছত আকৌ সেই আগৰ অৱস্থা ঘূৰি আহিল। ন'ৰাটোৰ জন্মৰ সময়ত মলয়াৰ পৰি যোৱা চেহেৰা পুনৰ ঠন ধৰি উঠিল। আচৰিত, এইবাৰ মলয়াজনীক আগতকৈও বেছি ধুনীয়া হৈ উঠা যেন লাগিল। এদিন কণিকাইয়ো ক'লে— 'মলয়াজনীক লক্ষ্য কৰিছানে ? দিনক দিনে বেছি ধুনীয়া-জনীহে হৈ পৰিছে। কি খাইছে জানো।'

এদিন বৰ অপ্ৰত্যাশিতভাবে এটা খবৰ শুনিলো : মলয়াহঁত হেনো সেইটো ঘৰৰ পৰা যাবগৈ। ঠিক যাব নহয়, তেওঁলোকক যাবলৈ নিৰ্দ্দেশ দিছে ঘৰৰ মালিকে। ঘৰটো হেনো তেওঁলোকক লাগে। ডাঙৰ পুতেক চন্দনৰ বিয়া পাতিছে। সেইটো ঘৰ হাজৰিকাই পুতেক-বোৱাৰীয়েকক দিব।

খবৰটোৱে কণিকাক যিমান দুখ দিলে মোক যেন দিলে তাতকৈ দহগুণ বেছি দুখ। মলয়াহঁত যে কেতিয়াবা আমাৰ চকুৰ আগৰ পৰা আঁতৰি যাব সেইটো কণিকাই কেতিয়াবা ভাবিলেও মই যেন কোনোদিনেই ভাবিবলৈ অৱকাশ পোৱা নাছিলো। এক গভীৰ বেদনাই

মোৰ বুকুখন গধুৰ কৰি তুলিলে। কাম-বন, পঢ়া-শুনা একোকে কৰিবলৈ ভাল নলগা হ'ল। অথচ মোৰ মনৰ সেই বেদনা কাৰো আগত প্ৰকাশ কৰিব নোৱাৰো—বিশেষকৈ কণিকাই কেনেবাকৈ গম পালে কথা সাংঘাতিক হব। সেয়ে পাৰ্য্যমানে সাৱধান হৈ চলিবলগীয়া হ'ল।

বৰুৱাইতো কৈছিলেই। এদিন মলয়ায়ো অকলশৰীয়াকৈ মোক কলে— 'ঘৰ এটাৰ আপুনিও খা-খবৰ লওকচোন। চাব যাতে আপোনালোকৰ পৰা বেছি দূৰলৈ যাবলগীয়া নহয়। এমাইল আধা-মাইলৰ ভিতৰত হলেই বেছি ভাল।'

ঈশ্বৰৰে ইচ্ছা নেকি নেজানো, সেইদিনাই নতুন ঘৰ এটাৰ সন্ধান পোৱা গ'ল। ঘৰটো চাবলৈ বৰুৱাই মোকো লগত লৈ গ'ল। আমাৰ ঘৰৰ পৰা এমাইলবো কম দূৰত্বত থকা ঘৰটো দেখিয়েই বৰুৱাই পচন্দ কৰি পেলালে। ময়ো ভাল হব বুলি কোৱাত বৰুৱাই লগে লগেই বন্দবস্ত কৰি পেলালে।

মলয়াহঁত নতুন ঘৰটোলৈ যোৱাত আটাইতকৈ বেছি সুবিধা হ'ল মোৰেই; কাৰণ আগৰ ঘৰটোৰ মালিক মলয়াহঁতৰ লগতেই আছিল। সেইদেখি যেতিয়াই তেতিয়াই যাবলৈ মই ভাল নেপাইছিলো। এইটো ঘৰৰ মালিকতো লগত নেথাকেই, তদুপৰি ঘৰটোৰ এটা আবুৰো আছে। মলয়া আৰু মই তেনেকুৱা এটা পৰিবেশেই বিচাৰিছিলো।

এদিন এটা বৰ অন্তৰঙ্গ পৰিবেশত মলয়াৰ সৈতে কিবাকিবি কথা পাতি থাকোঁতে মলয়াই হঠাতে মোক প্ৰশ্ন কৰিলে: 'মই আপোনাক এটা ডাঙৰ কথা সোধো সোধোকৈ সুধিব পৰা নাই। আজি পিছে সুধিম। উত্তৰটো কিন্তু আপুনি খুব ভাবি চিন্তি দিব দেই।'

কথা কোৱাৰ ধৰণটোতে বুজিছিলো, প্ৰশ্নটো নিশ্চয় সহজ নহব। হয়তো উত্তৰ দিয়া মোৰ পক্ষে সম্ভৱ নহবও পাৰে।

'সোধাচোন বাৰু আগতে। প্ৰশ্নটো সহজ হলে উত্তৰো নিশ্চয় সহজ হব।'

মলয়াই ক'লে— 'বাৰু কওঁ [illegible] আপোনাৰ তেওঁলোক কম ধুনীয়া নহয়। দুটা ল'ৰাৰ মাক [illegible] নোৱাৰি। অবোধহয় মোতকৈও, তেখেত বেছি ধুনীয়া [illegible] নেহলত মোক আপুনি ইমান ভাল পায় কিয় ?'

মোৰ অনুমানৰ [illegible] প্ৰশ্নটো যিমি মোৰাত স্বতঃস্ফূৰ্তভাৱে মোৰ মুখত এটা হাঁহি বিৰিঙি উঠিল। খুব সন্তৰ্পণে কৰলৈ চেষ্টা কৰিলো— 'ঠিক সেইটো প্ৰশ্নকে মই নিজকো বহুদিন কৰিছো মলয়া। (মলয়াৰ লগত মনৰ সংযোগ বাঢ়ি যোৱাৰ লগে লগে মই তেওঁক নামকাঢ়ি মাতিবলৈ লৈছিলো। সেইদৰে 'আপুনি'ৰ ঠাই লৈছিল 'তুমি'য়ে। সম্বোধন সলনি কৰাৰ যুক্তি হিচাপে মই অৱশ্যে কণিকা আৰু বৰুৱাৰ আগত কৈছিলো— 'মোৰ মানত তেওঁ ইমান সৰু ছোৱালী হৈ আছে যে তেওঁক আপুনি বুলিবলৈ ভালেই নেলাগে।' যুক্তিটো বেছি সবল নাছিল যদিও কণিকা বা বৰুৱাই কোনো আপত্তি দৰ্শোৱা নাছিল) অৱশ্যে এইটো ঠিক যে তোমাৰ বাহ্যিক ৰূপত মই মুগ্ধ হোৱা নাই। মোক মুগ্ধ কৰিছে তোমাৰ মাজত থকা অন্য এটা বস্তুৱে— যিটো হয়তো কণিকাৰ মাজত নাই — আৰু আছে যদিও মই বিচাৰি পোৱা নাই। সঁচাকৈয়ে মলয়া, মই যদি তোমাক আগতেই পালোহেঁতেন।'

'তেতিয়া হলে কিজানি এই আকৰ্ষণ নেথাকিলহেঁতেন।' জানে, মযো কেতিয়াবা ভাবো, মোৰ স্বামীও যদি আপোনাৰ দৰে নাম-যশ-খ্যাতি থকা এজন পুৰুষ হ'লহেঁতেন। এজন সাহিত্যিকৰ পত্নী হবলৈ পোৱাটো যে কিমান ভাগ্য। কিন্তু এতিয়া সেইবোৰ ভাবি লাভ কি ? ভাগ্যত নথকাখিনিতো কাৰো দবা জোৰকৈ আদায় কৰিব নোৱাৰি। আপুনি কিন্তু মোক এইৰূপ যৰম সদায় দিব লাগিব।'

মোৰ প্ৰতি মলয়াৰ আচল দুৰ্বলতা ক'ত সেইদিনাই বুজিলো যদিও, আৰু বহুতো প্ৰশ্ন মোৰ মনত বৈ গ'ল।

* * * *

কালিৰ ঘটনাটো চাবলৈ গলে কোনো ডাঙৰ ঘটনা নাছিল ; কিন্তু সিয়েই কণিকাৰ মন মোহাচ্ছন্ন কৰি তুলিলে। সুন্দৰ বেটুপাত আৰু আকৰ্ষণীয় ছপা-বন্ধাৰে মনোৰমকৈ প্ৰকাশ কৰা মোৰ নতুন উপন্যাসখনৰ কপি দুটা লৈ অফিচৰ পৰা অলপ সোনকালেই ঘৰলৈ আহিছিলো। বাটত আহি থাকোঁতে ভাবিলো, উপন্যাসখনৰ প্ৰকাশক যিহেতু মলয়াৰ খুৰাকৰ পুত্ৰেক ককায়েকেই গতিকে কিতাপখনৰ কপি এটা বাহিৰে বাহিৰে মলয়াহঁতক দি যোৱাটো বেয়া নহব। আগে পিছে তেনেকুৱা কাম কৰা নাছিলো যদিও কালি মোৰ মনটোৱে বাৰে বাৰে তাকে কৰিবলৈ কোৱাত বাছৰ পৰা নামি পোনে পোনে মলয়াহঁতৰ ঘৰৰ ফালে খোজ ললো।

মলয়াৰ স্বামী অফিচৰ পৰা আহোঁতে সদায়ে পলম হয়। অফিচত বহুত লেঠা থাকে। কেতিয়াবা অফিচৰ পৰা সোনকালে ওলালেও অ'ত ত'ত সোমাই সোমাই আহোঁতে দেৰী হয়।

মই যাওঁতে ল'ৰা-ছোৱালী দুটা লৈ মলয়া অকলে আছিল। মোক ড্ৰইংৰুমতে বহিবলৈ দি তেৱোঁ ওচৰতে বহিল। মই কিতাপ-খনৰ কপি এটা তেওঁৰ হাতত দিলো। তেওঁ অতীব আগ্ৰহ আৰু উৎসাহেৰে কিতাপখন লুটিয়াই বগৰাই চাবলৈ ধৰিলে। আমি ডাঙৰ ছোফাখনত একেলগে বহিছিলো যদিও আমাৰ মাজত সৰু ল'ৰা এটা বহিব পৰা ব্যৱধান আছিল। কিন্তু এটা সময়ত সেই ব্যৱধান নাইকিয়া হৈ গ'ল। মই গম নোপোৱাকৈয়ে মোৰ হাত এখন মলয়াৰ কান্ধৰ ওপৰলৈ প্ৰসাৰিত হ'ল।

হঠাৎ বাহিৰফালৰ দুৱাৰমুখত কাৰোবাৰ মৃদু পদ-সঞ্চালনৰ শব্দ শুনি মলয়াই সচকিতভাবে সেইফালে চালে। কিন্তু নিজক চম্ভালি লবলৈ সুযোগ পোৱাৰ আগতেই দুৱাৰমুখত যিখন মুখ দেখা গ'ল সেই সময়ত সেইখন মুখৰ উপস্থিতিৰ কথা মলয়াই বোধহয় সপোনতো কল্পনা কৰা নাছিল। ময়ো কৰা নাছিলো। সেয়ে আমি বৰ অপ্ৰস্তুত হোৱাদি হলো।

কিন্তু আমি যিমান বিব্ৰত বা অপ্ৰস্তুত হৈছিলো, কণিকা যেন সিমানখিনি হোৱা নাছিল। মুখত কোনো ধৰণৰ খং-ক্ষোভ বা আশ্চৰ্য্যৰ ভাব প্ৰকাশ নকৰি খুব সহজভাবে তেওঁ সোমাই আহিল।

আৰু পোনে পোনে মোৰ মুখলৈ চাই সুধিলে—'কি হ'ল ? তুমি দেখোন ইয়াত ? অক্ষিচৰ পৰা সোনকালে আহিলা হবলা ?'

মলয়া ইতিমধ্যে উঠি গৈছিলেই। বুকুৰ কাপোৰ আৰু কোলাৰ এবছৰীয়া কেঁচুৱাটোক ভালদৰে চম্ভালি লৈ তেওঁ হাতৰ কিতাপখনকে সাৰথি হিচাপে লৈ শংকাযুক্তভাবে কণিকালৈ চাই কলে— 'আপুনি কিন্তু সাংঘাতিক মানুহদেই মিছেছ শৰ্মা ! আমাক 'ছাৰপ্ৰাইজ' দিবলৈকে বোধহয় এনেকৈ ওলালহি নহয় ? জানে, দাদাৰ ফাৰ্মৰ পৰা ওলোৱা এখেতৰ নতুন কিতাপখন দাদাই এখেতৰ হাততে মোলৈ দি পঠাইছে। .... আহক. বহকহি আকৌ ....'

অৱশ্যম্ভাৱী এটা বিপদৰ পৰা মলয়াই যে মোক এনেভাবে বচাই দিব মই ভাবিবই পৰা নাছিলো। মলয়াৰ সেই প্ৰত্যুৎপন্ন-মতিয়ে মোক আপ্লুত কৰিলে। বুজিবলৈ বাকী নেথাকিল যে মোৰ প্ৰতি থকা তেওঁৰ অগাধ ভালপোৱাৰেই সেয়া যথাৰ্থ প্ৰমাণ।

কণিকাই যে কোনো সন্দেহৰ বশৱৰ্তী হৈ চোৰাংচোৱাগিৰি কৰিবৰ বাবে মলয়াহঁতৰ ঘৰত উপস্থিত হোৱাগৈ নাছিল, সেইটো সাব্যস্ত কৰিলে তেওঁৰ হাতত থকা উলৰ ডিজাইনটোৱে। আজি কেইদিনমানৰ আগতে কণিকাই মলয়াৰ পৰা সেই শেহতীয়া ডিজাইনটো খুজি নিছিল। ডিজাইনটো মলয়াৰো নহয়, বায়েকৰ। ডিজাইনটো দিবৰ সময়ত মলয়াই কণিকাক কৈছিল— 'আপুনি সোনকালে ঘূৰাই দিব দেই। বাইদেৱে নহলে বেয়া পাব।'

কণিকাই নিশ্চয় ভাবিছিল, মই অক্ষিচৰ পৰা গৈ পোৱাৰ আগতেই তেওঁ মলয়াহঁতৰ ঘৰৰ পৰা ঘূৰি যাব পাৰিব। কিন্তু ....

মনৰ মাজত এজাক ধুমুহাৰ তাণ্ডৱ অনুভূত হলেও কণিকাই মলয়াৰ আগত কোনো ভাবাবেগ প্ৰকাশ নকৰিলে। আগৰ দৰে হাঁহি-মাতি তেওঁ মলয়াৰ লগত কথা পাতিলে; মোৰ নতুন কিতাপ-খন চালে। চাহ-তাহ খাই ল'ৰা দুটাৰ সৈতে আমি একেলগে মলয়াহঁতৰ ঘৰৰ পৰা ওলাই আহিলো।

ভাবিছিলো, মলয়াৰ লগত একেলগে বহি থকাৰ দৃশ্যটোলৈ আঙুলিয়াই কণিকাই নানান প্ৰশ্নৰে মোক জৰ্জৰিত কৰিব ; অক্ষিচৰ পৰা বাহিৰে বাহিৰে তাত নোসোমাই ঘৰৰ পৰা তেওঁৰ লগত একেলগে খোৱা হলে কিবা ক্ষতি হ'লহেঁতেন নেকি বুলি প্ৰশ্ন কৰিব। কিন্তু সেইবোৰ একোৰে অৱতাৰণা নকৰি তেওঁ মাথোঁন মোক কলে—'তোমালোকৰ ভিতৰত যে কিবা এটা আছে, সেইটো মই কেতিয়া-বাৰে পৰা লক্ষ্য কৰি আহিছো। কিন্তু ....'

শেষত মোৰ প্ৰতি তেওঁৰ সনিৰ্বন্ধ আবেদন : মলয়াহঁতৰ ঘৰলৈ মই যেন আৰু কেতিয়াও অকলে নেযাওঁ ; একেখন ঘোৰাতে নবহো। তাৰ অন্তৰ্নিহিত অৰ্থ হ'ল : মলয়া আৰু মোৰ মাজত যি সম্পৰ্কই পোখা মেলিছে সি অকল দৃষ্টিকটুৱেই নহয়, সামাজিক-ভাবেও সি অতি নিন্দনীয় আৰু অপৰাধমূলক। সেই ঘটনাই যে দুয়োখন সংসাৰৰ বুকুত অশান্তিৰ দাবানল জ্বলাই নুতুলিব তাৰ কি নিশ্চয়তা আছে ?

কিন্তু প্ৰশ্ন হ'ল, কণিকাৰ মনৰ তীব্ৰ দুৰ্ভাবনা দূৰ কৰিবলৈ গৈ মই জানো মলয়াৰ মন-গহনৰ পৰা আঁতৰি আহিব পাৰিম ? মলয়াক মই কেনেকৈ বুজাম —কোনেও নেদেখাকৈ আমি যি কৰিছো তাৰ পৰিণাম অতি ভয়াবহ ! নাই; নাই, সেইবাৰ কথা মই নিজ মুখে মলয়াক কেতিয়াও কব নোৱাৰো। কাৰণ মোৰ মানত মলয়া কেৱল এটা মিঠা শিহঁৰণ বা অনুভূতিয়েই নহয়, মোৰ সাহিত্য সৃষ্টিৰো তেওঁ প্ৰেৰণাৰ প্ৰতীক। মলয়া মোৰ জীবনৰ ....

+++

সোণালী সূতাৰে গঁঠা

ঈশ্বৰ মহন্ত।

লিখকৰ চমু পৰিচয়—

[জন্ম ইং ১৯৩৪ চন। নগাঁৱৰ কংসপাৰা সত্ৰ। পিতৃ চৈতন্যময় চন্দ্ৰ গোস্বামী। মাতৃ ধৰ্ম্মেশ্বৰী দেৱী। স্কুলীয়া শিক্ষা সমাপ্ত কৰাৰ পাছত শিলংৰ এডমাণ্ডচ্ কলেজৰ পৰা বি·এ পাছ কৰি চৰকাৰী চাকৰিত সোমায়। সম্প্ৰতি তেওঁ অসম চৰকাৰৰ পাঠ্যপুথি প্ৰকাশন নিগমৰ প্ৰডাকচন বিষয়া।।

'মৰহি যোৱা কহুৱাৰ ফুল' শীৰ্ষক উপন্যাসেৰে তেওঁ সাহিত্য সেৱাৰ পাতনি মেলে। সম্প্ৰতি কেবাখনো গল্প আৰু উপন্যাসৰ উপৰিও শিশু সাহিত্যও তেওঁ ৰচনা কৰিছে।

মহন্তৰ গল্পত মানুহৰ সুখ-দুখ প্ৰৱঞ্চনাৰ ছবি সুন্দৰভাৱে ফুটি ওলাইছে।

আবেলি মোৰ আধাভঙা ঘৰটোৰ আগফালৰ বাৰাণ্ডাখনতে, দিন-ৰাতি সমানে পৰি থকা অতি পুৰণি বেতৰ চকীখনতে আৰা ক্ৰবি বহি, কিবাকিবি কল্পনা কিছুমানকে কৰি আছিলো। এইকণেই মোৰ অৱসৰৰ একমাত্ৰ সময়, আৰু এই সময়কণতেই নানা ধৰণৰ কল্পনাই মোৰ মন আৰু মগজুত ভিৰ কৰেহি, যিবোৰ সাধাৰণতে মোৰ দৰে এটা সাধাৰণ মানুহৰ কাৰণে অলীক কল্পনা। অৱশ্যে অলীক কল্পনায়ো মানুহৰ জনেক ক্ষণিক আনন্দ দিয়ে। সঁচাকথা কবলৈ গলে এই কল্পনাই আমাৰ দৰে মানুহক জীয়াই ৰাখিছে। গতিকে অলীক হলেও মোৰ বাবে ইয়াৰ এটা সুকীয়া দাম আছে। তেনে এটা কল্পনাতে মজি থাকোঁতেই দেখো যে, এজন ধুতি পিন্ধা মানুহে মোৰ ঘৰৰ সন্মুখৰ আপনাথন অগাই কম্পাউণ্ডৰ ভিতৰলৈ সোমাই আহি বাৰাণ্ডা উঠিছেহি।

ৰাস্তাৰ পৰা নামি অহা অবহাত মানুহজনক বয়সীয়া বুলি মোৰ মনত যি এক ধাৰণাই পা কৰি উঠিছিল, ওচৰ আহি গোৱাতহে

দেখিলোঁ যে মোৰ সেই ধাৰণা ভ্ৰান্ত। মানুহজনৰ বয়স পঞ্চাছতকৈয়ো কম, অৰ্থাৎ মোৰে প্ৰায় সমসাময়িক। কিন্তু অকাল বাৰ্দ্ধক্যই মানুহজনক চেঁপা দি ধৰি. যাঠিৰ দশকৰ ঘৰলৈ গঁতিয়াই লৈ গৈছে।

সাধাৰণ সৌজন্যতা ৰক্ষা কৰি, বহাৰ পৰা উঠি আহি মই নম্ৰভাবে সুধিলোঁ — আপোনাক মই চিনি পোৱা নাইচোন ?

মানুহজনে হাঁহি, নম্ৰভাবে মোক সুধিলে— এয়া জানো পঞ্চানন বৰুৱাৰ ঘৰ নহয় ?

হয় হয়, ময়েই পঞ্চানন বৰুৱা। আৰু আপুনি ? .... বুলি কৈ, মই আগ্ৰহেৰে প্ৰশ্ন কৰি, ওচৰতে থকা কাঠৰ চকীখন হাতেৰে মোহাৰি বহিবলৈ দিলোঁ।

*মোৰ ঘৰলৈ সাধাৰণতে মানুহ বৰ কমকৈয়ে আহে। বাস্তৱিকতে সৰ্ব্বসাধাৰণক আকৰ্ষণ কৰা পোহৰ বস্তুটোৰ মোৰ ঘৰত বাৰুকৈয়ে অভাৱ। মোৰ ঘৰলৈ আহে মোৰদৰেই দুই চাৰিজন জুৰুলা লোক। তাৰে কোনোবা আহে কিবা দিহা-পৰামৰ্শ বা সাময়িক সহায় বিচাৰি। মোৰো নিজৰে নিৰুপায় অৱস্থা হলেও এই অৱস্থাৰেই যাক যি পাৰো সহায় কৰো। আমিতো এনেকৈয়ে বাচি আছো আৰু বাচি থাকিব লাগিব। অন্ততঃ আমাৰ বাবে সুস্থভাবে বাচি থকাৰ প্ৰত্যয়ৰ মুহূৰ্ত্ত এটা যেতিয়ালৈকে নাহে।

একে দৃষ্টিতে মানুহজনক মোৰ বিপ্লৱী বিপ্লৱী যেন লাগি গ'ল।

কৌতুহলপূৰ্ণ দৃষ্টিৰে মই মানুহজনৰ মুখৰফালে তধা লাগি চাই ৰ'লো। এনে এজন মানুহ মোৰ ওচৰলৈ অহাৰ সকাম ? মই নিজেও এটা অতি সাধাৰণ মানুহ। সাধাৰণ মানুহ হিচাবে মোৰ এই হৃদয়খনিৰ অন্তৰদৃষ্টিয়ে কেৱল মোৰ দৰেই সাধাৰণ জুৰুলা, খাটিখোৱা মানুহখিনিৰ হৃদয়ৰ ছবিকেহে চিনি পায়। হওঁতে চেহেৰাই-পাতিয়ে, পোছাকে-পৰিচ্ছদে এই মানুহজনকো একে দৃষ্টিতে মোৰ হৃদয়ৰ চিনাকি যেন লাগিলেও প্ৰকৃততে মোৰ মন খুকুৰিমুক্ত নহ'ল।

দুৰ্য্যোধন ভৰি চকীৰ ওপৰত তুলি, আৰাম কৰি বহি লৈ মানুহজনে মোক কলে—মোৰ নাম কৌস্তভমণি হাজৰিকা। কিছুমান মানুহেই কয় বোলে মই হেনো বিপ্লৱী। কেৱল মাত্ৰ দুখীয়াৰ দুখৰ মৰ্মবেদনা, বঞ্চনা, প্ৰতাৰণা, এই চিন্তাতে কাল ক্ষয় কৰাৰ কাৰণেই একচাম লোকৰ মানত মই বিপ্লৱী। কিন্তু দুখীয়াৰ দুখৰ, মৰ্মবেদনাৰ কথা উপলব্ধি কৰিলেই বা তাক কিবা প্ৰকাৰে প্ৰকাশ কৰিলেই অৰ্থাৎ সঁচা কথা ক'লেই যদি মানুহক বিপ্লৱী বুলি ৰং দিব লাগে বুলি কিবা কথা ক'ৰবাত আছে, তেনেহলে সেই কথা মই নাজানো।

মমো কথাৰ কোনো উত্তৰ নিদি, ক্ৰমান্বয়ে মোৰ মনৰ ভিতৰত শকত হৈ থকা ঔৎসুক্য নামৰ ভাবাবেগটোক চম্ভালি ৰাখিবলৈ চেষ্টা কৰি, মানুহজনৰ মুখলৈকে ৰ লাগি চাই ৰ'লো।

জেপৰ পৰা পুৰণি আৰু অপৰিষ্কাৰ ৰুমাল এখন উলিয়াই আনি হাজৰিকাই মুখৰ ঘামবোৰ মচি মচি মোক ক'লে— মই আপোনাৰ লিখা পঢ়িছো। ইয়ালৈ আহোঁতে ভাবিলো, আপোনাকো এবাৰ লগ পাই যাওঁ। মোৰ এখন আলোচনীও আছে। মোৰ আলোচনীৰ বাবে বিশেষ পটভূমিৰ দুটা কাহিনী লিখি দিব লাগে বুলি আপোনাক অনুৰোধ এটাও কৰি যাওঁ।

মানুহজনৰ পিছৰ কথাষাৰ শুনি মই প্ৰায় হতভম্ব হোৱাৰ দৰে হ'লো। বিশেষকৈ মই কোনো কোস্তুভমণি হাজৰিকাই সম্পাদনা কৰা কোনো আলোচনীৰ কথাকে মোৰ মনৰ পৰিসীমাৰ মাজলৈ আনিব নোৱাৰিলো। হয়তো নতুন আলোচনী। কিন্তু মমো এক নোম-নেগুৰ বৰ্জ্জিত সাধাৰণ কাহিনীকাৰহে। মাজে মাজে দুই এটা সাধাৰণ মানুহৰ জীৱনৰ কথা লিখো। সাধাৰণ খাটি খোৱা মানুহৰ জীৱনৰ। মোৰ লিখনীৰ কাহিনী সাধাৰণ মানুহৰ জীৱনৰ দুখ-দৈন্যৰ কথালৈয়ে পুষ্ট। মোৰ কাহিনীৰ চৰিত্ৰই কোনো দিনেই ভাল ঘৰত থাকিবলৈ পোৱা নাই। ভাল আহাৰ খাবলৈ পোৱা নাই। ভাল পোছাক পিন্ধিবলৈ পোৱা নাই। আনকি বহুতৰে নিজৰ এটি জুপুৰি ঘৰ বা এডোখৰ মাটিও নাই। মোৰ কাহিনীৰ এই চৰিত্ৰবোৰে

লোকৰ সুখ স্বাচ্ছন্দ্যৰ বাবে সকলো কৰে। কিন্তু সিহঁতৰ নিজৰে চাৰিওফালে কেৱল শূন্যতা। সিহঁতে আনৰ ভেটি বান্ধি দিয়ে কিন্তু সিহঁতৰ নিজৰ ভেটিৰ ওপৰতে এন্দুৰৰ দৌৰাত্ম্য। মোৰ কাহিনীৰ এই মানুহবোৰ কেনেকৈ বন্দী আছে সিও এক অবুজ সাঁথৰহে। গতিকে এনে নীৰস কাহিনীত জানো কিবা সম্পদ থাকিব পাৰে? অথচ মঞো এনে স্বাদহীন নীৰস কাহিনীক মনে-প্ৰাণে ভাল পাওঁ আৰু এনে জীৱন্ত নীৰস কাহিনীৰ ওপৰতে কল্পনাৰ হীৰা, মাণিক, মৰকত খটাই এনে স্বাদহীন কাহিনীৰ প্ৰতি অনুৰাগ থকা লোকসকলৰ বাবে তুলিয়াই দিওঁ। হলেও মই এনে এক ব্যস্ত কাহিনীকাৰো নহয় যে মোৰ বাবে সম্পাদকসকলৰ তাগিদা এক নিত্য নৈমিত্তিক ঘটনা। আনহাতে মই এনে এজন সম্পাদককো লগ পোৱা নাছিলো, যি নিজৰ মনঃপুত কোনো বিশেষ কাহিনী লিপিবদ্ধ কৰিবৰ বাবে কোনোবা লিখকৰ কাষ চাপিব পাৰে।

মানুহজনৰ শুকান মুখখনলৈ চাই মই সুধিলো, একাপ চাহ খাব নেকি? যদি বেয়া নেপায়?

মানুহজনে শব্দ কৰি হাঁহি ক'লে, আপুনি কোন যুগত আছে, হেৰি? আপুনি মোক একাপ চাহ খুৱাব খুজিছে আৰু তাত মই কি বেয়া পাবলগীয়া কথা আছে? দৰাচলতে এনে সৌজন্য মৰি ভূত হ'ল বুলিহে মই ভাবিছিলো। বাৰু, খুৱাব খুজিছে যেতিয়া চাহৰ লগতে আৰু কিবা এটাও দিবচোন।

মানুহজনৰ খোলা অন্তৰৰ কথা শুনি মই সঁচাকৈয়ে বৰ সন্তোষ পালো। আচলতে আমি মানুহবোৰে দিনে দিনে বেছি আত্মকেন্দ্ৰিক আৰু যান্ত্ৰিক হৈ পৰিছো। প্ৰতি কথা আৰু প্ৰতি কামতেই অতি জোখ-মাখ। অলপ হীন দেখি হোৱা মানেই যেন ভদ্ৰতা নজনা। আমি যান্ত্ৰিক মানুহবোৰে যেন নতুনকৈ ভদ্ৰতা নামৰ খোঁৱাটোত উঠিবলৈ কছৰৎ কৰিব লগা হৈছে। আমাৰ নিজৰ সকলোবোৰ পুৰণি ধৰণ-কৰণ যেন সময়ৰ মলিহে, যাক মচি-পিচি নিকা কৰিবলৈ আজিৰ এচাম লোক সদায় সচেষ্ট।

মানুহজনক শৌৰ্য অসম্ভৱ ভাল লাগি গ'ল।

অতি হেঁপাহেৰে তেওঁ প্ৰথমে জলপানটো আৰু ভাত পিছত চাহকাপ খালে। খোৱাৰ অন্তত মানুহজনক দেখি মোৰ মনত এনে ভাব হ'ল যেন জেঠৰ খৰৰ পিছত প্ৰথম বৰষাৰ প্ৰশান্তিহে।

মানুহজনক আগতকৈ বহু সুস্থ যেন লাগিল।

বটাটোত আগবঢ়াই দিয়া দুখন তামোল একেলগে মুখত ভৰাই দি মানুহজনে কলে— মোৰ কাহিনী দুটা এনে ধৰণৰ:

প্ৰথমটো হ'ল— এজনী বুঢ়ীয়ে জাবৰ কুঁচি-মুচি মূৰৰ ওপৰত খৰিৰ বোজা এটা লৈ, এটা ঠেক ৰাস্তাইদি গৈ আছিল। এনেতে কাষেদি পাৰ হৈ যোৱা এখন মটৰ গাড়ীৰ খুন্দা লাগি বুঢ়ীৰ মূৰৰ ওপৰৰ পৰা খৰিৰ বোজাটো ৰাস্তাৰ দ' নৰ্দ্দমাটোত পৰি গ'ল। গাড়ীখন নৰ'ল। কিন্তু বুঢ়ীয়ে নৰ্দ্দমাটোৰ কাষতে বহি লৈ কান্দিবলৈ ধৰিলে। বুঢ়ীয়ে নৰ্দ্দমাটোলৈ নামি গৈ খৰিকেইডাল আনিব নোৱাৰে। নৰ্দ্দমাটো দ'। আৰু ইকালে প্ৰচণ্ড ঠাণ্ডা। তদুপৰি নৰ্দ্দমাটোত পানীও আছে। খৰিকেইডাল বুঢ়ীয়ে বিচাৰি আনিছিল জুই পুৱাই ঠাণ্ডা পলুৱাবৰ বাবে। বুঢ়ীয়ে ৰাস্তাইদি অহা-যোৱা কৰা ভাল কাপোৰ-কানি পিন্ধা মানুহবোৰক খাটিবলৈ ধৰিলে খৰিকেইডাল তুলি দিবলৈ। কিন্তু ৰাস্তাইদি অহা-যোৱা কৰা কোনো মানুহেই সঁহাৰি নজনালে। শেষত বুঢ়ী নিজেই নৰ্দ্দমাত নামিল। কিন্তু বুঢ়ী নৰ্দ্দমাৰ পৰা পাৰলৈ উঠিব নোৱাৰা হ'ল। বুঢ়ী নৰ্দ্দমাৰ বোকা-পানীত লুতুৰি-পুতুৰি হ'ল। ৰাস্তাইদি অহা-যোৱা কৰা, ভাল কাপোৰ-কানি পিন্ধা কোনো মানুহেই গাত বোকা-পানী লগাৰ ভয়ত বুঢ়ীক পাৰলৈ তুলিবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। এনেতে এটা জৰাজীৰ্ণ মানুহে সেই ৰাস্তাইদি যাওঁতে বুঢ়ীক দেখি নৰ্দ্দমাৰ ভিতৰৰ পৰা বুঢ়ীক তুলিবলৈ চেষ্টা কৰিলে যদিও নোৱাৰিলে। তথাপিও সি চেষ্টা কৰিয়েই থাকিল। প্ৰথম কাহিনীটো ইমানেই।

এতিয়া দ্বিতীয় কাহিনীটো কওঁ। দুজোপা বেলেগ বেলেগ গছত বাঁহ লোৱা একে প্ৰজাতিৰ মতা-মাইকী এহাল ডেকেৰুৱা চৰাই।

এদিন সিহঁত দুয়ো বেলেগ বেলেগ গছত থকা সিহঁতৰ নিজ নিজ বাহৰ পৰা উৰি আহি দুৰৰ আন এজোপা গছৰ একেটা ডালতে পৰিলহি। তাতে দিনটোৰ বহু সময় কটোৱাৰ পিছত সন্ধিয়াৰ আ:গ আগে সিহঁত আকৌ বেলেগ বেলেগ গছত থকা নিজ নিজ বাহলৈ উভতি যায়। সেইদিন ধৰি সিহঁত নিতৌ সেই গছজোপালৈ আহে, একেটা ডালতে পৰি বহু সময় থাকে। আকৌ সন্ধিয়া হোৱাৰ আগে আগে গুচি যায়। এইদৰে দিন গৈ থাকে। এনেদৰে অহা-যোৱা কৰোঁতে কৰোঁতে সিহঁতৰ প্ৰথমে চকুৰ, পিছত মনৰ চিনাকি হয়। এটা চৰাই যদি আগতে গছজোপা পায়হি, আনটোক নেদেখিলে মনত অশান্তি হয়। আহিলে দুয়োটাই প্ৰশান্তিৰ জুৰণি অনুভৱ কৰে। কিন্তু দিনৌ আহি একেটা ডালতে পৰিলেও সিহঁত কোনো দিনেই ইটোৱে সিটোৰ কাষ নেচাপে। কোনো দিনেই কাৰো কাকলি, কুকলি, কণ্ঠস্বৰ কোনেও নুশুনে। কেৱল দিনৌ উৰি আহি, গছ-জোপাৰ নিৰ্দ্দিষ্ট ডালটোত পৰি, ইটোৱে সিটোলৈ চাই চাই, নিমাতে-নিস্তব্ধে বহু সময় কটাই সন্ধিয়াৰ আগে আগে আকৌ পৰম অনিচ্ছাৰে নিজ নিজ বাহলৈ উৰি যায়। এনেদৰে তিনিটা বছৰ কটোৱাৰ পিছত এদিন দুয়োটা চৰাই বাধ্যত পৰি দুফালে উৰি যায় আৰু কোনো দিনে ঘূৰি নহাৰ দাৰুণ বেদনা বুকুত বান্ধি। দ্বিতীয় কাহিনীও ইমানতে শেষ। কাহিনী দুটাৰ এইয়া শেষহে। আচল ছবি দুখন আপুনিহে আঁকিব লাগিব।

সম্পাদক হাজৰিকা মৌন হৈ ৰ'ল।

মই প্ৰায় হতভম্ব হোৱাৰ দৰে হলো। দৰাচলতে এইয়াতো কাহিনী নহয়। এইয়া দুটা অতি জটিল সাঁথৰ। মই সেই সাঁথৰ দুটাৰ অৰ্থ ভাঙি দিব লাগে প্ৰাঞ্জল ভাষাৰে।

আৰু দুখন তামোল মুখত ভৰাই, গল্প দুটা সোনকালে পোৱাৰ প্ৰতিশ্ৰুতি লৈ হাজৰিকা গ'লগৈ।

মোৰ বাবে হ'ল এয়া এক নতুন পৰীক্ষা। কাহিনীকাৰৰ মনৰ মৌবাই কোনো দিনে, কোনো কালে নোহোৱা, নেদেখা আনকি

ধাৰণাৰো বাহিৰৰ ঠাইলৈকো নিমিষতে চুটি মেলিব লাগে। মনৰ ঘোঁৰা যিমানেই সক্ৰিয় হয়, কাহিনীও সিমানেই জীৱন্ত, বাস্তৱ। কিন্তু লোকৰ মনৰ ভাব নিজৰ মগজুত সুমুৰাই লৈ, উমনি দি, কাহিনীৰ জন্ম দিয়া কথাটো আন কাহিনীকাৰৰ বাবে সহজ হলেও মোৰদৰে এটা সাধাৰণ কাহিনীকাৰৰ বাবে অতি দুঃসাধ্য। আনহাতে মোৰ মনৰ ঘোঁৰাতো জনা বুজা হোৱা অৱস্থাৰে পৰাই কেৱল চুটি আছে নিঃস্বজনৰ অন্ন-বস্ত্ৰৰ যোগাৰ সংক্ৰান্ত হা-হুতাশৰ লগত জড়িত হোৱা কথাবোৰৰ পিছে পিছে। গতিকে প্ৰথম কাহিনীটোৰ ক্ষেত্ৰত হতাশ হবলগীয়া একো কথা নাই। এই পৰিবেশ মোৰ চিনাকিয়েই। মোৰ মন আৰু হৃদয়ৰ পৰিধিৰ ভিতৰৰ কথা। এইটো কাহিনীৰ ফ্ৰেমত মই এখন ভাল ছবিকে ঠাই দিব পাৰিম বুলি মোৰ বিশ্বাস জন্মিছে। কিন্তু দ্বিতীয় কাহিনীটোৰ ফ্ৰেমত মই কি ছবিক ঠাই দিওঁ? হাজৰিকাই বা এই দ্বিতীয় কাহিনীটোৰ কি অৰ্থ কৰিছে?

ময়ো সেই ৰাতিয়েই কাহিনী দুটা আৰম্ভ কৰি প্ৰথম কাহিনীটোৰ কথাকেইটাৰ বিশ্লেষণ এনেকৈ কৰিলো— বুঢ়ী হৈছে সৰ্বহাৰা শ্ৰেণীটোৰ জননী। খৰিকেইডাল হৈছে সৰ্বহাৰা শ্ৰেণীটোৰ সংস্থানৰ তথা জীৱিকাৰ প্ৰতীক। মটৰ গাড়ীখন পুঁজিপতিৰ প্ৰতীক। ভাল কাপোৰ-কানি পিন্ধা মানুহবোৰ হৈছে পুঁজিপতিৰ গাত ভেজাদি ফুৰা মানুহখিনি। ইটো জৰাজীৰ্ণ মানুহ হৈছে সৰ্বহাৰা শ্ৰেণীটোৰ প্ৰতীক। সৰ্বহাৰা শ্ৰেণীটোক পুঁজিপতিয়েও গাঁতৰ পৰা নোতোলে। পুঁজিপতিৰ গাত ভেজাদি ফুৰা শ্ৰেণীটোৱেও নোতোলে। বুঢ়ীক ইটো জৰাজীৰ্ণ মানুহে পাৰলৈ তুলিবলৈ চেষ্টা কৰাৰ অৰ্থ হ'ল, সৰ্বহাৰা শ্ৰেণীটোৱে নিজে নিজেই যুঁজ কৰি গাঁতৰ পৰা উঠিব লাগিব। প্ৰথম কাহিনীটো ইমানতে শেষ।

পৰম উল্লাসেৰে মই দ্বিতীয় কাহিনীটোও জুৰিলো। কল্পনাৰ লেকামডাল ঢিলাই দিয়াৰ লগে লগেই কাহিনীয়ে নিজৰ বাস্তা বিচাৰি ললে। কাহিনীটোৰ ডেকেকৰা চৰাই দুটিক এহাল ল'ৰা-ছোৱালী হিচাপে ধৰি লৈ, ল'ৰাটোক সাৰঙ্গপাণি আৰু ছোৱালীজনীক গীতাঞ্জলি

হিচাপে নামাকৰণ কৰিলো। সাৰঙ্গপাণিৰ বয়স সোতৰ আৰু গীতাঞ্জলিৰ বয়স চৈধ্য হিচাপে দেখুৱালো। সাৰঙ্গপাণিক অষ্টম মানত পঢ়া দেখুৱালো আৰু অন্য এখন স্কুলৰ পৰা বদলি হৈ অহা গীতাঞ্জলিক সেইখন স্কুলৰে ষষ্ঠ শ্ৰেণীত নাম লগোৱা দেখুৱাই, প্ৰথমে সিহঁতৰ চকুৰ আৰু তাৰ পিছত মনৰ চিনাকি কৰাই দিলো। তাৰ পিছত একেখন স্কুলতে দুয়োকে তিনি বছৰ পঢ়ি থকা দেখুৱালো। কিন্তু কিশোৰ কিশোৰী হালৰ নিষ্পাপ, কোমল হৃদয় দুখনিক গভীৰ আত্মীয়তাৰে গাঁঠি দিলো যদিও এই সুদীৰ্ঘ সময় ছোৱাত ভয়াতুৰ কিশোৰ কিশোৰী হালক কোনো দিনেই এটাৰ কাষত আনটোক থিয় নকৰালো। কোনোটোৰে কণ্ঠস্বৰ কোনোটোকে নুশুনালো। কোনো এটাৰে হাতৰ আখৰ কোনো এটাকে নেদেখুৱালো। দুয়োটাকে সদায় দূৰে দূৰেই ৰাখি, তিনিটা বছৰৰ মূৰত, ভৱিষ্যতে কোনোদিনেই পুনৰ দেখা-সাক্ষাৎ নোহোৱাৰ কৰুণ পৰিণতিৰে সাৰঙ্গপাণিক সেই স্কুলৰ পৰা উচ্চ শিক্ষাৰ বাবে বিদায় দি, দুয়োটকে বিক্ত হৃদয়ে দুফালে উৰাই পঠাই গল্পটোৰ মোখনি মাৰিলো।

কিন্তু মই সঁচাকৈ দুটাক গল্পৰ শাৰীলৈ উঠালো যদিও হাজৰিকাৰ আলোচনীয়ে বিচৰা মতেই হ'ল নে নাই সেই বিষয়ে আশ্বস্ত হ'ব নোৱাৰিলো। মোৰ মগজৰ এই স্মৃজন তেখেতৰ মনঃপুত নহবও পাৰে। বিশেষকৈ দ্বিতীয় গল্পটো এহাল অপৰিপক্ক মনৰ কিশোৰ-কিশোৰীৰ কিছুমান অপৰিপক্ক চিন্তা-ভাবনা আৰু কৰ্মৰ সমষ্টিহে মাথোঁন। হলেও এনে পৰিচয় স্বৰ্গীয়, পবিত্ৰ বুলি যুগে যুগে সমৰ্জিত হৈ আহিছে। নিৰ্মল, পবিত্ৰ প্ৰেম স্ৰোতস্বতীগঙ্গা। ইয়াক উপেক্ষা কৰাৰ শক্তি কাৰ? মই ভাবো যে পাষাণৰ হৃদয়তো প্ৰেম আছে। নহ'লে জীয়া শিল বাঢ়িব কিয়? সেয়েহে কিশোৰ-কিশোৰী হালৰ কুমলীয়া, নিষ্কলুষ মনৰ গভীৰতালৈ সোমাই গৈ, সিহঁতৰ মনৰ বন্ধে বন্ধে তালাচী চলাই, সিহঁতৰ অব্যক্ত ভাবৰ মুকুতাৰ মালাধাৰিৰ উদ্ধাৰ কৰাৰ প্ৰয়াস কৰিলো মাত্ৰ। কিমান দূৰ কৃতকাৰ্য্যতা অৰ্জিলো সেইকথা হাজৰিকাইহে ক'ব পাৰিব।

কিন্তু লিখি শেষ কৰাৰ বাবে যিমানখিনি সময়ৰ প্ৰয়োজন হ'ল তাতোৰ্কৈ বেছি সময়ৰ প্ৰয়োজন হ'ল নামাকৰণ কৰোঁতে। মোৰ চিন্তা হ'ল কাহিনী দুটা কি নামেৰে নামাকৰণ কৰো? প্ৰথমটো 'জননী' নামেৰে একে বাৰতে নামাকৰণ কৰিলো। কিন্তু দ্বিতীয়টোৰ কথা চিন্তা কৰোঁতে কৰোঁতে 'বিষণ্ণ-বেদনা' আৰু 'ব্যতিক্ৰম', এই দুটা নামেই বাৰে বাৰে মোৰ মনলৈ আহিল।

কিন্তু চিন্তা কৰি পালো যে, বেদনা এনেয়েই বিষণ্ণ। তাতে আকৌ 'বিষণ্ণ' নামৰ মুকুটটো পিন্ধোৱা মানেই বেদনাক আৰু বেছি ঘণিভূত কৰা। কিন্তু 'বিষণ্ণ বেদনা' নামটো হঠাতে মোৰ মনলৈ আহিল যদিও মোৰ মনে প্ৰত্যয় নেমানিলে। কাৰণ এই কাহিনীটোৰ লগত বেদনাত্ৰং নিহিত হৈ নেথাকিবও পাৰে। নোপোৱাৰ বেদনা মধুৰো হব পাৰে। মধুৰতাৰ সোৱাদ মনত চিৰজীৱো হ'ব পাৰে। থ'ৰ জানিলে স্মৃতিৰ মণি-কোঠাত কত কথাই অক্ষয়, অব্যয় হৈ ৰয়। গতিকে মই এই বিয়োগান্ত নামটোৰে সুন্দৰ কাহিনীটোৰ শ্ৰাদ্ধ কৰো কিয়?

দ্বিতীয়তে 'ব্যতিক্ৰম' নামটো দুটা কাৰণত মোৰ মনলৈ আহিল। তাৰে এটা কাৰণ হ'ল, সম্পাদক হাজৰিকা নিজে এজন দৰিদ্ৰ, জনসেৱক হিচাবে তেওঁৰ সম্পাদিত আলোচনীখনিও নিশ্চয় হ'ব তেওঁৰ মুখপত্ৰ। যদি সেয়েই হয়, তেনেহলে হাজৰিকাই উক্ত আলোচনীৰ বাবে চৰাইহাজৰ বিশেষ প্লটটো বাচি ললে কিয়? দুয়োটা কথাইচোন বিপৰীতধৰ্মী।

'ব্যতিক্ৰম' নামটো মনলৈ অহাৰ আন এটা কাৰণ হ'ল, উৰিৰ পৰা, মাত মাতিৰ পৰা অৱস্থা হৈয়ো হাজৰিকাৰ উক্ত প্লটৰ চৰাই হালে কিয় সদায় দূৰে দূৰে থাকি, সাধাৰণতে এক নোহোৱা নোপোজা ঘটনাৰ অৱতাৰণা কৰি গ'ল? প্ৰথম প্ৰেমৰ এনে নিদৰ্শন অসম্ভৱ, অবাস্তৱ নহলেও নিশ্চয় ই এক উল্লেখযোগ্য ব্যতিক্ৰম। মোৰ লিখনিৰ ভয়াতুৰ কিশোৰ কিশোৰী হাল, তথা সাৰজপাখি আৰু গীতাঞ্জলিয়ে তিনিটাকৈ বছৰ ইকেখনি পঢ়াশালিতে পঢ়িও, মনৰ মাজত ইমান এটা পবিত্ৰ গভীৰ সংযোগ ঘটা বস্তেও কৈশোৰ অৱস্থাৰ

স্বাভাৱিক ভয়ৰ কাৰণেই সিহঁতে এদিনো ইটোৱে সিটোৰ ওচৰ চাপি নেপালে, এদিনো কথা পাতি নেপালে, এটাৰো মুখৰ মাতষাৰি আনটোৱে নুশুনিলে, এটাৰ হাতৰ আখৰো আনটোৱে নেদেখিলে। তিনিটাকৈ সুদীৰ্ঘ বছৰ কাল সিহঁতৰ মনৰ সংযোগৰ একমাত্ৰ সাক্ষী হৈ ৰ'ল কেৱল চকুৰ চাৱনি, চকুৰ ভাষা। প্ৰতিকে ই এক ডাঙৰ ব্যতিক্ৰমেই আৰু মধ্যো উক্ত দ্বিতীয় গল্পটো 'ব্যতিক্ৰম' নামেৰেই শেষত নামাকৰণ কৰিলো।

কিন্তু গল্প দুটাৰ ফৰ্মাচৰ পিছতো প্ৰায় দুবছৰ কাল সম্পাদক হাজৰিকাৰ পৰা কোনো খা-খবৰ নেপাই মোৰ চিন্তাই পোখা মেলিলে। হাজৰিকাৰ ঠিকনা জনা হলেও যথা স্থানলৈ গল্প দুটা ডাক যোগেই পঠাই দিলোহেঁতেন। কিন্তু হাজৰিকাৰ পৰা ঠিকনা টুকি ৰাখিবলৈকো মোৰ তেতিয়া হুচেই নহ'ল।

কিন্তু ইয়াৰ কেইদিনমানৰ পিছতে হঠাতে দৈনিক বাতৰি কাকতত প্ৰকাশিত এটা বাতৰি পঢ়ি মই হতভম্ব হলো; বাতৰিটোৰ ঠিক ওপৰতে এখন ফটো। ফটোখনৰ তলত সুভাগমণি হাজৰিকা বুলি এটা নাম। ভিতৰুৱা গাওঁ এখনত অনুষ্ঠিত এক জনসভাত বক্তৃতা দি থাকোঁতে হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হ'ল বুলি এটা মৰ্মন্তুদ বাতৰি। বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী লৈয়ো মানুহজনে এখন মাইনৰ স্কুলৰ শিক্ষকতাৰে জীৱিকা উলিয়াই, দৰিদ্ৰ জনসেৱাৰ কামটোকে বাচি লৈ, লগতে নিঃস্বজনৰ কল্যাণৰ হকে 'জনশক্তি' নামৰ এখন আলোচনীও চলাই, প্ৰকৃততে নিঃস্বজনৰ প্ৰতি থকা তেওঁৰ আস্থাকে কথাই কামে প্ৰকাশ কৰিলে বুলি বাতৰিটোত প্ৰকাশ।

কিন্তু বাতৰি কাকতত ছপা হোৱা উক্ত সুভাগমণি হাজৰিকাৰ ফটোখনে চাৎকৰে মোক মনত পেলাই দিলে সৌ সিদিনা মোৰ ঘৰলৈ আহি আলোচনীৰ বাবে দুটা গল্পৰ ফৰ্মাচ দি যোৱা সম্পাদক কৌস্তুভমণি হাজৰিকাৰ মুখখন। মোৰ চকুযুৰি বিষাদত চলচলীয়া হ'ল। হয়তো আৰু অকণমান পম খেদিলেই বাতৰি কাকতত প্ৰকাশিত এই ফটোতে মই প্ৰথম গল্পৰ নৰ্দ্দমাৰ পৰা বুঢ়ীক পাৰলৈ তুলিবলৈ চেষ্টা কৰি থকা জৰাজীৰ্ণ সংগ্ৰামী লোকজনক আৰু দ্বিতীয় গল্পৰ সাৰঙ্গপাণিকে আৱিষ্কাৰ কৰিব পাৰিম কিজানি।

০০০

প্ৰেমৰ নাম প্ৰত্যয়

শ্ৰীবিজু হাজৰিকা॥

লিখকৰ চমু পৰিচয়—

[জন্ম ১৯৪০ চন, নলবাৰীৰ ওচৰৰ হাজৰাপাৰ গাওঁত। শ্ৰীহাজৰিকাই নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা ১৯৫৬ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰি ১৯৬৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া ভাষাত এম এ পাছ কৰে আৰু ১৯৭০ চনত বি-টি পৰীক্ষা পাছ কৰে। প্ৰথমতে তেওঁ আসাম ট্ৰিবিউন কাকতত চাকৰি আৰম্ভ কৰে আৰু সম্প্ৰতি ৰিজাৰ্ভ বেংকৰ বিষয়া পদত অধিষ্ঠিত।

হাজৰিকাই অসমীয়া বামধেনু, দৈনিক অসম, মণিকূট, আজিৰ সময়, ৰংঘৰ আদি আলোচনীত নিয়মিত ভাবে গল্প লিখাৰ উপৰিও কেবাখনো গল্প সংকলন প্ৰকাশিত হৈছে। দহখন গল্প সংকলনৰ উপৰিও তিনিখন উপন্যাস তেওঁ ৰচনা কৰিছে। তেওঁ অনাতাঁৰ কেন্দ্ৰৰ এজন নাট্যকাৰো।

ফণী মাষ্টৰে মাছকেইটা আনি পোনে পোনে মেজখনৰ তলত ৰাখিছিল। প্ৰথমতে মেজখনৰ ওপৰতে থব বুলি ভাবিছিল। কিন্তু হঠাতে মেকুৰী কেইটালৈ মনত পৰি তলত থৈ পিতলৰ চৰিয়াটোৰে ঢাকি তাৰ ওপৰত পতা ওটিটো থৈ বাহিৰত হাত দুখন ধুলেগৈ।

আজি কালি হাটখন বৰ বেয়া হৈছে। আগতে পানীগাওঁৰ হাট বুলি কলে মানুহক আৰু বুজাব নালাগিছিল যে তাত কি কি বস্তু পোৱা যায়। উৰহী, লাউ, বেঙেনা, কচু, ঔ, তেতেলী, দোৰোন ফুল, নৰসিংহ, পদিনা, ভটুৱা লাই, পালেং, চুকা আদি শাক-পাচলি। দৈ, কল, কুঁহিয়াৰ আৰু মাছৰ ভিতৰত শ'ল, মাগুৰ, কাৱৈ, শৰৈ, দৰিকণা, বৰালি, পুঠি, খলিহনা, কান্দুলী, ভেহেৰী আদি উভেনদী আছিল। চাৰি অনাত আজি কালিৰ ভজনেৰে পাঁচ বিজোমান হব—ইমান মাছ কিনি আনিছিল ফণী মাষ্টৰে। দু অনা পইচা দিলে

এপাচি পকাঘৰেণ্ডেনা আৰু তুৰি উৰহী পোৱা গৈছিল। দু-অনাত তিনিভাল দীঘল দীঘল নল কচু, ছয় পইচাত দুটা পানীলাউ, তাকো নাখাইছিল লোকে। ফণী মাষ্টৰক পানীগাওঁ হাটত নিচিনা বেপাৰী নাছিল। আগধৰি সকলোৱে মাতিছিল। —মাষ্টৰ বাবু আহক, আপোনাৰ কাৰণেহে ভাল বস্তুখিনি ৰাখি থৈছো। সন্ধিৰামৰ দৈ, কণ্ঠিৰামৰ কচু, উমাকান্তৰ উৰহী, আন্ধকৰ ঔ পানীগাওঁৰ হাটত বিখ্যাত। এইবোৰৰ প্ৰধান গ্ৰাহক আছিল—ফণী মাষ্টৰ।

নৰ্মাল পাছ কৰি ফণী মাষ্টৰ দধি গাওঁৰ এম-ভিত সোমাইছিল। কমলা ৰঙৰ খদ্দৰৰ কামিজ, মুঠিয়াই পিন্ধা চুৰিয়াখনৰ মুঠিৰ আগডোখৰ জেপত সুমুৱাই, হাতত ছাতি এটা লৈ যেতিয়া গাওঁৰ মাজেৰে খোজকাঢ়ি অহা-যোৱা কৰে তেতিয়াৰ পৰাই পানীগাওঁৰ বন্ধু মহাজনৰ জীয়েক মাকণে ইকবাৰ বেৰৰ ফুটাৰে ফণী মাষ্টৰক থৰ লাগি চাইছিল। আই ঐ এনে সুপুৰুষ। ভিহ্‌তিহিয়া নাকটোৰে ৰবাৰ টেঙাৰ দৰে গোল মুখখন যেন আঘোণ মাহৰ পকা টেঙাটোহে। একাষেৰে সেওঁতা ফালি মূৰ ফণিয়াই, মিচ্‌মিচিয়া ক'লা চুলিৰ মাজত যেন এটা ধানৰ সীহহে পৰি আছে। মুখত গজা দাড়ি বোধহয় সদায় কাটে। মুখখন কণক মিস্ত্ৰীয়ে ৰেন্দা মাৰা কাঠৰ দৰে হৈ থাকে। নাকৰ তলত অকণমান মোছ যেন লালিৰে চুঙাত খুন্দা ধপাতৰ অকণমান ধপাতহে তাত আঠা দি লগাই থৈছে। মাকণে চকুৰ আঁতৰ নোহোৱালৈকে চায়েই থাকে। এনে কৰোঁতে ঢেকীৰ পৰীক [চাব] দিবলৈ পাহৰিয়েই যায় মাকণে। গাভৰুৱে ডেকালোকক চাবলৈ যি প্ৰবল হেপাহ এনে হেপাহৰ বশৱৰ্ত্তী হৈ মাকণ ভাব সাগৰত বিভোৰ হৈ থাকে।

কথাতো এদিন ধৰা পেলালে নবৌয়েক বিজয়াই। শহৰেক মহাজনৰ লগত কথাতো আলোচনা কৰিলে। ঘৰত আটায়ে ভাল পালে। প্ৰস্তাৱটো আগবঢ়োৱাত ভাল পালে ফণী মাষ্টৰৰ ঘৰেও। এই ভাল লগাবোৰৰ লগ লাগি সামাজিক বিধি-নিয়মৰ মাজেৰে, চুলীয়া, বেণ্ডপাৰ্টিৰ বাজনাৰে এদিন ফণী মাষ্টৰ আৰু মাকণ বালা কাকতিৰ বিবাহ-কাৰ্য্য সম্পাদিত হৈছিল।

এম-ভি স্কুলৰ শিক্ষকৰ অলপীয়া দৰমহাৰে হলেও ফণী মাষ্টৰে মাকণক বহুত দিনলৈকে সুখত খুৱাইছিল। পানীগাওঁৰ হাটৰ উভৈনদী বস্তুৰ মাকণৰ ঘৰ উভৈনদী কৰি ৰাখিছিল ফণী মাষ্টৰে।

কিন্তু এতিয়া সেই ৰামো নাই, অযোধ্যাও নাই। দিনৰ পৰিবৰ্ত্তন দ্ৰুত গতিত চলিছে। জনসংখ্যা বৃদ্ধি, খাদ্যৰ নাটনি, মানুহৰ খক্ বৃদ্ধি, স্বভাৱ-চৰিত্ৰ বৃদ্ধি, মাটিৰ পৰিমাণ হ্ৰাস, ঘৰবন্ধা বস্তুৰ উৎপাদন হ্ৰাস আদি এশ একুৰি হ্ৰাস-বৃদ্ধিৰ খবৰে বাতৰি কাকতখন ভৰি আছে। ফণী মাষ্টৰে সেইবোৰ মন দি পঢ়ে; মাকণক, ডাঙৰ ছোৱালী অঞ্জলীক, ডাঙৰ ল'ৰা বেণুক পঢ়ি পঢ়ি শুনায়। আৰু সেই কাৰণেই মাষ্টৰৰ দুখত পৰা বুলি কোনো খেদ নাই। কিয়নো, বৰ্ত্তমান যুগত সংসাৰখনেই দুখত পৰিছে। মনুষ্য জাতিয়ে ঠিকমতে খাব-লব, ফুৰিব, প্ৰেম-প্ৰীতি কৰিব পৰা হলে অ'ত মৰা-কটা, হিংসা-কুৎস সংসাৰখনত নাথাকিলহেঁতেন।

গাওঁ অঞ্চলত হাটে-বজাৰে ফণী মাষ্টৰক চিনি ৰখা মানুহো বহুত কমি গৈছে। পানীগাওঁ হাটৰ বহুত বেপাৰী-পোহাৰী বুঢ়া হৈ মৰিল, বহুতৰ পুতেকহঁতে চাকৰি-বাকৰি পাই বাপেকক হাটত বহিবলৈ নিদিয়া হ'ল। ভালেমান দুখত পৰি বেপাৰৰ অন্ত কৰিলে। গতিকে সেই আগৰচাম বেপাৰীয়ে ফণী মাষ্টৰ বজাৰত সোমালেই, 'আহক আহক চাৰ' বুলি নমতা হ'ল।

এতিয়া হাটত বহুত ডেকা ল'ৰাই বিজনেচত নামিছে। নবীন, পবিন, নৰেণ, প্ৰিয়ধৰহঁতে বি-এ ফেইল কৰি ব্যৱসায়ত লাগিছে। গাৱলীয়া বেংকৰ পৰা ধাৰ লৈ পানীগাওঁৰ হাট আৰু চ'কত টিনৰ চালি কৰি, পানগুমটি কৰি নানা তৰহৰ দোকান দিছে। নবীনৰ চাহ দোকানত এতিয়া বহুত ভীৰ। তেওঁৰ দোকানৰ স্পেচিয়েল হ'ল—টেকেলী পিঠা আৰু ৰবা চাউলৰ জলপান। নৰেণৰ হ'ল—চাউলৰ গুড়িৰ মালপোৱা আৰু পানীলাউৰ পোলাও। হাটত কিনিবলৈ, বেচিবলৈ একো নথকা লোকেও ভালৈ গৈ তেওঁলোকৰ দোকানত বহি এক চিঙ্গেল চাহ খাবই। আৰু এনেকুৱা অনেক লোকেৰে পানীগাওঁ হাট

ভৰি পৰে। সেই কাৰণে আগৰ দৰে পুষ্পধৰে যেনেকৈ অথে-বেথে মাতি ফণী চাৰক হাফ চিঙেল চাহ আৰু এখন জিলাপী খুৱাইছিল, আজি কালিৰ ল'ৰাহঁতে নামাতে বৰং ফণী মাষ্টৰ দোকানত সোমালে দোকানীহঁত ভিতৰলৈ সোমাই 'গ বয়ৰ হতুৱাই চাহ খুৱাই; কিজানি চাহ খাই চাবে পইচা নিদিয়েই। সেইদৰে আগৰ মাছ পোহাৰী বাটাবাণী, বাসেশ্বৰীহঁতো নাই যে 'চাৰ, কেইটামান ভাল মাছ আছে আপুনি লৈ যাওঁক' বুলি কব। এতিয়া উত্তম, তম্ভু, শিম্ভু আদি ডেকা ল'ৰাবোৰেও মাছৰ কাৰবাৰ কৰে। কুইণ্টল, কিলো হিচাবত বিক্ৰী হয়। এক কিলো মাছত দুশ গ্ৰাম পানী, তিনিশ গ্ৰাম গেলা মাছ মিহলি আৰু এশ গ্ৰাম তল দাণ্ডি কৰিহে তেওঁলোকে মাছ বিক্ৰী কৰে। গ্ৰাহকৰ মান-সন্মান, দয়া-মমতা একো নাই। সোণৰ দৰে জোখে, এটি মাছো বেছিকৈ নিদিয়ে।

মাকণ অলপতে টান নৰিয়াৰ পৰা উঠিছে। আচলতে আজি কিছু বছৰৰ পৰা তেওঁৰ সদায় নৰিয়া। ইয়াৰ প্ৰধান কাৰণ, মাষ্টৰণীৰ ছুলি ঘন। প্ৰতি দুবছৰৰ মূৰত এটা এটাকৈ সন্তান জন্ম দি তেওঁ বৰ কপীয়া হৈ পৰিছে। কুশল কবিৰাজৰ পৰামৰ্শ মতে তিনিটা বটল খালে, মাছ, মাংস, কণী, গাখীৰ আদি খালে মাকণৰ স্বাস্থ্য ঘূৰি আহিব। কিন্তু সেইবোৰ খুওৱা মাষ্টৰৰ সামৰ্থ্য হেৰাই গৈছে। দৰমহা বঢ়া নাই; কিন্তু সংসাৰৰ জ্বালা-যন্ত্ৰণা বহুত বাঢ়িছে। কবো বুলি একো কামেই কৰিব নোৱাৰে মাষ্টৰে। আজি কালি হাটলৈও মাষ্টৰ বৰকৈ নাযায়। কিয়নো, আগৰ আভিজাত্য অনুসৰি হাটখনত বেয়া বস্তু কিনিবও নোৱাৰে। অথচ সেই অনুপাতে পইচাও হাটত নাথাকে। গতিকে হাট ফুৰাটোকে বন্ধ কৰিছে মাষ্টৰে।

কিন্তু সিদিনা টকা ওঠৰটা লৈ ফণী মাষ্টৰ হাটলৈ গ'ল। মাহৰ শেষ। বেমাৰৰ আদি। মানে মাকণৰ পেটৰ কামোৰ। তেজ, শাওঁ পৰে। কুশল কবিৰাজে দিহা দিলে মাছেৰে, বিশেষকৈ মাগুৰ মাছেৰে মানিমুনিৰ জোল খালে ভাল। মাগুৰ মাছ দেৱৰ-

দুৰ্লভ। ই পূজাত লাগে। বেলপাত গাত দি দেৱীৰ পূজাত ইয়াক বলী দিয়া হয়। ই সাগৰ অথবা নৈ আদিত বাস নকৰে। ই সহজলভ্য বস্তু নহয়। সেই কাৰণেই মাছৰ বেপাৰীহঁতে মাগুৰ মাছৰ মূল্য সদায় উৰ্দ্ধত ৰাখিছে।

ফণী মাষ্টৰে অশেষ কষ্ট কৰি পোন্ধৰ টকাত দুটা মাগুৰ মাছ কিনিলে। সিদিনা আছিল সন্ধিয়াৰ বজাৰ। পানীগাওঁৰ হাটত আজি কালি পুৰা গধূলিও বজাৰ বহে। হাট বহা ঠাইৰ ওচৰেৰে দুটা গড়কাপ্তানি পথৰ কটা-কটি হৈছে। দুয়োটা পথেৰে লাইন বাছ চলে। তাতে যাত্ৰী নামি বিড়ি, চুৰুট, বিস্কুত কিনে। গতিকে ক্ৰমে ক্ৰমে ঠাইখিনিত দোকান-পোহাৰ দুই এখনকৈ বাঢ়ি গৈ তাত পুৰা গধূলি শাক-পাচলি, মাছ-তাছৰ বজাৰো বহা হৈছে। ফণী মাষ্টৰে তাতেই মাছ দুটা কিনিলে।

মাগুৰ দুটি কিনোতে তেওঁৰ অশেষ কষ্ট এই কাৰণেই হৈছিল যে, মাগুৰ দুটিৰ দাম কুৰি টকা কৰিছিল আৰু মাষ্টৰে দহ টকা মাতিছিল। তাতেই তৰ্কখন আৰম্ভ হৈছিল। মাছ-বেচা ল'ৰাজন ব্ৰাহ্মণৰ ল'ৰা। তেওঁ ইস্ত্ৰি কৰা চেঁঙা, কামিজ, হাতত দামী ঘড়ী পিন্ধি, মুখত দামী চিগাৰেট হুপি থিয়ৈ থিয়ৈ মাছ বেচে। বৰ টম্ টম্ কথা তেওঁৰ। তেওঁৰ মুখত মাছ বেচা বুলি শব্দ উচ্চাৰিত নহয়। তেওঁ কয়— ফিচাৰি বিজিনেচ। তেওঁ প্ৰবেশিকা পাছ কৰি কলেজতো দুটামান বছৰ পঢ়িছিল। গতিকে দুটা এটা ব্যাকৰণ ভুল হোৱা ইংৰাজী বাক্য কব পাৰে। যেনে— ভেৰি প্ৰাইচ ৰাইজিং, নট পচিবল ফৰ চেল, লো প্ৰাইচ ফিছ। ফণী মাষ্টৰে দহ টকা মতাত যুৱকে কলে— সেই দিন নাই মাষ্টৰ বাবু, খুজিলেই দুটা মাগুৰ এনেয়ে দিয়াৰ দিন। আপোনালোকেওতো ছ'লি পঢ়ুৱালে ফিজ পেৰি পেৰি লয়। মাগুৰ মাছ খোৱাতকৈ পুঠি মাছকে খাওঁকগৈ। মাষ্টৰৰ খং উঠিছিল। কিন্তু তেওঁ এতিয়া বুঢ়া হৈছে। খং তেওঁ সম্বৰণ কৰিছিল। আৰু নিজকে বহুত সৰু কৰি পোন্ধৰ টকাত মাছ দুটা কিনিছিল। যুৱকে তেওঁক তাচ্ছিল্য কৰাৰ সময়ত ভাবেধিনি

লোক গোট খাইছিল। কিন্তু এজন বৃদ্ধ শিক্ষকক অর্পমান কৰা স্বত্বেও কোনোৱে এষাৰ মাত নেমাতিলে। এতিয়া শিক্ষক বুলি কোনো মৰ্য্যদা নাই, দয়া-মমতা নাই। দেশত বহুত পৰিবৰ্ত্তন হৈছে।

ওৰে বাটে তলমূৰ কৰি ফণী মাষ্টৰে কথাবোৰ ভাবি আহিছিল। পৃথিবীত অ'ত পৰিবৰ্ত্তন হব বুলি তেওঁ কোনো দিনেই কল্পনা কৰা নাছিল। অথচ বাস্তৱত তাৰেই আজি ৰূপায়ণ। গাওঁৰ আন্ধাৰত অতি খৰকৈ খোজ কাঢ়িছিল। মাষ্টৰক কোনেও দেখা নাছিল।

মাছ দুটি ঢাকি থৈ, বাহিৰত হাত দুখন ধুই মাকণক খবৰ দিলেহি। মাকণ শুই আছিল। ঘৰৰ বাকীবোৰ প্ৰাণী পঢ়াত ব্যস্ত আছিল। মাকণ উঠিল আৰু ধুই-পখালি মাগুৰ দুটি কাটিলে। মাগুৰ মাছৰ তেজত আইৰণ আছে। খুব সযত্নে তেজখিনি ৰক্ষা কৰিলে মাকণে। মাগুৰ মাছ কাটিবলৈ সকলো তিৰোতাৰ পাৰদৰ্শিতা নাই। কিন্তু বন্ধু মহাজনৰ জীয়েক মাকণ মাষ্টৰণী এইবোৰত সিদ্ধ হস্ত। মাকণে মাগুৰ দুটাৰ সমানে সমানে মূৰ বাদ, আঠ টুকুৰা কৰিলে। ঠিক তেনেতে কৌশল্যা বুঢ়ী আহি উপস্থিত। কৌশল্যাই মাকণে কটা মাগুৰ মাছৰ টুকুৰাকেইটা দেখি কথাৰ ফুলজাৰি আৰম্ভ কৰিলে যে আজি বহুত দিন তাই মাছৰ মুখেই দেখা নাই। মাগুৰ মাছ স্বাস্থ্যৰ কাৰণে বৰ ভাল। এবাৰ তাইৰ মাহীয়েকৰ বৰ ডাঙৰ ফোঁহোৰা এটা হৈছিল। মাগুৰ মাছ খাওঁতে ভাল হৈ গ'ল। এবাৰ তাইৰ দেউতাকে পথাৰত বেৰ দি মাছ মাৰোতে ডেৰ কুৰি মাগুৰ মাছ পাইছিল। একোটা মাগুৰ যেন একোটা ঢেকীৰ থোৰাহে। মাগুৰ মাছ খাব লাগে ধনীয়াৰ জোলেৰে আৰু পকা ঔ টেঙাৰে। মাটিমাহৰ ডাইলেৰে শুকান মাগুৰ ৰান্ধিলে তোমাৰ কি খাবা। ওপৰত দুই আঙুল ডাঠ চামনি পৰে ইত্যাদি। মাষ্টৰ-মাষ্টৰণীৰ মূৰ গৰম কৰি দিলে।

মাষ্টৰ আৰু মাকণে আলোচনা কৰি বুঢ়ীক দুই টুকুৰা মাছ ভিমকৰ পাতত বান্ধি দি কলে — অ' আইতা, তুমি এই দুই টুকুৰা মাছ নিয়া, ভাজি খাবাগৈ। বুঢ়ীয়ে এশটামান আশীৰ্বাদ দি মাছ দুটুকুৰা চাদৰৰ আঁচলত বান্ধি নিলে।

মাকণে মাছখিনি মুগৰ ডাইলেৰে ৰান্ধিলে। মুগৰ ডাইল আৰু মাগুৰ মাছৰ ৰাজযোৰা। তেনেকৈ কান্দুলী মাছ আৰু মচুৰ ডাইলৰ ৰাজযোৰা। মাকণে এইবোৰ জানে।

বন্ধা-বচ্ছা হওঁ হওঁ এখোন। তেনেতে মাকণৰ সকজনী ভনীয়েক বিমলাই ল'ৰা-ছোৱালী দুটি লগত লৈ উপস্থিত। বিমলাৰ অৱস্থা ভাল। সক চহৰ এখনত থাকে। বায়েকৰ ঘৰলৈ আহিবলৈ সময়েই নাপায়। আজি আহিছে। মাণ্টৰেও ভাল পালে। মাকণৰো আনন্দ। দুয়ো বায়েক ভনীয়েকে আধলা ঘৰতে বহি দুই ঘণ্টা কথা পাতিলে। এক সাগৰমান কথা যেন দুয়োৰে পেটত খুপ খাই আছিল। আজি খৰিৰ চৌকাৰ ওপৰত বসি কৰি দিছে। বিমলাৰ গেচ আছে টিপ্ মাৰি জ্বলাব পাৰি— টিপ্ মাৰি নুমাব পাৰি— বায়েকক বুজাইছে।

যথা সময়ত আটাইবোৰকে ভাত-পানী খুৱাই মাকণ খাবলৈ বহিল। ফণী মাণ্টৰে পাক-ঘৰৰ খিৰিকিৰে জুমি জুমি চাই দেখিলে মাকণৰ ভাগত মাগুৰৰ মূৰ এডোখৰ পৰিছে। তাকে চুহি চুহি' হাড়ৰ ভিতৰত থকা অকণমান মাহ উলিয়াবলৈ চেষ্টা কৰিছে পৰা নাই। মাণ্টৰৰ বৰ দুখ লাগিল। মাকণৰ বোগৰ কথা মনত পৰিল। মাছ কিনা চেষ্টাৰ, কষ্টৰ, কথাটো মনত পৰিল। মাণ্টৰ পিছ দুৱাৰেৰে মাকণৰ ওচৰ পালেহি। সোধো নোসোধোকৈ মাণ্টৰে সুধিলে— তোমাৰ ভাগত হবলা মাছ নপৰিলেই। মাকণে কলে— অ'ত মানুহ, দুটা মাগুৰ। কেনেকৈ ভাগত পৰিব? হব দিয়ক। জোলখিনি হলেই হ'ল। তোমাৰ ভাগত জোলতো নপৰিল হবলা— মাণ্টৰে কলে। মাকণে একো নামাতিলে। সঁচাকৈয়ে মাকণৰ ভাগত জোল অকণো পৰা নাছিল। চকটো হাতৰ তলুৱাৰে চুচি আনি মূৰটোৰ সৈতে পাতত ৰাখিছিল। তাকে চেলেকি জোলখনৰ সোৱাদটো মাত্ৰ অনুভৱ কৰিছিল। মাগুৰ মাছ মূগৰ ডাইলেৰে ৰান্ধিছিল।

মাণ্টৰে কলে— অহা মাহৰ পৰা তোমাক ভালকৈ মাছ খুৱাব পাৰিম। শুনিবলৈ পাইছো, আন্দোলনৰ সময়ত আগৰ চৰকাৰে কাটি নিয়া দৰমহাখিনি হেনো এইখন চৰকাৰে দিব। আমিও আঠশ মান টকা পাম কিজানি। মাকণৰ মুখত হাঁহি বিৰিঙিল।

কলে— টকাখিনি মাছ খাই শেষ কৰিব নালাগে। ছোৱালীহঁত ডাঙৰ হৈ আহিছে। অলপ সোণ-চোন পাৰিলে কিনি থব লাগে।

মাকণৰ কথা শুনি ফণী মাষ্টৰে ডাঙৰকৈ হাঁহিব খুজিছিল; কিন্তু খুলশালীয়েক বিমলাই শুনিব বুলি বৰঙ্ক ফুচফুচাই মাকণক কলে— বিমলাহঁতে শুনাকৈ এইবোৰ কথা আলোচনা নকৰিবা। সোণ, ৰূপ, বিয়া-সবাহ, লাহ-বিলাস এইবোৰ কথা আমাৰ নাভাবিবা। আমি খাই-লৈ জীয়াই থাকিব পাৰিলেই বহুত। শিক্ষকে ত্যাগহে কৰিব লাগে। উপভোগ কৰিব নালাগে। ত্যাগত মহিমা আছে আৰু মহিমাত মূল্য আছে।

মাকণৰ হাত শুকাই কৰাল লাগিছিল। তেওঁ হাত-পাত, বাচন আদি ধুই আলহী অতিথি আদিক বিছনা আদি ঠিক কৰি দি এটা সময়ত শুলেগৈ। নিশা গভীৰ হৈ আহিল। ফণী মাষ্টৰৰ টোপনি অহা নাই। তেওঁ গোটেই দিনটোৰ কথা এবাৰ ভাবি, চিন্তা কৰি গোটেই জীৱনটোৰ কথা মনত পেলাবলৈ ধৰিলে। মাষ্টৰে জানে, মাকণৰো টোপনি অহা নাই। মাষ্টৰে লাহেকৈ মাকণক মাতিলে—হেৰা. তোমাৰ টোপনি অহা নাই? হেৰি নহয়, এতিয়া আমাৰেই ছাত্ৰ-ছাত্ৰীহঁত মন্ত্ৰী হৈছে। শিক্ষকসকলৰ দুখ মোচন কৰিব বুলি তেওঁলোক দৃঢ় প্ৰতিজ্ঞ। আমাৰ আৰু দুখৰ দিনৰ অন্ত পৰিল বুলিব পাৰা। শিক্ষকবিলাকৰ অৱস্থা এতিয়া ভাল হবহে। মাকণৰ মনটো কিবা খেলি-মেলি লাগিছিল হবলা, এটা সময়ত তেওঁৰ টোপনি আহিল। মাকণে জানে অতি আশা সদায় বেয়া।

কিন্তু ফণী মাষ্টৰৰ সিদিনা গোটেই নিশা চকু টিপ্ মৰা নহ'ল। যুগৰ পৰিবৰ্ত্তনৰ কথা ভাবোতে ভাবোতে মাষ্টৰৰ মনটো কিবা খেলি মেলি লাগিল। নিশা লাহে লাহে গভীৰ হৈ আহিল। গভীৰতাক নিস্তব্ধতাই সদায় আদৰণি জনায়। মাষ্টৰৰ মাকণৰ লগত হোৱা বিয়াৰ কথা মনত পৰিল। মাকণৰ তাহানিৰ সেই স্বাস্থ্য, শৰীৰৰ ৰং, যৌৱনৰ মাদকতা— এই আটাইবোৰ কথা মনত পৰি তেওঁৰ মনটো কিবা এটা উত্তেজনাত শিহঁৰি উঠিল। তেওঁ

হাতত সাৰে ভৰিত সাৰে মাকণৰ ওচৰলৈ উঠি গ'ল। মাকণ গভীৰ নিদ্ৰাত মগ্ন। মাষ্টৰে মাকণৰ চুলিকেইডাল চুই চালে। তাহানিৰ দীঘল, মিচ্‌মিচিয়া ক'লা চুলি এতিয়া সৰি সৰি গৈ গৰুৱে কামোৰা দুবৰি বনৰ দৰে হৈছে। গাল দুখন চুই চালে। তাহানিৰ সেই পুৰঠ, তেজাল, কোমল মুখ শুকাই ব'দত শুকোৱা কলপাতৰ দৰে খৰমৰীয়া হৈছে। মাকণে সাৰ পোৱা নাই। কোটৰত সুমোৱা চকু দুটাতো অ'ত নিদ্ৰা সোমাই আছে। দিয়াচলাইৰ খাটি এটা জ্বলাই ফণী মাষ্টৰে মাকণৰ মুখখন চাব খুজিছিল। কিন্তু লাজ আৰু বেদনাত মাষ্টৰৰ মনলৈ সংকোচ আহি পৰিল। অভাবী মানুহ সোনকালে বুঢ়া হয়। আৰু তেনে বৃদ্ধ অসমীয়া মানুহৰ মনত শৰীৰত প্ৰেমৰ মাদকতা থাকিব নোৱাৰে। ইয়াত ফ্ৰয়দৰ ফৰমূলা অবাস্তৱ। যিসকল লোকে ঘিউ, মৌ, মাংস, মদ খাই মাখনৰ দৰে কোমল বিছনাত শুই থাকে, যিসকল লোকে গাড়ী-মটৰ আদিত বিচৰণ কৰে, যাৰ ভৰিত বিন্দুমানো ধূলি-বালিৰ কণিকা নাই, যিসকল লোকে সৎ অসৎ উপায়েৰে অপৰ্য্যাপ্ত ধন সংগ্ৰহ কৰিছে— তেওঁলোকৰ বাবেহে প্ৰেমৰ মাদকতা থাকে। তেওঁলোকৰ প্ৰেমৰ কাল নাই। হাতত সাৰে ভৰিত সাৰে ফণী মাষ্টৰ আকৌ নিজৰ বিছনালৈ গুছি গ'ল। নিশাটো মাষ্টৰৰ তেনেকৈয়ে অতিবাহিত হ'ল।

+ + +

অপাৰ্থিৱ পাৰ্থিৱ

ড° নগেন শইকীয়া।

লিখকৰ চমু পৰিচয়—

জন্ম ১৯৩৯ চন। ঢেকীয়াল হাইস্কুল, জগন্নাথ বৰুৱা মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আধুনিক অসমীয়া সাহিত্যৰ সামাজিক আৰু বৌদ্ধিক পটভূমি বিষয়ত ডক্টৰেট উপাধি লাভ কৰে। শিক্ষকতা, সাংবাদিকতাৰে কৰ্ম জীৱন আৰম্ভ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যাপনা কৰ্মত নিযুক্ত হয়। সম্প্ৰতি ৰাজ্যসভাৰ সদস্য। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক সাহিত্য একাডেমিৰ উপদেষ্টা সমিতিৰ সদস্য, জ্ঞানপীঠ উপদেষ্টা সমিতি, ভাৰতীয় লেখক সংঘ আদিৰ সদস্য আৰু বিভিন্ন অনুষ্ঠানৰ সভাপতি পদত অধিষ্ঠিত ড° শইকীয়া এক সুদক্ষ সংগঠক।

সাহিত্যিক হিচাপে ডঃ শইকীয়া উপন্যাস, প্ৰবন্ধ আদিৰ ৰচক যদিও তেওঁ বিশেষ স্থান অধিকাৰ কৰিছে গল্প সাহিত্যতহে। তেওঁৰ প্ৰকাশিত গল্প সংকলনবোৰ হ'ল— কুবেৰ হাতীবৰুৱা, ছবি আৰু ফ্ৰেম, বন্ধ কোঠাৰ ধুমুহা, অস্তিত্বৰ শিকলি, মাটিৰ চাকিৰ জুই, অপাৰ্থিৱ পাৰ্থিৱ আদি। আধুনিক যন্ত্ৰণা, যুগ মানসৰ সম্যক চিত্ৰ বহন কৰা তেওঁৰ গল্পসমূহত মানৱীয় প্ৰমূল্যসমূহক নতুন দৃষ্টি-ভংগীৰে অবলোকন কৰা হৈছে।

ইয়াৰ উপৰিও চিন্তা-চৰ্চা, অগ্নিগৰ্ভা অসম আদি প্ৰবন্ধ পুথি আৰু আসাম বন্ধু, চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী, যাত্ৰিকৰ যাত্ৰা, আধুনিক অসমীয়া সাহিত্য আদি ৩৫ খন গ্ৰন্থ সম্পাদনা কৰিছে।

এটা সৰু ফৰেষ্ট ইন্সপেকচন বাংলা। টিনপাতত সেউজীয়া ৰং. দুৱাৰ আৰু খিৰিকিতো সেউজীয়া পৰ্দা, কাঠত ডাঠ সেউজীয়া ৰং, বেৰত পাতল হালধীয়া ৰং। চাৰিওফালে শকত তাঁৰৰ ওখ জেওৰা। পৰিষ্কাৰ ঘাঁহনিৰ মাজত বতৰৰ ফুল। চাৰিওফালে ডাঠ হাবি। অদূৰত এখন সৰু নদী। সিপাৰে হাবিতলীয়া সৰু বাট। কেৱল সন্মুখৰ ভাগ দেখি। কিছু আঁতৰেদি এটা বহল বাট। পিচ দিয়া। মাজে সময়ে দুই এখন মটৰ গাড়ী পাৰ হৈ যোৱাৰ শব্দ। ক'ৰবাত চৰাইৰ শব্দ।

এটা নির্জন আবেলি। গছৰ ছাঁই এটা যেন কোমল পোহৰ সিচি দিছে।

বুঢ়া চকিদাৰ বাৰাণ্ডাৰ এটা চুকত জুপুকা মাৰি বহি আছে। ভিতৰত ৰেলনোবা আছে, সি কাণ থিয় কৰি আছে। মাতিলেই যাব।

পৰ্দা আঁতৰাই এজন মানুহ ওলাই আহিল। বয়স ষাঠি হব পাৰে। এতওঁৰ পিন্ধনত এটা পায়জামা আৰু পাঞ্জাবী। বগা। বোধকৰো শুই আছিল। শোৱাৰ ভাঁজে ভাঁজে চিন বহি গৈছে।

তেওঁ চকিদাৰৰ ফালে চালে কেৰাহিকৈ। তাৰপৰা নাকৰ পোনে পোনে দূৰলৈ। ধীৰে ধীৰে বাৰাণ্ডাৰ চকি এখনত বহিল আৰু দূৰলৈ চাই থাকিল। আবেলিৰ নিৰ্জনতা বিয়পি পৰিছে।

এগৰাকী মহিলাও সেই ভিতৰৰ পৰা ওলাই আহিল। উকা পাটৰ মেখেলা। সেউজীয়া পাৰীৰ ভয়লৰ চাদৰ, শিৰত সেন্দুৰ। হয়তো চল্লিছ বা পঞ্চাছ হব পাৰে। নিশব্দে চকিদাৰটোৰ ফালে চালে। তাৰপৰা ভদ্ৰলোকৰ ওচৰৰ চকিখনত নিশব্দে বহিলহি। নিজৰ ভিতৰতে কলে— 'মোৰ বৰ ভয় লাগিছিল।' ভদ্ৰলোকে একো নকলে। তেওঁ আকৌ কলে— 'তুমি কিজানি শুই প'লা?' ভদ্ৰলোকে এবাৰ মহিলাৰ ফালে চালে আৰু চকু ঘূৰাই ললে: 'ভয় লাগিছিল কিজানি মই অকলশৰে থাকি গলো।' তেওঁ কলে— 'গাড়ীখন আজিও নাহিল।' 'কিহৰ গাড়ী?' তেওঁ মনে মনে থাকিল। 'কিহৰ গাড়ী নকলা কিয়?' মাতত সামান্য উদ্বেগ। 'আমাক থৈ যোৱা গাড়ীখন।' 'আমাক জানো কোনোবাই থৈ গৈছিলহি? আমি জানো নিজেই অহা নাছিলো?' তেওঁ আকৌ মনে মনে থাকিল। ধীৰে ধীৰে নিজকে কোৱাৰ দৰে কলে— 'মই বুজি নাপাও মানুহবোৰে ইমান সোনকালে কিয় কথা পাহৰে। মোৰ স্পষ্ট মনত আছে—আমাক ইয়ালৈ লৈ আহিছিল। কৈছিল—বিটায়াৰ কৰাৰ পিছত কিছুদিন থকা ভাল। কিন্তু কিমান দিন থকা ভাল কোনো কথা কৈ নগ'ল।

ভদ্ৰমহিলাই তেওঁৰ মুখলৈ চাই থাকিল। চকুৰ জ্যোতি নিস্প্ৰভ, গাল-মুখৰ ছাল ওলমি পৰিছে। চুলি পকি গৈছে। ফলছ্ দাঁত-কেইটা কেৱল দেখাত ভালে আছে। এওঁ কোন তেনেহলে ? তেওঁৰ স্বামী ? ওহো! তেওঁতো এনেকুৱা নাছিল। তেওঁৰ ছাল মিহি আছিল। চকুত অনবৰত এটা দুষ্টালিৰ হাঁহি লাগি আছিল। নাকৰ পাহি পোন আছিল। তেওঁ ইমান নিশব্দে বহি থকা নাছিল। এনেকৈ বহি থকা হলে তেওঁ স্ত্ৰীৰ হাতখন হাতত তুলি ললেহেঁতেন, আঙুলিৰে আঙুলিত চাপ দি মৰম জনালেহেঁতেন। সেই কথা সুঁৱৰি মহিলা লাজত ৰঙা পৰি উঠিল। তেওঁ লাজত তললৈ মুৰ কৰিলে আৰু নিজকে কোৱাৰ দৰে কলে— 'কিযে মানুহ তুমি ? কোনোবাই দেখিলে কি হব ?'

ভদ্ৰলোকে ঘূৰি চালে। তেওঁ নিজকে কোৱাৰ সুৰতে কলে— 'মই বুজি নাপাওঁ মানুহবোৰ অলপ কথাতে অস্থিৰ হয় কিয় ? গাড়ীখন ঘূৰি অহালৈ বাট চোৱাত কি অস্বাভাৱিকতা আছে ? হয়তো বাটত চকা ফুটিব পাৰে— কিমান সম্ভাৱনা আছে ?' তেওঁ ধীৰে ধীৰে থিয় হ'ল আৰু বাৰাণ্ডাৰ ষ্টেপৰ ওপৰত ৰৈ দূৰলৈ চালে। তেওঁ কলে— 'এবাৰ গাড়ীখনৰ খবৰ কৰিব পৰা হলে ভাল আছিল।' ভদ্ৰমহিলাই অবাক হৈ তেওঁলৈ চাই থাকিল। সঁচাকৈ তেওঁলোকক এখন গাড়ীয়ে ইয়াত থৈ গ'ল। নে তেওঁলোক জন্ম-জন্মান্তৰ ইয়াতেই আছিল। সঁচা কবলৈ গলে প্ৰতিটো বস্তুকে চিনাকি যেন লাগি যায় একো মুহূৰ্ত্তত। এই মানুহজনকো। ক'ৰবাত তেওঁক যেন দেখিছিল। কিন্তু ক'ত ? তেওঁ ভাবিলে মোৰ স্মৃতি নষ্ট হৈছে নেকি ? এওঁ মোৰ স্বামী নেকি ? এটা সন্দেহৰ ভাবত তেওঁ সুধিলে— 'তুমিতো মোৰ স্বামী বুলি কৈছা।' 'স্বামী' তেওঁ ঘূৰি চালে। ঠিকেইতো মোৰ এগৰাকী স্ত্ৰী আছিল।' তেওঁ মহিলালৈ চালে আৰু সুধিলে— 'আচ্ছা, তোমাৰ থুতৰিত এটা তিল আছিল নহয়, আছেনে ?'

ভদ্ৰমহিলাই থুতৰিত তলুৱাৰে চুই চালে। কলে— 'মই

বহুতদিন চোৱা নাই। হয়তো আছিল। তেওঁ চকিখন লৰাই থিয় দি মাতিলে, চকীদাৰ জুপুকামাৰি বহি থকা চকীদাৰটোৰ মাজত যেন প্ৰাণৰ সঞ্চাৰ হ'ল। সি তাৰ ঘোলা চকুৰে এবাৰ চাই লৈ লাহে লাহে থিয় দিলে। তেওঁ কলে— 'এখন আয়না আনাচোন।' 'আয়না? আয়না মোৰ হাতত নাই আইদেউ।' 'আয়না নাই? এই ঘৰটোত এখন আয়না ৰাখিব লাগে— সেই কথাটোও নাজানা?' সি অস্বস্তিৰে ক্ষীণ মাতেৰে কলে--'কামৰ ভিতৰতে কেৱল আয়না এখন আছিল, তাতে থাকিব পায়। কিন্তু মোৰ কোনো নিজা আয়না নাই। সি অলপ ৰ'ল আৰু তততোধিক ক্ষীণ মাতেৰে কলে— 'মোৰ তিৰোতা যেতিয়া আছিল—তেতিয়া তাই মোৰ চুলিও আঁচুৰি দিছিল। সেইবাবে আয়না এখন লোৱা নহ'ল। 'তোমাৰ তিৰোতা ক'ত আছে?' 'নাই, বহুত দিন হ'ল মই তেওঁক লগ পোৱা নাই।' 'তুমি ইয়াত অকলে থাকা?' 'লগত এজনী বুঢ়ী আছে।' 'ক'ৰ বুঢ়ী?' 'কব নোৱাৰো। তাই মোলৈ কেতিয়াবা ভাত ৰান্ধে, প্ৰায়ে জুই ফুৰাই বহি থাকে।' 'তোমাৰ তিৰোতা নহয় জানো তেওঁ?' সি হাঁহিবৰ কাৰণে যত্ন কৰিলে। তাৰ তিৰোতালৈ মনত পৰিল— গোল, পুৰঠ মুখ, শকত-আৱত হাত-ভৰি, উঠন বুকু, অগত শৰীৰ। তাৰ লাজ লাগিল। মহিলাই আকৌ সুধিলে— 'কিয় তেওঁ তোমাৰ তিৰোতা নহয়?' সি মূৰ জোকাৰিলে। 'মোৰ তিৰোতা বেলেগ ধৰণৰ আছিল।' মহিলাই তাৰপৰা দৃষ্টি ঘূৰাই আনিলে। ভদ্ৰলোকৰ ফালে চকু দিলে। ভদ্ৰলোকে কলে— 'মই বুজি নাপাও মানুহে সময়ৰ মূল্য কিয় বুজি নাপায়। এনেকৈ দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতি বাট চাই থকাতো এটা অস্বস্তিকৰ কথা। লগত কোনোবা থাকিলেও বেলেগ কথা। মহিলাই তেওঁলৈ স্থিৰ দৃষ্টিৰে চালে, কলে— 'তুমিতো অকলে থকা নাই, মই আছো।' 'তুমি? অ, তুমি থাকিব পাৰা। অৱশ্যেই তুমি মোৰ পৰিচিত হব পাৰা।' 'মই তোমাৰ স্ত্ৰী নেকি?' ভদ্ৰলোকে এবাৰ তীক্ষ্ণ দৃষ্টিৰে চালে— 'ওহো, মোৰ স্ত্ৰী যেনতো নালাগে। মোৰ স্ত্ৰীৰ মুখখন কোমল, মিহি

আৰু সুন্দৰ আছিল। তেওঁ হাঁহিলে চকুৰ কাষ দুটা চাপ খাই অদ্ভুত সুন্দৰ দেখাইছিল। তেওঁৰ ওঁঠত এটা হাঁহি লাগি আছিল। তেওঁক— তেওঁক মই ক'ত হেৰুৱালো।'

ভদ্রলোকৰ মুখখন করুণ হৈ পৰিল। 'মোৰ স্ত্রীৰ প্রেম, তেওঁৰ হাঁহি, তেওঁৰ কথা, এই সকলোবোৰ কেনেকৈ হেৰুৱালো।'

তেওঁ মুখ ফুটাই কলে— মোৰ স্ত্রীৰ লগত ক'ৰবাত আপোনাৰ সাদৃশ্য থকা যেন লাগে। তেওঁ অকণমান ৰ'ল আৰু সুধিলে— 'আপোনাৰ নাম কি?' 'মোৰ নাম?' ঠিকেইতো, মোৰ এটা নাম আছিল আৰু মোৰ স্বামীয়ে মোক নাম কাঢ়ি মাতিছিল।' কৈয়েই তেওঁ লাজত ৰঙা পৰি উঠিল আৰু ক্ষীণ মাতেৰে কলে— 'তেওঁ সুন্দৰ আছিল আৰু দুষ্টও আছিল।' 'মোৰ নাম বৰুৱা।' ভদ্রলোকে কলে। 'নমস্কাৰ'। মহিলাগৰাকীয়ে দুয়োখন হাত তুলি নমস্কাৰ দিলে। 'আপোনাৰ হাতত যে এটা আঙঠি আছে তাতেই বোধকৰো আপোনাৰ নামটো থাকিব পাৰে।' তেওঁ আঙুলিটোত থকা আঙঠিটো চালে আৰু কলে— 'পোহৰ কমি আহিছে নহয় মই আখৰটো পঢ়িব পৰা নাই। কিন্তু মোৰ স্বামীৰ দৃষ্টিশক্তি বৰ ভাল আছিল।' 'ময়ো পোহৰ কম হলে চকুৰে নমনো। কিন্তু মোৰ স্ত্রীৰ চকুৰ দৃষ্টিশক্তি বৰ ভাল আছিল। অৱশ্যে তেওঁৰ চকুৰ বেটিনাও বৰ পৰিষ্কাৰ আৰু বগা আছিল। মণি দুটা আছিল গভীৰ ক'লা। মোৰ ভাব হয় তেওঁ কিজানি আন্ধাৰতো পঢ়িব পাৰিলেহেঁতেন।'

'মোকো আপুনি মিছেছ বৰুৱা বুলি মাতিব পাৰে। মোৰ ভাব হয় মোৰ স্বামীৰ উপাধিও বৰুৱা আছিল। তেওঁ ...... থাকক নকওঁ।' 'কওঁক, ইয়াততো আৰু কোনো নাই। আমি বোধকৰো বন্ধু হিচাপে কথা পাতিব পাৰো।' মিছেছ বৰুৱাই হাঁহিলে। 'কওঁক, আপোনাৰ স্বামীৰ কথা কওঁকচোন।' মিছেছ বৰুৱাৰ মুখখন করুণ হৈ পৰিল। তেওঁ এটা হুমুনিয়াহ কাঢ়িলে। নিজকে কোৱাৰ দৰে কলে— 'তেওঁ আছিল অতিশয় উজ্জ্বলজীয়া। কাকো দুখেৰে থকা তেওঁ দেখিব নোৱাৰিছিল। এটা যেন কিবা আদৰ্শৰ

পিছত দৌৰিছিল। তেওঁ এদিনলৈও আঁতৰি থাকিবলগীয়া হলেও মই ক্ষুব্ধ হৈছিলো, অভিমান কৰিছিলো আৰু তেওঁক দেখা পোৱাৰ লগে লগেই সকলো অভিমান কেনি আঁতৰি গৈছিল কব নোৱাৰিছিলো। তেওঁৰ কণ্ঠত আছিল অপৰিসীম মৰমৰ শব্দ, চকুত আছিল স্নেহ আৰু কাৰুণ্য। তেওঁৰ চেলাউৰি দুটা আছিল ডাঠ আৰু মিহি, গাৰ ৰং আছিল পৰিস্কাৰ, শৰীৰ আছিল আটিল। তেওঁৰ নাকৰ নিশ্বাসত মই শুনিছিলো মোৰ বুকুৰ নিশ্বাস। 'তাৰ পিছত? কওঁকচোন। ভাব হৈছে তেনে এজন ডেকাৰ ছবি যেন মই ক'ৰবাত দেখিছিলো। হয়তো আপোনাৰ স্বামী মোৰ বন্ধুও হব পাৰে। হয়তো তেওঁৰ ছবিখন মই বন্ধাই মোৰ কোঠাত আঁৰি ৰাখিছিলো।

মিছেছ বৰুৱাৰ মুখখন প্ৰায় আধা অন্ধকাৰত ছাঁয়াৰ দৰে হৈ পৰিছে। তেওঁ কলে— 'তেওঁ কৈছিল—মোৰ থুতৰিত এটা তিল আছিল কিন্তু ইয়াত এখন আয়না নাই যে মই এবাৰ চাই লম। হয়তো সেই তিলটো মোৰ নাছিল, তেওঁ কল্পনাৰে আঁকি লৈছিল। কাৰণ এটা তিলে এখন মুখ সুন্দৰ কৰি তুলিব পাৰে। হয়তো সেই তিল মই মোৰ ছোৱালীজনীক দি দিব পাৰো। কিন্তু তাকো মোৰ পৰা কেনেকৈ আঁতৰি গ'ল কব নোৱাৰো। তাই যেতিয়া মোৰ ডিঙিত সাৱটি ধৰি মাতিছিল, মোক তাইৰ নুফুটা মাতেৰে অনেক কথা কবলৈ বিচাৰিছিল— মই তেতিয়া দাবি দিছিলো— কামৰ সময়ত আহকাল কৰাৰ বাবে। কিন্তু যেতিয়া মই তাইৰ সেই কণ্ঠ, তাইৰ কোমল নিশ্বাস, তাইৰ সৰু সৰু সপোনৰ কথা শুনিবলৈ আজৰি হলো, তেতিয়া আৰু তাইক বিচাৰি নাপালো।

মিছেছ বৰুৱাৰ কণ্ঠত ফুটি উঠিল এটা চেঁপা কান্দোনৰ সুৰ। তেওঁ দুই হাতৰ তলুৱাৰে মুখখন ঢাকি ধৰিলে। প্ৰায় উচুপনিৰ সুৰত তেওঁ কলে— 'মই মোৰ স্বামী আৰু কন্যাৰ লগে লগেই আছিলো। তেওঁ যেতিয়া লাহে লাহে সাংসাৰিক কৰ্তব্য পৰা সাংসাৰিক সুখৰ পথলৈ যাত্ৰা কৰিলে মই নজনাকৈয়ে তেওঁ কিজানি আঁতৰি যাবলৈ ধৰিলে। আৰু এদিন সঁচাকৈয়ে দেখিলো মই এজন অচিনাকি

মানুহৰ সৈতে একেটা কোঠাতে শুই আছো।. হায়, হায়, তেওঁ যদি দেখে কি ভাবিব ? কিন্তু জানে, মই সঁচাকৈয়ে সদায় তেওঁকেই ভাবি আছো। ভাবো—হঠাৎ তেওঁ ওলাবহি। মোক তেওঁ আগৰদৰে সাৱটি ধৰিব, কথা কব, চকুপানী মচি দিব। উস্। কি উদ্বেগ কি উত্তেজনা, কি যন্ত্ৰণা।'

বৰুৱাই ইমানপৰে একেথৰে শুনি আছিল। প্ৰায় অন্ধকাৰে তেওঁকো এটা ছাঁয়ামূৰ্ত্তিলৈ ৰূপান্তৰিত কৰিছে। তেওঁ এটা দীঘল হুমুনিয়াহ কাঢ়িলে আৰু নিজকেই কোৱাৰ দৰে কলে— 'আপোনাৰ কথা শুনি ভাব হৈছে আপুনি সঁচাকৈয়ে এটা দুখৰ মাজত ডুব গৈছে। কিন্তু মোৰো স্ত্ৰী আৰু কন্যা আছিল জানো ? তেওঁৰ নাকৰ নিশ্বাসত আছিল এটা কোমল গোন্ধ। মোৰ ছোৱালীজনীৰ নিশ্বাসো আছিল কোমল আৰু মাতৃস্তন্যৰ গোন্ধৰে ভৰপূৰ। তেওঁৰ কি নাম আছিল মই পাহৰিলো; কাৰণ তেওঁ মোৰ সুখ আৰু দুখ, মোৰ আনন্দ, মোৰ যন্ত্ৰণাৰ সমভাগী মোৰ স্ত্ৰী। কিন্তু লাহে লাহে তেওঁ এগৰাকী গৃহিণী হবলৈ ধৰিলে। মাতৃ হবলৈ ধৰিলে। তেওঁ মোৰ কাষৰ পৰা কেনেকৈ আঁতৰি যাবলৈ ধৰিলে মই গম নাপালো। যেতিয়া গম পালো তেতিয়া আৰু মই তেওঁক ঘূৰাই নাপালো। তেওঁ বোধ-কৰো শুছি গৈছে আৰু মোৰ তদাৰক কৰিবলৈ এগৰাকী প্ৰৌঢ়া ভদ্ৰ মহিলাক মোৰ কোঠাত এৰি থৈ গৈছে। এতিয়া মই বাট চাই আছো তেওঁ আহিব। প্ৰথম যিদিনা তেওঁ মোৰ কাষলৈ আহিছিল সেই ৰূপত আহিব। তেওঁৰ চকুত প্ৰেম আৰু অভিমানৰ, হাঁহি আৰু দুখৰ চকুলো ওলমি থাকিব। মই তেওঁৰ চকুপানী মচি দিম। তেওঁ মোৰ বুকুত মূৰ থব।

তেওঁ নীৰৱ হ'ল। অদূৰত চৰাই আৰু বন্য জন্তুৰ মাতৰ বেসুৰা আৰু বিচিত্ৰ শব্দ বাজি উঠিল। অন্ধকাৰত তেওঁলোক ডুব গ'ল।

মিছেছ বৰুৱাই নীৰৱতা ভঙ্গ কৰি কলে— 'যদি আপোনাৰ স্ত্ৰী আৰু নাহে ?'

বকৰাই কিছুসময় মনে মনে থাকি কলে— 'হয়তো আহিবও পাৰে। মই তেনেকৈ ভবা নাই। কিন্তু আপোনাৰ স্বামীওতো নাহিব পাৰে।

মিছেছ বকৰাই হুমুনিয়াহ কাঢ়িলে। 'আগেয়েও তেওঁ দুই এদিন নহাকৈ থাকে, কিন্তু ইমান দীঘলীয়াকৈ তেওঁ কেতিয়াও নহাকৈ নাছিল। আপুনি জানেনে এতিয়া কিমান খ্ৰীষ্টাব্দ?' 'মই হিচাব কৰা নাই।' 'আজি কিমান তাৰিখ জানেনেকি?' 'নাই নাজানো।' 'আপোনাৰ ঘড়ী আছে নেকি?' 'ওহো—মোৰ হাতৃত এতিয়া ঘড়ী নাই; এসময়ত অৱশ্যে চেকেণ্ডৰ কাঁটাৰ লগত ঘূৰিছিলো।' 'মোৰ ভাব হৈছে—মোৰ স্বামীক কোনোবাই হত্যা কৰিলে।' 'মোৰ ভাব হৈছে আপুনিয়েই যেন তেওঁক হত্যা কৰি ক'ৰবাত লুকুৱাই থৈছে।' 'সঁচাকৈ কওঁকচোন, আপুনি জানে নেকি কিবা?' 'মোৰ তেনে ভাব হৈছে কিজানি মোৰ স্ত্ৰীৰ খবৰো আপুনি গোপনে ৰাখি অভিনয় কৰিছে। কিন্তু মই তেওঁৰ বাহিৰে কাৰো কথা ভাবিব নোৱাৰো। তাতে আপুনি প্ৰায় প্ৰৌঢ়া।' 'আপুনিতো প্ৰায় বৃদ্ধ। আৰু মই জনাত বৃদ্ধ হোৱাৰ লগে লগেই মানুহৰ শৰীৰ জঠৰ হয় কিন্তু অদ্ভুত কামনা-বাসনা বাঢ়ি আহে।' 'কিন্তু আমি যিহেতু এই চিৰিয়াখানাত থাকিবই লাগিব আমি বন্ধু হৈ থাকিব নোৱাৰো নেকি?' বকৰাৰ মাতটোত করুণ অনুৰোধ এটা যেন বাজি উঠিল। তেওঁ আকৌ কলে— 'মই ক্ৰমাত নিসঙ্গ, দুৰ্বল আৰু অসহায় হৈ পৰিছো। আপুনিও কিজানি, নহনে বাৰু? আমি জানো স্বামী-স্ত্ৰী হৈ থাকিব নোৱাৰো? যেতিয়া পোহৰ আছিল তেতিয়া এই কথাষাৰ কৰলৈ শংকা হৈছিল।' মিছেছ বকৰাই সঁচাকৈয়ে উচুপিব ধৰিলে আৰু কলে—'তাৰ বাহিৰে যে গত্যন্তৰ নাই। ধৰা, তুমি মোৰ এই হাতখনতে ধৰা, কিন্তু তেওঁ কেতিয়াবা আহিলেও যে ওলোটাই পঠাব লাগিব।' বকৰাই তেওঁৰ হাতখন আলফুলকৈ তুলি ললে। তেওঁৰ বুকুৰ ভিতৰতো উত্তেজনা। তেওঁ কলে— 'সঁচাকৈয়ে তুমিয়েই মোৰ স্ত্ৰী নেকি?' 'নাজানো।' 'তুমিয়েই মোৰ স্বামী নেকি?' 'নাজানো।' 'কিন্তু তেওঁলোক, মানে মোৰ

স্বামী আৰু তোমাৰ স্ত্ৰী যদি আহে ? বোধকৰো নাহে। আহিলেও ইয়াত আৰু এটা বেলেগ কোঠা আছে।'

তেতিয়া অন্ধকাৰ গভীৰ হৈছে। চ-ীদাৰটো তেতিয়াও বহি আছিল। সি কলে— 'ইয়ালৈ আৰু কোনো নাহে।' স্বামীয়ে কলে— 'সঁচাকৈ ?' স্ত্ৰীয়ে সুধিলে— 'সময় কম আৰু গাড়ীখন ?' সি কলে— 'মই সেইবোৰ নাজানো। কিন্তু ইয়াত বাহিৰা মানুহ থাকিবলৈ দিয়া নহয়।' 'আমি কেনেকৈ থাকিম ?' তেওঁলোক দুয়ো সুধিলে। সি একো উত্তৰ নিদিলে। তেওঁলোকে কাতৰ ভাবে সুধিলে— 'কোৱা আমি কেনেকৈ থাকিম ?' এই অৰণ্যৰ মাজত আমি দুজন নিসঙ্গমানুহ কেনেকৈ থাকিম ?' সি তথাপি উত্তৰ নিদিলে। তেওঁলোক দুখ আৰু ভয়ত কাতৰ হৈ পৰিল আৰু দুয়ো দুয়োকে সাৱটি ধৰিলে।

সূৰ্য্যোদয়ৰ বাবে আৰু এটা ৰাতি আছে। ঘৰটো নিৰ্জন নিস্তব্ধ আৰু জয়াৰ হৈ উঠিছে। তাৰ মাজতে জীৱনৰ সামান্য উত্তাপ তেতিয়া থুপ খাইছে। সময়ৰ টুকুৰাবোৰ ভাগি চিগি যেন এখন সাগৰত পৰিণত হৈছে— বিশাল, অসীম, ভয়ঙ্কৰ।

000

অৰতৰৰ প্ৰেম

ড° গোবিন্দ প্ৰসাদ শৰ্মা

লিখকৰ চমু পৰিচয়—

জন্ম ১৯৪০ চন। হেৰামজাৰ গাওঁ। ১৯৫৭ চনত টিহু হাইস্কুলৰ পৰা প্ৰবেশিকা পাছ কৰি ১৯৬১ চনত কটন মহাবিদ্যালয়ৰ পৰা ইংৰাজীত অনাৰ্চ লৈ বি-এ পাছ কৰে আৰু ১৯৬৫ চনত ইংৰাজী সাহিত্যত এম এ পাছ কৰে। ১৯৭৪ চনত তেওঁ পি-এইচ-ডি ডিগ্ৰী লাভ কৰে।

শ্ৰীশৰ্মাই গুৱাহাটী আৰ্য্য বিদ্যাপীঠ স্কুলত শিক্ষকৰূপে কৰ্ম জীৱন আৰম্ভ কৰে আৰু [illegible] গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ ৰীডাৰ।

কাঁচৰ দৰে, হীৰাৰ দৰে, দূষিত সুবতাস, প্ৰকাশিত গল্পৰ সংকলন। ইয়াৰ উপৰিও নেশ্যনেলিজম ইন ইণ্ডো এংলিয়ান লিটাৰেশ্যাৰ নামৰ ইংৰাজী গ্ৰন্থখন দিল্লীৰ এটা বিখ্যাত প্ৰকাশন প্ৰতিষ্ঠানৰ পৰা প্ৰকাশিত হৈছে। গল্পকাৰ হিচাপে খ্যাতি লাভ কৰা শৰ্মা এজন কৃতি সাহিত্য সমালোচক।

গল্পকাৰ হিচাপে শ্ৰীশৰ্মাই তেওঁৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে আধুনিক যুগ মানসক প্ৰতিফলিত কৰা গল্পসমূহ ৰচনাৰে। পৰীক্ষা-নিৰীক্ষাৰে অসমীয়া গল্পক এক গতি দিবলৈ প্ৰয়াস কৰা শ্ৰীশৰ্মাৰ কাহিনী বিন্যাস, চৰিত্ৰ সৃষ্টি আদিৰ ক্ষেত্ৰত অগতানুগতিকতাৰ বিশেষ ভাবে লক্ষণীয়।

সাত বছৰীয়া ভনীয়েক উত্তৰাৰ হৰ্ষোল্লাসত উজ্জ্বলৰ টোপনি ভাগিল। 'ৰৰদৈচিলা। ৰৰদৈচিলা। ৰাতি ৰৰদৈচিলা আহিছিল।' তাই চিঞৰিয়েই আছে। মাক-দেউতাকৰ মাতো শুনা গৈছে সেই বাহিৰৰ ফালে পদূলিমুখত। ইমান সোনকালেই অৱশ্যে মাক-দেউতাক উঠে। কিন্তু এই দোকমোকালিতে তেওঁলোক বাহিৰৰ ফালে। আকৌ উত্তৰা। এই পুৱাতে। তাইয়ো আকৌ চিঞৰিছে, 'ৰৰদৈচিলা, ৰৰদৈচিলা।' এই আগষ্টৰ শেষত, মানে শাওণতে ভাদ আনো— এতিয়াও আকৌ ৰৰদৈচিলা।

[illegible] অসমীয়া প্ৰেমৰ গল্প

উজ্জ্বল উঠি বহিল। এৰা. ধুমুহাই। ৰাতি ধুমুহা আহিছিল কেতিয়াবা। এই শাওণৰ শেষত নে ভাদৰ আৰম্ভণিতো ধুমুহা। কেনে অস্বাভাৱিক! কেনে অবতৰীয়া! এয়া তাৰ বিছনাতো আনকি সি.কৰ-মোবাৰাকৈয়েই ৰাতি আহি যোৱা ধুমুহাৰ চিন। বাহিৰৰ কৃষ্ণচূড়া কেইজোপাৰ লিহিৰি লিহিৰি পাতৰ অংশবিশেষ বতাহত উৰি আহি সিঁচৰিত হৈ পৰি আছে তাৰ বিছনাত, তাৰ টেবুলত, তাৰ মজিয়াত। উজ্জ্বলে দুৱাৰ খোলাৰ আগতে দুই এটা পাত হাতেৰে চুই চালে। কেনে কোমল, কেনে মসৃন, কেনে সেউজীয়া। অথচ বেচেৰাহঁতক ধুমুহাই কোবাই আনি ক'ত যে কেনেকৈ পেলাই থৈ গ'ল।

উজ্জ্বলে দুৱাৰখন খুলি বাথৰূমৰ পিনে গৈয়েই বাহিৰলৈ আহিল। মাক-দেউতাক, ভনীয়েক তেতিয়া ভিতৰলৈ গৈছেগৈ। সি পদূলিমুখত থিয় হৈ দেখিলে এক দৃশ্য। পদূলিত থকা কৃষ্ণচূড়া কেইজোপাৰ ভালেকেইডাল ডাল ভাগি পৰিছে। তলখন চিগি পৰা সেউজীয়া পাত আৰু অবতৰলৈ ফুলি থকা ফুলৰ তেজৰঙা পাহিৰে উপচি আছে। ধুমুহা এতিয়া আৰু অৱশ্যে নাই। তাৰ ঠাইত গ্ৰীষ্ম শেষৰ পুৱাৰ ৰিব্ ৰিব্ বতাহ— দেহ-মন শাঁত কৰা মলয়া বতাহ। সেই বতাহতো সৰিছে কৃষ্ণচূড়াৰ ভাগি নপৰাকৈ থকা ডালবোৰত এতিয়াও ফুলি থকা অবতৰৰ ফুলবোৰৰ তেজৰঙা পাহিবোৰ। উজ্জ্বলৰ গা-মন সঁচাই শাঁত পৰিল। কিন্তু ই যেন কেনে শাঁত পৰা! ফুলবোৰ, ফুলৰ পাহিবোৰ, তেজৰঙা ফুলৰ পাহিবোৰ কেনেকৈ যে সৰিছে বতাহত! উজ্জ্বলৰ মনত পৰিল— শুচিস্মিতালৈ।

শুচিস্মিতা! তেওঁ এতিয়া এই মুহূৰ্তত তাৰ লগতে থকা হলে কেনে যে ভাল লাগিলহেঁতেন। ধুমুহাৰ অন্তত এই গ্ৰীষ্মশেষৰ পুৱাৰ দৃশ্য তেওঁ লগত থকা হলে আৰু বেছি সুদৃশ্য আৰু বেছি উপভোগ্য হৈ ধৰা দিলেহেঁতেন।

কিন্তু শুচিস্মিতা এতিয়া যে ক'ত? দেউতাকৰ ঘৰত নিশ্চয়

নহয়। হোৱাহেঁতেনো তেওঁ এতিয়া থাকিলহেঁতেন তাৰ এই সৰু চহৰখনৰ পৰা চাৰিশ কিলোমিটাৰ আঁতৰত। কিন্তু তেওঁ এতিয়া ক'ৰবাত গিৰীয়েকৰ লগত—নিজৰ ঘৰত—নিজৰ সংসাৰত। কথাষাৰ কেনে যে লাগে। কথাষাৰ ভালকৈ ভাবি চাব খুজিলে ই যেন তেওঁৰ অন্তৰৰ কোনোবাখিনিত আঘাত কৰে। কিন্তু এই কথাই যদি আজি তাক আঘাত কৰে, ইয়াক যদি সি সহ্য কৰিবলৈ টান পায়, তেন্তে তাৰ বাবে শুচিস্মিতাক জানো দুষিব পাৰি? নে তাৰ বাবে সি জগৰীয়া নিজেই? ………… হঠাৎ তাৰ সাত বছৰীয়া ভনীয়েক উত্তৰাৰ মাতত সি উচপ্ খাই উঠিল। এৰা, মাকে চাহ বাকী বৈ আছে। সি ভিতৰলৈ যাব লাগে।

× × × ×

বৈ পৰা চেলাউখিৰে, মজলীয়া আয়তনৰ ৰংচুৱা ওঁঠযুৰিৰে, ওখৰ শাৰীতে পেলাব পৰা শুচিস্মিতাৰ যি কথাই উজ্জ্বলক প্ৰথম দৃষ্টিতেই আকৰ্ষণ কৰিছিল সেয়া হ'ল— উজ্জ্বল, বুদ্ধিদীপ্ত তেওঁৰ চকুযুৰি। পিছলৈ দেখা গ'ল, তেওঁলোকৰ দৰ্শনৰ সীচত শুচিস্মিতা অকল এজনী দেখনিয়াৰ ছোৱালীয়েই নহয়, এজনী পঢ়াতো ভাল ছোৱালী। ভাল মানে অৱশ্যে তাৰ নিজৰ দৰে তেওঁ পৰীক্ষাৰ ৰিজাল্ট অতি বেছি ভাল কৰি অহা নাই। কিন্তু শুচিস্মিতা বেছ চিৰিয়াচ ছোৱালী– অধ্যয়নশীলা, চিন্তাশীলা। কি ৰাচেলৰ ৰচনাৱলীৰ অন্তৰালৰ চিন্তা, কি কাম্যুৰ নাটক উপন্যাসৰ পটভূমিৰ দৰ্শন, কি অৰ্টেগা ওৱাই গেচেতৰ ৰচনা—সকলো কথাতে তেওঁ চিৰিয়াচ। এনেবোৰ কথা লৈ প্ৰায়ে তেওঁ আপোনপাহৰা হৈ কথা পাতে। শুচিস্মিতাৰ বুদ্ধিদীপ্ত চকুৰ ভংগী, গালৰ ৰঙা পৰি উঠা ৰং চাই উজ্জ্বলৰ তেতিয়া ভাল লাগে। এনেবোৰ কথাৰ বাবে শুচিস্মিতাক যে কিবা বিশেষ অনুকূল পৰিবেশ লাগে সিও নহয়। ল'ৰা-ছোৱালীৰে ঠাহ খাই থকা ক্লাচ ৰুমৰ হাঁহি-খিকিন্দালিৰ মাজতে, ছোৱালী হোষ্টেলৰ সন্মুখত ছোৱালীক দেখা কৰিবলৈ যোৱা ল'ৰাৰে সৈতে ছোৱালীৰ যোৰবোৰৰ ভচৰতে, চলন্ত বিশ্ববিদ্যালয় বাছৰ একোণতে

আৰম্ভ হৈ যায় শুচিস্মিতাৰ তেওঁৰ প্ৰিয় চিন্তানায়ক বা লেখকসকলৰ ৰচনাৰ বিষয়ে বক্তৃতা। শুচিস্মিতাৰ এনে অস্বাভাৱিকতাকো উজ্জ্বলৰ ভাল লাগে।

শুচিস্মিতাৰ লগত তেনেকৈ য'তে ত'তে, যেতিয়াই তেতিয়াই দৰ্শনৰ সমস্যালৈ উদ্বিগ্নতা প্ৰকাশ কৰাৰ প্ৰবৃত্তি যদিও তাৰ নহয়, তেনে কথা শুনাত কিন্তু সি বেছ আগ্ৰহী। সেয়েহে দৰাচলতে শুচিস্মিতাৰ লগত ইমান অমিলৰ স্বত্বেও তাৰ ইমান মিল। শুচিস্মিতায়ো তাৰ দৰেই ঠিক সোঁতত গা এৰি দি উটি যাব নোৱাৰে। আৰু ইয়াৰ ফলতেই, তাৰ দৰে শুচিস্মিতাৰো হয় অশান্তি। তথাপি তেৰোঁ নিজৰ যুক্তিৰে, নিজৰ চিন্তাৰে যি ভাল দেখে কৰি যায়। সেয়েহে কিজানি শুচিস্মিতাৰ প্ৰতি তাৰ ইমান ভাল পোৱা। কিন্তু ভাল পোৱা? উজ্জ্বলে যেন নিজে নিজে লাজ পালে। ইয়াকে জানো ভাল পোৱা বোলে? নহয়, নহয়। এয়া নিশ্চয় ভাল পোৱা নহয়। কিন্তু এয়া যদি ভাল পোৱাই নহয়, শুচিস্মিতাৰ সৈতে তাৰ তেন্তে সম্পৰ্ক কিহৰ? এয়া জানো তাৰ বন্ধুত্ব?

শুচিস্মিতাৰ সৈতে তাৰ সম্পৰ্ক প্ৰেমৰ সম্পৰ্ক হয় নে নহয়, বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ দৰ্শনৰ তীক্ষ্ণধী ছাত্ৰ উজ্জ্বলে বুজিব নোৱাৰে। কিন্তু আৰু অন্য তিনি ধৰণৰ সম্পৰ্ক সি তাৰ সমসাময়িক বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজত দেখি আহিছে। সিহঁতৰ সম্পৰ্কক যদি প্ৰেম বুলি কোৱা যায়, এয়াও নিশ্চয় প্ৰেমেই। এই তিনিওবিধ প্ৰেমৰ প্ৰতিয়েই অৱশ্যে শুচিস্মিতাৰ আছিল হয় বিতৃষ্ণা, নহয় তাচ্ছিল্যৰ ভাব। এই তিনিওবিধ প্ৰেমৰ উদাহৰণ বিশ্ববিদ্যালয় চৌহদৰ যেনি তেনি দেখা পোৱা যায়, বিশ্ববিদ্যালয়ৰ বিল্ডিঙৰ ক'ৰিড'ৰত, বিল্ডিঙলৈ সোমাই যোৱা দুৱাৰমুখৰ খটখটিত, বিশ্ববিদ্যালয় চৌহদৰ ৰাস্তাই-ঘাটে, বাছ ষ্টপত আৰু বাছৰ ভিতৰতো।

প্ৰথম বিধ প্ৰেমৰ ক্ষেত্ৰত, প্ৰেমিক-প্ৰেমিকা উভয়ৰে মুখত দেখা যায় এক অস্বাভাৱিক বিষণ্ণতা। ৰাজপথৰ ফুটপাথতেই হওঁক বা প্ৰবেশদ্বাৰৰ খটখটিতেই হওঁক, এই প্ৰেমৰ প্ৰেমিক-প্ৰেমিকাই

মুখামুখিকৈ বহি থাকে চুপচাপ। এওঁলোকৰ ম্লান শেঁতা মুখত সততে দেখা যায় সেই অস্বাভাৱিক বিষণ্ণতা। এওঁলোকৰ আচৰণত আনে কেনে পাইছে, চৌপাশৰ লোকসমাজত এওঁলোকৰ আচৰণে কেনে প্ৰতিক্ৰিয়া কৰিছে, তালৈ এওঁলোকৰ ভ্ৰূক্ষেপ নাই। মাথোন পাৰস্পৰিক প্ৰেমৰ অন্তহীন দাহনত এওঁলোক যেন গলি গলি শেষ হৈ যাব ধৰিছে—একোডালি মমবাতিৰ দৰে। শুচিস্মিতাৰ ভাষাত সেয়েহে এয়া হ'ল মমবাতিৰ মাৰ্কা প্ৰেম। বিশ্ববিদ্যালয়ৰ আমাৰটো বিল্ডিঙৰ খটখটিত এনেকৈ সততে জ্বলি জ্বলি গলি গৈ থকা এযুৰি মমবাতি আছিল অঞ্জন বৰদলৈ আৰু ৰেহানা আখটাৰ। বিশ্ববিদ্যালয়ৰ আমাৰ বিল্ডিংটোলৈ প্ৰতিবাৰ ওলাওঁতে সোমাওঁতে এওঁলোকক যেতিয়া পৰিক্ৰমা কৰা হয় শুচিস্মিতাৰ তেতিয়া প্ৰায়ে মুখৰ পৰা ওলায়— 'দেহি ঐ!' এনে সময়ত শুচিস্মিতাক তাৰ তেনেই দুষ্ট ছোৱালী এজনী যেনহে লাগিছিল। শুচিস্মিতাৰ এওঁলোকৰ প্ৰতি এনে মনোভংগীৰ প্ৰতিবাদ কৰি তেওঁক যেতিয়া এওঁলোকৰ প্ৰতি সহানুভূতিশীল হবলৈ উজ্জ্বলে আবেদন জনায়, শুচিস্মিতা লগে লগে চিঞৰিয়াচ হৈ উঠে আৰু কয়— 'তুমি ভাবানেকি ইহঁতৰ কেতিয়াবা বিয়া পাতিবলৈ সাহস হ'ব? সমাজৰ বা পৰিয়ালৰ এটা গাজনিতেই হওঁক অথবা ৰাজনৈতিক বা সামাজিক সুবিধাৰ বাবেই হওঁক, বিশ্ববিদ্যালয়ৰ জীৱনৰ অধ্যায়টিৰ সামৰণি পৰাৰ লগে লগে ইহঁতৰ প্ৰেমৰো পৰিব গতানুগতিক করুণ সামৰণি। তাৰ পিছত নিজৰ নিজৰ সমাজত অঞ্জনে হাঁহি হাঁহি বিয়া কৰাব কোনোবা অপৰূপা বৰদলৈক আৰু ৰেহানাই বিয়া কৰাব কোনোবা মহিউদ্দীন আহমেদক। শুচিস্মিতাৰ এনে মন্তব্যই উজ্জ্বলক আমোদ দিছিলে নে আমনি দিছিল, সেই সম্পৰ্কে সি তেতিয়াও নিশ্চিত নাছিল আৰু এতিয়াও নিশ্চিত নহয়। কিন্তু মীৰা দৈমাৰী আৰু হৰেণ বৰাৰ প্ৰেম সম্পৰ্কে শুচিস্মিতাৰ অভিমত?

মীৰা দৈমাৰীয়ে অৰ্থাৎ মীৰা দৈমাৰীৰ প্ৰকৃতিৰ এজনী ছোৱালীয়ে প্ৰেমত পৰিব পাৰে নে নাই সেইটোও অৱশ্যে এটা ভাবৰ প্ৰশ্ন। তাইৰ সামাজিক বা গোষ্ঠীগত দৃষ্টিকোণৰ পৰা এই প্ৰশ্ন

অৱশ্যে তোলা নাই। তোলা হৈছে তাইৰ ব্যক্তিগত প্ৰকৃতিৰ দৃষ্টি-কোণৰ পৰা। মীৰা দৈমাৰীৰ প্ৰকৃতিত জনজাতীয় সৰলতা অৱশ্যে এতিয়াও বৰ্তমান। অথচ আমাৰ সাধাৰণ লোকৰ সমাজতো তাই সমানে উঠি আমাৰ সাধাৰণ লোকৰ সমাজৰো তাই এতিয়া এগৰাকী প্ৰতিনিধি। নিজৰ সৰল, মিচুক স্বভাৱৰ বাবে তাইক বিশ্ববিদ্যালয়ৰ প্ৰায়বোৰ ল'ৰা-ছোৱালীয়ে ভাল পায় আৰু আগবাঢ়ি গৈ তাইৰ লগত কথা পাতে, হাঁহি-তামচা কৰে। তাইৰ লগৰ সকলো ল'ৰা-ছোৱালীকে 'তই' বুলিব পৰা তাইৰ অকপটতাত আৰু তাইৰ দ্বিধাহীন চাল-চলনত সকলো মুগ্ধ হয় আৰু তাইৰ বেছিকৈ ওচৰ চাপে। স্বাভাৱিকতে ছাত্ৰ-ছাত্ৰীসকলে সামূহিকভাবে কৰিবলৈ লোৱা কামৰ বিষয়বাব তাইলৈ আগবঢ়ায় উদাৰচিত্তে আৰু তায়ো তাক ৰাইজৰ আদেশ বুলি সানন্দে গ্ৰহণ কৰে। ৰাজহুৱা কামৰ সম্পাদনাতো মোটামুটি তাই ভালেই। চালাক লোকৰ মেৰপেচ নোহোৱা কামবোৰ অন্ততঃ লগৰ সকলোকে অকপটচিত্তে তই সম্বোধনেৰে একেলগে কৰোঁ বুলি আহ্বান জনাই সমাধান কৰিব পাৰে নিখুঁতভাবে। কিন্তু তাইৰ সৰলতা আৰু সৰ্বজনপ্ৰিয়তাৰ বাবেই যিভাবে অনেকে তাইৰ ওচৰত নিজৰ জটিল ব্যক্তিত্বৰ দুৰ্বলতা প্ৰমাণ কৰিলে সিহে হাস্যকৰ। শুচিস্মিতাৰ মতে, হাঁহিবা নে কান্দিবা ঠিক কৰিব নোৱাৰা ই এক সমস্যা।

মীৰা দৈমাৰীৰ বিষয়ত এতিয়া শেহতীয়া খবৰটো হ'ল— হৰেণ বৰাৰ তাইৰ ওচৰত প্ৰেম নিবেদন। ছাত্ৰ ৰাজনীতিৰ কামত তাইৰ লগত অহৰহ একেলগে আগবঢ়া বিশ্ববিদ্যালয়ৰ শীৰ্ষস্থানীয় ছাত্ৰনেতা হৰেণ বৰা। মীৰা দৈমাৰীৰ ওচৰত হেনো বহুতেই পূৰ্বে সেইদৰে প্ৰেম নিবেদন কৰিছে আৰু মীৰাৰ পৰা কোনো সঁহাৰি নাপাই চগাৰ দৰে পুৰি মৰিছে। শুচিস্মিতাৰ ভাষাত এই প্ৰেম চগামাৰ্কা প্ৰেম। কিন্তু হৰেণ বৰাৰ নিচিনা শীৰ্ষস্থানীয় ছাত্ৰনেতা এজনেও এনেদৰে চগামাৰ্কা প্ৰেমত পুৰি মৰিবগৈ— সিহে আছিল মীৰা দৈমাৰীৰ বাবে যিদৰে অভাৱনীয়, শুচিস্মিতাৰ বাবেও সেইদৰে

অভাৱনীয়। মীৰা দৈমাৰীৰ বাবে ই হেনো নিতান্ত অভাৱনীয় আৰু নিতান্ত আকস্মিক। অৱশ্যে উজ্জ্বলৰ অনুমান— হৰেণৰ ব্যস্ত ছাত্ৰ-ৰাজনীতিৰ জীৱনতো পূৰ্বতে নিশ্চয় অনেক কথাত মীৰাৰ প্ৰতি দুৰ্বলতা আছিল। কেৱল স্বভাৱসৰলা মীৰাই তাক ধৰিব পৰা নাছিল। সেই অতি সূক্ষ্ম লক্ষণবোৰৰ কথা ভাবি, তাক লৈ মূৰ ঘমাই থাকিবৰ মীৰাৰ দৰে ছোৱালী এজনীৰ অৱশ্যে সময়ো নাই, ধৈৰ্য্যও নাই। তেনে ক্ষেত্ৰত, হঠাতে তাইৰ ভৰিত ধাৰ্ণাশায়ী হোৱা ছাত্ৰনেতা হৰেণ বৰাক দেখি বেচেৰী মীৰা দৈমাৰীৰ যে কি অৱস্থা! শুচিস্মিতাৰ পৰা শুনামতে, মীৰা দৈমাৰীয়ে হেনো ইয়াৰ পিছত বহু দিন হাঁহা নাছিল। সেইকেইদিনত, সততে ওঠত বিৰিঙি থকা স্বভাৱসুলভ মীৰা দৈমাৰীৰ হাঁহিটিৰ ঠাইত, তাইৰ মুখমণ্ডলত ধৰা পৰিছিল এক বিষণ্ণ বিস্ময় ভাব। ল'ৰাবোৰ এনেকুৱা কেলৈ? এনেবোৰ সৰু-সুৰা কথাত ইহঁত যদি এনেকৈ হিতাহিত জ্ঞানশূন্য হয়, দেশৰ সমস্যা, জাতিৰ সমস্যাৰ দৰে বৰ বৰ কথাত ইহঁত লাগি থাকিব কেনেকৈ?

ইমানৰ পিছতো মীৰাৰ কিন্তু একোৱেই হোৱা নাছিল, সিও অৱশ্যে নহয়। চগাৰ পাখিৰ কঁপনিত চাকিৰ জুইৰ শিখাটিও এইবাৰ ক্ষন্তেকৰ বাবে হলেও, অকণমানিকৈ হলেও, কঁপিছিল। কেৱাদিনলৈও মীৰা এই সময়ত হোষ্টেলতে সোমাই আছিল— যিটো তাইৰ বাবে অতি অস্বাভাবিক। অৱশেষত হোষ্টেলৰ দেওবাৰৰ এক নিৰ্জন আবেলি ৰিব্ৰিব্ বতাহৰ পৰশত যেতিয়া ৰমকজমককৈ ফুলি থকা কৃষ্ণচূড়াৰ পাহিবোৰ এক মৃদু ছন্দায়িত গতিত তললৈ সৰি পৰিছিল হোষ্টেলৰ বাহিৰৰ বিশ্ববিদ্যালয়ৰ চৌহদত, হোষ্টেলৰ ভিতৰত তেতিয়া হেনো মীৰা দৈমাৰী গৈছিল শুচিস্মিতাৰ কোঠালৈ—সাধাৰণতে তাইৰ অনেক ছাত্ৰৰাজ-নীতিত ব্যস্ত ল'ৰা বন্ধুৰ ওচৰলৈ ধুমুহাৰ দৰে যোৱাৰ দৰে নহয়, নিতান্ত দুৰ্বলভাবে খোজ দি, তেনেই লাহে লাহে। ছাত্ৰৰ ৰাজহুৱা জীৱনৰ পৰা স্বেচ্ছাই আৰু ৰুচিগতভাবে স্ব-নিৰ্বাসিত হৈ থকা শুচিস্মিতাৰ কোঠালৈ মীৰাৰ দৰে এজনী ছোৱালীৰ এই প্ৰবেশ অভূতপূৰ্ব। তথাপি শুচিস্মিতাই আচৰ্য প্ৰকাশ কৰা নাছিল। ধীৰে ধীৰে মীৰা দৈমাৰীয়ে

শুচিস্মিতাৰ কোঠাৰ একমাত্ৰ চকীখনত বহি পৰিছিল আৰু কোনো পাতনি নেমেলাকৈয়েই কৈ শুনাইছিল—হৰেণ বৰাৰ কথা। অকণো আবেগসিক্ত নকৰাকৈ, অথচ তেনেই বিষণ্ণভাবে কথাটো কৈ উঠি, মীৰা দৈমাৰী হঠাৎ যেন অন্য এটা পৰ্যায়লৈ উন্নীত হৈছিল। তাই একপ্ৰকাৰ কঠোৰ হৈ শুচিস্মিতাক প্ৰশ্ন কৰিছিল, তাৰ কোনো উত্তৰ নিবিচৰাকৈয়েই, 'দেশৰ কথা, আদৰ্শৰ কথা বাদেই দিলো। ব্যক্তিগত ভাব-অনুভূতিকে এনেদৰে মূল্য দিবলৈ গ'লেও, পাৰিবনে হৰেণে শেষত এই বিষয়ৰ সকলো বাধা অতিক্ৰম কৰিবলৈ? এজন দেহান ল'ৰাই এজনী বড়ো ছোৱালীক বিয়া কৰাবলৈ? আৰু পাৰিলেই বা, তাৰ পৰা লাভ হব কি? বিয়াৰ পিছত সিহঁত দুয়োটা আদৰ্শগত ভাবে জাতিহীন, সম্প্ৰদায়হীন হৈ দৰাচলতে নুঠে। হৰেণ দেহান হৈয়েই থাকিব—দেহানৰো আকৌ তাৰ জাতিটোৰ হৈয়েই থাকিব। আৰু সেইলৈ অন্য ৰাজনৈতিক নেতাবোৰৰ দৰে ৰাজনীতি খেলিব, নিৰ্বাচন খেলিব। আৰু বাহিৰত হয়তো দেখুৱাব তাৰ জনজাতীয় ঘৈণীয়েকলৈ আঙুলিয়াই তাৰ আদৰ্শ। ইপিনে তায়ো তাইৰ জনজাতীয় পৰিচয় জলাঞ্জলি দি হৈ উঠিব লাগিব এক দেহান ঘোৱাৰী। এয়েইতো আমাৰ দেশত হৈ আছে। গান্ধী, জৱাহৰলালৰ বাহিৰে অন্য কোনেনো আৰু ইয়াৰ উৰ্ধলৈ যোৱাত সমৰ্থ হৈছে? হৰেণে পাৰিব বুলিওতো তাইৰ বিশ্বাস নহয়। গতিকে তাই এনে বিয়াত মান্তি হব কেলৈ?'

শেষলৈ মীৰা যেনেকৈ হৈ পৰিছিল চিৰিয়াচ, শুচিস্মিতাও হৈ পৰিছিল চিৰিয়াচ। মীৰাক যেন সেই মুহূৰ্তত তাই এক নতুন ৰূপত দেখা পাইছিল। ছাত্ৰ ৰাজনীতিত ব্যস্ত মীৰাৰ সৈতে সেইদিনা যেন ছাত্ৰ ৰাজনীতিৰ পৰা স্ব-নিৰ্বাচিত শুচিস্মিতাৰ সকলো পাৰ্থক্য হেৰাই গৈছিল। এই কথা শুচিস্মিতাই যেতিয়া উপলব্ধি কৈছিল, তেতিয়াও আনকি শুচিস্মিতা হৈ পৰিছিল অন্য নিতান্ত চিৰিয়াচ। মীৰা আৰু শুচিস্মিতা তেতিয়াও যেন হৈ পৰিছিল অভিন্ন। কিন্তু মীৰাৰ কাহিনী শেষ কৰিয়েই শুচিস্মিতা হৈ পৰিছিল অস্বাভাৱিক ভাবে নীৰৱ। তেনেকৈ কিছুদূৰ যোৱাৰ পিছতেই সৌভাগ্যক্ৰমে পাইছিলগৈ সিহঁতে

শুচিস্মিতাৰ হোষ্টেলৰ পদূলি। তেনেই নির্লিপ্তভাবে শুচিস্মিতা সোমাই গৈছিল হোষ্টেললৈ, তাক 'যাবাগৈ' মাথোন বুলি মাত লগাই।

অৱশ্যে শুচিস্মিতাই এই প্রেমৰ কাহিনীৰ সামৰণিটোৰ পিনে যদি আবেগসিক্ত হৈ পৰিছিল, তেন্তে উজ্জ্বল নিশ্চিত যে, শুচিস্মিতাৰ আবেগ উথলি উঠিছিল মীৰাৰ বাবেও নহয় আৰু হৰেণৰ বাবেও নহয়। তেওঁৰ আবেগ উথলি উঠিছিল মীৰাৰ চকুত ধৰা দিয়া আমাৰ আজিৰ ৰাজনীতিৰ সাম্প্রদায়িকতা হীনতাৰ আদর্শৰ নামত চলা লেতেৰা সাম্প্রদায়িক খেলাটোৰ বাবে। হৰেণহঁতৰ চগাপোক মার্কা প্রেমৰ প্রতি শুচিস্মিতাৰ নিশ্চয় নাছিল কোনো সহানুভূতি। কিন্তু শুচিস্মিতা তাতকৈয়ো সহানুভূতিহীন আছিল অন্য এক শ্রেণীৰ ল'ৰা-ছোৱালীৰ সততে ধৰা পৰা সম্পর্কৰ প্রতি। ইয়াকো জানো প্রেমেই বুলিব পাৰি? এই শ্রেণীৰ ল'ৰা-ছোৱালীৰ কথা-কাম-আচৰণত সততে দেখা যায় এক প্রাণোচ্ছলতা। শুচিস্মিতাৰ ভাষাত এওঁলোক সদায় প্রেক্টিকেল্। আবেগিক প্রেম বা আদর্শগত প্রেমৰ পৰিণতি এওঁলোকে আমাৰ কি হয় জানে। গতিকে নিৰাপত্তাৰ খাটিৰত এওঁলোকে তাৰ পৰা সাৱধানে আঁতৰি থাকি, কৰে অন্য এক ধৰণৰ সম্পর্ক—বা প্রেম। এই শ্রেণীৰ প্রেমিকৰ মুখৰ চুপতি কেৱল পৰস্পৰৰ কর্ণগোচৰত হোৱা অৱস্থাতে নাথাকে। তাক শুনা যায় বহু দূৰলৈ– বিশ্ববিদ্যালয়ৰ বাচতে হওঁক বা ৰাজবাটতেই হওঁক বা ক'ৰিড'ৰতেই হওঁক। বিশ্ববিদ্যালয়ৰ ক্লাচবোৰ নিতান্ত আমনি-দায়ক বুলি বা শিক্ষকসকলে ক্লাচবোৰত জমাব নোৱাৰে বুলি এওঁলোকে ক্লাচৰ সময়তে বাহিৰলৈ আহি কোনো গছৰ তলৰ নির্জনতাত বহি লয়, ইটোৰ গাত সিটোৱে হেলান দিয়ে আৰু নিৰন্তৰ কথা পাতে—বেছিভাগেই চুপতি মৰা কথা। এইবোৰ লৈ হেনো শুচিস্মিতাৰ আপত্তি কৰিবলগীয়া একো নাছিল। কাৰণ ইও তেওঁৰ মতে প্রেমেই। ইয়াৰ বাবেও নির্দ্দিষ্ট দুজনে যোৰ পাতে আৰু বিশ্ববিদ্যালয়ত থকা দিন কেইটাত অন্ততঃ খুনুকা হলেও স্থায়ী সম্পর্ক এটিয়েই চলাই যায়। তেওঁ আনকি এই প্রেমবো এটি নাম নির্ধাৰণ কৰিছিল— জাঁজিমার্কা

প্ৰেম। এই প্ৰেমৰ প্ৰেমিক-প্ৰেমিকাসকল হেনো বাৰিষৰ নদীত উটি যোৱা জাঁজিৰ দৰে। কেতিয়াবা লগ লাগে এটি পৰিস্থিতিত, নিতান্ত পৰিস্থিতিৰ দাস হিচাপে ; আকৌ এৰা-এৰি হয়। এওঁলোকৰ প্ৰতি হেনো শুচিস্মিতাৰ সহানুভূতিয়েই আছে। বেচেৰাহঁত, আজিৰ আমাৰ সামাজিক পৰিস্থিতিত, আৰ্থিক পৰিস্থিতিৰ ভয়ঙ্কৰ অৱস্থাত, তাতকৈনো আৰু কি বেছি তেওঁলোকে আশা কৰিব ? ভৱিষ্যৎ যাৰ সম্পূৰ্ণ অনিশ্চিত, নিবনুৱা-সমস্যাবহুল এখন সমাজত আৰ্থিক নিৰাপত্তা যাৰ বাবে মৰিচিকা—সিনো আকৌ ইয়াতকৈ গভীৰতম প্ৰেম কেনেকৈ কৰিব ?

কিন্তু শুচিস্মিতাৰ খং উঠে ৰাজহুৱা ঠাইতে অন্যৰ যেতিয়া এওঁলোকে বেপৰোৱা ভাবে শান্তি ভঙ্গ কৰে। এওঁলোকৰ এই দিশটোৰ প্ৰতি বহু দিনলৈ শুচিস্মিতা বা সিও আনকি সজাগ নাছিল। এদিন বিয়লি কেম্পাচৰ আৱাসিক অঞ্চলৰ এটি নিৰ্জন পথেৰে শুচিস্মিতা আৰু সি যেতিয়া খোজ কাঢ়ি কাঢ়ি গৈ আছিল, হঠাৎ দুয়োৰে দৃষ্টিগোচৰ হ'ল সিহঁতৰ সেই দিশটো। পথটিৰ কাষত দেখা গ'ল সেই জাঁজিমাৰ্কা দুই প্ৰেমিক। গাতে গা লগাই দুয়ো বহি লৈ সেয়া জানো কি কৰিছে! সচকিত হৈ দুয়ো তাৰ পৰা বেগাই আঁতৰি আহিবলগীয়া হৈছিল—সিহঁতক নেদেখাৰ ভাওঁ ধৰি। সিহঁতৰ কিন্তু লাজ পাবলগীয়া বা অস্বস্তিবোধ কৰিবলগীয়া যেন একোৱেই নাই। শুচিস্মিতাই সেইদিনাও বহু সময়লৈ একো মাতিব পৰা নাছিল। দুয়ো নীৰৱে বেগাই খোজ দিছিল হোষ্টেলৰ পিনে। হোষ্টেল পোৱাৰ আগে আগে শুচিস্মিতাই মন্তব্য দিছিল—'প্ৰেমৰ নামত এওঁলোকে এইদৰেই আগবাঢ়ে। ভৱিষ্যতৰ ভয়ংকৰ ৰূপ দেখি এওঁলোকে এইদৰে চকু মুদে আৰু বৰ্তমানক এওঁলোকে এইদৰেই চেৰাই যায়।' আহত এটি চৰাইৰ দৰে উৰা মাৰি যেন সেইদিনা শুচিস্মিতা হোষ্টেলত সোমাইছিল।

সেইদিনো আজি বহু আঁতৰি গ'ল। শুচিস্মিতাক, তেওঁৰ প্ৰতিটো কথাক আজিও কিন্তু সি অকণো পাহৰা নাই। অথচ

শুচিস্মিতাৰ লগত তাৰ সম্পৰ্কইবা আছিল কিটো ? বিশ্ববিদ্যালয়ৰ এম-এ মহলাত একেলগে দুবছৰ পঢ়া, বিদেশী নাগৰিকৰ বহিষ্কাৰৰ আন্দোলনৰ বাবে তাৰ পিছত বাৰে বাৰে পৰীক্ষা পিচুওৱা বাবে আকৌ এবছৰ হোষ্টেলতে থকা, সেই তিনি বছৰ একেলগে আজৰি সময়ত ফুৰা, লাইব্ৰেৰী ৰিডিং ৰূমত পঢ়া, কেণ্টিনত চাহ খোৱা, কথা পতা এয়েইতো আছিল সিহঁত দুটাৰ সেই তিনি বছৰৰ কাম বা সম্পৰ্ক। ইয়াত জানো অন্য কিবা আৰু নিহিত আছিল যে, শুচিস্মিতাক এৰাৰ এয়া দুবছৰৰ পিছতো তাৰ মনৰ আকাশত তেওঁ পূৰতি তৰাৰ দৰে উজ্জ্বল হৈ জিলিকি থাকিব লাগে ? নে এয়াও আছিল প্ৰেম ? কিন্তু ক'তা ? এই বিষয়েতো কেতিয়াও সিহঁত দুয়োৰে কোনেও কোনো সন্দেহ প্ৰকাশ কৰা নাছিল। দুয়োৰে মাজৰ বন্ধুত্বৰ চৰম অন্তৰংগ মুহূৰ্ততো ইজনে সিজনক সোধা নাছিল—এয়া জানো প্ৰেম। শেষত পৰীক্ষাটো এবছৰ দেৰিকৈ হলেও হ'ল গৈ। পৰীক্ষাৰ শেষত দুয়োৰে চহৰৰ ভাল ৰেষ্টোৰাঁ এখনলৈ গৈ এদিন গধূলি ভালকৈ খাই ললে। আৰু তাৰ পিছত আহি বিশ্ববিদ্যালয় চৌহদত ইজনে সিজনৰ পৰা বিদায় মাগিলে। সেই বিদায়তো নাছিল কোনো পনীয়া আবেগ।

সেই বিদায় মুহূৰ্তটোৰ কথা আজিও তাৰ স্পষ্ট মনত আছে। অকণো আবেগসিক্ত নোহোৱাকৈ শুচিস্মিতাই তাক সেই গধূলি কৈছিল—'কাইলৈ তেন্তে দুয়োৰেই আঁতৰি যাম। আৰু কেতিয়াবা আমাৰ দেখা হব – তেনে আশ্বাস নাই। মই হলো ৰাজ্যখনৰ এমূৰৰ ; আৰু তুমি হ'লা আনমূৰৰ। আৰু দুয়োৰেই হলোঁ এনেকুৱা দুখন চহৰৰ, যি দুখন চহৰৰ মাজত অনাহকত বা ফুৰাৰ কাৰণে কেৱল মানুহৰ আহ-যাহ নহয়। গতিকে আমাৰ কেতিয়াবা দেখা হ'ব—এনে আশা স্বাভাৱিক নহয়। সেয়েহে বিদায়ৰ মুহূৰ্তত এই কথা তোমাক কৈ যাওঁ, মনত ৰাখিবা, যে তুমি এক বিশেষ প্ৰতিভাৰ অধিকাৰী এজন ল'ৰা। এই প্ৰতিভা নষ্ট হবলৈ নিদিবা। তুমি এতিয়া যেনেকৈ পঢ়া আৰু চিন্তা কৰা, তেনেকৈ গোটেই জীৱন পঢ়িবা আৰু চিন্তা কৰিবা। তেতিয়া হলে তুমি

নিশ্চয় আমাৰ সমাজক কিবা দিব পাৰিবা। আৰু যেতিয়া পাৰিবা, তেতিয়া সেয়েই হ'ব মোৰ আনন্দ—মোৰ এই তিনি বছৰৰ তোমাৰ আপুৰুগীয়া সংগৰ পৰা কৰা লাভ।'

শুচিস্মিতাই যদিও নিতান্ত নিৰাবেগভাৱে এই কথাখিনি কৈছিল সি হৈ পৰিছিল অভিভূত। আজি তাৰ সেই কথা মনত পৰিলে লাজ লাগে। সি যি কি নহওঁক, শুচিস্মিতা সাধাৰণ ছোৱালী নাছিল, যদিও তেওঁ তাকহে সততে অসাধাৰণ বুলি ভাবিছিল। কিন্তু শুচিস্মিতাই উপযুক্ত সময়ত উপযুক্ত কথা কব পৰা তেওঁৰ বিশেষ ক্ষমতাৰে বিদায়ৰ মুহূৰ্তত যিদৰে তাক কোনো কালে পাহৰিব নোৱাৰা সেই কথা কৈ তেওঁৰ ওচৰত চিৰকালে ঋণী কৰি থৈ গ'ল, সি কিন্তু নোৱাৰিলে সেই মুহূৰ্তত এই কথা তেওঁৰ আগত ব্যক্ত কৰিবলৈ যে তেৰোঁ এগৰাকী অসাধাৰণ ছোৱালী। প্ৰকাশ কৰিব-লগীয়া ভাব উপযুক্ত সময়ত মুখেৰে প্ৰকাশ কৰিব নোৱাৰা বেদনাত উজ্জ্বলে সদায় ভুগি আহিছে। সেই বিদায়ৰ মুহূৰ্তৰ সেই অক্ষমতাই কিন্তু হ'ল উজ্জ্বলৰ জীৱনৰ এই পৰ্যন্ত আটাইতকৈ গভীৰ বেদনাৰ কাৰণ। সেই ভাব পিছত কেতিয়াবা প্ৰকাশ কৰিবলৈকো শুচিস্মিতাক সি আৰু সঁচাই কোনো দিন লগ পোৱা নাই। এই দুবছৰে।

ইয়াৰ ভিতৰত শুচিস্মিতাৰ অৱশ্যে বিয়া হৈ গৈছে। সেই কথা সি জানিছিল বিশ্ববিদ্যালয় এৰাৰ পিছত শুচিস্মিতাৰ পৰা পোৱা তেওঁৰ একমাত্ৰ চিঠিখনৰ পৰা। সেই একে নিৰাবেগ ভাষাত শুচিস্মিতই লিখিছিল ঃ ল'ৰাজন বেংকৰ এজন উচ্চ পদস্থ বিষয়া। বেংকৰ কামত পুৱাৰ পৰা গধূলিলৈ মূৰ তুলিব নোৱাৰাকৈ ব্যস্ত হৈ থাকে। শুচিস্মিতাৰ সেই লৈ আপত্তি কৰিবলগীয়া একো নাই। তাৰ বাবেইহে তেওঁ ঘৰত বহি বহি নিৰালয় ভাবে পঢ়ি যাব পাৰিছে। ইপিনে টকা-পইচাৰো অভাৱ নাই। চিঠিখন পাই শুচিস্মিতাৰ চিঠিৰ দৰেই চুটিকৈ উজ্জ্বলেও এটি উত্তৰ দিছিল তেওঁৰ সেই বৈবাহিক জীৱন দীৰ্ঘস্থায়ী হওক বুলি, আৰু পঢ়া-শুনা কেতিয়াও যেন নেৰে, সেই আশা কৰি।

কিন্তু তাৰ নিজৰেই বা কি হ'ল এই দুবছৰত ? তাৰ নিজৰ ঠাইৰে কলেজখনত সি এই দুবছৰে চাকৰি কৰিলে, আৰু লগতে আই. এ. এচ্ পৰীক্ষা দি নিৰ্বাচিত হ'ল। কথাটো শুচিস্মিতাক অৱশ্যে জনোৱাই হোৱা নাই। জনালেও অৱশ্যে তেওঁ কেনে পালে-হেঁতেন কব নোৱাৰি। কিতাপ উজ্জ্বলে পঢ়ি আছে অবিৰতভাৱে, সন্দেহ নাই। কিন্তু সি কিজানিবা পি. এইচ. ডি. ডিগ্ৰী এটি লৈ বিশ্ব-বিদ্যালয়ৰ চাকৰিত সোমোৱা হলেই শুচিস্মিতাই বেছি ভাল পালে-হেঁতেন। সি নিজেও এই কথা একেবাৰে নভবা নহয়। কিন্তু সি পাহৰিব পৰা নাই যে, তেওঁলোকৰ দৰ্শন বিভাগৰে অসাধৰণ প্ৰতিভাৰে সমুজ্জল, আটাইতকৈ কৃতী শিক্ষক ড° মিশ্ৰ চুকাই থাকিল এটি অসুখত, টকাৰ অভাৱত ভেলোৰ বা দিল্লীলৈ যাব নোৱাৰি; আৰু সিপিনে সেই একেখন চহৰৰে এচ. ডি. চি অফিচৰ কেৰাণী এজন তাতকৈয়ো গুৰুতৰ এটি অসুখত ভুগিও ভালে আছে বছৰত এবাৰকৈ চৰকাৰী খৰচত ভেলোৰলৈ গৈ গৈ। নাই, তাৰ এই কৃতকাৰ্যতাৰ কথা, এই জীৱিকাৰ বাচনিৰ কাৰণ, সি আৰু শুচিস্মিতাক নজনায়। কেতিয়াও নজনায়। শুচিস্মিতাৰ পৰা সি আঁতৰি যাব, শুচিস্মিতাৰ জীৱনৰ পৰা সি হেৰাই যাব আৰু তাৰ মনৰ পৰাও তেনেকৈয়েই আঁতৰি যাব শুচিস্মিতাৰ ছবি। সোনকালেই, জীৱনৰ নাতিদূৰৰ এক অৱস্থানত গৈ তাৰ ধাৰণা হ'ব, তেনে এজনী ছোৱালী তেনে এজন ল'ৰাই কেতিয়াও ক'তো যেন লগেই পোৱা নাছিল। তাৰো বিয়া হ'ব শুচিস্মিতাৰ যেনেকৈ বিয়া হৈছিল। তাৰ লগত বিয়া হোৱা ছোৱালী জনীয়েও শুচিস্মিতাৰ দৰে হয়তো লিখিব তেওঁৰ বিশ্ববিদ্যা-লয়ৰ দিনৰ বন্ধুলৈ : ল'ৰাজন আই. এ. এচ্। মই ভালেই পাইছোঁ। টকা-পইচাৰ অভাৱ নাই। তেওঁ অৱশ্যে কিতাপৰ পোক। তেওঁৰ সংগ অতিকমেই পাওঁ। কিন্তু টকা-পইচাৰ অভাৱেই যদি নাথাকে, আৰুনো কি লাগে।

উজ্জ্বলহঁতৰ ডেকাকালৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক সমস্যাৰে ভয়ংকৰ হৈ উঠা এই কালছোৱাৰ এই প্ৰেমৰ, বিবাহৰ,

বন্ধুত্বৰ সম্পৰ্কবোৰৰ কথা ভাবি ভাবি উজ্জ্বলৰ হাঁহি দিবৰ মন গ'ল। কিন্তু উজ্জ্বল আৰু শুচিস্মিতাৰ সম্পৰ্কটি? সেয়া সঁচাই কেৱল ক্ষণিকৰ বন্ধুত্বৰ নে গাঢ় প্ৰেমৰ? এই কথাৰ উত্তৰ আৰু উজ্জ্বলৰ বিচাৰি পোৱা সম্ভৱ নহ'ল। ইয়াক যদি প্ৰেম বুলিয়েই আখ্যা দিবলৈ শুচিস্মিতাক কেতিয়াবা মান্তি কৰাব পাৰি, তেনেহলেও উজ্জ্বলে এই প্ৰেমৰ নাম শুচিস্মিতাৰ অভ্যাসমতে যি দিব খুজিব, তাত ছাগে শুচিস্মিতাই দুৰ্ঘোৰ আপত্তি কৰিব। ই যদি প্ৰেম, এই প্ৰেমত পৰি থাকিয়েই নিৰাপদ জীৱন এটিৰ বাবে বিয়াৰ পাত্ৰ বা পাত্ৰী হিচাপে সহজভাৱে অন্যক বিচৰা এই প্ৰেমৰ নাম জীৱিকা-মাৰ্কা প্ৰেম নহয়নো আৰু কি? ইহঁতৰ এই জীৱিকা-মাৰ্কা প্ৰেম অঞ্জন ৰেহানাৰ মমবাতি মাৰ্কা প্ৰেম, মীৰা-হৰেণৰ চগা-মাৰ্কা প্ৰেম বা অন্য বহুতৰ জাঁজিমাৰ্কা প্ৰেমতকৈ কিনো ওপৰত?

সেয়ে হলে, আমি আজি সভ্যতাৰ এনে এক বিন্দুত আহি উপনীত হৈছো নেকি—য'ত প্ৰেমৰ পৰিণতি আৰু বিবাহ বুলি সিদ্ধান্ত কৰিব নোৱাৰি? প্ৰেম হ'ল এক বিশেষ পৰিস্থিতিৰ ক্ষন্তেকীয়া সম্পৰ্ক। আৰু বিবাহ হ'ল এক নিৰাপত্তাৰ ঠিকা— যি ঠিকাত চুক্তিবদ্ধ হবলৈ আজি কালিৰ ডেকা-গাভৰুৱে সহজে সাহস কৰিব নোৱাৰে— এই নিবনুৱা সমস্যা জৰ্জৰিত কালত, এই অৰ্থনৈতিক নিৰাপত্তাহীনতাৰ দিনত।

শুচিস্মিতায়ো জানো এইকথা এতিয়া এনেদৰেই উপলব্ধি কৰিছে? শুচিস্মিতাক তাৰ এবাৰ লগ পাই এইবোৰ কথা সুধিবৰ মন গ'ল। এইবোৰ বিষয়ত, সিহঁতৰ সম্পৰ্কৰ বিষয়তো, শুচিস্মিতাৰ মতামত জানিবলৈ সি হঠাৎ অস্বাভাৱিকভাৱে আগ্ৰহী হৈ উঠিল। কিন্তু শুচিস্মিতাতো উজ্জ্বলৰ ওচৰলৈ আৰু ৰাতিৰ সেই ধুমুহাজাকৰ দৰে কেতিয়াও উভতি নাহে। শুচিস্মিতাই সেই ধুমুহাজাকৰ দৰে নিজৰ চিনচাব মাথোন এৰি থৈ গ'ল উজ্জ্বলৰ চৌপাশে। তাতকৈ বেছি এই যুগত, এই অৱভৰত, আৰু কিয়েইবা সম্ভৱ?

:::::

আন্ধাৰৰ পোহৰ

—মহেন্দ্ৰ বৰঠাকুৰ

লিখকৰ চমু পৰিচয়—

জন্ম ১৯৩৭ চন। পিতৃ লক্ষীনাথ বৰঠাকুৰ। মাতৃ শ্ৰীজিলি দেৱী। ১৯৫০ চনত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি মাকুম গোপালকৃষ্ণ হাইস্কুলত শিক্ষকতাৰ চাকৰি আৰম্ভ কৰে। তাৰ পাছত আকাশবাণী গুৱাহাটী কেন্দ্ৰত Script writer হিচাপে যোগদান কৰি সম্প্ৰতি নাট বিভাগৰ প্ৰযোজক।

মহাবিদ্যালয়ত পঢ়ি থাকোঁতে মহাবিদ্যালয় আলোচনীৰ সম্পাদনাৰ যোগেদি তেওঁ সাহিত্য সেৱাৰ পাতনি মেলে। বৰঠাকুৰ একেধাৰে গল্পকাৰ, উপন্যাসিক আৰু নাট্যকাৰ। গ্ৰন্থ আকাৰে প্ৰকাশ পোৱা তেওঁৰ উল্লেখযোগ্য উপন্যাস হ'ল— 'উদাসী সন্ধ্যা', 'বেলিফুল,' 'বৃহন্নলা' '…… আৰু আমি' আদি। নাট্যকাৰ ৰূপে তেওঁ বিশেষ স্বীকৃতি পায় 'জন্ম', 'আইত গুৰিৰ নতুন নাট', 'দধীচি', 'অৱতাৰ' 'মুখ্য মন্ত্ৰী' আদি নাটকৰ যোগেদি। মুখ্য মন্ত্ৰী নাটকৰ যোগেদি তেওঁ সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা লাভ কৰে।

বিভিন্ন আলোচনীত বৰঠাকুৰৰ গল্প প্ৰকাশিত হোৱাৰ উপৰিও সাহিত্য একাডেমিৰ দ্বাৰা প্ৰকাশিত হৈছে অনুবাদ গল্পগ্ৰন্থ 'মালায়ালম গল্প'।

দিও বুলি মোক কোনেও খবৰটো দিয়া নাছিল। নৃপেনেহে কথাই কথাই কলে। মোৰ প্ৰস্তাৱটো চাবলৈ, উৎসাহ-নিৎসাহবোৰ পৰীক্ষা কৰিবলৈ সংতাহত দুদিনকৈ সি আহে। একপ্ৰকাৰ সি মোৰ নিজৰ ল'ৰাবে নিচিনা। আমাৰ সৰু পুত্ৰ নয়নৰ লগৰ। দুয়োটাকে ওচৰ-চুবুৰীয়াই কৃষ্ণাৰ্জুন বুলিছিল। নয়ন চৰকাৰী চাকৰি লৈ ঘৰৰ আঁতৰে আঁতৰে থাকে যদিও নৃপেন কিন্তু আহি থাকে। মোৰ স্বাস্থ্যৰ তদাৰক কৰেহি। চেম্পল ফাইল এসোপা লৈ আহে। দি থৈ যায়। ডাক্তৰী পাছ কৰি সি নিজৰ ঠাইতে স্বাধীন ভাবে

'প্রেক্‌টিচ' কৰিবলৈ লৈছে। মই তাক কৈছিলোঁ বোলো—বছৰ শেষে তিনিকুৰি পোন্ধৰ হ'লহি। এনে বয়সতে যোৱা ভাল। ইয়াতকৈ বেছি'ল গ'লে লোকৰ চকুৰ কুটা যেন হয়। নৃপেনে বোলে—'চাৰ বৰদেউতা, আপুনি চেঞ্চুৰী মাৰি দিব। বিমল বৰুৱাক জানে নহয়। চেভেণ্টি ফাইভ ৰাণিং বোলে। আৰু চেভেণ্টি ফাইভ আৱাৰ্চ থকাৰো আশা নাই।'

'বিমল বৰুৱাৰ!' মই চক্ খাই উঠিলো, মোৰ মাতটোতে নিশ্চয় নৃপেনে ধৰিব পাৰিলে। সি মোৰ চকুলৈ চালে।

—বিমলৰ কি হ'ল? —মই আক' সুধিলো।

—হস্পিটেলাইজড্। অক্সিজেন দিয়া হৈছে। শৰীৰত চেলাইনৰ বেজী সুমুৱাবলৈকো ঠাই নোহোৱাৰ নিচিনা। বহুত বেমাৰ। প্লাচ অল্ড এইজ।

অল্ড এইজ। বুঢ়া বয়স। বিমল বুঢ়া হ'ল, ময়ো বুঢ়া। মামনিক চিঞৰি মাতিব খুজিও মই বৈ গলো। বিমলৰ চিৰ বিদায়ৰ বাবে আৰু পয়সত্তৰ ঘণ্টাও বাকী নাই বুলি ডাক্তৰ এজনৰ মুখৰ পৰাই শুনাৰ পিছত মই দৰাচলতে মোৰ বৰ্ত্তমানটোকে সম্ভৱ পাহৰি গলো। নৃপেননো কেতিয়া উঠি গ'ল, যাবৰ সময়ত সি নতুন কি দিহা-পৰামৰ্শ দি গ'ল মই কব নোৱাৰো। ৰবমাকক, মানে আমাৰ ল'ৰাহঁতৰ মাকক আৰু মামনিক মাত লগালে নে নাই তাকো কব নোৱাৰো। বাৰে বাৰে বিমলৰ মুখখনে মোক আমনি কৰিবলৈ ধৰিলে। এবাৰ হস্পিটেললৈ যাব লাগিব। বিমলক চাই আহিব লাগিব। কিন্তু তাৰ সন্মুখত মই থিয় হব পাৰিমনে? সি মোক এতিয়া, জীৱন-মৰণৰ লগত যুঁজি থকাৰ সময়ত, চিনি পাবনে? সি মোক কব লগা একো নাই? মোৰ আছে, তাক কব লগা মোৰ বহুত কথা আছে। আজি কালি পুৰণি কথাবোৰ বৰকৈ মনত পৰে। তাহানিদিনৰ কথাবোৰ লোকৰ আগত কবলৈ পালেও বৰ ভাল পাওঁ। মই জানো বহুতে সেইবোৰ শুনি থাকিবলৈ ভাল নাপায়। তথাপিচোন আনৰ আগত কৈ ভাল লাগে। ভালেমান

কথা-হওঁতে ক'ব পৰা নাযায়। সেইবোৰ নিজৰ মনতে পাগুলি থাকো। বিমলৰ লগতেই মোৰ, ঠিক মোৰ নহয়, আমাৰ, শৈশৱ, কৈশোৰ, যৌৱনৰ কথা পাতিব পাৰো। কিন্তু ...... বিমলক বাৰু মই কিমানদিন লগপোৱা নাই? পাঁচ, দহ, পোন্ধৰ, কুৰি বছৰ? বেছি হ'ল নেকি জানো! অথচ সৌটো তাৰ ঘৰ। মই ইয়াতেই আছো। এদিন সেইখন ঘৰতেই মই ঘণ্টাৰ পাছত ঘণ্টা ধৰি কটাইছিলো। সেইদৰে বিমলেও আমাৰ ঘৰত। আমাৰ কাৰোবাৰ দাঁতত ভাত এটা লাগিলেও ইটোৱে সিটোৱে ক'ব পাৰো। পাৰো নহয়, পাৰিছিলো। বিমলতো পঢ়া-শুনাত বৰ ভাল আছিল। দেখা-শুনাতো ভাল। চাৰহঁতে মৰমো কৰিছিল। চেকেণ্ডচাৰ গংগা মাষ্টৰে বিমলক বেছি মৰম কৰিছিল বুলি বহুতে আক' হিংসাকে কৰিছিল। আমাৰ লগ-সঙ্গ বেছি নাছিল। আমাৰ দুটাৰ লগত মামনি আছিল। কেতিয়াবা কেতিয়াবা পেস্কাৰৰ জীয়েক লুকুমণি আৰু পুতেক মাধৱ আহি আমাৰ লগত খেলিছিলেহি। আচলতে আমাৰ ঘৰলৈ সততে আহিবলৈ কোনেও সাহস নকৰিছিল। আমাৰ ঘৰৰ এটা সুকীয়া মৰ্য্যদা আছে। দেউতা মুক্তিয়াৰ আছিল। চাহাবৰ দিনত। পিছলৈ ৰায়বাহাদুৰ খিতাপ পাইছিল। চাহাবী পোছাক পিন্ধিছিল। কোট-পেণ্ট, টাই, হেট পিন্ধি জেপত দুইহাত সুমুৱাই লৈ তোলা ফটো খবৰ কাগজতো ওলাইছিল। ফটোখন ভালেমান দিনলৈকে বন্ধাই ডুইংৰূমত থকা পদ্ম শিওত আঁৰি থোৱা আছিল। এতিয়া পিছে বগা পৰি যোৱাত মৃদুলাই ডুইংৰূমৰ পৰা আঁতৰাই নিলে। ক'ৰবাত সোমাই আছে চাগে'। দেউতাই এবাৰ কৈছিল— বিমলো আমাৰ বৰ ঘৰ-সোমোৱাৰ উপযুক্ত নহয়। তাৰ দেউতাক একালত হেনো আমাৰ ঘৰৰ হালোৱা আছিল। পিছলৈ হাজিৰা কাম কৰি খাইছিল। মানুহটো ভাল। বিশ্বাসী। লোভ, মোহ নাই। আমাৰ ঘৰৰ পৰা কাহানিও কুটা এগছিও দাঙি লোৱা নাই। সেয়েহে আমাৰ ঘৰখনে বিমলৰ দেউতাকক মৰম কৰিছিল আৰু প্ৰাইমেৰী পাছ কৰাৰ পিছত মাইনৰ স্কুলত নাম লগাবলৈ আমাৰ দেউতাই বিমলক কণ পাঁচ টকা দিছিল।

আমি দুয়োটাই একেলগে মাইনৰ স্কুলত নাম লেখালো। বিমলে প্ৰাইমেৰীৰ বৃত্তি পাইছিল। মই নাপালো। বিমলৰ কথাকে দেউতাই মোৰ আগত শলাগিছিল। পঢ়া-শুনাত ভাল ল'ৰাৰ আদৰ্শ উদাহৰণ হৈ পৰিছিল বিমল। সি অলপ লাজকুৰীয়াও আছিল। তাৰ লাজকুৰীয়া মুখখন দেখিলে দেউতা আৰু বৌটিৰ হেনো মৰম লাগিছিল। 'সেইটো হালোৱাৰ ল'ৰা হৈয়ো দেখিছনে? খাবলৈনো পাই কিটো! কৰ্কৰা-পইতা এগাল সুমুৱাবলৈকো নাপায় চাগে'। সেইবোৰহে ল'ৰা!' দেউতাই প্ৰায়ে কৈছিল—সি মোৰ সকলো সময়ৰ বন্ধু আছিল। আমি ডাঙৰ হৈছিলো। মামনি ডাঙৰ হৈছিল। আমি হাইস্কুল পালো। হাইস্কুলৰ শেষ পৰীক্ষা পাছ কৰিলো। মামনিয়েও মাইনৰ স্কুল পাছ কৰি হাইস্কুলত নাম লগালে। বহুতে কথাটো ভাল পোৱা নাছিল। ছোৱালী মানুহ, ল'ৰাৰ লগত বহি স্কুল, কলেজত নপঢ়িলেও হয় বুলি দূৰে দূৰে কোনোবা কোনোৱাই কলে। দেউতাৰ আগত পিছে তেনে কথা কোনেও কবলৈ সাহস নকৰিলে। মামনি স্কুললৈ গৈ থাকিল। আমি কলেজলৈ। বিমলৰ হেপাহ আছিল চাইন্স পঢ়াৰ। ওচৰৰ কলেজত সেই সুবিধা নাছিল। হোষ্টেলত থাকি পঢ়ুৱাৰ পৰা ক্ষমতাও তাৰ ঘৰখনৰ নাছিল। দেউতাই কৈছিল, 'ক'ৰবাত চাকৰি তাকৰি এটাকে বিচাৰি লওক। যিখিনি পঢ়িব লাগে (তাৰ অৱস্থাৰ ল'ৰাই) পঢ়িলেই। দেউতাকেও বিমলক আমাৰ দেউতাৰ কথাটোকে বুজাইছিল। 'বহুত হ'ল। এতিয়া কাম কাজ এটা বিচাৰ। ঘৰ চলিব লাগে। আমাৰ ল'ৰা হাকিম মুন্সিফ নহ'লেও হ'ব।' বিমলে হুকহুকাই কান্দিবলৈ ধৰিলে। ময়ো জেদ ধৰিলো — বিমল কলেজলৈ নগ'লে ময়ো নাযাওঁ। দুয়োটাই একেখন কলেজত নাম লগালো। কলাত। কিতাপ ময়েই কিনিলো। দুয়োটাই পঢ়িম। সি পিছে বেছি দিন কলেজলৈ অহা-যোৱা কৰি থাকিব নোৱাৰিলে। ওচৰৰ প্ৰাইমেৰী স্কুলখনতে মাষ্টৰ সোমাল। কিন্তু স্থিৰ কৰিলে সি বি-এ পাছ কৰিবই। প্ৰাইভেট কৈ দিব। মাষ্টৰী চাকৰি কৰিলে পৰীক্ষা দিয়াত সুবিধা। সেই-

বাবেই সি আনত চাকৰি নিবিচাৰিলে। পুৰা-গধূলি সি আমাৰ ঘৰলৈ আহে বন্ধৰ দিনত প্ৰায় গোটেই দিনটো আমাৰ ঘৰতে বহি বহি মোৰ কিতাপবোৰ পঢ়ি থাকে। মই ল' পঢ়িবলৈ গ'লোগৈ। দিঘলীয়া বন্ধ হ'লে ঘৰলৈ আহো। সক-সুৰা বন্ধত নাহো। বিমল ব্যস্ত। পুৱা-গধূলি টিউচন। বি-এ দিব পৰা নাই।

মই ল' পাছ কৰি ওলাই আহিলো। আমাৰ ওচৰতে ইতিমধ্যে কৰ্ট্ৰা হ'ল। মোৰো ব্যস্ততা বাঢ়িল। উকীল বুলি মানুহে মোক সাধাৰণ চকুৰে নাচায়। দায়িত্ব ললো। বাইজে উচতালে —ভোটত উঠিব লাগে। বিমলেও ক'লে 'উঠা। তোম'লোকৰ নিচিনা মানুহ লাগে।' বিমলে মোক আজিকালি 'তুমি' বোলে। দেউতায়ো জোৰ কৰিলে। 'ৰাইজে বিচাৰিছে উঠ।' উঠিলো। জিকিলো। দায়িত্ব আহিল ৰাইজৰ প্ৰতি, দায়িত্ব আহিল ঘৰৰ প্ৰতি। দেউতাৰ ইতিমধ্যে দুটা 'ষ্ট্ৰক' হৈ গৈছে। যি কোনো মুহূৰ্ত্ততে……। মামনিক বিয়া দিয়া হোৱা নাই। এটা সময়ত তাই নিজেই বিয়াত মত দিয়া নাছিল। দুবাৰমান বন্দবস্ত কৰিও আগবাঢ়িব পৰা নগ'ল। মনে বিচৰা মানুহ মিলাও টান। ………… মই বিয়াখাক কৰালো। সমাজৰ দায়িত্বশীল মানুহ হলো। ক্ৰমে ক্ৰমে মোৰ নিজা ঠাইখনৰ পৰা আঁতৰি গলো। পৰিসৰ বহল হ'ল। দিগন্ত বিস্তৃত হ'ল। বিমল দূৰলৈ আঁতৰি গ'ল। ………— দেউতাৰ 'থাৰ্ড' আৰু 'ফাইনেল' 'ষ্ট্ৰক' হ'ল। চিকিৎসা কৰাবলৈ সময় নাপালো। মই যেতিয়া ঘৰ আহি পাওহি তেতিয়া আত্মীয়-স্বজন, বন্ধু-বান্ধৱ মোৰ শুভাকাংক্ষীয়ে মূৰে-কপালে হাত দি বহি আছে, মোক শান্তনা দিবলৈ বাট চাই আছে। কিন্তু দুখ কৰিবলৈকো তেতিয়া মোৰ আহৰি কম। কৰণীয়-খিনি কৰি যাব লাগে, ধৰ্মীয় লেঠাবোৰ মাৰিব লাগে। মই তাতেই ব্যস্ত হৈ থাকিলো। ব্যস্ত হৈ থাকিলো মোৰ ৰাজহুৱা কামত। দৌৰাচলতে ঘৰুৱা বহুত কামৰ দায়িত্ব লৈছিল বিমলে। আমাৰ 'এণ্ড', মৃদুলাই কথাটো ভাল পোৱা নাছিল। শ্ৰাদ্ধলৈ চাৰিদিনমান থাকোঁতেই মৃদুলাই মোক গুৰুত্বপূৰ্ণ কথাষাৰ কৈছিল—'সেই বিমল বোলা তোমাৰ বন্ধুজনৰ লগত মামনিৰ বাক ……।' মৃদুলাক মই কঠোৰ ভাষাৰে

কৈছিলো—'তোমালোক মাইকী মানুহবোৰে মাথোন বেয়াটোহে দেখা।
এইখন ঘৰৰ লগত বিমলৰ সম্পৰ্ক তুমি নবুজিবা।' মৃদুলাক খং
কৰিয়েই কৈছিলো যদিও তেওঁৰ কথাষাৰে মোক ভবুৱাইছিল।
দেউতাৰ অবিহনে এতিয়া তাইৰ দায়িত্ব যে মোৰ সেইষাৰ কথা মই
বৰকৈ অনুভৱ কৰিলো। বৌটিও তাইৰ বাবেই বেছি চিন্তিত।
দেউতাৰ শটো চোতালত শুৱাই থওঁতে বৌটিয়ে কান্দি কান্দি
কৈছিল— 'একেজনী ছোৱালীৰ সংসাৰখন চাবলৈ নাপালে।'
দেউতাৰ শ্ৰাদ্ধ আদি হৈ যোৱাৰ পিছত মই আৰু কৰ্মস্থলীলৈ গলোগৈ।
জীৱিকা হিচাবে এদিন বাছি লৈছিলো—ওকালতি। পিছে ক্ৰমে ওকা-
লতি বাদ দিলো। ৰাজনীতি কৰা মানুহ হ'লো। ক্ষমতা লাভ
কৰিলো। মোৰ সমষ্টিৰ সাত শতকৰো কব লাগিব যে মই মোৰ
সমষ্টিটোৰ বাবে বহুত কাম কৰিলো। মানুহখিনিয়ে মোক এৰিব
নোৱাৰে। মোৰ ভৱিষ্যতৰ বাটো নিকপকপীয়া কৰি ল'লো। ঘৰত
বৌটি আৰু মামনি থাকিল। বনকৰা মানুহ দুটাও লগতে থলো।
মাজে সময়ে আহো। দহ-পোন্ধৰ মিনিটমান সময়হে ঘৰত থাকো
অৱশ্যে। এবাৰ বৌটিৰ অসুখ হ'ল। মামনিয়ে খবৰ পঠিয়ালে।
মৃদুলাকো লগত লৈ আহিলো। লগত নাৰ্চ এগৰাকীও আনিলো।
যাবৰ সময়ত বৌটিয়ে মৃদুলাকো দুৰাতিমানৰ বাবে থৈ যাবলৈ
কলে। নাৰ্চ গৰাকীকো লগত দি মৃদুলাক থৈ গ'লো। লৰাহঁতক
'পাবলিক' স্কুলত দিলো। গতিকে হোষ্টেলত থাকে। আমাৰ চিন্তা
নাই। কেইদিনমানৰ পিছত মৃদুলাক লৈ যাবলৈ বুলি আহিলো।
মৃদুলাই চেগ বুজি মোক ক'লে— 'কিবা এটা ব্যৱস্থা কৰি যোৱা।'

ব্যৱস্থা? কিহৰ ব্যৱস্থা?

মামনিৰ।

চিন্তা মই কৰি আছো, কিন্তু আমাৰ ষ্টেণ্ডাৰ্ড এটা নাই জানো?
যাৰে তাৰে লগত তাইকতো বিয়া দিব নোৱাৰি। আগতে সেয়া
তাই বিয়াৰ নামকে নশুনে।

ষ্টেণ্ডাৰ্ডৰ কথা পিছত। এয়া চোৱা এইবুলি মৃদুলাই বিমলৰ

ফটো এখন দিলো। ক'লে, 'ক'ত পাইছো জানা ? মামনিৰ মেজত
পিছে 'কি হ'ল ?

মই সুধি পেলালো। তাই সৈ কাঢ়িলে। বোলে বিয়া হলে বিমলৰ লগতহে তাইৰ বিয়া হ'ব।

তাই তেনেকৈ কৈছে ?

নিজে সুধি চাবা

হঠাৎ মোৰ মূৰটো গৰম হৈ গ'ল। মৃদুলাক ক'লো, 'দহ মিনিটৰ ভিতৰত ওলোৱা। এঠাইলৈ যাম।'

বিমলৰ ঘৰলৈ ?

তোমাক ওলাবলৈ কৈছো, ওলোৱা।

মোৰ মনেৰে বিমলৰ লগতে বিয়াখন পাতি দিয়া ভাল।
কপালত বেচেৰীৰ দুখ আছে যেতিয়া তুমি মই বাধা দিলে
কি হব। হওঁতে দহে ক'ব— ভনীয়েকক সেই টোকোনা
ঘৰলৈ দি ককায়েকে দায় সাৰিলে।

বৌটিয়ে এই বিষয়ে কিবা জানে ?

নাজানে চাগে'।

বিমলৰ দেউতাক কোন আছিল জানা ?

মায়ে কৈছিল— আমাৰ এইখন ঘৰৰ বোলে বনকৰা মানুহ আছিল। হালোৱা।

সেইখন ঘৰলৈ মই মোৰ ভনীজনীক দিব পাৰিম ?

কিন্তু তুমি দিয়া নিদিয়াটো পিছৰ কথা। ঘি হৈছে সেইটোহে ভাবি চাব লগা।

ইজ্জত আৰু আত্মসন্মানবোধতকৈ মোৰ বাবে আন একো ডাঙৰ নহয়। ওলোৱা বেগতে।

মাজে মাজে মোৰ জেদ হয়। আগেয়ে জেদ কৰি জানিছিলোনে নাই ক'ব নোৱাৰো। কিন্তু ক্ষমতাই হয়তো মোক জেদ কৰিছিল। মৃদুলাক লগত লৈ ততাতৈয়াকৈ গ'লো বৰ্ত্তমান অৱসৰ প্ৰাপ্ত এসময়ৰ উপায়ুক্ত, চৌধুৰীৰ ঘৰলৈ। চৌধুৰীৰ ডাঙৰ ল'ৰা মনোৰঞ্জনক বিলাতলৈ পঠোৱাৰ কথা। পিছে পা পইচাৰ যোগাৰ কৰিব পৰা নাই। সম্ভ্ৰান্ত মানুহ। মান-সন্মান আগৰে পৰাই আছে। মৃদুলাক লগত লৈ চৌধুৰীৰ ওচৰ পালোগৈ। মোক দেখি সকলো অবাক। মোৰ দৰে এজন মানুহ এনেদৰে ওলাবগৈ বুলি তেওঁলোকে বোলে একেবাৰেই ভবা নাছিল। অৱশেষত মই

মোৰ যোৱাৰ উদ্দেশ্য ক'লো। ক'লো যে, 'মনোৰে বিয়া কৰাই যাওঁক। মোৰ ভনীজনী বিয়া কৰাওঁক। তাক স্টেট 'স্কলাৰশ্বিপ' আৰু কোম্পানীৰ স্কলাৰশ্বিপ দিওৱাৰ ব্যৱস্থা মই কৰিম। বিয়া দুসপ্তাহৰ ভিতৰত পাতিম। বিয়াৰ যা-যোগাৰত যিখিনি সহায় সহযোগ লাগে ময়েই কৰি দিম।

সানন্দে চৌধুৰী পৰিয়ালে সন্মতি জনালে। ঘৰত আহি বৌটিৰ আগত কোৱাত বৌটিয়ে আনন্দতে কান্দি পেলালে। মোৰ মূৰত হাত ফুৰাই দি ক'লে, 'বাপেক নাই কি হ'ল, তই ককায়েকটো আছ। মই নিশ্চিন্ত,' কিন্তু আপত্তি কৰিলে মামনিয়ে। মৃদুলায়ো মনে মনে সংকিত হোৱা যেন লাগিল। সেইদিনা মই গাঁৱৰ ঘৰতে থাকিলো। গধূলি বিমল আহিল। তাকো মামনিৰ বিয়াৰ কথা ক'লো। ঘপ্‌কৈ সি কৈদিলে—'কিন্তু মামনিক মই বিয়া কৰাম।'

হঠাৎ মোৰ কি হৈ গ'ল কব নোৱাৰো। তাৰ বাক্যটো শেষ হওঁ নহওঁতেই তাক চৰ মাৰি দিলো। মুহূৰ্ততেই যে কি হৈ গ'ল! সি মাঃথান মোৰ মুখলৈ চালে। সি নিজেও নিশ্চয় একো বুজিব নোৱাৰিলে। ময়ো আৰু তাৰ মুখলৈ চাব নোৱাৰিলো। মোৰ মনত নাই—মামনিয়ে মোক কি কৈছিল, মনত নাই বিমল মোৰ সন্মুখৰ পৰা কেতিয়া আঁতৰি গৈছিল, মনত নাই মৃদুলাই মোক সেইখিনিৰ পৰা আঁতৰাই নিছিল নেকি, মনত নাই বৌটিও বিচনাৰ পৰা উঠি আহি 'এইবোৰ কি হৈছে,' বুলি মাটিতে বহিছিলহি নেকি? মই যেতিয়া স্থিৰ হৈছিলো—বিমল তেতিয়া তাত নাছিল। মামনিৰ উচুপনি মই শুনিছিলো।

তাৰ পাছত বহুত পূৰ্ণিমা, বহুত অমাৱস্যা পাৰ হৈ গ'ল।
মোৰ ল'ৰাই মোক শাসনৰ সুৰত কথা কব পৰা হ'ল।
বৌটিৰ ফটোখনো হালধীয়া পৰা নিচিনা হ'ল।
মামনি এতিয়া বহুতৰ জেঠাই হ'ল।
আৰু বিমল?

সি বোধকৰো সেইদিনাই স্থিৰ কৰিলে সি মোক হুকৱাব। মই যেতিয়া ক্ৰমে ক্ৰমে কাগজৰ শিৰোনামা হুকৱাই আহিলো, বিমলে

সন্মানীয় ভাবে কাগজৰ শিৰোনামা দখল কৰিলে। সি বিশ্ববিদ্যালয়ৰ ডিগ্ৰী ললে, মাষ্টাৰ ডিগ্ৰী ললে। পৰীক্ষাত, বিশ্ববিদ্যালয়ৰ পৰীক্ষাত, ৰেকৰ্ড নম্বৰ ললে। গবেষণা মূলক পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ লেখিলে। সি সন্মান আৰু ভক্তি আদায় কৰিলে — সমগ্ৰ মানুহৰ। আৰু মই ? যিদিনাই ক্ষমতা হেৰুৱালো, সেইদিনাই, সেইদিনাই মোৰ মৃত্যু হোৱাৰ প্ৰয়োজন আছিল। কাৰণ মোৰ এতিয়া বিষদাঁত নাই বুলি বুজি উজুটিয়াই যাওঁতাৰ অভাৱ নাই। অথচ বিমল হৈ পৰিছে প্ৰাতঃস্মৰণীয়। ধন নাই, ঐশ্চৰ্য্য নাই, ক্ষমতা নাই, কিন্তু কিবা এটা, এনে কিবা এটা যিটো সূৰ্য্যৰ পোহৰৰ দৰে অৱশ্য প্ৰয়োজনীয়, চন্দ্ৰৰ পোহৰৰ দৰেই শৰত শীতল চিত্তবিনোদক। মোৰ উপযুক্ত পুত্ৰ আছে, মোৰ আৰু কেইবাপুৰুষে উপভোগ কৰিব পৰা ঐশ্বৰ্য্য আছে কিন্তু মই বুজিছো— মই বৰ দুখীয়া, বৰ দুখীয়া। মামনিৰ মুখলৈ মই আজি কালি চাব নোৱাৰো। কোনে তাইক পত্নীত্বৰ পৰা বঞ্চিত কৰিলে ? কোনে তাইক মাতৃত্বৰ পৰা বঞ্চিত কৰিলে ? কোনে তাইক যৌৱনৰ চৰম আকাংখ্যাৰ পৰা নিষ্ঠুৰ ভাবে আঁতৰাই থলে ?

বিমলেও বিয়া নকৰালে।

মামনিকো বিয়া দিয়া নহ'ল। তাই স্পষ্টভাবে কৈ দিলে, 'মোক মাথোন সৰু কোঠা এটাত থাকিবলৈ দিয়া। মই তোমালোক কাকো একো আমনি নকৰো।'

আমনি তাই কাহানিও কৰা নাই। কিন্তু আমনি মই নিজেই কৰি ললো। মোৰ অহংকাৰ, মোৰ পাৰিবাৰিক জীৱনৰ পৰম্পৰাগত অহংকাৰে মোক আজি, মোৰ এই অক্ৰম জীৱনটো কেনেকৈ অশান্তিময় কৰি তুলিছে সেই কথা মই কেনেকৈ বুজাম ? মোৰ মন গৈছে মই বিমলৰ ওচৰলৈ যাম, মই মাব লাগিব। মামনিক লগত লৈ যাম। পয়সত্তৰ বছৰ বয়সীয়া বিমলৰ দৃষ্টিশক্তি ঠিকেই আছেনে বাৰু ? মামনিয়ে সিদিনা মাথোন কেটেৰেকৰ অপাৰেচন কৰি আহিছে। দুয়োটাকে ওচৰত লৈ মই ক্ষমা খুজিম, কম— 'বিমল, মামনি তহঁতৰ ভীকতাই মোক সাহসী কৰিছিল, অহংকাৰী কৰিছিল, তহঁতৰ ওচৰত মই হাৰিছো, মোক ক্ষমা কৰ।'

০০০

অন্তঃ সলিলা

হৰেকৃষ্ণ ডেকা

লিখকৰ চমু পৰিচয়—

[জন্ম ১৯৪৩ চন, সৰ্থেবাৰী গাওঁত। ১৯৬৫ চনত ইংৰাজী সাহিত্যত এম-এ পাছ কৰি আহি পি-এছ-পাই আৰক্ষী বিভাগত কাম কৰে। বৰ্ত্তমান তেওঁ আৰক্ষী বিভাগৰ ডি আই জি।

ডেকা মুখ্যত এজন কবি। তেওঁৰ প্ৰকাশিত কবিতা পুথিবোৰ হল স্বৰবোৰ, অন্য এজন, বাতিৰ শোভা যাত্ৰা। সম্প্ৰতি ডেকাই গল্প ৰচনাত হাত দি খুব কম সময়তে কৃতকাৰ্য্যতা প্ৰদৰ্শন কৰিছে। তেওঁৰ প্ৰকাশিত গল্প পুথি হ'ল প্ৰাকৃতিক আৰু অন্যান্য।

গল্পকাৰ হিচাপে ডেকাৰ কৃতিত্ব হ'ল সৰু সৰু মানুহবোৰৰ মাজতো মানৱীয় প্ৰমূল্যসমূহৰ সুস্থ বিকাশ দেখুওৱাতো।

গাড়ীখন য'ত বেয়া হ'ল সেইখন এখন সৰু চহৰ। গেৰেজ মাত্ৰ এটাই। গাড়ীখন চাই-চিতি মেকানিকে ক'লে— 'পাৰ্টচ অহন ঠাইৰ পৰা অনাব লাগিব। ইয়াত নাপায়।' মোৰ ড্ৰাইভাৰজনে সুধিলে, 'ওচৰত আৰু ক'ত গাড়ীৰ পাৰ্টচ পোৱা যায়?' মেকানিকে নিৰ্বিকাৰভাৱে উত্তৰ দিলে— 'ওঠৰ মাইলত' অৰ্থাৎ ট্ৰাক বা বাছত উঠি ওঠৰ মাইল নামৰ সেই ঠাই ডোখৰলৈ গৈ পাৰ্টচ আনি দিলেহে গাড়ী ভাল কৰিব পৰা যাব। ড্ৰাইভাৰে মোৰ চিন্তিত মুখলৈ চাই ক'লে— 'আপুনি চিন্তা নকৰিব চাৰ, হাইওৱেত ট্ৰাক পাই যাম। মই দুঘণ্টাৰ ভিতৰতে পাৰ্টচ লৈ আহি যাম। সেইখিনি সময় আপুনি আই-বিতেই জিৰাই লওক।' ড্ৰাইভাৰৰ কথাৰ পৰা গম পালো ওচৰত ক'ৰবাত আই, বি এটা আছে। কিন্তু ড্ৰাইভাৰে বাট দেখুৱাই বিটো আই, বিলৈ লৈ আহিল, সেইটোৰ জৰাজীৰ্ণ অৱস্থা দেখিহে মনটো সেমেকিলে। ইয়ালৈ বিস্ময়-ৰবীয়াৰ ৰবাকৈ পদাৰ্পণ নহয় যেন পাইছো।

আই-বিৰ গেটখন মুকলি। তাৰ মাজেদি সোমাই আহি বাৰাণ্ডাত ঠিয় দি লক্ষ্য কৰিলো আই-বিটোৰ দুটা কোঠা, দুইটাই বাহিৰৰ পৰা তলা মৰা। বাৰাণ্ডাৰ এটা চুকত মাক্কাতা যুগৰ এখন আৰামী চকী পৰি আছে—হাত থোৱা ঠাইত ধূলিৰ আবৰণ দেখি বুজিলো বেছ কিছুদিন কোনো ডা-ডাঙৰীয়াক আৰাম দিয়াৰ সৌভাগ্য সেইখনৰ হোৱা নাই। চকীখনৰ বহা ঠাইডোখৰত মহা আৰামেৰে মেকুৰী এজনীয়ে দিবানিদ্ৰা উপভোগ কৰিব ধৰিছে। বাৰাণ্ডাৰ মাজত আন এখন চেণ্টাৰ টেবুল। সেইখনো জৰাজীৰ্ণ। দুখন লেতেৰা চকী এনেকৈ পাৰি থোৱা আছে যেন এইমাত্ৰ কাজিয়া কৰি দুয়ো ইটোৱে সিটোক পিঠিয়াপিঠি কৰি বহি আছে। কোনো-জন প্ৰাণী ওচৰে-পাজৰে নেদেখিলো। কিন্তু আই-বিৰ সন্মুখৰ মুকলি ঠাইডোখৰৰ এটা চুকত গাই এজনী খুটি মাৰি চৰিবলৈ দিয়া দেখি বুজিলো যে ওচৰে পাজৰে ক'ৰবাত চকীদাৰজন থাকে। ড্ৰাইভাৰে ক'লে— 'ৰব চাৰ, চকীদাৰক মাতি আনো। ৰুম এটা খুলি দিলে তাতে আৰাম কৰিব পাৰিব।' এইবুলি কৈ সি আই-বিটোৰ পিছফালৈ গ'ল আৰু মই চকী এখনতে বহি অপেক্ষা কৰিবলৈ ধৰিলো। ড্ৰাইভাৰজনে চকীদাৰক বিচাৰি যোৱা বেছি সময় হোৱা নাছিল কিন্তু এইখিনি সময়ত বাহিৰত বৈ থাকিবলৈ মোৰ ধৈৰ্য্য নাছিল। দীঘলীয়া ৰাস্তা গাড়ীত বহি আহি আৰু গাড়ী বেয়া হওঁতে গেৰেজত ঠিয় হৈ থাকি একেবাৰে আমনি লাগি গৈছিল। বিছনা এখনত দীঘল দি পৰি হাত-ভৰি মেলি দিবলৈ মন গৈছিল। সেয়ে চকীদাৰক লৈ ড্ৰাইভাৰজন নহা দেখি মইও পিছফালৈ সিহঁতক বিচাৰি ওলালো।

পিছফালে কম্পাউণ্ডৰ সীমাতে দুচলীয়া ঘৰটো চকীদাৰৰে হব। বাহিৰফালে বাঁহৰ গাধৈৰে আবুৰ কৰি লৈছে। তাৰ ঠিক বাহিৰত বৈ মোৰ ড্ৰাইভাৰটোৱে কাৰোবাক বুজাবৰ চেষ্টা কৰিছে আমাৰ প্ৰয়োজনটো কি। দূৰৰ পৰা কথাবোৰ শুনা নাছিলো। তাৰ হাতৰ অঙ্গী-ভঙ্গীৰ পৰাহে অনুমান কৰিলো। মই দূৰৰ পৰাই চিঞৰিলো 'হেৰা কন্থী, কি হৈছেহে। চকীদাৰ নাই নেকি?'

ড্ৰাইভাৰে তাৰ পৰাই উত্তৰ দিলে— ‘চাৰ চকীদাৰ হেনো বজাৰলৈ গৈছে। ঘৈণীয়েকৰ হাতত চাবিপাত আছে। পিছে চকীদাৰ আহিলেহে দিব পাৰিব বোলে। আগতে ৰুম ৰিজাৰ্ভ কৰা নাইতো— সেই কাৰণে মই উভতি আহিবলৈ কলো। উপায় নাই, চকীদাৰ নহালৈকে বাৰাণ্ডাৰ চকিখনতে জিৰাই লব লাগিব। ড্ৰাইভাৰে উভতি আহি কলে—‘চাৰ মই পাৰ্টচ আনিবলৈ যাওঁগৈ। নহলে দেৰি হব। আপুনি ইয়াতে অকণমান জিৰণি লওঁক।’

ড্ৰাইভাৰ গ’লগৈ। মইও অকলে অকলে ভাগ্যক দোষাৰোপ কৰি বহি থাকিলো।

উৎকৎ গৰম। আৰু তাত আহি লগ লাগিলে অনিশ্চয়তাৰ অৱসাদ। বহি বহিয়েই চিলমিলকৈ টোপনি গলো বোধহয়। অলপ পিছত কোনোবাই ‘চাৰ চাৰ’ বুলি মাতোতে খকমককৈ সাৰ পালো। দেখিলো ওচৰত ১৩ / ১৪ বছৰীয়া ল’ৰা এটা বৈ আছে। মই সাৰপোৱা যেন দেখি কলে— ‘চাৰ, এইপাত চাবি। আইয়ে পঠিয়াই দিছে।’ এই বুলি চাবিপাত দি সি গুছি গললগৈ। আই-বিৰ কোঠা এটা খুলি কেৱল তোছক পাৰি থোৱা বিচনাখনতে দীঘল দি পৰিলো। ভিতৰত এখন ফেন থাকিলেও, কাৰেণ্ট নাই। গতিকে একো আৰাম বোধ নকৰিলো। গতিকে আকৌ বাহিৰলৈ ওলাই আহি বাৰণ্ডাত বহিলো। চকীদাৰৰ সেই ১৩ / ১৪ বছৰীয়া ল’ৰাটো আকৌ আহি বাথৰুমত এবাল্টি পানী থৈ গ’ল। লগত এখন পৰিস্কাৰ গামোছা। কলে, আইয়ে পঠিয়াই দিছে। এইবুলি সি বাথৰুমটোত পানী বাল্টি আৰু গামোছাখন থৈ গ’লগৈ। চকুৰে মুখে অলপ পানী মৰৰা পিছত গাটো অলপ সতেজ লাগিল যেনিবা। ল’ৰাটোৱে দি যোৱা গামোছাখন পৰিস্কাৰ যদিও ব্যৱহাৰ কৰিবলৈ অস্বস্তি লাগিল। জেপৰ পৰা উলিয়াই ৰুমালখনেৰে মুখখন মচি আকৌ বাৰাণ্ডাতে বহিলো।

বেচ কিছুসময় পিছত বাটেৰে টুচুক-চামাককৈ এজনক সোমাই অহা দেখি ধাৰণা হ’ল সেইজনেই চকীদাৰ। হাতত এখন মৰাপাটৰ

মোনাত বজাৰ-সমাৰ কৰি আনিছে বোধহয়। গেটৰ ওচৰৰ পৰা মোক সি দেখা নাছিল। দেখিলে যে বৰ সন্তুষ্ট হোৱা নাই মুখৰ অংগীভংগীৰ পৰাই বুজিব পাৰিলো সেইফালে ভ্ৰূক্ষেপ নকৰি মাতিলো, 'হেৰা চকীদাৰ এইফালে আহাঁচোন।' সি প্ৰথমতে তাৰ বহাটিৰ ফালেহে আগুৱাব ধৰিছিল। দ্বিতীয়বাৰ মতাত যেনিবা মোৰ ওচৰলৈ আহিল। ওচৰলৈ আঁহোতে লক্ষ্য কৰিলো মানুহজন আদহীয়া। চাকৰিৰ পৰা অৱসৰ লবলৈ বোধহয় বেছিদিন নাই। মই সুধিলো 'হেৰা, ইয়াত চাহপানী এটোপাৰ ব্যৱস্থা হবনে?' সি অলপ হেঁহো-নেহোঁ কৰি কলে— 'আই-বিত চাহ-ভাতৰ ব্যৱস্থা নাই চাৰ। চাহ আনিব লাগিলে ওচৰৰ বজাৰৰ দোকানৰ পৰা আনি দিব পৰা যাব। পিছে ভাত খাব খুজিলেহে একেবাৰে হাইওৱেলৈ যাব লাগিব। তাত লাইন—হোটেল আছে। ভাত কটি চব পাব। ইয়াৰ পৰা দূৰ কাৰণে গাড়ী নাথাকিলে অসুবিধা হ'ব।' তাৰ কথাৰ পৰা বুজিলো মোৰ ড্ৰাইভাৰজন ঘূৰি নহালৈকে ভাত খাবলৈ পোৱাৰ আশা নাই। জেপৰ পৰা পইচা উলিয়াই চকীদাৰক ওচৰৰ দোকানৰ পৰা চাহ আনিবলৈ কলো। সি হাতৰ মোনাখন থৈ আহিবলৈ আৰু কেট্‌লী এটা আনিবলৈ নিজৰ বহালৈ আগবাঢ়িল।

বেচ, কিছুসময়লৈ চকীদাৰৰ দেখাদেখিয়ে নাই। মই ভাবিলো আজি আৰু চাহ খাবলৈ পোৱাৰ আশা নাই। চকীদাৰক দেখিয়েই জগাকাঠ যেন লাগিছিল। সোনকালে বহাৰ পৰা ওলাই আহিব তেনে ধাৰণা নহ'ল। ধৈৰ্য্যচ্যুতি হোৱাৰ উপক্ৰম হৈছিল। ভাবিলো, বহালৈকে তাক বিচাৰি যাওঁ— ধমকি ধমকা নিদিলে এইবোৰ মানুহে কাম নকৰে দেখিছো। তেনেকৈ ভাবি উঠিব খুজিছোহে, দেখিলো চকীদাৰজন দৌৰাদৌৰিকৈ বহাৰ পৰা আহিব ধৰিছে—হাতত কাঁহৰ কাঁহী এখনৰ ওপৰত সুন্দৰকৈ সজাই বানবাতিত এক বানবাতি চাহ, দুটা ভাওৰ মালভোগ কল আৰু দুখনমান বিস্কুট আনি সি আথে-বেথে মোৰ সন্মুখৰ টেবুলখন মচি তাতে থলেহি। তাৰ মুখৰ চেহেৰাই এইবাৰ সলনি হৈ গৈছে। আগৰ সেই বিৰক্ত ভাবটোৰ

সলনি তাৰ মুখত এনোকোৱা হাঁহি ফুটি উঠিছে। বৰ আন্তৰিক আগ্রহেৰে সি মোলৈ চাহ আৰু জলপানখিনি আগুৱাই দিলে। কলে—'চাৰ, চাহ খাওঁক। আমাৰ ঘৰৰজনীয়ে আপোনাক চিনি পাইছে। মইহে চাৰক চিনি পোৱা নাছিলো। আগতে দেখা নাইতো।'

তাৰ কথাখিনি শুনি মই একেবাৰে বিস্মিত হৈ গলো। কি কয় চকীদাৰে! তাৰ ঘৈণীয়েকে মোক চিনি পাইছে! এই মানুহজনক মইতো কেতিয়াও দেখা নাই। মই সুধিলো—'তুমি কি কৈছা মই বুজা নাই। তোমাৰ ঘৈণীয়েৰাই মোক কেনেকৈ চিনি পালে?' চকীদাৰে বৰ আগ্রহেৰে উত্তৰ দিলে—'সকৰে পৰা তাই চাৰহঁতৰ ঘৰতে আছিল নহয়। চাৰে পাহৰিলে নেকি? পথালি গাওঁৰ ৰতনী।'

মই ধৰিব নোৱাৰিলো চকীদাৰে কোন ৰতনীৰ কথা কৈছে। তাৰ মুখলৈ চাই মই বিমূঢ় হৈ ভাবিবলৈ ধৰিলো। হঠাৎ বিজুলী এচমকাৰ দৰে মোৰ নামটো মনত পৰি গ'ল— ৰতনী, ৰতনী মানে ৰাধিকা। ৰাধিকাৰ আচল নাম যে ৰতনী মই পাহৰিয়েই গৈছিলো। ৰাধিকা নামটো আমিহে দিয়া। ঘৰৰ কামবন কৰা সৰু ল'ৰা-ছোৱালীবোৰৰ নামবোৰ সলাই দিয়া আমাৰ মাৰ এটা স্বভাৱেই আছিল। তাইৰ নামটোৰ লগে লগে মোৰ বহুত পুৰণি কথা মনত পৰি গ'ল। নদীত হঠাৎ অহা ঢলৰ দৰে মোৰ মনটোতো স্মৃতিৰ ঢলে থৌকিবাথৌ লগাবলৈ ধৰিলে। মই কলো—'ৰাধিকা, মানে ৰতনী ইয়াত থাকে নেকি? তোমাৰ লগত বিয়া হোৱা কিমান দিন হ'ল?' চকীদাৰে কলে—'এ নকব চাৰ। তাই মোৰ দ্বিতীয় পক্ষৰ। তাইৰ বায়েক জনীক বিয়া কৰাইছিলো। ল'ৰা এটি এৰি আগৰজনী চুকুৱা কেবা-বছৰো হ'ল। বিয়া আৰু নকৰাও বুলি ভাবিছিলো। আপোনালোকৰ ঘৰ এৰাৰ পিছত ৰতনীৰ আৰু কেও কিছু নোহোৱাত মোৰ তাতে ওলালহি। পিছে তাইৰ বায়েকজনী চুকাল। আবিয়ৈ ছোৱালী। মাইকী মানুহ নোহোৱা ঘৰখনত ৰাখো কেনেকৈ? তাইৰ যাবলৈকো আন ঠাই নাই। মই তাইক সুধিলো—'মোতে চাপিবি নেকি?

তাইও ৰাজী হৈ গ'ল। ৰাখি থলো।' মই সুধিলো— 'তোমালোকৰ ল'ৰা-ছোৱালী কেইটি ?' চকীদাৰে কলে— 'সেই এটিয়েই চাৰ তাইৰ ফালৰ ল'ৰা-ছোৱালী নহ'ল আৰু। বায়েকৰ ল'ৰাটিয়েই যি। নিজৰ ল'ৰাৰ দৰে মৰম কৰে তাই।'

পুৰণি বহুত কথা মোৰ মনত পৰি গ'ল। ৰাধিকা আমাৰ ঘৰলৈ অহা দিনটোৰ পৰা তাই মোৰ ঘৰ এৰা দিনটোলৈকে বহুত কথা। ৯/১০ বছৰ বয়সতে তাই আহিছিল আমাৰ ঘৰলৈ। আমাৰ দেউতাৰ মহৰী দীন ককাইয়ে আনি দিছিল। কৈছিল— ছোৱালীটিৰ মাক-দেউতাক একে দিনাই মৰকত চুকাল। বায়েক এজনী আছিল। বিয়া দিয়াৰ পিছত বহুত দূৰলৈ গলগৈ। সম্বন্ধই নোহোৱাৰ নিচিনা। বায়েকৰ অৱস্থাও ভাল নহয়। ছোৱালীজনী দীন-ককাইৰ গাওঁ সম্পৰ্কীয়। আমাৰ মাই লাচনি-পাচনি কৰা ছোৱালী এটি বিচাৰিয়েই আছিল। তাইক আনি দিয়াত বৰ ভাল পালে। মাই কাম-বন কৰা লৰা-ছোৱালীক নিজৰ লৰা-ছোৱালীৰ দৰেই মৰম কৰিছিল। মাই কলে—'মাক-বাপেক নাই যেতিয়া যিমান দিন থাকে আমাৰ ইয়াত থাকক। বায়েকে নিনিলে ডাঙৰ হোৱালৈকে থাকক। পিছত ভাল ল'ৰা এটা চাই বিয়া এখনকে দি দিম।' তাই যেতিয়া আহিছিল তেনেই হাড়ছাল ওলোৱা চেহেৰা আছিল তাইৰ। বয়সতকৈও সৰু যেনেই দেখাইছিল। মাই কৈছিল ইমান সৰু ছোৱালী কিনো কাম-কাজ কৰিব পাৰিব আৰু। থাকিব দে মোৰে লগৰীয়া হৈ। তইঁতেতো বাহিৰে বাহিৰেই থাক।' মাই তাইৰ নাম সোধোতে কলে 'ৰতনী'। 'মাৰ' নামটো পছন্দ নহ'ল। কলে বেলেগ এটা নাম দিব লাগিব। মই সেইসময়ত মাৰ ওচৰতে ঠিয় দি আছিলো। কলো 'মা, তাইৰ নাম ৰাধিকা নাৰাখা কিয়।' মেট্ৰিক পৰীক্ষা দি উঠি ঘৰতে থাকি অসম বুৰঞ্জী পঢ়িবলৈ লৈছিলো। 'বুৰঞ্জীৰ বাণী'ৰ 'ৰাধিকা শান্তি'ৰ কাহিনীটোৱে মনটো বৰ আকৰ্ষণ কৰিছিল। ৰাধিকা নামটো সেয়েই মোৰ মনত খেলাই গ'ল। মাইও ভালেই পালে। তেতিয়াৰ পৰা আমাৰ ঘৰত তাইৰ নাম ৰাধিকাই হ'ল।

মাইযে ভাবিছিল ইমান নিশকতীয়া ছোৱালী এজনী, কিনো কাম-বন কৰিব পাৰিব, কিন্তু দেখা গ'ল তাৰ একেবাৰে ওলোটা। ছোৱালীজনী বৰ পৰিশ্ৰমী, একানপতীয়াকৈ কামত লাগি থাকিব পাৰে আৰু কাম-কাজবোৰ বৰ পৰি-পাটী। কেইদিনমানৰ ভিতৰতে তাই আমাৰ বাবে অপৰিহাৰ্য্য হৈ পৰিল। ঘৰৰ বেছিভাগ কাম তাইয়েই কৰিবলৈ ললে। মাৰো অফুৰন্ত অৱসৰ ওলাল। মাই তাইক বৰ মৰমো কৰিবলৈ ধৰিলে। তাই আমাৰ ঘৰতে ডাঙৰ হ'ল। মই কলেজ পালো। বিশ্ববিদ্যালয় পালো। লাহে লাহে মোৰ আলপৈচান ধৰাৰ কামটোও কব নোৱাৰাকৈয়ে মাৰ হাতৰ পৰা তাইৰ হাতলৈ গ'ল। বন্ধবোৰত আহিলে ঠিক সময়তে মোক চাহৰ যোগাৰ, ভাতৰ যোগাৰ ধৰা, কাপোৰ ইস্ত্ৰি কৰি দিয়া, ঠিক মই ভালপোৱা আঞ্জাখন জুতি লগাকৈ ৰান্ধি খুউৱা, বন্ধ খোলাৰ আগদিনা মই ভালপোৱা বাবে নাৰিকলৰ লাডুকৰা বনাই খুউৱা, এইবোৰ কাম মাৰ হাতৰ পৰা অলক্ষিতে তাইৰ হাতলৈ গ'ল। মোৰ খুট-খুটীয়া স্বভাৱটোও তাই বুজি পোৱা হ'ল। বস্তু ঠিক ঠাইত নাথাকিলে মই অগ্নিশৰ্মা হওঁ। কিন্তু তাই যেতিয়াৰ পৰা মোৰ আলপৈচানৰ দায়িত্ব ললে তেতিয়াৰ পৰাই কোনো কথাতে খুট ধৰিবলগীয়া অৱস্থা নহ'ল। বাথৰূমত ঠিক ঠাইত পৰিস্কাৰ গামোছা এখন, গা-ধোৱাৰ সময়ত বাথৰূমৰ বাহিৰত চেণ্ডেলযোৰ, শুই উঠাৰ লগে লগে ঠিক ঠাইত টুথপেষ্ট আৰু টুথ-ব্ৰাচ নাইবা শুই উঠিয়েই নেমু টেঙা দিয়া একাপ গাখীৰ নোহোৱা চাহ— এইবোৰ ঠিকমতে নাপাই তিকিচ-বিকিচ খং উঠিবলগীয়া নহ'ল কাহানিও।

ৰাধিকা লাহে লাহে আমাৰ ঘৰৰ পৰিয়ালৰ দৰেই হৈ পৰিল। মাই তাইক নিজৰ ছোৱালীৰ দৰেই চেনেহ কৰিবলৈ ললে। দেউতাক প্ৰায়েই কয়— 'চাবচোন ছোৱালীজনীৰ কাৰণে ভাল ল'ৰা এটা। ইমান দিন আমাৰ লগত থাকিল। এটা ভাল ল'ৰালৈ গতাব পাৰিলে মোৰ মনটোত শান্তি লাগিব।' দীনকাকো মাই কৈছিল একে কথা। দীনকাই বা দেউতাই যে দুই এটা ল'ৰাৰ খবৰ অনা

নাছিল এনে নহয়। কিন্তু সেইবোৰ মাৰ পছন্দ হোৱা নাছিল। ৰাধিকা পঢ়া-শুনা নকৰা ছোৱালী। তাতে লোকৰ ঘৰত ডাঙৰ হোৱা ছোৱালী। তাইলৈ ভাল চাকৰি কৰা ল'ৰা এটা পোৱা টান। দেউতা বা দীনকাইতে যিবোৰ ল'ৰাৰ খবৰ আনিছিল সেইবোৰ প্ৰায়ে আছিল পিয়ন, চাপ্ৰাচী, ৰাড'বই, খালাচী বা তেনে চাকৰি কৰা ল'ৰা। মই অনুমান কৰিছিলো মাৰ ইচ্ছা আছিল, ৰাধিকাক যেন মাই তাতকৈ ওপৰ খাপলৈ বিয়া দিব।

ইতিমধ্যে মোৰো বিয়া কৰাৰ বয়স হ'ল। পৰীক্ষা পাছ কৰি মই চাকৰিত সোমালো। ৰাধিকাৰ কাৰণে ল'ৰা চোৱাৰ লগতে মোৰ কাৰণেও ছোৱালী চোৱা আৰম্ভ কৰিলে। ৰাধিকাৰ ভাগ্য প্ৰসন্ন নহ'ল। মাই বহু কষ্ট কৰিও মনে বিচৰা মতে এটা ল'ৰা তাইৰ কাৰণে যোগাৰ কৰিব নোৱাৰিলে। মোৰ ভাগ্য হলে প্ৰসন্ন আছিল। মাই মোৰ পছন্দৰ কইনা পালে। মোৰ বিয়া হ'ল বেচ বিদুষী ছোৱালী এজনীৰ লগত। মোৰ পত্নী সুন্দৰীও। বিয়াৰ কিছুদিন পিছতে এডোখৰ দূৰৰ ঠাইলৈ মোৰ বদলি হ'ল। মাই কলে— 'তহঁতৰ লগতে ৰাধিকাকো লৈ যা। তাই কিছুদিন থাকি ঘৰখন চিজিল লগাই দিব পাৰিব।' মাই মুখেৰে নকলেও বুজিছিলো নতুন বোৱাৰীয়েকৰ ঘৰুৱা কামত অনভিজ্ঞতা আৰু অনাগ্ৰহ দেখি মোৰ আলাই-আথানি হয় বুলি মা শঙ্কিত হৈছিল। যাবৰ সময়ত মোক আৰু বোৱাৰীয়েকক বাৰে বাৰে কৈছিল— ৰাধিকাক যেন ঘৰৰ ছোৱালীৰ দৰে ব্যৱহাৰ কৰো। বোৱাৰীয়েক অলপ নিজেই চম্ভালিব পৰা হলেই আৰু দৰা এটা পালেই মাই ৰাধিকাক বিয়া দিব।

ৰাধিকা তেনেকৈ আমাৰ লগত আমাৰ সাৰথি হৈ নতুন ঘৰলৈ আহিল। নতুন ঘৰখনত প্ৰথম অৱস্থাত আমি কোনো অসুবিধা ভোগ কৰা নাছিলো। ৰাধিকাই অতি সুন্দৰকৈ সকলোখিনি চম্ভালি লৈছিল। ঘৰত খোৱাৰ দৰেই জুতি লগা মাছৰ টেঙা, খৰিচা আদিৰ সোৱাদ, বাথৰুমতে ঠিক ঠাইত গামোছাখন, চেণ্ডেলযোৰ, গা ধুই

উঠি পিন্ধিবলৈ নিকাকৈ সজাই থোৱা কাপোৰযোৰ, আটোমটোকাৰীকৈ পাৰি থোৱা বিছনাখন— এইদৰেই ৰাধিকাই আমাৰ গৃহস্থালিখন চিজিল লগাই ৰাখিছিল। তেনেকৈয়ে তাই আমাৰ লগত একেবাৰে থাকিয়েই গ'ল।

মোৰ পত্নীৰ এইবোৰ ঘৰুৱা কামকাজত যে ৰুচি নাছিল এইটো দিনবোৰ পুৰণি হোৱাৰ লগে লগে প্ৰকট হবলৈ ধৰিলে। মাত্ৰাধিক আধুনিকতাৰ প্ৰতিও তেওঁৰ আগ্ৰহৰ তীব্ৰতা প্ৰকাশ পাবলৈ ধৰিলে। মোৰ আৰু তেওঁৰ ৰুচিৰ বিবোধৰ সংঘাত তেতিয়াৰ পৰা আৰম্ভ হ'ল। ঘৰুৱা পৰিপাটীতাতকৈ বাহিৰৰ জাকজমকতাৰ প্ৰতিহে তেওঁৰ আগ্ৰহ প্ৰকাশ পাবলৈ ধৰিলে। মাছৰ টেঙা, মাটিমাহৰ ডাইল বা খৰিচা আদি 'ৰাষ্টিক' খাদ্যতকৈ তেওঁৰ ৰুচি আছিল পশ্চিমীয়া খাদ্যতহে। ৰন্ধা বঢ়াত নিজৰ অকণো আগ্ৰহ নথকাৰ কাৰণে সেই খাদ্যবোৰও প্ৰায়ে আহিবলৈ ধৰিলে ৰেষ্টোৰা, হোটেল আদিৰ পৰা। মই অসন্তুষ্ট হৈছিলো, মাজে মাজে মোৰ খং বাহিৰত প্ৰকাশ পাইছিল। কিন্তু গৃহশান্তিৰ প্ৰয়োজনত ঘোচামৰ জৰীডাল ধৰি থকাই ভাল বুলি লাহে লাহে মই সহাৱস্থানৰ নীতিকেই গ্ৰহণ কৰিলো।

এনেকুৱা দিন এটাতে এদিন টেবুলত ভাত খাই থাকোঁতে ৰাধিকা আমাৰ ওচৰত থিয় দি বস্তুবোৰ যতনাই দি আছিল। হঠাতে মোৰ পত্নীয়ে কণ্ঠত তীক্ষ্ণতা সানি তাইলৈ চাই কলে— 'ৰাধিকা, তই ইয়াৰ পৰা যা। আমি খাওঁতে চাই থাকিবৰ দৰকাৰ নাই। চেনেহ নেদেখুৱালেও হব।' পত্নীৰ মুখত এনে এষাৰ কথা অকস্মাতে শুনি মই স্তম্ভিত হৈ গলো। তেওঁৰ কণ্ঠত প্ৰকাশ পোৱা উষ্মাই ৰাধিকাকো নিশ্চয় হতচকিত কৰিছিল। আমাৰ ঘৰত এনে ব্যৱহাৰ আগতে কেতিয়াও তাই পোৱা নাছিল। তাইৰ চকু মুখ ৰঙা পৰি গ'ল। আমাৰ ওচৰৰ পৰা তাই আঁতৰি গ'ল। মই পত্নীক কলো— 'ইমান বেয়াকৈ তাইক কিয় কলা?' পত্নীয়ে সেই একেই তীব্ৰতাৰে কলে 'ইহ, কেনেকৈ ট টকৈ তোমাৰ ফালে চাই আছে। যেন গিলিহে খাব।' ঠিক এনে এষাৰ কথা পত্নীৰ মুখৰ পৰা ওলাব

পাবে বুলি মই ভবাই নাছিলো। তেওঁ তেনে এটা কদৰ্য ইংগিত দিয়া দেখি মোৰ খঙে মূৰৰ চুলি পালে। মই খঙেৰে ক'লো— 'ৰাধিকা আমাৰ ঘৰৰ ছোৱালীৰ দৰে। তাইৰ বিষয়ে এনে কুৎসিৎ মন্তব্য দিয়া ঠিক হোৱা নাই।' তেওঁ সমান উষ্মাৰে ক'লে— 'তোমাৰ বুকুখন গলি যাব নালাগে। মই জানো তাইৰ কি মতলব। তাই য'ৰ ছোৱালী ত'ত থকাই ভাল।' মই খঙত উতলা হৈ গলো। কিন্তু বাহিৰত ভদ্ৰতাৰ মুখাখন পিন্ধি থকাৰ প্ৰয়োজনত নিজকে চম্ভালি লব লগা হ'ল। ঘৰ খোৱা তাতেই এৰি উঠি আহিলো। আহোঁতে দেখিলো পাকঘৰৰ এদাঁতিত বেচেৰী ৰাধিকাই উচুপি আছে। তাই নিশ্চয় আমাৰ কথোপকথনবোৰ শুনি আছিল।

ইয়াৰ পিছৰ পৰাই মই মন কৰিছো গা ধুবৰ সময়ত গামোচাখন বা চেণ্ডেলযোৰ, ৰাতি শুবৰ সময়ত এগিলাচ পানী, গা ধুই উঠাৰ সময়ত পিন্ধিবলৈ সজাই থোৱা কাপোৰযোৰ, ঠিক ঠাইত নথকা হ'ল। মোৰ খুটিখুটীয়া স্বভাৱ, ঠিক ঠাইত পাৰপাটীকৈ বস্তু নাপালে মোৰ বিৰক্তি লাগে আৰু অসুবিধা পাওঁ। এইবোৰ কাম ৰাধিকাৰ। বস্তুবোৰ বিচাৰি 'ৰাধিকা ৰাধিকা' বুলি চিঞৰিলে তাই আহি ঠিকমতে দি যায়। কিন্তু বেছিভাগ পত্নীয়ে নিজে দিয়ে। এদিন গা ধুবলৈ গৈ দেখিলো গা ধোৱা ঘৰত ঠিক ঠাইত গামোচাখন নাই। তাৰ ঠাইত এখন টাৰ্কিচ টাৱেল। তাকো এনেকুৱা ঠাইত অযত্নেৰে পেলাই থোৱা আছে যে দেখিয়েই খং উঠি গ'ল। মই চিঞৰি মাতিলো— 'ৰাধিকা ৰাধিকা'। ৰাধিকাৰ সলনি পত্নীহে আহিল। ক'লে— 'কিয় চিঞৰিছা ইমানকৈ? কি লাগে তোমাক? এতিয়াৰ পৰা তোমাৰ বস্তু মইহে দিম।' মই ক'লো— 'গামোচাখন নাই কেলেই, টাৰ্কিচ টাৱেলেৰে গা মচি মই ভাল নাপাওঁ, তাকো এনেকুৱা ঠাইত থৈছা যে তিনিহাত বেঁকা হৈহে আনিব লাগে।' পত্নীয়ে ক'লে— 'গামোচা ব্যৱহাৰত নুশুৱাৰ, টাৱেলেৰেহে মচিবা। আজিৰে পৰা বাক ঠিক ঠাইত থম।' মই উচ্চ-বাচ্য নকৰিলো। গা ধুই ওলাই আহি দেখিলো চেণ্ডেলযোৰ

বাহিৰত যোৱা নাই। আকৌ ৰাধিকাক চিঞৰিলো। এইবাৰো পত্নী আহিল। চেণ্ডেল খোজোতে চেণ্ডেলযোৰ আনি থেপচাঁকৈ পেলাই থৈ গুচি গ'ল। পত্নীৰ এনে ব্যৱহাৰত মোৰ খং উঠিছিল। কিন্তু মনৰ উষ্মা মনতে সামৰি চেণ্ডেলজোৰ পিন্ধি ওলাই আহিলো।

মোৰ পৰিচৰ্য্যাৰ ভাৰটো ৰাধিকাৰ হাতৰ পৰা পত্নীৰ হাতলৈ নিয়াৰ দিনৰ পৰা মোৰ বস্তুবোৰৰ থানথিত নোহোৱা হল। মই অৱশ্যে অসুবিধাবোৰক মানি চলিবলৈ শিকিলো। পত্নীৰ সময়ো নাই। তেওঁৰ চচিয়েল লাইফৰ প্ৰয়োজন গৃহাভ্যন্তৰৰ প্ৰয়োজনতকৈ দিনে দিনে বাঢ়ি আহিল। গতিকে পতি শুশ্ৰষাৰ গ্ৰাম্য কৰ্ত্তব্য কৰিবলৈ তেওঁৰ তেনেকৈ আহৰি নোহোৱা হ'ল।

মোৰ এখন বৰ পুৰণি ফটো আছিল। বৰ চখ কৰি তুলিছিলো। এটা কলা কোট পিন্ধি, টাই মাৰি ফটোখন উঠিছিলো। কলেজত থাকোঁতেই তোলা ফটো। ফটোখনৰ প্ৰতি মোৰ এটা দুৰ্বলতা আছিল। ফটোখন তুলি ঘৰলৈ আনোতে মাই চাই হাঁহি কৈছিল—'একেবাৰে চাহাবটো হৈ উঠিছ।' ৰাধিকাই কৈছিল—'ককাইদেউক উকীল যেন লগা হৈছে।' সেইখন ফটো কলিকতাৰ পৰা মগাই অনা এন্তিক স্টাইলৰ ফ্ৰেমত মই তেতিয়াই বন্ধাই থৈছিলো। বিয়াৰ পিছতো নতুন ঠাইলৈ বদলি হৈ আহোঁতে মই সেইখন লগত লৈ আহিছিলো। সেইখনকে মই আলফুলকৈ সজাই দ্ৰেচিং টেবুলৰ ওপৰত থৈছিলো। আইনাৰ আগত ঠিয় দি মোৰ মুখৰ এতিয়াৰ বয়সৰ সাঁচবোৰ প্ৰথম যৌৱনৰ সেইখন ফটোৰ লগত মিলাই চোৱাৰ এটা অভ্যাসেই হৈ গৈছিল মোৰ। এদিন দেখিলো দ্ৰেচিং টেবুলৰ ওপৰত মোৰ সেইখন ফটো নাই। পত্নী আৰু মোৰ একেলগে তোলা ফটো এখনহে তাত শোভা পাইছে। আমাৰ যুগ্ম ফটো এখন তাত থকাৰ অৱশ্যে প্ৰয়োজন আছিল। কিন্তু হয়তো মোৰ প্ৰিয় ফটোখন নাতবোৱাকৈ পত্নীয়ে যুগ্ম ফটোখনৰ কাৰণে তাত স্থান উলিয়াব পাৰিলেহেঁতেন। মই তেওঁক সুধিলো—'মোৰ ফটোখন ক'ত থলা?' পত্নীয়ে যিটো ঠাইলৈ আঙুলিয়াই দিলে সেইটো লামলাকটু হাবিজাবি

বস্তু পেলাই থোৱা এটা আওপুৰণি কাঠৰ মুখখোলা বাকচ। মই মনে মনে ক্ষুন্ন হলো। পত্নীয়ে মোৰ মুখলৈ চাই কলে 'ফটোখন বৰ কিবা পুৰণি ধৰণৰ। আজিকালি তেনেকুৱা ফটো সজাই থলে হাঁহি উঠা হয়। পুৰণি বস্তুবোৰৰ মাজত থৈছো। পিছত ট্ৰাঙ্কত ভৰাই থম দিয়া।' মই নামাতিলো। ফটোখন মোৰ ইমান প্ৰিয় আছিল যে সেইখন এনেদৰে অনাদৰ কৰা দেখি মই মৰ্ম্মাহত হৈছিলো। এইবাৰো গৃহশান্তিৰ প্ৰয়োজনতে মই মনে মনে থাকিব লগীয়া হ'ল। কিছুদিন পিছত দেখিলো সেইখন ফটো তাৰ পৰা নাইকিয়া হ'ল। বোধহয় পত্নীৰ কোনোবা এটা পুৰণি ট্ৰাঙ্কৰ চুকত গৈ সোমাল।

এদিন গৰমৰ দিনত অফিচৰ পৰা আহি দেখিলো পত্নী ঘৰত নাই। ঘামুচি হৈ মোৰ পিঠিখন বিজবিজাইছিল। খজুৱালে আৰাম পাওঁ দেখি খজুৱাবৰ মন গৈছিল। নিজে পিঠিৰ বেছিভাগ অংশই চুকি নাপাওঁ। পত্নীও নাই। থাকিলেও ঘামুচি ভাঙি দিয়াৰ নিচিনা লেতেৰা কাম এটা তেওঁ নকৰে। ফেনৰ তলত বহি ছোলাটো খুলি ৰাধিকাকে মাতি পিঠিৰ ঘামুচি ভাঙি দিবলৈ কলো। মই স্কুল-কলেজত পঢ়োতে তাই মোক ঘামুচি ভাঙি দিছিল। গতিকে কোনো সংকোচবোধ নকৰিলো। ঘামুচি ভাঙি দিওঁতে আৰাম লাগি মোৰ বোধহয় টোপনিয়েই আহি গৈছিল। পত্নীৰ হুংকাৰ শুনি চক্ খাই উঠিলো। তেওঁ ক'ৰবাৰ পৰা আহি কিমান সময় এই ঘামুচি ভঙা দৃশ্য চাই আছিল নাজানো। একে চোঁচাই আহি ৰাধিকাক চুলিত ধৰি টানি লৈ গৈ পাকঘৰ পালেগৈ। চৰ-চাপৰৰ শব্দ, ৰাধিকাৰ উচুপনি শুনি মোৰ খং উঠিছিল। কিন্তু মাতিব নোৱাৰিলো। মই যিটো কথা নিৰ্দ্দোষ বুলি লৈছিলো। পত্নীৰ ব্যৱহাৰত বুজি পালো সেই কাৰ্য্যৰ ফল কি মাৰাত্মক। পত্নীক সোধাৰ মোৰ সাহস নহল যদিও গম পালো সেই ৰাতি ৰাধিকাৰ পেটত একো নপৰিল।

পিছদিনা অফিচৰ পৰা আহি ৰাধিকাক ঘৰত নেদেখিলো। পত্নীক সুধিলো 'ৰাধিকা কলৈ গ'ল ?' পত্নীয়ে কলে 'নিজে নিজে গুচি

গললগে। ভালেই হৈছে, আপদটো গৈছে। বিচাৰিবৰ দৰকাৰ নাই। পত্নীৰ নিৰ্ব্বিকাৰ ভাব দেখি সন্দেহ হ'ল পত্নীয়ে তাইক ঘৰৰ পৰা উলিয়াই দিছে। তাইৰ মাক-বাপেক নাই। বায়েক এজনী আছে ক'ৰবাত বহুত দূৰত। ঠিকনা-চিকনা নাজানো। ৰাধিকাই বা জানে নে নেজানে। ৰাধিকাৰ লগত কোনো সম্পৰ্কই নাছিল তাইৰ। তাইক বিচাৰি যাবৰ ইচ্ছা এটা মোৰ আছিল। কিন্তু আজিকালি পত্নীক মই ভয় কৰাই হৈছো। গতিকে তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি বিচাৰি যোৱা নহ'ল। আমাৰ ঘৰৰ পৰা যোৱাৰ সময়ত মোৰ মা-দেউতা জীয়াই নাছিল। জীয়াই থকা হলে এই খবৰ শুনি মা বৰ মৰ্ম্মাহত হলহেঁতেন। মৰাৰ দিনলৈকে তাইক বিয়া দিবলৈ উপযুক্ত দৰা এটা বিছাৰি উলিয়াব নোৱাৰি মাইযে কিমান আক্ষেপ কৰি গ'ল।

তাই যোৱাৰ পিছতহে মই অনুভৱ কৰিলো যেন কব নোৱাৰাকৈয়ে মোৰ মনৰ ভিতৰত তাইৰ প্ৰতি এক ঘনিভুত অনুভূতিৰ জন্ম হৈছিল। মোৰ চকু মুখত এইবোৰ ফুটি উঠি পত্নীৰ চকুত কেতিয়াবা ধৰা পৰিছিল নেকি নাজানো। হয়তো পৰিছিল আৰু সেয়েই মোৰ কাৰণে তাইকেই জগৰীয়া কৰি পত্নীয়ে নগুৰ নাতি কৰিছিল। হয়তো এনে ধৰণৰ অনুভূতি এটা প্ৰকট হৈ যায় বুলিয়েই মই তাইক বিচাৰি যাব নোৱাৰিলো। মোৰ মনটোত কিন্তু এটা অপৰাধৰ ভাব সদায়েই থাকি গ'ল।

আজি সেইজনী ৰাধিকাকে মই আচহুৱা ঠাইত এই আদবয়সীয়া চকীদাৰৰ ঘৰত আবিষ্কাৰ কৰিলো। মনৰ ভিতৰত এক আনন্দৰ পুলক অনুভূতি জাগি উঠিল। লগে লগে এটা তীব্ৰ অপৰাধৰ ভাবো। মই বোধহয় ভাবি ভাবি বৰ আনমনা হৈ গৈছিলো। চকীদাৰে কলে— 'চাৰ চাহ-জলপান খাওঁক। আপোনাৰ কাৰণে ঘৰতে ভাত এমুঠিও সিজাইছে'। চকীদাৰে দিয়া চাহজলপান খাই খাই মই ভাবিলো ৰাধিকাৰ প্ৰতি কি দুৰ্ঘোৰ অন্যায়

আমি বিৰিলো তাই বাৰু মনত বখা নাইনে ? এই আদৰণীয় মানুহটোলৈ চাপি তাই বাৰু সুখী হৈছেনে ? যদি সুখী হোৱা নাই তাৰ বাবে অপৰাধ মইও নহওঁ নে ? তাইৰ যে বিয়াৰ যোগাৰ নকৰিলো তাত মোৰ স্বাৰ্থপৰতা নাছিলনে ? হয়তো মোৰ নিজৰ সুখ স্বাচ্ছন্দৰ ব্যাঘাত হোৱাৰ ভয়ত মই তাইৰ খবৰকে নকৰিলো। অথচ তাই এতিয়াও মোৰ সুখ স্বাচ্ছন্দৰ খবৰ ৰাখিছে। মই যি বস্তু খাবলৈ ভালপাওঁ ঠিক সেই বস্তুকেই পঠিয়াই দিছে।

চকীদাৰক মই কলো—'তাইক বহুত দিন দেখা নাই। এবাৰ ইয়ালৈকে মাতাচোন।' চকীদাৰে ঘৰলৈ গৈ ৰাধিকাক মাতি আনিলে। তাই আহি মোৰ ওচৰত ঠিয় হৈ একেথৰে বহু সময় চাই থাকিল। তাইৰ চকু দুটা চলচলীয়া হবলৈ ধৰিছিল। কিন্তু ক্ষন্তেকতে সেইটো তল পেলাই সেই চকু দুটাত বিৰিঙি উঠিল তাইৰ সুন্দৰ হাঁহিটো। হাঁহিলে তাইৰ চকু দুটা কোঁচ খাই যায়। মাই প্ৰায়েই কৈছিল—তাইৰ হাঁহিটো হেনো বৰ ধনীয়া। ইমান দিনৰ মূৰত আজি অনুভৱ কৰিলো সচাঁকৈয়ে তাইৰ হাঁহিটোত প্ৰাণ প্ৰাচুৰ্য্য আছে। তাইৰ চেহেৰাত অৱশ্যে আগৰ সেই কমনীয়তা নাই। দুঃখ কণ্টৰ জীৱনৰ চাপ পৰিছে। কিন্তু তাইৰ হাঁহিটোৱে মোক কলে—বাহিৰৰ এই দুঃখ কণ্টই তাইৰ প্ৰাণ প্ৰাচুৰ্য্যক ঢাকি পেলাব পৰা নাই।

মই সুধিলো—'তই ভালে আছনে ৰাধিকা।' বহুত দিনৰ মূৰত ৰাধিকা নামটো শুনি তাই চক্ খাই উঠাৰ নিচিনা হ'ল। আকৌ এবাৰ যেন চকু-মুখত আবেগ উথলি উঠিব খুজিলে। কিন্তু তাই নিজকে সংযত কৰি কলে— 'আছো ককাইদেউ, আপোনা-লোকৰ ভাল ? বাইদেউ কেনে আছে।' মই কলো— 'আমাৰ ভালেই। তই বেয়া নাপাবি।' এইবাৰ কিন্তু তাই চকুপানী ৰখাব নোৱাৰিলে। কোনোমতে চকু দুটা ঢাকি তাই তাৰ পৰা আতৰি গ'ল।

বহুতদিনৰ মূৰত ৰাধিকাই নিজ হাতে ৰন্ধা ভাত এসাজ

এসাজ খাই মই ঘৰলৈ উভতিলো ।

ঘৰলৈ উভতি আকৌ গতানুগতিক জীৱন আৰম্ভ হ'ল। তাৰ পৰা উভতি আহি কেইবাদিনলৈকে মই অৱশ্যে ৰাধিকাৰ কথা চিন্তা কৰিছিলো। পিছলৈ পাহৰিলো। পত্নী তোষণত আজিকালি মোৰ বহুত সময় খৰচ হয়। চচিয়েল চাৰ্কোলত তেওঁৰ প্ৰতিপত্তি বাঢ়িছে। বহু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ তেওঁ সদস্যা। দিল্লী দিল্লী কৰি ঘূৰিব লাগে

ইয়াৰ পিছতো কেইবা বছৰ পাৰ হ'ল। বয়স বাঢ়িল। চুলিৰ পাক ধৰিলে। মোৰ জীৱন প্ৰৱাহ কিন্তু এনেকৈয়ে চলিল। ল'ৰা-ছোৱালীও নহল। হোৱা হলে তাৰ মাজতে হয়তো এটা বৈচিত্ৰ থাকিলহেঁতেন ।

এদিন লৰালৰিকৈ এয়াৰপোৰ্টলৈ যাবলৈ ওলাইছো। যিটো কামৰ কাৰণে যাবলৈ ওলাইছো সেইটো বিশেষ জৰুৰী নহলেও আজিকালি এনেকুৱা কামবিলাকেই জৰুৰী হৈ পৰিছে। কোনোবা মহিলা সামাজিক অনুষ্ঠানৰ অধিবেশনত অংশ গ্ৰহণ কৰিবলৈ পত্নী গৈছিল দিল্লীলৈ। তাতেই তেওঁ খবৰ পালে কিবা এটা delegation ত বাহিৰলৈ যাবৰ সুযোগ পাইছে। সময় কম। ঘৰলৈ আহিব নোৱাৰে। গতিকে পাছপোৰ্টখন দিল্লী পোৱাব লাগে। কোনো সদাশয়জনৰ সহায়ত কামটো কৰিব পাৰো নেকি সেই চেষ্টা কৰিবলৈয়ে এয়াৰপোৰ্টলৈ ওলাইছিলো। পৰ্টিকোলৈ ওলাইয়ে দেখিলো এটা ২৪/২৫ বছৰীয়া ডেকা ল'ৰা বাহিৰত মোলৈ অপেক্ষা কৰি বৈ আছে। প্ৰথমতে চিনি পোৱা নাছিলো যদিও পিছত চিনি পালো এইটো সেই চকীদাৰৰ লৰাটো— ৰাধিকাৰ বায়েকৰ ল'ৰা আৰু তাইৰো তোলনীয়া পো। মই সুধিলো কি হল অ। ইমান দিনৰ মূৰত আহি ওলালিহি। কিবা দৰকাৰ আছে নেকি ? বৰ ভাগৰটো হলিদেই তই। একেলগে বহুত প্ৰশ্নই সুধি পেলালো। সি কলে 'আইয়ে মোক আপোনাৰ ওচৰলৈ পঠিয়াইছে।' ৰাধিকাই তাইৰ লৰাটো মোৰ ওচৰলৈ পঠিয়াইছে। নিশ্চয় কিবা বিশেষ দৰকাৰী

কথা আছে। ইমান দিনে তাইতো কোনো ধৰণৰ সহায় বিচাৰি কোনো খবৰ পঠিওৱা নাছিল। মই তাৰ মুখলৈ প্ৰশ্নবোধক চাৱনিৰে চালো। সি আকৌ কলে 'আইৰ অৱস্থা ভাল নহয়। বোধহয় বেচিদিন নাথাকে। পেটৰ কেঞ্চাৰ।' 'কথাষাৰ শুনি মই যেন বুকুত এটা তীব্ৰ খুন্দা খালো। সুধিলো 'কেতিয়াৰ পৰা? দেউতাৰা ভালে আছেনে?' সি কলে 'দেউতা নাই নহয়। ৰিটিয়াৰ কৰাৰ পাছত ৰিজাৰ্ভৰ মাটি এটুকুৰা লৈছিল। ৰায়টিংত আৰা বহুৰ চুকাল। আই-বি ৰ চকীদাৰী এতিয়া মইয়ে কৰো।' দুটাকৈ দুখৰ সংবাদ শুনি মই মৰ্মাহত হলো। কলো 'বেমাৰী আয়েৰাক অকলে এৰি থৈ আহিছ নেকি?' সি কলে 'নহয়, মই বিয়া কৰিলো অলপতে। বোৱাৰীয়েকক থৈ আহিছো। আইয়ে নেৰানেপেৰাকৈ কোৱাতহে আহিলো। মৰাৰ আগতে আপোনাক হেনো চাব খুজিছে।'

মোৰ মনৰ এটা দোধোৰ-মোধৰ অৱস্থা। প্ৰিয় পত্নীৰ পাছ-পোৰ্টখন দিবলৈ এয়াৰপোৰ্ট নগলেই নহয়। ইপিনে ৰাধিকাৰ শেষ মুহূৰ্ত্তৰ আহ্বান। হঠাৎ মনটোৱে কলে, নহয়, ৰাধিকাৰ প্ৰতি বহুত অন্যায় কৰা হৈছে। এই শেষ সময়ত তাইৰ ওচৰত থিয় দি তাইক কৰা অন্যায়ৰ বাবে ক্ষমা খুজিবই লাগিব। মই মন স্থিৰ কৰি পেলালো। এয়াৰপোৰ্টলৈ নহয়, দূৰৰ সেই আই-বি টোলৈকে ওলালো, যত ৰাধিকাই মোৰ কাৰণে আজি বাট চাই আছে।

মই যেতিয়া চকীদাৰৰ ঘৰ পালোহি তেতিয়া বহুত পলম হৈ গৈছে। ৰাধিকাই আমি অহাৰ আগতেই চকু মুদিলে। আমি আহি দেখিলো ৰাধিকাৰ মৃতদেহটো আগতলৈ তাইৰ বোৱাৰীয়েকে অসহায় হৈ কান্দি আছে। মই পুতেকৰ লগত ৰাধিকাৰ ওচৰ চাপি গলো। বেচেৰী এনেকৈ শুকাই-খীণাই গৈছে যে কেৱল তাইৰ ছকাটোহে আছেগৈ। এতিয়া অৱশ্যে তাই সকলো যন্ত্ৰণাৰ পৰা মুক্ত— চকু দুটা শান্তহৈ মুদ খাই আছে। দুয়োখন হাত বুকুৰ ওপৰত। মই দেখা পালো হাতেৰে খামোচ মাৰি বুকুৰ ওপৰত তাই কিবা এটা ধৰি আছে—এই মৃত অৱস্থাতো কিবা এটা আপুৰুগীয়া বস্তু তাই এৰি দিব খোজা নাই। বস্তুটো পুতেকৰ চকুত

পৰিছিল হয়তো। সি ওচৰ চাপি গৈ বস্তুটো মাকৰ হাতৰ পৰা একৰাই আনিলে। আমি আটাইকেইজনে একে লগে দেখিলো, এখন পুৰণিকলীয়া ফটো, এখন পুৰণিকলীয়া ফ্ৰেমত বন্ধা। ফটোখনৰ মানুহটো চিনিব পৰা অৱস্থাত নাই। পোকে খাই চিন নোহোৱা কৰিছে। এটা অস্পষ্ট ধূসৰ অবয়বৰ -আভা সহে মাথোন তাত আছে। একো বুজিব নোৱাৰি পুতেক আৰু বোৱাৰীয়েকে মুখলৈ চোৱাচুই কৰিলে।

কিন্তু মই হলে ফটোখন চিনি পালো সেইখন মোৰেই। সেই ফটোখন যিখন মোৰ পত্নীয়ে এদিন অবহেলাৰে পেলাই দিছিল। কোনেও কব নোৱাৰাকৈ ৰাধিকাই কেতিয়ানো সেইখন তুলি আনি আলফুলকৈ নিজৰ লগত ৰাখিছে। মই ভাবিছিলো মোৰ সেই প্ৰিয় ফটোখন পত্নীৰ ট্ৰাঙ্কৰ কোনোবা এটা চুকত অনাদৃত হৈ পৰি আছে। আজি মৰণৰ সময়ত ৰাধিকাই বুকুৰ মাজত সাবটি মাৰি ধৰি আছে প্ৰায় পোকে কুটি শেষ কৰা মোৰ সেই পুৰণি ফটোখনহে।

মোৰ পত্নীয়ে তেনেহলে ৰাধিকাৰ চকুৰ ভাষা বুজি পাইছিল নেকি? তেওঁৰ তেতিয়াৰ সেই সন্দেহবোৰ একেবাৰে অমূলক নাছিল নেকি? মোৰ এই ফটোখনে কিহৰ মূকবাণী আজি মোলৈ পঠিয়াই মোৰ হাত-ভৰিবোৰ জঠৰ কৰি দিছে।

মোৰ বুকুৰ ভিতৰত কি হৈছে? যেন অজস্ৰ গড়া-খহনীয়া একেলগে হব ধৰিছে। যেন হৃদয়ৰ অভ্যন্তৰৰ এক জলস্ৰোত পাৰ ভাঙি মোৰ দুয়োটা চকুৰে বাহিৰলৈ ওলাব ধৰিছে।

—oo—

ভবিষ্যতৰ সন্ধানত এজন বেকাৰ যুৱক

ফণীন্দ্ৰ বৰ্মণ

লিখকৰ পৰিচয়—

জন্ম ১৯৪৫ চন। পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বহুমুখী স্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰি ১৯৬৪ চনত কৃষি মহাবিদ্যালয়ত ভৰ্ত্তি হয়। কৃষি স্নাতক বৰ্মণ সম্প্ৰতি অসম চৰকাৰৰ কৃষি বিভাগৰ সহকাৰী প্ৰচাৰ বিষয়া।

বিভিন্ন আলোচনী, কাকত পত্ৰ আদিত গল্প লিখি জনপ্ৰিয় হোৱা বৰ্মণৰ প্ৰকাশিত গল্পবোৰৰ উপৰিও দহখন উপন্যাস প্ৰকাশিত হৈছে। অন্যান্যৰ নাট্যকাৰ হিচাপে তেওঁ সফলতা দেখুৱাইছে।

বাতৰি কাকতত আৰু কেইজনমান উদীয়মান আৰু অভিজ্ঞ খেলুৱৈৰ লগতে মোৰো নামটো প্ৰকাশ হৈছিল যদিও, মই কোনো পুলক অনুভৱ কৰি আশান্বিত হবলৈ পৰা নাছিলো। বৰং কিবা এটা বিৰক্তি আৰু হতাশাইহে মোৰ মনটো আৱৰি ধৰিছিল। জীৱনত বাৰে বাৰে ব্যৰ্থ হৈ মই আজি নিজৰ ওপৰত, মানুহৰ ওপৰত, আনকি আমাৰ গোটেই সমাজখনৰ ওপৰতেই বিশ্বাস হেৰাই পেলাইছোঁ। হতাশাই বৰ্ত্তমান মোৰ মনটো এনেকৈ আৱৰি পেলাইছে যে, সকলো কথাতেই আজি মোৰ নেতিবাচক দিশটোহে চকুত পৰে। বাতৰি কাকতত নাম প্ৰকাশ কৰি এইবাৰো মোক অসম দলৰ বাবে ৰঞ্জী ট্ৰফীৰ বাছনি শিবিৰলৈ মাতিছে। পিছে মই গৈ তাত যোগ দিলে যে কিবা লাভ হব, সেইকথাহে ভাবিবলৈ পৰা নাই। কাৰণ ইতিমধ্যে কেবাবাৰো বাছনি শিবিৰত মই যোগদান কৰিছোঁ। ট্ৰায়েল গেমো খেলিছোঁ দুই এখন। মোৰ নিজৰেই বিশ্বাস, মোৰ পাৰফৰমেঞ্চ বেয়া হোৱা নাছিল। বৰং মূল দলত স্থান পোৱা কেবাজনো খেলুৱৈতকৈ মই ভাল খেলিছিলোঁ। কিন্তু মই দলত স্থান নাপালোঁ। পালে আন কিছুমানেহে। মূল দলৰ প্ৰথম এঘাৰজনৰ ভিতৰততো নহয়েই, আনকি অতিৰিক্ত হিচাপেও মোক দলত লোৱা নহল।

সেয়েহে এইবাৰ বাছনি শিবিৰলৈ যাম নে নাই, মই নিজেই ঠিক কৰিব পৰা নাই। কাৰণ বৰ্ত্তমান যুগটোৱেই দেখিছোঁ,— খাতিৰ-বাতিৰ, পিছদুৱাৰৰ যুগ। এই কথা চাকৰি-বাকৰিৰ পৰা আৰম্ভ কৰি আমাৰ সাহিত্য-সংস্কৃতি, খেল-ধেমালি, সকলোতে প্ৰযোজ্য। ক্ৰিকেট এছোচিয়েচনৰ কোনো কৰ্মকৰ্ত্তাৰসতেই মোৰ খাতিৰ-বাতিৰ নাই। কিছুমানৰ লগত মোৰ আকৌ চিনাকিয়েই নাই। গতিকে বাৰে বাৰে বাছনি শিবিৰলৈ যোৱাৰ নিচিনাকৈ এইবাৰো গলে যে কিবা লাভ হব, মই ভাবিবকেই পৰা নাই। গতিকে একপ্ৰকাৰ নোযোৱাৰ সিদ্ধান্তকেই লৈছিলো।

এই সিদ্ধান্ত লোৱাৰ দিনাখনেই আবেলি বিভা বাইদেউৰ তালৈ যাওঁতে তেখেতেই কথাটো উলিয়ালে,— 'বাতৰি কাকতত দেখিছোঁ তোমাৰো নাম আছে। ৰঞ্জী ট্ৰফীৰ বাছনি শিবিৰলৈ মাতিছে নহয়?'

'মতাত মাতিছে।' মই নিৰ্বিকাৰ ভাবে উত্তৰ দিলোঁ,— 'পিছে মই নাযাওঁ।'

'নোযোৱা?' মোৰ কথা শুনি বিভা বাইদেউৰ চকু কপালত উঠিল, 'কিয়? নোযোৱা কিয়?'

'গলে কি হব? মই ছিট নাপা।

'ছিট পোৱা নোপোৱা সেয়া পিছৰ কথা।' এইবাৰ বিভা বাইদেউয়ে এক প্ৰকাৰ নিৰ্দ্দেশৰ সুৰতে মোক কলে, 'আগতে তুমি বাছনি শিবিৰলৈ যোৱা।'

সংসাৰত এই এজনী মানুহ বিভা বাইদেউ, যিজনী মানুহৰ কোনো কথাকেই মই এৰাবলৈ নোৱাৰো। অথচ পাৰিবাৰিক সম্পৰ্কৰে বিচাৰ কৰিবলৈ গলে, তেখেত মোৰ কোনো নহয়। মাথো সাধাৰণভাবে চিনাকি এজনী মানুহ।

সেয়েহে যাওঁ নাযাওঁকৈ থাকিলেও বিভা বাইদেউৰ নিৰ্দ্দেশত শেষ পৰ্যন্ত মই বাছনি শিবিৰলৈ যোৱাৰ সিদ্ধান্ত ললোঁ। সেইবাবে সিদিনা বাতিপুৱা বগা পেণ্টচোলৰ লগত বগা কামিজ এটা পিন্ধি আৰ্চিধনৰ সন্মুখত থিয় হৈ নিজকে এবাৰ চালোঁ। মোৰ ফিগাৰটো

একেবাৰে অজিত ৱাডেকাৰ, পাটাউদিৰ নবাব বা সন্দীপ পাটি .ৰ নিচিনা নহলেও অন্ততঃ বেয়া নহয় বুলি মই নিজেই ভাবো। তদুপৰি ক্ৰিকেট খেলিবলৈ হলে যিবোৰ বস্তুৰ আটাইতকৈ বেছি প্ৰয়োজন, মানে হাতৰ জোৰ, ক্ষীপ্ৰতা, তীব্ৰ দৃষ্টিশক্তি— এই আটাইবোৰ মোৰ আছে বুলি মই ভাবো। নিজকে সজাই লোৱা হোৱাৰ পিছত বেগ এটাত ক্ৰিকেট খেলৰ জোতা, হাতমোজা আদি ভৰাই লৈ মই ওলাই গলো।

যাওঁতে বাটত মাত লগাই যাওবুলি বিভা বাইদেউৰ তাত সোমালো। এই মানুহজনীলৈ মোৰ কিবা এটা এৰাব নোৱাৰা দুৰ্বলতা আছে। জীৱনত বহুত ঠাইত ঠেকি ঠেকি মানুহজনী একেবাৰে জুৰুলা হৈ পৰিছে। আটায়ে তেখেতক মাথো ঠগিলেহে। কোনোবাই হয়তো বিয়া কৰাম বুলি, কোনোবাই হয়তো চাকৰি দিম বুলি, আৰু কোনোবাই.... ....। ইটোৰ পিছত সিটো ইণ্টাৰভিউ দি, কাৰবাক খাতিৰ-বাতিৰ কৰি শেষ পৰ্যন্ত চাকৰি এটা যেনিবা পাইছে। বৰ্তমান বিভা বাইদেউৰ দেহত বয়সৰ ছাপ পৰিছে, যৌবনৰ আবেলিৰ ৰং লাগিছে, কিন্তু এতিয়াও বিয়া হোৱা নাই।

মোৰ সহপাঠী অমলে এদিন নি মোক বিভা বাইদেউৰ সতে চিনাকি কৰি দিছিল। তেতিয়াৰ পৰা মই তেখেতৰ তালৈ যাওঁ। অমলে অৱশ্যে কিবা দৰকাৰ পৰিলেহে মানে টকা-পইচাৰ প্ৰয়োজন হলেহে যায়। মই কিন্তু প্ৰায়েই যাওঁ। কাৰণ তেখেতৰ লগত ক'ৰবাত মই মোৰ জীৱনৰ মিল বিচাৰি পাইছো। সেয়েহে মই মনে মনে ঠিক কৰিছো, সকলেও ঠগিলেও মই অন্ততঃ বিভা বাইদেউক নঠগো। এদিন তেখেতেও মোৰ নিচিনা ইটোৰ পিছত সিটোকৈ ইণ্টাৰভিউ দিছিল। মাথো পাৰ্থক্য হ'ল এই যে, মই ইণ্টাৰভিউ দিবলৈ গৈছিলো কিন্তু বিভা বাইদেউৰ ইণ্টাৰভিউ লবলৈ মানুহ ঘৰলৈ আহিছিল। সেয়েহে সময় পালেই মই বিভা বাইদেউৰ তালৈ গৈ সুখ-দুখৰ গল্প কৰো।

'আৰে অপু নে!' মোক দেখি বিভা বাইদেউয়ে মাত লগালে,

—'কি খবৰ? একেবাৰে সাজি কাচি আহিছা দেখোন?'

'ক্রিকেটৰ বাছনি শিবিৰলৈ যাবলৈ আহিলোঁ বাইদেউ।'

'তেনেহলে বেছ ভাল কথা। পিছে তুমি আকৌ নাযাওঁ বুলি কৈছিলা কিয়?'

'কৈছিলোঁ, কৈছিলোঁ। পিছে আপুনি যেতিয়া যাবলৈ কলে যাওঁ আৰু।'

'অ যাব লাগে! এইবাৰ অলপ যত্ন কৰি খেলিবা।' বিভা বাইদেৱে মোক উৎসাহ দিয়াৰ সুৰত কলে, 'মই কৈছোঁ, তুমি এই-বাৰ চিট পাবাই।'

'আপুনি আশীর্বাদ কৰক বাইদেউ। টুৱেলফ্ বা থাৰটিন্ যেন নহয় মই যেন মূল দলৰ এঘাৰজনৰ মাজত থাকিবলৈ পাৰোঁ।

'থাকিলা বাৰু এঘাৰজনৰ মাজত, বিভা বাইদেৱে হাঁহি মাৰি সুধিলে, 'পিছে কোৱাচোন'

'কি?' মই তেখেতৰ মুখলৈ চালোঁ,

'তেতিয়া মোক কি দিবা?'

'আপোনাৰ কাৰণে মই এখন পাছ আনিম। খেল চাবলৈ গলে, তেতিয়া আপুনি আৰু টিকেট কাটিব নালাগে।'

'ইচ্! মাইকী মানুহে ক্রিকেট খেল চাবলৈ যায় নেকি?'

'মাইকী মানুহে ক্রিকেট, ফুটবল খেলিবলৈ লৈছে, আকৌ আপুনি সুধিছে, মাইকী মানুহে ক্রিকেট খেল চাবলৈ যায় নেকি?'

'মই হলে যোৱা নাই পাই!'

'এইবাৰ মই ছিট পালে নিশ্চয় যাব।'

'ঠিক আছে! তুমি যাতে ছিট পোৱা, তাৰ বাবে মোৰ শুভেচ্ছা থাকিল।'

'ধন্যবাদ বাইদেউ।'

বিভা বাইদেউৰ ঘৰৰ পৰা ওলাই মই পোনে পোনে ক্রিকেটৰ বাছনি শিবিৰলৈ গলোঁ।

যাওঁতে বাটত অকলে অকলে ভাবিছিলো, অধিনায়কে যেতিয়া

দলটো ঘোষণা কৰিলে, তেতিয়া প্ৰথম এঘাৰজনৰ ভিতৰত মোৰো নামটো কলে। তেতিয়া মোৰ মনটো যে কেনেকুৱা লাগিব, মই ঠিক কল্পনা কৰা নাছিলে। হয়তো মনে মনে ভাবিম যে, এই-বাৰহে আমাৰ দলত প্ৰকৃত নিৰ্বাচন হৈছে, যোগ্যকেইজনক দলত লৈছে। বেটিং কৰিবগৈ গৈ, মই কি কৰিম, কি নকৰিম, এইবাৰ সেইবোৰ কথাকেই কল্পনা কৰিবলৈ ধৰিলোঁ। আগতে সম্পূৰ্ণ ক্ৰিকেট ইউনিফৰ্ম পিন্ধি, গাৰ্ড পেড্ হাতত লৈ, মোৰ আগৰ বেট্‌ছ-মেন আউট হৈ মোৰ পাল পৰালৈকে মই পেভেলিয়নত বৈ বৈ অপেক্ষা কৰি থাকিম। পাল পৰাৰ লগে লগে সোঁ হাতত বেটখন আৰু বাওঁ হাতত বেটিং গ্লোভচ্ যোৰ লৈ মই গহীন, গম্ভীৰ খোজেৰে লাহে লাহে খেল পথাৰৰ মাজলৈ সোমাই যাম। দৰ্শকসকলে মোক শুভেচ্ছা জনাই বাহিৰৰপৰা হাত তালি বজাব। পিট্‌চ্ পায়েই মই মিড্‌ল ষ্টাম্প গাৰ্ড লৈ বেটিং আৰম্ভ কৰিম। প্ৰতিটো বলেই ভালকৈ চাই-চিতি খেলিম আৰু সুযোগ বুজি বল এনেকৈ কোবাম যে, মোৰ খেল দেখি বিপক্ষৰ খেলুৱৈসকল বিমোৰত পৰিব। বিপক্ষৰ অধিনায়কে মোক আউট কৰিবলৈ নতুন নতুন কৌশল অৱলম্বন কৰিব, বেলেগ বেলেগ বলাৰক বল কৰিবলৈ দিব। কিন্তু সেই সকলো কৌশল ওফৰাই, মই একে সুৰতেই বল মাৰি যাম। এইদৰে কোবাই যাওঁতে যাওঁতে এটা সময়ত গৈ মোৰ শতৰাণ পূৰ্ণ হব। মই চেঞ্চুৰী কোবাম। লগে লগে আনন্দত তীব্ৰ চিঞৰ-বাখৰ আৰম্ভ কৰি দৰ্শক-সকলে মোক অভিনন্দন জনাব।

ঠিক সেই মুহূৰ্ততে মোৰ পাতাউদিৰ নবাব মনচুৰ আলীলৈ মনত পৰিছিল। ক্ৰিকেট খেলিয়েই চিনেমা তাৰকা, শৰ্মিলা ঠাকুৰৰ লগত প্ৰেম কৰিলে। প্ৰেম কৰি বিয়াও কৰালে। এতিয়াময়ো যদি তেখেতৰ নিচিনাকৈ সফল ক্ৰিকেটাৰ হবলৈ পাৰোঁ, মোৰ বাবে অৱশ্যে শৰ্মিলা ঠাকুৰ বৈ থকা নাই সচাঁ, পিছে ক্ৰিকেটৰ মাজেৰেই যদি হেলিম ভুৱাণী কি —দীপ পাতিলৰ নিচিনাকৈ চিনেমাৰ হিৰো হোৱাৰ চান্স পাওঁ, তেতিয়া শৰ্মিলা ঠাকুৰৰ বিয়া হৈ গ'ল

কি হ'ল? বোম্বাইত আৰু কিমানবোৰ নায়িকা আছে।

মই গৈ শিবিৰ পাওঁতে অন্যান্য খেলুৱৈসকলৰ বেছিভাগেই আহি পাইছে। আকৌ আমাৰ খেল নিৰীক্ষণ কৰিবলৈ ক্ৰিকেট জগতৰ কৰ্মকৰ্ত্তা কেইজনমানো আহিছে। তেখেতসকলে আমাৰ বেটিং, বলিং, ফিল্ডিং আদি চাই, খেলৰ মানদণ্ড সম্পৰ্কে প্ৰতিবেদন দিব। সেই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি আমাৰ মূল দলটো ঘোষণা কৰা হব। নেট প্ৰেক্টিছলৈ অহা আমি ত্ৰিশ চল্লিশজন খেলুৱৈৰ মাজৰ পৰা বাছনিত উঠিব মাত্ৰ এঘাৰজনহে! আৰু তিনি চাৰিজন অতিৰিক্ত হিচাপে ৰাখিব।

কথাটো ভাবি মোৰ নিজৰেই হাঁহি উঠিছিল। এঘাৰজন খেলুৱৈক বাছিবৰ বাবে, মাত্ৰ চল্লিশজন খেলুৱৈক বাছনি শিবিৰলৈ মাতিছে। পিছে সিদিনা যে চাকৰিটোৰ বাবে ইণ্টাৰভিউ দিবলৈ গৈছিলোঁ, তাত বিশ নে পচিশটা চাকৰিৰ বাবে আবেদন আহিছিল দুই হাজাৰখনৰো বেছি।

কেম্পত গৈ জোতাযোৰ বেগটোৰ পৰা উলিয়াই মই পিন্ধি ললোঁ। তাৰ পিছত গাৰ্ড লগাই পেড্ এযোৰ পিন্ধিলোঁ। ইতিমধ্যে নেটত প্ৰেক্টিছ আৰম্ভ হৈছে। গতিকে গ্লোভ্‌চ্ যোৰ হাতত লৈ মোৰ পাল পৰালৈকে অপেক্ষা কৰি ৰলোঁ। প্ৰথমজন বেটিং কৰি অহাৰ পিছত মই যাব লাগিব।

মই দলত স্থান পালেও ওৱান ডাউন বেট্‌চ্‌মেন হিচাপেই খেলাৰ কথা ভাবি আছোঁ, গতিকে দলটোৰ প্ৰতি মোৰ দায়িত্ব তেতিয়া বহুত বেছি হৈ পৰিব। কিছু সংখ্যক ৰাণ তুলি, দলৰ অৱস্থা টনকিয়াল কৰি দিবই লাগিব। গতিকে দলত স্থান পালে, ওৱান ডাউন বেট্‌চ্‌মেন হিচাপে কেনেকৈ যাম, কি কৰিম, সেই কথাই আকৌ কল্পনা কৰিবলৈ ধৰিলোঁ।

মই গৈ উইকেটৰ ওচৰ পোৱাৰ লগে লগে বিপক্ষ দলৰ কেবাজনো খেলুৱৈয়ে হাত চাপৰি বজাই মোক স্বাগতম জনালে। অধি-

নায়কে নিজে আগবাঢ়ি আহি মোক কলে, 'বেষ্ট অব্ লাক্ মিঃ বেট্চ্মেন ।'

'থেঙ্কয়ু ।' মই মূৰ দুপিয়ালোঁ ।

উইকেটৰ পৰা মই এবাৰ চাৰিওপিনে চাই ললোঁ। তাৰপিছত উইকেটৰ সন্মুখত বেটখন পাতি অলপ ইফাল-সিফাল দেখুৱাই আম্পায়াৰক সুধিলোঁ— 'মিডল্ ষ্টাম্প ?'

অলপ ইফাল-সিফাল কৰি দেখুৱাই আম্পায়াৰে কলে, 'ঠিক আছে।' উইকেটৰ পিছৰ পৰা চ'ক এডাল আনি মই তাত চিন দি ৰাখিলোঁ। ষ্টাম্পৰ সন্মুখত এইখিনিতে মই বেট ৰাখিম । তাৰপিছত গ্লোভ্ মোৰ পিন্ধি আকৌ এবাৰ চাৰিওপিনে চাই, মই উইকেটৰ সন্মুখত বেটখন পাতি বল দিয়ালৈ অপেক্ষা কৰি ৰলোঁ ।

'হাতখন ডাঙি ৰাখি আম্পাৰে মোক কলে, 'মিঃ বেট্চ্মেন লেফ্ট্ হেণ্ডেড্ ফাষ্ট বলাৰ। ইউ আৰ টু প্লে থ্ৰি বলচ্ ।'

এৰা। অভাৱৰ তৃতীয় বলটোৱেই মোৰ আগৰজন বেট্চ্-মেন আউট হৈছে। ক্লিন বোল্ড ।

আম্পাৰে হাতখন নমাই বলাৰক গ্ৰিণ চিগ্নেল দিলে। এতিয়া বল দিব পাৰে। বেট্চ্মেন সাজু ।

বলাৰজনে বেছ দূৰৰ পৰাই দৌৰি আহি প্ৰথমটো বল দিলে। ফাষ্ট বল—একেবাৰে মিড্ল্ ষ্টাম্পৰ পোনে পোনে আহিছিল! মই লাহেকৈ ড্ৰপ কৰি থলোঁ ।

'হোৱাট ইজ ইয়োৰ নেম ?' ইণ্টাৰভিউ বোৰ্ডত বহাৰ পিছতে মোক এজনে সুধিলে ।

'অপূৰ্ব বৰুৱা ।' মই উত্তৰ দিলোঁ ।

ইজনৰ পিছত সিজনে মোলৈ নেটত বল কৰি গ'ল। তাৰ ভিতৰত আমাৰ বাঘা বাঘা বলাৰ কেবাজনো আছে ।

'১৭৫৭ চনটো ভাৰত বুৰঞ্জীত কাৰ কিয় বিখ্যাত ?'

'পলাচী যুদ্ধ হৈছিল কাৰণে।'

'এই যুদ্ধ কাৰ কাৰ মাজত হৈছিল ?'

'ইষ্ট ইণ্ডিয়া কোম্পানীৰ সেনাপতি ৰবাৰ্ট ক্লাইভ্ আৰু বঙ্গৰ নবাব চিৰাজউদ্দৌলাৰ মাজত।'

'লৰ্ড উইলিয়ম বেণ্টিঙ্ক কোন চনত ভাৰতলৈ আহিছিল জানানে ?'

নাই। বলটো মই কানেক্ট কৰিবকে নোৱাৰিলোঁ। একেবাৰে মিড্ল ষ্টাম্প উফৰি গ'ল।

'ইয়াণ্ডাবু সন্ধি কেতিয়া হৈছিল ?'

'১৮২৬ চনত।'

'কেইটামান নতুন উচ্চ উৎপাদনক্ষম ধানৰ জাতৰ নাম কোৱা।'

'আই আৰ্ঠ– ৮, পুছা— ২-২১, পুছা— ৩৩ পঙ্কজ, আই-আৰ— ২০ ইত্যাদি।'

'বিশ্বৰ আটাইতকৈ শ্ৰেষ্ঠ ফুটবল খেলুৱৈ পেলে বৰ্ত্তমান কোন দলত খেলে ?'

'এইবছৰৰ বৰদলৈ ট্ৰফী কোনে পালে ?'

'গীতাঞ্জলী আৰু দি জাজমেণ্ট নামৰ কিতাপ দুখন কোনে কোনে লিখা ?'

'কুৰিদফীয়া আঁচনিৰ মূল লক্ষ্য কি ?'

'ধৰি লোৱা তুমি চাকৰিটো পালা। তেতিয়া কি কি কৰিবা কোৱাচোন ?'

উঃ। ঠিক যেন সিদিনা কটন কলেজত পঢ়োঁতে এয়া মই ৰেগিঙৰহে সন্মুখীন হৈছোঁ ? প্ৰশ্নোত্তৰ দি দি মোৰ অৱস্থা বহে তেনেই পুতৌ লগা হৈ পৰিছে। যিমানেই মোৰ উপস্থিত বুদ্ধি, সাধাৰণ জ্ঞানৰ পৰিচয় দিবলৈ যত্ন কৰিছিলো, সিমানেই নতুন নতুন প্ৰশ্নৰ সন্মুখীন হৈছিলোঁ।

ঃ ধৰা, তুমি হিন্দী চিনেমা এখনত ধৰ্মেন্দ্ৰ, ৰাজেশ খান্না, নাইবা অমিতাভও বচ্চনৰ নিচিনা হিৰো হৈ গলা!' চিনিয়ৰ ছাত্ৰ এজনে মোৰ

কৈ গ'ল, 'তেতিয়াতো হেমামালিনী, জয়া ভাদুৰী, ৰেখাহঁতৰ লগত অভিনয় কৰিব লাগিব ! তেওঁলোকক কেতিয়াবা কেতিয়াবা চুমাও খাব লাগিব ! কেনেকৈ চুমা খাবা এবাৰ দেখুৱাই দিয়াচোন ।'

'জয়া ভাদুৰী বৰ কনজাৰভেটিভ্ । মই উত্তৰ দিলো 'চুমা খাবলৈ নিদিব ।'

'ঠিক আছে । হেমামালিনীকে খোৱা ।'

'নাই ! ধৰ্মেন্দ্ৰৰ লগত হেমামালিনীৰ বিয়া হৈ গৈছে । এতিয়া তেওঁক চুমা খোৱাটো অনধিকাৰ চৰ্চা হব ।'

'তেনেহলে ৰেখা আৰু জীনত আমানক চুমা খোৱাত বাধা নাই ! তেওঁলোকৰে এজনীক খাই দেখুৱাচোন ।'

তেতিয়া চুমা খোৱাৰ অভিনয় মই কৰিবলৈ পাৰিছিলোঁ নে নাই নাজানো । পিছে কিবা এটা কৰি দেখুৱাই দিছিলোঁ ।

'বাঃ লৰাৰ দেখিছোঁ বেছ অভ্যাস আছে ।' মোৰ অভিনয়ৰ ষ্টাইল দেখি পুৰণি ল'ৰা এজনে কৈ উঠিল ।

'কিহৰ ? লগে লগে অইন এজনে প্ৰশ্ন কৰিলে— ।'

'ছোৱালীৰ লগত হেৰী কৰাৰ' । সেই পুৰণি ছাত্ৰজনে আকৌ ক'লে 'নেদেখিলি ? অলপ আগতে হেমামালিনীক কেনেকৈ চুমা খাই দিলে—।'

নেট প্ৰেক্টিছত বেটিং কৰি কৰি এটা সময়ত মই পেভিলিয়নলৈ উভতি আহিলোঁ । উঃ ৰক্ষা । মই স্বস্তিৰ নিশ্বাস পেলালোঁ । কিমানবোৰ যে বল ফেচ্ কৰিছোঁ । এজন এজনকৈ কেবাজনো বলাৰে মোলৈ একেলগে বল দিছিল । তাৰ কোনোবাটো মই বেছ জোৰেৰে মাৰি পঠিয়াইছোঁ । কোনোবাটো ড্ৰপ কৰি থৈছোঁ মাত্ৰ । অৱশ্যে তাৰ মাজতো মই উইকেটৰ চাৰিওপিনে কোবাই খেলিবলৈ যত্ন কৰিছিলো, কিন্তু আটাইবোৰ বল কানেক্ট কৰিবলৈ পৰা নাছিলোঁ । কোনোবাটো বেটত লাগি স্লিপ কৰিছে, কোনোবাটোৱে সহজ 'কেচ' দিছে আৰু কোনোটোৱে বা ষ্টাম্পকেই ওফৰাই লৈ গৈছে । দুই এটা আকৌ উইকেটৰ সন্মুখত মই ভৰিৰে আগুৰিছো । এল্ বি ডাব্লিউ ।

মোৰ বেটিং ভাল হওক, সেয়া যেন বলাৰসকলে বিচৰা নাছিল। প্ৰথমৰে পৰাই মই বেছ কোবাই খেলিবলৈ আৰম্ভ কৰা দেখি, বলাৰ কেইজনে এনেকৈ বল দিবলৈ ললে যে, মোৰ নিজকেই চম্ভলা টান হৈ পৰিল। সেইবোৰ কোবোৱা দূৰৈৰ কথা, মোৰ গাত নপৰাকৈ ৰাখিব পাৰিলেই ৰক্ষা পৰোঁ।

পেভেলিয়নলৈ উভতি আহি বাৰে বাৰে মই ভাবিছিলোঁ, পৰীক্ষা বা কেনেকুৱা দিলোঁ? নিৰ্ব্বাচক মণ্ডলীকেই বা সন্তুষ্ট কৰিবলৈ পাৰিলোঁ নে নাই?

এদিন এদিনকৈ কেবাদিনো মই বাহুনি শিবিৰত বেটিং কৰিলোঁ-গৈ। কিন্তু বলিং কৰিবলৈ হ'লে মোক এদিনো দিয়া নহ'ল। অৱশ্যে মই জানো, যি সকল বলাৰৰ বলত মই নিজে ধোৱা কোৱা দেখিছিলোঁ, মোক বল কৰিবলৈ দিলে সেইসকল বলাৰেও ঠিকমতে বেটিং কৰিবলৈ নোৱাৰিলেহেঁতেন। সাধাৰণতে মই বেটচ্‌মেন হ'লেও জীৱনত অৱশ্যে দুবাৰ মান বল কৰিও চাইছিলোঁ। পিছে মোৰ সেই প্ৰতিটো বলেই মিতালী, জেউতিহঁতে বেছ জোৰেৰে মাৰি পঠিয়াইছিল। মই কোনো সুবিধাকে কৰিবলৈ নোৱাৰিলোঁ, কষ্ট কৰি স্টাম্প ওফৰাই দিয়া দূৰৰ কথা, এটা 'কেচ' পৰ্যন্ত নুঠিল।

মিতালীৰ ওচৰ চাপিবলৈ যত্ন কৰা দেখি, দেউতাকে এদিন মোক কৈছিল, 'আগতে নিজৰ সংস্থানৰ ব্যৱস্থা কৰা। তাৰ পিছতো আমাৰ ছোৱালীৰ লগত প্ৰেম কৰিবা।'

সেই আটাইকেদিন সন্ধিয়া উভতি আহি যেতিয়া ঘৰ পাওঁ, ঘৰতো আটাইৰে মনত সেই একেই কৌতূহল। মায়েতো একেবাৰে পদূলি মুখলৈ আগবাঢ়ি আহি বৈ থাকে। মোক দেখা পোৱাৰ লগে লগে সোধে, 'কি অ'? এনেকুৱা কৰিছ?'

'কিবা এটা কৰিছোঁ আৰু।' মই উত্তৰ দিওঁ,

'কৰিছেতো ঠিকেই। পিছে কেনেকুৱা হৈছে?'

'জানো!'

'তই বেট কৰোঁতে তাত কোনে কোনে বল কৰিছিল?' এইবাৰ দুবাৰ মুখতে পাই দেউতাই সুধিলে—

'বহুতকেইজন বলাৰ আছিল ।'

'আটাইবোৰ বল তই ঠিকমতে খেলিব পাৰিছিলি নে নাই ?'

'খেলিছোঁ আৰু ।' কথাষাৰ কৈ মই পোনে পোনে ভিতৰলৈ সোমাই গলোঁ । ন'হলে পেঘেনিয়াই পেঘেনিয়াই দেউতাই কিবাকিবি সুধিয়েই থাকিব ।

খেলৰ দিনাখন ৰাতিপুৱা মই এপাক বিভা বাইদেউৰ তালৈ গলোঁ । কাৰণ মোৰ নিচিনাকৈ বিভা বাইদেউও জীৱনত এজনী ব্যৰ্থ খেলুৱৈ । দুবাৰমান বল কৰি চাইছিল, পিছে এটাও উইকেট নাপালে । বিভা বাইদেউৰ বলবোৰ আটায়ে অতি সহজভাবে মাৰি পঠিয়াইছিল । উপায় নাপাই শেষ পৰ্যন্ত এদিন তেখেতে অৱসৰ ললে ।

এই মানুহজনী যেন মোৰ বাবে অশান্তিৰ মাজত শান্তি । যেতিয়া নানা হতাশাত জৰ্জৰিত হৈ মই বিভা বাইদেউৰ ওচৰ পাওঁগৈ, তেতিয়া তেখেতে ৰৰ আদৰ সাদৰ কৰি, মিঠা মিঠা কথা কিছুমান কৈ মোক শান্তনা দিয়ে।

'কি হ'ল অপু ।' মোক দেখি বিভা বাইদেৱে সুধিলে, 'তোমাৰ কিবা অথুক বিসুখ হৈছেনেকি ?'

'নাই হোৱা ।'

'তেনেহ'লে তোমাক এনেকুৱা দেখাইছে কিয় ?'

'এনেকুৱা দেখাইছে মানে ?' বিভা বাইদেউৰ কথাৰ ক্ষীণ প্ৰতিবাদ কৰি মই কলোঁ, 'কেনেকুৱা দেখাইছে ?'

'যেন তুমি এইমাত্ৰ কিবা বেমাৰৰ পৰাও উঠি আহিছা ।'

'হয় নেকি ?' মই ক্ষীণ হাঁহি এটা মাৰি তেখেতৰ প্ৰশ্নটো এৰাই যাবলৈ যত্ন কৰিলোঁ—

'পিছে কোৱাচোন,' এইবাৰ কথাৰ সুৰ সলাই বিভা বাইদেৱে সুধিলে, 'তোমাৰ ক্ৰিকেট খেলৰ খবৰ কি ?'

'নাই । মই ছিট নাপালো ।'

'অ' । যেন এইবাৰহে তেখেতে আচল সত্যটো আৱিষ্কাৰ কৰিলে, ঠিক তেনে এটা সুৰতেই বিভা বাইদেৱে ক'লে, 'সেয়েহে

তুমি ইমান বিমর্ষ হৈ পৰিছা'

এইবাৰ মই একো কোৱা নাছিলোঁ। মাথো তন্ময় হৈ বহি পৰিছিলোঁ।

ছিট নাপালা, নাই।' বিভা বাইদেৱে এইবাৰ মোৰ ওপৰতে বহিলহি, সেইবুলি মানুহ ইমান হতাশ হৈ পৰেনে?

'মই হতাশ হৈ পৰা নাই বাইদেউ।'

'তুমি ক'লে কেনেকৈ হ'ব? তোমাৰ এই ৰুক্ষ শুকান মুখ, আউলি বাউলি চুলি আৰু সেমেকা সেমেকা চকুযোৰে কৈছে, তুমি হতাশ হৈ পৰিছা! নিজৰ ওপৰতে তোমাৰ বিশ্বাস হেৰাই গৈছে।

'বাৰু বিভা বাইদেউ! হঠাতে কথাৰ প্ৰসঙ্গ সলনি কৰি মই সুধিলো, আপুনি বিয়া নহয় জানো?'

'বিয়া? তেখেতে সেঁতা, ক্ষীণ হাঁহি এটা মাৰি ক'লে, 'এই বুঢ়া বয়সত মোক আৰু কোনে বিয়া কৰাব অপু?' বিয়াৰ কথা ওলালে তেখেতে এনেকৈয়েই হাঁহি মাৰি এৰাই যায়। কিন্তু সেই হাঁহিৰ আৰত কিমান যে বেদনা লুকাই থাকে, সেইকথা একমাত্ৰ তেখেতেই জানে।

'যদি কওঁ মই আপোনাক বিয়া কৰাম।' মই আকৌ দৃঢ়তাৰে কলোঁ, 'সেইকথা কবলৈকে মই আজি আপোনাৰ ওচৰলৈ আহিছিলো—।'

'কিন্তু তোমাৰ দেখোন চাকৰি বাকৰি নাই। বিয়া কৰাই লৈ মোক খুৱাবা কি?'

'নাই বাইদেউ। এই ঘৃণীয়া সমাজত মই আৰু চাকৰি বাকৰি নকৰো। বিয়াৰ পিছত আমি এনে এখন ঠাইলৈ আতৰি যাম, য'ত স্বাৰ্থ নাই, খাতিৰ বাতিৰ নাই, সকলো মানুহ সমান।

'তুমি বৰ পুৰণি কথা এষাৰ কলা অপু। তেনেকুৱা ঠাই আজি পাবা ক'ত?'

'কিয়? গভীৰ অৰণ্যত।'

'নাই অপু। গভীৰ অৰণ্যতো আজি তেনেকুৱা ঠাই নপোৱা।

তেনেকুৱা ঠাই আজি পৃথিৱীৰ ক'তো নাই। পৃথিৱীৰ প্ৰতি ইঞ্চি মাটি, আনকি হাবি বননি পৰ্যন্ত আজি স্বাৰ্থপৰ মানুহৰ কবলত সকলোতে পাবা মাথোঁ ৰাজনীতিৰ ভৰা খেল। আৰু ক্ষমতাৰ লোভে আজি মানুহক পশু কৰি পেলাইছে অপু।'

'তেনেহ'লে মই এতিয়া কি কৰিম বাইদেউ? এইখন সমাজত থাকিবলৈ মোৰ যে একেবাৰে ইচ্ছা নোহোৱা হৈছে।'

তুমি বেছি হতাশ হৈ পৰিছা। অলপ চিন্তা কৰি লোৱা, 'বিভা বাইদেৱে এইবাৰ মোক তেখেতৰ কোলাত শুৱাই লৈ মূৰত হাত বুলাই দিবলৈ ধৰিলে। তাৰপিছত লাহে লাহে কৈ গ'ল, 'বুজিছা অপু! সংসাৰৰ কোনো কামত দুই এবাৰ ব্যৰ্থ হলেই মানুহ হ'লেই মানুহ ইমান হতাশ হবলৈ হৈ পৰিব নাপায়। এইবাৰ এতি। পৰা চেষ্টা কৰা দেখিবা, অহাবাৰলৈ মূল দলত তুমি ঠিকেই ছিট পাবা।

'মিছাকথা বাইদেউ। অকল চেষ্টা কৰিলেই নহব। তাৰ বাহিৰেও আৰু বহুত কিবাকিবি লাগিব। কাৰবাক খাতিৰ বাতিৰ কৰিলেহে যদি দলত ছিট পাওঁ।'

'নাই অপু! সেই খাতিৰ বাতিৰৰ দিন আৰু নাথাকিব। এদিন নিশ্চয় শেষ হৈ আহিব! আমাৰ বাবে বুজিছা? এনেকুৱা এটা দিন আহিব লাগিছে, যিদিনা সকলো কামৰ বাবে মাথোঁ যোগ্যতাই হব মাপকাঠি! তাত কোনো খাতিৰ বাতিৰ নাথাকিব।'

'কিন্তু সেইদিন আমাৰ পৰা কিমান দূৰৈত বাইদেউ?'

'সেইকথা মইয়ো নাজানো ভাই। হয়তো এতিয়াও বহুত দূৰৈত আছে। কিন্তু তুমি, মই, আমি সকলোৰে মিলি সেই দিন দূৰৈৰপৰা ওচৰ চপাই আনিব লাগিব! তেতিয়া সেইদিন নিশ্চয় শীঘ্ৰেই ওচৰ চাপি আহিব। তাৰবাবে প্ৰয়োজন হ'লে আমি বিপ্লব কৰিব লাগিব।'

মই আৰু একো নকৈ বিভা বাইদেউৰ কোলাত মূৰ থৈ শুই আছিলো—ভাবিছিলো, সচাকৈ আমি বিপ্লৱ কৰিব লাগিব। নহলে নহব।

বিভা বাইদেৱে তেতিয়াও মোৰ মূৰত হাত বুলাই দি আছিল। তেখেতৰ আঙুলিৰ পৰশত মই তেতিয়া অনুভৱ কৰিছিলোঁ, এজনী পাকৈত খেলুৱৈৰ হাতৰ দক্ষতা।

—০—

নিৰবধি

ডঃ নীলিমা শৰ্মা

লিখিকাৰ পৰিচয়—

ডঃ নীলিমা শৰ্মাৰ জন্ম শিলঙত। তেওঁ শিলং চহৰতেই প্ৰাৰম্ভিক শিক্ষা লাভ কৰি, দৰ্শন বিষয়ত অনাৰ্চ সহ 'লেডীকীন কলেজ'ৰ পৰা বি-এ আৰু সেই বিষয়তেই 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ পৰা এম-এ পাচ্ কৰে। ১৯৬৬ চনত তেওঁ 'বানাৰস হিন্দু বিশ্ববিদ্যালয়'ৰ পৰা পি, এইচ, ডি ডিগ্ৰী আৰু ১৯৬৭ চনত, উক্ত বিশ্ববিদ্যালয়ৰ পৰাই জাৰ্মাণ ভাষাত ডিপ্লমা লাভ কৰে। বৰ্ত্তমান তেওঁ 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ দৰ্শন বিভাগৰ বীডাৰ। তেওঁৰ তিনিখন গল্প সংকলন—(১) অন্যস্মৃতি, (২) যেন ভালিমৰে গুটি, (৩) তৰংগৰ বং প্ৰকাশিত হৈছে।

ঠিক এইখিনি কথাই মাধুৰীমাই এতিয়ালৈকে অন্ততঃ পোন্ধৰ বাৰ মান শুনিলে। প্ৰথম যেতিয়া শুনিছিল, তেতিয়া উৎকণ্ঠাৰ শেষ নাছিল। কোনো এখন বাস্তব ধৰ্ম্মী ট্ৰেজিক বোলছবি চাই থাকোঁতে কিম্বা কোনো এখন মধুৰ উপন্যাস পঢ়ি থাকোঁতে, পৰবৰ্ত্তী ঘটনাক্ৰম জানিবলৈ, যি প্ৰবল কৌতুহল জন্মে, - সেই কৌতুহলেৰে মাধুৰীমাই বাৰে বাৰে সুধিছিল, 'তাৰ পাচত ?.... .... উঁ। .... তাৰপাচত ??' শেষত উল্লেখিত 'তাৰ পাচত' টোৰ পাচত মাত্ৰ প্ৰশ্ন বোধক চিন দালেই ওলমি আছিল। উত্তৰ নাছিল। সেই সময়ত আটাইতকৈ ভাল লাগিছিল সুদৰ্শনৰ কোৱাৰ ভঙ্গিটো। কথাখিনিত অথবা অৰ্দ্ধ সমাপ্ত কাহিনী-টোত সুদৰ্শন যেন নিজেই সোমাই পৰিছিল। কি এক অপূৰ্ব ব্যঞ্জনাময়, প্ৰাণময়, কোৱাৰ ভঙ্গি। যেন সৌৰভ চলিহাৰ 'বীণা কুটীৰ' গল্পটোৰ কথা —শিল্পীৰ নিখুঁট কাৰু-কাৰ্য্য খোদিত সজীৱ, স্পন্দনময়, মোহময় 'কল্পনা'।

কিন্তু বাৰে বাৰে শুনাৰ পাচত, মাধুৰীমাৰ বাবে, কাহিনীটোৰ

আবেদন ক্ৰমে ক্ৰমে কমি আহি সম্প্ৰতি শূন্যত ভৰি দিছেহি। আনহাতে অন্য এক কৌতু হলে মাধুৰীমাৰ হৃদয়ত বাহ লৈছে। কিয় সুদৰ্শনে বাক অৱসৰ বিনোদনৰ সুখময় মুহূৰ্ত্তত একেটা কাহিনীকে তাইক কয়? কিয় সেই কাহিনী কৈ থকা সময়ত, সু[illegible]ৰ স্নেহময় কথন ভঙ্গিত, অতি আশ্চৰ্য্য ধৰণে হেৰাই [illegible] যেন সুদৰ্শনৰ কাহিনীৰ নায়ক, 'ফ্ৰে'নছ কাট' দা[illegible]ধ্যাপক জন সুদৰ্শন নিজেই। বিয়াৰ বন্দবস্ত হোৱাৰ পাচত, মাধুৰীমাই দুই-এক[illegible] যুনুক মানাক কৈ সুদৰ্শন দত্তৰ অতীত জীৱনৰ সম্পৰ্কে শুনিছিল, শুনিছিল কলেজত পঢ়ি থকা দিনত সুদৰ্শনে তেওঁতকৈ দুশ্ৰেণী তলত পঢ়া, 'মেৰী' নামৰ এক খৃষ্টান ললনাৰ প্ৰেমত আবদ্ধ হৈছিল। তেওঁলোকৰ প্ৰথম চিনাকি হৈছিল অৰুণাচলৰ বমডিলা চহৰত। কলেজৰ পৰা এক্সকাৰ্চনত গৈছিল। তাতেই তেওঁলোকৰ প্ৰথম পীৰিতি গঢ়ি উঠিছিল। সেই প্ৰেমে বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীলৈকো গতি কৰিছিল। ঘৰৰ, সমাজৰ সংস্কাৰগত বাধা উলঙ্ঘা কৰিবলৈ প্ৰস্তুত আছিল সুদৰ্শন। হাফলং চহৰৰ এটি গীৰ্জা ঘৰত দুয়ো ভৱিষ্যতে একাত্ম হোৱাৰ সঙ্কল্প লৈছিল। সেই সঙ্কল্পৰ পাচত চৰকাৰি বৃত্তি লৈ সুদৰ্শন সুদূৰ আমেৰিকাত উচ্চ শিক্ষা ল'বলৈ গুচি গৈছিল। সুদৰ্শনে, হাফলং চহৰৰ ইংৰাজী মাধ্যমৰ স্কুলখনত শিক্ষকতা কৰি থকা 'মেৰী'ৰ লগত চিঠিৰ যোগসূত্ৰ ৰক্ষা কৰি আছিল। এবছৰৰ পাচতেই সেই যোগসূত্ৰ ছিগি গ'ল। 'মেৰীয়ে' এজন খৃষ্টান, কেৰেলীয়ান যুৱকক হাফলঙৰ গীৰ্জা ঘৰতেই বিয়া কৰালে। তাৰপিচত দুয়ো, নতুন সংসাৰ ৰচনা কৰিবলৈ ত্ৰিবান্দ্ৰ-মলৈ গুচি গ'ল। 'মেৰীয়ে, বৰ মিঠাকৈ বেহেলা বজাব পাৰিছিল। তেওঁলোকৰ কলেজীয়া দিনত, বেহেলা বাদনত 'মেৰী' সমগ্ৰ অসমতেই প্ৰায় অদ্বিতীয়া আছিল বুলি কব পাৰি। 'মেৰী'ৰ বিবাহে অথবা বিশ্বাসঘাটকতাই সুদৰ্শনৰ মনোজগতত কেনে ধুমুহাৰ সৃষ্টি কৰিছিল, মাধুৰীমাই সেই খবৰ কাৰো পৰাই নুশুনিলে। নেজানিলে। যেন চকুৰ আতৰ হ'লে মনবো আতৰ হয়। হয়তো সুদৰ্শনেও ধীৰে ধীৰে পাহৰি গ'ল 'মেৰীক'। হয়তো, হয়তো সেই কাহিনী অন্যান্য বহুতো গতানুগতিক প্ৰেমৰ কাহিনীৰ দৰে বিস্মৃতিৰ গৰ্ভত ক্ৰমে লীন হৈ গ'ল।

এটা অতীত কাহিনীৰ বাবে, মাধুৰীমাই কিয় সুদৰ্শনৰ দৰে এজন সুদৰ্শন, যোগ্য পাত্ৰক 'অপাত্ৰ' বুলি ভাবিব ? মাধুৰীমাই তাইৰ প্ৰতি ঈৰ্ষান্বিতা হোৱা সহপাঠি কেইজনীক ক'লে, ডেকা মানুহ এজনে যৌৱনত কোনোবা ছোৱালীক ভালপোৱাটোহে অস্বাভাৱিক কথা। যিজন মানুহে যেতিয়া জীৱনত প্ৰেম কি নুবুজিলে, তেওঁৰ 'হৃদয়' বোলা বস্তুটোক 'শিল-ভটিৰ জোলোঙা' বোলাই ভাল। নাই, নাই, মাধুৰীমাক কোনো 'শিল-ভটিৰ জোলোঙা' নতুবা 'গছৰ মূঢ়া'ৰ প্ৰয়োজন নাই। মাধুৰীমাই সেয়েই অভিভাৱকে পতা তাইৰ বিয়াখনত আপত্তি দৰ্শোৱাৰ কাৰণ নেদেখিলে। বিয়াৰ কেইদিমানৰ পাচতেই, সুদৰ্শনে মাধুৰীমাক নিজৰ কৰ্মস্থলীলৈ লৈ গ'ল।

সৰু চুবুৰিটোৰ উপকণ্ঠত সুদৰ্শনৰ দৰ্শনীয় বাসভৱন। মাধুৰীমাই নিজৰ মনৰ অনুৰূপে প্ৰথম আটাইমখিনি টোকাবিকে সজালে। তাইৰ হৃদয়ৰ সমগ্ৰ প্ৰাচুৰ্যৰে সেয়া-মন-আত্মা বুৰাই দিয়াৰ যত্ন কৰিলে। মনে মনে তাই প্ৰাৰ্থনা কৰিলে, মানুহজন সুখী হওঁক। দুটৰ অন্তৰতে সন্তুষ্ট থকা মাধুৰীমাই নিজৰ অস্তিত্বৰ মাজত ফুল-সুবাস, তৰা-জোনাকৰ আনন্দ-মেজাৰ আভাস পালে। তাই ভাবি ল'লে সুদৰ্শনক তাই জয় কৰিব পাৰিছে। তেওঁৰ মন সংসাৰৰ তাই মৰমেৰে ওপচাই বান্ধিব পাৰিছে। সন্ধিয়া প্ৰায়ে দুয়ো ফুৰিবলৈ ওলাই যায়। ফুৰোঁতে, বাটটো যদি নিৰ্জন হয়, মাধুৰীমাই যদি বিশেষ একো নকৈ নীৰৱে আগবাঢ়ে, তেতিয়া যেন সুদৰ্শনৰ ভীষণ অস্বস্তি হয়। সেই অস্বস্তি নিবৃত্তি কৰিবলৈ হয়তো, সুদৰ্শনে ইফালেই-সিফালে চঞ্চল ভাবেৰে চায় মাধুৰীমাৰ হাত এখন জোৰেৰে খামুচি ধৰে। মাধুৰীমাৰ হাতখন জোৰেৰে ধৰি থাকি, ডাগৰকৈ পথিকৰ দৰে দীঘলকৈ উশাহ লৈ, হমু-নিয়াহ এৰি, সুদৰ্শনে লাহে লাহে পৰম মনোযোগেৰে মাধুৰীমাক তেওঁৰ জীৱন কাহিনীটো ক'বলৈ লয়।

শুনি শুনি কাহিনীটো মাধুৰীমাৰ মুখস্থ হৈ গৈছে। মাজে মাজে তাইৰ এনেকুৱা ধাৰণা হয় যেন, মাধুৰীমাই সেই সুন্দৰী অধ্যাপক জনৰ কৰ্মক্ষেত্ৰৰ পৰা চিনি পায়। যেন মাধুৰীমাৰ প্ৰতি আকৰ্ষণ। মাধুৰীমাই তাইৰ তৃতীয় চকুটোৰে দেখা পায়, অধ্যাপকৰ সুন্দৰ সেই সৌষ্ঠৱ

মুখত 'ফ্রে'ন্‌ছ্‌ কাট দাড়ি। চকুহালি করুণ। প্রশস্ত কপালত চিন্তাৰ ৰেখা। কপালত পৰি থকা কেইদালমান অবিন্যস্ত চুলিৰ আল্পনা। সোঁ হাতৰ আঙুলিৰ ফ কত জ্বলি জ্বলি শেষ হৈ অহা এটা চিগাৰেট। কামিজটো পৰিষ্কাৰ যদিও, ভাল ইস্ত্রি নাই। আধাপুৰণি ট্রাউজাৰ্ছ। ভৰিত এযোৰ চেণ্ডেল শ্যু। মানুহ জনক সুদৰ্শনে আমেৰিকাৰ এটা লাইব্রেৰীত লগ পাইছিল। লাইব্রেৰীতেই মানুহ জনৰ লগত সুদৰ্শনৰ চিনাকি হৈছিল। আত্মীয়তা হৈছিল। আন্তৰিকতা বাঢ়িছিল। মানুহ-জনে শীতকালত, মৰুভূৰ দৰে অকলশৰে পৰি থকা, সাগৰৰ পাৰৰ উদং বালিত খোজ কাঢ়ি কাঢ়ি, সুদৰ্শনক জনাইছিল, — ভাৰতবৰ্ষৰ পৰা মাত্র তিনি বছৰৰ কাৰণে, উচ্চ শিক্ষাৰ নিমিত্তেহে তেওঁ আমেৰীকালৈ আহিছিল। দেশত তেওঁ বিবাহিতা পত্নীক এৰি থৈ আহিছিল। তেওঁৰ পত্নী, ছাত্র-জীৱনত তেওঁৰ প্রেয়সী আছিল। উচ্চ শিক্ষাৰ এবছৰ পাৰ হোৱাৰ পাচতে, পত্নীক বিদেশলৈ অনাৰ তেওঁ সকলো ব্যৱস্থা কৰিছিল। পত্নীয়ে বৰসুন্দৰ বেহেলা বজাইছিল। পশ্চিমীয়া শাস্ত্রীয় সঙ্গীতত তেওঁৰ প্রগাঢ় ৰূপ আছিল। তেওঁৰ বেহেলা বাদন শুনিলে ধাৰণা হয় যেন শিলগুটিবো চকুলো সৰিব। প্রেয়সী - পত্নীক বিদেশলৈ লৈ অনাৰ শত স্বপ্ন, শত পৰিকল্পনা কৰি থাকোঁতেই, অধ্যাপক ব্যক্তিৰ সকলো স্বপ্ন, সকলো পৰিকল্পনা ছাৰখাৰ কৰি দি, দেশৰ পৰা খবৰ আহিল, তেওঁৰ খৃষ্টান, প্রেয়সী পত্নীয়ে সংসাৰ ত্যাগ কৰি মৃত্যু বৰণ কৰিলে। কোমল অন্তৰৰ অধ্যাপক ব্যক্তি জন শাৰীৰিক আৰু মানসিক ভাবে ভাগি পৰিল। তেওঁ তিনিমাহ জুৰি চিকিৎসাধীন হৈ থাকিব লগীয়া হ'ল। তিনিমাহৰ পাচত তেওঁৰ শৰীৰ সুস্থ হ'ল যদিও ভগা মনটো জোৰা নেলাগিল। তিনিবছৰৰ শেষত, উচ্চ শিক্ষা আৰ্জন কৰি অধ্যাপক ব্যক্তিজনে সুদৰ্শনৰ লগত একে লগেই দেশলৈ উভতি আহিল। সুদৰ্শনক তেওঁ তেওঁৰ সৰু, আটোমটোকাৰিকৈ ৰখা বাস ভৱনটো দেখুৱাইছিলে। পৰম আগ্রহেৰে সুদৰ্শনে অধ্যাপকৰ ঘৰটোৰ কোঠাবোৰ চাইছিলে। ঘৰটো যেন ঘৰ নহয়, যেন এটা 'মিউজিয়াম'। মৃতা খৃষ্টান পত্নীৰ পিন্ধা পোছাক বোৰ, পিন্ধা ভাজেৰেই ডাঁৰত সজাই

থোৱা আছিল। বিছনাখন পত্নীয়ে যিদৰে এৰি গৈছিল, তেনেদৰেই থোৱা আছিল। এখন মেজৰ ওপৰত বেহেলাখন, আন এখন মেজৰ ওপৰত যীশু খৃষ্টৰ ছবি, ধূপদানি আৰু বাইবেলখন মেলি থোৱা অৱস্থাতেই আছিল। অধ্যাপকে কপাঁ কপাঁ মাতেৰে কৈছিল, তেওঁৰ প্ৰেয়সী - পত্নী মৃতা হ'লেও অমৰ। অধ্যাপকে তেওঁক হৃদয়ৰ পৰা নিৰ্বাসন দিব নোৱাৰে। কেতিয়াও নোৱাৰে। তাৰ পাচত অধ্যাপকে হুক হুকাই কান্দিছিল। অধ্যাপকৰ ক্ৰন্দনে, কান্দিব নোৱাৰা সুদৰ্শনক বৰ কষ্ট দিছিল। অধ্যাপকে দুচকুৰ লোতক মচি মচি বেৰত আঁৰি থোৱা প্ৰেয়সী-পত্নীৰ প্ৰকাণ্ড অইল পেইণ্টিংখন সাৱটি ধৰি কৈছিল, 'তুমি গুচি গ'লা ঠিকেই! কিন্তু মই তোমাক ধৰি ৰাখিছো। মোৰ অন্তৰ ৰাজ্যত সম্ৰাজ্ঞী কৰি ৰাখিছো। যিমান দিন মই জীয়াই থাকো, সিমান দিন তোমাক মই সম্ৰাজ্ঞী কৰিয়েই ৰাখিম। আমাৰ এই প্ৰেম নিৰৱধি। নিৰৱধি ... ।'

এজন ডেকা অধ্যাপকে, যৌৱনৰ ভৰ বাৰিষাত নিজৰ প্ৰেয়সী পত্নীক হেৰুৱাটো সচাঁকৈয়ে এটা নিকৰুণ ঘটনা। কিন্তু জীৱনটো ৰৈ নাথাকে। বৈ থাকে মৃত্যু পৰ্য্যন্ত। হেপাহেৰে মাধুৰীমাই এদিন কৈছিল সুদৰ্শনক, 'অধ্যাপকজনৰ বয়স আছে যেতিয়া, সতি-সন্তাত নাই যেতিয়া, তেওঁতো আকৌ সংসাৰ ৰচনা কৰিব পাৰে! নতুন এক ভৱিষ্যতৰ জন্ম দিব পাৰে। মিছাকৈ মৰি যোৱা অতীতটোক টানি আজুৰি জীয়াই ৰাখিবলৈ যত্ন কৰোঁতে, তেওঁ নিজেই ক্ষত-বিক্ষত হৈছে। জুৰুলা হৈছে। অতীতৰ জাঁজৰিত, বোৱতী জীৱনক ধৰি ৰখাটো অন্যায়, অশুভও। বৈ যোৱাটোৱেই জীৱনৰ নিয়ম।' —দৌৰ্বোধ্য এক চাৱনিৰে চাই সুদৰ্শনে মাধুৰীমাৰ মুখলৈ চাইছিল। যেন মাধুৰীমাই গ্ৰীক ভাষাহে কৈছিল। স্বগতোক্তিৰ দৰে সুদৰ্শনে বিৰ বিৰ কৈ কৈছিল, 'যি সত্য, সি সদায়ে অমৰ।' সত্যবাদীয়ে, সত্যান্বেষীয়ে, 'সত্য'ক হত্যা কৰিব নোৱাৰে। 'সত্য' হয়তো নিঠুৰ ভাবে বাস্তৱ। অধ্যাপকৰ বাবে, তেওঁৰ প্ৰেম কালজয়ী সত্য। সেই বাবেই তেওঁ তাক এটি সাময়িক ঘটনা ৰূপে ল'ব পৰা নাই। সচাঁ জীৱন এক বোৱতী নৈ। প্ৰেমৰ মাধ্যমেৰেই জীৱন বৈ যায় মহাজীৱনলৈ। প্ৰিয়াৰ শৰীৰৰ গোন্ধ লাগি

থকা সাজ-পোছাকবোৰ, 'বেহেলাখন, বেৰৰ অইল পেইণ্টিংখন, ধূপ-দানি, বাইবেল, আৰু যীশুখৃষ্টৰ ছবি,—আস্ ! সকলোতে লাগি আছে অমোঘ প্ৰেমৰ সুৰদী— সুবাস, মিঠা-ৰঙৰ ৰূপ, আত্মিক নিৰ্য্যাস। পঞ্চেন্দ্ৰিয়ৰ খুটখুটি ৰগাই, প্ৰেম ধাৱমান হয় ইন্দ্ৰিয়াতীতলৈ। অধ্যাপকে তেওঁৰ প্ৰেমক ইন্দ্ৰিয়ৰ পৰা ইন্দ্ৰিয়াতীত জগতলৈ 'নদী'ৰ দৰে ৰখাৰ প্ৰয়াস কৰিছে।'

শীত গৈ গৈ, বসন্ত কাল অহাৰ লগে লগে, মাধুৰীমাই আব্দাৰ কৰি সুদৰ্শন ক'লে, তাইক সুদৰ্শন দত্তৰ দৰে 'ফ্ৰে'ন্‌ছ কাট' দাড়ি ৰখা অধ্যাপক জনৰ ঘৰলৈ লৈ যাব লাগে। তেওঁৰ সেই বাসগৃহৰ 'মিউজিয়াম'টো মাধুৰীমাৰ বৰকৈ চাবলৈ মন গৈছে। ৰঙালি বিহুৰ বন্ধতে যাবলৈ ভাল হ'ব। প্ৰয়োজন হ'লে বঢ়াই দুদিনমান ছুটীও ল'ব পৰা যাব।

মাধুৰীমাই অতদিনে অধ্যাপক জনক অনা অসমীয়া ভদ্ৰলোক বুলিয়েই ভাবি আছিল। অধ্যাপকজনক সুদৰ্শনে 'অসমীয়া' বুলি কোৱাত মাধুৰীমা কিছু আচৰিত হ'ল। কোন বা 'তেওঁ'? মাধুৰীমাই দেখিলে কিজানি চিনি পায়েই। মাধুৰীমাৰ কল্পনা আৰু পৰিকল্পনাৰ ব্যতিক্ৰমে, চৰকাৰি পৰিবহন বিভাগৰ বাছখনে সিহঁতক তেজপুৰ নগৰৰ বাছ ষ্টেণ্ডত আহি নমাই দিলেহি। সিহঁতে পাৰ্বতীপুৰত থকা অৰুণাচলৰ গে'ষ্ট হাউচত এৰাতি কটাবলৈ কোঠা এটা পালে। পিচদিনা ৰাতিপুৱাই অৰুণাচলৰ বাছ পাৰ্বতীপুৰৰ পৰাই বমডিলালৈ ৰাওনা হ'ব। মাধুৰীমাৰ মনটো উগুল-থুগুল লাগিল। কিছুমান 'ৰহস্য'ই যেন অজস্ৰ প্ৰশ্নবোধক চিন হৈ আহি তাইক ঘেৰি ধৰিলেহি।

পুৱাই বমডিলালৈ অৰুণাচলী বাছেৰে যাত্ৰা আৰম্ভ হ'ল। সাগৰ পৃষ্ঠৰ পৰা ন হেজাৰ ওপৰত থকা বমডিলা চহৰত কিমান ঠাণ্ডা চাগৈ। মাধুৰীমাই লগত সৰহকৈ গৰম কাপোৰ লৈ আহিছে। মাধুৰীমাই এটা কথা চেষ্টা কৰিও বুজিব পৰা নাই,— অধ্যাপকজনে বমডিলাত নিজৰ বাসভৱন কেনেকৈ সজাব পাৰিলে! অৰুণাচলততো অনা - অৰুণাচলী মানুহক ঘৰ - মাটি - সম্পত্তি কৰাৰ অধিকাৰ

এতিয়ালৈকে দিয়া হোৱা নাই। বাছৰ ভিতৰত অত্যন্ত ভিৰ। ভেকোৱা-পকোৱা আলিৰে পাহাৰ বগাই বগাই, অৰণ্যানিৰ মাজেদি বাছখন গন্তব্য স্থান অভিমুখে আগবাঢ়িল। এফালে পাহাৰৰ দাঁতিত, শিলৰ গাত, কেতিয়াবা হিন্দিত, কেতিয়াবা ইংৰাজীত লিখি থোৱা আছে 'আপুনিতো মৃত্যু নিবিচাৰে! আপোনাৰ অকণমান অসাৱধানতাৰ বাবে, আপোনাৰ লগতে যাত্ৰীৰো মৃত্যু হব পাৰে!' —আনটো ফালে, পাঁচ ছশ ফুট তলত অৰণ্যৰ গহ্বৰ। শিলৰ লিখাই অযাচিতে ভয় জগাই তুলিব খোজে। আকৌ, 'আগত দীঘলীয়া টাৰ্নিং আছে। সাৱধানে আগবাঢ়ক।' বাটৰ অযাচিত সকিয়নিয়ে এনে ভাব জগাই তোলে, যেন এক সাঙ্ঘাতিক দুৰ্গম্য স্থানলৈহে যোৱা হৈছে! ওখ ওখ গছ বোৰত যেন বয়সীয়া লোকৰ গাম্ভিৰ্য্য ওলমি আছে। গোটেই পথটোৱেই যেন ওখ ওখ গছবোৰে আশ্চৰ্য্যজনক ভাবে গম্ভিৰ কৰি তুলিছে। মাজেত অৰণ্যৰ গাম্ভিৰ্য্য ভঙ্গ কৰিছে, 'চেচা'ৰ দক্ষিণ ভাৰতীয় কেণ্টিনখনে। আকৌ 'টঙা উপত্যকাৰ মিলিটেৰীৰ ক'লনিবোৰে। 'টেঙা'ৰ এই বিশাল পাহাৰী ঝৰণাটোৰ নামো 'টেঙা' নেকি? এইবোৰ 'চেচা', 'টেঙা' নাম চাগে ভৈয়ামৰ মানুহহেই দিয়া।

গুৱাহাটীত থকা অৰুণাচল চৰকাৰৰ 'জন সংযোগ বিষয়াৰ' নিৰ্দ্দেশ ক্ৰমে, বমডিলাৰ 'চাৰ্কিট হাউছ'ত সিহঁতৰ বাবে দুজনীয়া কোঠা এটা সাজু ৰখা হৈছিল। সুদৰ্শনে কি সুত্ৰেৰে 'প্ৰৱেশ পত্ৰ' আৰু চাৰ্কিট হাউছত থকাৰ সুবিধা পালে, মাধুৰীমাই নেজানিলে। বমডিলা পোৱাৰ পাচত, সুদৰ্শনক মাধুৰীমাৰ অচিনাকি মানুহ যেন লাগিল। কিবা এক গভীৰ চিন্তাত যেন তেওঁ সম্পুৰ্ণ ৰূপে নিমগ্ন। মাধুৰীমাৰ অস্তিত্ব যেন তেওঁ পাহৰি গৈছে। বমডিলাৰ জাৰে মাধুৰীমাক বিন্ধিবলৈ ধৰিলে। তাই কোঠাটোৰ দুৱাৰ-খিৰিকী সকলো বন্ধ কৰি দি, কম হিতাৰটো জ্বলাই দিলে। বাহিৰৰ বমডিলা তেতিয়া কুৱলীত হেৰাই গৈছে।

ৰাতিপুৱা মাধুৰীমা সোনকালেই উঠিল। জাৰতে ৰাতি তাইৰ ভালকৈ টোপনি নাহিল। তাইৰ টোপনি নহা বাবেই গমপালে, গোটেই নিশা সুদৰ্শনেও শুৱ পৰা নাই। তেওঁৰ দেহ-মন যেন অস্থিৰ যন্ত্ৰণাত

আক্ৰান্ত। ৰাতিপুৱাৰ ব্ৰে'কফাণ্টটোৰ পাচত, কোমল এজাক ৰ'দ কুৰ্ঁলীৰ লগত যুঁজি যুজি, হেলনীয়াকৈ বিয়পি পৰিছিল। মাধুৰী-মাৰ কাণত গুণগুণাই বাজিছিল, 'বিক্ত শাখা ঋজু নগ্ন পাইনৰ ফাঁকে ফাঁকে সূৰ্য্য নাই,' আছে এৰা, 'সূৰ্য্যৰ আভাস!' সৰু টিলা-টোৰ ওপৰত থকা চাৰ্কিট হাউছৰ পৰা দুয়ো ৰাজপথলৈ ওলাই আহিল। হাড় কঁপাই তোলা জাৰতো, সুদৰ্শনৰ প্ৰশস্ত কপালত বিন্দু বিন্দু ঘাম দেখি মাধুৰীমা হতবাক হ'ল। কাষচাপি মাধুৰী-মাই সুধিলে, 'গা বেয়া লাগিছে নেকি?' সুদৰ্শনে যেন মাধুৰীমাৰ কথা শুনিও নুশুনিলে। এখোজ দুখোজকৈ পাহাৰৰ ওপৰত থকা বৌদ্ধ 'গুম্ফা'টোৰ ফালে আগবাঢ়িল।

'গুম্ফা'ৰ প্ৰাঙ্গনত থিয় হৈ সুদৰ্শন সততই অন্যৰূপ ল'লে। হঠাতে মাধুৰীমাক হাতযোৰ কৰি ক'লে,— 'এয়াই মোৰ বাস গৃহ।' তাৰপাচত শূন্যলৈ, প্ৰাঙ্গণলৈ, 'গুম্ফা'ৰ বেৰলৈ আঙুলিয়াই পায়চাৰি কৰি কৰি সকৰুণ ভাবে ক'লে, 'আপুনি শুনি দুখ পাব, মোৰ পত্নীৰ মই আমেৰিকালৈ যোৱাৰ এবছৰ পাচতে মৃত্যু হ'ল। এইবোৰ চাওক, তেওঁৰ পিন্ধা পোছাক। পোছাকত এতিয়াও তেওঁৰ গাৰ গোন্ধ জীৱন্ত হৈ আছে। —এইপিনে আহঁকচোন, এইপিনে আহঁক,— এইখন তেওঁৰ বেহেলা। অতীব সুন্দৰ বেহেলা বজাইছিল তেওঁ! তেওঁৰ বেহেলা বাদন শুনি বনৰীয়া পশুৱেও পোহ মানিছিল কি অপূৰ্ব! আপোনাক বুজাব নোৱাৰিম। এই যীশুখৃষ্টৰ ছবিখনৰ সংমুখত তেওঁ প্ৰতিদিনে প্ৰাৰ্থনা কৰিছিল। প্ৰতিদিনে ধূপ-দানিটোত কেৰাদালো ধূপ জ্বলাই দিছিল! সেয়া চাওক, ধূপৰ গোন্ধ কেউদিশে বিয়পি পৰিছে। ধূপৰ ধোৱাঁই বাইবেলখন সাৱটি ধৰিছে। 'মেৰী'ৰ সেইখন বৰ শ্ৰদ্ধাৰ, হেপাহৰ বাইবেল।' উদ্‌ভ্ৰান্ত সুদৰ্শনৰ দুচকুৰ উকা, বোবা দৃষ্টিয়ে মাধুৰীমাৰ সমগ্ৰ অস্তিত্ব হিম শীতল কৰি পেলালে। অপ্ৰত্যাশিত পৰিস্থিতিটোত কিংকৰ্ত্তব্য বিমূঢ় হৈ তাই বজ্ৰাহত কঁপা নাৰিকলৰ পাতৰ দৰে থৰ থৰকৈ কঁপিবলৈ ধৰিলে। কি কৰিব এতিয়া মাধুৰীমাই? কাক মাতিব? 'গুম্ফা'ৰ ভিতৰলৈ গৈ মনপা পুৰোহিত জনকে মাতি আনিব নেকি? ক'ত বিচাৰি পাব

এই মুহূৰ্ত্তত, এজন আপ্‌ৰুগীয়া 'চাইকিয়াট্ৰিষ্ট'? সীমাতীত অসহায়তাত, তাইৰ দুচকুৰে দুৰ্বাৰ গতিত বাৰিষাৰ ঢল বাগৰি আহিল। মাধুৰীমাক কন্দা দেখি সুদৰ্শন কাষ চাপি আহি ক'লেহি,— 'মোৰ দুখত আপুনি কান্দিছে! এইকালে আহকচোন, সেঁফালে আহক। মোৰ বুকুলৈ চাওক। মোৰ বুকুৰ মাজত এইখন প্ৰকাণ্ড অইল পেইণ্টিং মোৰ পত্নীৰ। তেওঁৰ মৃত্যুৰ পাচত, পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ শিল্পীৰ হতুৱাই এই ছবি মই অকাঁই আনিছো। কেনে দেখিছে? কেনে দেখিছে?? ... ... আপুনি কান্দিছে! কিন্তু মই যে কান্দিব নোৱাৰো! উস্! কান্দিব্‌ নোৱাৰো!!' .... তপত বালিত ছট ফটাৱাকোনো সাগৰীয় মাছৰ দৰে সুদৰ্শনে ছটফটাবলৈ ধৰিলে। মাধুৰীমাৰ অসহায় দুকাণত, অকস্মাতে আইতাকৰ উপদেশ বাণী ধ্বনিত হ'ল, 'খং কৰিলেও, নিষ্ঠুৰ হ'লেও মনত ৰাখিবি আই,—তেওঁ তোৰ ইহকালৰ, পৰকালৰ স্বামী'। — আশাৰ সৌধ চূৰ্ণ— বিচূৰ্ণ হৈ যোৱাৰ পাচতো, বৈ থকা চকুপানীবোৰ বাৰে বাৰে মচি, মাধুৰীমাই সুদৰ্শনলৈ চালে। এখন নিদাৰুণ সমৰত লিপ্ত হৈ এতিয়া যেন সুদৰ্শন দত্ত অৱশ হৈ পৰিছে। এতিয়াই যেন ক'ৰবাত তেওঁ ঢলি পৰিব! মাধুৰীমাৰ নিঃ সহায় হৃদয়ত কৰুণা উথলি উঠিল। কৰুণাই লাহে লাহে সাহস জগাই তুলিলে। মাধুৰীমাই তাইৰ দুঃসাহসী হাতখনেৰে সুদৰ্শনৰ সোঁ হাতখন জোৰেৰে টানি ধৰি ক'লে,—'বুজিছো অধ্যাপক! আপোনাৰ বেদনা সকলো বুজিছো! এতিয়া ব'লক, গুম্ফাৰ ভিতৰলৈ যাওঁ। গৌতম বুদ্ধক এবাৰ প্ৰণাম কৰোগৈ!'

—o—

বিবাহ দৰ্পণ

নলিনী শৰ্মা

লিখকৰ পৰিচয়—

[জন্ম — ১৯৪৮ চনত। পিতৃ শ্ৰীৰজনীকান্ত শাস্ত্ৰী আৰু মাতৃ ভদ্ৰকালী দেৱী।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত এম-এ পাছ কৰি ১৯৭১ চনৰ পৰা বিলাসীপাৰা মহাবিদ্যালয়ত অধ্যাপনা কৰিবলৈ লয়।

শ্ৰীশৰ্মাৰ প্ৰকাশিত গল্প সংকলন সমূহ হ'ল চিৰতা, বিপদ সীমাৰ ওপৰত, সৃষ্টিধৰ মাণিপোৰপাচ, দেশ প্ৰেম আদি।

হাস্য আৰু ব্যঙ্গৰ যোগেদি সমাজ জীৱনৰ ঘোৰ দুৰ্বলতাৰ ওপৰত কষাঘাত কৰাত শ্ৰীশৰ্মা অভ্যস্ত। তেওঁৰ এক নিজস্ব কথন ৰীতিৰ বলত গল্পবোৰ সুপাঠ্য হৈ পৰিছে।

বিয়াৰ বিষয়ে বহুতে বহু ধৰণৰ কথা কয়। কিছুমানে যুক্তি দৰ্শায় প্ৰেমত পৰি বিয়া কৰাব লাগে। তেতিয়াহলে আগধৰি দুয়োজনৰ বুজাবুজি এটা হৈ উঠে আৰু বৈবাহিক জীৱনটো সুখৰ হয়। আন কিছুমানে আকৌ প্ৰেমত পৰি বিয়া কৰোৱাটো বেয়া বুলি কয় তেতিয়া হেনো বিয়াৰ পিচত আৰু আগৰ প্ৰেমৰ সোৱাদ নাথাকে বৰং পূৰ্বপ্ৰেমৰ সামাধিহে হয় বুলি কব পাৰি। সেই কাৰণে তেওঁলোকৰ মতে বিয়া কৰাই লৈহে প্ৰেম আৰম্ভ কৰিব লাগে। এনে প্ৰেমৰ সংসাৰ স্থায়ী হয়।

সেই কাৰণে মই কি কৰো নকৰো সমস্যাত পৰিছো। আগতেই প্ৰেম কৰি বিয়া কৰাও নে বিয়া কৰাই উঠিয়েই প্ৰেম ভালপোৱা আৰম্ভ কৰো ঠিক কৰিব পৰা নাই। ছোৱালীৰ খবৰ বহুত আহিছে। বহুতৰ লগত চিনাপৰিচয় হোৱাৰো সুযোগ হৈছে। ফটো আৰু সোৱৰণীৰে ঘৰ ভৰি পৰিছে। কিন্তু এতিয়ালৈ থাটাং সিদ্ধান্ত একো হোৱা নাই।

হঠাৎ ভাব হ'ল — আমাৰ লগত কেইবাজনেওতো বিয়া কৰাই-ছে। সিহঁতৰ সংসাৰবোৰে চোৱা যাওঁক আৰু কি পৰামৰ্শ আগবঢ়ায় তাকো শুনা যাওঁক । এইবাৰ গুৱাহাটীৰ গ'লে সিহঁতক যেনে তেনে লগ ধৰিব লাগিব । আমাৰ লগত পঢ়া সদানন্দই বি-এ পৰীক্ষা দি উঠিয়ে বিয়া কৰাইছিল । এতিয়া তাৰ লৰা-ছোৱালীও হৈছে । সি সচিবালয়ত বাস কৰে। গুৱাহাটীত লগ পালে প্ৰায়ে সি তাৰ-ঘৰলৈ নাযাও কাৰণে দুখ কৰে । মই পিচৰবাৰ আহিলে যাম বুলি কৈ থাকোঁ যদিও যোৱা হৈ উঠা নাই । ভাবিলো তাৰ তালৈকে প্ৰথম যাম ।

এই বুলি এসপ্তাহ পিচতে ব্যৱসায়ৰ কামত গুৱাহাটীলৈ যাওঁতে কাম শেষ কৰি তাৰ ঘৰত উপস্থিত হ'লো । সি বৰ ভাল পালে। ঘৈণীয়েক আৰু সৰু সৰু ল'ৰা-ছোৱালী হালক মাতি আনি পৰিচয় কৰাই দি আমি যে সৰুতে একেলগে পঢ়িছিলো সেইবোৰ কথা কৈ বৰ ৰং ৰহইচ কৰিবলৈ ধৰিলে । মাজতে সি ঘৈণীয়েকক কলে— 'চাহ তাহ দিয়া'। ঘৈণীয়েকে আমাক কথা পাতিবলৈ কৈ চাহ কৰিবলৈ উঠি গ'ল । সাদানন্দই কলে—

তই আজি ৰাতিটোও আমাৰ ইয়াতে থাক । ইমানকৈ মাতি থাকো—মাহ ।

মই কলো—

তোৰ ঘৈণীয়েৰাই থাকিব নকলে মই নাথাকো । বহু তিৰোতা মানুহে চাহখোৱা আলহী আহিলেহে ভাল পায় । ভাতখোৱা হ'লে আকৌ বন্ধাবঢ়াৰ চিন্তা কৰিব লাগিল । তাতে যদি তেওঁ সোৱাদকৈ ৰান্ধিব নাজানে তেন্তেতো আৰু লাজৰ কথা । তোৰ জনীবা আকৌ কেনে মই সেইবোৰ একো গমেই পোৱা নাই ।

মোৰ কথা শুনি সদানন্দই চেক্ চেক্ কৈ হাঁহি এটা মাৰি কলে —তই একো চিন্তা নকৰিবি । আমাৰ তেওঁ তই থাকিলে বেয়া নেপায়— ভালেই পাব । আৰু বন্ধা বঢ়াতো তিৰোতা মানুহৰে কাম—ভাত তেওঁৰ আজিলৈ বিৰক্তি দেখা নাই ।

এইদৰে আমি কথাপাতি থাকোঁতে ঘৈণীয়েকে চাহ-জলপান

হৈ আছিল। সদানন্দই ক'লে—

তুমি নকলে হেনো ই মই কোৱাৰে আমাৰ ঘৰত বাতি নাথাকে হয় নেকি? কেছো বাৰু। নাথাকিলে কিন্তু আঁমিও কেঁতিয়াবা গলে আপোনাৰ ঘৰত নাথাকো?

যাবহে যেন কেতিয়াবা? মই উত্তৰ দিলা।

সদানন্দই কলে—

যাম অ'ই যাম। তোৰ বিয়ালৈ মাত যদি নোযোৱাকৈ নাথাকো।

যদি বিয়া নকৰাও?

তেতিয়াহলেতো আপোনাৰ প্ৰকৃত ঘৰেই নাই বুলিব লাগিব। গৃহিণী নাথাকিলে আৰু মই কি যাম—আমাৰ এখেতেই কেতিয়াবা যাব আৰু আপুনি আহি থাকিব। ঘৈণীয়েকে কলে।

সদানন্দই ক'লে—

বিয়াখন পাত। এনেদৰে আৰু কিমান দিন থাক? পঢ়াশুনাতো আৰাতকৈ বহুত বেছি কৰিলি। এতিয়া ব্যৱসায়ো ভাল চলিছে। টকাৰ অভাব নাই। একমাত্ৰ ঘৰৰ মানুহজনী আহিলে এতিয়া সকলো থানখিত লাগিব। কেনে ছোৱালী বিচাৰিছ কচোন? লাগিলে আমিও বিচাৰি চাম?

এখেতৰ আকৌ ছোৱালীৰ অভাবনে? ঘৈণীয়েকে কলে।

বা তেনেকৈ নকবা। বিয়াৰ বাবে ছোৱালী পোৱা বৰ সহজ নহয়। নিজৰ ক্ষেত্ৰতেই পাইছিলো নহয়।

সদানন্দৰ কথা শুনি ঘৈণীয়েকে এটা লাজৰ হাঁহি মাৰিলে। সিহঁতৰ কথাত ৰস পায় মই সুধিলো—

কচোন তইনো কেনেকৈ বিচাৰি পালি?

সেইবোৰ বহুত কথা। বহুদিন পুৰণিও হ'ল। ৰস নোহোৱা হৈ গৈছে।

সদানন্দৰ ঘৈণীয়েক উঠি যাব ধৰিছিল। ময়েই কলো—

আপুনি কিয় যাব? লাজ লাগিছে নেকি?

লাজ মানে ? সদানন্দই কলে— দুটা সন্তানৰ মাক হ'ল— এতিয়াও তেওঁ মোৰ লগতেই ন-কইনাৰ দৰে লাজ কৰে।

নিলাজী হলেহে হব এতিয়া। ঘৈণীয়েকে পুনৰ বহি কলে।

মই সদানন্দক সুধি চালো—

তহঁতৰ 'লাভ মেৰেজ' নে 'কোষ্ঠী মেৰেজ' হৈছিল অ'।

সদানন্দই হাঁহি মাৰি কলে—

'লাভ মেৰেজ' কৰা হলেই ভাল আছিল অ'। আগতে সেই সুযোগ নাপালোঁয়েই। মা-দেউতাই ৰাশি-যোৰা চাই বিয়া পাতি দিলে। কোনেও কাকো দেখাই নাছিলো।

সেইবাবে এতিয়া দুগুণ ভাল পোৱাবে বিয়াৰ পূৰ্বৰখিনিও পুৰাই লৈছ নহয়নে ?

ঠিক কৈছ? ময়ো তোৰ দৰেই এওঁক কওঁ কিন্তু এওঁ কয় যে ময়েই হেনো প্রেম-প্রীতি কৰিব জনা মানুহ নহয়। মোৰ সেই যোগ্যতা নাই। বৰং সংসাৰখন মোৰ লগত কৰিব পাৰিছে সেইটোৱে তেওঁৰ ভাগ্য। বোধহয় মিছা কোৱা নাই। মই কলো—তই সকৰ পৰাই অলপ নিষ্ঠুৰ আৰু স্বাৰ্থপৰ বুলি ময়ো জানো। তই অন্যৰ অন্তৰ বুজিবৰ চেষ্টা নকৰ।

মানুহ হলেহে বুজি লাভ আছে অ'? যন্ত্ৰৰ লগততো আৰু প্রেম প্রণয় সম্ভৱ নহয়। আমাৰ এওঁতো মেচিনৰ দৰে মানুহ। ৰান্ধিছে, বাঢ়িছে, ঘৰ চলাইছে। যেন কম্পিউটাৰহে।

কিয় মই আপোনাৰ সেৱা যত্ন কৰা নাই ? ঘৈণীয়েকে সদানন্দক সুধিলে।

কৰিছা। কিয় নকৰিবা ? চাহ কাপ আনি টেবুলত থেকেচা মাৰি থৈ আজ্ঞা দেই গ'ল বুলি দৌৰ মাৰিছা। চাহ দোকানৰ ল'ৰাজনে দিয়া চাহ কাপ আৰু তোমাৰ কাপৰ মাজত কিবা পাৰ্থক্য আছেনে ? ভাত বাঢ়ি দি তাৰাতাৰি আহক, নহলে কেচুৱা উঠিব বুলি সাৱধান কৰি দিছা। তোমাৰ লগত প্রেম নহয় চেম হব।

মোৰ কামবন সকলো এৰি আপোনাৰ লগত বহি থাকিলে

চলিবনে ? আপুনিতো বাটে পথে দূৰৰ কথা ঘৰৰ ভিতৰতো কেচুৱাটিক এবাৰ লৈ মোক অলপ সহায় নকৰে। অথচ আন মানুহে ঘৈণীয়েকক কিমান কামত সহায় কৰি দিয়ে। ওচৰৰে মজুমদাৰক দেখা নাই ? আপোনাৰে দেখোন বন্ধু ?

কোন মজুমদাৰ অ' ? প্ৰদীপ মজুমদাৰ নেকি ? মই সদানন্দক সুধিলো অ'। সদানন্দই উত্তৰ দিলে—সি বেটাই 'লাভ মেৰেজ' কৰি এতিয়া মজাটো পাইছে। ঘৰত ভাত ৰান্ধে। বাহিৰলৈ গলে সি কোলাত কেচুৱা লৈ যায় আৰু ঘৈণীয়েকে ভিনিটিবেগ লৈ গগলচ্ পিন্ধি কাষে কাষে খোজ কাঢ়ে। কি বিশ্ৰী কাণ্ড। পুৰুষ মানুহ হলে এনে হব নাপায়।

সদানন্দই গৌৰবেৰে কলে। তাৰ কথা শুনি ঘৈণীয়েকে উত্তৰ দিলে।

সেই বোৰ মানুহে ঘৈণীয়েকৰ দুখ কষ্ট বুজে। আপোনাৰ দৰে নহয়। কিমান ভাল ভাল চিনেমা থিয়েটাৰ আছে, মইনো কেইদিন চাব পাৰো ? আনকি বহুৰত এবাৰ মোৰ মাক-দেউতাৰ ঘৰলৈকে যোৱা নহয়।

মই ক'লো—

আজি ৰাতি বাৰু আপুনি ভাত নাৰান্ধিবচোন। মোকতো থাকিবলৈ কৈছে, কেনেকৈ ই ভাত খুৱায় চাওঁ ? বাধ্য হৈ সিয়ে ৰান্ধিব লাগিব। আপুনি ভাল কৈছে ? তেখেতে ভাত ৰান্ধিব গলে সৃষ্টি উলটিব, মই ইমান পুণ্য কৰি অহা নাই যে তেখেতৰ হাতে এদিন এসাজ খাব পাৰিম। মৰিলেহে যদি পিণ্ড দিয়ে পাম। পিচে সেই আশাও নাই। ভগবানে ল'ৰাহঁতক বচাই ৰাখিলে সিহঁতেই দিব।

এইবুলি ঘৈণীয়েকে আমি চাহ খোৱা কাপপ্লেটবোৰ লৈ ভিতৰ সোমাল।

সিদিনা ৰাতি মই সিহঁতৰ ঘৰত থাকিলো। সদানন্দৰ ঘৈণীয়েকে বৰ সুন্দৰকৈ বন্দোবস্ত কৰিলে—আমি মাখোন গল্প কৰি কটালো আৰু খাই বৈ শুই থাকিলো। ইমান ভাল বন্ধা। যদিও সদানন্দই একো হোৱা নাই বুলি ভুঁট ধৰিছিল। আৰু বোৱাৰী ঘৈণীয়েকে

লাজতে কান্দো কান্দো হৈছিল। ৰাতি শুই শুই মোৰ ধাৰণা হ'ল— ঘৰখনত সদানন্দ যেন ৰজাৰ দৰে বাস কৰিছে। তাৰ সন্তুষ্টিৰ বাবেই ঘৈণীয়েকে দিনে নিশাই ভীষণ পৰিশ্ৰম কৰি থাকে। অথচ বেচেৰীক কোনো মূল্যই দিব নোখোজে সদানন্দই। যাৰ ফলত ঘৈণীয়েক যেন এইখন ঘৰলৈ কেৱল কাম কৰিবলৈহে আহিছে এনে লাগে। অভিযোগ থাকিলেও ঘৈণীয়েকে হয়তো সেইলৈ হুলস্থূল নকৰে— 'বেটিৰ কপালে বান্দীৰ কপালে সমান' বুলি মানি লৈছে। ঘৈণীয়েকক আৰ্দ্ধাঙ্গিনী বুলিলেও এইহাল গিৰীয়েক-ঘৈণীয়েকৰ মাজত কিন্তু ব্যৱধান বহুত। এজনৰ অন্তৰক এজনে শুকুতাই নিদিয়ে আৰু এজনৰ অন্তৰ এজনে চুকিয়েই নাপায়। এই বাৰে চিন্তা কৰি থাকোঁতে মোৰ টোপনি আহিল।

পিচদিনা মই সদানন্দ দম্পতীৰ পৰা বিদায় লৈ উভতি আহোঁতে প্ৰদীপ মজুমদাৰৰ ঘৰত সোমালো। প্ৰদীপে প্ৰেমত পৰি বিয়া কৰাইছিল আৰু কব লাগিলে তাৰ গুৰিতেও আমি কেইজনমান বন্ধুৱেই আছিলো। তেতিয়া আমি এম-এ পঢ়ি আছো। এদিন দুপৰীয়া আমি ইউনিভাৰ্চিটিৰ কেণ্টিনৰ পৰা চাহ খাই পুনৰ ক্লাছলৈ উভতি আহোতে আৰ্টচ্ বিল্ডিংৰ চিৰিত প্ৰদীপে উজুতি খালে আৰু সমুখৰ পৰা চিৰিৰে নামিব ধৰা এজাক ছোৱালীৰ মাজৰ আমাৰ ডিপাৰ্টমেণ্টৰে মিনাক্ষী চলিহাৰ ভৰিৰ গুৰিত সি হাত দুখন পাৰি পৰিলগৈ। চকুৰ চচ্মাযোৰ খুলি মিনাক্ষীৰ ভৰিৰ ওপৰতে পৰিল। দৃশ্যটো এনে আছিল যেন দুৰ্গাদেৱীৰ চৰণত প্ৰণিপাত জনাই পুষ্পাঞ্জলি দিছে। আমি লগে লগে প্ৰদীপক জোকাই কথাটো ক্লাছত প্ৰচাৰ কৰি দিলো যে আজি প্ৰদীপ মিনাক্ষীৰ ভৰিত পৰিছে। কোনোৱে কলে— মিনাক্ষীৰ চৰণত চচ্মাঞ্জলি যাচিছে। আন ছোৱালীবোৰেও মিনাক্ষীক জোকাবলৈ ললে। কিছুদিন পিচত দেখিলো, সিহঁত দুজনে অকলশৰে কথা পাতিছে। পৰীক্ষা দি উঠি শুনিলো সিহঁতৰ এদিন হেনো বিয়াও হৈ গ'ল। সুন্দৰ গিৰীয়েক-ঘৈণীয়েকে এতিয়া চাকৰি কৰে।

মই লৈ অদূৰিজুৰতে প্ৰদীপক পালো আৰু সি এখন মোক লৈ

ক'ৰবালৈ যাবলৈ ওলাইছিল। মোক দেখি উভতি আহিল। কলে—
'পিচত গলেও হব ব'ল। লগুৱৈকেহে যাব ওলাইছিলো'

মই সুধিলো—
ঘৈণীয়েৰৰ কাপোৰ লৈছ বোধহয় ?

সি হাঁহিলে। মই পুনৰ জোকালো—
তই বোলে বৈণীয়েৰৰ কাপোৰ-কানিও ধুই দিয়া হয়নে ? তই, তই নোধোৱ নেকি ?
মইতো এতিয়ালৈ বিয়াই কৰোৱা নাই। তই নাজান হবলা ?
আমি নুধুলেও বাক বিয়া কৰালে তয়ে বেছিকৈ ধুব।

সি ডুইংৰুমত মোক বহিবলৈ দি মিনাক্ষীক খবৰ দিবলৈ ভিতৰলৈ গ'ল। অলপ পিচতে মিনাক্ষী সু-সজ্জিতা হৈ ওলাই আহি মোৰ সন্মুখত বহিল। অনুমান হ'ল যেন ক'ৰবালৈ যাবৰ বাবে সাজু হৈ আছিল। মোক দেখি মিনাক্ষী খুব আনন্দিত হ'ল। নানা কথা সুধিবলৈ ধৰিলে। আমি আটায়ে একেলগে পঢ়িছিলো। মিনাক্ষীক বিয়া কৰাব পৰাটো প্ৰদীপৰ ভাগ্যই বুলিব লাগিব। কিয়নো ৰূপ-গুণ-বিদ্যা-বুদ্ধি বংশ-মৰ্য্যদা সকলোতে মিনাক্ষী প্ৰদীপতকৈ ওপৰত আছিল। দুৰ্বাৰ প্ৰেমেহে সিহঁতক বিয়াৰ বাবে একেলগ কৰিলে। কিন্তু সিদিনা মই মিনাক্ষীৰ চকুত প্ৰেমৰ সেই বিজয়ী গৌৰৱ দেখা নাপালো। মুখমণ্ডলতো কোনো উজ্জলতা বা শান্তিৰ চিন নাই। প্ৰদীপে দেৰবছৰীয়া ল'ৰাটোক হাতত ধৰি ভিতৰৰ পৰা আমি বহা কোঠাটোলৈ লৈ আহি মোক দেখুৱাই কলে— 'আহক, আহিছে, যোৱা আকলৰ কাষলৈ যোৱা।'

ল'ৰাটো মোৰ ওচৰলৈ দৌৰি আহিল। কান্ধত বহুৱাই লৈ মই তাৰ সৈতে ধেমালি কৰিবলৈ ধৰিলো। মিনাক্ষীয়ে প্ৰদীপক সুধিলে—
চম্পাক চাহ কৰিবলৈ কৈছা নেকি ?
ওঁ! প্ৰদীপে উত্তৰ দিলে।

মই মিনাক্ষীক কলো—

তুমি ক'ৰবালৈ যাব ওলাইছিলা নেকি ? নে আহিলা ?

মিনাক্ষীয়ে উত্তৰ দিলে—

এঠাইলৈ অৱশ্যে যোৱা কথা আছিল। কিন্তু তুমি আহিলা ইমান দিনৰ মূৰত ? তোমাক এৰি যোৱা জানো উচিত হব ? নাযাও দিয়া।

কিন্তু বৰুৱানীয়ে তোমালৈ যে অপেক্ষা কৰি থাকিব ? প্ৰদীপে ক'লে—

এটা কাম কৰা। তুমি তেখেতক খবৰ এটা কিবাকৈ দিয়া।

মই নোৱাৰিম দেই। তুমি যেনেকৈ পাৰা খবৰ দিয়া।

মই কেনেকৈ দিম ? তুমি মতা মানুহ, তুমি যাব নোৱাৰা ?

আজি কালি মতা তিৰোতাৰ কোনো ভেদ নাই। তুমিও যাব পাৰিবা। চম্পাই চাহ দিব। আমি দুয়ো বন্ধুৱে গল্প কৰি কৰি চাহ খাম। তুমি বৰুৱানীৰ লগত যলৈ যাব খুজিছিলা যোৱাগৈ বা নাযাও বুলি খবৰ দি আহাগৈ। যি ইচ্ছা। প্ৰদীপে অলপ খঙেৰে কলে।

ঘৈণীয়েকে উত্তৰ দিলে—

এইকাৰণেই তোমাৰ লগত মোৰ সদায় কাজিয়া লাগে। তুমি নিজৰ মতকে সদায় খামোচ মাৰি ধৰি থাকা।

আৰু তুমি হৰপায় নধৰা ? কোন দিনা তুমি মোৰ কথা শুনিছা ?

তুমি কেতিয়া মোৰ কথা ৰাখিছা ?

দুয়োৰে উষ্মা বাঢ়ি যাবলৈ ধৰিলে। উপায় নাপাই মই হাতযোৰকৈ থিয়হৈ ক'লো—

হেৰ, মই আহিহে তহঁতৰ কাজিয়াৰ সৃষ্টি কৰিলো ? গতিকে মই যাওঁ। তহঁতে কাজিয়া বন্ধ কৰ।

এই বুলি মই দুৱাৰ মুখলৈ যাব ধৰোঁতেই দুয়োজনে দুফালৰ পৰা আহি মোৰ হাতদুখনত টানি ধৰিলে। প্ৰদীপে কলে—

তই গলে আমাৰ কাজিয়া বাঢ়িবহে।

মিনাক্ষীয়ে ক'লে—

তুমি যাব নোৱাৰা। বহা। আৰু আজিকালি কাজিয়া সদায় লাগে। এয়া কি দেখিছা ? এয়াটো একোৱেই নহয়।

মই কলো—

তোমালোক দুয়ো দেখোন খুব প্ৰেম কৰি বিয়া কৰাইছিলা? এতিয়া কলৈ গ'ল প্ৰেম?

সব অন্তৰ্দ্ধান হ'ল। পুৰুষৰ প্ৰেমত বিশ্বাস নাই।

নাৰীৰ প্ৰেমতো বিশ্বাস নাই। লগে লগে প্ৰদীপে উত্তৰ দিলে।

মই মূৰে কপালে হাতদি বহি পৰিলো। এনেতে কাম কৰা ছোৱালীজনীয়ে চাহ লৈ আহিল। মই কলো—

আটায়ে বেগতে চাহ খা। তাৰ পিচত নিজ নিজ ইচ্ছামতে যাৰ য'লৈ যাবলগীয়া আছে যাগে। মোৰো বৰ দৰ্কাৰী কাম আছে। ময়ো যাওঁ। অন্য এদিন বেছি সময় থকাকৈ আহিম। আজি তহঁতৰ ঘৰটো চাওঁ বুলিহে সোমাইছিলো।

এই বুলি মই লৰালৰিকৈ চাহ খাই সিহঁতৰ বাধা নেওচি ওলাই আহিলো। বাটত আহিহে অলপ স্বস্তিৰ নিশ্বাস পেলালো।

তেতিয়া সময় আবেলি। প্ৰদীপ মিনাক্ষীৰ ওচৰৰ পৰা আহি চান্দমাৰীৰ চিটিবাছ ষ্টপেজত পাণ্ডুমুখী বাছৰ কাৰণে অপেক্ষা কৰিছে। এনেতে হঠাৎ মোৰ কাষত এগৰাকী মাহিলা থিয় হৈ মাত লগালে—

হেৰা প্ৰকাশ, তুমি ক'ৰ পৰা আহিলা? গুৱাহাটীলৈ কেতিয়া আহিছা? তুমি ক'ত থাকা আজিকালি? ইচ্ বাম, কাৰো একো খবৰ নাপাওঁ ভাই? কিমান দিনৰ মূৰতহে তোমাৰ লগত দেখা হ'ল।

সচাঁকৈ বহুদিনৰ মূৰত প্ৰণতিক লগ পালো। মই হাঁহি মাৰি উত্তৰ দিলো—

তুমি একে উশাহে যিমানবোৰ প্ৰশ্ন কৰিলা মই কেনেকৈ তাৰ উত্তৰ দিওঁ? মুঠতে কওঁ— মই এতিয়া তাগিবোৱত ঘৰতে থাকো আৰু ব্যৱসায় কৰো। গুৱাহাটীলৈ ব্যৱসায়ৰ কামত আহি থাকিব লাগে। কালি আহিছিলো। আজি যাম নে থাকিম চিন্তা কৰি আছো। পিচে তোমাৰ খবৰ কোৱাচোন? শিৰতো সেন্দুৰ দেখা পাইছো। কাৰবাৰতো কেতিয়া হ'ল—খবৰেই নিদিলা? বাৰু এতিয়া কোৱাচোন, কোন সেই ভাগ্যবান প্ৰণতি?

আমাৰ ঘৰলৈ বলা দেখা পাবা। চিনা-পৰিচয়ো হবা। বিয়াত

বন্ধুবান্ধবলৈ মনত পৰিছিল—কিন্তু সঠিক ঠিকনাৰ অভাৱত বহুতকে খবৰ দিব নোৱাৰিলো। তোমাৰ ক্ষেত্ৰতো তেনে হ'ল। তাৰ বাবে ক্ষমা কৰিবা দেই। বলা আজি ৰাতি আমাৰ ঘৰতে থাকিবা। মোৰ বৰ ভাল লাগিব।

মই এক মুহূৰ্ত প্ৰণতিৰ চকুলৈ চালো। কি বিশ্বাস, মৰম আৰু সাদৰ নিমন্ত্ৰণ। প্ৰণতি মোৰ এম-এ শ্ৰেণীত একেলগে পঢ়া বান্ধৱী। প্ৰণতিৰ দৰে বহল মনৰ বান্ধৱী পোৱা সচাঁকৈ ভাগ্যৰ কথা। বিয়া হৈও ছোৱালীজনীৰ মন সলনি হোৱা নাই বুলি পাইছো। মই কথাপাতি জানিলো প্ৰণতিয়ে কলেজ এখনত অধ্যাপনা কৰে। গিৰীয়েক একজিকিউটিভ ইঞ্জিনীয়াৰ। প্ৰণতিয়ে মোক কোনোৰকমেই এৰি নিদিলে। যোৰ কৰি ঘৰলৈ লৈ গ'ল। গিৰীয়েক তেতিয়াও আহি পোৱা নাছিল। আমি দুয়ো দুকাপ চাহ খাই কথা পাতি থাকোঁতেই গিৰীয়েকো আহি পালে। কাত্তিক যেন চেহেৰাৰ ধুনীয়া সবল সুঠাম মানুহজনে গাড়ীখন ৰাখি সোমাই আহিল। প্ৰণতিয়ে মোৰ সতে চিনাকি কৰি দিয়াত তেখেতো আমাৰ লগতে বহিল। প্ৰণতিয়ে উঠি গৈ কাৰ্পেটৰ ওপৰতে আঠু কাঢ়ি বহি গিৰীয়েকৰ ভৰিৰ পৰা জোতাযোৰ খুলি লৈ গ'ল। কলে—'আপোনাৰ জোতাজোৰত অলপ বোকা লাগিছে।' মোৰ দৃশ্যটো দেখি বৰ ভাল লাগিল। অলপ পিছতে প্ৰণতিয়ে গিৰীয়েকৰ কাৰণেও চাহ একাপ আনি কলে—

" আমি আপোনালৈ ৰখি থাকি ভালদৰে চাহজলপান খোৱা নাই। সুদা চাহকাপ খাই আপুনি মুখহাত ধুই লওক। একেলগে আটায়ে খাওঁ।

গিৰীয়েকে হাঁহি মাৰি চাহকাপ লৈ কলে—

তুমি মোৰ কাৰণে এখেতকো কিয় কষ্ট দিছা? তোমালোকে খোৱা হলেই ভাল আছিল কিজানি।

মই ভাবিলো, তিনিও একেলগে খালে বেছি আনন্দ পাম। প্ৰণতিয়ে কলে।

নিশ্চয়, নিশ্চয়। মলো প্ৰণতিৰ কথামাৰ শলাগিলো।

গিৰীয়েকে কলে ।

মই বাক সোনকালেই মুখ হাত ধুই আহো । তুমি জলপানৰ যোগাৰ কৰা ।

খন্তেক পিচত তিনিও একেলগে বহি চাহ-জলপান খালো । খোৱা টেবুলতে গিৰীয়েকে প্ৰণতিক কলে—

মই তোমাৰ কাৰণে দুখন কিতাপ আনিছো । বেগটোতে আছে । উলিয়াবলৈ পাহৰিলো । এখন কবিতাৰ কিতাপ আৰু এখন গল্পৰ । নতুন ওলাইছে ।

প্ৰণতিয়ে পে কিতাপ দুখন লৈ আহিল । তাৰ পিচত নিজে একোবাৰ চকুফুৰাই মোক চাবলৈ দিলে । মই কিতাপ চাব ধৰিলো আৰু তেওঁলোক দুয়োনে তেওঁলোকৰ এবছৰীয়া ছোৱালীজনীক কোলাত লৈ অলপ সময় হাঁহি তামচা কৰিলে ।

এনেতে আনএটি পৰিয়াল তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ আহিল । মোৰ লগতো পৰিচয় কৰাই দিলে । আটায়ে বহু সময় ধৰি কথাবতৰা পাতি বংৰহইচ কৰিলো । মাজতে প্ৰণতিয়ে বান্ধনি ল'ৰাজনৰ সহায়ত আকৌ নতুন চাহ-জলপানৰ আয়োজন কৰিলে । এসময়ত আলহী-সকল উঠি গ'ল । ৰাতিৰ ৰন্ধাবঢ়াৰ সময়তো প্ৰণতি কিছুসময় বান্ধনিশালত থাকিল ।

মোৰ হলে মানুহ দুগৰাকীক বৰ ভাল লাগিল । গিৰীয়েকো বৰ ৰসিয়াল মানুহ । ৰাতি খাই বৈ উঠিও আমি বহুৰাতিলৈ গল্প গুজৱ কৰিলো । প্ৰণতি আৰু গিৰীয়েকে লগলাগি নিজহাতে মোৰ বিচনা পাৰি দিলে ।

পিচদিনা ৰাতিপুৱা মই চাহ খোৱাৰ পিচত আহিবলৈ ওলোৱাত তেওঁলোকে কোনোমতেই মোক আহিব নিদিয়া হ'ল । সিদিনা দেওবাৰ আছিল । অগত্যা মই তেওঁলোকৰ মৰম উপেক্ষা কৰিব নোৱাৰি সিদিনাৰ আবেলিলৈ তেওঁলোকৰ লগত বৰ আনন্দৰে কটাই বিদায় ললো । তেওঁলোকৰ মিলাপ্ৰীতি আৰু প্ৰেমৰ প্ৰকাশ দেখি মোৰ বৰ শ্ৰদ্ধা জন্মিল । আনকি গাখীৰ যোগনীয়াৰ আৰু পাচলি-বালাটোৰ সৈতেও এওঁলোকৰ কেনে মিঠা আচৰণ । এওঁলোকৰ ওচৰত

সকলোৰে যেন এওঁলোকৰ প্ৰেমৰ জ্যোতিৰে উদ্ভাসিত হৈ উঠে। মোৰ ভাব হ'ল— সচাঁকৈ মানুহৰ সংসাৰ এনেকুৱাহে হব লাগে। ভৰা কলহৰ দৰে ভালপোৱাতো সকলোৰে অন্তৰত উপচি থাকিব পাৰে। কিন্তু তাক সুন্দৰকৈ বাকী দিব কেইজনে জানে? যিটো এওঁলোকে জানিছে। কিমানে কলহৰ পৰা পানী বাকোতে পানী পৰি ঘৰখনেতেৰা হৈ যায়, কাৰোবাৰ হাতত গিলাচ ভাগে, কলহ বাগৰে আৰু কিমান কি যে হয়। প্ৰেম-ভালপোৱাও তেনেকৈ অন্তৰ উপচি থাকিলেও মানুহে নিবেদন কৰিব নজনাৰ ফলত সংসাৰ তিক্ত হৈ যায় —জীৱন বিষাক্ত হৈ পৰে।

মই অহাৰ সময়ত প্ৰণতিক সুধিলো—

তোমালোকৰ সংসাৰখন দেখি মোৰ বৰ ভাল লাগিছে। কোৰ'চোন বাৰু তোমালোকে প্ৰেমত পৰি বিয়া কৰাইছা নে বিয়াৰ পিচতহে তোমালোকৰ প্ৰেম হৈছে? প্ৰণতিয়ে হাঁহি মাৰি সুধিলে—

কিয় সুধিছা?

নিশ্চয় কিবা উদ্দেশ্য আছে। গিৰীয়েকে হাঁহি-মাৰি কলে। মই উত্তৰ দিলো—

মই কালি আৰু পৰহি মোৰ দুজন বন্ধুৰ দাম্পত্যজীৱন দেখি বৰ দুখ পাই আহিছো। সিহঁতৰ এজনে মাক-দেউতাকৈ চাই দিয়া অচিনাকি ছোৱালী বিয়া কৰাইছে আৰু এজনে নিজে ভাল পাই প্ৰেমত পৰি বিয়া কৰাইছে। কিন্তু দুয়োজনৰে সংসাৰ মধুৰ হোৱা নাই। তিক্ত হৈছে। তেওঁলোকৰ কথা জনাৰ পিচত মোৰ নিজৰ বিয়া কৰাবলৈ ভয়েই লাগিছিল। বিয়াৰ প্ৰতি মই আস্থা হেৰুৱাই পেলাইছিলো। কিন্তু তোমালোকক দেখি মোৰ মনে বৰ সাহস পাইছে। সেইবাবে জানিব বিচাৰিছিলো কোনটো বিয়া ভাল—ভাল পাই বিয়া কৰোৱাটোনে অচিনাকিক বিয়া কৰোৱাৰ পিচত ভালপোৱা চালি দিয়াটো?

মোৰ কথা শুনি প্ৰণতিয়ে ৰবকৈ হাঁহিলে। গিৰিয়েকে কলে— আচলতে বন্ধু, মই ভাবো, পৰস্পৰে ভাল পাই বিয়া কৰোৱা

বা অভিভাবকে দৰা কইনা চাই বিয়া পাতি দিয়া— ইয়াৰ কোনো-টোৱেই বিয়াৰ পিচৰ জীৱনৰ কাৰণে মুখ্য কথা নহয়। মুখ্য কথা হ'ল— দুয়োজনৰ মাজত বুজাবুজি আৰু শ্ৰদ্ধা। সেইখিনি যদি থাকে তেন্তে মানুহে যেনেকৈ বিয়া নকৰক কেলেই সুখী নহব?

প্ৰণতিয়ে কলে—

কিন্তু মই ভাবো, তাৰ ওপৰতো আৰু এটি বস্তু থাকে, সেইটি ভাগ্য। সকলোৱেতো সুখৰ আশাতেই বিয়া কৰায়। কিন্তু প্ৰকৃত সুখ কেইজনৰ ভাগ্যত ঘটে?

মই ক'লো—

তেনেহলে মোৰ ভাগ্যত বা কি আছে সময়তহে জানিম!

এইবুলি হাঁহি হাঁহি বিদায় ললো। পিচফালৰ পৰা প্ৰণতিৰ গিৰীয়েকে কৈ উঠিল—

ভাগ্য মানুহৰ নিজৰ হাতত।

ওৰে বাটে মই তেওঁৰ কথাষাৰে চিন্তা কৰি আহিলো।

—০—

॥ আলোক চিত্ৰ ॥

—অৰুণ গোস্বামী

লিখকৰ পৰিচয় —

[জন্ম— ১৮৬৭ শকৰ ১ শাওন। পিতৃ স্বাধীনতা সংগ্ৰামী পুণ্যধৰ দেৱ গোস্বামী আৰু মাতৃ ধৰ্মেশ্বৰী দেৱী।

বিশ্ব বিদ্যালয় পৰ্য্যন্ত অধ্যয়ন কৰি সমবায় বিভাগৰ বিষয়া হিচাপে গোস্বামীয়ে কৰ্ম জীৱন আৰম্ভ কৰে।

সমসাময়িক গল্প সাহিত্যলৈ গোস্বামীয়ে চাৰে চাৰিশমান গল্পৰ অৰিহণা আগবঢ়োৱাৰ উপৰিও তেওঁ এজন প্ৰতিষ্ঠিত ঔপন্যাসিক আৰু নাট্যকাৰ। গোস্বামীৰ প্ৰকাশিত গ্ৰন্থবোৰৰ প্ৰতিপদ, মুক্তিস্নান আদি বিশেষ ভাৱে উল্লেখযোগ্য।

সমাজ চেতনাৰ সমুজ্জ্বল গোস্বামীৰ গল্পই এক স্বকীয় বৈশিষ্ট্যৰে সাম্প্ৰতিক কালৰ গল্প সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

ৰিক্সাখনৰ পৰা নামোতে সুমতি দাসৰ মূৰত ওৰণি আছিল। সামান্য পাতল মাখন ৰঙৰ এখন শাৰী পিন্ধিছিল। চুটকেছ এটা হাতত লৈ সুমতি কলেজৰ গেটৰ আগত নামিল। সোমাই গ'ল। গেটৰ দুয়োকাষে বহি থকা ল'ৰাবোৰে এবাৰ সুমতিলৈ মূৰ দাঙি চালে। কোনেও একো মন্তব্য দিয়া সুমতিৰ কাণত নপৰিল। অৱশ্যে মন্তব্য দিলেও সুমতিৰ কাণত সাধাৰণতে নোসোমায়। আজি কিছু-মান দিন ধৰি সুমতিৰ কাণত সকলো কথা নোসোমোৱা হৈছে। হাতত চুটকেছটো লৈয়েই সুমতি অধ্যক্ষৰ কোঠালৈ সোমাল। পৰিচয় দিলে। আগতে ঠিক কৰি অনা কাগজ অধ্যক্ষৰ হাতত সুমতিয়ে অৰ্পণ কৰিলে। সেই মুহূৰ্তৰ পৰা সুমতি "যদুনাথ শৰ্মা কলেজৰ' ইংৰাজীৰ অধ্যাপিকা হ'ল।

কেইদিনমানৰ পিছতেই সুমতি গাৰ্লচ হোষ্টেলৰ এটা অকল-

শবীয়া কোঠালৈ আহিল। লগত একনী সাত আঠ বছৰীয়া ছোৱালী। ছোৱালীজনীয়ে সুমতিৰ কোনো আত্মীয়ৰ ছোৱালী নহয় এই কথা তাইৰ চাল-চলন আদৱ-কায়দাৰ পৰা ধৰিব পৰা যায়। কেতিয়াবা তাই শুয়েই থাকে আৰু হোষ্টেলৰ বয়টোৱে দি থৈ যোৱা ভাত-খিনিও সুমতিয়েহে তাইক ভাগ কৰি দিয়ে। কেতিয়াবা কলেজৰ পৰা আহি সুমতিয়েহে তাইকো চাহ একাপ কৰি খুৱাই। অৱশ্যে সাধাৰণতে ছোৱালীজনীয়ে সুমতিক ষ্টভটোত চাহ একাপ কৰি দিয়ে, বাথৰুমত থৈ অহা কাপোৰবোৰ আওভালি মেলি দিয়ে। ওচৰৰ দোকানৰ পৰা ইটো সিটো আনি দিয়ে। কিন্তু সুমতি আৰু ছোৱালীজনীৰ মাজত কথাপতা হলে কোনেও কিজানি শুনা নাই। সেই কাৰণেই কোনেও সুধিবলৈ সাহ কৰা নাই যে ছোৱালীজনী আৰু সুমতিৰ মাজত সম্পৰ্ক কি আছে?

সুমতিক আচলতে কোনেও নাইবুজা বুলিব লাগে। নীতি-মতে কলেজৰ ক্লাছ কৰে। অফ পিৰিয়ডত লাইব্ৰেৰীলৈ যায়। বহে, পঢ়ে। কিবাকিবি নোট কৰে। ওলাই আহে। কঠিন মতে ক্লাছ কৰে। সহকৰ্মীৰ লগত মুখামুখি হলে নিতান্তই সৌজন্যতামূলক এটা মিহি হাঁহি মাৰে। সোধা প্ৰশ্নৰ উত্তৰকেইটা যথা সম্ভৱ চুটি চুটি কথা বা শব্দৰে দিয়ে। কথাকেইটা কণ্ঠতে এনেকুৱা লাগে যেন চেতাৰ এখনৰ মিহি সুৰ ওলোৱা তাঁৰ এডালহে কোনোবাই হাতৰ আঙুলিৰ আগেৰে চুই দিছে। তাৰ পিচত একাপ কিতাপৰ সৈতে নিজৰ কোঠালৈ আহি সুমতি প্ৰথমে কাপোৰ-কানি নোহোসোলোৱা-কৈয়ে বিচনাত বাগৰি পৰে। সদায় নহলেও সাধাৰণতে এটা কামকে কৰে— সেয়া হ'ল গাৰুৰ তলত থকা চিঠিবোৰৰ এখন উলিয়াই এইমাত্ৰ ডাকত পোৱা চিঠিখনৰ খামটো ফালি পঢ়াৰ দৰে মনযোগেৰে পঢ়ে। সেইকণ সময়তে লগত থকা সাত-আঠ বছৰীয়া ছোৱালীজনীয়ে একাপ চাহ কৰি দিয়ে।

সুমতিয়ে প্ৰায় সদায় একেধৰণৰ কাপোৰকে পিন্ধে। সামান্য মাখন বৰণৰ শাৰী। তৰিত একেবাৰে সাধাৰণ দুডাল ফিটাৰ একযোৰ চেণ্ডেল। কেতিয়াবা ঢকা পাটৰ মেখেলা আৰু বগা চাদৰ। চুলি

প্ৰায়েই এডাল বেণীৰে বান্ধি থয়। দীঘল, কৰণ্ডন ছুই থাকে। হাত, ডিঙিত একো অলঙ্কাৰ নাই। বোধহয় ঘড়ীটোও অলঙ্কাৰৰ দৰে দেখে বুলিয়েই প্ৰায়েই হাতত ঘড়ী নাবান্ধে। মুখত কিবা ক্ৰীম জাতীয় বস্তু ঘঁহে বুলি কোনেও কব নোৱাৰে। যদিও মাজে মাজে কপালত চন্দনৰ ফোটৰ দৰে এটা ফোট লয়। তাকো সদায় মন কৰা মানুহেহে ধৰিব পাৰিব। সহকৰ্মীৰ কাৰণে সুমতি দাস যেনেদৰে এটা জীয়া সাঁথৰ ছাত্ৰ-ছাত্ৰীৰ মাজ.তা সুমতি বাইদেউ তেনেকৈয়ে এটা বিৰাট ৰহস্য। ক্লাছত নবহা লৰা-ছোৱালীয়েও সুমতি বাইদেউৰ ক্লাছত নীৰৱে বহি থাকে। প্ৰত্যেকটো শব্দকে গ্ৰহণ কৰিবলৈ মন-কাণ সাজু ৰাখে। কেতিয়াবা ক্লাছলৈ ওলোৱা পলম কৰিলেই ছাত্ৰ-ছাত্ৰী গৈ কমনৰুমত হাজিৰ, 'বাইদেউ ; আপোনাৰ ক্লাছ আছিল।' —'বলা মই গৈছো।' দুকুৰি পাঁচ মিনিট সময় কেতিয়া পাৰ হ'ল সুমতি বাইদেউৰ দৰে ল'ৰা-ছোৱালীখিনিয়েও গম নাপায়। ক্লাছৰ বক্তৃতাটো এনেধৰণেৰে এটা উপমাৰে বুজাব পাৰি যেন নীৰৱতাৰ মাজত এগৰাকী শিল্পীয়ে একান্ত মনে চেতাৰ বজাইছে। অৱশ্যে সুমতি দাসে চেতাৰ নবজায়। ৰাতি কেতিয়াবা বেহেলা বজায়।

মাজনিশা বেহেলা বজায়। কাষৰ বিচনাখনত ছোৱালীজনী শুই থাকে। তাই সাৰে নাথাকে। হোষ্টেলৰ সাৰে থকা ছোৱালীবোৰে বাইদেউৰ দুৱাৰ-খিৰিকীৰ ওচৰত কৰ নোৱাৰাকৈয়ে ভিৰ কৰে। বন্ধ দুৱাৰ খিৰিকীৰ সামান্য ছিদ্ৰাইদি ওলাই অহা বেহেলাৰ শব্দ শুনে। কেনে অৱস্থাত সুমতি দাসে বেহেলা বজাইছে। বাহিৰৰ পৰা কোনেও নেদেখে। কেতিয়াবা পূৰ্ণিমা নিশালৈকে সুমতি দাসৰ কোঠাৰ বাহিৰত ছোৱালীবোৰে অপেক্ষা কৰে। কোনো কোনোৱে এইবুলিও এটা কথা প্ৰচাৰ কৰি দিছে যে বেহেলা বজাই শেষ কৰাৰ পিচত সুমতি বাইদেউৱে উচুপি উচুপি কান্দে। কান্দেনে ? কান্দে। কিন্তু কেনেকৈ কান্দে, কিয় কান্দে— সেই কথা কোনেও নাজানে। কাষত নিঃপালি দি শুই থকা সৰু ছোৱালীজনীকো সুধি সুধি

কোনেও উত্তৰ নাপাই। তাইক সেই বিষয়ে সুধিলে হাঁ কৰি চাই থাকে। কেতিয়াবাহে তাই কয়, 'অ' কান্দে কান্দে বাইদেউৰে কাঁদাৰ কান্দে জানানে?' এইটো কথা অন্যৰ ক্ষেত্ৰত হোৱা হলে গোটেই নগৰখনতে এটা মুখৰোচক বাতৰি হলহেঁতেন। সুমতি দাসৰ কথা কাৰণে নুশুনাবোৰে বিশ্বাস নকৰে আৰু শুনাবোৰেও বুকুৰ মাজতে কথাটো চৰিয়াত জীয়াই ৰখা মাছৰ দৰে জীয়াইহে ৰাখিছে মাত্ৰ।

নিয়ৰত তিতা এপাহ বগা গোলাপ ফুলৰ দৰে সুমতি দাস ন বজাৰ অনাৰ্চ ক্লাছৰ কাৰণে হোষ্টেলৰ পৰা ওলাই যায়। মিঠা-বৰণীয়া লাহি এই ত্ৰৈবিশ-পচিশ বছৰীয়া ছোৱালীজনীৰ গোটেই গাতে কপালৰ পৰা ভৰিৰ গোৰোহালৈকে পাতল বগা চন্দনৰ প্ৰলেপ এটা লগাই থোৱাৰ নিচিনা লাগে। অৱশ্যে কেইজনমান ডেকা সহকৰ্মীৰ মাজত সুমতি দাসৰ মনৰ ওচৰ চপাৰ চেষ্টা এটা কিছুদিন চলি-ছিল যদিও শেষলৈ প্ৰত্যেকেই সেই চেষ্টাক অপচেষ্টা বা বৃথাচেষ্টা বুলি জ্ঞান কৰি বাদ দিলে।

এই কলেজৰ পৰা সুমতি দাসৰ ঘৰলৈ দুকুৰি মাইলৰ বেছি নহয়। এইটো কথাও কোনোবাই যদি সুমতি দাসক সুধিছে তেতি-য়াহে গম পাইছে। সুমতি দাসে নিজৰ বিষয়েও কাকো একো কোৱা নাই আৰু লোকৰ বিষয়েও কাকো একো সোধা নাই। কথা-বতৰা পাতিবলৈ যেন এই পাতক ছোৱালীজনীৰ অকণোকে সময়েই নাই। ইংৰাজী সাহিত্যৰ প্ৰথম শ্ৰেণীৰ প্ৰথম হৈয়ো সুমতি দাসৰ কতো ভাব অকণো চিন-মোকাম লাগি থকা নাই যেনেকৈ অন্য সহকৰ্মীসকলৰ কথা-বতৰা, সাজ-পোছাক, চাল-চলনত তথাকথিত শিক্ষা আৰু প্ৰাপ্ত শ্ৰেণীৰ এটা ছাপ স্পষ্ট হৈ থাকে। দেখিলে এনে এটা ভাবো হয় যে সুমতি দাসে যেন দৰ্মহাৰ কাৰণে চাকৰি কৰা নাই। কেৱল পঢ়ুৱাব আৰু সময় কাটিবৰ কাৰণেহে তেওঁ কলেজত কাম কৰি আছে।

কেতিয়াবা কেতিয়াবা সন্ধিয়া সুমতি দাস লগত থকা সাত-আঠ বছৰীয়া ছোৱালীজনীৰ লগত ফুৰিবলৈ ওলাই যায়। সাজ-পোছাক, চাল-চলন, ব্যৱহাৰ-পাতিৰ পৰা লগত ফুৰা সৰু ছোৱালীজনীক

তেওঁৰ বন কৰা বাহিৰা হোৱাৰাণী হিচাপেহে আছে সেয়া ধৰিবৰ কোনো উপায় নাই। বাইত যাকে লগ পাইছে সেই একেটা হাঁহি, সেই একেটা ভংগীৰ ব্যৱহাৰ।

চিঠি আছে। আলোচনীৰ কবিতা বিচৰা চিঠি। ঘৰৰ পৰা মাক-দেউতাক ভনীয়েকে লিখা চিঠি। ভয়েক দুটাই সুমতি দাসলৈ চিঠি নিদিয়ে। কেতিয়াবা সুমতিয়েহে টকা পঠালে মণি-অৰ্ডাৰ কুপনখনত দুআষাৰ লিখি পঠায়। সিমানেই। সুমতি দাসে আলোচনীৰ পৰা কবিতা বিচৰা চিঠি পালে মেলি পঢ়ে। একেখন চিঠিকে বহু সময় ধৰি চকুৰ আগত ৰাখে। তাৰ পিচত সামৰি থয়। কবিতা লিখা নহয়। বহুত দিন সুমতি দাসে কবিতা লিখা নাই। কবিতা নিলিখাৰ কাৰণে গুণমুগ্ধ পাঠক-পাঠিকাৰ পৰা পোৱা চিঠিও ঘৰৰ পৰা বা আলোচনীৰ পৰা ৰিডাইৰেক্ট কৰি পঠায়। সেইবোৰো কেতিয়াবা মেলি চায়। অকণো অনুকম্পা প্ৰকাশ নকৰাকৈ পঢ়ি থৈ দিয়ে।

কলেজ তিনিদিনমান বন্ধ আছিল। এদিন আবেলি সুমতি দাস ছোৱালীজনীৰ লগত ওলাই গ'ল। এখন ৰিক্সা ললে। হাতত এটা সক খাম। কেবাদিনো মন কৰি থোৱা নগৰৰ ভাওৰ স্টুডিঅ'-টোৰ সন্মুখত নামিল। বাহিৰৰ বিজ্ঞাপনটো আকৌ এবাৰ পঢ়ি চালে। 'ইয়াত ফটো অ'কাও হয়।' মেনেজাৰৰ ওচৰত ৰ'ল। মেনেজাৰে বহিবলৈ আঙুলিয়াই দিয়া কোমল কুচনৰ চকীখনত বহিল। এবাৰ মানুহজনীৰ মুখলৈ চাই হাঁহি মাৰি সুধিলে, 'কওঁক-চোন!'

'আপোনালোকে ফটো চাই আঁকিব পাৰিবনে?

'হয়, আমি অৰ্ডাৰ লওঁ।'

আগতে তেনে ধৰণেৰে আঁকা এখনমান ছবি মোক দেখুৱাব পাৰিবনে বাৰু?

পাৰিম ব'ব। মেনেজাৰ ভিতৰলৈ গ'ল। হাতত দুখন তৈলচিত্ৰ

দুফুটমান ডাঙৰ ছবি উলিয়াই আনিলে। সুমতি দাসে হাত মেলি ল'লে। এখন এজন ডেকা মানুহৰ ছবি আৰু এখন এগৰাকী বুঢ়ী মানুহৰ ছবি। ঘূৰাই পকাই চালে।

সচাঁকৈয়ে ভাল আঁকিছে। ক'লে। কথাষাৰত মেনেজাৰ উৎসাহিত হ'ল। আৰু লগে লগে যি দুখন আলোক চিত্ৰৰ পৰা অকাঁ হৈছে সেই ছবি দুখনো মেনেজাৰে সুমতিৰ হাতত দিলে। ডেকা মানুহজনৰ মূল ফটোখন যথেষ্ঠ বেয়া হৈছে। তাৰ পৰা আচল চেহেৰাটো উদ্ধাৰ কৰা কামটো বাস্তৱিকতে কষ্টসাধ্য হৈছে। বুঢ়ী গৰাকীৰ অৱশ্যে মূল ফটোকপি ভালেই আছিল। একান্ত মনে সুমতি দাসে ছবি দুখনৰ লগত মূল ফটো দুকপি মিলাই চাই থাকোতে মেনেজাৰে এটা দীঘল লেকচাৰ আৰম্ভ কৰি দিলে। বক্তৃতাটোৰ দুই এটা কথা সুমতিৰ কাণত পৰিছিল। ডেকা মানুহজন মৰিল। তেওঁৰ ঘৈণীয়েকে এই ছবিখন অকাঁইছে। কেংসাৰ হৈছিল। বুঢ়ী মানুহ গৰাকী অৱশ্যে জীয়াই আছে। সেই কাৰণেই বুঢ়ী গৰাকীৰ ছবি আঁকোতে আৰ্টিষ্টৰ বেছি অসুবিধা হোৱা নাছিল। কাৰণ আচল তেজ মঙহৰ মানুহজনী নিজ চকুৰে চাই লব পৰা গৈছিল। সুমতি দাসে তেতিয়াও ছবি দুখন চাই আছে। লগত মোৱা সৰু ছোৱালী জনীয়েও মনোযোগ দি ছবি দুখন চাইছে। সুমতিয়ে অকণো অনুৎসাহিত কৰা নাই। তায়ো যেন চোৱা উচিত। এই আগ্ৰহ দেখি মেনেজাৰ জনে অলপ বেছিকৈ কোৱাৰ সুযোগ ললে। আনকি তেওঁ ওচৰত বহি থকা ছোৱালীজনীৰ পৰিচয়ো ললে। সুমতি দাসে হাতৰ পৰা আহেঁাক ছবি দুখন মেজৰ ওপৰত থলে। থৈ তেওঁ হাতত থকা সৰু খামটোৰ পৰা পাচপৰ্ট চাইজৰ এখন ফটো উলিয়ালে। উলিয়াই এবাৰ ফটোখনলৈ তন্ময় হৈ চালে। এইকণ সময়তে মেনেজাৰজনে সুমতি দাসক অধ্যয়ন কৰাৰ চেষ্টা কৰিলে। এইবাৰ সুমতি দাসে হাতত ফটোখন লৈয়েই মেনেজাৰলৈ চাই সুধিলে— আপোনালোকৰ ছবিবোৰ কোনে আঁকে।

আমাৰ নিজা আৰ্টিষ্ট আছে। শান্তিনিকেতনত পঢ়া কৰি

অহা আৰ্টিষ্ট। বৰ ভাল আঁকে। এইবোৰ চব তেওঁৰেই অঁকা। তেওঁ বৰ খেয়ালী মানুহ জানে? চৰকাৰী চাকৰিৰ মোটা দৰমহাও তেওঁক নিব পৰা নাই। আজি থকা হলে আপোনাৰ লগত চিনাকি কৰি দিব পাৰিলোহেঁতেন। তেওঁখেত কেইদিনমান ছুটীত গৈছে। আপুনি জানো আমাৰ যদুনাথ শৰ্মা কলেজত নতুনকৈ অহা নাই?

হয়! আপোনালোকে ছবিখন কিমান দিনত আঁকি দিব পাৰিব?

চাওঁ ফটোখন। সুমতিৰ হাতৰ পৰা মেনেজাৰে ফটোখন হাতত ললে। হাতত দিওঁতেও এবাৰ ফটোখন চালে।

অ' কোনো কথাই নাই। এইখনৰ পৰা খুব সুন্দৰকৈ আঁকিব পৰা হব। মাত্ৰ মাজত অলপ স্পট পৰিছে। একো নাই সুন্দৰ হব।

কেতিয়ামানকৈ দিব পাৰিব?

আজি কি তাৰিখ, পোন্ধৰ—পোন্ধৰ! ডেৰমাহমান লাগিব। আপোনাক সিটো মাহৰ ত্ৰিশ তাৰিখে ডেলিভাৰী দি দিম। অলপ ভাল পেপাৰ আৰু ভাল মহলাপাতিৰে কৰিব লাগিব।

ডেৰমাহ। মোৰ হাতত আৰু ফটো নাই। ইমান দিন ইয়াত ফটোখন ৰাখিবলৈ হলে— । সুমতিয়ে কথাকেইটা অকলো নোবোৱা-কৈয়ে কৈ কৈ ৰ'ল। কথাকেইটাত মেনেজাৰো কিছুবিস্মিত হ'ল। ফটো এখন ডেৰমাহ লগত নথকাৰ কথাটোত বিশেষ অসুবিধা পাব লগীয়া নহয় দেখোন। মেনেজাৰটোৱে আকৌ এবাৰ নতুনকৈ সুমতি দাসলৈ চালে। ক'ৰবাত কিবা লুকাই থকাৰ নিচিনা লাগিল।

শেষত সুমতি দাসে এটা চৰ্তত ফটোখন দি উঠিল। ষাঠি টকা এডভান্স দিলে। মেনেজাৰে কুৰিটকামান এডভান্স দিলেই হব বুলি কৈছিল যদিও সুমতি দাসে ছখন দহ টকীয়া নোট দি দিলে। কলে যাতে ছবিখন নিখুঁট আৰু সুন্দৰ হয়। মেনেজাৰে আশ্বাস দিলে। সুমতি দাসে আশা কৰাতকৈয়ো বেছি ভাল পাব বুলিছে। মাত্ৰ এই ডেৰমাহত মাজে মাজে সুমতিয়ে ফটোখন চাই যাবহি বুলি কোৱাৰ চৰ্তটোত মেনেজাৰ বৰ সন্তুষ্ট নহল। কাৰণ খেয়ালী

আটিষ্টজনে ছবিখন আঁকি থকাৰ সময়ত দেওবাবলৈ মাতি নহবও পাৰে। সুমতি দাসে স্পষ্ট কৰি দিলে যে তেওঁ ডেবমাহৰ ভিতৰত মাজে মাজে অঁকা ছবিখন চাবলৈ ইচ্ছা কৰা নাই কেৱল এই ফটো-কপিহে চাই যাব। মেনেজাৰৰ হাতৰ পৰা ফটোকপি আকৌ এবাৰ চাই সুমতি উঠিল।

সক ছোৱালীজনীৰ লগত তেওঁ আকৌ ওলাই আহি আলিত বৈ এখন খালি ৰিক্সা বিচাৰিলে।

বহুতে এনে এটা কথা কবলৈ ধৰিলে যে এই সুমতি দাস বোলা গাভৰু মানুহজনীৰ সহচৰী বিষণ্ণতাৰ মূল কাৰণ হল যে তেওঁক সৰুতে বিয়া দিছিল আৰু কিছুদিনৰ পিছতেই বিধবা হ'ল। এই সিদ্ধান্তৰ কিবা হেতু আছেনে নাই সেই বিষয়ে কোনেও একোকে বিচাৰ নকৰি কথাটো সচাঁ বুলি কবলৈ ধৰিলে। নিজে নিজে গ্ৰহণ কৰা এই সিদ্ধান্তৰ পিছত মানুহবোৰে আৰু এটা মন্তব্যও নিদিয়া নহয় যে বিয়া বাৰু হল বা বিধবাও হল তাতে কি হল! এনে এজনী গুণী, সুন্দৰী এতিয়া ফুলি উঠা তগৰ ফুল এপাহিৰ বাবে সু-পাত্ৰৰ অভাৱ লাগিছেনে! এইমাত্ৰ যদি সুমতি দাসে তেওঁৰ মনৰ ভাব প্ৰকাশ কৰে মুহূৰ্ত্ততে ৰাজকুৱঁৰীৰ স্বয়ম্বৰলৈ ৰাজকুমাৰ অহাৰ দৰে সুপাত্ৰৰ ভিৰ লাগিব। অথবা এটা আধুনিক উপমাৰে কব পাৰি যে শিশুৰ গাখীৰৰ টিন বিচৰা পিতৃ বা চাউলৰ নাটনিৰ সময়ত চাউলৰ বাবে কিউ ৰখা গ্ৰাহকৰ দৰে শাৰী পাতিবহি। তাকেই নকৰি সুমতি দাসৰ নিচিনা এজনী গাভৰু ছোৱালীৰ এই বিষা-দৰ লগত কিয় ঘনিষ্ঠতা মানুহে আলোচনা কৰা এই কথাটোৰ বাবে কোনেও অৱশ্যে দায়িত্ব পালন নকৰিলে কোনেও এবাৰলৈয়ে সোধাৰ সাহস নকৰিলে।

সুমতি আহি পোনে পোনেই বিচনাত পৰিলেহি। নিঃশব্দে টেবুলত ভাত দি লগৰ সৰু ছোৱালীজনীয়ে খাবলৈ ধৰিলে। কোঠা-টোৰ লগতে সংলগ্ন বাথৰুমত সোমাই সুমতিয়ে মুখ-হাতবোৰ ধুই ললে। এপিচি মেলা চুলিৰে সুমতি বাথৰুমৰ পৰা ওলাই আহিল।

গাৰুটো দাঙি এনেদৰে চিঠিৰ মাজৰ পৰা বিচাৰি বিচাৰি এটা নিৰ্দিষ্ট খাম উলিয়াই আনিলে। খাম বুলিব নোৱাৰি। তিনিফালৰ আঠা এৰাই গ'ল মাথো এফালে বাকী আছে। কথমপি আগৰ ভাঁজৰ ভিতৰত চিঠি এখন জাপি থব পাৰি। তাৰ মাজৰ পৰাই চিঠিখন উলিয়ালে। তেনেই সৰু চিঠি। চিগাৰেটৰ বাকচত থকা বগা কাগজখনৰ সমান দীঘল বহল মাত্ৰ। আখৰবোৰ গোট গোট আৰু নিকা। গোট গোট আখৰৰ এটা সৰু কবিতাৰ দৰে লাগে চিঠিখন দেখিলে। সদায় কৰাৰ দৰে আজিও সুমতিয়ে চিঠি-খন মেলি লৈ চকুৰ আগত ৰাখিলে। মাত্ৰ চাইহে থাকিল। নপঢ়িলে। পঢ়িবলৈ তেনেকৈ নায়েই। যিকেইটা শব্দ তাত আছে আটাই কেইটা মনৰ ভিতৰত খাজকাটি থোৱা আছে। সুমতি দাসৰ কবিতা পঢ়ি লিখা চিঠি। অন্যান্য পাঠক পাঠিকাৰ পৰা পোৱা চিঠিৰ দৰে এইখন চিঠিও সুমতিয়ে পাবৰ দিনা সম্পূৰ্ণ আওহেলাৰে থৈয়েই দিব খুজিছিল। পৃথিবীত প্ৰশংসা ভাল নোপোৱা যি নিচেই সামান্য সংখ্যক মানুহ আছে সুমতিৰ নাম সেইখন তালিকাৰ সম্ভৱতঃ প্ৰথম অংশতে পৰিব। খোচনাম নিবিচৰা বা বিখ্যাত হবলৈ নিবিচৰা ব্যতিক্ৰমী কম সংখ্যক মানুহৰ ভিতৰতো সুমতি দাসৰ নামো প্ৰথম-তেই পৰিব। কেৰিয়াৰিষ্ট হোৱাৰ মুঠেই আকাঙ্ক্ষা নথকা সত্বেও সদায় প্ৰথম হৈ অহাৰ পাছতো এম-এত ইংৰাজী সাহিত্যত যেতিয়া প্ৰথম শ্ৰেণীৰ প্ৰথম হৈছিল তেতিয়াও যদি কোনোবাই অভিনন্দন জনাইছিল সেই একেইটা মিহি হাঁহিৰে কৈছিল, 'জানো নম্বৰ চম্বৰ যোগ বিয়োগ কৰাই ক'ৰবাত ভুল হৈ গ'লনেকি— মই ফাৰ্ষ্ট ক্লাছ পাবলগীয়া পৰিশ্ৰমীও নহয়। মেৰিটৰিয়াচো নহয়। সম্ভৱতঃ এইবোৰ কাৰণতে বৰ্ত্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰতি সচেতন এচাম বীতশ্ৰদ্ধ হৈছে'। সেই কাৰণেই সেইদিনা সেই সৰু চিঠি খনৰ প্ৰতি সুমতিৰ আগ্ৰহ নহৈছিল। কিন্তু হঠাৎ সিপিঠিৰ ঠিকনাটোত চকু পৰাত সুমতিৰ সৰ্বাঙ্গত প্ৰথমে শিকাৰ মাৰি আৰু তাৰ পাছত লাহে লাহে পিৰপিৰাই কিবা এটা নতুন অনুভূতি এই উঠিছে এই

নামিছে, এই উঠিছে এই নামিছে যেন বোধ হ'ল। এইটো সুমতিৰ নিঃসংগ নিৰ্জনতাপ্ৰীতি মনৰ কাৰণেও এটা নতুন অনুভূতি।

অনুৰৱ কলিতা, তেজপুৰ জেইল, চেল নম্বৰ বাৰ। অনুৰৱ কলিতা কোন? তেজপুৰ জেইলৰ ১২ নম্বৰ চেল। কবিতা পঢ়ি ভালপোৱা। সংগ্ৰামী কবিতা লাগে। কবিতাই সংগ্ৰাম নকৰে। কিন্তু সংগ্ৰামৰ প্ৰাণশক্তি দিয়ে। পানীয়ে মটৰ নচলে কিন্তু পানী নহলে মটৰ অচল। তেনেদৰে কবিতাই সংগ্ৰাম নকৰে। কিন্তু কবিতাৰ অবিহনে সংগ্ৰামী হোৱা টান। এইবোৰ কি কথা। নিজৰ বিষয়ে সেই সৰু চিঠি টুকুৰাত ক'তো একো কথা নাই। কেৱল ঠিকনাটো। চেল নম্বৰটো নথকা হলে জেইলৰ কৰ্মচাৰী বুলি ভবাৰ থল আছিল। এতিয়া বন্দী। বন্দী, কবিতা, সংগ্ৰাম প্ৰেৰণা ঠিকনা এই আটাইবোৰ বিক্ষিপ্ত ভাব আৰু শব্দৰ জোৰা লগাই সুমতিয়ে এটা সিদ্ধান্ত কৰি পেলালে যে এই ল'ৰাটো লৰানে বাৰু মানুহ। বাৰু লৰাই হয় এই ল'ৰাটো নিশ্চয় ৰাজনৈতিক বন্দী। সমগ্ৰ ভাৰতবৰ্ষত পয়ত্ৰিশ হাজাৰৰ পৰা চল্লিশ হাজাৰ ডেকাক নিৰ্বিচাৰে বন্দী কৰি ৰাখিছে। তেওঁলোকৰ অপৰাধ হ'ল এয়েই যে তেওঁলোকে দেশক ভাল পায়। তেওঁলোকৰ অপৰাধ হ'ল যে মোহনদাস কৰম চাঁদ গান্ধী আৰু তেওঁৰ অনুগামী সকলৰ দৰে দলিত পীড়িতৰ কাৰণে কেৱল মুখত ৰামৰাজ্য অৰু কাৰ্য্যত ধনী আৰু তথাকথিত ৰাজনৈতিক অৰ্থনৈতিক ভাৱে উচ্চ বৰ্ণৰ কাৰণে সৃষ্টি কৰা ৰামৰাজ্যক ৰামৰাজ্য বুলি কবলৈ অস্বীকাৰ কৰি শোষিতৰ কাৰণে ৰাম ৰাজ্য গঢ়াৰ হকে কাম কৰিছিল। মাত মাতিছিল। তেওঁলোকৰ অপৰাধ শোষণক শোষণ বুলি কৈছিল। তেওঁলোকৰ অপৰাধ শোষককক শোষক বুলি আঙুলিয়াই দিছিল। তেওঁলোকৰ অপৰাধ হ'ল শোষণৰ চক্ৰবেহু ভঙ্গ কৰাৰ বাবে ধূলি মাটিত গঢ় লোৱা অভিমন্যু বাহিনীৰ গচাৰ পণ লৈছিল।

ঠিকেই নিৰ্ভুল অনুৰৱ কলিতা এই সুন্দৰ নামৰ ল'ৰাটোও সেই বাহিনীৰে। এই সিদ্ধান্তটো দৃঢ়ভাৱে গ্ৰহণ কৰাৰ পাছত সুমতি

দাসৰ চকুহালত পানীৰ চামনি পৰিল। অলপ তবক হ'ল। ক্লাছ হেভেন এইটত পঢ়া এজনী চঞ্চলা কিশোৰীৰ দৰে সুমতি দাসৰ মন প্ৰাণ জপিয়াই উঠিল। অকণো বিলম্ব নকৰি সুমতিয়ে ইন্‌লেণ্ড কার্ড এটা আনি গোট গোট আখৰৰ এখন চিঠি লিখিলে।

অভিমানত মন যেতিয়া ভাগি পৰিছিল—আত্মধিকাৰত মন যেতিয়া ভৰি পৰিছিল ঠিক তেনে সময়তে অৰ্থাৎ সুমতিৰ প্ৰথম চিঠিখনৰ তিনি মাহৰ পিছত অনুৰবৰ পৰা দ্বিতীয় চিঠিখন আহিল। চিঠিখন খুলিয়েই সুমতিৰ বুকুৰ ভিতৰখন বাষ্পৰুদ্ধ হৈ পৰিল। প্ৰায় বহুত সময় সেই চিঠিখন পঢ়িব পৰাকৈ তাইৰ দুচকুত দৃষ্টি নাছিল। চকু দুটাৰে স'চাকৈয়ে আন্ধাৰ দেখিছিল। সেই মিছা অভিমান—সেই মিছা খং হোৱাৰ কাৰণে সুমতিৰ অতিশয় দুখ লাগিল। অনুৰবে আকৌ এটা নতুন ঠিকনা দিলে। তাত ধুবুৰীজেইল, চেল নম্বৰ সাত। অনুৰবে লিখিছে এই তিনিমাহৰ ভিতৰত প্ৰায় ছখন জেইল সলালে। কেতিয়াবা পোন্ধৰ দিনৰ ভিতৰতে দুখন জেইল সলাব লাগে। সেয়েহে উত্তৰ দিয়াত পলম হ'ল। আৰু কিবা কষ্টৰ কথাও লিখিছে। কি কষ্ট হৈছে বাৰু? কাগজৰ বাতৰি বোৰ যেন মিছা হওক। এই কথাই সুমতি দাসে সদায় ভাবে আৰু এতিয়াহে দেখিলে যে সদায় ভবা কথাটোহে মিছা হয় আৰু কাগজৰ বাতৰিবোৰেই স'চা হ'ব। অৰ্থাৎ নক্সালাইট বুলি কাৰাৰুদ্ধ কৰি ৰখা যুৱক-যুৱতীৰ ওপৰত অমানুসিক বৰ্বৰ অত্যা-চাৰ। স'চানে? স'চানে? অনুৰব। তেনেহলে অনুৰবৰ ·· ···।

তাৰ পিচত সুমতিয়ে অনুৰবৰ প্ৰত্যেক চিঠিৰ উত্তৰত একোটা কবিতা লিখি পঠায়। এবাৰ সুমতিয়ে আক্ষেপ কৰি এখন চিঠি লিখিলে যে কিয় একান্ত ব্যক্তিগত কথাৰে ভৰা কবিতাবোৰ তেওঁ বাজহৰাভাৱে প্ৰকাশ কৰি দিয়ে। অৰ্থাৎ সুমতিয়ে চিঠিৰ উত্তৰ স্বৰূপে লিখা কবিতাবোৰ অনুৰবে নিজ হাতেৰে কপি কৰি কোনোবা আলোচনীলৈ সুমতিৰ নামত পঠাই দিয়ে। আলোচনীৰ কমপ্লিমে-ণ্টৰী কপিটো খুলি যেতিয়া সুমতিয়ে নিজৰ কবিতাটো পায় আৰু

যেতিয়া সেই কবিতা পঢ়ি ৰসগ্ৰাহী পাঠক-পাঠিকাৰ পৰা চিঠি পায় এই দুয়োটা মুহূৰ্ত্ততে সুমতিৰ কাণ-মুখ গৰম হৈ যায় জন্তেকতে।

সকৰে পৰাই নিৰ্জ্জনতাক ভাল পোৱা নীৰৱ প্ৰকৃতিৰ সুমতিৰ তেতিয়াহে অনুভৱ হ'ল যে আচলতে সুমতিয়েও অনুৰৰৰ দৰেই কিবা এটা কৰিবলৈ বিচাৰি ফুৰিছিল কেৱল পোৱা নাছিল আঁট— পোৱা নাছিল বাট। এতিয়া অনুৰৰক লগ পোৱাৰ পাছত যেন দুয়োটাকে পালে। অনুৰৰৰ লগত পৰিচয় হোৱাৰ এই চাৰিটা বছৰৰ ভিতৰত সুমতিৰ এই ধাৰণাটোও দৃঢ় হ'ল যে তাই যেন আজন্ম কাল অনুৰৰক পাই আহিছে।

ইত্যাদিবোৰ কথাৰ একোকে ভু-নোপোৱাৰ কাৰণেই এই নতুনকৈ চাকৰি কৰিবলৈ অহা নগৰখনৰ কাৰণে ইংৰাজী বিভাগৰ অধ্যাপিকা সুমতি দাস সকলোৰে কাৰণে বিস্ময়। সুমতি দাসে অকণো অস্বাভাৱিকতা কোনো ক্ষেত্ৰতে প্ৰকাশ নকৰি নিজৰ দায়িত্ব পালন কৰিবলৈ ধৰিলে। সেই আগৰ দৰেই মুখত মিহি হাঁহিটো। সেই আগৰ দৰেই সাজ-পোছাক। সেই আগৰ দৰেই কলেজৰ ক্লাছত শ শ ল'ৰা-ছোৱালীক নিস্তব্ধ কৰি ৰাখিব পৰা পাঠ্যক্ৰমৰ বক্তৃতা। সেই আগৰ দৰেই মাজে ম্যজে ৰাতি কেবাঘণ্টা বেহেলা বজোৱা। সকলোবোৰ কাম একেই চলি থাকিল।

ম'খো এটা নতুন কাম যোগ হ'ল— সেয়া হ'ল সপ্তাহটোৰ প্ৰায় চাৰিদিনমান সৰু ছোৱালীজনীৰ লগত স্টুডিঅ'টোলৈ অহা-যোৱা কৰা আৰু মেনেজাৰক কৈ অনুৰৰৰ স্পট্ পৰা পাছপৰ্চ চাইজৰ ফটোখন চকুৰ আগত একেবাৰে ৰাখি চোৱা। স্টুডিঅ'ৰ মেনেজাৰেও সুমতিৰ এই কাৰ্য্য লৈ এটা নতুন গল্প তৈয়াৰ কৰি ললে। কলেও নহয়। তেওঁৰ গল্পটো এনেকুৱা। সুমতি দাসৰ এজন প্ৰেমিক আছিল। কিন্তু ঘৰৰ অমতত সেই ল'ৰাটোৱে সুমতিক বিয়া নকৰোৱাত সুমতিৰ বিৰহ। এনেকুৱা ধৰণৰ এটা গল্প স্টুডিঅ'ৰ মেনেজাৰজনে তৈয়াৰ কৰি যাকে-তাকে কয়। এই বিয়া নোহোৱাৰ মূলতে জাত-পাতৰ কথা এটাও মেনেজাৰে কয়। ল'ৰাটো

বামুণ বুলিও যোগ দি দিয়ে। যি কি নহওক লাহে লাহে সুমতি দাস নামৰ চৌবিশ--পচিশ বছৰীয়া ছোৱালীজনী মফলীয়া নগৰ-খনৰ বাবে এটা আইডিয়েল ইমেজ হৈ পৰিল। এদিন সহকৰ্মী সকলৰ ভিতৰত অলপ বেছি ওচৰ চপা এড়ুকেচনৰ আচমা আহমেদে বৰ মৰম লগাকৈ নম্ৰভাবে সুমতিক তেওঁৰ নিজৰ কথা সুধিছিল। একান্ত অকলশৰীয়া এটা অৱস্থা। কঠাটোত আৰু কোনো নাছিল। সৰু ছোৱালীজনীও হোষ্টেলৰ কাৰোবাৰ লগত ওলাই গৈছিল। কিছুসময় মনে মনে থকাৰ পাছত সৰ্বসাধাৰণ হাঁহিটোৰ বিপৰীতে এটা নিস্তেজ হাঁহি মাৰি ক'লে, 'কম, হয় মই আপোনাক এদিন যদি মোৰ কবলগীয়া কিবা আছে কম'। আচমা আহমেদ আকৌ বিমোৰত পৰিল। আপোনাক সকলো কম বুলি কোৱা হলেই যথেষ্ট আছিল। নিসন্দেহে ভবিষ্যতৰ কাৰণে বাট চাব পৰা হল-হেঁতেন। এতিয়া আকৌ তাৰ মাজতে কেইটামান শব্দ 'যদি মোৰ কবলগীয়া কিবা আছে'— ৰ অৰ্থ কি?

প্ৰায় এমাহমানৰ পাছত কলেজৰ কমন ৰুমতে লগ কৰিলেহি ষ্টুডিঅ'ৰ মেনেজাৰজনে। কলে, 'পৰহি আপুনি যাওঁতে কবলৈ পাহৰিলো। আজি কলেজৰ গ্ৰুপ ফটো একপি লবলৈ আহোঁতেই আপোনাৰ কথা মনত পৰিল, সেই কাৰণে বোলো মিত কৰি যাওঁ। আপোনাৰ ফটোখনত মাত্ৰ ফাইনেল টাছ দিবলৈহে বাকী আছে। আমাৰ আৰ্টিষ্টে আপোনাক কিবা এটা সুধিব খিচাৰিছে। অকণ-মান কিবা কথা এটা অস্পষ্ট হৈ আছে। তাকে সুধিব বিচাৰিছে। কিবা এটা আজিয়ে, কাইলৈ পিছে তেখেত নাথাকে। আপুনি পৰ-হিলৈ মানে এবাৰ তেখেতক লগ কৰি আহিবচোন।'

ছবিখনত ফাইনেল টাছ দিবলৈ বাকী আছে। এই কথাষাৰ শুনি সুমতিৰ ভাল লাগিল। বৰ ভাল লাগিল। বহুত দিনৰ মূৰত যেন অনুৰবাহে আহিব।

ভেৰ বছৰৰ মূৰত অন্য এটা নতুন তৃপ্তিয়ে সুমতিৰ মনটো ওপচাই পেলালে। অনুৰবম পৰা শেষ চিঠিখন-পোৱাৰ প্ৰায় উন্নৈশ

মাহ হ'ল। সেইখন চিঠি আটাইতকৈ দীঘল আছিল। ফুলস্কেপ কাগজৰ প্ৰায় চাৰিপিঠি। সাধাৰণতে ইম'চনক বৰ প্ৰশ্ৰয় নিদিয়া সুমতিৰ চকুৰ পানীৰে সেই দীঘল চিঠিখনৰ চিয়াহী বিয়পাই পেলালে। দেশক প্ৰকৃত স্বাধীন কৰিবৰ কাৰণে এই ল'ৰা-ছোৱালীবোৰৰ কি অবিৰাম মৰণপণ চেষ্টা। সেই কাৰণেই সুমতিৰ নিজক বৰ পলবীয়া অপদাৰ্থ আৰু অদৰকাৰী এটা মহাভাৰ যেন লাগে। চিঠিবোৰ পঢ়ি সুমতিৰ এটা ধাৰণা হ'ল যে সচাঁকৈয়ে অনুৰবহঁতে দেশক নিজৰ কাৰবাক ভাল পোৱাদি ভাল পায়। ইমান ভালকৈ বি-এ পাচ কৰাৰ পাচত যিটো ডেকা ল'ৰাই নিজৰ কেৰিয়াৰ ঠিক কৰিব লাগিছিল ঠিক সেই সময়তে অনুৰৰ খবৰ পৰা ওলাই গৈ দলত যোগ দিয়েগৈ। কত মাক থাকিল, কত বাপেক থাকিল—ককায়েক, বায়েক, ভায়েক, ভনীয়েকেই বা কত থাকিল। সেইবোৰৰ প্ৰতি অনুৰৰ মন চিত নাই। ওলাই গ'ল। চাৰি বছৰ জেইল। পুলিচ আৰু দুটা মহাজন হত্যাৰ অপৰাধত বিনা বিচাৰে অপৰাধী। অনুৰে লিখিছিল সুমতিলৈ— কিন্তু 'গান্ধীৰ পাথৰৰ মূৰ্তিত আলকাটৰা চলাৰ বাহিৰে আৰু চাহ বাগানৰ বনুৱাৰ মাজত ঘৰি ঘুৰি তেওঁলোকৰ চকু মেল খুৱাই দিয়াৰ চেষ্টা কৰাৰ বাহিৰে ব্যক্তিগত ভাৱে মই একো কৰা নাই। অৱশ্যে গান্ধীৰ মূৰ্তিত আলকাটাৰা চলা কথাটো তৰ্কৰ ঊৰ্দ্ধত নহয় যেনেদৰে প্ৰথম অৱস্থাত জমীদাৰ মৌজাদাৰৰ নিচিনা ব্যক্তিৰ হত্যাৰ যোগেদি সন্ত্ৰাস সৃষ্টি কৰাটো সম্পূৰ্ণ শুদ্ধ পথ নাছিল।' এইবোৰ চিঠি পঢ়াৰ পাচতেই সুমতিৰ অনুৰৰ ওচৰলৈ দৌৰ মাৰিম যেন লাগে। হৃদয় ইমান উপচি পৰে যে বিশেষ একো লিখিব নোৱাৰে। কেৱল একোটা লাইনেৰেই এখন চিঠিৰ ইতি পেলায়। 'তুমি যে মোক ভাল পোৱা— এই কথাষাৰে মোক ভীষণ গৰ্বী কৰি তুলিছে অনুৰ। মোৰ ইমান গৰ্ব হৈছে যে যেন মই এই মুহূৰ্তত সকলো মানুহে শুনাকৈ চিঞৰি কম অনুৰৰ মোৰ, আছিবা? মোৰ এনে এটা ভাব আছিবা? মোৰ এনে এটা ভাব হৈছে যেন তুমি আহো বুলিলে

নাহো বোলা বহাগো আহে, তুমি আহো বুলিলে শীতৰ ৰাতিও কুলীয়ে গীত জোৰে।' সুমতিয়ে অনুৰবক জানিবলৈ দিলে নিজৰ মনৰ কথা। প্ৰথমতে মন গৈছিল কাৰণে কবিতা লিখিছিল। পিচত কিবা এটা কৰাৰ তাগিদাত কবিতা লিখিছিল। কিন্তু অনুৰব মোৰ স্বৰ্থপৰতাক তুমি ক্ষমা কৰা যেন আজিকালি মই কেৱল তোমাৰ কাৰণে কবিতা লিখো। আৰু কি জানানে? আজিকালি মই— হয় মই একোকে কৰিব নোৱাৰা হলো।'

আবেলি হঠাৎ সুমতি দাসৰ মনত পৰিল ষ্টুডিঅ'ৰ মেনে-জাৰে মাতি পঠোৱাৰ কথা। ছবিখনৰ সম্পৰ্কত কিবা এটা সুধি-বৰ কাৰণে আৰ্টিষ্টে মাতি পঠাইছিল। গোটেই বিচনাখনত বকুল ফুল সিচঁৰিত হৈ থকাৰ দৰে অনুৰবৰ চিঠিবোৰ সিচঁৰিত হৈ আছে। চিঠিবোৰ সামৰিবলৈ গৈ সুমতি অলপ তভক মাৰি ৰ'ল। টেবুলৰ ঘড়ীটোলৈ চালে। তিনি বাজিছে। চাৰি বজাত গলেও হব। সন্ধ্যা সাত বজালৈকে আৰ্টিষ্টে ষ্টুডিঅ'ত থাকে। সামৰিব খোজা চিঠি-বোৰ তেনেকৈয়ে থাকিল। সুমতিয়ে বেহেলাখন উলিয়াই আনি বিচনা-খনত বহি ললে। বহি ব'ডালেৰে বেগ দিলে। লগত থকা সৰু ছোৱালীজনীও প্ৰথম অৱস্থাত বিচনাতে বহি আছিল। শেষত তাই টোপনি গ'ল। প্ৰায় এঘণ্টামান বজোৱাৰ পাছত সুমতিয়ে বেহেলাখন সামৰি সৰু ছোৱালীজনীক জগাই দিলে। এখন এখনকৈ চিঠিবোৰ সামৰি গাৰুৰ তলত থৈ দিলে। তাৰ পিচত সেই একেজোৰ সাজে-ৰেই সৰু ছোৱালীজনীৰ লগত ওলাই আহিল। ষ্টুডিঅ'লৈ যাব।

প্ৰথমতে অনুৰবৰ ছবিখন দেখি সুমতি থৰ লাগিল। ইমান জীৱন্ত, ইমান সুন্দৰ। মনে মনে সুমতিয়ে আৰ্টিষ্টজনৰ তৰি দুটা চুই সেৱা কৰিলে— ইমান সুন্দৰকৈ অনুৰবৰ ছবিখন আঁকি দিয়াৰ বাবে। প্ৰায় আনন্দত বাকৰুদ্ধ হোৱাৰ দৰে কলে। 'আপুনি ইমান সুন্দৰকৈ আঁকিছে। এইমাত্ৰ ছবিখনৰ ওঠ দুখন লৰি উঠি মোক মাতিব যেন লাগিছে জানেনে? ইমান জীৱন্ত।' ছবিখন প্ৰায় আকোৱালি লব খুজিলে সুমতি দাসে। খুব গহীন মাত এটাৰে

আটিস্টজনে ক'লে ; বৰ অকণমান এটা কাম আছে। সেই সন্দেহটো মাৰিবৰ কাৰণেই মই আপোনাক মাতি পঠাইছো। এই কথাটো চাওকচোন' বুলি আটিস্টজনে অনুৰবৰ পাছপর্ট চাইজৰ ফটোকপি লৈ সুমতিৰ চকুৰ আগত ৰাখি পুনৰ কলে ; ওপৰ ওঠটোৰ এই-খিনিত চাওক— মই ভালকৈ ধৰিব পৰা নাই এটা দাগ পৰিল— এইখিনিত বাৰু মানুহজনৰ মাহ বা তিলজাতীয় কিবা এটা আছেনেকি ?

সুমতিয়ে আটিস্টজনৰ হাতৰ পৰা ফটোকপি লৈ তন্ময়তাৰে নিৰীক্ষণ কৰিবলৈ ধৰিলে। চকুৰেই যেন চিকুটি চিকুটি চাব। চাই আছে— চাই আছে। ঘূৰাই-পকাই চাইছে। কাণ্ডটো আটিস্টজনে আৰু মেনেজাৰজনেও চাই আছে। সুমতি দাসে কেবল ঘূৰাই-পকাই চাই আছে।

'ফটোখনত চাই আপুনি ধৰিব নোৱাৰিব'— আটিস্টজনে কলে, 'এনেয়ে বাৰু মানুহজনৰ ওঠৰ ওপৰত তিল বা মাহ আছে নেকি ক'লেও হব।' আটিস্টৰ এই কথাষাৰ শুনাৰ পাছত সুমতি দাস এবাৰ মুহূর্ত্ততে ৰঙচুৱা হৈ পৰিল আৰু তাৰ পিচ মুহূর্ত্ততে আখৰ লিখা চিয়াহীৰ দৰে কলা পৰি ঠিক পিচতেই এই কাগজ-খনৰ দৰে শেঁতা পৰি গ'ল। আটিস্টজনে সুমতিৰ মুখৰ এই সঘন পৰিবৰ্ত্তনৰ উৱাদিহ নাপাই তেওঁ বিমোৰত পৰিল। সুমতি দাসৰ হাত দুখন অলপ কঁপাৰ নিচিনা হল। কব নালাগিছিল যদিও আটিস্টজনৰ জিজ্ঞাই তেওঁক বিষ্ট্ৰে কৰিলে ; সুধি দিলে 'কেনেবাকৈ যদি এবাৰ এই ডেকা ল'ৰাজন মোৰ ওচৰলৈ পঠাই দিব পাৰিলে-হেঁতেন তেতিয়া হলে ছবিখন প্ৰায় নিখুঁট হ'লহেঁতেন।' কৈ আটি-স্টজনৰ নিজকে বৰ অসহায় যেন লাগিল। হঠাৎ কি কথাষাৰ তেওঁ কৈ দিলে। এতিয়া আৰু উপায় নাই।

ওঠ দুখন কঁপাই শেতা চকু দুটাৰে আটিস্টজনৰ চকুলৈ চাই সুমতি দাসে কলে ; 'নাই— তেওঁ আৰু এতিয়া নাই।' এই শব্দ কেইটাই যেন আটিস্টজনৰ বুকুখনত কুঠাৰহে মাৰিলে অথচ এই অসহায় অৱস্থাটো চাকি ৰাখিবৰ কাৰণেই আটিস্টজনে আকৌ সুধিলে ; 'দুখীত ; বেয়া নাপাব— কি হ'ল বাৰু তেখেতৰ ?'

পুলিচৰ গুলীত মৰিল।

পুলিচৰ গুলীত?

Strange! ক'ত মৰিল?

অন্ধ্ৰপ্ৰদেশৰ এখন জেইলত।

জেইলত! How strange!

কিহৰ কাৰণে—

জেইল ভাঙিব খুজিছে বুলি পুলিচে জেইলৰ ভিতৰতে তেওঁলোকক গুলীয়ালে। মই নিউজটো পিছতহে পাইছো।' সুমতিৰ মাত বেছ কঁপিছিল। চকু দুটা বহল বহলকৈ মেলি আৰ্টিষ্টজনৰ চকুত থৰকৈ ৰাখিছে। পৰিস্থিতিটো অলপ লঘু কৰিবৰ কাৰণেই আৰ্টিষ্টজনে আকৌ সুধিলে; very sad news, ৰ'ল। পুনৰ কলে—

বাৰু এটা কথা কওকচোন,— আপুনি মনত পেলাওকচোন তেওঁৰ বাৰু ওপৰ ওঁঠটোৰ বাওঁকালে চকুত এটা তিল আছেনেকি? প্ৰায় বহুত পৰ সুমতি দাস মনে মনে ৰ'ল। আকৌ আৰ্টিজনে সুধিলে— তেওঁ চুকুৰাৰ কিমান দিন হ'ল?

ডেৰ বছৰ।

তাৰ মানে আপুনি ডেৰ বছৰ.... ....

বাৰু আপুনি মনত পেলাই কওকচোন তেওঁৰ ওঠৰ বাওঁকালে চুকটোত এটা তিল আছেনেকি? তেতিয়াহলে ছবিখন নিখুঁট হব— মোৰো ভাল লাগিব। আৰ্টিষ্টজনে কোমলাই কলে।

নাই; মই কব নোৱাৰো।

কব নোৱাৰো! পাহৰিলে। পাহৰিলেইনে!

পাহৰা নাই; মই তেওঁক কেতিয়াও দেখাই নাই। হয় মই তেওঁক কাহানিও দেখাই নাই।

ঠিক এইটো মুহূৰ্তত আৰ্টিষ্টজনৰ বুকুত বলিয়া ঘণ্টাৰ দৰে কেইটামান শব্দ বাজিবলৈ ধৰিলে— 'ৰাজনৈতিক বন্দীৰ মুক্তি দিয়ক।' বাটে, দেৱালে কলা আখৰেৰে লিখি থোৱা এই কথা

কেইটাই ইমান দিনে আর্টিজনৰ বুকুত ক্ৰিয়া কৰিব পৰা নাছিল। এই মুহূৰ্ত্তত কিন্তু সেইকেটা কথাই তেওঁৰ বুকুত অহৰহ হাতোৰা-বলৈ ধৰিলে। আৰ্টিষ্টজনে এটা কথা ভাবিলে যে ক'লা আখৰৰ ঠাইত যদি তেজৰ দৰে ৰঙা আখৰেৰে এই কথা কেইটা লিখিব পৰা গলহেঁতেন। সুমতি দাস বোলা এই গাভৰু ছোৱালীজনী তেনে-হলে এতিয়াও কিয় বলিয়া হৈ যোৱা নাই। শৰীৰৰ গোটেইখিনি তেজ গৈ যেন সুমতিৰ মুখত জমা হৈছিল—ঠিক তেনেদৰে ছোৱালী-জনীৰ মুখখন ৰঙা হৈ গৈছিল।

তাই বাৰু এতিয়া বাগৰি পৰিব পাৰে নেকি। সুমতি দাস। ছোৱালীজনী বাগৰি পৰিবনেকি।

—o—

॥ টেম্পল অব দ্য লর্ড ॥

—কুমুদ গোস্বামী

লিখকৰ চমু পৰিচয়—

[ইং ১৯৪৮ চনত কামৰূপ জিলাৰ মাজিৰ গাঁৱত [পলাশবাৰী] জন্ম। পিতৃ শ্ৰীবাসুদেৱ গোস্বামী আৰু মাতৃ শ্ৰীমতী পটেশ্বৰী দেৱী। কটন কলেজৰ পৰা বি এচ-চি পাছ কৰি ১৯৭০ চনত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত এম-এছ ছি ডিগ্ৰী লয়।

বৰ্ত্তমান অসম প্ৰকাশন পৰিষদৰ সহকাৰী সচিব আৰু শিশু-আলোচনী 'মুকুতাৰ' সম্পাদক।

প্ৰকাশিত গল্প সংকলন— (১) ছুবাৰ (২) ঘনচিৰিকাৰ বাহ (৩) প্ৰাৰ্থনা। উপন্যাস— (১) পান্থশালা (২) উজাৰ পোহৰ।

নানা ৰঙৰ বিবিধ ফুলেৰে জকমকাই থকা এখন ফুলনিৰ সোঁমাজতে যেন এটা মন্দিৰ। ফুলনিৰ নাম হেভেন্‌লি ফ্লাৱাৰ্ছ; আৰু মন্দিৰ মিছ্ আইৰিণ। সপ্তাহটোৰ ছটা দিন এই ফুলনিৰ মাজতে বেলি উঠে, বেলি মাৰ যায়— মিছ্ আইৰিণৰ বিচিত্ৰ পৃথিবীত দিন-ৰাতি হয়। দেওবাৰে গীৰ্জাত সমূহীয়া প্ৰাৰ্থনা। মাজে মাজে মেডাম আহিলে কিঞ্চিৎ ব্যাতিক্ৰম ঘটে। প্ৰাৰ্থনাৰ সলনি বক্তৃতা, নাচ-গান হয়। অভিভাৱকৰ সভা বহে। এইবোৰ শেষ হ'লে পুনৰ ফুলনিৰ মাজত মন্দিৰ জিলিকি উঠে। মিছ্ আইৰিণৰ বুকুৰ সোঁমাজতে দিন-ৰাতি খেলি থকা উজ্জ্বল ক্ৰছটোৰ সৌন্দৰ্য্য দুগুণে চৰে।

সন্মুখৰ শাৰী শাৰী দেৱদাৰু গছৰ পাতৰ মাজেদি সৰকি অহা পুবাৰ বেলিৰ জুলীয়া পোহৰ মিছ্ আইৰিণৰ সোণালী চুলিৰ মাজত পৰাৰ লগে লগে আজিও আৰম্ভ হ'ল প্ৰাৰ্থনা-সংগীত—'গড লাভ্‌ছ্ আছ অল, গড লাভ্‌ছ্ আছ অল—।' তেওঁৰ মিঠা মাতৰ

সুৰে সুৰে বাজি উঠিল ল'ৰা-ছোৱালীজাকৰ সমবেত কণ্ঠ। দেৱদাৰু গছৰ পাত স্থিৰ-নিস্পন্দ। মিছ্ আইৰিণৰ তোধামেৰা চকুত ধ্যানস্থ যোগীৰ একাগ্ৰতা; ঘূৰণীয়া, বগা মুখত নিষ্ঠা আৰু আত্ম উৎসৰ্গৰ আভাস। প্ৰাৰ্থনা গীতৰ সুৰত যেন গোটেই পৰিবেশটো উদ্বেলিত হৈ উঠিল। দেৱদাৰু গছৰ শাৰী অতিক্ৰম কৰি গীতৰ সুৰ চাৰিওফালে বিয়পি পৰিল। সন্মুখৰ বহল ৰাস্তা, ৰেলৰে কোৱাৰ্টাৰ, হস্পিটেল, সৰু সৰু খেৰৰ জুপুৰী— সকলোতে গীতৰ ৰভীয়াল পখী উৰি ফুৰিবলৈ ধৰিলে। ৰেল লাইনৰ কাষৰ দোকানত খাওৰ ভিতৰত মুৰ্গীবোৰে কক্-বক্কৈ মাতি পাখি মাৰি মৰিবলৈ ধৰিলে। দোকান খুলিবৰ সময় হ'ল।

দেওবাৰ আৰু অন্যান্য বন্ধৰ দিনৰ বাহিৰে সদায় এই দৃশ্যৰ পুনৰাবৃত্তি ঘটে। প্ৰাৰ্থনাৰ শেষৰ ফালে মিছ্ আইৰিণৰ কণ্ঠত বাজি উঠে—'উই আৰ দ্য টেম্পল অব দ্য লৰ্ড।' স্কুলনিৰ মাজৰ মন্দিৰটো যেন টোপালৰ মানুহৰ চকুৰ আগত জিলিকি উঠে। দুই-এজনে ক্ৰুছ কৰে যিচুৰ নামত। মিছ্ আইৰিণৰ বিলম্বিত মিঠা মাতে আকাশ-বতাহ ছানি ধৰে। সদায়। সদায় সেই একেই দৃশ্য, একেই সুৰ।

কিন্তু হঠাৎ আজি এয়া কি হ'ল? মিছ্ আইৰিণৰ কণ্ঠধ্বনি দেখোন স্তব্ধ হৈ গ'ল। প্ৰাৰ্থনাৰ শেষৰ শাৰীটো গাবলৈ লওঁতেই মুহূৰ্ত্তে হৈ মিছ্ আইৰিণ মজিয়াত ঢলি পৰিল। দেৱদাৰু গছৰ পাতৰ মাজে মাজে উৰি ফুৰা গানৰ চৰাইজনী যেন ঠাইতে নিথৰ হৈ পৰিল। ৰাস্তা, কোৱাৰ্টাৰ, হস্পিটেল, জুপুৰী, মুৰ্গীৰ খাং সকলো নিস্তব্ধ হৈ গ'ল। আকৌ এবাৰ কোনোবাই ক্ৰুছ কৰিলে যিচুৰ নামত। স্কুলৰ ল'ৰা-ছোৱালীবোৰো চাৰিওফালৰ পৰা হুৰমাৰ হৈ সিহঁতৰ মৰমৰ মিছক আগুৰি ধৰিলেহি। মুহূৰ্ত্ততে চাৰিওফালে হুলস্থূল লাগি গ'ল। মিছ্ আইৰিণৰ জাপ খোৱা চকু আৰু শেঁতা মুখখনলৈ চাই ল'ৰা-ছোৱালীবোৰে ভয়তে কান্দিবলৈ ধৰিলে।

সুদূৰ কালিফ'ৰ্নিয়াৰ এটা অনাথ শিশু-নিবাসৰ পৰা আইৰিণক লৈ আহিবৰ দিনা ফাদাৰ জোহেফে বাটত কৈছিল, ইউ আৰ

দ্য টেম্পল অব দ্য লর্ড—ইয়’ৰ বডি অল্‌হো। হেভ ফেইথ ইন গড। গড উইল হেল্প ইউ।’ বিশাল সুদর্শন ফাদাৰৰ বঙা মুখ আৰু সোণালী চকুলৈ চাই আইৰিণে সিদিনা সচাকৈয়ে যেন যিচুৰ সাক্ষাৎ লাভ কৰিছিল। ফাদাৰ জোছেফৰ কথাত যেন তাই শুনিবলৈ পাইছিল যিচুৰ কণ্ঠস্বৰ। পিতৃ-মাতৃ পৰিচয়হীনা আইৰিণৰ চকুৰ আগত জলমলাই উঠিছিল ভৱিষৎ জীৱনৰ আশাৰ ছবি। ফাদাৰ জোছেফে তাইক ক’লৈ লৈ যাবলৈ ওলাইছে তাই নাজানে। সোধাও নাই তেওঁক। মাঃথান তেওঁৰ পিছে পিছে টুক্‌টুক্‌কৈ খোজ কাঢ়ি তাই আগুবাই আহিল এয়াৰড্ৰ’মলৈ। পিছফালে এৰি থৈ অহা অনাথ শিশু নিবাসৰ ল’ৰা-ছোৱালীবোৰৰ সকৰুণ মুখবোৰ যেন তাইৰ লগে লগে আহি থাকিল। প্লেনৰ ছিৰিত খোজ দিয়াৰ মুহূর্তে তাইৰ চকুৰ পৰা দুটোপাল পানী ওলাই আহি টপৰ্‌কৈ সৰি পৰিল। ফাদাৰৰ চকুৰ দৃষ্টিয়ে ঘপ্‌কৈ ধৰি পেলালে। প্ৰশ্নসূচক চাৱনিৰে তেওঁ আইৰিণলৈ চালে। ‘নাথিং’, সোঁহাতেৰে চকুদুটা মোহাৰি, সামান্য ভাৱে হাঁহিবলৈ চেষ্টা কৰি আইৰিণে ক’লে। ছিটত বহাৰ পিছত ফাদাৰে তাইৰ ৰেশমী চুলিৰ মাজে মাজে হাত বুলাই কিবা এষাৰ ক’বলৈ চেষ্টা কৰিলে। কিন্তু ক’ব নোৱাৰিলে। পৃথিৱীৰ সকলো হতভাগ্য মানুহৰ উদ্দেশ্য যিচুৱে কৈ যোৱা কথাষাৰো এই মুহূর্তত অৰ্থহীন যেন লাগিল। আইৰিণৰ সজল চকুৰ মাজেৰেই যেন পৃথিৱীৰ সমস্ত দুঃস্থ মানুহৰ মনোবেদনা প্ৰকাশ পালে। নিৰ্বাক ফাদাৰৰ ওঁঠ দুটা দুবাৰমান কঁপি উঠিল, আকৌ নিথৰ হৈ পৰিল।

তলত নীলা সাগৰ, ওপৰত নীলা আকাশ। চাৰিওফালে মেঘৰ টুকুৰা। খিৰিকিৰ আইনাত বিন্দু বিন্দু পানীৰ কণিকা। ইয়াৰ মাজে মাজে আহি বিমানখন এসময়ত এঠাইত নামিল। আকৌ ফাদাৰৰ পিছে পিছে তাই খোজ ললে।

মাদ্ৰাজৰ মিশ্যন হোমৰ খিৰিকিৰে অদূৰৰ বস্তি এটালৈ আঙুলিয়াই দি ফাদাৰ জোছেফে এদিন কৈছিল, ‘লুক।’ খৰ লাগি

আইবিণে চাইছিল বস্তিৰ সৰু সৰু জুপুৰীবোৰলৈ, জুপুৰীৰ সন্মুখত ধূলিত বাগৰি খেলি থকা নঙঠা শিশুবোৰলৈ। সিহঁতৰ হাঁহি-কিৰিলিৰ শব্দ আহি আইবিণৰ কাণত পৰিল। ফাদাৰৰ শকত-দীঘল আঙুলিটো যেন সিহঁতেও দেখা পালে। ভয় খাই তৎক্ষণাৎ সিহঁত গাহৰি পোৱালীৰ দৰে হৰ্‌হৰ্‌কৈ দৌৰি গৈ জুপুৰীত সোমাল। ফাদাৰে ওঁঠ চেপি খুক্‌খুক্‌কৈ হাহিঁলে। ফাদাৰক প্ৰথম দেখিবৰ দিনা আইবিণেও দৌৰি পলাব খুজিছিল। কথাটো মনত পৰাত তাইৰ মনৰ মাজেৰেও এটি হাঁহিৰ বিজুলী পাৰ হৈ গ'ল।

ল'ৰা-ছোৱালীবোৰ দৌৰি পলাই যোৱাৰ পিছত ফাদাৰে আইবিণৰ চকুলৈ তীক্ষ্ণ দৃষ্টিৰে চালে। সেই দৃষ্টি আদেশৰ ; অনুশাসনৰ। আহিব ধৰা দিনবোৰৰ কঠোৰতাৰ ছাপ তাৰ স্পষ্ট। কিবা এটা অনুভূতিত তাইৰ গা-মন শিহঁৰিত হৈ উঠিল। দৃষ্টিৰ তীক্ষ্ণতা কমাই পিছত ফাদাৰ জোহেফে তাইক কেইটামান কথা ক'লে। কথা নহয় যেন যিচুৰ নিৰ্দেশ। সেই বস্তিৰ মানুহৰ মাজত তাই যিচুৰ বাণী বিলাব লাগিব— কথাৰে নহয়, কামেৰে— ত্যাগ আৰু কষ্টেৰে। সেই যে নঙঠা ল'ৰা-ছোৱালীবোৰ—সিহঁতক তাই মানুহ কৰি গঢ়ি তুলিব লাগিব।

মিশ্যন হোমত আইবিণ অভ্যস্ত হৈ উঠাৰ কেইদিনমানৰ পিছত ফাদাৰ জোহেফ পুনৰ কালিফ'ৰ্ণিয়ালৈ গুচি গ'ল। লগে লগে আৰম্ভ হ'ল আইবিণৰ নতুন জীৱন। ত্যাগ আৰু সংযমৰ জীৱন। কঠোৰ নিয়ম-নীতিৰ মাজেৰে তাই জীৱন পাৰ কৰিলে। বস্তিৰ মানুহবোৰে তাইৰ মুখলৈ, তাইৰ সুন্দৰ সোণবৰণীয়া গাটোলৈ থৰ লাগি লাগি চাবলৈ ধৰিলে। লাহে লাহে সেই চাৱনিবোৰৰ অৰ্থ তাই বুজি পোৱা হ'ল। বুজি পাই তাইৰ অন্তৰাত্মা কঁপি উঠিল। নাৰিকল গছৰ ছাঁত বহি থকা ডেকা ল'ৰাৰ জুমটোৰ আগেদি পাৰহৈ যাওঁতে তাইৰ ভৰি থৰক্‌-বৰক্‌ হয়, নাকৰ আগটো ঘামি উঠে। তাইৰ মনৰ ভিতৰত ধীৰে ধীৰে বাজি ক্ৰমে প্ৰবল হৈ আহিবলৈ ধৰা এক ৰহস্যময় গীতৰ সুৰে তাইক আজিকালি বতাক

আমনি কৰা হ'ল। গধূলি ভাগৰত লালকাল হৈ যেতিয়াই তাই মিশ্যন হোমলৈ ঘূৰি আহে তেতিয়া তাইৰ মনটো শূণ্য শূণ্য যেন লাগে। কোঠাৰ নিস্প্ৰভ পোহৰত আইনাৰ সন্মুখত বহি তাই নিজকে তন্ন তন্নকৈ চায়। তাইৰ গাৰ মাজত ক্ৰমে সাৰ পাই উঠা এজনী নতুন আইৰিণক তাই আইনাত দেখা পায়। এইজনী যেন কালিফ'-র্নিয়াৰ পৰা ফাদাৰ জোছেফৰ হাতত ধৰি শুচি অহা আইৰিণ নহয়। মাদ্ৰাজৰ বস্তিৰ নাৰিকল গছৰ মাজত এজনী সম্পূৰ্ণ বেলেগ আই-ৰিণৰ জন্ম হৈছে। এইজনী আইৰিণৰ মন সাগৰৰ বতাহত কঁপি থকা নাৰিকল-পাতৰ দৰে চঞ্চল। আইনাৰ গভীৰৰ আধা আন্ধাৰ আধা পোহৰৰ মাজত আইৰিণৰ ওঁঠত এটি অস্থিৰ হাঁহি জিলিকি উঠিল— সাগৰৰ মাজলৈ আগুৱাই যোৱা জাহাজৰ লাইটৰ দৰে। ক্ষন্তেক পিছতে তাইৰ হাঁহিটো অন্তৰ্ধান হ'ল। তাৰ ঠাইত এটা চেপা কান্দোন আহি উপস্থিত হ'ল। সজাত বন্দী চৰাইৰ দৰে তাইৰ মনটো ছট্ ফটাবলৈ ধৰিলে। ফাদাৰৰ কঠোৰ নিৰ্দেশ আৰু মিশ্যন হোমৰ কড়া অনুশাসনৰ চেপাত আইৰিণৰ দেহ-মন যেন থকা-সৰকা হৈ পৰিছে। ইয়াৰ পৰা মুক্তি পাবলৈ এক গোপন হাবিয়াস তাইৰ মনৰ মাজত জাগুল খাই উঠিছিল। কোঠাৰ লাইটটো নুমাই লৈ তাই বিছনাত পৰিল।

নাৰিকল গছৰ ছাঁত বহি থকা জুমটোৰ পৰা আজিকালি কেৱল সুহুৰিৰ শব্দ ভাঁহি আহে। তীক্ষ্ণ সুহুৰি। সুহুৰিটোৱে এডাল দীঘল লেজু হৈ তাইৰ হাত-ভৰি মেৰিয়াই ধৰে। আগুৱাব-পিচুৱাব নোৱাৰা হৈ তাই ঠাইতে থৰ লাগি ৰয়। লেজুডাল এক-বাই প্ৰকৃতিস্থ হয় মানে তাইৰ দেহ-মন জুকলা হৈ পৰে।

বহুত দিনৰ মূৰত আইৰিণে ফাদাৰ জোছেফৰ পৰা এখন চিঠি পালে। চিঠিখন পঢ়ি উঠি আইৰিণৰ নিজকে খুব অপৰাধী যেন অনুভৱ হ'ল। ফাদাৰৰ একো কথাকে তাই মানি চলিব পৰা নাই। তেওঁৰ সকলো নিৰ্দেশ আৰু অনুশাসনৰ বিৰুদ্ধে তাইৰ মনত লাহে লাহে এটা বিদ্ৰোহে গঢ় লৈ উঠিছে। এফালে মিছুৰ

নিৰ্দেশ, আনফালে তাইৰ যৌৱন— এই দুই প্ৰচণ্ড আৰু বিপৰীত শক্তিৰ টনা-আজোৰাৰ ফলত আইৰিণৰ মনত বিৰাট সংঘাতৰ সৃষ্টি হৈছে। এই সংঘাতৰ উমান ফাদাৰে পোৱা নাই, পোৱা নাই মিশ্যন হোমৰ কোনেও।

নাৰিকল গছৰ ছাঁৰ পৰা এটা অকল্পনীয়া সুহুৰিয়ে আইৰিণক এদিন জব্দ কৰি পেলালে। তাইৰ পিছে পিছে দৌৰি অহা সুহুৰিটোৱে অৱশেষত আইৰিণক আগভেটি ধৰিলে। ভয়-সংকোচমিহলি দৃষ্টিৰে মূৰ তুলি চাই সন্মুখত তাই দেখিলে—সুন্দৰ-সুঠাম স্বাস্থ্যৰ এজন বিশাল যুৱক। ফিলিপ্‌। আইৰিণৰ মনৰ আহুকথনি ধুমুহাৰ কবলত পৰিল। কেনি যাওঁ, কি কৰোঁকৈ থাকোঁতে ফিলিপে সামান্য ভাবে হাঁহিবলৈ চেষ্টা কৰি ক'লে 'আই লাভ ইউ, আইৰিণ!' এই এষাৰ মাত্ৰ কথাৰ লগে লগেই পৃথিৱীৰ সকলো চৰাই আৰু জান-জুৰিয়ে একেলগে যেন গান গাবলৈ ধৰিলে। ফিলিপৰ গভীৰ বিশাল চকুৰ পৰা দৃষ্টি নমাই আইৰিণ নিৰ্বিকাৰ হৈ ৰ'ল।

দেওবাৰে গিৰ্জাৰ প্ৰাৰ্থনা কক্ষতো আইৰিণে অনুভৱ কৰিলে ফিলিপৰ উপস্থিতি। তাইৰ নিচেই কাষতে বৈ ফিলিপে তাইৰ ফালেই চাই থাকে।

'আই কাণ্ট, ফিলিপ, আই—' গিৰ্জাৰ পৰা ওলাই আহোঁতে বাহিৰত আবেগ-সমৃদ্ধ কণ্ঠে আইৰিণে ক'লে। আইৰিণৰ প্ৰতি ফাদাৰ জোছেফৰ নিৰ্দেশ আছে, নিষেধাজ্ঞা আছে। তাইৰ জীৱন হব সেৱা আৰু সংযমৰ জীৱন, ভোগ আৰু উচ্ছৃংখলতাৰ নহয়। ফাদাৰৰ চিঠিখনৰ কথাবোৰ আকৌ তাইৰ মনলৈ আহিল। চিঠিৰ প্ৰতিটো শব্দই একোপাত ধাৰাল অস্ত্ৰ হৈ তাইক যেন ক্ষত-বিক্ষত কৰিবলৈ ধৰিলে। মিশ্যন হোমৰ নিৰ্জন কোঠাত ৰাতি এপৰলৈ উজাগৰে থাকি আইৰিণে বিচুক কাকুতি-মিনতি কৰিলে বহুদিন—এই কঠোৰ জীৱনৰ পৰা তাইৰ মুক্তি দিবলৈ। ফাদাৰলৈও তাই চিঠি দিলে। চিঠিৰ উত্তৰ নাহিল।

বস্তিৰ কামত আইৰিণৰ মনোযোগ কমি আহিল। কেৱল

ফিলিপ আৰু ফিলিপ। উদ্‌ভ্ৰান্ত ফিলিপৰ সান্নিধ্যত আইৰিণে সকলো পাহৰি পেলালে। মিশ্যন হোমৰ কোঠাত বন্দিনী আইৰিণ ওলাই আহিল তাল-নাৰিকল গছৰ মাজলৈ, সাগৰৰ বালিৰ বুকুলৈ। ইয়াৰ মাজতে ফিলিপে তাইক আৰু এষাৰ আচৰিত কথা ক'লে, 'লাভ ইজ ৱৰ্শ্বিপ, ইউ আৰ দ্য টেম্পল অব দ্য লৰ্ড।' আইৰিণৰ চিন্তাত বিভুতি ঘটিল। কোন শুদ্ধ— ফাদাৰ জোহেফ নে ফিলিপ? দুয়ো-জনে একে কথাকে কৈছে; কিন্তু, অৰ্থবোধ কিমান বেলেগ। দুটা বিপৰীতমুখী বাটেৰে জানো একেটা লক্ষ্যস্থান ওলাবগৈ পাৰি?

এনেতে এদিন মিশ্যন হোমত হুলস্থূল লাগিল। আইৰিণ নাই? এদিন-দুদিনকৈ যেতিয়া এসপ্তাহলৈকে আইৰিণ ঘূৰি নাহিল তেতিয়া মিশ্যন হোমৰ বাৰ্ডেনে ফাদাৰ জোহেফলৈ কেব্‌ল কৰিলে।

এইবাৰ ফাদাৰ নিজে আহিল। আহি আইৰিণৰ সকলো কথা শুনি তেওঁৰ কিন্তু খং নুঠিল। আইৰিণলৈ সহানুভূতিহে উপ-জিল। দুদিনমান খা-খবৰ কৰি আইৰিণক বিচাৰি পালে দাৰ্জিলিঙত —লগত ফিলিপ। বিচাৰি পাই নিৰুদ্বেগ কণ্ঠে তেওঁ আইৰিণক ক'লে 'ইউ গট দ্য পানিশ্বমেণ্ট। লীভ দ্য হোম এণ্ড হাৰ্ড এলছ্‌-হোৱেৰ।' ফাদাৰৰ মুখলৈ চাই কথা কোৱাৰ বা প্ৰতিবাদ কৰাৰ সাহস আইৰিণৰ নাই। ফিলিপে যোঁৱাৰ দৰে মুখটো জ'ৰাই কিবা এষাৰ ক'ব খুজিছিল, আইৰিণে তাক বাৰণ কৰিলে, 'প্লীজ, ফিলিপ— ।' সি নিমাত হৈ থাকিল। আৰু কোনো কথা নাই, ফাদাৰ পুনৰ উভতি গ'ল কালিফ'ৰ্ণিয়ালৈ।

মিশ্যন হোমৰ পৰা ওলাই আহি আইৰিণে দুদিনমান ফিলি-পৰ আশ্ৰয়ত সুখ হোষ্টেলত থাকিল। কিন্তু তাতো সমস্যা হ'ল। সমস্যা হ'ল ফিলিপক লৈ। দাৰ্জিলিঙৰ প্ৰচণ্ড ঠাণ্ডাৰ ফলত তাৰ ফ্লু আৰম্ভ হ'ল। তাৰ পিছত নেৰানেপেৰা জ্বৰ। এদিন তাক হস্পিটেললৈ নৈ যোৱা হ'ল। তাতো তাৰ কাষত দিনে-নিশাই থাকি আইৰিণে শুশ্ৰূষা কৰিলে। ডাক্তৰ-নাৰ্চ সকলোৱে আইৰিণক বুজালে ইংগিতেৰে ফিলিপৰ পৰা আঁতৰি থাকিবলৈ। ফিলিপৰ টি-বি হৈছে।

সেহাই সেহাই সিও এদিন আইবিণক ক'লে, 'গেটিং কনজুমড্‌. আইবিণ। লীভ মি এলন।'

ফিলিপৰ সেয়ে শেষ কথা আছিল।

মাদ্ৰাজত থকাটো আৰু আইবিণৰ বাবে অৰ্থহীন হৈ পৰিল। 'টাইমছ্‌ অব ইণ্ডিয়া'ত এটা বিজ্ঞাপন দেখি এদিন তেওঁ গুৱাহাটীলৈ গুচি আহিল। 'হেভেন্‌লি ফ্লাৱাৰ্ছ'ত তেওঁ অনায়াসে কামটো পাই গ'ল। সৰু সৰু ল'ৰা-ছোৱালী.বাৰুক খেমালিৰ জৰিয়তে শিক্ষা দান কৰিবলৈ পাই আইবিণৰ ভালেই লাগিল। সিহঁতেও অলপ দিনৰ ভিতৰতে আইবিণক নিজৰ কৰি ললে। সিহঁতৰ লগত দিনটোৰ কিছুসময় কটাই যেতিয়া তেওঁ বেহিভেক্সলৈ যায় তেতিয়া তেওঁৰ মনলৈ নানান চিন্তা আহে। ৰাতি চকুদুটা মুদিলেই তেওঁৰ সন্মুখত ভাঁহি উঠে ফিলিপৰ বিশাল চেহেৰাটো তাৰ পেশীযুক্ত বাহু, বহল বুকু, দুটি উন্মাদ চকু—এই আটাইবোৰে আহি আইবিণক জুমুৰি দি ধৰে। ফিলিপৰ সৈতে দাৰ্জিলঙত কটোৱা বিশৃংখল দিনবোৰৰ কথা মনত পৰিলে আইবিণ যেন অধৈৰ্য্য হৈ উঠে। ফিলিপে আইবিণক জীৱনৰ এটা নতুন বাট দেখুৱাই দিলে। আইবিণে আশা কৰিছিল, এই বাটত ফিলিপেই হ'ব সাৰথি। কিন্তু, শেষত সেয়াও মিছা হ'ল। পিতৃ-মাতৃ পৰিচয়হীনা আইবিণ পুনৰ পৰিচয়হীনা হৈয়ে থাকিল। একমাত্ৰ যিচুৰ বাহিৰে তাইৰ আৰু পৰিচয় দিবলৈ কোনো নাই। স্কুলৰ সন্মুখত শাৰী শাৰীকৈ থকা দেৱদাৰু গছবোৰৰ দৰে কিছুমান জীয়া স্মৃতিৰ বাহিৰে তেওঁৰ এতিয়া একো নাই।

প্ৰাৰ্থনা গীত গাবৰ সময়ত আইবিণ যেন তন্ময় হৈ পৰে। যিচুৰ অপাৰ কৰুণা আৰু মহিমাৰ বাহিৰে আন একোলৈকে তেওঁৰ মনত নপৰে। আজি তেওঁ প্ৰাৰ্থনা আৰম্ভ কৰাৰ লগে লগে ল'ৰা-ছোৱালীবোৰে সমস্বৰে গীত জুৰিলে—'গড লাভ্‌ছ আছ অল।'—গীতৰ স্পৰ্শত দেৱদাৰু গছৰ পাত লৰিল। অদূৰৰ ঘৰৰ জুপুৰী আৰু দোকান-পোহাৰবোৰতো তাৰ গুণ-গুণনি বিয়পি পৰিল। দুই-এজনে সদায় মিলোৱাৰ দৰে আজিও ঘড়ীৰ সময় মিলালে। দুবৈৰ

ৰেল ষ্টেচনত এটা ইঞ্জিনে ঘৰ্ঘৰাবলৈ ধৰিলে—এটাৰ পিছত কেইবা-টাও ঘৰ্ঘৰণি— যেন গড়ালৰ পৰা এজাক গাহৰি ওলাই আহিবলৈ ধৰিছে। মুৰ্গীৰ খাওত কক্ককনি উঠিল। ওচৰত শূন্য দগা-পাল্লা আৰু তেজ লাগি থকা কাঠৰ বাকচটো।

আধামেলা চকুযুৰিৰে সন্মুখৰ ল'ৰা-ছোৱালীবোৰৰ ফালে চাই চাই গীত গাই থাকোঁতে হঠাৎ এবাৰ এটা ল'ৰাৰ ওপৰত আইৰিণৰ চকু পৰিল। বহল-গভীৰ চকুৰে এটি সৰু ল'ৰা। আজি যেন হঠাৎ তাৰ চকু দুটাৰ মাজত আইৰিণে এটা নতুন বস্তু আৱিস্কাৰ কৰিলে।

সেই দুটা ফিলিপৰ চকু।

সেইজন শিশু ফিলিপ।

আইৰিণৰ চিন্তাত আউল লাগিল। গীতৰ সুৰত বিজুতি ঘটিল। 'ইউ আৰ দ্য টেম্পল অব দ্য লৰ্ড'—এইবুলি গাবলৈ গৈ হঠাৎ আইৰিণ মজিয়াত ঢলি পৰিল। মুহূৰ্তৰ ভিতৰতে ল'ৰা-ছোৱালীবোৰৰ মাজত হুৰা-দুৰা লাগিল। কোনোবা দুজনমানে দৌৰি গৈ ওচৰৰ হস্পিটেলত খবৰ দিলে। হস্পিটেলৰ এম্বুলেন্সে আইৰিণক লৈ গ'ল।

আধাঘণ্টামানৰ মূৰত আইৰিণে সংজ্ঞা ঘূৰাই পালে।

হস্পিটেলৰ পৰা আহোঁতে বাটত নাৰ্ছ এগৰাকীয়ে কাণৰ কাষত ফুচফুচাই আইৰিণক ক'লে, 'বি কেয়াৰফুল, ইউ আৰ কেৰিইং।' সুদূৰ কালিফৰ্নিয়াৰ এটা অনাথ শিশু-নিবাসৰ পৰা আহিবৰ দিনা ফাদাৰ জোছেফে কোৱা কথাষাৰ আইৰিণৰ কাণত বাজি উঠিল, 'ইউ আৰ দ্য টেম্প্ল অব দ্য লৰ্ড। ইয়'ৰ বডি অল্ছো।'

—০—

অজ্ঞাতবাস

ড° পৰাগ কুমাৰ ভট্টাচাৰ্য

লিখকৰ চমু পৰিচয়—

জন্ম ১৯৫০ চন। পিতৃ ৰাষ্ট্ৰীয় পুৰস্কাৰ বিজেতা সংস্কৃত পণ্ডিত শ্ৰীপুৰুষোত্তম ভট্টাচাৰ্য আৰু মাতৃ শ্ৰীমতী চাৰুবালা ভট্টাচাৰ্য। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম-এ পাছ কৰে আৰু ডক্টৰেট উপাধি লাভ কৰে। দৰং মহাবিদ্যালয়ত শিক্ষকভাৱে কৰ্ম জীৱনৰ পাতনি মেলা ভট্টাচাৰ্য সম্প্ৰতি গুৱাহাটীৰ পাণ্ডু মহাবিদ্যালয়ৰ অধ্যাপক।

কবিতা, গীত, উপন্যাসৰ দিশলৈ অৰিহণা আগবঢ়ালেও ভট্টাচাৰ্য মুখ্যত গল্পকাৰ আৰু সাহিত্য সমালোচক। এতিয়ালৈকে প্ৰকাশিত গল্প সংকলনবোৰ হল দূষিত দেহৰ সুবাস, যুগপতন, ভগ্নচিৰি', আৰু হৃদয়ৰ সন্ধান। প্ৰেমধৰ্ম আৰু বৈষ্ণৱ কাব্য, ৰবীন্দ্ৰনাথ আৰু অসমীয়া গল্প বিশ্ব সাহিত্যিক ব্যক্তিত্ব আৰু সৃষ্টি, বিশ্ব সাহিত্যৰ জিলিঙনি আদি তেওঁৰ প্ৰকাশিত সাহিত্য আলোচনামূলক গ্ৰন্থ।

এই অনুভূতি দুখৰ নে ত্ৰাসৰ জয়ন্তই আজিও ঠিকমতে নিৰূপণ কৰিব পৰা নাই। ৰাতিৰ গভীৰতো কেতিয়াবা এই অনুভূতিয়ে সাৰ পোৱাই দিয়ে। এন্ধাৰ কোঠাটোত সি তেতিয়া চকুমেলি চিলিংলৈ চাই থাকে। কোঠাটোৰ এন্ধাৰৰ মাজে মাজে পাক ঘূৰণি খাই তাৰ বুকুৰ মাজৰ অনুভূতিটোৱে ঘূৰি ফুৰে। দুৱাৰ-খিৰিকিবোৰত সিয়ে যেন আঘাত কৰে। বজনজনাই উঠে ৰাতিৰ নিৰৱতাবোৰ। নিৰ্মম ভাৱে সেই মানুহবোৰে তাক আকৌ যেন প্ৰহাৰ কৰিব ধৰে।

কেতিয়াবা ৰাতি সুনীতায়ো সাৰ পাই উঠে। এন্ধাৰত খেপিয়াই তাই তাৰ হাতখনত ধৰে। মুখেৰে একো নেমাতে তাই। তাই

এনেকুৱা দেখুৱায় যেন ষ্টেপনিৰ আবেশতে তাই তাৰ হাতখনত ধৰিছে। কিন্তু তায়ো তাৰ দৰে অস্থিৰ অনুভূতিৰ সংক্ৰমণত ক্লান্ত। হয়তো তাই এক ভয়লগা সপোন দেখি সাৰ পাই উঠিছে। সেই ভয়লগা ব্যক্তিটোৰ দৃশ্যই তাইৰ মনৰ অৱচেতনত বিশেষ ভাবে ক্ৰিয়া কৰি থাকে। জয়ন্তৰ ৰক্তাক্ত দেহৰ স্মৃতিয়ে আজিও তাইক এক ভয়ংকৰ সপোন হৈ সাৰ পোৱাই দিয়ে। আৰু সাৰ পোৱাৰ পাছতে অস্থিৰ এক অনুভূতিয়ে তাইক এক েপাৰণিৰ মাজলৈ টানি নিয়ে।

ৰাতিৰ এন্ধাৰবোৰৰ দৰে সুনীতি এতিয়া নীৰব নিস্তব্ধ। নীৰবে সিদিনা তাই - জয়ন্তৰ ৰক্তাক্ত দেহ নীৰিক্ষণ কৰাৰ পাছৰ পৰা তাই আৰু বেছি নীৰব হৈ পৰিছে। সুনীতিয়ে একো নোকোৱাকৈ লাহে লাহে তাইৰ মুখটো গুজি দিয়ে জয়ন্তৰ বাহুত। জয়ন্তই হাতেৰে খেপিয়াই চাব খোজে—সুনীতিক। সুনীতি দূৰলৈ আঁতৰি গৈছে নেকি? জয়ন্তৰ ভয় হৈছে দুৰ্লংঘ্য ব্যৱধান হৈ কিবা এটাই যেন ক্ৰমাগত ভাবে তাৰ আৰু সুনীতিৰ মাজত ঠিয় দিব ধৰিছে। হয়তো তাৰ আঁৰত সুনীতিয়ো এদিন হেৰাই যাব।

জয়ন্তই তাৰ মনৰ মাজৰ ভাৱৰাশিক লুকাই ৰাখিব বিচাৰে। কিন্তু এইবাৰ বহু চেষ্টা কৰা স্বত্বেও তাৰ মনৰ মাজৰ শূন্যতা আৰু অসহায় বোধ সি ঢাকি ৰাখিব পৰা নাই। সুনীতিৰ প্ৰতি তাৰ কোনো সন্দেহ আজিলৈ সৃষ্টি হোৱা নাই। সুনীতিয়ে যে তাৰ হৃদয় খনক পূৰ্ণ ৰাগে বুজি উঠিছে এই কথাও সি সততে উপলব্ধি কৰে। তথাপিও এই ঘটনাৰ পাছৰ পৰা জয়ন্তৰ সময়ে সময়ে ভাব হয় সুনীতিয়ে যেন এদিন তাৰ কাষৰ পৰা বহু দূৰলৈ আঁতৰি যাব। অজ্ঞাতবাসৰ জীৱন এই অৱস্থাত আৰু বেছি পীড়াদায়ক হৈ পৰিব।

জয়ন্ত কিন্তু সদায় আশাবাদী। মানুহৰ ওপৰত সি কোনোদিনে বিশ্বাস হেৰুৱা নাই। সকলোকে সি এতিয়াও ভৰসা কৰে কিন্তু তাৰ মাজতে সি যেন এতিয়া প্ৰায় উদাসীন হৈ পৰে। সুনীতিয়েও লক্ষ্য কৰিছে মানুহ জনৰ এতিয়া আগতকৈ বহুত পৰিবৰ্ত্তন হল। এই পৰিবৰ্ত্তনৰ চাপ তাৰ দেহ আৰু মন উভয়তে বিদ্যমান। আগৰ উজ্বল চেহেৰাৰ

মানুহজন আগতকৈ ক'লা পৰিছে। চকুৰ গুৰিবোৰলৈ এতিয়াও স্বাভাবিক ৰং উভতি অহা নাই। মুখখনত যেন এক যন্ত্ৰণাকাতৰতা সময়ে সময়ে স্পষ্ট হৈ পৰে। মূৰৰ ঘা টুকুৰাৰ পৰা অবিৰাম ভাবে তেজ নিৰ্গত হৈ থকা অৱস্থাত তাৰ মুখত যি যন্ত্ৰণা-কাতৰতা বিয়পি পৰিছিল তাৰ চাপ মুখমণ্ডলৰ পৰা যেন এতিয়াও মোচ খাই যোৱা নাই।

সুনীতিৰ অসহ্য হয় এইৰূপ। কিমান মোহনীয়া ব্যক্তিত্বৰ অধিকাৰী আছিল মানুহজন কিন্তু কলৈ গ'ল সেই মোহনীয়তা? কলৈ গ'ল সেই প্ৰাণচাঞ্চল্য? সেই আনন্দময় ৰাতিৰ পাছৰ পৰা মানুহজনে প্ৰাণ খুলি হাঁহিব পৰা নাই। অন্তৰখন যেন মৰহি যোৱা এপাহি ফুলৰ দৰে হল।

সুনীতিয়ে জয়ন্তৰ অন্তৰখনক কোনোদিনে ফুলৰ বাহিৰে আন বস্তুৰ লগত তুলনা কৰিব পৰা নাই। কিমান কোমল হৃদয়ৰ মানুহ? পৰৰ দুখত সততে দুখী এই মানুহজনে পাৰিলে সকলো দুখী মানুহৰ দুখবোধ নিজে কাঢ়ি লব খোজে। পৰৰ দুখৰ নিৰাময়ৰ কাৰণে নিজৰ অন্তৰখনক কঠিন কৰি আকৌ যি কোনো পৰিস্থিতিতে জপিয়াই পৰিব পাৰে। এই দুখী মানুহবোৰক লৈ, ইউনিয়ন কৰি জেল খটা মানুহ জয়ন্ত। কিন্তু দুখী মানুহবোৰে জয়ন্তৰ ফুল কোমল হৃদয়খন চিনি নেপালে। ইহঁতেই তাক নিষ্ঠুৰভাবে প্ৰহাৰ কৰিলে।

তথাপিও কিন্তু জয়ন্তই সিহঁতক দোষী সজাব পৰা নাই। পুলিচে তাৰ কেচৰ তদন্ত কৰি দুজনমান বিক্সাবালা, দুজনমান নিবনুৱা ডেকা লৰাক গ্ৰেপ্তাৰ কৰিছিল। এই খবৰ শুনি সুনীতিয়ে তাক কৈছিল—দেখিছা এই মানুহবোৰৰ কাণ্ড। চোৱা এইবোৰ মানুহক লৈয়ে তুমি ইউনিয়ন কৰিছিলা। এই সকল মানুহবোৰেই ভ্ৰষ্ট চৰিত্ৰৰ। এবটল মদৰ কাৰণেও ইহঁতে মানুহক খুন কৰিবলৈও কুণ্ঠিত নহয়।

তুমি ভুল বুজিছা সুনীতি। ইহঁতৰ লগত মোৰ কি শত্ৰুতা। ইহঁতে ৰাতিৰ এন্ধাৰত মোক মাৰিলে কিন্তু ইহঁতে দিনৰ পোহৰত মোক চিনিকেই নেপাব। কাক মাৰিছে, কিয় মাৰিছে এইবোৰ একোকেই নেজানে সিহঁতে। ইহঁত আচলতে কি জানা—হাতিয়াৰ। সমাজত ইহঁতক হাতিয়াৰ কৰি জাত উঠোৱা মানুহবোৰৰ প্ৰাসৰ পৰা

ইহঁতক উদ্ধাৰ নকৰালৈকে আমাৰ এই দুৰ্যোগ চলিয়ে থাকিব।

জয়ন্তৰ উত্তৰ শুনি সুনীতি আচৰিত হ'ল। কি আচৰিত যুক্তি! ইমানৰ— পিছতো মানুহজনৰ সৰু সৰু মানুহৰ ওপৰত থকা ভৰসা হেৰোৱা নাই। তথাপিও সুনীতিয়ে জয়ন্তৰ কথাৰ মৃদু প্ৰতিবাদ কৰি কলে— তুমি যিমানেই নোকোৱা সকলো মানুহেই অমানুহ হৈ গৈছে।

অমানুহ নহয় সুনীতি। মানুহবোৰে সকলোৱে নিজক লুকুৱাই ফুৰিছে। প্ৰতিজন মানুহে নিজৰ মানবীয় স্বৰূপক ঢাকি ৰাখি যেন এক অজ্ঞাতবাসত কটাইছে এই অৰণ্যত।

সুনীতিয়ে বুজি পালে জয়ন্তই এই কথাষাৰ কাক উদ্দেশ্য কৰি কৈছে। এটা সাধাৰণ লাভৰ কাৰণে তাক প্ৰহাৰ কৰিলে সাধাৰণ মানুহবোৰে। অৱশ্যে সেই সৰু সৰু মানুহবোৰে সৰু সৰু লাভবোৰক লৈয়ে ব্যস্ত। কিন্তু সিহঁতৰ সমাজখনৰ ডাঙৰ ডাঙৰ মানুহবোৰে কি কৰিলে? সি তিনিদিন হস্পিটেলত পৰি থাকিল তাৰ খবৰ লবলৈকে অৱকাশ নহল সুনীতিৰ ককায়েক গৌৰীনাথৰ। সি হস্পিতেলত পৰি থকা শুনি গৌৰীনাথে তাৰ দোকানত কাম কৰা ল'ৰা এটাক অৱশ্যে পঠিয়াইছিল। সিও কথাৰ মাজতে উলিয়ালে— গৌৰীনাথৰ হেনো এতিয়া অহাৰ সময় নাই নতুনকৈ বন্ধা ঘৰটোৰ চাদ ধালাই কৰিব ধৰিছে। সিও তাতে ব্যস্ত হৈ পৰিছে। পিছেপৰেহে খবৰ লবলৈ আহিব।

সুনীতিয়ে ককায়েকৰ মুখৰ এই কথাবোৰ শুনি লৰাজনৰ আগতে দুআষাৰ ভালকৈ শুনাই 'ককাইদেউ আহিব' নেলাগে যা ঘৰ সাজি সাজি লোহা-পাথৰ যেন হৈ গৈছে! মানুহৰ দুখৰ কথা কেনেকৈ বুজিব?' ককায়েকৰ লগতে ঘৰখনৰ প্ৰত্যকজনকে তাই আকৌ এবাৰ গালি-শপনি পাৰিলে জয়ন্তৰ আগত। জয়ন্তই কিন্তু এষাৰ কথাও বেয়াকৈ নকলে শহুৰেকৰ ঘৰখনক। জয়ন্তই সেই ঘৰখনৰ স্বৰূপ ভালদৰে বুজি পায়।

বুঢ়িহুৰ দিনত ঠিকা কৰি, কানি বেচি টকাৰ মঠ বান্ধিছিল সিহঁতৰ গাওঁৰে নীলনাথে। গাওঁৰ পৰা উঠি আহিল মহানগৰীলৈ।

ইয়াত বৈষয়িক উন্নতি আৰু বৃদ্ধি হ'ল। প্ৰতিটো পুতেক গঢ় লৈ উঠিল পিতৃৰ সাঁচত। টকাৰ বাহিৰে পৃথিবীত একোকে চিনি নেপায়। এসময়ৰ বিখ্যাত ক'লা বেপাৰী নীলনাথৰ বৰ পুত্ৰ গৌৰীনাথো বেপাৰী হ'ল। পিতাকৰ পৰা ভালদৰে শিকি ললে ব্যৱসায়ত উন্নতি কৰাৰ গোপন কিটিপ। লাহে লাহে তাৰ প্ৰতাপ পিতৃতকৈ চৰিল। সি মন্ত্ৰী, এম, এল বো কাম চাপিব পৰা হ'ল। ইয়াৰ ভবিষ্যতে এক সামাজিক প্ৰতিষ্ঠাও সি লাভ কৰিলে। মাত্ৰ পুতেক ঠিকাদাৰ। তাৰ তলৰ দুই পুতেকৰ আৰু পুনিচ বিষয়া সকলৰ ধনৰ প্ৰতি-যোগিতা ঘৰৰ চাৰিবেৰৰ মাজত চলিব ধৰিলে। ইয়াৰ ফলতেই মহানগৰীৰ অত-তত গৌৰীনাথহঁতৰ ঘৰ উঠিল, সন্মান প্ৰতিষ্ঠা দোপত দোপে বৃদ্ধি পালে।

ঘৰখনৰ একমাত্ৰ ব্যতিক্ৰম আছিল সুনীতি। আভিজাত্যৰ মিছা ভেমৰ পৰিবৰ্ত্তে তাইৰ আছিল বিনম্ৰতা আৰু সৰলতা। সেই বাবেই হয়তো তাই ঘৰৰ অমতেতে জয়ন্তৰ দৰে সহজ-সৰল মানুহ এজনক বাচি লৈছিল। এসময়ৰ কলেজৰ বান্ধবী— সুনীতি জয়ন্তৰ জীৱনলৈ আহিল পত্নী ৰূপে। কিন্তু নীলনাথৰ ঘৰখনে জয়ন্তক অন্ত-ৰেৰে গ্ৰহণ কৰিব নোৱাৰিলে। সিহঁতৰ ধন-দৌলতৰ বিশাল মায়া পুৰীত এক আদৰ্শবাদী ভিকহু সাংবাদিক জয়ন্ত সাধুকথাৰ এক দৈত্য হৈ প্ৰবেশ কৰিলে। এতাৰ আকৌ ইউনিয়ন কৰি জেল খটাৰ পাছত জয়ন্ত সিহঁতৰ বাবে আৰু অস্পৃশ্য হৈ পৰিছে। ইয়ে যেন গৌৰী-নাথৰ সামাজিক প্ৰতিষ্ঠাক কিছু ম্লান কৰি পেলাইছে। গৌৰীনাথে এনে ধৰণেই ভাবিবলৈ ধৰিলে।

এয়া বাৰু গল সুনীতিহঁতৰ কথা কিন্তু তাৰ ককায়েক সুশান্ত? সি কি কৰিলে? সিহঁত দুজনেই মাত্ৰ ককাই-ভাই। সৰুৰ পৰা দুয়ো একেলগে ডাঙৰ দীঘল হৈছিল। সুখ-দুখ সকলোৰে সম-ভাগী আছিল ইজন সিজনৰ। কিন্তু এই মহানগৰ পাই সুশান্তও হেৰাই গ'ল। কোনোবা নতুন ধনী কন্যাক বিয়া কৰোৱাৰ পাছৰ পৰা সুশান্তই তাক, সিহঁতৰ গাওঁৰ ঘৰখনক ঘৃণা কৰা হল। এতিয়া

কাৰণেই যেনেকৈ তাৰ খলপটোৰ মাজত সোমাই থাকি তাৰ হাত-ভৰি-বোৰ লুকাই ৰাখে তেনেকৈ সকলোৰে স্পৰ্শৰ পৰা যি নিজকে লুকাই ৰাখিছে। মাক-দেউতাক-আত্মীয়-স্বজন কাৰো লগত তাৰ সম্বন্ধ নাই। এইবোৰৰ লগত সম্পৰ্ক ৰাখিলে তাৰ অফিচাৰৰ মৰ্য্যা-দাত আঘাত লাগে। মৃত্যুৰ আগমুহূৰ্তলৈকে মাকে বিচাৰিছিল। কিন্তু মাকৰ খবৰ লোৱাৰ অৱকাশ তাৰ নহল। পত্নীৰ পৰা আদেশ নোপোৱাকৈ কৰায়েক সুশান্তই কেনেকৈ যায় গাওঁৰ ঘৰলৈ।

কোনো নাই। জয়ন্ত-সুনীতিয়ে বাটলৈ চাই চাই হুমুনিয়াহ কাঢ়ি মনৰ মাজতে কৈ উঠিল— কোনো নাই। কাৰো অহাৰ আহৰি নাই। সিহঁতৰ দৰে সকলো মানুহবোৰৰ খবৰ লবলৈ কাৰো সময় নাই। এই মানুহবোৰে তাক কিয় মাৰিলে তাক জানিবলৈও কোনোৱে আগ্ৰহ নকৰিলে। মানুহবোৰৰ অকণো সময় নাই। প্ৰত্যেকেই কেৱল দৌৰিছে। কাৰো ক্ষন্তে নোচোৱাকৈ কেৱল দৌৰিছে। মৰিচিকাৰ দৰে আগে আগে দৌৰিছে ধন সোণ আৰু আৰু অজস্ৰ সম্পদ। অলপ অন্য মনস্ক হলেই সেইবোৰ চকুৰ আগৰ পৰা যেন নাইকিয়া হৈ যাব। সেয়ে কেৱল দৌৰিব লাগে।

জয়ন্তৰ ক্ৰমে এনে ভাব হল তাৰ এই ৰক্তপাতেৰে যেন পৰিতৃপ্ত হৈছে ৰক্ত পিপাসু এই মানুহবোৰ। তাৰ ৰক্তপাতৰ অন্তৰালত থকা কাহিনীটো প্ৰকাশ কৰি দি এই ৰক্তপিপাসুবোৰৰ চৰম নিষ্ঠুৰতাৰ ছবিখন সি দাঙি ধৰিব পাৰে কিন্তু তাতকৈ দুখৰ কথা হব যদি আন এজন মানুহ তাৰ কাষৰ পৰা আতৰি যায়। যিজন মানুহক সি প্ৰাণভৰি ভাল পাইছিল। যি তাৰ সমস্ত কৰ্মশক্তিৰ প্ৰেৰণা। কিন্তু যদি এই ৰহস্য ভেদ নহয় তেনেহলে তাৰ ৰক্ততাত ৰক্তবীজৰ জন্ম হব কেনেকৈ? তাৰ ৰক্তপাত অথলে যাব নোৱাৰে। ইয়াত ৰক্তবীজ জন্মিবই লাগিব।

এই সংকল্প জয়ন্তই গ্ৰহণ কৰাৰ পাছৰ পৰা জয়ন্তৰ যন্ত্ৰণা-কাতৰতা আৰু বেচি হৈছে। তাৰ অস্থিৰতা বাঢ়িছে। এই গোপন ৰহস্য সুনীতিয়েও বুজিব পৰা নাই। সুনীতিয়ে তাৰ সেই যন্ত্ৰণা